# ভাণ্ডৰী

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী

৫৩ সংখ্যক প্ৰকাশ

২০২২-২০২৩ শিক্ষাবৰ্ষ



ড° মঞ্জু কলিতা
তত্বাৱধায়িকা

চিৰঞ্জীৱ ডেকা
সম্পাদক

# ভাখেৰী



৫৩ সংখ্যক মঙলদৈ মহাবিদ্যালয় আলোচনীখনিৰ বিশেষ নাম 'ভাখেৰী'ৰ অৰ্থ হৈছে ভঁৰাল। দৰং জিলাৰ চহা ৰাইজৰ দ্বাৰা ব্যৱহৃত এই শব্দটিয়ে আমাক আঘোণ মাহৰ সোণালী ধানৰ মেটমৰা ডাঙৰি আৰু ধান ৰখা ঘৰটিৰ প্ৰতিচ্ছবি মনলৈ আনি দিয়ে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষাগুৰুমণ্ডলীৰ সমূহীয়া আলোচনাৰ অন্তত সৰ্বসন্মত সিদ্ধান্তক্ৰমে 'ভাখেৰী' নামটিৰে আলোচনীখনিক এক নতুন চিনাকিৰ মাত্ৰা দিয়াৰ প্ৰয়াস কৰা হ'ল এইবাবেই যে 'ভাখেৰী'ৰে শস্য সংৰক্ষণ কৰাৰ দৰে জ্ঞানৰ আকৰ বা প্ৰজ্ঞাৰ ভঁৰালৰূপে আমাৰ আলোচনীখনে এক যুগজয়ী ভূমিকা পালন কৰিব।

— সম্পাদনা সমিতি



# ভাখৰী

## মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী

৫৩ সংখ্যক প্ৰকাশ

২০২২-২০২৩ শিক্ষাবৰ্ষ

ড° মঞ্জু কলিতা
তত্ত্বাৱধায়িকা

শ্ৰীচিৰঞ্জীৱ ডেকা
সম্পাদক

Mangaldai Mahavidyalaya Alochani "Bhakheree" : The Annual College Magazine of Mangaldai College, Published by Dr. Kamala Kanta Borah, Principal, Mangaldai College on behalf of Mangaldai College Students' Union. Vol. 53rd, Session : 2022-23

সম্পাদনা সমিতি

'ভাখেৰী', মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী

২০২২-২৩ চন

| | |
|---|---|
| সভাপতি ঃ | ড° কমলা কান্ত বড়া |
| শিক্ষক সদস্য ঃ | ডিম্বেশ্বৰ বৰুৱা |
| | ড° সন্তোষ বৰকাকতি |
| | ড° ৰুণজুন দেৱী |
| | ড° ববিতা শৰ্মা |
| | ড° ৰাজৰীপা তালুকদাৰ |
| | ইচ্ছাৰাম নাথ |
| | অমৰেন্দ্ৰ ৰাজখোৱা |
| | খঞ্জনা ডেকা |
| তত্ত্বাৱধায়িকা ঃ | ড° মঞ্জু কলিতা |
| সম্পাদক ঃ | চিৰঞ্জীৱ ডেকা |
| সদস্য ঃ | মৃগাংক কুমাৰ |
| | দেৱাশীষ ৰাজকুমাৰ |
| | দীপশিখা দেৱী |
| | গৌতম ডেকা |
| | আৰ্চিক আলম আহমদে |
| | প্ৰবীণ মণ্ডল |
| | বিকাশ শৰ্মা |
| | বনশ্ৰী নাথ |
| | চুমন ডেকা |
| | লক্ষ্যহীৰা ডেকা |




বেটুপাত শিল্পী ঃ আৰ্চিক আলম আহমেদ
মুদ্ৰণ ঃ ময়ূৰী অফছেট, মঙলদৈ
দৰং (অসম)
ফোন ঃ ৯৮৫৪৪ ৫৭০৪০

ISBN : 978-0-7336-2669-4



সৰস্বত্যৈঃ মহাভাগে বিদ্যে কমললোচনে।
বিদ্যাৰূপে বিশালাক্ষী বিদ্যাং দেহি নমোহস্তুতে।।

# শ্বহীদ প্ৰণামো তোমাক...

বাট ভেটা দিয়া
হেজাৰ এলান্ধুৰ পাহাৰ ভাঙি
শত শ্বহীদৰ দল
লৈ দল বল
আমি আগবাঢ়িম
আমাৰ কলিজাৰ তপত শোণিতেৰে
আইৰ চৰণ পখালিম ...




মহাবিদ্যালয়ৰ শ্বহীদ বেদী

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

ৰচনা ঃ শ্ৰী প্ৰভাত নাৰায়ণ চৌধুৰী
সুৰ আৰু স্বৰলিপি ঃ
কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল ঃ দাদ্‌ৰা

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।।১।।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী;
বিকশিত আজি শত শতদল
তোমাৰ চৰণ চুমি।।২।।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।

## মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য

"নিহিত সম্ভাবনাৰ বিকাশেই জীৱন", তেনে বিকাশৰ মূল কথা ঘাত-প্ৰতিঘাতৰ মাজত খেলুৱৈৰ মনোভাৱেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰ পৰা সূক্ষ্মলৈ, ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাৱলৈ, ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি। এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ, গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰ সমাজমুখী, বিস্তাৰমুখী, ত্যাগমুখী আৰু মঙ্গলকামী গতি। শিক্ষাৰ মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ প্ৰতীকত সেয়ে মূল কথা হিচাপে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহৎ বাণী- "তমসো মা জ্যোতিৰ্গময়।"

পৰিসীমাৰ ঢালৰূপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত। মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু উদ্যমৰ লগত প্ৰাণৰ সংযোগ। ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ, পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতাৰ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা। জ্ঞানেই আনন্দ জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ পৰিছে জীৱনৰ এই আনন্দ ভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি। প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয়, ই সীমিত নহয়, ই স্থিতিশীল নহয়। ই গতিশীল, সমাজমুখী, মঙ্গলকামী আৰু অসীম।

পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময় বিকাশ আৰু তাৰ গতি।

# শ্ৰদ্ধাৰ্ঘ



২০২২-২৩ বৰ্ষত ৰাজনীতি, প্ৰতিৰক্ষা, বিজ্ঞান, শিক্ষা, শিল্প-কলা, সংস্কৃতি আৰু ক্ৰীড়া আদি সমাজৰ ভিন্ন ক্ষেত্ৰলৈ অমূল্য বৰঙণিৰে দেশমাতৃক চহকী কৰি যোৱা আমাৰ জ্ঞাত-অজ্ঞাত প্ৰতিগৰাকী মহান ব্যক্তিৰ পুণ্যাত্মাৰ সদ্‌গতি কামনা কৰি শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ।

— সম্পাদনা সমিতি

একাঁজলি

# শ্ৰদ্ধাঞ্জলি



যাদৱ চন্দ্ৰ নাথ
মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ



মণিমুন্ধ বৰঠাকুৰ
মহাবিদ্যালয়ৰপ্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ



নীলমণি ফুকন
সাহিত্যিক



সুদক্ষিণা শৰ্মা
গায়িকা



বীৰেন্দ্ৰনাথ দত্ত
সাহিত্যিক



অৰুণ দাস
গায়ক



শৰৎ বৰকটকী
ৰাজনীতিবিদ



বিক্ৰম গোখলে
অভিনেতা



এম. এছ. স্বামীনাথন
সেউজ বিপ্লৱৰ পিতৃ



প্ৰকাশ সিং বাদল
ৰাজনীতিবিদ



শাৰদ যাদৱ
ৰাজনীতিবিদ



বালকৃষ্ণ দোশী
প্ৰত্নতত্ত্ববিদ



দীনেশ ফাৰ্ণিচ
অভিনেতা



বিষান সিং বেদী
ক্ৰীড়াবিদ



ছেলিম দুৰানী
ক্ৰীড়াবিদ



বিজয় শংকৰ শইকীয়া
অভিনেতা

ওপৰোক্তসকলৰ উপৰিও অনন্তধামলৈ গতি কৰা জ্ঞাত-অজ্ঞাত সকলো
পুণ্যাত্মালৈ গভীৰ শ্ৰদ্ধা নিবেদিছো।

# উছৰ্গা



যিসকলে স্ব-পৃষ্ঠপোষকতাত অপৰিসীম ত্যাগেৰে মহানুভৱতাৰ উৎকৃষ্ট নিদৰ্শন দেখুৱাই অধ্যৱসায়ৰ সাঁকোৰে মঙলদৈ মহাবিদ্যালয়ক দৰঙী ৰাইজৰ আশাৰ গজালি হিচাপে প্ৰতিষ্ঠা কৰিলে, যিসকল ব্যক্তিৰ সান্নিধ্যত মঙলদৈ মহাবিদ্যালয়ে ৭২ টি বসন্ত গৰকি পৈণত হ'বলৈ সক্ষম হ'ল, অহোপুৰুষাৰ্থৰ স্ৰোতস্বিনীত প্ৰাপ্তিৰ সোঁতৰ বন্যা বোৱাই অসমীয়া ভাষাটিক জীয়াই ৰখাৰ বাবে সংগ্ৰামৰ বাট বুলি গতি কৰা শত-সহস্ৰ শ্বহীদ, এই ভাৰতভূমিক ষড়যন্ত্ৰৰ কু-নীতিৰ পৰা মুক্ত কৰিবলৈ যিসকলে সৰ্বোচ্চ ত্যাগ কৰিলে, সেইসকল মহান আত্মাৰ হাতত 'ভাখেৰী' শীৰ্ষক সংখ্যাটি উছৰ্গা কৰিলোঁ।

— সম্পাদনা সমিতি



# কৃতজ্ঞতা

**৫৩ সংখ্যক 'ভাখেৰী' শীৰ্ষক মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ পথত আমাক পথ প্ৰদৰ্শন কৰা সকলো ব্যক্তিক নতশিৰে প্ৰণিপাত জনাই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ**

- অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য অধ্যাপক ড° প্ৰতাপ জ্যোতি সন্দিকৈ
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰঞ্জন কাকতি
- অসম সাহিত্য সভাৰ সভাপতি মাননীয় ড° সূৰ্য্যকান্ত হাজৰিকা
- দৰং জিলাৰ আয়ুক্ত মাননীয় মুনীন্দ্ৰ নাথ ঙাটে
- মঙলদৈ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাননীয় নয়নজ্যোতি পাঠক
- মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ মাননীয় দিলীপ শইকীয়া
- মঙলদৈ বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক বসন্ত দাস
- মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° কমলা কান্ত বড়া
- মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক মাননীয় ড° সন্তোষ বৰকাকতি
- সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়িকা ড° মঞ্জু কলিতা
- ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক মাননীয় শ্ৰীইচ্ছাৰাম নাথ
- এন.চি.চি.ৰ ছোৱালী গোটৰ এ. এন. অ'. ড° (মেজৰ) লীনা শইকীয়া
- মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী সমন্বয়ক মাননীয় নৱজ্যোতি দলে
- শিক্ষাগুৰুমণ্ডলী ক্ৰমে শ্ৰীডিম্বেশ্বৰ বৰুৱা, ড° ৰুণজুন দেৱী, ড° ববিতা শৰ্মা, ড° ৰাজৰীপা তালুকদাৰ, ড° বৰ্ণালী ডেকা, ড° ৰূপজ্যোতি বৰুৱা, খঞ্জনা ডেকা, অমৰেন্দ্ৰ ৰাজখোৱা
- ছাত্ৰ-ছাত্ৰীবৃন্দ ক্ৰমে মৃগাংক কুমাৰ, দীপশিখা দেৱী, গৌতম ডেকা, প্ৰবীণ মণ্ডল, আৰ্চিক আলম আহমেদ, বিভুতি শৰ্মা,পাৰ্থ সাৰথি ভট্টাচাৰ্য্য, অংকুৰ ডেকা, শশাংক ভূঞা, কমল প্ৰসাদ শৰ্মা, কৈলাশ ৰঞ্জন ডেকা, দেৱাশীষ ৰাজকুমাৰ, চুমন ডেকা, লক্ষ্যহীৰা ডেকা
- ৫৩ সংখ্যক 'ভাখেৰী' শীৰ্ষক মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশিত/অপ্ৰকাশিত লেখাসমূহৰ লেখক-লেখিকাবৃন্দ
- মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ঃ ২০২২-২৩ বৰ্ষৰ প্ৰতিজন একনিষ্ঠ সেৱক
- ময়ূৰী অফছেট, মঙলদৈৰ স্বত্বাধিকাৰ শ্ৰীকমল চন্দ্ৰ বৈশ্য (ৰিংকু) সহিতে সমূহ কৰ্মচাৰীবৃন্দ।

— ধন্যবাদেৰে —

সম্পাদক

ভাখেৰী

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ.৭/২০২৩/১২৮১
৭ আঘোণ, ১৪৩০ ভাস্কৰাব্দ
২৪ নৱেম্বৰ, ২০২৩ ইং

# শুভেচ্ছাবাণী

মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ৫৩ সংখ্যক আলোচনীখন প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

বিদ্যাৰ্থীসকলেই দেশৰ ভৱিষ্যৎ। বিদ্যাৰ্থী সমাজৰ মানসিকতা, চিন্তা-চেতনা আৰু কৰ্মৰাজিয়ে অকল ব্যক্তিগত জীৱনকে প্ৰভাৱিত কৰে তেনে নহয়, সমগ্ৰ ৰাষ্ট্ৰৰ সামগ্ৰিক স্বৰূপ নিৰ্দ্ধাৰণ কৰে। ভাল ফলাফলে সুন্দৰ জীৱন গঢ়াৰ পথ প্ৰশস্ত কৰে। কিন্তু আনুষ্ঠানিক শিক্ষাৰ ফলাফলেই যে জীৱনৰ গতিপথৰ নিৰ্ণায়ক হ'ব, সেই কথাও শুদ্ধ নহয়। ইতিহাসৰ পাতত এনে বহু ব্যক্তি আছে যিসকল আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত সফল নহৈও জীৱনত অতি উচ্চ শিখৰত জিলিকি আছে। আমেৰিকাৰ বিশিষ্ট লিখক, বিজ্ঞানী বেঞ্জামিন ফ্ৰেঙ্কলিন কোনো উচ্চ শিক্ষাৰে শিক্ষিত নাছিল। মাত্ৰ দহ বছৰ বয়সতে তেওঁ স্কুলীয়া জীৱন সমাপ্ত কৰি ঘৰতে অংক শিকি তাৰ পিছত ফৰাচী, ইটালীয়ান, স্পেনিছ আৰু লেটিন ভাষা আয়ত্ত কৰি বিশ্বৰ এগৰাকী শ্ৰেষ্ঠ লেখক হিচাপে পৰিগণিত হোৱাৰ উপৰি বিজ্ঞানৰ আৱিষ্কাৰক হিচাপে নিজৰ নাম ইতিহাসৰ পাতত লিপিবদ্ধ কৰি থৈ গৈছে। এই কথা মনত ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভিতৰত লুকাই থকা সম্ভাৱনাক আৱিষ্কাৰ কৰি কঠোৰ পৰিশ্ৰমেৰে তেনে দিশত আগুৱাই গৈ জীৱনক সাৰ্থক কৰাৰ প্ৰয়াস চলাব লাগিব।

জীৱনটোক সাৰ্থক ৰূপত গঢ়িবলৈ আনুষ্ঠানিক শিক্ষাৰ উপৰি কিছু অধিক আয়ত্ব কৰাৰ প্ৰয়োজন। সফলতা যেনেকৈ জীৱনৰ আশীৰ্বাদ, ব্যৰ্থতাও তেনেকৈ জীৱনৰ অভিশাপ নহয়। ব্যৰ্থতা বা আশা কৰা ধৰণে ফলাফল লাভ নকৰাটো জীৱনৰ বাবে এক শিক্ষাহে। নিয়মীয়াকৈ অধ্যয়ন কৰিও পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিব নোৱাৰাটো জীৱনৰ এক অভিজ্ঞতাহে। আমি জীৱনৰ ব্যৰ্থতাসমূহ কেনেদৰে গ্ৰহণ কৰো, সেইবোৰৰ পৰা কি শিক্ষা লওঁ আৰু প্ৰত্যাহ্বানসমূহ কেনেদৰে মোকাবিলা কৰো তাৰ ওপৰতে জীৱনৰ গতি বহু পৰিমাণে নিৰ্ভৰ কৰে। জীৱনটোক অসাধাৰণ ৰূপত গঢ়িব খুজিলে প্ৰচলিত ধ্যান-ধাৰণাতে আবদ্ধ নাথাকি চিন্তা আৰু কামত কিছু অতিৰিক্ত আয়তন যোগ দিব লাগিব।

মই আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
E-mail ID : vc@gauhati.ac.in



# MESSAGE

It gives me immense pleasure to know that Mangaldai College, Darrang, is going to publish its College Magazine for the academic session 2022-2023. A college magazine serves as a strong medium for the constituent members of the college for an intellectual exchange of ideas and creative expressions. It reflects the thoughts, emotions, creativity, and objective perspectives of the students and faculty, capturing the essence of the college community at a particular time. I wish all the best to those involved in this effort and hope that the magazine will be well received by the readers.

P.J. Handique
(Pratap Jyoti Handique)
Vice Chancellor
Gauhati University

Date:15.11.23

**Dr. Ranjan Kr. Kakati**
(M.Sc., M.Phil, Ph.D., B.Ed., PGDCA)
Director, Students' Welfare

**Gauhati University**
**Gopinath Bardoloi Nagar**
**Guwahati - 781014, Assam : India**

***Ref. No. GU/DSW/2003/017*** ***Date : 14-12-2023***



# শুভেচ্ছাবাণী

মঙলদৈ অঞ্চলৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা অঞ্চলটোত উচ্চ শিক্ষাৰ লগতে সাংস্কৃতিক আদি দিশতো পোহৰ বিলাই আহিছে। জানিবলৈ পাই নথৈ আনন্দিত হৈছো যে — মহাবিদ্যালয়ৰ ৫৩ সংখ্যক বাৰ্ষিক আলোচনীখন 'ভাখেৰী' নামেৰে প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। ই এক সময়োপযোগী পদক্ষেপৰ লগতে ই এখন অন্যতম দলিল হিচাপে পৰিগণিত হ'ব।

আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সাহিত্য চৰ্চাত আগ্ৰহী কৰি তুলিব লগতে আলোচনীখনে ধনাত্মক বাৰ্তা দি সমাজৰ লগতে মহাবিদ্যালয়ৰ বৌদ্ধিক উত্তৰণত সহায়ক হৈ ইয়াত সন্নিৱিষ্ট লেখক সকলৰ জ্ঞানৰ অন্বেষণত আলোকিত হোৱা লিখনিয়ে সমাজলৈ এক নতুন বাৰ্তা কঢ়িয়াই আনিব।

আশাকৰোঁ আলোচনীখন সকলোৰে আঁকোৱালি ল'ব।

(ৰঞ্জন কুমাৰ কাকতি)
ছাত্ৰ কল্যাণ সঞ্চালক
গুৱাহাটী বিশ্ববিদ্যালয়

ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি- সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭




## শুভেচ্ছাবাণী

অপাৰ বৈচিত্ৰ্যতাৰে পৰিপূৰ্ণ মঙ্গলদৈ কোঁচ ৰজাৰ জীয়ৰী মঙ্গলাৰ নামেৰে নামাংকিত হৈছিল। বৈদিক যুগৰ পৰা আৰ্যসকলে বঙ্গ কৰা দৰঙৰ দাঁতি কাষৰীয়া হৰিশিঙা স্থানে আজিও হৰিহৰৰ যুদ্ধৰ স্মৃতি সোঁৱৰায়। আনহাতে সতী বেউলাৰ পিতৃ ৰজা শাহেইৰ বসতিস্থান ৰূপেও মঙ্গলদৈ বিখ্যাত। ৰজা আৰিমত্ত, চিলাৰায়ৰ পুত্ৰ পৰীক্ষিত নাৰায়ণ, পৰীক্ষিতৰ পুত্ৰ বলিনাৰায়ণৰ পদৰেণুৰে ঐতিহ্যধন্য মঙ্গলদৈৰ আছে এনে সোণালী ইতিহাস। কলাইগাঁৱত জন্মলাভ কৰা কেন্দুকলাই বিশ্ববিমোহিনী ৰূপৱতী দেৱীৰ দৰ্শন পোৱা, অজ্ঞাতবাসী ৰাজা কৃষ্ণ নাৰায়ণক ইংৰাজ কেপ্টেইন বেলচ চাহাবে এই মঙ্গলদৈ অঞ্চলতে গোপন সূত্ৰৰ পম খেদি কৰায়ত্ত কৰা, শঙ্কৰী যুগৰ বিখ্যাত লেখক জয়ৰাম সূৰ্য্যখড়িৰ জন্মস্থান, ছহিদ মুজাম্মিলৰ ৰক্তৰে ৰঞ্জিত হোৱা স্থান, মনসা পূজাৰ অবিচ্ছেদ্য অংগ ওজাপালিৰ সুকনান্নী আৰু দেওধাই নৃত্যৰ বাবে বিখ্যাত স্থান, সুকুমাৰ কলাৰ ক্ষেত্ৰতো আগস্থান পোৱা স্থান আদি বিভিন্ন গৰিমাৰে মঙ্গলদৈ গৌৰৱোজ্জ্বল। শাক্ত, বৈষ্ণৱ, হিন্দু, মুছলমান আদি নানা ধৰ্ম, নানা ভাষা, নানা জাতি-জনগোষ্ঠীৰ মিলনভূমি মঙ্গলদৈৰ আছে সুকীয়া সুনাম, সুকীয়া মৰ্যাদা।

দৰং জিলাৰ এনেহেন মঙ্গলদৈ অঞ্চলত ১৯৫১ খ্ৰীষ্টাব্দতে প্ৰতিষ্ঠা লাভ কৰা 'মঙ্গলদৈ মহাবিদ্যালয়'খনে মানসিক সংস্কাৰেৰে সুস্থ সমাজ গঠনত বহুকাল ধৰি বিভিন্ন দিশেৰে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰেৰে আলোকিত কৰাৰ প্ৰয়াসেৰে সক্ৰিয়ভাৱে সামাজিক পৰিৱেশত যোগাত্মক প্ৰভাৱ বিস্তাৰ কৰি উৎকৃষ্ট মানৱ সম্পদ গঢ়ি তোলাতো এই মহাবিদ্যালয়খনে সুনাম আৰ্জিছে। সকলো ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ বৌদ্ধিক বিকাশৰ লগতে মানৱ সম্পদৰ স্থিতি সবল আৰু দৃঢ় কৰাৰ ক্ষেত্ৰত আদৰ্শ শিক্ষানুষ্ঠান 'মঙ্গলদৈ মহাবিদ্যালয়'ৰ ৫৩ সংখ্যক বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ ওলোৱাত আনন্দিত হৈছোঁ। 'মঙলদৈ মহাবিদ্যালয় আলোচনী'খন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা ন-পুৰণি লেখক-লেখিকাৰ তথ্যগধুৰ লেখাৰে সমৃদ্ধ হ'ব বুলি আশা ৰাখিছোঁ।

আলোচনী প্ৰকাশৰ সৈতে জড়িত সকলো বিষয়ববীয়া তথা মহাবিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীলৈ অসম সাহিত্য সভাৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছাৰে,-

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

৭ আঘোণ, ১৪৩০ ভাস্কৰাব্দ
২৪ নৱেম্বৰ, ২০২৩ খ্ৰীঃ


বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেছ ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com

**Dilip Saikia**
Member of Parliament
(Lok Sabha)
Mangaldoi-Assam
Member :
* Standing Committee on petroleum & Natural Gas
* Consultative Committee on Commerce and Industry

सत्यमेव जयते

82, South Anvenue, New Delhi-110 011
Telefax : 011-23011035
Mobile : +91 9101910213, 9435102073
E-mail : saikia.dilip@sansad.nic.in

Ward No. 9, Bhebarghat M.B. Road
P.O.-Mangaldoi, P.S.-Mangaldoi-784125
Dist.- Darrang, Assam
E-mail : dilipvcnyks@gmail.com



# শুভেচ্ছাবাণী

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এইবেলি মঙলদৈ মহাবিদ্যালয় আলোচনীখনৰ ৫৩ সংখ্যক সংস্কৰণটি 'ভাখেৰী' নামেৰে প্ৰকাশ কৰিবলৈ মানস কৰা বুলি জানিব পাৰি আনন্দিত হৈছো।

আলোচনী বুলি কওঁতে আমি সমাজৰ এখন দাপোন স্বৰূপক বুজো। যিখন দাপোনত প্ৰত্যেক জন লেখক-লেখিকাৰ সৃষ্টি তথা প্ৰতিভাসমূহ স্পষ্টকৈ প্ৰকাশ পায়। মঙলদৈ মহাবিদ্যালয়ৰ সৈতে জড়িত শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সৃষ্টিশীলতা প্ৰকাশৰ এক মঞ্চ দিয়াৰ চেষ্টা কৰিছে এই আলোচনীখনে। প্ৰতিটো সংখ্যাৰ দৰে এইবাৰো লেখক-লেখিকা সকলে শব্দৰ ধানেৰে আলোচনীখন সমৃদ্ধ কৰি তুলিব তথা পঢ়ুৱৈ সমাজক আকৰ্ষিত কৰিব বুলি মই আশাবাদী।

(দিলীপ শইকীয়া)
সাংসদ
মঙলদৈ লোকসভা সমষ্টি

বসন্ত দাস
বিধায়ক
মঙলদৈ বিধানসভা সমষ্টি

**Basanta Das**
MLA, Mangaldai LAC

সত্যমেৱ জয়তে

পুৰণি বিধায়ক আবাস
দিছপুৰ গুৱাহাটী
৬ নং খণ্ড
ভ্ৰাম্যভাষ ঃ ৯৪৩৫০ ৮৭৫০১
**Old MLA Hostel, Ghy-6**
Mobile : 94350 87501
basantad64@gmail.com

Ref. MLA/MLD/1021

Date : 20/10/2023



# শুভেচ্ছাবাণী

উত্তৰ অসমৰ এখন অগ্ৰণী উচ্চ শিক্ষা প্ৰতিষ্ঠান হিচাপে মঙলদৈ মহাবিদ্যালয় অন্যতম। সামগ্ৰিক গুণগত শৈক্ষিক পৰিৱেশ আৰু অভিজ্ঞ অধ্যাপক-অধ্যাপিকা, প্ৰৱক্তাৰ লগতে কৰ্মচাৰীসকলৰ সহযোগ আৰু অধ্যক্ষৰ বলিষ্ঠ পৰিচালনাৰে মঙলদৈ মহাবিদ্যালয় জ্ঞান পিপাসু শিক্ষাৰ্থীৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। স্বকীয় ঐতিহ্যৰে গৌৰৱোজ্জ্বল মহাবিদ্যালয়খনিৰ সহস্ৰাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বৰ্তমান সমাজৰ প্ৰতিষ্ঠিত ব্যক্তি।

মহাবিদ্যালয় এখনৰ সুস্থ পৰিচালনাৰ বাবে গঠন কৰা ছাত্ৰ একতা সভাই বিভিন্ন দিশত কাৰ্য সম্পাদন কৰাৰ সমান্তৰালভাৱে জীৱন প্ৰতিষ্ঠাৰ দিশত আগবঢ়া শিক্ষাৰ্থীৰ সামাজিক দক্ষতা আৰু ব্যক্তিত্ব বিকাশৰ সম্ভাৱনা জগাই তোলে।

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগে ২০২২-২৩ শিক্ষাবৰ্ষৰ আলোচনী সংস্কৰণ প্ৰকাশৰ মনস্থ কৰাটো উৎসাহজনক কথা। মহাবিদ্যালয়খনিৰ সোণসেৰীয়া ইতিহাসৰ বিভিন্ন দিশ প্ৰকাশৰ লগতে প্ৰকাশিতব্য আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশত সহায় কৰিব বুলি আশা ৰাখিলো। আলোচনীখন সৰ্বাংগসুন্দৰ সাহিত্য সমল হিচাপে স্বীকৃত হোৱাৰ কামনা কৰি মহাবিদ্যালয় পৰিয়ালবৰ্গলৈ কৃতজ্ঞতা আৰু শুভেচ্ছা জ্ঞাপন কৰিলো। ইতি —

(বসন্ত দাস)
বিধায়ক
মঙলদৈ বিধানসভা সমষ্টি



सत्यमेव जयते

## অসম চৰকাৰ
## জিলা আয়ুক্ত কাৰ্যালয়, দৰং, মঙলদৈ

# শুভেচ্ছাবাণী

দৰং জিলাৰ এক আগশাৰীৰ শিক্ষা অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এইবেলি ৫৩ সংখ্যক বছেৰেকীয়া আলোচনীখন প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি মই নথৈ আনন্দিত হৈছো। আলোচনী এখন মহাবিদ্যালয়খনৰ দাপোণ সদৃশ। এই আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে পুথিগত জ্ঞানৰ লগতে সাহিত্য চৰ্চাৰ এক সুৱৰ্ণ সুযোগ লাভ কৰে। ছাত্ৰ-ছাত্ৰী সকলে আলোচনীখনৰ দ্বাৰা নিজৰ প্ৰতিভাৰ উমান দিব পাৰে আৰু সাহিত্য জগত খনৰ লগত পৰিচয় ঘটাব পাৰে।

বিগত বছৰ বছৰ ধৰি মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনত আগবঢ়োৱা অৱদান অনাগত দিনবোৰতো অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ৰাখিছো আৰু মই মহাবিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী তথা অনুষ্ঠানটিৰ লগত জড়িত সমূহ বিষয়-ববীয়া তথা কৰ্ম-কৰ্তা সকলোলৈকে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা ৰাখিলো

(মুনীন্দ্ৰ নাথ ঙাটে)
জিলা আয়ুক্ত
দৰং, মঙলদৈ

सत्यमेव जयते



## অসম চৰকাৰ
## চক্ৰ বিষয়াৰ কাৰ্যালয়, মঙলদৈ ৰাজহ চক্ৰ

# শুভেচ্ছাবাণী

দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ৫৩ সংখ্যক সংস্কৰণটি প্ৰকাশৰ বাৰ্তাটি পাই মই অত্যন্ত সুখী হৈছোঁ। সামাজিক জনজীৱনৰ প্ৰতিটো দিশকে ভাষাৰ সহায়ত সাহিত্যৰ যোগেদি প্ৰকাশ কৰিব পাৰি। সাহিত্য অবিহনে এটা ভাষা বা জাতি জীয়াই থাকিব নোৱাৰে। সাহিত্য চৰ্চাই ভাষা বা জাতিক উন্নতিৰ পথত আগুৱাই নিয়াত প্ৰত্যক্ষভাৱে সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত আলোচনীসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ গজালি মেলা প্ৰতিভাক প্ৰতিফলিত কৰিব বুলি মই আশাবাদী।

মই সম্পাদনা সমিতিৰ লগতে আলোচনীখনৰ লগত জড়িত প্ৰত্যেকজন সদস্যৰ এই প্ৰয়াসৰ শলাগ লৈছোঁ। আগন্তুক দিনত আলোচনীখনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা ৰাখি মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(নয়নজ্যোতি পাঠক)
চক্ৰ বিষয়া
মঙলদৈ ৰাজহ চক্ৰ দৰং (অসম)




ড° কমলা কান্ত বড়া

অধ্যক্ষ

মঙলদৈ মহাবিদ্যালয়

# অধ্যক্ষৰ একলম ...

## মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী, ২০২২-২০২৩



ভাখেৰী

মহাবিদ্যালয় এখনৰ আলোচনীখন মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু বৌদ্ধিক চিনাকি। ছাত্ৰ-ছাত্ৰীৰ লগতে জ্ঞানপুষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লেখনীয়ে জ্ঞান সন্তুলিত সমাজ এখন গঠন কৰাত অমূল্য বৰঙণি যোগায়। প্ৰতিষ্ঠিত লেখকৰ পৰা মজলীয়া আৰু চালুকীয়া পৰ্যায়ৰ লেখনীৰে আলোচনীখন সৰ্বাঙ্গ সুন্দৰভাৱে সজ্জিত হোৱাৰ উপৰিও তাত সন্নিৱিষ্ট হয় মহাবিদ্যালয়ৰ বিভিন্ন সামাজিক, আৰ্থ-সামাজিক আৰু আভ্যন্তৰীণ বিষয়সমূহ আৰু ই হৈ পৰে পৰৱৰ্তী পৰ্যায়ত ইতিহাসৰ সম্বল। বিভিন্ন লেখকৰ জ্ঞান সমৃদ্ধ লেখাসমূহে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাই নহয়; ই বহু ছাত্ৰ-ছাত্ৰীক লিখিবলৈ প্ৰেৰণা যোগায়। সেয়েহে মহাবিদ্যালয়খনৰ আলোচনী মহাবিদ্যালয় পৰিয়ালৰ আটাইৰে অতি আদৰৰ আৰু এক অবিচ্ছিন্ন দলিল স্বৰূপ। গতিকে ব্যক্তি ভেদে মত-অভিমত বেলেগ বেলেগ হ'ব পাৰে যদিও সত্যক বিকৃত কৰাৰ অধিকাৰ আমাৰ নাই। ইতিহাস সত্যনিষ্ঠ হোৱাটো নিতান্তই প্ৰয়োজনীয়; সেইবাবে আলোচনীখনত প্ৰকাশ পোৱা তথ্যসমূহ সত্য হোৱাটো আমাৰ কাম্য। এখন আলোচনী প্ৰকাশ কৰি উলিয়াওতে তাত একাধিক ব্যক্তিৰ শ্ৰম জড়িত হৈ থাকে; এই সংখ্যা আলোচনী সম্পাদনা আৰু প্ৰকাশৰ সৈতে জড়িত সকলোকে অশেষ ধন্যবাদ জনোৱাৰ উপৰিও আলোচনীখনৰ তত্ত্বাৱধায়িকা ড° মঞ্জু কলিতাৰ তৎপৰতা আৰু কৰ্মস্পৃহাক শলাগিছো। আলোচনী সম্পাদক শ্ৰীচিৰঞ্জীৱ ডেকাৰ নিষ্ঠাৰে কাম কৰাৰ অদম্য হেঁপাহৰ ফলস্বৰূপে আলোচনীখন প্ৰকাশ হ'ল, তাৰবাবে তেওঁক ধন্যবাদ জনালো। সম্পাদনা সমিতিৰ সমূহ সন্মানীয় সদস্য-সদস্যাই আগবঢ়োৱা সহায় -সহযোগিতা আৰু দিহা-পৰামৰ্শৰ বাবে তেওঁলোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। মহাবিদ্যালয়ৰ যিসকল শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ লেখনীয়ে আলোচনীখন সজোৱাত সহায় কৰিলে আৰু জ্ঞান পিপাসুসকলৰ চাহিদা পূৰণত অৰিহণা যোগালে তেওঁলোকক পুনৰ ধন্যবাদ জ্ঞাপন কৰিলো।

এখন জ্ঞান সন্তুলিত সমাজ সৃষ্টি কৰিবলৈ হ'লে সকলো ব্যক্তিৰ জ্ঞান তথা প্ৰজ্ঞাৰ অন্বেষণ হ'ব লাগিব। জ্ঞান অন্বেষণ আৰু সঞ্চয়ৰ আটাইতকৈ উত্তম উপায় হৈছে পুথি বা কিতাপ। সেই কাৰণে কিতাপ হৈছে জ্ঞানৰ ভঁৰাল।

এইবেলিৰ পৰা মহাবিদ্যালয়ৰ আলোচনীখনে তাৎপৰ্যপূৰ্ণ 'ভাখেৰী' নামকৰণেৰে ইতিহাসৰ এটি মাইলৰ খুঁটি পুতিবলৈ সক্ষম হৈছে। আগন্তুক দিনত 'ভাখেৰী'ৰ জয়যাত্ৰা অবিৰতভাৱে চলি থাকক তাৰেই কামনাৰে ......

ড° কমলা কান্ত বড়া
অধ্যক্ষ
মঙলদৈ মহাবিদ্যালয়



**ড° সন্তোষ বৰকাকতি**

**সমন্বয়ক**

**আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ**

**মঙলদৈ মহাবিদ্যালয়**



# আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়কৰ একলম ...

শিক্ষানুষ্ঠান হৈছে জ্ঞান অন্বেষণৰ বাবে কৰা আখৰাৰ প্ৰধানস্থলী আৰু জ্ঞান অন্বেষণৰ মাত্ৰাই হৈছে জীৱনৰ চালিকা শক্তি আৰু জ্ঞানৰ পোহৰেৰে জীৱনটো উদ্ভাসিত কৰিবলৈ সুযোগ আগবঢ়োৱা একো একোখন শিক্ষানুষ্ঠানে, একো একোখন সমাজৰ স্বচ্ছ প্ৰতিবিম্ব হৈ ৰয়। সমাজত পোহৰ বিয়পাবলৈ কৰা প্ৰচেষ্টাসমূহৰ ভিতৰত আলোচনী প্ৰকাশো অন্যতম। ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ সুধীবৃন্দৰ সৃষ্টিৰাজি সন্নিবিষ্ট কৰি'ভাখেৰী'ক যি অনন্য ৰূপত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে, সেয়া নিশ্চয়কৈ এক প্ৰশংসনীয় পদক্ষেপ। 'ভাখেৰী'য়ে ছাত্ৰ-ছাত্ৰীক মতামত প্ৰকাশৰ এক অভূতপূৰ্ব মঞ্চ প্ৰদান কৰিব। দৰঙৰ থলুৱা শব্দ 'ভাখেৰী' অৰ্থাৎ শস্যৰ ভঁৰালৰ লেখীয়া এই আলোচনীখনে জ্ঞানৰ এক উৎকৃষ্ট ভঁৰাল ৰূপে সমাজত স্বীকৃতি পাব। ইয়াত সংলগ্ন কৰা আটাইবোৰ লিখনিয়ে মঙলদৈ মহাবিদ্যালয়ৰ মৰ্যাদা বৃদ্ধি কৰাত যথেষ্ট বৰঙণি আগবঢ়াব।

এই ছেগতে, মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰত থকা সমূহ মহান ব্যক্তিক সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। 'ভাখেৰী'ৰ লগত একাত্ম হোৱা সমূহ সুহৃদয়বান ব্যক্তিৰ কষ্ট তথা ত্যাগৰ আন্তৰিক শলাগ লৈছোঁ। ভাখেৰীয়ে সমাজলৈ অনুপ্ৰেৰণা তথা পোহৰৰ, সাহস তথা ৰঙীণ পৃথিৱীৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হওক।

— শুভকামনাৰে —

ড° সন্তোষ বৰকাকতি
সমন্বয়ক
আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ
মঙলদৈ মহাবিদ্যালয়



# ছাত্ৰ একতা সভাৰ তত্বাৱধায়কৰ একলম ...

মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাখন ছাত্ৰ- ছাত্ৰীসকলৰ নেতৃত্ব বহন কৰা অনুষ্ঠানেই নহয়, ই মহাবিদ্যালয়ৰ চালিকা শক্তি। তেওঁলোকৰ ধনাত্মক সহযোগিতা অবিহনে কৰ্তৃপক্ষই সু-শৃংখলভাৱে ইয়াক পৰিচালনা কৰিব নোৱাৰে। ছাত্ৰ একতা সভাত যোগদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নেতৃত্ব প্ৰদানৰ বিভিন্ন দিশসমূহ আহৰণ কৰিবলৈ সক্ষম হয়।

মোৰ কৰ্মজীৱনৰ এক স্মৰণীয় অভিজ্ঞতা হৈছে ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়কৰ দায়িত্ব বহন কৰা। ছাত্ৰ- ছাত্ৰীসকলৰ সহযোগিতাৰ মনোভাৱ দেখি অভিভূত হৈছিলোঁ। আমাৰ কাৰ্যকাল আৰম্ভ হৈছিল এক ৰক্তদান শিবিৰৰ জৰিয়তে। 'ৰক্তদান মহান দান' এই নীতি সৰোগত কৰি উক্ত অনুষ্ঠানটোলৈ যথেষ্ট সংখ্যক ছাত্ৰ- ছাত্ৰীয়ে সহাঁৰি জনাইছিল।

২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল সঁচাকৈয়ে যথেষ্ট উৎসাহী আৰু কলেজৰ উন্নয়ন আৰু সুনামৰ বাবে কিবা এটা কৰাৰ দুবাৰ হাবিয়াস তেওঁলোকৰ আছিল। আমাৰ কাৰ্যকালত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী সফলতাৰে সমাপন কৰা হৈছিল। কাৰ্যকালৰ মাজভাগতে স্বনামধন্য ব্যক্তিবিশেষক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মত বিনিময় কৰাৰ সুযোগ দিয়া হৈছিল। মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰি অনা হৈছিল অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্ত দেৱ।

শেষত আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

— শুভকামনাৰে —

ইচ্ছাৰাম নাথ
তত্বাৱধায়ক
ছাত্ৰ একতা সভা
মঙলদৈ মহাবিদ্যালয়



# A Report from ANO, Girls NCC

Girls NCC of Mangaldai college is about to cross the journey of twenty years as it was introduced in the college on 8th January,2003. I feel proud when my cadets shine in different fields as well as academics along with being a part of NCC. I don't know whether I am able to do something or value for the cadets, but I have been trying my best to motivate each of my candidates for doing good activities. The cadets of our college and achieved medals and prices in the national camps and events too. Five cadets have passed NCC 'C' certificate in 2023. Different activities performed by the cadets in the session are mentioned here:On Lachit Divas Day, the cadets participated in the Road band conducted by District Administration and in the cultural programme on 23rd November. On 27th November, 3 cadets donated blood in the blood bank, Mangaldai Civil Hospital. On the occasion of NCC Day, the cadets with ANO spent the day in the Kasturi Sishu Griha at Gaonburapara, Mangaldai. I feel proud for acquiring NCC Commendation Card from DG, NCC, New Delhi in 2022. An essay competition was organised on G-20 on 1st March, 2023. On 8th March the cadets have also participated. In the Self Defence Training by Veerangana, Darrang police. On the last day of my service, 31st March, it was my privilege to publish a bulletin on NCC. It is a matter of proud that upto 2023, total 124 cadets have passed 'C' certificate in last twenty years and maximum of them are engaged in different services like Assam Police, BSF, Forest Department, CISF in addition to teaching and others.Each year the girls cadets participate in the March past competition organised by the administration of Darrang on the occasion of Republic day and Independence day and never missed the prize.International Yoga Day is also celebrated in each year from the beginning of its celebration by the cadets.Also, plantation,blood donation,old age home visit,child home visit are regular activities performed by the cadets .I feel happy that my cadets are also able to achieve best cadet award,Cadet Welfare Scholarship (CWS) regularly. Last,but not the least,I would like to offer thanks to the Principals, ANO of Boys NCC colleagues, CO sir and specially my ex and present cadets including Boys NCC for co-operating and helping me in the journey.I give my best wishes for the future of Mangaldai college NCC. Jai Hind -

**Dr. (Major) Leena Saikia**
ANO
73 Assam Girls (I) COY, NCC
Tezpur
Mangaldai College



# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়াৰ প্ৰতিবেদন

ভাৰতত ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰসেৱাৰ কামত জড়িত কৰাৰ চিন্তা জাতিৰ পিতা মহাত্মা গান্ধীৰ সময়ৰ। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বাৰে বাৰে প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰা কেন্দ্ৰীয় বিষয়টো আছিল যে তেওঁলোকে সদায় তেওঁলোকৰ আগত ৰাখিব লাগে, তেওঁলোকৰ সামাজিক দায়বদ্ধতা। ছাত্ৰ-ছাত্ৰীৰ প্ৰথম কৰ্তব্য হ'ব লাগিব, তেওঁলোকৰ অধ্যয়নৰ সময়ছোৱাত সমাজৰ বাবে অতি প্ৰয়োজনীয় সম্পদ হিচাপে ৰাষ্ট্ৰৰ সেৱাত ব্ৰতী হৈ দেশৰ বাবে নিজকে আত্মনিয়োগ কৰাটো। এন এছ এছৰ সম্পূৰ্ণ ৰূপ হ'ল ৰাষ্ট্ৰীয় সেৱা আঁচনি। ই ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত চলি থকা এটা প্ৰতিষ্ঠান। ১৯৬৯ চনত সমাজ সেৱাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্মৰ চৰিত্ৰ গঠনৰ বাবে ইয়াৰ শুভাৰম্ভ কৰা হৈছিল। পঞ্চপ্ৰণৰনীতিৰ মূলমন্ত্ৰৰে স্বাধীনতাৰ শতবাৰ্ষিকীত বিকশিত ভাৰতৰ স্বপ্নশীল ধাৰাৰ ধ্বজাবাহক ভাৰতে ৰাষ্ট্ৰনেতা হোৱাৰ পথত যুৱপ্ৰজন্মৰ অৱদান অতিকৈয়ে প্ৰাসংগিক।

যেতিয়াৰ পৰাই মানুহে সামাজিক প্ৰাণী হিচাপে বসবাস কৰিবলৈ লৈছিল ঠিক তেতিয়াৰ পৰাই সভ্যতাৰ বিকাশৰ বুনিয়াদ গঢ় লৈ উঠিছিল। সামাজিকপ্ৰাণী হিচাপে সমাজৰ ভিন্ন ক্ষেত্ৰত মানুহে সেৱা আগবঢ়াই আছে। নৱপ্ৰজন্মই ৰাষ্ট্ৰৰ সেৱাত ব্ৰতী হৈ দেশৰ বাবে নিজকে আত্মনিয়োগ কৰা এখন মুকলি মঞ্চ হৈছে ৰাষ্ট্ৰীয় সেৱা আঁচনি।

ৰাষ্ট্ৰৰ সেৱাত নিজকে আত্মনিয়োগ কৰাৰ বাবে মঙলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ দ্বাৰা মঙলদৈ নিকটৱৰ্তী কুইয়াপানী গাঁৱক পোষ্য গাঁও হিচাপে গ্ৰহণ কৰা হয়।

২০২২ চনৰ ২৪ ছেপ্টেম্বৰ তাৰিখে মঙলদৈৰ বৃদ্ধাশ্ৰমত এন এছ এছ দিৱস পালন কৰা হয়। সাধাৰণতে এন এছ এছ বুলি কোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিখন মহাত্মা গান্ধীৰ শতবাৰ্ষিকী ১৯৬৯ চনত ২৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছিল। সেয়েহে প্ৰতি বছৰে এই দিৱসটো এন এছ এছ দিৱস হিচাপে পালন কৰা হয়। এন এছ এছ গোটৰ ৫০ জন স্বেচ্ছাসেৱকে মঙলদৈ মহাবিদ্যালয় চৌহদৰ পৰা খোজকাঢ়ি ভেবাৰঘাটলৈ গৈ চাৰিওফালৰ অঞ্চল চাফা কৰে।

লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীত প্ৰতি বছৰে ৩১ অক্টোবৰৰ দিনটি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় ঐক্য দিৱস হিচাপে পালন কৰা হয়। চৰ্দাৰ পেটেলৰ জন্মদিন উপলক্ষে তেওঁৰ অৱদান উদযাপনৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ উদ্যোগত এক ঐক্য দৌৰৰ আয়োজন কৰা হৈছে।

মঙলদৈ মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত যোৱা ০১/১২/২০২২ তাৰিখে পুৱা ১১.৩০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ কুইয়াপানী (পোষ্য গাঁও)ত এইচ আই ভি/এইডছ সম্পৰ্কে এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। মঙলদৈ মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত কুইয়াপানী গাঁওত ০৩/০১/২০২৩১ পৰা ১০-০১-২০২৩ লৈ বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ উদ্দেশ্যসমূহ হৈছে কুইয়াপানী গাঁৱৰ লোকসকলৰ সৈতে যুৱ স্বেচ্ছাসেৱকসকলৰ মাজত নিজৰ বুলি ভাব সৃষ্টি কৰা, গাঁওবাসীৰ মাজত জীৱনৰ বিভিন্ন দিশৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু স্বেচ্ছাসেৱকসকলৰ দ্বাৰা গাঁৱৰ বাস্তৱ পৰিস্থিতিৰ অভিজ্ঞতা লাভ কৰা।

ৰাষ্ট্ৰীয় যুৱ দিৱস, যাক স্বামী বিবেকানন্দ জয়ন্তী বুলিও জনা যায়, প্ৰতি বছৰে ১২ জানুৱাৰীত পালন কৰা হয়। স্বামী বিবেকানন্দৰ জন্ম বাৰ্ষিকী উদযাপনৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ দ্বাৰা মঙলদৈ শাখাৰ বিবেকানন্দ কেন্দ্ৰৰ সহযোগত ১২/০১ /২০২৩ তাৰিখে পুৱা ১১.৩০ বজাৰ পৰা দুপৰীয়া ২ বজালৈ মঙলদৈ মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ অনুষ্ঠানৰ আয়োজন কৰা হয়।

ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত স্বচ্ছ ভাৰত অভিযানৰ পদক্ষেপৰ প্ৰতি সন্মান জনাই মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় চৌহদৰ ভিতৰত এক "মহাবিদ্যালয় চাফাই কাৰ্যসূচী" অনুষ্ঠিত হয়।ৰাতিপুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচী দুপৰীয়া ২.৩০ বজাত শেষ হয়। প্ৰায় ৬৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ চুক-কোণ চাফা কৰে। এন এছ এছ গোটে "শিকণৰ দ্বাৰা উপাৰ্জন" নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে কাৰ্যকলাপৰ দ্বাৰা প্ৰত্যক্ষভাৱে হাতৰ অভিজ্ঞতা লাভ কৰিব পাৰে আৰু ইয়াৰ পৰা কিছু লাভৱান হ'ব পাৰে। এই কাৰ্যসূচীৰ অধীনত গোটে "জৈৱিক কৃষি" আৰম্ভ কৰিছে য'ত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ ফল-মূলৰ খেতি কৰি আছে।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সকলো স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাক অনুষ্ঠানসমূহত উপস্থিত থাকি সহাৰি প্ৰদান কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়ক অনুষ্ঠানসমূহ পৰিচালনা কৰাত বাবে সুবিধা প্ৰদান কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয়।।
।। জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি।।

নৱজ্যোতি দলে
কাৰ্যসূচী বিষয়া



# তত্ত্বাৱধায়িকাৰ দু-আষাৰ

জ্ঞান পিপাসু মানৱ মনৰ এক অন্যতম সৃষ্টি সাহিত্য। অতি প্ৰাচীন কালৰ পৰাই মানুহৰ অন্তৰৰ পৰা স্বতঃস্ফূৰ্তভাৱে নিগৰিত অনুভৱৰ প্ৰকাশ ঘটিছে সাহিত্যৰ মাজেৰে। বিশ্বৰ আদিমতম কবিতাপুথি 'ৰামায়ণ' ঋষি বাল্মিকীৰ কলমেৰে নিগৰিত ছন্দোবদ্ধ শব্দৰ প্ৰকাশ সাহিত্যৰ অন্যতম সৃষ্টি। ঠিক সেইদৰে ব্যাসদেৱে ৰচনা কৰিছিল পৃথিৱীৰ ভিতৰতে দীঘল কবিতাপুথি মহাভাৰত। কাহিনী বৰ্ণিত কাব্যিক প্ৰকাশৰ অন্যতম সৃষ্টি এই ৰচনা সম্ভাৰে মানৱ ইতিহাসৰ প্ৰতিচ্ছবি বহন কৰি আহিছে। কেৱল প্ৰাচ্যতে নহয়, পাশ্চাত্যতো গ্ৰীক সভ্যতাৰ বিকাশ ঘটিছিল বিভিন্ন পটভূমিত ৰচিত সাহিত্যৰাজিৰ মাজেৰে। সাহিত্যসমূহ এটা জাতিৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় কিম্বা নৈতিক দিশৰ একোখন দলিল বুলি ক'ব পাৰি। সেয়ে হয়তো জ্ঞানীজনে কৈছে— সাহিত্য জাতিৰ দাপোন। দাপোনত মুখ চাই যেনেকৈ নিজৰ বিষয়ে গম পোৱা যায়, ঠিক তেনেদৰে সাহিত্য পঢ়িলে নিজৰ জাতিৰ বিষয়ে গম পোৱা যায়। পৃথিৱীত সকলোতকৈ হেনো সাহিত্যৰ আদৰ বেছি।

জ্ঞানৰ আলয় মঙলদৈ মহাবিদ্যালয় অবিভক্ত দৰং জিলাৰ এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল। ১৯৫১ চনতে স্থাপিত হৈ মহাবিদ্যালয়খনে মহাৰজত জয়ন্তীৰ দুৱাৰ দলিত উপস্থিত হৈছে। এই দীঘলীয়া পৰিক্ৰমাত মহাবিদ্যালয়খনে বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন বন্তি উজ্বলাই তুলিলে। মূল পাঠ্যক্ৰমৰ উপৰিও শিক্ষাৰ লগত জড়িত অন্যান্য দিশসমূহ যেনে— খেলা-ধূলা, সংগীত, সাহিত্য আদি প্ৰয়োজনীয় ক্ষেত্ৰবোৰত ছাত্ৰ-ছাত্ৰীসকলক সমানে পাৰদৰ্শী কৰি গঢ়ি তোলাত মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠাকালৰে পৰা যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। তেনে চেষ্টাৰ পৰিণতিতে জন্ম লাভ কৰি আজিলৈ সমানে বিজয়ধ্বজা বহন কৰি আছে মহাবিদ্যালয় আলোচনীখনে। এই আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা সমূহ পৰিয়ালৰ ঐতিহ্য বহন কৰি এখন দলিল হিচাপে স্বাক্ষৰ কঢ়িয়াই আনিছে। সাহিত্যৰ জৰিয়তে এটা জাতিৰ পৰিচয় যেনেদৰে পাব পাৰি মহাবিদ্যালয়খনৰ পৰিচয় প্ৰতিফলিত হয় মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনীখনৰ মাধ্যমেৰে। মহাবিদ্যালয় জন্মলগ্নৰ পৰাই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে প্ৰকাশৰ মুখ দেখাটো দৰঙৰ বাবে গৌৰৱৰ কথা। এইখিনিতে আমি সেইসকল মহান লোকৰ নাম ল'ব লাগিব যিসকলে এই আলোচনীখনৰ প্ৰকাশৰ দায়িত্ব বহন কৰি আছে।

সকলোৱে সন্মতিক্ৰমে চলিত বৰ্ষত প্ৰকাশ পাবলগীয়া মঙলদৈ মহাবিদ্যালয় আলোচনীখনৰ নাম 'ভাখেৰী' ৰখা হৈছে। আশা কৰো এই নামৰ জয়যাত্ৰা অব্যাহত থাকিব। বিগত বছৰটোত সাহিত্য আৰু আলোচনী বিভাগৰ দায়িত্বত থাকি নিজকে ভাগ্যৱান বুলি ভাবিছো। এনে গুৰু দায়িত্ব আমাৰ হাতত অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° কমলা কান্ত বড়াদেৱক এই সুযোগতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেতে বছৰটোত এই বিভাগৰ দ্বাৰা আয়োজিত অন্যান্য প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ আমাক অনুমতি প্ৰদান কৰি যি প্ৰেৰণা যোগালে তাৰবাবে তেখেতৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। সম্পাদক শ্ৰীচিৰঞ্জীৱ ডেকাৰ অৱদান শলাগিবলগীয়া। তেওঁ কেবাটাও নতুন প্ৰতিযোগিতা অনুষ্ঠিত, যেনে— হাতেলিখা আলোচনী প্ৰতিযোগিতা, ড° ভূপেন হাজৰিকাৰ ওপৰত ৰচনা প্ৰতিযোগিতা, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰচনা প্ৰতিযোগিতা ইত্যাদিকে ধৰি সাহিত্যৰ লগত সংগতি থকা অনুষ্ঠান সুকলমে সমাপন কৰে। এইখিনিতে তেওঁলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। ২০২২-২৩ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা তত্ত্বাৱধায়ক সকললৈ শ্ৰদ্ধা নিবেদিছো। এই বৰ্ষৰ আলোচনীৰ সম্পাদনা সমিতিৰ বিভিন্ন দিহা-পৰামৰ্শ দি আলোচনীখন প্ৰকাশৰ মুখ দেখুওৱাৰ বাবে তেওঁলোক সদায় ধন্যবাদৰ পাত্ৰ হৈ ৰ'ব।

শেষত সকলো লেখকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালো। তেওঁলোকৰ লেখা অবিহনে আলোচনীখনে প্ৰকাশৰ মুখ নেদেখিলহেঁতেন। মানুহ মাত্ৰেই ভুল হয়। আমি এই মহান কামটি হাতত লোৱাৰ পৰা আজিকো পৰ্যন্ত জ্ঞাতে-অজ্ঞাতে যি ভুল কৰিছো তাৰবাবে সকলোৱে ওচৰত ক্ষমা মাগিছো। শেষত 'ভাখেৰী'ৰ উত্তৰোত্তৰ কামনা কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

ড° মঞ্জু কলিতা
তত্ত্বাৱধায়িকা

সম্পাদকৰ মেজৰ পৰা ...



# জীৱনৰ প্ৰতিবিম্ব

## মানুহ হোৱাৰ প্ৰতিযোগিতা আৰু আমাৰ দায়বদ্ধতা

"তমসো মা জ্যোতির্গময়"

অন্ধকাৰৰ পৰা মোক পোহৰলৈ লৈ ব'লা, এই বাণীকেই সাৰোগত কৰি যিসকল মহান ব্যক্তিৰ অশেষ কষ্টৰ ফলত দৰং জিলাৰ উচ্চ শিক্ষাৰ মধ্যমণিস্বৰূপ ৭২ টি বসন্ত গৰকা মঙলদৈ মহাবিদ্যালয়ে জন্মলাভ কৰিছিল, তেওঁলোকৰ ত্যাগ তথা বলিদানক সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। মঙলদৈ মহাবিদ্যালয় হৈছে আমাৰ বাবে এক আবেগ তথা সাধনাৰ স্থলী। এই শিক্ষানুষ্ঠানখনে প্ৰদান কৰা সাধনা তথা প্ৰজ্ঞাৰ আভাই ভিন্ন ব্যক্তি বিশেষক সমাজৰ ভিন্ন স্তৰত সম্পদস্বৰূপে গঢ় দিয়াত আগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

যান্ত্ৰিকতাৰ যুগত ক্ৰমাৎ অযান্ত্ৰিক হোৱাৰ পথত গতি কৰাৰ ঈপ্সা আমাৰ সকলোৰে নথকা নহয়।নিজকে বিলীন কৰিব নিবিচাৰিলেও পৰিস্থিতিৰ সীমনাত আমিবোৰ ক্ৰমাৎ বন্দী হৈ পৰিছো। সোঁতৰ বিপৰীতে বুলি এটি বিজ্ঞাপন দি পিন্ধি ফুৰিছো এখন বিশেষ মুখা। মুকাভিনয়ৰ শিল্পীকো কোনোবাখিনিত চেৰ পেলাই নাটকীয়ভাৱে গতি কৰিছো মই বৰ ভাৱৰ ব'ঠা মাৰি। চিনেমাৰ নায়কৰ দৰেই জীৱনটো, ভাবিলেই ভাল লাগে অদ্বিতীয় হোৱাৰ যুদ্ধত কোনোবাখিনিত স্বকীয়তাক বিলীন কৰিলেও কিন্তু দৰ্শক স্বৰূপ ব্যক্তিবিশেষৰ আগত নাটৰ কেলি কৰিছো। স্থান,পাত্ৰ,কালৰ ছেগ বুজি প্ৰতিদিনে এটি নতুন চৰিত্ৰৰ লগত নিজকে সংযোজন কৰিছো। এটি সুৰক্ষিত তথা ব্যক্তিগত জীৱনৰ মাদকতাৰ সন্ধানত থাকিও আকৌ সামাজিক মাধ্যমত দৈনিক পৰিচৰ্যাক দেখুৱাই ফুৰিছো, আনক দেখুওৱাৰ হেঁপাহৰ তুলাচনীৰ ভৰ প্ৰতিদিনে বৃদ্ধি হৈ গৈছে। আপুনি বেয়া নোপোৱাৰ স্বাৰ্থত স্বকীয় অনুভূতি কিম্বা প্ৰয়োজনীয়তাবোৰক বিসৰ্জন দি নতুবা প্ৰতিবাদৰ চিগাৰেটৰ উত্তাপবোৰক উৰুৱাবলৈ শিকিছো। খাতিৰৰ সাপেক্ষে সহানুভূতিৰ এপিয়লা সংকেতধ্বনি বিলাই ফুৰিছো, মাথোঁ নিভাঁজ হৃদয়ৰ অনুভৱৰ পথাৰত ৰুই গৈছো কৃত্ৰিমতাৰ গুটিধান। শান্তিৰ সংজ্ঞা বিচাৰি চঞ্চল পৃথিৱীৰ মায়াধামত নীৰৱে গতি কৰিছো, কৃত্ৰিমভাৱে হ'লেও মইজনক জীয়াই ৰখাৰ মানসিকতাৰে।

সাম্প্ৰতিক কালছোৱাত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, আৰু ৰাজনৈতিক পৰিসৰসমূহে আমাক ভিন্ন সময়ত চুই গৈছে। যদিওবা মহাবিদ্যালয়ৰ জীৱন এক পৃথক পৃথিৱীৰ দৰে কিন্তু প্ৰকৃততে ই এটি বৃহৎ সামাজিক পৰিসৰৰ প্ৰতিফলন। মহাবিদ্যালয়ত অধ্যয়নৰত কালছোৱাত লাভ কৰা অভিজ্ঞতা কিম্বা শিক্ষাবোৰ কেৱল মাত্ৰ পুৰণি কিতাপৰ পৃষ্ঠাত সীমাবদ্ধ নহয়, ই নৈতিক আদৰ্শৰে পৰিপূৰ্ণ এজন সুস্থ সবল মানুহক গঢ়ি তোলে। বৰ্তমান প্ৰেক্ষাপটত পৰিৱৰ্তনৰ নতুন দিগন্তত এক ব্যাপক পৰিৱৰ্তন দেখা পোৱা গৈছে। নতুন প্ৰযুক্তি, বিশ্বায়নৰ প্ৰভাৱ, আৰু সমাজৰ নিয়মৰ পৰিৱৰ্তনে মানৱ সভ্যতাৰ উন্নয়নক আৰু অধিক ক্ষিপ্ৰ কৰি তুলিছে। শিক্ষা,স্বাস্থ্য, সমতা, আৰু পৰিৱেশ সংৰক্ষণৰ দৰে বিষয়সমূহত শিক্ষাৰ্থী সমাজৰ সক্ৰিয় অংশগ্ৰহণ তথা সচেতনতাই উন্নয়নৰ ভাৱধাৰাক প্ৰসাৰমুখী হোৱাৰ দিশটিক ত্বৰান্বিত কৰি তুলিছে। যুৱসকলৰ সবল নেতৃত্ব তথা সৃষ্টিশীল চেতনা কিম্বা প্ৰচুৰ চিন্তা শক্তিয়ে প্ৰাপ্তিৰ পথত অগ্ৰসৰ হোৱাত অবিহণা আগবঢ়াই আহিছে।

গণতন্ত্ৰৰ অংশীদাৰস্বৰূপ যুৱচামে এক বৃহৎ ৰাজনৈতিক পৰিসৰত এক শক্তিশালী স্তম্ভ হিচাপে ভূমিকা পালন কৰি আহিছে। স্বদেশ স্ব জাতিৰ উন্নয়নৰ ভেটিক শক্তিশালী কৰি তুলিবলৈ হ'লে যুৱ কিম্বা শিক্ষাৰ্থীসকলৰ মতামত আৰু দাবীসমূহে নীতি নিৰ্ধাৰণত মুক্ত কণ্ঠ হিচাপে স্বীকৃতি লাভ কৰাটো বাৰুকৈয়ে প্ৰয়োজন। শিক্ষাৰ্থীসকলৰ ৰাজনৈতিক সচেতনতা আৰু গণতান্ত্ৰিক মূল্যবোধৰ দিশটিক একেলগে লৈ সমাজৰ নীতি আৰু বাস্তৱ পৰিসৰক কিম্বা নিভাঁজ তিক্ত সত্যবোৰক এক ইতিবাচক দিশৰ মাধ্যমেৰে সমাধান তথা পৰিৱৰ্তনৰ দিশত আগবঢ়াটো আজিৰ প্ৰেক্ষাপটত এইবাবেই প্ৰয়োজনবোধ কৰো কাৰণ আজিৰ যুৱচামে অচিৰেই অদূৰ ভৱিষ্যতত সমগ্ৰ বিশ্ববাসীক নেতৃত্ব দিব। আদৰ্শগত সত্তাক জীয়াই ৰখাৰ স্বাৰ্থত আমি আন্দোলনমুখী হ'ব লাগিব কিন্তু তাৰ সমান্তৰালভাৱে প্ৰয়োজন কঠোৰ অধ্যৱসায় তথা অধ্যয়নৰ বহুল পৰিসৰ। কলমৰ কাপেৰে প্ৰাপ্তিৰ বন্যা বোৱাই সপোনৰ শিখৰত অৱস্থিত হোৱাজনেহে সন্মুখৰ পৰা তথাকথিত চিষ্টেমক নৱৰূপ দিয়াৰ নেতৃত্ব লাভ কৰে। প্ৰতিজন যুৱ পাঠকলৈ বিনম্ৰ অনুৰোধ ঃ জীৱনবাটৰ শেষবিন্দুলৈকে অধ্যয়নক সাৰোগত কৰি এখন স্থিতপ্ৰজ্ঞ সাৱলীল যুক্তিবাদী সমাজ গঢ়ো আহক। প্ৰয়োজন মাথোঁ ৰাজনৈতিক নেতা হোৱাৰে নহয়, সপোন দেখিব লাগিব স্বকীয় শৈলীৰে নিজ বাটেৰে আগুৱাই গৈ শান্তি, সমতা তথা একতাৰে পৰিপূৰ্ণ এখন সমাজ গঢ়াৰ। নেতা হওঁ আহক, আলিবাটৰ কাষৰ দোকানত উপলব্ধ তথাকথিত ফাষ্টফুডৰ সমাহাৰবোৰ গ্ৰহণ কৰি মেদবহুলতাৰ স্বীকাৰ হোৱাতকৈ পদপথৰ ওচৰত অঘৰী জীৱন যাপন কৰি পেটৰ ভোকৰ তাড়নাত বহি থকা এজন নিভাঁজ মানুহৰ, সমস্যাৰে জৰ্জৰিত সমাজৰ অন্তিম শাৰীৰ শিখৰত থকা ব্যক্তিসকলৰ। ৰাজহুৱা অনুষ্ঠানত ঘোষণা কৰাৰ লালসাত অত্যাধিক দান বৰঙণি আগবঢ়োৱাতকৈ ওচৰৰ আৰ্থিকভাৱে পিছপৰা মানুহজনৰ বাবে সহায়ৰ হাত আগবঢ়াও আহক। 'আপোনাৰ ব্যৱহাৰে আপোনাৰ পৰিচয়' শীৰ্ষক বিষয়টিক সাৰোগত কৰি সৰুৰে পৰা নমস্কাৰ দি মানুহক প্ৰণাম কৰি নাম ক'বলৈ শিকোৱা, জীৱন বাটৰ পথ প্ৰদৰ্শক মা-দেউতাক মৃত্যু পৰ্যন্ত নিজৰ লগত ৰাখি অনুজ প্ৰজন্মৰ বাবে উদাহৰণ হোৱাৰ নেতা হওঁ আহক। নিজৰ বাই-ভনীৰ দৰে আন বাইদেউ-ভগ্নীসকলক একেই মৰ্যাদা প্ৰদান কৰি এখন সুস্থ মানসিকতাৰ সমাজ গঢ়াৰ নেতা হওঁ আহক। ব্যক্তিবিশেষৰ পেছাতকৈ ব্যক্তিত্বক সন্মান কৰিবলৈ শিকি সম্ভাৱনাৰ প্ৰতীক হিচাপে মানুহ গঢ়াৰ নেতা হওঁ আহক। মানৱীয় প্ৰমূল্যবোধক সন্মান প্ৰদৰ্শন কৰি সমাজত সক্ৰিয় চিন্তাধাৰাৰে মৌলিক তথা পেছাগত কৰ্তব্যসমূহক সময়মতে সমাপন কৰি দুৰ্নীতিবিৰোধী কিম্বা অপৰাধজনিত কাৰ্যকলাপক বিসৰ্জন দিয়াৰ নেতা হওঁ আহক। পথত গতি কৰিলে মেকুৰী দেখি পিছপৰাজন নহয় মেকুৰীটোক অদৃশ্যজনৰ সৃষ্টি বুলি জীয়াই থকাৰ ন্যায় প্ৰদান কৰো আহক।

আজিৰ প্ৰেক্ষাপটত বিভিন্ন অভাৱনীয় পৰিস্থিতি সংক্ৰান্তত প্ৰয়োজনত যুৱসকল আন্দোলনমুখী হোৱাৰ যথেষ্ট নিদৰ্শন আমাৰ হাতত আছে। ছাত্ৰ ৰাজনীতিয়ে শিক্ষাৰ্থীসকলৰ মাজত এক শক্তিশালী চেতনা আৰু সামাজিক দায়বদ্ধতা সৃষ্টিৰ ক্ষেত্ৰত সহায়ক হিচাপে থিয় দিয়ে যদিও সম্ভাৱনাময় পথৰ পৰা সহজে এক অপব্যৱহাৰৰ দিশত পৰিৱৰ্তন হ'ব পাৰে। ছাত্ৰ ৰাজনীতিয়ে দেশৰ ভৱিষ্যতস্বৰূপ শিক্ষাৰ্থীসকলক নেতৃত্বৰ গুণ, মতামত প্ৰকাশৰ অধিকাৰ আৰু বিভিন্ন সামাজিক সমস্যাৰে জৰ্জৰিত সমাজখনৰ এক প্ৰতিবাদী কিম্বা সাৱলীল কণ্ঠ হোৱাৰ মঞ্চ প্ৰদান কৰে। কিন্তু ইয়াৰ বিপৰীতে, অপৰিণামদৰ্শী ৰাজনৈতিক চৰ্চাৰ ফলত ই এক দুমুখীয়া তৰোৱালৰ ৰূপ ধাৰণ কৰিব পাৰে। শিক্ষাৰ্থীসকলে সচেতনভাৱে এই ক্ষেত্ৰত নিজৰ ভূমিকা পালন কৰিব লাগে। এনে পৰিসৰত সততা, নীতি আৰু উদ্দেশ্যৰ স্বচ্ছতা অত্যন্ত গুৰুত্বপূৰ্ণ। সামাজিক মাধ্যমৰ উত্থানে যদিও সামাজিক আৰু ৰাজনৈতিক আলোচনাৰ মঞ্চৰ প্ৰসাৰ ঘটিছে, তথাপি ইয়াৰ দ্বাৰা ভুল তথ্যৰ প্ৰসাৰৰ এক বৃহৎ সমস্যাই দেখা দিছে। শিক্ষাৰ্থী হিচাপে আমাৰ কৰ্তব্য হৈছে এই সমস্যাবোৰৰ বিষয়ে সজাগ হোৱা আৰু সমাজ গঠনত ইতিবাচক ভূমিকা পালন কৰা। বিভিন্ন ৰাজনৈতিক, সামাজিক, আৰু সাংস্কৃতিক পৰিৱেশৰ সৈতে জড়িত হৈ এক নতুন পথৰ সন্ধান কৰি ঐক্য আৰু সবল সমাজ গঠন কৰাটো যুৱ প্ৰজন্ম তথা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মূল মন্ত্ৰ হ'ব লাগে। শিক্ষাৰ্থীৰ সমাজে বিভিন্ন দিশৰ পৰিৱৰ্তনৰ সৈতে খাপ খাই নিজৰ বাবে এক নতুন পথ নিৰ্মাণ, সামাজিক পৰিসৰত এক দৃঢ় ভূমিকা পালন কৰাটোৱে অনাগত দিনত মানৱ সভ্যতাক এক উচ্চ খাপত প্ৰতিপন্ন কৰিব।

পুৰণিকলীয়া পৰম্পৰা আৰু আধুনিকতাৰ মাজত এক সমন্বয়ৰ যোগেদি ঐতিহ্য বহন কৰা এই ভাৰতভূমিয়ে বিশ্ব দৰবাৰত নিজকে স্বকীয় শৈলীৰে "বসুধৈৱ কুটুম্বকম" নীতিৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ পৰিসৰত ইয়াৰ নিদৰ্শন বিভিন্ন উৎসৱ, কৃষ্টি-কলা, আৰু সাংস্কৃতিক অনুষ্ঠানত প্ৰতিফলিত হয়। এই কাৰ্যসূচীসমূহ মাত্ৰ স্ফূৰ্তিৰ মাধ্যমেই নহয়, ই এক গভীৰ সম্ভাৱনীয়তাৰ প্ৰতিফলন। ই পৰম্পৰাগত জ্ঞান আৰু অভিজ্ঞতাক সংৰক্ষণ কৰাৰ মানসিকতাৰে সমাজৰ ভিন্ন দিশত সচেতনতাৰ বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্টখিনি অৱদান আগবঢ়াই আহিছে। আপোন ঘৰখনক ভালপোৱা, জাতীয় চেতনাৰ প্ৰতি উদ্বুদ্ধ প্ৰতিজন ব্যক্তি বিশেষে সমস্বৰে দেশৰ বাবে নিজকে নিয়োগ কৰি গৈছে ভিন্ন মাধ্যমেৰে। অৱশ্যে আধুনিকতাৰ লগত পৰম্পৰাগত মূল্যবোধবোৰক একেলগে লৈ আগ বঢ়াটো নস্যাৎ কৰিব নোৱাৰিলেও এক জটিল পদক্ষেপ। যি সময়ত বিশ্বজনীন সাহিত্য-সংস্কৃতি, সামাজিক সমতা আদিৰ প্ৰতি অহা ভিন্ন ভাবুকিৰ সন্মুখীন হয়, ঠিক সেই সময়তে পৰম্পৰাৰ মূল্যবোধ আৰু আধুনিক দৃষ্টিভংগীক একেলগে লৈ আগ বঢ়াটো শিক্ষাৰ্থীৰ দায়িত্ব। যুৱ সমাজে নিজা কৃষ্টিক সজাগ ৰাখি আধুনিকতাৰ সৈতে সংগতি ৰাখি আগ বঢ়াটো এক গুৰুত্বপূৰ্ণ বিষয়।

বিশ্বায়নৰ সমান্তৰালভাৱে সমাজৰ বিভিন্ন পৰিসৰত এক বিশাল পৰিৱৰ্তন ঘটিছে। বিশেষভাৱে বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে, পেছাগত ক্ষেত্ৰখনৰ পৰিসৰ আৰু ধাৰণাবোৰ নিয়মিতভাৱে পৰিৱৰ্তিত হৈ আহিছে। যুৱসকলে মোবাইল ফোনৰ ৰঙীন পৃথিৱীত নিজকে ব্যস্ত ৰখাৰ সলনি উক্ত বিষয়টি উপলব্ধি কৰি, কৃতিত্বৰ বাবে ধৈৰ্য্য আৰু সুশৃংখলভাৱে আগবঢ়াটো অতি প্ৰয়োজনীয়। সুশিক্ষিত আৰু আত্মবিশ্বাসী হিচাপে থিয় দিবৰ বাবে, আমাৰ শিক্ষাৰ্থীসকলে এক নতুন দৃষ্টিভংগীৰ পৰিসৰ গঢ়াৰ প্ৰয়োজন।

সমাজ তথা সামাজিক জীৱন গতিশীল। বিশ্বায়নক আঁকোৱালি লৈ আজিৰ সমাজে নতুনত্বৰ পথত ধাৱমান হৈছে। তাৰ বাবে সবল মানসিকতা আৰু পৰিকল্পনাৰে শিক্ষানুষ্ঠানসমূহত শিক্ষক, ছাত্ৰ-ছাত্ৰী উভয়ে এক সুস্থ শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰাটো বাঞ্ছনীয়। শিক্ষানুষ্ঠান সমূহৰ প্ৰতিটো শিক্ষাবৰ্ষতে আলোচনী একোখনকৈ প্ৰকাশিত হয়। আলোচনী একোখনৰ গৰিমা আৰু ঐতিহ্য নিৰ্ধাৰণ কৰে আলোচনীখনত প্ৰকাশিত লিখনিবোৰৰ ওপৰত। বৰ্তমান প্ৰেক্ষাপটত ইতিপূৰ্বে প্ৰকাশিত সংখ্যাসমূহৰ সম্পাদক-সম্পাদিকাসকলে স্বকীয় স্থান দখলেৰে সমাজৰ বিভিন্ন দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। মঙলদৈ মহাবিদ্যালয় আলোচনীৰ এতিয়ালৈকে প্ৰকাশিত সংখ্যাসমূহৰ তত্বাৱধায়ক আৰু সম্পাদকসকলৰ তালিকা আলোচনীখনৰ লগত সংলগ্ন কৰা হৈছে।

এই ৫৩ সংখ্যক সংস্কৰণটিৰ পৰাই আলোচনীখন পূৰ্বৰ 'মঙলদৈ মহাবিদ্যালয় আলোচনী' নামটিৰ সলনি 'ভাখেৰী' নামটি গৃহীত কৰা হৈছে। এই দৰঙী শব্দ 'ভাখেৰী'ৰ আভিধানিক অৰ্থ হৈছে 'ভঁৰাল'। আশাকৰোঁ, উক্ত সংস্কৰণটিৰ লগতে অনাগত দিনৰ ধাৰাবাহিক সংস্কৰণৰ সৈতে আলোচনীখনে পাঠক সমাজৰ বাবে ভিন্ন দিশৰ 'ভঁৰাল' হিচাপে স্বকীয়তা বহন কৰিব। আলোচনীখনৰ সম্পাদনাৰ সময়তো আপোনালোকৰ সহাৰিয়ে আমাক এক বিশেষ সত্তা তথা প্ৰেৰণা প্ৰদান কৰিছিল। লক্ষ্য এটাই আছিল মাথোঁ, ২০২২-২৩ শিক্ষাবৰ্ষত অধ্যয়নৰত প্ৰতিগৰাকী মঙলদৈয়ানৰ হাতত আলোচনীখন তুলি দিয়াৰ। এই ডবিকণাৰ জীৱনযাত্ৰাৰ আংশিক পথত ক্ষিপ্ৰ সোঁতৰ সাক্ষী হ'বলৈ সুবিধাকণ প্ৰদান কৰাৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ওচৰত আমি চিৰঋণী তথা চিৰকৃতজ্ঞ। আলোচনীখনৰ বিভিন্ন শিতানে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতে মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ধাৰাবাহিক প্ৰকাশৰ ধাৰাক জীয়াই তুলিব বুলি আমি ঈপ্সিত। ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা বহুমূলীয়া সময় উলিয়াই যিসকল অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীয়ে লিখনি প্ৰদান কৰি আমাক কৃতাৰ্থ কৰিলে, তেওঁলোকৰ ওচৰত আমি চিৰকৃতজ্ঞ।

আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়, সম্পাদনা সমিতিৰ বিষয়ববীয়া, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয়, তত্বাৱধায়িকা ড° মঞ্জু কলিতা বাইদেউ, শিক্ষক-শিক্ষয়ত্ৰীসকল, ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাসকল আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীসকল সহিতে মহাবিদ্যালয় পৰিয়ালবৰ্গৰ প্ৰতিজন সদস্য/সদস্যাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে আলোচনীখন ছপা কৰি উলিয়াই দিয়াৰ বাবে ময়ূৰী অফছেটৰ স্বত্বাধিকাৰী শ্ৰীকমল চন্দ্ৰ বৈশ্য (ৰিংকু) লৈও কৃতজ্ঞতা প্ৰদান কৰিলো। মঙলদৈ মহাবিদ্যালয় আলোচনীখনৰ সম্পাদকৰ দৰে এটি গুৰুদায়িত্ব পালন কৰোঁতে অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা বিচাৰিছো। শেষত এইয়া আপোনালোকৰ মাজলৈ ২০২২-২৩ শিক্ষাবৰ্ষৰ আলোচনীৰ সংস্কৰণ 'ভাখেৰী'...

চিৰঞ্জীৱ ডেকা
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ

# ভাস্কৰী সম্পাদনা সমিতি


ড° কমলা কান্ত বৰা
সভাপতি


ডিম্বেশ্বৰ বৰুৱা
শিক্ষক সদস্য


ড° সন্তোষ বৰকাকতি
শিক্ষক সদস্য


ড° ৰুণজুন দেৱী
শিক্ষক সদস্যা


ড° ববিতা শৰ্মা
শিক্ষক সদস্যা


ড° ৰাজৰীপা তালুকদাৰ
শিক্ষক সদস্যা


ইচ্ছাৰাম নাথ
শিক্ষক সদস্য


অমৰেন্দ্ৰ ৰাজখোৱা
শিক্ষক সদস্য


খঞ্জনা ডেকা
শিক্ষক সদস্যা


ড° মঞ্জু কলিতা
তত্বাৱধায়িকা


চিৰঞ্জীৱ ডেকা
সম্পাদক


মৃগাংক কুমাৰ
সদস্য



দেৱাশীষ ৰাজকুমাৰ
সদস্য


দীপশিখা দেৱী
সদস্যা


গৌতম ডেকা
সদস্য


আৰ্চিক আলম আহমেদ
সদস্য


প্ৰবীণ মণ্ডল
সদস্য


বিকাশ শৰ্মা
সদস্য


বনশ্ৰী নাথ
সদস্যা


চুমন ডেকা
সদস্য


লক্ষ্যহীৰা ডেকা

# বিষয়সূচী

**বৰণীয় ব্যক্তিত্ব ঃ**

➤ শ্ৰীমন্ত শঙ্কৰদেৱৰ মানৱতাবাদ ঃ এক চমু অৱলোকন /৭ — ড° মঞ্জু কলিতা
➤ কথাশিল্পী হোমেন বৰগোহাঞি/১১ — জিত বৰুৱা
➤ জনকৃষ্টি চৰ্চাত প্ৰফুল্লদত্ত গোস্বামী/১২ — নিজৰা ডেকা
➤ প্লেটো/১৫ — প্ৰিয়ংকা দাস
➤ লৌহ কন্যা লাভলীনা বৰগোহাঁই এক চমু অৱলোকন/১৬ — কমলজ্যোতি নাথ
➤ Swami Vivekananda/১৮ — Nibedita Saha
➤ Bodofa Upendra Nath Brahma : The Father of the Bodo Nation/20 — Jintu Baro
➤ জোনাকীৰ সোণোৱালী সপোনৰ পম খেদি/২২ — ববিতা কুমাৰী মাজুডেকা

**পাৰৰ পাখিত গাঁঠি দিলো ফুলাম চিঠিখনি ঃ**

➤ ভাৰতীয় ডাক ব্যৱস্থা এক সংক্ষিপ্ত বিৱৰণ/২৪ — ভূপেন হালৈ

**সাহিত্য ঃ**

➤ অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ/২৮ — ড° ৰূপজ্যোতি বৰুৱা
➤ বিভিন্ন ভাষাত মহাকবি কালিদাসৰ অভিজ্ঞানম্ শকুন্তলম নাটকৰ চৰ্চা/৩৯ — গগেন কাকতি
➤ The Art of Writing a Letter/৪৪ — Dr. Runjun Devi

**অসম আমাৰ ৰূপহী গুণৰো নাই শেষ ঃ**

➤ অসমীয়া সংস্কৃতিত চোতাল/৪৮ — হিয়া শৰ্মা
➤ অসমৰ অৰ্কিড/৫০ — ধীৰাজ বড়ো
➤ Sattriya : Classical dance form of Assam/ 52 — Jurismita Deka

**সেউজবুলীয়া এজাক হাঁহি ঃ**

➤ নাৰী বন্দনা আৰু শিক্ষয়িত্ৰীৰ সাজপাৰ প্ৰসংগ শিক্ষয়িত্ৰী হিচাপে দুআষাৰ/৫৫ — ড° পল্লবী শইকীয়া
➤ নাৰী/৫৭ — নিকুমণি শইকীয়া
➤ নাৰী নিৰ্যাতন ঃ এক সামাজিক ব্যাধি/৫৮ — সংঘমিত্ৰা নাথ

**নাঙেলী ওঠৰ কুৰি ঃ**

➤ দৰঙী কোচ ৰজাৰ চমু ইতিবৃত্ত/৬০ — নিলাক্ষী ডেকা
➤ দৰঙী সংস্কৃতি/৬২ — ডিম্পী চহৰীয়া
➤ দৰঙৰ খুলীয়া ভাউৰীয়া/৬৪ — মুনিন্দ্ৰ বৈশ্য
➤ দৰঙৰ লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়া, ঢেপা-ঢুলীয়া আৰু চেৰাঢেক/৬৬ — কলচুম বিবি
➤ অবিভক্ত দৰং জিলাৰ দেউল উৎসৱ/৬৯ — শ্ৰীদীপশিখা দেৱী
➤ দৰঙৰ লোক সংস্কৃতিত ‘নাঙেলী গীত’/৭১ — অৰ্চনা ডেকা

**এন্ধাৰৰ ভেটা ভাঙি ... ঃ**

➤ পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ/৭২ — মধুস্মিতা ডেকা
➤ শ্ৰেণীকক্ষৰ ভিতৰে বাহিৰে শিক্ষা দান মনোগ্ৰাহী কৰাত শিক্ষকৰ ভূমিকা/৭৩ — মানসী কলিতা
➤ জ্ঞান জীৱনৰ চালিকা শক্তি/৭৫ — অংকিতা সৰকাৰ

➤ শৈক্ষিক পৰিৱেশ/৭৭ — শিখা বৰুৱা
➤ A Healthy Dose of HUMILITY/৭৯ — Goutam Deka
➤ National Education Policy 2020/৮১ — Lakyahira Deka
➤ Developing Personality Through Community Service The NSS in HEIs/৮৩ — Goutam Deka

**বিজ্ঞানে আনিব জোঁৱাৰ ঃ**

➤ সামাজিক পতঙ্গৰ সামাজিক সংগঠন বা আচৰণ/৮৭ — ড° (মেজৰ) লীনা শইকীয়া
➤ Guardians of Biodiversity : The Critical Role of Bees in Shaping Our Ecosystems and the Challenges They Endure/97 — Dr. Debashree Kakati
➤ Social Media and Cybersecurity/ 100 — Priyanka Deka
➤ Artificial Intelligence Opportunity and Threats to Labour Market/107 — Abhijit Sarkar
➤ The Amazing World of Beekeeping Apiculture/111 — Dikshita Kalita
➤ Quantum advancements A new era in technological innovation/114 — Manashi Shivam

**কৈশোৰৰ আলিবাটেৰে ... ঃ**

➤ যুৱ উশৃংখলতা আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থাৱলী/১১৭ — ভৱজ্যোতি ডেকা ৰাজখোৱা

**অতীতৰ বৰপেৰা খুলি ... ঃ**

➤ মঙলদৈ অঞ্চলৰ কেইটামান প্ৰাচীন ঐতিহ্যবাহী ভৱন/১১৯ — ড° পবিত্ৰ কুমাৰ নাথ
➤ প্ৰাচীন ভাৰতত বৈদিক শিক্ষা/১২৩ — কংকনা বৰা
➤ সাতমহলীয়া অদ্ভুত কৌশলৰ ৰাজকাৰেং তলাতল ঘৰ/১২৪ — চিকুস্মিতা শইকীয়া

**চিন্তাৰ মুকুতামালা ঃ**

➤ বৰ্ধিত জনসংখ্যা আৰু সুযোগ/১২৫ — ধিৰাজ নাথ
➤ মানৱ জীৱনত মূল্যবোধৰ গুৰুত্ব/১২৬ — বৰষা কলিতা
➤ The Illusions of our Life/১২৭ — Arif Ali

**গ্ৰন্থৰ সুবাস ঃ**

➤ ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' সংগ্ৰাম আৰু সাফল্যৰ এক জীয়া কাহিনী/১২৯ — জুবিলীনা বৰুৱা

**দৰ্শন ঃ**

➤ Philosophy as Mother of All Discipline/১৩২ — Sagarika Thausen

**অৰ্থনীতি ঃ**

➤ ইতিবাচকতাৰে বিশ্বৰ সামগ্ৰিক প্ৰেক্ষাপট সলনিত ভাৰতবৰ্ষৰ অধ্যক্ষতাত জি-২০ ৰ ভূমিকা/১৩৩ — দেৱাশীষ ৰাজকুমাৰ
➤ Crypto currency/138 — Jalees Tabasum Ahmed
➤ Society and Economic Development A Journey Together /142 — Lipika Baruah
➤ Economic Globalization/১৪৫ — Dipambita Sarkar

**ভূগোল ঃ**

➤ North-East India & Its Bio-diversity/১৪৬ — Chumki Saha
➤ North-East India : an underdeveloped region, Why?/১৪৮ — Kausik Kumar Kayastha
➤ Climate of North-East India/১৫০ — Nabanita Das
➤ Physiography of Assam/১৫২ — Pratyashi Kashyap Baruah

**স্বাস্থ্য ঃ**
- সুস্বাস্থ্যৰে জীৱন উদ্‌যাপন/১৫৪ — ড° কুন্তলা শৰ্মা বৰদলৈ

**পৰিৱেশ আৰু আমি ঃ**
- প্লাষ্টিক প্ৰদূষণ আৰু আমাৰ মানসিকতা/১৫৯ — দীপজ্যোতি বৰা
- Environment and Sustainable Development/১৬১ — Nishita Saharia

**কলা ঃ**
- মনালিছা এক সাঁথৰ/১৬৩ — প্ৰীতিশিখা ডেকা

**উৎসৱ ঃ**
- Dehing Patkai Festival/১৬৪ — Karabi Sahariah
- অত্যাধিক উৎসৱ প্ৰৱণতা এটা জাতিৰ ধ্বংসৰ আগজাননী/১৬৫ — প্ৰাঞ্জল প্ৰতিম ডেকা

**আশাৰ গঁজালি তুমি ... ঃ**
- মঙলদৈ মহাবিদ্যালয় আৰু কিছু মুহূৰ্ত/১৬৬ — হীমাশ্ৰী বৈশ্য
- মঙলদৈ মহাবিদ্যালয়ৰ সোণালী দিনবোৰ/১৬৭ — দৰ্শনা গোস্বামী

**সংগীত ঃ**
- সংগীত ৰাগিনী/১৬৯ — নাজিমা বেগম

**সাক্ষাৎকাৰ ঃ**
- দৰং জিলা প্ৰশাসনৰ হৈ 'ভূমিৰত্ন সন্মান' লাভ কৰা দৰঙৰ আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে দেৱৰ সৈতে এটি সাক্ষাৎকাৰ/১৭০

**কথাৰ মালিতাৰে ... ঃ**
- এশৰীয়া গল্প/১৭২ — চিত্ৰ ৰঞ্জন নাথ
- অন লাইন ক্লাছত শৰ্মা ছাৰ/১৭৩ — ড° মুকুট শৰ্মা
- আধৰুৱা সপোন/১৭৫ — ৰুমি ডেকা
- জীপাল স্মৃতি ৰোমন্থন/১৭৭ — দ্বীপশিখা ডেকা
- অপ্ৰত্যাশিত/১৭৯ — মাম্পী চক্ৰৱৰ্তী
- এনাজৰী/১৮১ — জ্যোতিস্মিতা ডেকা
- স্বস্তিৰ হাঁহি/১৮২ — কুলদীপ বৰা
- একা-বেঁকা জীৱনৰ বাট/১৮৪ — দেৱাশীষ ৰাজকুমাৰ
- নাৰীৰ জীৱনটি এনেকুৱাই নেকি/১৮৬ — অৰুণিমা চহৰীয়া
- মুক্তি/১৮৮ — জিণ্টুমণি নাথ
- শূন্যতা/১৯০ — খঞ্জনা ডেকা
- মালতী/১৯২ — লৱ বৈশ্য
- বাসন্তী/১৯৩ — তাপসী বৰুৱা
- নীৰৱ সাধনা/১৯৪ — দীক্ষিতা বৰুৱা
- সংস্কাৰ/১৯৫ — ৰিজুমণি বেগম
- ৰূপান্তৰ/১৯৬ — বিপ্লৱ সিংহ ডেকা
- সপোন আৰু দায়িত্ব/১৯৮ — জ্যোতিস্মিতা ডেকা
- জীৱনৰ মূল্যবোধ/১৯৯ — অনিন্দিতা ডেকা
- আবেগ/২০০ — গিতুপল ডেকা
- নিয়তিৰ অভিশাপ/২০১ — মধুস্মিতা ভাৰ্গৱ
- শুভ্ৰ গোলাপত প্ৰেমৰ প্ৰতিচ্ছবি/২০২ — জ্যোতিস্মিতা পাঠক

➤ এয়া যেন সপোনহে/২০৫ চিণ্টুমণি ডেকা
➤ এপ্ৰিল ফুল/২০৭ সুৰভি নাথ
➤ কালী পূজাৰ কাহিনী/২০৮ মানসী নাথ
➤ বিশ্বাস/২০৯ হৰিদা চহৰীয়া
➤ নিশাৰ জোনাক/২১০ পম্পী বড়ো
➤ শ্বহীদ/২১১ গৰিমা নাথ
➤ যমদূতৰ নাচোনশাল/২১৩ পিংকী নাথ
➤ বেটু কোঁৱৰৰ কথা/২১৪ সংগ্ৰাক ঃ হিয়ামণি নাথ
➤ মিথ্যাচাৰ/২১৬ চুমন ডেকা
➤ জীৱন হয়তো এনেকুৱা/২১৯ জুবি ৰাজবংশী
➤ সময়ৰ সোঁতত আমিও পাখি লগা/২২০ মৃদুস্মিতা ডেকা
➤ সপোনৰ সাঁচ/২২১ যুগল ডেকা
➤ তুচ্ছ প্ৰলোভন/২২২ খনিন্দ্ৰ ভূষণ শৰ্মা
➤ দৰিদ্ৰতা/২২২ গুণেন্দ্ৰ মেধি
➤ ৰং/২২৩ জুবিন বলিষ্ঠ
➤ অনুগল্প/২২৩ জিজ্ঞাস প্ৰতীম ডেকা
➤ দুখৰ জীৱন/২২৪ বন্দনা বৰুৱা
➤ উপহাৰ/২২৫ পল্লৱ নাথ
➤ Boys Can Cry/২২৬ Prabin Mandal

**কবিতাৰ সুৰভী ঃ**

➤ এটা বছৰ শেষ হ'ল/২২৭ ডিম্বেশ্বৰ বৰুৱা
➤ ছিষ্টেম/২২৭ উৎপল শইকীয়া
➤ ফাগুন/২২৮ ৰুমী ডেকা
➤ সমিধান/২২৮ যমুনা শৰ্মা
➤ মানৱতাৰ সূৰ্যোদয়/২২৯ প্ৰাৰ্থনা ডেকা
➤ জ্ঞানৰ আলোক/২২৯ মধুস্মিতা ডেকা
➤ উন্মনা উতলা ফাগুন/২৩০ লব বৈশ্য
➤ তুমি সুন্দৰ সৃষ্টি/২৩০ পুনম ডেকা
➤ ব্যক্ত কথন/২৩১ পঞ্চমী সৰকাৰ
➤ সোঁৱৰণত তুমি/২৩১ জিণ্টুমণি নাথ
➤ অনামিকা এটি তৰাৰ দৰে/২৩২ চিণ্টুমণি ডেকা
➤ অতীতৰ কাজল সনা দুচকু/২৩২ ভবেশ ডেকা
➤ ৰৈ থাকিম/২৩৩ কমলজ্যোতি নাথ
➤ অভিমান/২৩৩ দীপশিখা ডেকা
➤ প্ৰকৃত মইজনীৰ সন্ধানত/২৩৪ দীক্ষিতা বৰুৱা
➤ ব্যস্ততাৰ ভৰ/২৩৪ দীপশিখা দেৱী
➤ হৃদয়ৰ এক স্পন্দন মঙলদৈ মহাবিদ্যালয়/২৩৫ পম্পী চহৰীয়া
➤ আমাৰ মহাবিদ্যালয়/২৩৫ ববিতা দাস
➤ বান্ধোন/২৩৬ বৰষামণি দেৱী
➤ নৈৰ সিটো পাৰে মোৰ ঘৰ/২৩৬ অৰূপা চৌধুৰী

- লিখিবলৈনো কি আছে .../২৩৭ — পল্লৱী ডেকা
- কলেজীয়া জীৱনৰ পাতনি/২৩৭ — চাৰ্জিনা ইয়াচমিন
- স্বাধীনতা/২৩৮ — দেৱলীনা ডেকা
- খিৰিকী/২৩৯ — জিণ্টুমণি নাথ
- অসমৰ সংগী/২৩৯ — জেছমিন চুলতানা
- প্ৰকৃতিৰ ৰাণী গোলাপ/২৪০ — মধুস্মিতা ডেকা
- এখন্তেক/২৪০ — আৰ্ছিকুল হুছেইন
- কোন মই/২৪১ — ৰাখী শৰ্মা
- আবেলিবোৰ তোমাতেই স্তব্ধ/২৪১ — আছিয়ানা ৰহমান
- অযুত স্বপ্নৰ সংজ্ঞা বিচাৰি/২৪২ — চিৰঞ্জীৱ ডেকা
- প্ৰাকৃতিক সৌন্দৰ্য/২৪২ — ভায়লিনা মহন্ত
- দীপ্ত স্বপ্নালী/২৪৩ — কংকন ডেকা
- প্ৰকৃতিৰ চকুলো/২৪৩ — প্ৰিয়ংকা শৰ্মা
- তৃষ্ণা/২৪৪ — বিপ্লৱ সিংহ ডেকা
- বৰষুণ/২৪৪ — বনশ্ৰী বৰগোহাঁই
- ফাগুন/২৪৫ — হীৰামণি নাথ
- বকুল/২৪৫ — বৰষা কলিতা
- শেৱালি/২৪৬ — পুৱালী ডেকা
- সন্ধ্যা/২৪৬ — ধৰিত্ৰী শৰ্মা
- জীৱন/২৪৭ — প্ৰস্তুতি ডেকা
- কুঁৱলী/২৪৭ — দৰ্শনা মহন্ত
- জীৱন/২৪৮ — কবিতা শৰ্মা
- বৰ্ষা ঋতু/২৪৮ — কাব্যশ্ৰী নাথ
- পৰিধি/২৪৯ — পৰিণীতা শৰ্মা
- এখনি ভগ্ন হৃদয়/২৪৯ — শিখৰজ্যোতি বৰুৱা
- প্ৰকৃতি/২৪৯ — নিহাৰিকা
- অপ্ৰাপ্ত/২৫০ — কাকলি ডেকা
- ফাগুন অহাৰ বতৰ/২৫০ — নিজৰা শইকীয়া
- সময়/২৫০ — মাজনি বেগম
- বিষাদ/২৫১ — হিয়া মণি ডেকা
- অন্য কিবা/২৫১ — ৰিম্‌লী ডেকা
- বিভীষিকা/২৫২ — বিস্মিতা ভাগৱতী
- প্ৰেমৰ অনুভূতি/২৫২ — হেলীনা ৰাভা
- স্মৃতি/২৫৩ — চিমি বেগম
- নিঃসংগতা/২৫৩ — প্ৰণিতা বৰুৱা
- ফাগুন/২৫৪ — ৰিপামণি চৌধাৰী
- ফাগুনৰ প্ৰেম/২৫৪ — নন্দিতা ডেকা
- কবিতা/২৫৫ — হিয়া শৰ্মা
- বন্ধুত্বৰ এনাজৰী/২৫৫ — বন্দনা বৰুৱা

- হেৰা জোনবাই/২৫৬ — ৰুবী চহৰীয়া
- শৰৎ/২৫৬ — লৱ বৈশ্য
- কলম/২৫৭ — সাগৰিকা বৰুৱা
- বিৰহত নিগৰে চকুলো/২৫৭ — পপী ডেকা
- ৰঞ্জিতক জগাই দিয়া আই/২৫৮ — প্ৰফুল্ল কুমাৰ দেৱ শৰ্মা
- স্বপ্নৰ মায়াজাল ভেদি/২৫৮ — কাকলি ডেকা
- জোঁনো নাংগৌ খৌসেথি/২৫৯ — ভনিতা বৰ'
- হারসিং জিউ/২৫৯ — সিবানি বর'
- নোঁ দা জেন/২৬০ — রাজিব বর'
- बिहोमा/২৬০ — तिब्र दैमारि
- आइ/২৬১ — रैसुमै बर'
- थांखि बि ति आर नि/২৬১ — कुसुम प्रभा बर'
- आंनि जिउनि खोमसि/২৬২ — अनिसा बर'
- फेलें/২৬২ — निरमालि बर'
- G 20 Bharat 2023 India/২৬৩ — Nishad Nadia Hasan
- Race in Ethnicity/২৬৩ — Karan Sarkar
- And switch towards togetherness /২৬৪ — Chiranjeeb Deka
- Hammered Emotion /২৬৪ — Early Sarma


**চিঠিৰ ভাঁজত ঃ**


- নীলা খামৰ চিঠি/২৬৫ — দেৱাশীষ ৰাজকুমাৰ
- নীলা খামৰ চিঠি/২৬৬ — জিণ্টুমণি নাথ
- নীলা খামৰ চিঠি/২৬৭ — কমলজ্যোতি নাথ
- নীলা খামৰ চিঠি/২৬৮ — বনশ্ৰী নাথ


**সন্ধানৰ লেচেৰি বুটলি ঃ**


- নৱজাগৰণৰ প্ৰাণকেন্দ্ৰ ইটালীত চাৰিদিন/২৬৯ — ড° ৰুণজুন দেৱী
- Gathsamane Man-made Forest ত কটোৱা দিনটো/২৭৫ — জুবিলীনা বৰুৱা
- বিভাগীয় শৈক্ষিক ভ্ৰমণ আৰু স্মৃতিৰ কোঠালীৰ সজীৱ তৃপ্তি /২৭৭ — ৰাহুল আজিজ
- নাগপুৰলৈ যাত্ৰা/২৮১ — ৰূপৰেখা দেৱী

  In the Embrace of Rajasthan : A Journey Beyond Time /282 — AnubhabBharadwaj


**ভিন্ন শিতানৰ লিখনি ঃ**


- এটা মেছেজৰ সন্ধানত/২৮৪ — বিভূতি শৰ্মা
- সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ অৱদান/২৮৬ — বৰষা মণি দেৱী
- Contribution of Sudhakantha Dr. Bhupen Hazarika towards Assam in the field of literature and politics./২৯১ — Suyeata Mazumdar
- 'সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অৱদান'/২৯৩ — যুগল ডেকা

# শ্ৰীমন্ত শঙ্কৰদেৱৰ মানৱতাবাদ ঃ এক চমু অৱলোকন

**ড° মঞ্জু কলিতা**
সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ



সমগ্ৰ অসমীয়া সমাজত শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম কাৰো অবিদিত নহয়। অসম তথা ভাৰতৰে এগৰাকী ধৰ্মগুৰু, সমাজ সংস্কাৰক মানৱতাবাদী, নৈতিক সংস্কাৰক আৰু সাহিত্যিক হিচাপে তেওঁৰ পৰিচয় ইতিমধ্যে প্ৰচাৰ হৈ গৈছে। আজিৰ পৰা ৫০০ বছৰ আগতে যেতিয়া অসমৰ আকাশ তিমিৰাচ্ছন্ন হৈ আছিল, ধৰ্মৰ নামত ব্যভিচাৰ, পৰশ্ৰীকাতৰ মনোভাৱে মানুহক অন্ধ কৰি পেলাইছিল, অস্পৃশ্য আৰু উচ্চ-নীচ/ভেদাভেদৰ মনোভাৱে ছানি ধৰিছিল, সেই সময়তে শঙ্কৰদেৱৰ আবিৰ্ভাৱ হৈছিল যিগৰাকী মনীষীৰ বুদ্ধিদীপ্ততাই জোকাৰি গৈছিল আবাল, বৃদ্ধ-বনিতাক। সেই বুদ্ধি দীপ্ততাৰে প্ৰকাশিত জ্যোতি সদৃশ ব্যক্তিগৰাকীৰ পৰিচয় শেষলৈ হ'লগৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। মানসিক আৰু শাৰীৰিক অসীম শক্তিসম্পন্ন এই গৰাকী মহাপুৰুষৰ সৃষ্টিৰাজি যুগে যুগে প্ৰাসংগিক আৰু আদৰণীয় হৈ ৰ'ব। গীত, নাম, ভটিমা, নাটক আৰু পদ্যৰে ভগৱান ভক্তি আৰু সেই ভক্তিৰে ৰাইজৰ মাজত একতাৰ ভাৱ প্ৰতিষ্ঠা কৰা শঙ্কৰদেৱৰ বাহিৰে দ্বিতীয় এজন এতিয়ালৈ অসমত আবিৰ্ভাৱ হোৱা নাই। তেওঁ যি নামৰ কঠিয়া সিঁচি থৈ গ'ল আৰু সেই কঠিয়াৰ ফচল অসমীয়াই ভোগ কৰি যি ৰস পান কৰিলে সেই ৰসত বলিয়ান প্ৰতিজন অসমীয়াই গুৰুজনাৰ নামত আজি গাই—

> "শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
> জানা যেন কল্পতৰু।
> তাহান্ত বিনাই নাই নাই নাই
> আমাৰ পৰম গুৰু।।"

সেয়ে এইজনা গুৰুৰ ভক্তি ৰসেৰে অসমীয়াই আজি এক হৈ আগুৱাই যাব লাগিব বিশ্বসভালৈ। ভক্তি ৰস বা ভগৱত ভক্তি গুৰুজনাৰ প্ৰধান লক্ষ্য হ'লেও মানুহৰ কল্যাণ সাধনো গুৰুজনাৰ সৃষ্টিৰাজিৰ অন্যতম আকৰ্ষণীয় আৰু প্ৰশংসনীয় দিশ। যিটো দিশে আমাক মানুহৰ মঙ্গল চিন্তা কৰাটো একপ্ৰকাৰ মানুহৰে কৰ্তব্য বুলি সোঁৱৰাই দিয়ে। তেওঁৰ মহান সৃষ্টিৰাজিত আৰু মাৰ্গসমূহত মানুহৰ বাবে মানুহে বজোৱা মাথোন ধ্বনি শুনিব পোৱা যায়। ভগৱানৰ মন্দিৰৰ দৰে মানুহৰ হৃদয় মন্দিৰৰ দুৱাৰো খোলা ৰাখিবলৈ গুৰুজনাই বাৰে বাৰে আবেদন কৰিছে। সকলো ধৰ্মৰ সাৰ হৈছে মানৱ প্ৰেম, এই কথা গুৰুজনাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু তাকে মানুহৰ মাজত প্ৰয়োগ কৰিব

বিচাৰিছিল। তেওঁৰ সৃষ্টি বৰগীত, ভটিমা, নাম, ঝুমুৰা, অংকীয়া নাট আদি আছিল ধৰ্ম প্ৰচাৰৰ প্ৰধান অস্ত্ৰ। সকলো ধৰ্মৰ উৰ্দ্ধত যে মানৱ ধৰ্ম সেই কথা তেওঁ স্পষ্টভাৱে উপলব্ধি কৰিছিল আৰু জনতাৰ মাজত প্ৰচাৰ কৰিব বিচাৰিছিল। এই ক্ষুদ্ৰ লিখনিত তেওঁৰ মানৱতাবাদী দৰ্শন কেনেদৰে প্ৰকাশ হৈছে তাৰ এক চমু আভাস দিব বিচাৰিছো।

প্ৰকৃততে মানৱতাবাদ বুলিলেনো আমি কি বুজো? এই ধাৰণাটো স্পষ্ট কৰাৰ হয়তো প্ৰয়োজন হ'ব। মানৱতাবাদ পাশ্চাত্য দৰ্শনৰ এক বিচাৰ ধাৰা। ইউৰোপত ১৫ শতিকাৰ পিছৰ পৰা নৱজাগৰণৰ মাজেৰে মানৱতাবাদী চিন্তাধাৰাৰ সূত্ৰপাত ঘটিছিল। মানুহ আৰু মানৱীয় প্ৰমূল্যক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰাই হৈছে মানৱতাবাদী দৰ্শনৰ প্ৰধান বৈশিষ্ট্য। কবিগুৰু ৰবীন্দ্ৰ নাথেও কৈছে যে, 'সবাৰ ওপৰে মানুষ বড়, তাৰ ওপৰে নেই।' এই শ্ৰেষ্ঠ মানুহক প্ৰকৃত মূল্য দিয়াটো মানৱতাবাদী দৰ্শনৰ অন্যতম লক্ষ্য। মানুহক নিয়ন্ত্ৰণ কৰাৰ শক্তি কেৱল মানুহৰহে আছে। মানৱতাবাদে মানুহক চৰম মূল্য দিব বিচাৰে। এই প্ৰসংগত কোৱা হৈছে যে মানুহৰ ভাগ্য মানুহে নিজেই নিৰ্দ্ধাৰণ কৰিব পাৰে, যিটো অস্তিত্ববাদীসকলেও বিশ্বাস কৰে।

ইংৰাজী 'Humanism' শব্দটো লেটিন ভাষাৰ 'humanitu" শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে মানৱতাৰ পূৰ্ণতাৰ সন্ধান অথবা মানুহৰ সম্পূৰ্ণ বিকাশ সাধন কৰা। মানুহৰ অন্তৰত নিহিত হৈ থকা অসীম শক্তি আৰু প্ৰতিভাক/সম্ভাৱনাক বিকশিত কৰি মানুহৰ মুক্তি সম্ভৱ কৰাটো হ'ল মানৱতাবাদ। মানৱতাবাদে মানুহৰ মনুষ্যত্বক অধিক গুৰুত্ব দিয়ে আৰু সকলো মূল্যতকৈ মানৱীয় প্ৰমূল্যক উচ্চ আসন দিয়ে।

ব্ৰিটিছ 'Humanist Association' ৰ এসময়ৰ সভাপতি এ. জে. আয়াৰৰ মতে, যি চিন্তাধাৰাই অকল মানুহ আৰু মানৱীয় মূল্য সম্পৰ্কে মানুহৰ আশা-আকাংক্ষাৰ লগত জড়িত সেয়ে মানৱতাবাদ। ইয়াত কোনো আধাত্মিক, দৈৱীক, ধৰ্মীয় বা ঈশ্বৰ আত্মা আদিৰ স্থান নাই। মানৱতাবাদৰ কেন্দ্ৰ বিন্দু মানুহ। মানুহৰ সৰ্বতোপ্ৰকাৰ কল্যাণৰ লগতহে ই জড়িত। জগতত মানুহে সন্মুখীন হোৱা বাধা-বিঘিনি, নানা সমস্যাক সমাধান কৰি মানৱীয় মূল্যবোধ প্ৰতিষ্ঠা কৰাটোও মানৱতাবাদৰ লক্ষ্য।

চিন্তাবিদ কৰ্ণিল লেমাউণ্ট নামৰ মানৱতাবাদী দাৰ্শনিকজনে লিখিছে— 'Humanism in its most accurate philosophical sense, implies a world view in which nature is everything, in which there is no super natural and in which man is an integral part of nature and not seperated from it by charp eleavage or discontinuity.' অৰ্থাৎ মানৱতা এনে এক সামাজিক আৰু জাগতিক চিন্তাধাৰা যিয়ে প্ৰকৃতিকে পৰম সত্য বুলি আৰু মানুহক তাৰ অবিচ্ছেদ্য অংগ বুলি গ্ৰহণ কৰে। মানুহৰ ওপৰত অতি প্ৰাকৃতিক কোনো সত্বা নাই। মানৱতাবাদী দৰ্শনৰ উদ্দেশ্য হৈছে জীৱনত মানুহে সন্মুখীন হোৱা বিভিন্ন প্ৰকাৰৰ সমস্যা আলোচনা কৰা আৰু মানৱীয় আদৰ্শৰ ওপৰত গভীৰ বিশ্বাস স্থাপন কৰা। মানৱতাবাদী চিন্তাত সদায় মানৱ কল্যাণ প্ৰতিফলিত হয়। যিবোৰ দাৰ্শনিক তত্ত্ব বা সাহিত্যিক আদৰ্শই মানুহৰ সমস্যা সমূহক মানৱীয় দৃষ্টিভঙ্গীৰে বিচাৰ কৰে।

এনেদৰে পাশ্চাত্যৰ চিন্তাধাৰাত মানৱতাবাদী দৰ্শনে এক বিশেষ সমাজকেন্দ্ৰিক চিন্তাৰে প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰা দেখা যায়। মানুহকে সৃষ্টিৰ একেবাৰে উচ্চ আসনত অধিষ্ঠিত কৰি মানুহৰ সৰ্বতোপ্ৰকাৰ মঙ্গল সাধন কৰাই মানৱতাৰ প্ৰধান উদ্দেশ্য। মানৱতাবাদৰ এই দৰ্শনত ঈশ্বৰ বা আধ্যাত্মিকতাৰ স্থান নাই। এই দৃষ্টিভঙ্গীৰ পৰা চালে শঙ্কৰদেৱৰ দৰ্শনত মানৱতাৰ কিছু পাৰ্থক্য থকা পৰিলক্ষিত হয়। শঙ্কৰদেৱৰ দৰ্শনত ঈশ্বৰ বা ভগৱানক একমাত্ৰ সত্য বুলি ধৰি লোৱা হৈছে। এগৰাকী ধৰ্মগুৰু হিচাপে তেওঁৰ চিন্তাত আধ্যাত্মিকতাৰ স্থান প্ৰধান হিচাপে চিহ্নিত হৈছে। ভগৱানৰ ভক্তি আৰু পাৰমাৰ্থিক চিন্তা শঙ্কৰদেৱৰ ধৰ্মৰ প্ৰধান প্ৰতিপাদ্য বিষয়। শঙ্কৰদেৱক একেধাৰে এজন ধৰ্মগুৰু, সমাজ সংস্কাৰক, মানৱতাবদী, সাহিত্যিক আৰু অৱতাৰী পুৰুষ হিচাপে গণ্য কৰা হয়। তেওঁৰ সৃষ্টিসমূহত সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ বাবে ভগৱানক যেন প্ৰাৰ্থনা কৰা হৈছে। কেৱল নিজৰ মুক্তি নিবিচাৰি গুৰুজনাই যেন মানৱ জাতিৰ মুক্তিহে কামনা কৰিছে। তেৰাৰ নাম ভাওনা, বৰগীত আদি এই কথাৰেই প্ৰকাশ ঘটিছে, যেতিয়া তেওঁ কৈছে—

"নমো নমো নাৰায়ণ প্ৰসন্ন হৈয়োক হৰি
কৰিয়োক মায়াক নিৰ্জান
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিও পৰিত্ৰাণ।"

(কীৰ্ত্তন-ঘোষা)

উক্ত কথাখিনি ভালদৰে ফহিয়াই চালে দেখা যায় যে, তেওঁ পৰমপিতাক জীৱৰ পৰিত্ৰাণৰ বাবে কাতৰ প্ৰাৰ্থনা কৰিছে। তেওঁ হয়তো ইয়াৰ দ্বাৰা ক'ব বিচাৰিছে যে যিজন

ত্ৰাসিত বা কম্পিত তেওঁক তুমি প্ৰভু নিজৰ মহিমাৰে উদ্ধাৰ কৰা। গতিকে জীৱক পৰিত্ৰাণ দিবৰ বাবে এইগৰাকী মহাপুৰুষে প্ৰভুৰ ওচৰত কৰা প্ৰাৰ্থনাই মানুহক সৰ্বশ্ৰেষ্ঠ সৃষ্টি বুলি ক'ব বিচাৰে।

এই খিনিতে উল্লেখযোগ্য যে বিভিন্ন সময়ত বিভিন্নজনে গীত বা কবিতাতো মানৱীয় প্ৰমূল্যৰ কথা প্ৰকাশ কৰা দেখিবলৈ পাওঁ। মানুহৰক ভগৱানৰ দৰে পূজা কৰাৰ মানুহ আমি পাইছো। যেনে, কবিয়ে কৈছে—

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেব
কৰা কৰা পূজা পাদ্য অৰ্ঘ লৈ
জয় জয় মানৱ দেৱ।"

ঠিক সেইদৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ সৃষ্টিতো আমি মানৱতাবাদৰ প্ৰকাশ দেখিবলৈ পাওঁ। তেখেতৰ অন্যতম মানৱতাবাদী গীতত কোৱা হৈছে—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা
সমনীয়া মানুহে মানুহৰ বাবে"

আকৌ মানৱ বন্দনাৰ আন এটি গীতত আমি দেখিবলৈ পাওঁ কেনেকৈ মানুহক ভগৱনা বা নাৰায়ণ বুলি সম্বোধন কৰা হৈছে। গীতিকাৰে লিখিছে—

'আজি বন্দো কি ছন্দেৰে
সমাগত বিৰাট
নৰ নাৰায়ণ ৰূপ
নৰ নাৰায়ণ ৰূপ"

এই গীতত মানুহকে নাৰায়ণ বুলি বন্দনা কৰিছে।

১৫ শ শতিকাৰ এগৰাকী যুগ নায়ক শ্ৰীমন্ত শঙ্কৰদেৱ একেধাৰে এজন কবি, নাট্যকাৰ, নৃত্য বিশাৰদ, অভিনেতা, সঙ্গীতজ্ঞ, কলাবিদ, সমাজ সংস্কাৰক আৰু অসাৰ সাহিত্য আৰু ধৰ্মৰ বুৰঞ্জীৰ অগ্ৰগামী হোতা। এগৰাকী মানৱতাবাদী পুৰুষ হিচাপে শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান মানৱ সমাজলৈ অপৰিসীম। সেই সময়ত অসম তথা ভাৰতবৰ্ষত যি শ্ৰেণী, জাতি বৈষম্যই মানুহক কোঙা কৰি পেলাইছিল সেই সময়ত তেওঁ মানুহক মুক্তিৰ সন্ধান দিবলৈ বিপ্লৱ ঘোষণা কৰিছিল। সকলো মানুহ তেওঁৰ দৃষ্টিত সমান আছিল। হিন্দু ধৰ্মৰ যিবোৰ অন্ধবিশ্বাস আৰু গোৰামি আছিল তেওঁ সেইবোৰ যুক্তি আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে প্ৰত্যাখ্যান কৰিছিল। আনকি মুছলমান এজনকো তেওঁ নৱবৈষ্ণৱ ধৰ্মৰ শৰণ ল'বলৈ আজ্ঞা দিছিল। এয়া মানৱতাবাদৰ পৰিচায়ক। প্ৰেম, শান্তি, জ্ঞান আৰু ভক্তিৰ বাণী প্ৰচাৰেই আছিল শঙ্কৰদেৱৰ মুখ্য লক্ষ্য, যিবোৰ মানৱ সমাজৰ অত্যন্ত প্ৰয়োজনীয় আছিল। নাম ধৰ্মৰে মানুহক মুক্তিৰ সন্ধান দিয়াটো, মানুহৰ মাজত ভিন্নতা বা উচ্চ-নীচ কেতিয়াও আনিব নাপায় বুলি গুৰুজনাই সকিয়াই দিছে। তেওঁৰ ৰচনাত আমি পাওঁ—

"যিটো চণ্ডালক গৰিষ্ঠ মানি
যাৰ জিহ্বাগ্ৰে থাকে হৰিবাণী।
সমস্তে তীৰ্থত কৰিল স্নান।
কৰিলে সব তপ হোম দান।।
সেহিসে কুলীন বেদক বুজে।
যাহাৰ মুখে হৰিনাম সিজে।।"

উক্ত কথাখিনিৰে গুৰুজনাই বুজাব খুজিছে যে, হৰিনাম ল'বৰ বাবে কোনো জাত-পাতৰ বিচাৰ থাকিব নোৱাৰে। ঈশ্বৰে মানুহ সৃষ্টি কৰিছে জাত-পাতৰ সৃষ্টি কৰা নাই, সেইবোৰ আমাৰ মানুহবোৰে সৃষ্টি কৰিছে। সেয়ে ঈশ্বৰ সৃষ্ট সকলো সমান। হৰিনাম শ্ৰৱণ কৰি যাতে সাধাৰণ পাপী-তাপী, সুখী-দুখী সকলো শ্ৰেণীৰ লোকে মায়াময় এই ঘোৰ সংসাৰ পাৰ হ'ব পাৰে সেই পথ গুৰুজনাই সবাকে দেখুৱাই দি থৈ গৈছে। এয়াও তেওঁৰ মানৱতাবাদৰ এক বৃহৎ পৰিচয়। কেৱল নিজে ঈশ্বৰ উপাসনা কৰি নিজে সংসাৰ তৰাৰ কথা তেখেতে ভবা নাই, সামূহিক মুক্তিৰ কথা ভাবিছে। তেওঁক মানৱতাবাদী বা মানুহৰ হিত চিন্তাক হিচাপে প্ৰতিষ্ঠিত কৰিছে। ধৰ্ম প্ৰচাৰৰ জৰিয়তে দেশৰ জনসাধাৰণৰ মাজত মানৱ কল্যাণকাৰী বাণীসমূহ প্ৰচাৰ কৰাই আছিল গুৰুজনাৰ আদৰ্শ। ভগৱত ভক্তি আৰু মানৱ প্ৰেমেই আছিল তেওঁৰ আদৰ্শ। তেওঁৰ মতে মানুহক বাদ দি যি পূজা-অৰ্চনা হয় সেয়া প্ৰাৰ্থনাহে। সেয়ে গুৰুজনাই এক শৰণ নামধৰ্ম প্ৰচাৰ কৰিব বিচাৰিছিল। মানুহৰ প্ৰতি প্ৰেম, ভালপোৱা, প্ৰসাৰিত কৰা আৰু সকলো প্ৰকাৰে মানৱ কল্যাণ সাধন কৰাটো তেওঁৰ ধৰ্মৰ মূল লক্ষ্য আছিল। গুৰুজনাৰ সৃষ্টিলৈ চালে দেখা যায় যে প্ৰেম আৰু সেৱাৰ প্ৰধান ক্ষেত্ৰ হৈছে মানৱ জাতি। মানুহ ঈশ্বৰৰ অৱতাৰ। ঈশ্বৰৰ ওপৰত গভীৰ বিশ্বাস ৰাখি তেওঁৰেই সৃষ্ট মানৱে কেনেকৈ তেওঁৰেই কৃপাত মুক্তি লাভ কৰিব পাৰে সেই কতা গুৰুজনাৰ ৰচনাত বিদ্যমান। মানুহৰ মাজত জাত-পাতৰ কোনো কথা ভগৱানে সিঁচি দিয়া নাই। সেয়া আমাৰ নিজৰ সৃষ্টি। সকলোৱে একে ঠাইতে একে মুখে হৰিনাম লোৱাৰ সম অধিকাৰ আছে। সংসাৰ সাগৰ আমি হাতে

হাত ধৰিয়েই পাৰ হ'ব লাগিব। সেয়ে তেওঁ লিখিছে—

"যিটো মহা ম্লেছমাতি সিও শুদ্ধ হোৱে
মুখে মাত্র হৰি নাম লয়।
কলিৰ ভয়ত গৈয়া নামত শৰণ লৈলা
ৰহিল সমস্ত ধৰ্মচয়।।"

শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ প্ৰথমা পত্নীৰ বিয়োগ পিছত ভাৰতৰ বিভিন্ন মঠ-মন্দিৰ ভ্ৰমণ কৰিলে আৰু তেওঁ বিভিন্ন ধৰ্মগুৰুক লগ পালে। আৰু মানুহৰ মাজত আধ্যাত্মিক মানৱতাবাদ প্ৰচাৰ কৰিলে। শঙ্কৰদেৱৰ মধুৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ বাবে সকলোৱে তেওঁৰ ধৰ্ম বাণীসমূহ গ্ৰহণ কৰিলে। তেওঁৰ যুক্তিযুক্ততাত মুগ্ধ হৈ সময়ৰ ঘোৰ শাক্ত মাধৱদেৱেও এক শৰণ নাম ধৰ্মত দীক্ষা ল'লে। তেওঁ কৈছিল—

"হংস ছাগ কাটি
পাপ ৰুধিবেক
যিয়ে কৰ্দম কৰে
সি যেন স্বৰ্গ যায়
নৰকত কোন পৰে?"

সঁচাই গুৰুজনাৰ বৈজ্ঞানিক চিন্তা আৰু যুক্তিপূৰ্ণ তথা সমালোচনাত্মক চিন্তাই মানুহৰ মন আকৰ্ষণ কৰিব পাৰিছিল। তেওঁৰ মতে সকলো মানুহ এক আৰু অভিন্ন। মানুহৰ মাজত যথাৰ্থতে ভেদ নাই। আমাৰ স্বৰূপ উপলব্ধিয়েই ব্ৰহ্মা উপলব্ধি আৰু ব্ৰহ্মোপলব্ধিয়েই মোক্ষ। যথাৰ্থ জ্ঞান আহৰণৰ জৰিয়তে মানুহে আত্মাৰ প্ৰকৃত পৰিচয় জানিব পাৰে। এইখিনিতে শঙ্কৰদেৱৰ দৰ্শনত অদ্বৈত বেদান্তৰ আদৰ্শৰ মিল দেখা যায়। নিৰাকাৰ, অদ্বৈত ব্ৰহ্মাক তেওঁ পৰমেশ্বৰ হিচাপে গ্ৰহণ কৰিছে। তেওঁৰ দৃষ্টিত 'এক দেৱ এক সেব এক বিনে না কেব।' অৰ্থাৎ ব্ৰহ্ম এক দেৱ দুখহাৰী। ভগৱান প্ৰেমময় আৰু দয়াশীল। শঙ্কৰদেৱে হিন্দু ধৰ্মৰ লগত এক শৰণ ধৰ্ম একত্ৰিত কৰি এক সংস্কাৰমুক্ত আৰু মানৱদাবাদী আদৰ্শৰে সমৃদ্ধ ব্যৱহাৰিক দৰ্শন প্ৰচাৰ কৰিলে। মানৱ প্ৰেমেই এই দৰ্শনৰ মূলমন্ত্ৰ। এই ব্যৱহাৰিক বৈষ্ণৱ ধৰ্মৰ জৰিয়তে তেওঁ বহু এন্ধাৰত নিমজ্জিত হৈ থকা অসমীয়া যিসকল নিষ্পেষিত হৈ আছিল তেওঁলোকৰ মুক্তিৰ সন্ধান দিলে। শঙ্কৰদেৱৰ নামধৰ্মত শৰণ দি আজি বহুজনক মুক্তিৰ শিক্ষা দিছে। শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ সময়খিনিত বহুতো নিম্ন জাতিৰ লোকে আমাৰ দেশত প্ৰচলিত থকা ধৰ্মীয় কু-সংস্কাৰ আৰু কঠোৰ জাতিভেদৰ বলি হৈ যাতনা ভোগ কৰিব লগা হৈছিল। উচ্চ হিন্দুসকলে নিম্ন শ্ৰেণীৰ লোকৰ লগত একে লগে নবহিছিল, পুখুৰীৰ একে ঘাটৰ পানী নাখাইছিল আৰু উচ্চবৰ্গৰ মানুহৰ ল'ৰা-ছোৱালী, নাৰীসকলো যে মানুহ তেওঁলোকৰো যে মানৱ অধিকাৰ আছে সেই কথাও পৰিস্ফূত হয় তেওঁৰ মন্দিৰত নাৰী অধিকাৰ সম্বন্ধীয় ধাৰণাৰ ওপৰত। পুৰুষৰ সতে একে লগে বহি নাৰীয়েও হৰিনাম ল'ব পাৰে— এই পথ শঙ্কৰদেৱৰ পৰাই প্ৰশস্ত হয়। তেওঁ নাৰীক মানৱীয় অধিকাৰ প্ৰদান কৰিছিল, ধৰ্মৰ ক্ষেত্ৰত নাৰীৰ সম অধিকাৰ গুৰুজনাৰে অৱদান।

তেখেতৰ উদ্দেশ্য আছিল সম অধিকাৰ প্ৰদান আৰু এই উদ্দেশ্য বাস্তৱত প্ৰতিফলিত কৰাটো তেওঁৰ বাবে সেই সময়ত যথেষ্ট কষ্টকৰ কাম আছিল। কিন্তু অসীম ধৈৰ্য, জ্ঞান আৰু সাহসেৰে গুৰুজনাই এই কাৰ্য কৰিবলৈ সক্ষম হৈছিল। 'ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়'— এই মহান বাক্যশাৰী সাৰোগত কৰি তেওঁ সৃষ্টিসমূহ সমাজৰ মাজত দাঙি ধৰিছিল। মানৱ কল্যাণ বা মানৱৰ মুক্তি হ'ল তেওঁৰ আধ্যাত্মিক উদ্দেশ্য।

এই খিনিতে উল্লেখযোগ্য যে পাশ্চত্যৰ মানৱতাবাদী দৰ্শনৰ উক্ত ধাৰণাবোৰৰ লগত শঙ্কৰদেৱৰ মানৱতাবাদৰ কিছু বৈষম্য থকা দেখা যায়। যিহেতু মানৱতাবাদী দৰ্শনত কেৱল মানৱ বন্দনা বা মানুহৰ জয় গান গোৱা হয়, য'ত ঈশ্বৰ বা আধ্যাত্মিকতাৰ তাতে স্থান নাই, কিন্তু শঙ্কৰদেৱৰ দৰ্শনত ঈশ্বৰ জগতৰ মূল বা ত্ৰাণকৰ্তা আৰু প্ৰকৃত আধ্যাত্মিকতাৰ বীজ তেওঁৰ সৃষ্টিত স্পষ্ট হৈ আছে। কিন্তু এইখিনি বাদ দি যদি আমি মানৱতাৰ প্ৰকৃত লক্ষণ ফহিয়াই চাওঁ তেতিয়াহ'লে আদৰ্শৰ লগত মানৱতাবাদৰ আদৰ্শ বহু মিল দেখা পাওঁ।

আমাৰ বাবে এটি ক্ষুদ্ৰ লেখাত মহাপুৰুষজনাৰ জীৱন দৰ্শনৰ আলোকপাত কৰিবলৈ যোৱাতো যেন এক ধৃষ্টতাৰ বাহিৰে আন একো নহয়। বিশাল ব্যক্তিত্ব আৰু ঐশ্বৰিক গুণসম্পন্ন গুৰুজনাই অসমীয়া সমাজত এনে এক দিশ নাই য'ত তেওঁ অৱদান দিয়া নাই। বৰ অসমৰ সৰ্বতোপ্ৰকাৰ সমৃদ্ধিয়েই আছিল শঙ্কৰদেৱৰ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য। গুৰুজনাৰ সাগৰ সদৃশ প্ৰতিভা আৰু ব্যক্তিত্ব অধ্যয়ন কৰি তাক লিখনিৰে প্ৰকাশ কৰা আমাৰ বাবে দুৰুহ কাম। এই ক্ষুদ্ৰ লিখনিত তেখেতৰ জীৱন দৰ্শনত পৰিলক্ষিত হোৱা মানৱকেন্দ্ৰিক ধাৰণাৰ কিছু অৱলোকন কৰিব বিচৰা হৈছে। গুৰুজনাৰ সমগ্ৰ দৰ্শন বা সৃষ্টিৰাজিয়েই আচলতে মানৱৰ মুক্তি বা কল্যাণৰ হকে প্ৰণিত হৈছে। তাৰে যৎকিঞ্চিত পাঠকলৈ আগবঢ়ালো। ■■

ক থা শি ল্পী

# হোমেন বৰগোহাঞি

**জিত বৰুৱা**
উদ্ভিদ বিজ্ঞান বিভাগ, চতুৰ্থ ষান্মাসিক



হোমেন বৰগোহাঞিদেৱে কৈছিল — 'মৰিবলৈ মই সমূলি ভয় নকৰো। এনে অসত্য আৰু অবাস্তৱ দাৰী মই কেতিয়াও নকৰো। জীৱনটোক মই ইমান বেছি ভাল পাওঁ যে মৃত্যুৰ কথা মনলৈ আহিলেই মনটো বিষাদত ভাৰাক্ৰান্ত হৈ পৰে।'

এক সাংঘাটিক সন্মোহনী শক্তি আছিল তেখেতৰ কথা কোৱাৰ কলাত, যাৰবাবে অসমবাসীয়ে তেওঁক 'কথাশিল্পী' ৰূপে অভিহিত কৰে। সাংবাদিকতা আৰম্ভ কৰিছিল। কি লিখা নাছিল তেওঁ — গল্প, কবিতা, উপন্যাস, আত্মজীৱনী। 'কিতাপ পঢ়াৰ আনন্দ' আৰু 'কাম কৰাৰ আনন্দ'ৰ মাজেৰে এক 'সৰল জীৱন সুখী জীৱন' গঢ়ি তুলিবলৈ শিকাই থৈ গ'ল এইজনা মহীৰূহে। সঁচাই, 'আজি অসমীয়া সাহিত্য জগতৰ এটা উজ্বল নক্ষত্ৰ খহি পৰিল।'

লেখক হিচাপে হোমেন বৰগোহাঞিদেৱ সফল। প্ৰতিজন অসমীয়াক 'আত্মানুসন্ধান' কৰিবলৈ শিকোৱা এইজনা মহান মনীষী তেওঁৰ সৃষ্টিৰাজিৰ মাজেৰে জীয়াই থাকিব আমাৰ মাজত, অসমবাসীৰ হৃদয়ত।

যুগদ্ৰষ্টা সাহিত্যিকজন নিৰলে গ'লগৈ। যোৱাৰ আগে আগে অসমীয়া সাহিত্যৰাজিক অনন্তকাললৈ ঋদ্ধ কৰি থৈ গ'ল। হে শব্দৰ সাগৰ, আপোনাক বিদায়। ■■

## জনকৃষ্টি চৰ্চাত

# প্ৰফুল্লদত্ত গোস্বামী

**নিজৰা ডেকা**
অসমীয়া বিভাগ, চতুৰ্থ যান্মাসিক

**আৰম্ভণি ঃ**

জনতাৰ মানসপটত গভীৰ অধ্যয়ন আৰু অধ্যাৱসায়ৰ দ্বাৰা কৃতিত্ব অৰ্জন কৰা কৰ্মযোগী, নীৰৱ সাধক আৰু নিজৰ তীক্ষ্ণ মেধা, অফুৰন্ত কৰ্মশক্তি, যুক্তিসংগত চিন্তা-চৰ্চাৰে নিজক প্ৰতিষ্ঠিত কৰা এইগৰাকী জনকৃষ্টিবিদ হ'ল প্ৰফুল্ল দত্ত গোস্বামী। অনুসন্ধিৎসু গুণৰ অধিকাৰী গোস্বামীয়ে নিজৰ জ্ঞান সাধনাত আস্থা ৰাখি জীৱনত নতুন ক্ষেত্ৰসমূহত খোজ পেলাই আগবাঢ়ি যোৱাৰ পথ নিৰ্মাণ কৰি লৈছিল।

**জন্ম ঃ**

প্ৰফুল্ল দত্ত গোস্বামীৰ পূৰ্বপুৰুষ বৰবিষ্ণু আতাৰ দ্বাৰা স্থাপিত চমৰীয়া সত্ৰৰ ভাগৱতী আছিল আৰু তেওঁলোক ৰাম গুৰুৰ বংশৰ আছিল বুলি এটা প্ৰবাদ আছে। সিংহদত্ত দেৱ অধিকাৰী আৰু পত্নী সুভদ্ৰা গোস্বামীৰ গৰ্ভত দক্ষিণ কামৰূপৰ নাহিৰা সত্ৰত ১৯১৯ চনত গোস্বামীয়ে জন্ম গ্ৰহণ কৰে। গোস্বামীদেৰ পিতৃ সিংহদত্ত দেৱ গোস্বামীৰ দৰে কবি আৰু গীতিকাৰ আছিল। মাত্ৰ ছয় বছৰ বয়সতে পিতৃ স্নেহৰ পৰা বঞ্চিত হোৱা গোস্বামীক নিঃসন্তান জেঠায়েক, গুৱাহাটী সদৰ মজলীয়া স্কুলৰ হেড পণ্ডিত সহদেৱ গোস্বামীৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়।

**শিক্ষা ঃ**

প্ৰফুল্ল দত্ত গোস্বামীয়ে শিক্ষা জীৱনত প্ৰধানকৈ খুড়াক আৰু জেঠায়েকৰ তত্ত্বাৱধান লাভ কৰি নাজিৰা, গুৱাহাটী আৰু তেজপুৰত শিক্ষা জীৱনৰ পাতনি মেলিছিল। প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা আৰু কটন কলেজৰ পৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৪০ চনত কটন কলেজৰ পৰা ইংৰাজী বিষয়ত অনাৰ্চসহ বি.এ. ডিগ্ৰী লাভ কৰে। অৰ্থনৈতিক দুৰৱস্থাৰ বাবে গোস্বামীয়ে শিক্ষা ক্ষেত্ৰত নিজক আগবঢ়াই নিয়াত কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও সেই প্ৰত্যাহ্বান নেওচি ১৯৪২ চনত কলিকতা প্ৰেচিডেন্সী কলেজত ইংৰাজী বিষয়ত স্নাতকোত্তৰ আইন শাখাত নামভৰ্তি কৰে। তেওঁ ইংৰাজী সাহিত্যত বিশেষ বুৎপত্তি প্ৰদৰ্শন কৰে আৰু ১৯৪৪ চনত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। তেওঁ Dissertation কাকতত 'Italian Influence on leter Elizabethan Tragedy' ৰ কাৰণে 'ৰেজিনা গুহ' স্বৰ্ণ পদক লাভ কৰে। Dissertation কাকতখনেই তেওঁৰ গৱেষণা কাৰ্যৰ প্ৰথম ঢাপ আছিল।

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত তেওঁৰ কৰ্মজীৱন আৰম্ভ হয় যদিও উচ্চ শিক্ষাৰ প্ৰৱল মনোবাঞ্ছা সাঁচি ৰখাৰ বাবে বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা সময়তে তেওঁ বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্ত্বাৱধানত গৱেষণা কাৰ্য আৰম্ভ কৰে। ১৯৫৫ চনত গোস্বামীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি. ফিল উপাধি লাভ কৰে 'A Study of Folklore of Assam : The Ballads and the Marchen' শীৰ্ষক গৱেষণা গ্ৰন্থখনৰ বাবে। তেওঁৰ শিক্ষা জীৱনৰ সাধনা এক গৌৰৱোজ্বল পৰিক্ৰমা যাক অনুকৰণ কৰোতে নিজক একাগ্ৰচিত্তে আগবঢ়াই নিব লাগিব।

**কৰ্মজীৱন ঃ**

গোস্বামীয়ে কৰ্মজীৱনৰ আৰম্ভণি ১৯৪১ চনতে কৰে। যেতিয়া বি. এ. উত্তীৰ্ণ হৈছিল সেই সময়ত তেওঁ শ্বিলঙৰ লাবান বালিকা হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰিছিল। এম এ ডিগ্ৰী লাভ কৰাৰ পিছত তেওঁ ১৯৪৪

চনৰ ২৫ ডিচেম্বৰত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ইংৰাজীৰ প্ৰবক্তাৰূপে নিযুক্তি পায়। ইয়াত ছমাহ প্ৰবক্তা ৰূপে কাৰ্যনিৰ্বাহ কৰি কটন কলেজত একে পদৰ চাকৰিত যোগদান কৰে। কটন কলেজত তিনি বছৰ পাৰ হোৱাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰবক্তাৰূপে যোগদান কৰে, যিটো সময়ত বিশ্ববিদ্যালয়ত বিদ্যায়তনিক পৰিৱেশ উজ্বল হৈ উঠিছিল। শত শত জ্ঞানৰ বন্তিৰে লুইতৰ দুয়োপাৰ উজ্বলাই তোলাৰ মানসেৰে বিশ্ববিদ্যালয়ৰ স্বপ্নক সাকাৰ ৰূপ দিবলৈ নতুন নতুন বিভাগ স্থাপন হৈ আছিল ১৯৫৯ বিশ্ববিদ্যালয়ত ইংৰাজী ভাষা শিক্ষণ বিভাগ স্থাপন হয় আৰু গোস্বামী বিভাগটোৰ মুৰব্বী পদত প্ৰতিষ্ঠিত হয়। তেওঁ বি.টি. বিভাগতো শিক্ষাদান কৰিছিল। ১৯৬৪ চনত গোস্বামীয়ে বিশ্ববিদ্যালয়ৰ 'জনজাতীয় কৃষ্টি আৰু লোক-সংস্কৃতি গৱেষণা প্ৰকল্প'ৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত সুকীয়াকৈ লোক-সংস্কৃতি বিভাগ স্থাপিত হোৱাত গোস্বামীয়ে অধ্যাপক আৰু বিভাগীয় মুৰব্বী হিচাপে নিযুক্তি গ্ৰহণ কৰে। তেওঁ এইপদবীতে চাকৰি জীৱনৰ সামৰণি ১৯৮১ চনত কৰে। তেৱেঁই আছিল সমগ্ৰ ভাৰতৰ ভিতৰত 'লোক-সংস্কৃতি' বিভাগৰ অধ্যাপক পদ অলংকৃত কৰা এজন সাধক, যাৰ আগত কোনেও এই পদ অলংকৃত কৰা নাছিল।

**ব্যক্তিত্ব ঃ**

এই গৰাকী সাধকৰ সাহিত্য-সংস্কৃতি চৰ্চাই তেওঁৰ জীৱনৰ পথ। যিগৰাকী সু-সাহিত্যিক তথা লোক-সংস্কৃতিবিদ ৰূপে দেশ-বিদেশে কৃতিত্ব লাভ কৰিও প্ৰচাৰ বিমুখ আছিল যদিও তেওঁৰ সাধনা স্থিতপ্ৰজ্ঞ। তেওঁ দেখাত খঙাল আৰু জেদী মনৰ বুলি ধাৰণা কৰি লোৱা গৈছিল যদিও তেওঁৰ অন্তৰখন বৰ সুকোমল আছিল। পিন্ধন-উৰণত তেওঁ চৌখিন নাছিল অৰ্থাৎ আড়ম্বৰহীন।

প্ৰচাৰ বিমুখতা তেওঁৰ ব্যক্তিত্বৰ অন্যতম ভূষণ আছিল। তেওঁ কৰ্ম তথা প্ৰতিভাৰ বিনিময়ত কেতিয়াও সস্তীয়া জনপ্ৰিয়তা আশা কৰা নাছিল। অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰস্তাৱো গোস্বামীয়ে সহজে প্ৰত্যাখ্যান কৰিছিল। তেওঁ তেনে প্ৰস্তাৱৰ ক্ষেত্ৰত মাত্ৰ কৈছিল— অনুগ্ৰহ কৰি মোক নাটানিব, মই মোৰ যোগ্যতা কিমান মই নিজে জানো। স্পষ্টবাদিতা আৰু নিৰ্ভীকতা গোস্বামীৰ ব্যক্তিত্বৰ অনন্য সাধাৰণ বৈশিষ্ট্য। গোস্বামীৰ অসাধাৰণ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ প্ৰতি যথোচিত সন্মান জনাই গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৩ চনত তেওঁক 'এ মেৰিটাচ প্ৰফেচ'ৰ সন্মানেৰে বিভূষিত কৰে।

**সাহিত্য কৃতি ঃ**

কলিকতা বিশ্ববিদ্যালয়ৰ কৃতি হিচাপে গোস্বামীয়ে সেইকালৰ পৰিৱেশৰ পৰা জীৱন আৰু সাহিত্য সম্পৰ্কে জ্ঞান আহৰণ কৰিছিল। ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু চিন্তা-চৰ্চাই তেওঁৰ পাণ্ডিত্যৰ যুক্তি নিষ্ঠতা, তুলনামূলক দৃষ্টিভঙ্গী তথা নৈব্যক্তিকতা প্ৰদানত বিশেষভাৱে সহায় কৰিছিল।

গোস্বামীয়ে প্ৰথম সাহিত্য প্ৰয়াস স্কুলীয়া জীৱনতে প্ৰাৰম্ভ কৰিছিল। তেওঁৰ 'বিহু' বিষয়ক প্ৰথম ৰচনাখন প্ৰকাশ পায় ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা 'জয়ন্তী' আলোচনীত। তাৰ পিছত 'যোজনা বা পটন্তৰ' বুলি আন এখন ৰচনা প্ৰকাশ হয়। ১৯৪২ চনত শঙ্কৰদেৱৰ ওপৰত ইংৰাজীত লিখা ৰচনা এখন বোম্বাই পি.ই.এন. কাকতত প্ৰকাশ হয়। এইখন গোস্বামীৰ প্ৰথম ইংৰাজী প্ৰবন্ধ। এনেদৰেই গোস্বামীয়ে সাহিত্য চৰ্চাৰ পাতনি মেলে। অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ বৈজ্ঞানিক আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ বাট মুকলি কৰি দি গোস্বামীয়ে এক ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল। বিশেষকৈ লোক সংস্কৃতি চৰ্চাৰ ইতিহাসত প্ৰফুল্লদত্ত গোস্বামী এক স্মৰণীয় অধ্যায়। ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে বিশ্বৰ ভাষা সাহিত্যৰ বিশেষ জ্ঞানৰ অধিকাৰী হৈয়ো তেওঁ মাতৃভাষাকহে সাহিত্য চৰ্চাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। লোক সংস্কৃতিৰ বহুসংখ্যক গ্ৰন্থ ইংৰাজীত ৰচিছিল বাবে তেওঁক দ্বি-ভাষিক লেখক বুলিও অভিহিত কৰা হৈছিল। তেওঁৰ লেখাত স্বপাণ্ডিত্যৰ জ্ঞান আছে। বীৰেন্দ্ৰনাথে গোস্বামীয়ে ৰচনা কৰা ৰচনাৰাজিক অসমীয়া আৰু ইংৰাজী গ্ৰন্থ এই ধৰণে দুই ভাগত ভগাইছে। এই শ্ৰেণীবিভাগ ১৯৮৮ চনৰ আগষ্ট মাহৰ 'প্ৰকাশ' আলোচনীত প্ৰকাশ পাইছিল।

**অসমীয়া গ্ৰন্থ ঃ**

সাহিত্য সমালোচনা ঃ এই যুগৰ সাহিত্য, ৰুক্মিণী হৰণ নাট, কামিনীকান্তৰ চৰিত্ৰ, কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী।

কাহিনীমূলক ঃ বিলাতী হোজা, শেষ ক'ত, কেঁচাপাতৰ কঁপনি, নিজে নৱৰূপ তাৰ, বিদেশী গল্প।

ভ্ৰমণ কাহিনী ঃ বিলাতত সাত মাহ, সোণ ৰূপৰ নহয় সি দেশ, মোৰ ৰাছিয়া ভ্ৰমণ, ইউৰোপৰ মনীষা।

জীৱনী ঃ মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ, মানিক চন্দ্ৰ বৰুৱা, বীৰ এজন পৰিল, এটি জীয়া কাহিনী।

লোক-সংস্কৃতি বিষয় ঃ অসমীয়া জন সাহিত্য, বাৰমাহৰ তেৰগীত, মণি কোঁৱৰ আৰু ফুল কোঁৱৰ, বৰো-কছাৰী ছল।

ইংৰাজী গ্ৰন্থ ঃ Literature and Education,

Assamese Drama an outline 1960, The Teaching of English, Fiction in Assamese Folklore : Folk literature of Assam, Bihu songs of Assam, Bohag Bihu of Assam and Bihu songs.

জনকৃষ্টি বিষয়ক ঃ অসমীয়া জন সাহিত্য, অসম দেশৰ সাধু, বাৰ মাহত তেৰগীত।

অনুবাদন ঃ ছফোক্লিজৰ এণ্টিগনি, মেকিয়াভেলিৰ ৰজা।

আত্মজীৱনী ঃ মনৰ পখী উভতি উৰে। প্ৰফুল্লদত্ত গোস্বামীৰ দ্বাৰা ৰচিত আৰু সম্পাদিত কিছু গ্ৰন্থ।

জনকৃষ্টি সাধক ৰূপে ঃ

প্ৰফুল্লদত্ত গোস্বামী একাধাৰে উপন্যাস, গল্প, ভ্ৰমণ কাহিনী, জীৱনী, আত্মজীৱনী, চৰাই বিষয়ক গ্ৰন্থ, গ্ৰন্থ আৰু ঐতিহাসিক তথ্য সম্বলিত বিশ্লেষণাত্মক সম্বন্ধ তথা গ্ৰন্থ ৰচনা কৰিলেও তেওঁৰ মুখ্য পৰিচয় কিন্তু জনকৃষ্টি বা লোক সংস্কৃতিৰ সাধক ৰূপেহে। সমগ্ৰ ভাৰতৰ লোক সংস্কৃতিৰ অধ্যয়নৰ নতুন যুগৰ সূচনা কৰোতাসকলৰ ভিতৰত অগ্ৰণী গণ্য এগৰাকী সাধক ৰূপে তেওঁৰ নাম শ্ৰদ্ধাৰে উচ্চাৰিত তথা স্মৰণীয় হৈ ৰ'ব। আনকি সমসাময়িক সময়ত লোক সংস্কৃতিবিদ ৰূপে চিৰ পৰিচিত আছিল। সেই সময়ত তেওঁ বিশ্ব-বিশ্ৰুত লোক সংস্কৃতিবিদ Dr. Verrier Elwin, William Archer, Prof. C. Von, Furer Hoimendorf আদি লোকৰ সতে গোস্বামীৰ ঘনিষ্ঠতা আছিল। ফৰাচী বিপ্লৱৰ ফলশ্ৰুতিত গোটেই ইউৰোপত ৰোমাণ্টিক আন্দোলনৰ সূচনা হয় আৰু এই আন্দোলনতে অনুপ্ৰাণিত ঊনবিংশ শতিকাৰ আৰম্ভণিত ইংলেণ্ড আৰু জাৰ্মানীৰ পুৰাতত্ত্ববিদ, ভাষাতত্ত্ববিদ আৰু সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰাজিত মানুহৰ দৈনন্দিন কাৰ্যাৱলী সন্নিৱিষ্ট কৰি তেওঁলোকৰ খাদ্যাভাস, আচাৰ-ব্যৱহাৰ আদি বিষয় উপস্থাপন কৰিছিল। ইয়াৰ ফলশ্ৰুতিতেই অধ্যয়নৰ নতুন ক্ষেত্ৰ অৰ্থাৎ New field of learning ৰূপে লোকবিদ্যাই আধিপত্য লাহে লাহে বিস্তাৰ কৰিব লয় যথা সময়ৰ পাছৰ পৰা।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্বাৱধানত প্ৰফুল্লদত্ত গোস্বামীয়ে লোক সংস্কৃতিৰ বিশিষ্ট উপাদান কাহিনীমূলক গীত আৰু সাধুকথাৰ বিষয়ে অধ্যয়ন কৰি 'A Study of the Folklore of Assam : The Ballads and Marchen' নামৰ গৱেষণা গ্ৰন্থ ১৯৫৩ চনৰ জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰে। এইখনে প্ৰথম গৱেষণা গ্ৰন্থ, যিখন গ্ৰন্থৰ জৰিয়তে গোটেই ভাৰতবৰ্ষতে নহয় বিশ্বৰ ভিতৰতে এজন সুসাধক লোক সংস্কৃতিবিদ ৰূপে স্বীকৃতি লাভ কৰে।

প্ৰফুল্লদত্ত গোস্বামী 'অসম জনকৃষ্টি সমাজ'ৰ হোতা আছিল। দেশে-দেশে জনকৃষ্টিৰ ধাৰণা যিদৰে সম্প্ৰচাৰিত হৈছিল ঠিক তেনেদৰে অসমতো জনকৃষ্টিৰ চিন্তা-চৰ্চা, বিস্তাৰ-প্ৰসাৰ, লোক সংস্কৃতিৰ সমল সংগ্ৰহ, ক্ষেত্ৰ অধ্যয়ন, বিচাৰ-বিশ্লেষণ আৰু প্ৰকাশ আদি উদ্দেশ্য আগত ৰাখি ১৯৫৯ চনত 'অসম জনকৃষ্টি সমাজ' গঠন হয়। তেওঁ অকল অসমৰে লোক সংস্কৃতি অধ্যয়নত বৰ্তি নাছিল। তেওঁ উত্তৰ পূব ভাৰতৰ অন্যান্য জাতি-জনজাতিৰো লোক সংস্কৃতি অধ্যয়ন কৰিছিল।

গোস্বামীয়ে তেওঁৰ সংস্কৃতি সাধনাত সমাজখনৰ চৌপাশে আৱৰি থকা জনজাতীয় সমাজখনত বৰ্তি থকা কৃষ্টিসমূহৰ অনুপম সম্পদ গীত, সাধু, প্ৰবাদ আদিৰো উদ্ধাৰ আৰু সংৰক্ষণৰ আৰু বিশ্লেষণ কাৰ্যৰ অহৰহ চেষ্টা চলাইছিল। তেওঁৰ সৃষ্টিৰ উল্লেখনীয় বৈশিষ্ট্য সত্যনিষ্ঠতা, উদাৰতা, কৃতজ্ঞতা প্ৰকাশ তেওঁৰ গ্ৰন্থসমূহৰ সত্যনিষ্ঠতাৰে দাঙি ধৰাৰ ফলত গ্ৰন্থসমূহ বিজ্ঞানসন্মত হয় আৰু পঢুৱৈয়ে তাক আয়ত্ব কৰাত সুযোগ অতি সহজে আহৰণ কৰে। এইগৰাকী সাধকৰ লেখনি সামৰণি মাৰিবলৈ হ'লে তেওঁৰ একাগ্ৰতা, সাধনা সকলো আয়ত্ব কৰি ল'বলৈ সক্ষম হ'বলৈ লাগিব।

এই গৰাকী মহান পুৰোধা ব্যক্তিয়ে নিজৰ সফলতাৰ সামৰণি ১৯৯৪ চনৰ ১৯ নৱেম্বৰত চেনিকুঠিৰ নিজা বাসভৱন 'কান্তা'ত নশ্বৰ দেহ ইহ জগতত ত্যাগ কৰে। ■■

# প্লেটো

**প্ৰিয়ংকা দাস**
দৰ্শন বিভাগ, দ্বিতীয় ষান্মাসিক



গ্ৰীক দৰ্শনৰ ইতিহাসত সৰ্বপ্ৰথম যিজন দাৰ্শনিকে দৰ্শনক সু-সংবদ্ধভাৱে প্ৰকাশিত কৰে সেইজন হ'ল ছক্ৰেটিছৰ প্ৰিয় শিষ্য প্লেটো। প্লেটো আছিল জগতৰ শ্ৰেষ্ঠ দাৰ্শনিক যাক আমি যথাৰ্থতে ইউৰোপত আধ্যাত্মবাদৰ প্ৰৱৰ্তক হিচাপে পৰিগণিত কৰিব পাৰো।

প্লেটোৰ জন্ম হৈছিল খ্ৰীষ্টপূৰ্ব ৪২৮ চনত এথেন্স নগৰীত। প্লেটো আছিল এজন বিত্তশালী অভিজাত বংশৰ সন্তান। তেওঁৰ দেউতাক আছিল এৰিষ্টন আৰু মাতৃ আছিল পেৰিকছনি। শৈশৱতে প্লেটো পিতৃহাৰা হয়। প্লেটোৰ প্ৰকৃত নাম আছিল এৰিষ্টোক্লিচ।

প্লেটোই এথেন্সত এখন একাডেমী প্ৰতিষ্ঠা কৰে, যি পাশ্চাত্যৰ সৰ্বপ্ৰথম বিশ্ববিদ্যালয় ৰূপে পৰিগণিত হয়। এই একাডেমীখনত কেৱল এথেন্সৰেই নহয়, বহু দূৰ-দূৰণিৰ পৰাও ছাত্ৰ আহিছিল। এৰিষ্টটলো এই একাডেমীৰ ছাত্ৰ আছিল। একাডেমীত প্লেটোৱে ৮০ বছৰ বয়সলৈকে শিক্ষাদান কৰি খ্ৰীষ্টপূৰ্ব ৩৪৮ চনত শেষ নিশ্বাস ত্যাগ কৰে।

প্লেটোৰ ৰচনাৱলী ঃ প্লেটোৱে কিছুমান গ্ৰন্থও ৰচনা কৰে। তেওঁ ৰচনা কৰা প্ৰায় সকলো গ্ৰন্থ Dialogues আকাৰত ৰচিত। প্লেটোৱে সৰ্বমুঠ ৩৬ খন গ্ৰন্থ ৰচনা কৰে। তাৰে ভিতৰত কেইখনমান হ'ল — 1. Apology, 2. The Republic.

প্লেটোৰ জ্ঞানতত্ত্ব ঃ জ্ঞানবিদ্যাত জ্ঞান সম্পৰ্কে বিশদভাৱে আলোচিত হয়। জ্ঞানৰ উৎপত্তি বা উৎস, স্বৰূপ, চৰ্ত, সীমা, বৈধতা আদি জ্ঞানবিদ্যাৰ আলোচ্য বিষয়।

প্লেটোৱে কেৱল জ্ঞান কি — এই আলোচনা কৰা নাই, তেওঁ জ্ঞানৰ স্বৰূপ ভালদৰে উপলব্ধি কৰিবলৈ জ্ঞান কি, কি নহয় তাৰ আলোচনাও কৰিছে। প্লেটোৰ জ্ঞানতত্ত্বৰ সদৰ্থক দিশৰ বিষয়ে অৱস্থিত হ'বলৈ 'Meno' আৰু 'Republic' সংলাপৰ লগত পৰিচিত হ'ব লাগিব।

ইন্দ্ৰিয় প্ৰত্যক্ষ, অভিমত আৰু সত্য বিশ্বাসৰ ভ্ৰান্তি প্ৰমাণ কৰাটো প্লেটোৰ নঞৰ্থক দিশৰ উদ্দেশ্য। জ্ঞান সম্পৰ্কীয় এনে নঞৰ্থক আলোচনা পোৱা যায় প্লেটোৰ আন এখন বিখ্যাত সংলাপ 'Theatetus' ত। Theatetus সংলাপত জ্ঞান সম্পৰ্কীয় কিছুমান ভ্ৰান্ত মতবাদ খণ্ডন কৰিছে।

প্লেটোৰ জ্ঞানতত্ত্বৰ সম্যক জ্ঞান লাভ কৰিবলৈ আমি সদৰ্থক আৰু নঞৰ্থক এই দুয়োটা দিশেই আলোচনা কৰিব লাগিব। ■■



# লৌহ কন্যা লাভলীনা বৰগোহাঁই

## এক চমু অৱলোকন

**কমলজ্যোতি নাথ**
শিক্ষা বিভাগ, তৃতীয় ষান্মাসিক

ভাৰতবৰ্ষৰ পূৰ্ব দিশৰ এখন সৰু ৰাজ্য হৈছে অসম। নদ-নদী, পাহাৰ-পৰ্বত ইত্যাদিৰে ধুনীয়া প্ৰাকৃতিক পৰিৱেশেৰে অসম ভূমি গঠিত। এই পবিত্ৰ ভূমিৰ পৰাই বিভিন্নজন অসমীয়াই বিভিন্ন কামেৰে, বিভিন্ন সময়ত বিশ্ববাসীৰ সন্মুখত নিজৰ পৰিচয় দাঙি ধৰিছে। এই সকলৰ ভিতৰত অন্যতম অসমৰ লৌহ কন্যাখ্যাত লাভলীনা বৰগোহাঁই। লাভলীনা বৰগোহাঁয়ে বক্সিঙত আন্তৰ্জাতিক পৰ্যায়ত ভাৰতক প্ৰতিনিধিত্ব কৰি টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

১৯৯৭ চনৰ ২ অক্টোবৰ তাৰিখে অসমৰ গোলাঘাট জিলাৰ সৰুপথাৰত টিকেন বৰগোহাঁইৰ ঔৰস আৰু মামনি বৰগোহাঁইৰ গৰ্ভত লৌহকন্যাই জন্ম গ্ৰহণ কৰিছিল। সৰুৰে পৰা খেলৰ প্ৰতি একান্তভাৱে অনুৰাগী আছিল লাভলীনা, ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে এদিন দেউতাক টিকেন বৰগোহাঁয়ে ঘৰলৈ মিঠাই বান্ধি অনা বাতৰি কাকতখনত বক্সাৰ মহম্মদ আলিৰ বিষয়ে প্ৰকাশিত প্ৰবন্ধ এটা আছিল। উক্ত প্ৰবন্ধটো দেউতাকে লাভলীনাক পঢ়িবলৈ দিয়ে। লিখনিটো পঢ়ি লাভলীনাই মহম্মদ আলিৰ জীৱন সম্পৰ্কে জানিব পৰাৰ লগতে বক্সিঙৰ প্ৰতি একান্তভাৱে আকৰ্ষিত হ'ল।



কোনো কোনো সাক্ষাৎকাৰত উল্লেখ কৰামতে সেয়াই আছিল লাভনীলা বৰগোহাঁইৰ বক্সিং সম্পৰ্কে প্ৰথম ধাৰণা। দেউতাকেও তেখেতক বক্সাৰ হ'বলৈ উৎসাহিত কৰে। যমজ বায়েক দুগৰাকীৰ দৰে লাভলীনায়েও পোন প্ৰথমে কিক্ বক্সাৰ হিচাপে কেৰিয়াৰ আৰম্ভ কৰিছিল। সৰুতে 'মুৱাথাই' খেলিবলৈ লোৱা লাভলীনাই এগৰাকী সম্পৰ্কীয় বায়েকৰ প্ৰেৰণাত বক্সিং গ্লোভচ হাতত তুলি লৈছিল। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে বৰপথাৰ ছোৱালী হাইস্কুলত অনুষ্ঠিত কৰা অনুশীলনীত লাভলীনা পদুম বড়োৰ চকুত পৰে আৰু ২০১২ চনৰ পৰা তেওঁ লাভলীনাক প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰে। পিছলৈ অৱশ্যে ভাৰতীয় মহিলা বক্সিঙৰ মুখ্য প্ৰশিক্ষক শিৱ সিঙে তেওঁক প্ৰশিক্ষণ প্ৰদান কৰে।

লাভলীনা বৰগোহাঁয়ে বিভিন্নখন আন্তঃজিলা, আন্তঃৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত বিভিন্ন পদক লাভ কৰি ২০১৮ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা AIBA মহিলা বক্সিং চেম্পিয়নশ্বিপত প্ৰথমবাৰৰ বাবে ভাৰতক প্ৰতিনিধিত্ব কৰে আৰু মহিলা ৬৯ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে। ২০২০ চনৰ মাৰ্চ মাহত লাভলীনাই উজবেকিস্তানৰ মফতুনাখন মেলিভাক ৫-০ ব্যৱধানত পৰাস্ত কৰি টকিঅ' অলিম্পিকত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী অসমীয়া মহিলা খেলুৱৈ ৰূপে পৰিগণিত হয়। ২০২১ চনত জাপানত অনুষ্ঠিত হোৱা টকিঅ' অলিম্পিক ২০২০ ত লাভলীনাই অংশগ্ৰহণ কৰি অলিম্পিকলৈ নিৰ্বাচিত হোৱা প্ৰথমগৰাকী অসমীয়া মহিলা খেলুৱৈ হিচাপে ইতিহাস ৰচে। ২৭ জুলাইত অনুষ্ঠিত অলিম্পিকৰ প্ৰি-কোৱাৰ্টাৰত লাভলীনাই জাৰ্মানীৰ প্ৰতিপক্ষ নাডীয়া এপেজক ৩-২ ত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে আৰু ৩০ জুলাইত লাভলীনাই চাইনীজ টাইপেইৰ চেন-নিয়েন চিনক ৪-১ ৰ ব্যৱধানত পৰাজিত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে আৰু ব্ৰঞ্জৰ পদক নিশ্চিত কৰে। লাভলীনা অলিম্পিকৰ পদক বিজয়ী প্ৰথমগৰাকী অসমীয়া মহিলা।

লাভলীনাই বক্সিঙৰ ক্ষেত্ৰত দেখুওৱা অসাধাৰণ প্ৰদৰ্শনৰ বাবে সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ৰামানাথ কোবিন্দে তেওঁক অৰ্জুন বঁটা প্ৰদান কৰে। ২০২১ চনত ভাৰতৰ সৰ্বোচ্চ ক্ৰীড়া সন্মান 'খেলৰত্ন বঁটা' লাভ কৰে। অসমৰ সৰ্বোচ্চ অসামৰিক বঁটা 'অসম সৌৰভ'ৰে লৌহ কন্যাগৰাকীক বিভূষিত কৰা হয়। শেহতীয়াকৈ চীনত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতৰ পতাকা বহন কৰি অসম গৌৰৱ লাভলীনা বৰগোহাঁয়ে অসমবাসীক পুনৰ গৌৰৱান্বিত কৰি তোলে।

অসমৰ এখন সৰু পিছ পৰা গাঁৱৰ পৰা তেওঁৰ বিশ্ব অভিমুখী যি যাত্ৰা সেয়া প্ৰতিজন অসমীয়া ডেকা-গাভৰুৰ বাবে প্ৰেৰণাৰ উৎস। অসমৰ প্ৰতিটো চুকে-কোণে হয়তো হাজাৰজনী লাভলীনা বৰগোহাঁই আছে। তেওঁলোকক চিনাক্ত কৰি উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰিলে অসম আৰু অসমীয়াৰ মান পুনৰ বিশ্ববাসীৰ সন্মুখত উজ্বলাই তুলিব। ■■



# ami Vivekananda

**Nibedita Saha**
Semester, Department of Economics

Swami Vivekananda, the son of Shri Vishwanath and mother Bhubaneswari Devi was called by the name "Narendranath Dutta". In the early days Swami Vivekananda was a great Indian saint. He was a figure with "high thinking and simple living". He was a great leader and a philosopher, also a devout personality with great principles. Vivekananda was inclined towards religion and spirituality from young age. He later found his guru "Ramkrishna" and became a monk. Swami was an inspiration for the youth of India.

Swamiji who always believed in spiritual thoughts and simple living concepts. He said, "strength is life and weakness is death". He was also fond of music. He used to enchant devotional ngs on his own to keep his mind at a peaceful ıte. His works "Modern Vedanta" and "Raj ɔga" are today acclaimed all over the world. vamiji proudly upheld the greatness of Hinduism and taught the world its true essence of acceptance and tolerance." A man with in-depth knowledge of Vedas, Upanishad, Bhagavad Gita and much more used to believe that serving mankind is to serve God and hence he was the person who can say "God gave me nothing I wanted but he gave me everything I needed". Happiness to him was a smile on the face of the poor. He was inspired from his mother's religious nature and father's rational mind who was then a lawyer." Netaji Subhash Chandra Bose once said, "Swamiji harmonized the East and West religion and science, past and present and that is why he is great". He played a prominent role in ending India's cultural remoteness from the rest of the world. Swamiji also emphasized on educational aspects which leads

to character formation. Swamiji used to believe strongly that people are born to do good for the nation with proper guidance. It is Swamiji who taught us the spirit to fight till the last moment as the goal has to be reached. Non-duality and selfless love are the two vital lessons he taught until the end of his life. " Swamiji won the heart of many by his incredible speech addressing the audience as "Sisters and Brothers of America" at Chicago in the year 1983.

"Ramkrishna, who was the Guru of Vivekananda after the death of Ramkrishna, Swamiji established the "Ramkrishna Math" and "Ramkrishna Mission" which was a sign of "Guru Bhakti", his secrifice, austerity and service of the poor and the downtrodden people of India. He was also a founder of Belur Math.

He spread the message of divinity and the true aims of scriptures. This great patriotic monk of the Mother Earth took his last breath on 4$^{th}$ July, 1902 at Belur Math at the age of 39 years. However, his legecy endured influencing generations to come. His teaching continue to inspire millions, encouraging them to streive for excellence, seek spiritual understanding and contribute to the welfare of society.

Through his teachings he wanted to fill the young brains with the powers of self-realization, to recognize inner strengths, service to other, tireless efforts and many more. His famous quote "Arise awake and stop not till the goal is reached." Swami carried the message of the rich and varied heritage of Indian culture and Hinduism, selfless love and service towards the nation. Thus, we celebrate his "Avtaran Divas" 12$^{th}$ January, as the National Youth Day with great zeal and enthusiasm. ■■

# Bodofa Upendra Nath Brahma : The Father of the Bodo Nation

**Jintu Baro**
Political Science, 3rd Semester



Upendra Nath brahma, the founder of the modern Bodo nation is a memorable figure among Boros. Upendra Nath brahma was born on 31st march 1956 in a village called Borgari under Dotma block of Kokrajhar district. His father's name was Mangalram Brahma and Mother's name Lepsri Brahma. They were very poor. Upendra Nath had two brothers named Bimal Brahma, Shyameswar Brahma and two sisters named Timpri Brahma and Ramba Brahma.

Upendra Nath had to face hardship right from his childhood as his parents were very poor. He Seemed to have an aim of life from his early Childhood. Perhaps, for this reason, he was able to get through the myriads of problems in life. In1968, he took the primary scholarship examination and was awarded a merit scholarship. Upendra Nath Brahma passed his matriculation examination in 1975 with first division with letter marks in General Mathematics and higher Mathematics. He graduated from Cotton College in 1981 with letter marks in Physics with Pre-University (PU) and B.Sc. in physics with Honours. He passed his M.Sc. from University of Gauhati in when he was a law student. He was forced to join the job of an Income tax inspector. Due to severe financial problems, however, the poor socio-economic condition of the Boros didn't allow his conscience to remain in Government's works. He edited 'Bidangsri' the annual mouth piece of Gauhati Bodo students Union in the session 1977-78. He was selected the president of the undivided Goalpara All Bodo Students Union in 1978-79. Although it was the first entry of Mr Brahma into the Organization if he had been associated bels closely with the ABSU. In 1980, Mr. Brahma was also an editor of the 'Orkhi' Was also an editor news magazine published from Kokrajhar. 'Orkhi' was published to raise the voice of the Bodo people. Mr. Brahma ventilated his Philosophy and the destiny of Bodo people through this news magazine. He was selected vice president of ABSU in 1983-84. In 1986, he was elected as the eighth one-year president of the All-BoroStudents Union held at Routa. The following year he resigned from government job and devoted his life to save the Boros from isolation. Although his life was plagued by problems and there was no second

earner in the whole family. He didn't give up on his goal of establishing Boro people as a large ethnic group in the world.Upendra Nath Brahma believed that a tribe, with respect has the right to live in the world with its own language, literature no matter how large the population.The strong community or nation has no moral right to oppress the weak, rises at one time and falls at another. Therefore, the principle of living and living can bring lasting happiness and prosperity to human society on this earth.He was also strong promoter of principles, freedom,equality and brotherhood. This idea was introduced in 1789 during the French Revolution in an attempt to give equal rights to all people. The French Revolution was the face of more idealism than guns and it threw away the old and inequalities of society and began to reshape the world.Upendra Nath Brahma is also a struggled tobring about change in the contemporary society**.**It will bring equal dignity and rights to backward classes like the Bodo's. He tried to ensure that the Bodo's, like other people of the country could enjoy equality and live in peace free from oppression and exploitation. Brahma was determined to promote the nationalism and language and culture of the Bodo's at the national and international levels. He expressed his desire to spread this message to the deprived and underdeveloped societies of the world. When he found no way reach his great mission, he launched a massive movement for his people. He is also known as 'Bodofa' meaning Father of Bodos for his immense contribution to Bodo society. Upendra Nath Brahma died on 1st May, 1990 almost completing his work. The government of Assam has called for the celebration of his birthday on 31st March as Student's Day throughout Assam.

**Bodoland Movement :**

As stated, earlier land alienation has been the major problem of the plains tribal people of Assam. In this connection Indira Das wrote, "Perhaps one of the gravest problems of the Bodos have had to face over the years to relates to land. Despite restrictions on land transfers between tribals and non-tribals, immigrant Bengali Muslim and Hindus have gradually taken over large areas of agriculture lands. Laws protecting tribal land were mis-interpreted and misused to deprive the tribals of their lands. With this unfortunate results almost 60 percent of their land was taken over by non-tribals".

The process of insidious attack on the vitality of the Bodo people suddenly appeared on the surface as an immediate threat to the people, When the A.G.P. government launched a programme of evicting the indigenous people from forest villages simultaneously with imposition of language and culture on non-Assamese speaking people in the state to implement the Assam Accord signed in 1985. The fear was quite large in the mind of the people. The in-conceived design of the new Mahanta government was the last straw that broke the camel's back. A vigorous uprising was imminent. The tribal eviction stopped and the imposition of language and culture stopped. But it became a defining moment to convince U.N. Brahma that the Bodos must have a protective suit in the form of a separate state to live and flourish without fear.

As a consequence, the Bodoland Movement was formally declared on 2 March ,1987. The All Bodo Students' Union submitted a memorandum of 92 points of demand including a separate state to Sri Prafulla Kumar Mahanta, the then chief minister of Assam. The same memorandum was also submitted to Rajiv Gandhi, the then Prime Minister of India on 24 February,1987; to Buta Singh, the then Home Minister on February 24 and to Giyani Jail Singh, the then president of India on February 28. The 92 charters of demand reflected all the grievances of the Bodo people, their aspirations and visions. The cluster of demand revolved around three political demand: creation of separate state on the northern bank of the Brahmaputra, the creation of regional council for non-Karbi people living in Karbi Anglong and an autonomous region for the Bodo people living on the southern bank of the Brahmaputra river.

# জোনাকীৰ সোণোৱালী সপোনৰ পম খেদি

**ববিতা কুমাৰী মাজুডেকা**
প্ৰাক্তন আলোচনী সম্পাদিকা

সপোন দেখাটো এটা মানুহৰ প্ৰাকৃতিক নিয়ম। পৃথিৱীত এনে কোনো মানুহ হয়তো নাই যিয়ে নিজৰ জীৱনটোক লৈ সপোন দেখা নাই। জোনাকীয়েও এটি সপোন বুকুত বান্ধি মনে মিলা বিচৰা জনৰ সৈতে সংসাৰখন আৰম্ভ কৰিলে। তেওঁৰ স্বামী কলাকুট ওজাই ওজাপালি গাই ঘূৰি ফুৰে, জোনাকীয়েও মাটি বাৰী নোহোৱা হেতুকে আগৰ সিঘৰৰ খেতি পথাৰত কাম কৰি সংসাৰখন চলায়। তেওঁলোকৰ সংসাৰৰ মাজলৈ কেইবাটাও সন্তান আহিল যদিও তেওঁলোকৰ সন্তানৰ সুখ স্থায়ী নহ'ল।এটাৰ পিছত এটা সন্তানৰ বিয়োগত তেওঁলোক ভাগি গৈছিল। তথাপিও দুয়োয়ে দুয়োকে লৈ জীয়াই আছিল। কিন্তু নিয়মিত লীলা কোনে বুজিব।ঈশ্বৰে তেওঁক অকলশৰীয়া কৰি তেওঁৰ স্বামীকো জীৱনৰ পৰা আঁতৰাই নিলে। তেওঁৰ সপোনৰ সংসাৰখন ছিন্ন ভিন্ন হৈ গ'ল।জীয়াই থকাৰ কোনো সমল নাইকিয়া হৈ যোৱাত মৃত্যুই শ্ৰেয় বুলি মৃত্যুক আকোঁৱালি লোৱাৰ পথত ঈশ্বৰে এক জীয়াই থকাৰ সম্বল দিলে যে তেওঁ অন্তঃসত্বা। তেওঁ ভাবিলে মই জীয়াই থাকিম। ঈশ্বৰে মোৰ ধৈৰ্য্যৰ পৰীক্ষা লৈছে। মই তেওঁৰ সকলো পৰীক্ষাৰ সন্মুখীন হ'ম। তেওঁৰ অন্তৰ্য্যাত স্থিত ভগৱানে ক'লে —

'সৰ্বধমাৰ্ন পৰিত্যজ্য মামত্ৰকম শৰণম ব্ৰজ।
অহম্ ত্ব। সৰ্ব পাপেভ্য: মোক্ষয়িষৎমি মা শুচ।।'

তেওঁ লগে লগে সকলো দুখ কষ্ট পাহৰি ঈশ্বৰ কৃষ্ণত একান্তভাৱে শৰণ ল'লে। তেওঁ অকলশৰীয়া হোৱাৰ বাবে গাওঁৰে শইকীয়া উপাধিৰ ব্যক্তিয়ে তেওঁৰ ঘৰত আশ্ৰয় দিয়ে। কিছুদিন পিছত তেওঁৰ এটি পুত্ৰ সন্তানৰ জন্ম হয়। জোনাকীৰ অন্ধকাৰ জীৱনলৈ এগছি প্ৰদীপ আহিল, তেওঁৰ জীৱন পোহৰাই তুলিবলৈ। বহু দুখ কষ্টৰ মাজেৰে মানুহৰ ঘৰে ঘৰে কাম বন কৰি ল'ৰাটোক শিক্ষা দীক্ষাৰে মানুহ গঢ়াৰ সপোন ৰচিলে। কিছুদিন শইকীয়া পৰিয়ালত থকাৰ পিছত তেওঁলোকৰেই বংশৰ চহৰীয়া পৰিয়ালে তেওঁলোকৰ ঘৰৰ ওচৰতে এটা জুপুৰী সজাই তাতে মাক পুতেকক থকাৰ ব্যৱস্থা কৰি দিয়ে। জোনাকীয়ে ল'ৰাটো থৈ কাম বিচাৰি যায়,দিনৰ দিনটো ঘৰত নাথাকে আৰু কাম বন কৰি গধূলি ঘৰত সোমায়।এবাৰ প্ৰচণ্ড বতাহ ধুমুহাই গোটেই গাওঁখনত বহুত ক্ষয় ক্ষতি কৰাৰ লগতে জোনাকীৰ জুপুৰীটোৰ ওপৰত প্ৰকাণ্ড গছ এডাল ভাগি পৰিল। ঘৰটোৰ ভিতৰত আছিল জোনাকীৰ একমাত্ৰ পুত্ৰ। সেই সময়ত জোনাকী নাছিল। ওচৰ চুবুৰীয়াৰ মাজত আকৌ হাহাকাৰৰ সৃষ্টি হ'ল যে এইবাৰো জোনাকীয়ে পুত্ৰ হেৰুৱালে। ঘৰটোৰ ওপৰৰ পৰা গছৰ ডালবোৰ কাটি মেলি ল'ৰাটোৰ সন্ধান কৰিলে, ক'ত আছে সি তাক মাতিলে- এটা শব্দ শুনা গ'ল। সকলো আশ্বস্ত হ'ল যে জোনাকীৰ জীৱনৰ প্ৰদীপ এতিয়াও জ্বলি আছে। তেতিয়া ল'ৰাটোৰ বয়স ৫/৬ বছৰ মান হ'ব। সকলো আচৰিত হ'ল প্ৰকাণ্ড গছজোপাই জুপুৰীটো ভাগি পেলালে যদিও ল'ৰাটোৰ একো ক্ষতি নহ'ল। সকলোৰে তাক সুধিলে তই ধুমুহা আহোঁতে কি কৰিলি ? সি ক'লে যে- মোক আয়ে কৈছিল কেতিয়াবা যদি মই নথকা অৱস্থাত বতাহ, ধুমুহা, ভূমিকম্প আহে একো কৰিব নোৱাৰিলেও তই চাঙৰ তলত সোমাই থাকিবি, সেয়েহে মই চাঙৰ তলত ধুমুহা অহাৰ লগে লগে শুই গ'ল। সেই ৫/৬ বছৰ বয়সতে ল'ৰাটোৰে বুদ্ধিমত্তা আৰু মাতৃৰ বাক্যৰ প্ৰতি থকা অগাধ বিশ্বাসৰ পৰিচয় দিছিল। তেতিয়া মানুহবোৰে ভাবিছিল যে ল'ৰাটোৰে জোনাকীৰ নাম উজ্জ্বলাব। এনেদৰেই জোনাকীয়ে বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে মানুহৰ ঘৰৰ পৰা খুজি মাগি পঢ়ালে। যাঠিৰ দশকত পঢ়া শুনা মানুহৰ স্থান বহুত উচ্চ হৈ আছিল। গাৱঁৰ সকলোৰে তেওঁক বৰ মৰম চেনেহ আৰু আদৰ কৰাৰ লগতে পঢ়া-শুনাত আৰ্থিকভাৱে সহায়ৰ হাত আগবঢ়াইছিল। তেওঁ পঢ়া শুনাৰ লগতে সাহিত্য, সংস্কৃতি, অন্যান্য সামাজিক কামত ওতপ্ৰোতভাৱে জড়িত হৈ

পৰিছিল। তেওঁৰ মাতৃ যেনেকৈ নিৰ্ভীক, আত্মবিশ্বাসী আৰু সৎ আছিল ঠিক তেনেকৈ তেওঁৰ শৰীৰটো একে ৰক্ত প্ৰবাহিত হৈছিল। তেওঁ আছিল নিৰ্ভীক, আত্মবিশ্বাসী, সৎ আৰু পৰোপকাৰী। তেওঁ সমাজৰ মাজত থাকি মানুহক সহায় কৰি ভাল পাইছিল,সমাজখনক বৈজ্ঞানিক দৃষ্টিভংগীৰে আগবাঢ়ি যোৱাটো বিচাৰিছিল। সমাজত থকা অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেওঁ এজন শিক্ষক হিচাপে জ্ঞানৰ পোহৰেৰে সমাজখনক আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ভকতপাৰা উচ্চ মাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ত প্ৰতিষ্ঠাকালীন শিক্ষক, পূব মঙলদৈ মধ্য ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে নিযুক্ত পিছলৈ মঙলদৈ টাউন মধ্য ইংৰাজী বিদ্যালয়খনৰ প্ৰধান শিক্ষক হিচাপে বিদ্যালয়খন ন-ৰূপত সজাই তুলিছিল। গাঁওখনৰ লগতে অঞ্চলটোকো জ্ঞানৰ পোহৰেৰে জিলিকাই তোলাৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল।

মাতৃৰ গৰ্ভতেই পৰীক্ষিতে ঈশ্বৰ কৃষ্ণত শৰণ লোৱাৰ দৰে তেওঁ একান্তভাৱে কৃষ্ণত শৰণ লৈছিল। উচ্চ শিক্ষিত হৈও তেওঁ পাহৰি যোৱা নাছিল ভক্তি মাৰ্গ। সেয়েহে তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘত যোগদান কৰিছিল আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে শ্ৰীমন্ত শংকৰদেৱৰ নীতি আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিযুক্ত কৰিছিল। তেওঁ একেধাৰে দৰং জিলা সাংবাদিক সংস্থাৰ প্ৰতিষ্ঠাপক সম্পাদক, মঙলদৈ প্ৰেছ ক্লাবৰ প্ৰতিস্থাপক সভাপতি, দৰং জিলা সাংবাদিক কৰ্ম পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি, মঙলদৈ মহকুমা অধিবিদ্যা পৰিষদৰ প্ৰতিষ্ঠাপক কাৰ্যাধ্যক্ষ, পূব মঙলদৈ আঞ্চলিক শান্তি পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদক, শইকীয়াপাৰা জীৱিকা কল্যাণ নিধিৰ প্ৰতিষ্ঠাপক সভাপতিৰ দৰে পদত নিয়োজিত হৈ সাংগঠনিক দক্ষতাৰ পৰিচয় দাঙি ধৰিছিল।

জোনাকীৰ পুত্ৰৰ সাহিত্য সংস্কৃতিৰ প্ৰতি অগাধ হেপাঁহ আছিল বাবেই স্কুলীয়া জীৱনৰ পৰাই সাহিত্য চৰ্চা, নাটক লিখা আদি কামত আগভাগ লৈছিল। তেওঁ কেইবাখনো গ্ৰন্থ ৰচনা চয়ন, ভুৰুকাত বিশ্বজ্ঞান (ছাত্ৰ-ছাত্ৰীৰ হাতপুথি), সন্ধানৰ ছাঁ- পোহৰত শইকীয়াপাৰা (বুৰঞ্জীমূলক), গুৰুভক্তি, ভকতিপ্ৰসাদ (দুখন নাটক মঞ্চস্থ কৰা হৈছিল), অস্তাচলৰ প্ৰচ্ছায়াত (কাব্য) আৰু পাণ্ডুলিপি ৰূপত থকা দুখন পুৰ্ণাংগ নাট হৈছে দাপোনৰ পোহৰ আৰু অপ্ৰতিৰোধ্য,দুখন উপন্যাস হৈছে উপকুল আৰু চতুৰ্দশীত চন্দ্ৰ গ্ৰহণ।

মাতৃ জোনাকীৰ দৰে পুত্ৰইও বিশ্বাস কৰিছিল যে কৰ্মই ধৰ্ম। সেয়েহে তেওঁ সাধ্যানুসাৰে কাৰো পৰা একো আশা বা ফল নিবিচৰাকৈ সৎ পথে নিস্বাৰ্থভাৱে আনক সহায় কৰিছিল। এজন শিক্ষক হিচাপে শিক্ষকতা কৰিও বাকী সময়ছোৱাত তেওঁ সমাজৰ কাম কৰি গৈছিল। সেই সময়ত এজন সাংবাদিক হিচাপে সংবাদ সংগ্ৰহ কৰাটো আৰু পঠোৱাটো আজিৰ দৰে সুবিধাজনক নাছিল। তথাপিও তেওঁ সকলো কষ্ট আওকাণ কৰি The North East Times, দৈনিক অসম আদি বাতৰি কাকতৰ নিয়মীয়া সাংবাদিক আছিল তথা The Assam Tribune, সাপ্তাহিক মঙ্গল বাতৰি আদি বাতৰি কাকত ও আলোচনী আদিত লিখা মেলা কৰিছিল।

মাতৃ জোনাকীৰ আৰ্শীবাদেৰে পুষ্ট বুকুৰ প্ৰদীপ আছিল তেতিয়াৰ মঙলদৈৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ১৯৬৩-৬৪ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদক (মহাবিদ্যালয়ৰ পঞ্চমজন আলোচনী সম্পাদক)। এই মহান প্ৰাক্তন সম্পাদক তুৰাৰাম ডেকাৰ দ্বিতীয় কন্যা মইও আছিলোঁ (লিখক) একেখন মহাবিদ্যালয়ৰে ১৯৯১-৯২ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদিকা।

এদিন সময়ৰ সোঁতত ২০১১ চনৰ ৫ জুলাইত জোনাকীৰ এই প্ৰদীপ গছি নুমাই গ'ল। কিন্তু জোনাকীৰ বুকুত থকা সপোনবোৰ বাস্তৱত ৰূপায়িত কৰা তেওঁৰ পুত্ৰৰ আদৰ্শ আৰু সমাজলৈ আগবঢ়োৱা অৱদান আজিও প্ৰৱাহিত হৈ আছে আৰু প্ৰৱাহিত হৈ থাকিব। সেয়েহে কোৱা হয় —

"মাতৃ দেৱো ভৱ
পিতৃ দেৱো ভৱ
আচাৰ্য দেৱো"

এই লিখনিৰ জৰিয়তে মই মহিয়সী জোনাকীৰ দৰে মাতৃ (আইতা), পিতৃ তুৰাৰাম ডেকাৰ আৰু মহাবিদ্যালয়খনৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী বৰ্গলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। ■■




# ভাৰতীয় ডাক ব্যৱস্থা

## এক সংক্ষিপ্ত বিৱৰণ

**ভূপেন হালৈ**
অধ্যাপক, দৰ্শন বিভাগ

কিছুদিন আগতে নমস্য কণ্ঠশিল্পী খগেন মহন্তৰ কণ্ঠত 'পাৰৰ পাখিত গাঁঠি দিলো, ফুলাম চিঠিখনি; জনাওঁ বুলি জগতখনক বিহুৰ ওলগনি...' গীতটো শুনি আছিলো। গীতটো শুনি থাকোতে ইয়াত সন্নিৱিষ্ট 'চিঠি' আৰু ডাকোৱাল ৰূপী 'পাৰ' শব্দ দুটাই ডাক ব্যৱস্থা— বিশেষকৈ ভাৰতীয় ডাকসেৱা সম্পৰ্কে কিছু কথা নতুনকৈ জানিবলৈ মন যায়। সেয়েহে ডাক বিভাগৰ লগত সংগতি থকা তথ্যপাতি সংগ্ৰহ তথা অধ্যয়ন কৰি বিষয়টো বৰ্ণনা কৰিব যত্ন কৰা হ'ব। আমি সকলোৱে জানো যে বৰ্তমান অৱস্থাত আধুনিক পদ্ধতিৰ প্ৰয়োগ আৰু প্ৰযুক্তিগত বিকাশে ডাক বিভাগৰ যে আমূল পৰিৱৰ্তন আনিছে সেইটো নিশ্চিত। অৱশ্যে বৰ্তমানৰ তুলনাত ভাৰতীয় ডাক বিভাগৰ পূৰ্বৰ ব্যৱস্থা স্বাধীনতাৰ আগৰ আৰু স্বাধীনতাৰ পাছৰ, কেনে আছিল সেইটো আমাৰ এই নিবন্ধত চাবলৈ যত্ন কৰা হ'ব।

সৰ্বজন বিদিত এই যে স্বাধীন ভাৰতৰ চৰকাৰী বিভাগসমূহৰ ভিতৰত 'ডাক বিভাগ' এটা অন্যতম বিভাগ। তথাপি আন বিভাগৰ তুলনাত বিশেষকৈ গৃহ, স্বাস্থ্য, শিক্ষা আদিৰ তুলনাত ডাক বিভাগ সম্পৰ্কে আমি অধিক সচেতন নহয়। এই বিভাগটোৰ বিষয়ে বিশেষ আলোচনাও দেখা নাযায়। সেইবাবেই আমি এই বিভাগটোৰ এটা আভাস ল'বলৈ যত্ন কৰিম। আচলতে যিকোনো ৰাষ্ট্ৰৰে উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত ডাক সেৱাৰ অৰিহণা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। উন্নত ডাক সেৱা অবিহনে দেশৰ অগ্ৰগতি সম্ভৱ নহয়।




'ডাক' শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Post'। "Post" শব্দৰ অৰ্থ হ'ল — "the official system used for sending and delivering letter, packages etc (Oxford advaned learner's dictionary)। অৰ্থাৎ চিঠি-পত্ৰ বা সংবাদ অথবা কোনো বস্তু গন্তব্য স্থানলৈ প্ৰেৰণ বা নিৰ্দিষ্ট ঠিকনাত উপলব্ধ কৰোৱাটো নিশ্চিত কৰাৰ আনুষ্ঠানিক তথা বিধিগত প্ৰক্ৰিয়া। গতিকে শব্দগত অৰ্থৰ ফালৰ পৰা এইটো স্পষ্ট হয় যে, ডাকসেৱা যোগাযোগ ব্যৱস্থাৰ এক অৱলম্বন। যথোপযুক্ত যোগাযোগ ব্যৱস্থা অবিহনে এখন ৰাষ্ট্ৰৰ প্ৰগতি আশা কৰিব নোৱাৰি। ভাৰতীয় ডাকসেৱাৰ ভূমিকাও দেশৰ বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ।

বৰ্তমান তথ্য-প্ৰযুক্তিৰ অনেক অগ্ৰগতি হৈছে। আজিৰ দিনত যিকোনো এটা খবৰ চেকেণ্ডৰ ভিতৰতে নিৰ্দিষ্ট স্থানলৈ প্ৰেৰণ কৰিব পাৰি। কিন্তু কেইদিনমানৰ ভিতৰতে এনে এটা স্তৰলৈ প্ৰগতি হোৱা নাই; যুগ যুগৰ পৰাই চলি অহা বিকাশৰ পৰিণতিত আজিৰ অৱস্থা পাইছে। সেয়েহে ডাক ব্যৱস্থাৰ অতীত অৱলোকনৰ প্ৰয়োজন আছে। স্বাধীনতা লাভৰ পূৰ্বে ভাৰতবৰ্ষত ব্ৰিটিছ ৰাজ চলিছিল। ব্ৰিটিছ শাসনৰ পূৰ্বে ভাৰতত ডাকসেৱা সংগঠিত ৰূপত নাছিল। পৃথক পৃথক মালিকৰ অধীনত ই সিঁচৰতি হৈ আছিল। ব্ৰিটিছসকলে প্ৰথমে এই সেৱাক সংগঠিত ৰূপ দিবলৈ পদক্ষেপ গ্ৰহণ কৰে। ফলস্বৰূপে ভাৰতীয় ডাকসেৱাই নতুন ৰূপ লাভ কৰে আৰু তেতিয়াৰে পৰা ক্ৰমান্বয়ে ই বিকশিত হ'বলৈ ধৰে।

ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৬০০ চনত ব্যৱসায় সূত্ৰে ভাৰতত পদাৰ্পণ কৰে। এই ব্ৰিটিছসকলেই সময়ত সমগ্ৰ ভাৰতবৰ্ষ নিজৰ অধীনলৈ নিয়ে। যোগাযোগৰ মাধ্যম ৰূপে, ব্ৰিটিছসকলেও আৰম্ভণিতে পূৰ্বৰে পৰা চলি অহা পদ্ধতিৰেই ভাৰতত ডাকসেৱা আগবঢ়াই নিছিল। ব্ৰিটিছ শাসন চলাৰ পূৰ্বে ভাৰতবৰ্ষত ব্যক্তিগত খণ্ডৰ ডাক ব্যৱস্থা আছিল। স্বাভাৱিকতে দুখীয়া পৰিয়ালৰ, বেগাই খোজ কাঢ়িব পৰা, কিছুমান লোকৰ সহযোগত এই ব্যক্তিগত ডাকসেৱাবোৰ চলিছিল। ইয়াৰ ভিতৰত 'অৰধ ডাক' সেৱা (লক্ষ্ণৌ), 'নিজামত ডাক' সেৱা (বংগ), 'অঞ্চল ডাক' সেৱা ইত্যাদি।

যেতিয়া ব্যৱসায়ৰ লগতে ব্ৰিটিছ সাম্ৰাজ্য ভাৰতবৰ্ষৰ প্ৰায় সকলো স্থানলৈ সম্প্ৰসাৰিত হয়, তেতিয়া পূৰ্ব প্ৰচলিত ব্যৱস্থাতকৈ অধিক উন্নত ডাক ব্যৱস্থাৰ প্ৰয়োজন অনুভৱ কৰে ব্ৰিটিছসকলে। পৰিণাম স্বৰূপে তেওঁলোকে নিজস্ব ধৰণে ডাকসেৱা আৰম্ভ কৰে। ১৬৮৮ চনত প্ৰথমবাৰৰ বাবে তেওঁলোকে নিজাববীয়াকৈ ব'ম্বেত এটা ডাক কাৰ্যালয় স্থাপন কৰে। কিন্তু এই কাৰ্যালয়ৰ পৰা আগবঢ়োৱা সেৱা চৰকাৰৰ কাম অনুপাতে সীমিত পৰিগণিত হয়। সেয়েহে ১৭২৭ চনত কলিকতাত আন এটা কাৰ্যালয় স্থাপন কৰা হয়। অৱশ্যে এই কাৰ্যালয় দুটাৰ পৰা আগবঢ়োৱা সেৱা সাধাৰণ জনতাৰ বাবে মুকলি নাছিল। ব্ৰিটিছ চৰকাৰে

প্ৰতিষ্ঠা কৰা এই ডাক ব্যৱস্থাৰ আধাৰতে, পৰৱৰ্তী সময়ত, ভাৰতীয় ডাকসেৱা প্ৰসাৰিত হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত সাধাৰণ মানুহৰ প্ৰতি লক্ষ্য ৰাখি যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰিবলৈ, ডাক ব্যৱস্থাৰ গঢ় দিয়া হয়। স্বাধীন ভাৰতে শৃংখলিত আৰু পৰিকল্পিতভাৱে বিকাশ আৰু বিৱৰ্তনৰ মাজেৰে ডাকসেৱাক নতুন ৰূপত প্ৰতিষ্ঠা কৰে। সেয়ে ই ৰাষ্ট্ৰ নিৰ্মাণ কাৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

বৰ্তমান ডাক বিভাগটো কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰে। অৱশ্যে ব্ৰিটিছ শাসকৰ দিনতে এনে কাৰ্যৰ সূচনা হৈছিল। ব্ৰিটিছৰাজ চলি থকা সময়ত প্ৰথমাৱস্থাত প্ৰায় ৬৫২ জন ৰজাই নিজ নিজ ৰাজ্যত পৃথক পৃথক নিয়মত ডাকসেৱা আগবঢ়াইছিল। ব্ৰিটিছ শাসকে ১৮৫৪ চনত এই পৃথক পৰিচালনাৰ অৱসান ঘটাই এক সাৰ্বজনীন ব্যৱস্থাৰে ডাকসেৱাক চলোৱাৰ ব্যৱস্থা কৰে। দেশে স্বাধীনতা লাভ কৰাৰ পাছতো ডাক বিভাগৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাততে থাকে। কাৰণ স্বাধীনতাৰ পাছত ভি.টি. কৃষ্ণস্বামীৰ অধ্যক্ষতাত Indian State Finance inquiry committee গঠন হয়। এই সমিতিৰ প্ৰতিবেদনত ডাক বিভাগক কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰাখিব লাগে বুলি পৰামৰ্শ কৰা হৈছিল। সেই পৰামৰ্শ অনুসৰি ১ এপ্ৰিল ১৯৫০ চনত ডাক বিভাগ কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণলৈ যায়। চৰকাৰে সৰ্বসাধাৰণ মানুহৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ সকলো ব্যক্তিলৈ ডাকসেৱা আগবঢ়াবলৈ উন্নত পদ্ধতিৰ ব্যৱস্থা কৰে। ইয়াৰ পৰিণতি স্বৰূপে ভাৰতীয় ডাক ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হয়।

আৰম্ভণিৰে পৰা বৰ্তমানলৈ ডাক বিভাগৰ অনেক পৰিৱৰ্তন হোৱাৰ উপৰিও বিভাগটোৰ সেৱা বিভিন্ন দিশলৈ সম্প্ৰসাৰিত হৈছে। বৰ্তমান এই বিভাগটোৱে প্ৰায় ৩৮ (আঠত্ৰিছ)টা সেৱা আগবঢ়াই আছে। সাধাৰণ চিঠি-পত্ৰ আদান-প্ৰদানৰ উপৰিও, বেংক ব্যৱস্থা, ৰেলৰ টিকট সংৰক্ষণ, আধাৰ পৰিচয় পত্ৰৰ ব্যৱস্থা, পি.এল.আই সেৱা, মাণিঅৰ্ডাৰ, বস্তুৰ বীমা, পোষ্টেল অৰ্ডাৰ, পাৰ্চেল বুক, পাচপ'ৰ্টৰ ব্যৱস্থা, ৰেভিনিউ ষ্টাম্প বিক্ৰী আদি অন্যতম। ডাক বিভাগৰ এই সেৱাবিলাক সকলো মানুহলৈ প্ৰসাৰিত কৰিবলৈ বিভাগে ডাক কাৰ্যালয়ৰ পৰিমাণো বৃদ্ধি কৰিছে। আমাৰ দেশত বৰ্তমান প্ৰায় এক লাখ পচপন্ন হাজাৰ (১,৫৫,০০০) ডাকঘৰ আছে। কিন্তু ভাৰত-পাকিস্তান বিভাজনৰ সময়ত বা ভাৰত স্বাধীন হোৱাৰ সময়ত ইয়াৰ সংখ্যা আছিল মাত্ৰ ২৩,৩৪৪ টা। একেদৰে বিষয়া-কৰ্মচাৰীৰ সংখ্যাও প্ৰায় ছয় লাখলৈ বৃদ্ধি পায়। ডাক বিভাগে নিয়াৰিকৈ সেৱা আগবঢ়াবলৈ ভিন্ ভিন্ ডাক কাৰ্যালয় প্ৰতিষ্ঠা কৰে। যেনে—মুখ্য ডাকঘৰ (Head Post Office–HPO), শাখা ডাকঘৰ (Sub-Post Office-SPO), অতিৰিক্ত (নিৰ্ভৰশীল) শাখা ডাকঘৰ (Additional dependent sub-post office) ইত্যাদি। মন কৰিবলগীয়া এই যে ভাৰতবৰ্ষত প্ৰায় ১৭৮ টা নৈশ ডাকঘৰৰ ব্যৱস্থাও আছে। এক সমীক্ষা অনুসৰি জানিব পৰা গৈছে যে দেশত বৰ্তমান ২.৬০ কিলোমিটাৰৰ কম ব্যৱধানত একোটা ডাকঘৰ আছে।

ভাৰতবৰ্ষ এখন বৃহৎ দেশ। ইয়াত সাগৰ, পাহাৰ, মৰুভূমি আদি সকলো আছে। জলবায়ুৰ ব্যৱধানো ইয়াত অতি তাৎপৰ্যপূৰ্ণ। এফালে লাডাখ এলেকাত মাইনাচ দহ ডিগ্ৰী ছেলচিয়াছ তাপমাত্ৰা, আনফালে ৰাজস্থানৰ মৰুভূমি এলেকাত পঞ্চলিছ ডিগ্ৰী ছেলচিয়াছ। এই সকলোবোৰ দিশ লক্ষ্য ৰাখি ডাক বিভাগে বিভিন্ন কৌশলেৰে জনসাধাৰণলৈ সেৱা আগবঢ়ায়। আচলতে বিভিন্ন ঠাইত ভৌগোলিক অৱস্থান আৰু পৃথক জলবায়ুৰ প্ৰতি লক্ষ্য ৰাখি ডাক বিভাগে ডাকসেৱাৰ বিকাশ সাধন কৰে, প্ৰয়োজনীয় তথা উপযোগী উপাদানৰ সহায়ত। ডাক বিভাগৰ মূল উদ্দেশ্য হ'ল দেশৰ প্ৰতিজন ব্যক্তিলৈ ডাকসেৱা সম্প্ৰসাৰিত কৰা। সেয়েহে ডাক বিভাগে বেলেগ বেলেগ স্থানত প্ৰয়োজনীয়তা অনুসৰি পৃথক বৈশিষ্টযুক্ত বেলেগ বেলেগ ধৰণৰ ডাকঘৰ প্ৰতিষ্ঠা কৰে। এইবিলাকৰ ভিতৰত ভিটাষ্টা (Vitasta), ফিৰডুচ (Firdous) আৰু উষা (Usha) অন্যতম। এই তিনিপ্ৰকাৰ ডাকঘৰ স্বাভাৱিক অৱস্থাত আৰু সাধাৰণ স্থানত প্ৰতিষ্ঠা কৰা নহয়। এইবোৰ গঠন কৰা হয় নৌকাগৃহ বা চিকাৰাত (Houseboat or Shikara)। এনে ডাকঘৰ গঠন কৰা হয় বিশেষকৈ কাশ্মীৰত।

কাশ্মীৰক পৃথিৱীৰ স্বৰ্গ ৰূপে পৰিগণিত কৰা হৈছে। সেইবাবেই পৃথিৱীৰ বিভিন্ন দেশৰ পৰা এই ভূ-স্বৰ্গ দৰ্শন কৰিবলৈ অনেক ভ্ৰমণকাৰী আহে। কিন্তু ডাকসেৱাৰ সুবিধা অবিহনে ভ্ৰমণকাৰীসকল অসুবিধাত পৰিব বুলি অনুভৱ কৰি ডাক বিভাগে ১৯৫৩ চনৰ পহিলা অক্টোবৰৰ পৰা এক শ্ৰেণীৰ ভ্ৰাম্যমান তথা গতিশীল ডাকঘৰ নদীৰ ওপৰত গঠন কৰে। এনে ডাকঘৰকে ভিটাষ্টা বোলে। অৱশ্যে এই ধৰণৰ ডাকঘৰ কেৱল ভ্ৰমণাৰ্থীসকলৰ বাবে গঠন কৰা

হৈছিল। ইয়াৰ উপৰিও ১৯৫৪ চনৰ ৬ এপ্ৰিলৰ পৰা আন একশ্ৰেণী ডাকঘৰ মুকলি কৰা হয়, কাশ্মীৰৰ ডাল আৰু নাগিন হ্ৰদৰ ওপৰত। এই ডাকঘৰবিলাকো গঠন কৰা হয় নৌকাগৃহত। ইয়াক চিকাৰা বুলি কোৱা হয়।

পৃথিৱীৰ সকলো স্থানৰে সনাতনী হিন্দুধৰ্মত বিশ্বাসী লোকসকলৰ বাবে অমৰনাথ অতি উত্তম তীৰ্থস্থান। এই তীৰ্থস্থান দৰ্শনৰ বাবে বহু ভক্ত বছৰৰ এটা সময়ত কাশ্মীৰত একগোট হয়। এই ভক্তসকলক ডাকসেৱা উপলব্ধ কৰাবলৈ ১৯৬৪ চনৰ পৰা এক শ্ৰেণীৰ ডাকঘৰৰ ব্যৱস্থা কৰে ভাৰত চৰকাৰে। ইয়াক পোনি ডাকঘৰ বোলে। এই ব্যৱস্থাত ঘোঁৰাৰ ওপৰতে ডাকঘৰৰ ব্যৱস্থা কৰি ভক্তসকলক সকলো ডাকসেৱা উপলব্ধ কৰোৱা হয়। অৱশ্যে এনে ডাকঘৰো অস্থায়ী।

ভাৰতবৰ্ষৰ সকলো স্থানৰ পৰিৱেশ একে নহয়। কাশ্মীৰৰ দৰে পাহাৰী এলেকা হ'লেও দাৰ্জিলিঙৰ পাৰিপাৰ্শ্বিকতা এনে নহয়। দাৰ্জিলিঙৰ পৰ্বতৰ ওপৰত থকা গাঁওবোৰত ডাকসেৱাৰ সুবিধা প্ৰথমে নাছিল। তাত বাস কৰা মানুহখিনিক ডাকসেৱা আগবঢ়াবলৈ চৰকাৰে ১৯৭৮ চনত 'খচ্চৰ ডাকঘৰ' নামেৰে এক শ্ৰেণীৰ ডাকঘৰ গঠন কৰে। এই ব্যৱস্থাত এটা খচ্চৰৰ পিঠিত ডাক ব্যৱস্থাৰ সকলো আহিলা ৰাখি পৰ্বতৰ ওপৰত থকা লোকসকলক ডাকসেৱা আগবঢ়োৱা হয়।

ভাৰতীয় ডাক ব্যৱস্থাৰ আন এবিধ সেৱা উট ডাকঘৰ। ৰাজস্থানৰ মৰুভূমি অঞ্চলত থকা বহু সৰু সৰু গাঁও ডাকসেৱাৰ পৰা বহুদিন বঞ্চিত হৈ আছিল। এই বঞ্চিত মানুহখিনিক ডাকসেৱাৰ আওতালৈ আনিবলৈ চৰকাৰে ১৯৭৭ চনত বিকানেৰ জিলাত এটা 'উট ডাকঘৰ' প্ৰতিষ্ঠা কৰে। এনে ডাকঘৰত উটৰ পিঠিতে ডাকসেৱাৰ সকলো সাম্ভাব্য সুবিধা উপলব্ধ কৰা হয়।

বহুধা বিভক্ত এই ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থান তথা পৰিৱেশৰ ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে দেশৰ সকলো নাগৰিকলৈ ডাকসেৱা আগবঢ়াবলৈ ভিন্ ভিন্ সাধন ব্যৱহাৰ কৰিছিল। দেশৰ উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত হাত উজান দিয়াৰ উদ্দেশ্যে ডাক বিভাগে অহোপুৰুষাৰ্থ কৰিছিল। এই ক্ষেত্ৰত ডাক বিভাগে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন নোহোৱাকৈ থকা নাছিল। কাৰণ পৰ্বতৰ শিখৰত থকা মানুহজনৰ পৰা মৰুভূমিৰ মধ্যভাগত থকা জনলৈ, লাডাখৰ তীব্ৰ শীত অঞ্চলৰ পৰা তামিলনাডুৰ বা ৰাজস্থানৰ তীব্ৰ গৰম অঞ্চলত থকা জনলৈ ডাকসেৱা উপলব্ধ কৰাবলৈ প্ৰয়াস কৰা হৈছিল। এনে প্ৰচেষ্টাত প্ৰত্যাহ্বান নিশ্চয় থাকিব। তথাপি ভাৰতবৰ্ষৰ ডাক বিভাগৰ সেৱা বৰ্তমান পৃথিৱীৰ এক বৃহৎ আৰু ব্যাপক ডাকসেৱা। ভাৰতীয় ডাকসেৱা হ'ল দেশৰ জনগণৰ কল্যাণাৰ্থে উৎসৰ্গিত এক সেৱা। সেয়েহে ডাক সেৱাৰ প্ৰতি জনগণৰ অগাধ বিশ্বাস আৰু আস্থা পৰিলক্ষিত হয়। এইক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামে এটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। সেয়া হ'ল — "There are three pillars of strength of India post. Peoples faith in this organization, its network and human resource." ■■

(নিবন্ধটো যুগুত কৰোতে বাতৰি কাকত, গ্ৰন্থ আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে। গতিকে এই আটাইবোৰৰ ওচৰত নিবন্ধকাৰ ঋণী।)

# অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ

**ড° ৰূপজ্যোতি বৰুৱা**
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

চুটিগল্প আধুনিক সাহিত্যৰ এটা জনপ্ৰিয় অংগ। চুটিগল্পত মানৱ জীৱনৰ কোনো এক মুহূৰ্তৰ অবিস্মৰণীয় ঘটনা ৰূপায়িত হয়। *সাহিত্যৰ সকলোবোৰ বিশিষ্ট শিল্প প্ৰকৰণৰ ভিতৰত চুটিগল্পই নৱতম সৃষ্টি। চুটিগল্প ঊনবিংশ শতিকাৰ ফৰাচী প্ৰতিভাৰ দান।*[১] ঊনবিংশ শতিকাত পাশ্চাত্যৰ সাহিত্য জগতত এক নৱজাগৰণৰ সৃষ্টি হৈছিল। তাৰ ফলস্বৰূপে সাহিত্যৰ আন আন অংগৰ লগতে চুটিগল্পই জন্ম লাভ কৰিছিল।

চুটিগল্প আধুনিক যুগৰ সৃষ্টি হ'লেও মানৱ সমাজত কিন্তু গল্প কোৱা ৰীতি অতি প্ৰাচীন। হাবিয়ে-বননিয়ে, পৰ্বতে-পাহাৰে বসবাস কৰা আদিম মানৱে যেতিয়া প্ৰথমবাৰলৈ কথা ক'বলৈ শিকিছিল, সম্ভৱতঃ তেতিয়াই গল্প কোৱাৰ হাবিয়াস জন্মিছিল। হাবিতলীয়া মানুহে তেওঁলোকৰ খাদ্য সংগ্ৰহ বা চিকাৰৰ অভিজ্ঞতা আনৰ আগত ব্যক্ত কৰিবলৈ যোৱাৰ ফলতে একো একোটা গল্পৰ সৃষ্টি হৈছিল। আদিম সমাজৰ গল্পৰ লগত বৰ্তমানৰ চুটিগল্পৰ সাদৃশ্য নাই যদিও গল্প কোৱা আৰু শুনাৰ ধৰ্মটো সেই সময়ৰ সৃষ্টি। দিন বাগৰাৰ লগে লগে মানৱ সমাজ ক্ৰমান্বয়ে উন্নতিৰ পথত আগবাঢ়ে আৰু জীৱন ধাৰণৰ মানদণ্ডৰো পৰিৱৰ্তন ঘটে। সমাজ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ পৰিৱৰ্তনো অৱশ্যসম্ভাৱী। সেয়েহে সেই হাবিতলীয়া গল্পবোৰ প্ৰাচীনৰূপতে আৱদ্ধ নাথাকি ঊনবিংশ শতিকাত সাহিত্যৰ অন্য এক বিশিষ্ট অংগৰূপে প্ৰকাশ লাভ কৰে। *অৰ্থাৎ আদিম মৌখিক কাহিনীয়েই মানৱ সভ্যতাৰ বিবিধ স্তৰ অতিক্ৰম কৰি আহোঁতে ঊনবিংশ শতিকাত চুটিগল্পৰ স্তৰত উপনীত হ'লহি।*[২]

ফৰাচী সাহিত্যত চুটিগল্পই জন্মলাভ কৰাৰ সমসাময়িকভাৱে ৰুচিয়া আৰু আমেৰিকাতো চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ হয়। ইটালী, জাৰ্মানী, নৰৱে, ছুইডেনতো একে সময়তে চুটিগল্পৰ বিকাশ হ'বলৈ ধৰে। পৃথিৱীৰ ভিন ভিন দেশৰ ভিন ভিন লেখকৰ হাতত চুটিগল্পই ভিন ভিন বৈশিষ্ট্যৰে দেখা দিলে। এইবোৰৰ ভিতৰত প্ৰধান হ'ল লক্ষ্য আৰু ফলশ্ৰুতিৰ একময়তা, নাটকীয় আৰম্ভণি আৰু আকস্মিক পৰিণতি, ইঙ্গিতময়তা আৰু প্ৰতীকৰ ব্যৱহাৰ ইত্যাদি। বিষয়বস্তু, চৰিত্ৰ, কলাকৌশল, সামাজিক চিত্ৰ আদি চুটিগল্প নিৰ্মাণৰ উপাদান হিচাপে নিৰ্ণিত হ'ল। মানুহৰ বাস্তৱ জীৱনৰ সৰু-বৰ ঘটনা চুটিগল্পৰ বিষয়বস্তু হৈ পৰিল।

বিশ্বৰ আন আন দেশৰ দৰে ভাৰতবৰ্ষতো পলমকৈ হ'লেও চুটিগল্পৰ জন্ম আৰু বিকাশ হৈছিল। *অৱশ্যে গল্প সাহিত্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষ অতি প্ৰাচীনকালৰে পৰা চহকী। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ উপৰিও কথাসৰিৎসাগৰ, পঞ্চতন্ত্ৰ আৰু বৌদ্ধ জাতকমালাবোৰে গল্প সাহিত্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰাচীনত্বৰ প্ৰমাণ দিয়ে। এইবোৰৰ মাজতে চুটিগল্পৰ উৎস লুকাই আছে বুলি ভাবিবৰ থল থাকিলেও দৰাচলতে আধুনিক ভাৰতীয় চুটিগল্পই পাশ্চাত্য সাহিত্যৰ অনুপ্ৰেৰণাৰ ফলস্বৰূপেহে বিকাশ লাভ কৰিছে।*[৩]

ভাৰতবৰ্ষত ঊনবিংশ শতিকাৰ শেষৰফালে সাময়িক পত্ৰিকা আৰু আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হয়। *উৰিয়া সাহিত্যত ফকিৰ মোহন সেনাপতিৰ হাতত, বঙলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত, হিন্দী সাহিত্যত প্ৰেমচন্দৰ হাতত চুটিগল্পই জন্ম লাভ কৰে।*

*বিভিন্ন আলোচনীৰ পাতত এই লেখকসকলৰ গল্প প্ৰকাশ পায়।*[৪]

বঙলা সাহিত্যত *বংগ দৰ্শন*ৰ প্ৰথম বছৰতে বংকিম চন্দ্ৰৰ *ইন্দিৰা* আৰু *মধুমতী* প্ৰকাশ পায়। কিন্তু *ভাৰতী আলোচনীত প্ৰকাশ পোৱা ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভিখাৰিণী' নামৰ গল্পটোকহে বঙলা সাহিত্যৰ প্ৰথম সাৰ্থক চুটিগল্প বুলি ক'ব পাৰি।*[৫] উৰিষ্যাত ফকিৰ মোহন সেনাপতিয়ে ৰবীন্দ্ৰনাথ ঠাকুৰতকৈ আগতে চুটিগল্প ৰচনাত আত্মনিয়োগ কৰিছিল। তেওঁৰ প্ৰথম প্ৰকাশিত গল্প *'লছমনিয়া'। ১৯০০ চনত হিন্দী সাহিত্যত বিখ্যাত সৰস্বতী আলোচনী প্ৰকাশ পায়।*[৬] এই আলোচনীৰ পাততে কিশোৰী লাল গোস্বামীৰ *ইন্দুমতী* নামৰ গল্পটো প্ৰকাশ হয়। এই গল্পটোকে হিন্দী গল্প সাহিত্যৰ প্ৰথম গল্প বুলি অভিহিত কৰা হয়। *কিন্তু হিন্দী গল্প সাহিত্যৰ প্ৰকৃত বিকাশ হয় প্ৰেমচন্দৰ জৰিয়তে (১৮৮০-১৯৩৬)*[৭]। প্ৰেমচন্দেও *সৰস্বতী* আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰে। *সৰস্বতী* আলোচনীতে প্ৰেমচন্দৰ প্ৰথম হিন্দী ভাষাৰ গল্প *সৌত* প্ৰকাশ পায়। অসমীয়া ভাষাত ঊনবিংশ শতিকাৰ শেষ দশকত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত চুটিগল্পৰ জন্ম হয়।

**অসমীয়া সাহিত্যত চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ ঃ**

অসমীয়া সাহিত্যত চুটিগল্পৰ জন্ম হয় *জোনাকী* কাকতৰ পাতত। অসমীয়া গল্পৰ জন্ম আৰু বিকাশত বাতৰি কাকত আৰু আলোচনীৰ ভূমিকা উল্লেখযোগ্য। ১৮৪৬ চনত আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে শিৱসাগৰৰ *মিছন প্ৰেছ*ৰ পৰা অৰুনোদই প্ৰকাশ কৰিছিল। *অৰুনোদই* আলোচনীয়ে অসমীয়া সমাজ আৰু সাহিত্য জগতলৈ নতুন জ্ঞানৰ বতৰা কঢ়িয়াই আনিলে। অসমীয়া পৌৰাণিক সাহিত্যৰ সীমাবদ্ধতা আঁতৰাই জাতীয় বুৰঞ্জী, আধুনিক বিজ্ঞান, নৃতত্ত্ব আৰু নতুন চিন্তা ধাৰাৰ সৈতে অসমীয়া মানুহক চিনাকি কৰাই দিলে। *অৰুনোদই* আলোচনীতেই প্ৰথম চুটি কাহিনী *এলোকেশী বেশ্যাৰ বিষয়, কানি বেহেৰুৱাৰ কথা, যোছেফৰ কাহিনী, ফুলমণি আৰু কৰুণা, মাউৰী ছোৱালী, আফ্ৰিকাৰ কোঁৱৰ* আদি প্ৰকাশ পায়। এই আখ্যান আৰু সাধুকথাবোৰে অসমীয়া চুটিগল্পৰ প্ৰাক্‌মুহূৰ্তত উকমুকনিকে সূচাইছিল। *অৰুনোদই* আলোচনীৰ পিছতে গুণাভিৰাম বৰুৱা সম্পাদিত *আসামবন্ধু* আলোচনীৰ পাতত প্ৰকাশিত *বিবেক, প্ৰমিলা* আৰু *প্ৰকৃত লাজ কি* আদি ৰচনাৰ মাজেৰে অসমীয়া সাহিত্যত গল্প কোৱাৰ ৰীতি সূচনা হৈছিল। এনেদৰে এই দুখন আলোচনীৰ বুকুত অসমীয়া চুটিগল্পৰ বুনিয়াদ ৰচনা হৈছিল যদিও *প্ৰকৃত চুটিগল্প 'জোনাকী যুগত'হে আবিৰ্ভাৱ হয়। লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক।*[৮]

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম গল্প *সেউতী জোনাকী*ৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত (১৮৯২) প্ৰকাশ পায়। *ইয়াৰ পাছত বেজবৰুৱাই ১৮৯৪ চনত 'জোনাকী'ত 'ভদৰী', 'অনিদ্ৰা' বা 'স্বৰ্গাৰোহণ', 'ভেমপুৰীয়া মৌজাদাৰ', 'মিলাৰামৰ আত্মজীৱনী আৰু ১৮৯৭ ত 'চোৰ' গল্প লিখি ঊনবিংশ শতিকাৰ শেষ দশকত অসমীয়া চুটিগল্পক এক বিশিষ্ট ৰূপ দিয়ে। ১৯০১ চনত সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা প্ৰকাশিত 'জোনাকী'তো বেজবৰুৱাই 'আৰ্জি', 'চেনিচম্পা', 'কেহোঁকেকা', 'জয়ন্তী', 'পুত্ৰবান পিতা' আদি গল্প লিখি চুটিগল্পৰ জগতখন সমৃদ্ধ কৰে।*[৯]

**অসমীয়া চুটিগল্পৰ যুগ বিভাগ ঃ**

আধুনিক অসমীয়া চুটিগল্পৰ ইতিহাসক বেজবৰুৱাৰ সময়ৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈ চাৰিটা যুগত ভাগ কৰা হৈছে ঃ[১০]

**আদি যুগ বা জোনাকী যুগ ঃ** *জোনাকী* কাকতৰ জন্মৰ সময়ৰ পৰা *আৱাহন* কাকতৰ জন্মৰ সময়লৈ (১৮৮৯-১৯২৯) *জোনাকী যুগ* বা *আদিযুগ*।

**আৱাহন যুগ ঃ** *আৱাহন* কাকতৰ জন্মৰ সময়ৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈ (১৯২৯-১৯৪০) *আৱাহন যুগ*।

**যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ ঃ** দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ পৰা ১৯৭০ চনলৈ (১৯৪০-১৯৭০) এই সময়ছোৱা *যুদ্ধোত্তৰ যুগ* বা *ৰামধেনু যুগ*।

**সাম্প্ৰতিক যুগ ঃ** ১৯৭০ চনৰ পৰা বৰ্তমানলৈ *সাম্প্ৰতিক যুগ*।

**আদি যুগ বা জোনাকী যুগ ঃ**

ঊনবিংশ শতিকাৰ মাজভাগত কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰি থকা কেইজনমান অসমীয়া ছাত্ৰৰ আন্তৰিক আৰু আশাসুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে কলিকতাত *অসমীয়া ছাত্ৰৰ সাহিত্য সভা (১৮৭২)* গঠিত হৈছিল। ১৮৮৮ চনত এই সভাখনেই *অসমীয়া ভাষা উন্নতি সাধিনী সভা* ৰূপে আত্ম-প্ৰকাশ কৰে।



১৮৮৯ চনত এই সভাৰ মুখপত্ৰ ৰূপে *জোনাকী* কাকতৰ জন্ম হয়। *জোনাকী* কাকতৰ বুকুতেই আধুনিক অসমীয়া সাহিত্যৰ প্ৰায়বোৰ ঠালৰে জন্ম হয়। অসমীয়া চুটিগল্পৰো জন্ম হয় *জোনাকী* কাকতৰ পাতত। জোনাকী যুগৰ চুটিগল্পৰ পৰিপুষ্টিত *জোনাকী* কাকতৰ উপৰিও আৰু অসংখ্য অসমীয়া কাকত-আলোচনীয়ে অৰিহণা যোগাইছিল। ঊনবিংশ শতিকাৰ শেষ ভাগত ১৮৮৯ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা *জোনাকী* কাকত প্ৰকাশ হয়। *'জোনাকী' প্ৰকাশৰ মাত্ৰ এবছৰ পিছতে কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ গোহাঞি বৰুৱা আৰু বেনুধৰ ৰাজখোৱাৰ দ্বাৰা সম্পাদিত 'বিজুলী' (১৮৯০-৯২), পদ্মনাথ গোহাঞি বৰুৱাৰ 'ঊষা' (১৯০৭-১৬), লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' (১৯০৯-৩০), প্ৰসন্ন কুমাৰ বৰুৱা আৰু নীলমণি ফুকনৰ সম্পাদিত 'আলোচনী' (১৯১০-১৭), অম্বিকাগিৰী ৰায়চৌধুৰী সম্পাদিত 'চেতনা' (১৯১৫-২৬), গৰ্গৰাম চৌধুৰী, ডিম্বেশ্বৰ নেওগ আৰু বিনন্দ চন্দ্ৰ বৰুৱা সম্পাদিত অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন' (১৯২৩), অসম মুছলমান ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'সাধনা' (১৯২৪), মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্যৰ 'অসম হিতৈষী' (১৯২৫) আদি আলোচনীয়ে অসমীয়া সাহিত্যত ৰোমাণ্টিক ঢল শক্তিশালী কৰি তোলাত অভূতপূৰ্ব অৰিহণা আগবঢ়াইছিল।* [১১] উল্লিখিত আলোচনীসমূহৰ যোগেদিয়ে অসমীয়া চুটিগল্পৰ আদি যুগটোৰ ভেটি ৰচনা হয়। *প্ৰায় তিনিটা দশক জোৰা এই যুগটোৰ গুৰি ধৰোঁতা গৰাকী হ'ল লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাই পোন প্ৰথমে অসমীয়া সাধুকথাবোৰৰ পুনৰ মূল্যায়ন কৰে আৰু এই সাধুকথাবোৰত আউজি লৈ আধুনিক চুটিগল্পৰ জন্ম দিয়ে। বেজবৰুৱাৰ প্ৰথম গল্পপুথি সুৰভি প্ৰকাশ পায় ১৯০৯ চনত। তাৰ পাছত ক্ৰমান্বয়ে সাধুকথাৰ কুঁকি (১৯১০), জোনবিৰি (১৯১৩) আৰু কেহোঁকলি' (১৯৬৮) প্ৰকাশ পায়।* [১২]

বেজবৰুৱাৰ সকলোবোৰ গল্প একে পৰ্যায়ৰ নহয়। তেওঁৰ অধিকাংশ গল্প সমসাময়িক অসমীয়া সমাজৰ আধাৰত ৰচিত। অৱশ্যে উৰিষ্যাৰ সম্বলপুৰ আৰু কলিকতাৰ সমাজক লৈয়ো তেওঁ গল্প ৰচনা কৰিছে। বেজবৰুৱাৰ এই গল্পসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগৰ গল্পসমূহত প্ৰকাশ পাইছে তেওঁৰ সমাজ সংস্কাৰক মনটো। এই গল্পসমূহৰ মাজেৰে তেওঁ অসমীয়া সমাজৰ কিছুমান লোকৰ নীচতা, হীনতা, অহংকাৰ, ভণ্ডামী আদিক ব্যঙ্গ কৰিছে। বেজবৰুৱাৰ আনটো ভাগৰ গল্পত প্ৰকাশ পাইছে গভীৰ মানৱতাবোধ। এই গল্পবোৰত তেওঁ মানুহৰ সুখ-দুখ, আনন্দ-অশ্ৰু আদি আৱেগ অনুভূতিবোৰক সহানুভূতিশীল অন্তৰেৰে অতি সংবেদনশীলতাৰে অংকণ কৰিছে।

*জোনাকী* যুগৰ চুটিগল্প ৰচনাৰ ক্ষেত্ৰখনত বেজবৰুৱাৰ পিছতে নাম ল'ব লাগিব শৰৎ চন্দ্ৰ গোস্বামীৰ। বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ হাততে অসমীয়া চুটিগল্পৰ বিকাশ সাধন হয়। শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পপুথি সমূহ হ'ল *ময়না* (১৯২০), *বাজীকৰ* (১৯৩০), *গল্পাঞ্জলী* (১৯৪৪) আৰু *পৰিদৰ্শন* (১৯৫৬)।

*শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পত হাস্যৰস নাইবা ব্যঙ্গ ভাৱৰ প্ৰাধান্য নাই যদিও সুখ-দুখ, আশা-নিৰাশাৰে মিহলি গাঁৱলীয়া সমাজৰ বিভিন্ন চিত্ৰ ফুটি ওলাইছে। বেজবৰুৱাৰ দৰে গোস্বামীৰ গল্পতো পৰ্যবেক্ষণশীলতা, ৰচনা-ৰীতিৰ সৌষ্ঠৱ আৰু সৌন্দৰ্যবোধ মন কৰিবলগীয়া।*[১৩]

অসমীয়া চুটিগল্পৰ *জোনাকী* যুগৰ আন তিনিগৰাকী গল্পলেখক হ'ল নকুল চন্দ্ৰ ভূএগ্ৰা, দণ্ডিনাথ কলিতা আৰু সূৰ্যকুমাৰ ভূএগ্ৰা। এই তিনিগৰাকী গল্পকাৰে সেই সময়তে আত্মপ্ৰকাশ কৰিলেও প্ৰতিষ্ঠা লাভ কৰিব পৰা নাছিল, কিন্তু এওঁলোকৰ গল্পই সেই সময়ৰ অসমীয়া চুটিগল্পৰ প্ৰৱাহক গতি প্ৰদান কৰাত অৰিহণা যোগাইছিল। লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত আৰু মহিচন্দ্ৰ ভূএগ্ৰায়ো *জোনাকী যুগতে* গল্পকাৰ ৰূপে আত্মপ্ৰকাশ কৰিলেও পৰৱৰ্তী *আৱাহন যুগতহে* বিশিষ্ট গল্পকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। নকুল চন্দ্ৰ ভূএগ্ৰাই *বাঁহী, চেতনা* আদি আলোচনীত গল্প লিখিছিল। ভূএগ্ৰাৰ গল্পপুথি *চোৰাংচোৰা* আৰু *গল্পৰ শৰাই*। ভূএগ্ৰাই *ৰামধেনু যুগৰ* আৰম্ভণিতো গল্প লিখিছিল। *অসমীয়া চুটিগল্পৰ ইতিহাসৰ গতি প্ৰখৰ কৰা অথবা অসমীয়া চুটিগল্পক মহিমোজ্জ্বল কৰি তোলাত ভূএগ্ৰাৰ বৰঙণি বিশেষ নাই। কিন্তু জোনাকী যুগৰ পৰা আৱাহন যুগৰ শেষলৈকে নিৰৱচ্ছিন্নভাৱে গল্প ৰচনা কৰি যি ত্যাগ আৰু নিষ্ঠা প্ৰদৰ্শন কৰিলে, তাৰ স্বীকৃতি স্বৰূপেই নকুলচন্দ্ৰ ভূএগ্ৰা অসমীয়া সাহিত্যৰ ইতিহাসত স্মৰণীয় হৈ থাকিব।*[১৪]

দণ্ডিনাথ কলিতা শৰৎ চন্দ্ৰ গোস্বামীৰ সমসাময়িক লেখক। তেওঁৰ ৰচিত গল্পপুথি *সাতসৰী*। দণ্ডিনাথ কলিতাৰ গল্পৰ বিষয়বস্তু আৰু বক্তব্য সৰল, গতানুগতিক আৰু পোনপটীয়া। সমাজত প্ৰচলিত কু-সংস্কাৰ, অৰ্থনৈতিক বৈষম্য, বিধৱা বিবাহ আদি সমস্যাবোৰক লৈ তেওঁ গল্প ৰচনা কৰিছিল। কলিতাৰ চুটিগল্পত প্ৰয়োজনীয় কলা-কৌশলৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে তেওঁৰ গল্পবোৰ ৰসাল নহৈ প্ৰচাৰধৰ্মী ৰচনা যেনহে হৈ পৰিল। এনেবোৰ দোষ-ত্ৰুটি থাকিলেও *জোনাকী যুগৰ* চুটিগল্পৰ ধাৰাটোক প্ৰবাহিত কৰি ৰখাত দণ্ডিনাথ কলিতাৰ ভূমিকা স্মৰণীয় হৈ থাকিব।

*জোনাকী* যুগৰ গল্প লেখকসকলৰ ভিতৰত সূৰ্যকুমাৰ ভূএগ্ৰাৰ নামো উল্লেখযোগ্য। তেওঁৰ একমাত্ৰ গল্পপুথি *পঞ্চমী*। সংখ্যাত কম যদিও সূৰ্য কুমাৰ ভূএগ্ৰাৰ গল্পত নৰ-নাৰীৰ প্ৰেমানুভূতিৰ প্ৰকাশ আকৰ্ষণীয় হৈ ধৰা দিছে।

**আৱাহন যুগ (১৯২৯-১৯৪০) ঃ**

অসমীয়া চুটিগল্পৰ বিকাশৰ দ্বিতীয় স্তৰটোক *আৱাহন* যুগ বুলি নামকৰণ কৰা হৈছে। আধুনিক অসমীয়া সাহিত্যৰ তিনিওটা যুগৰ ভিতৰত *আৱাহন যুগতেই* অসমীয়া চুটিগল্প অধিক উন্নত আৰু সমৃদ্ধ হৈ উঠিছিল। এই যুগৰ চুটিগল্পই বিস্তাৰ লাভ কৰিবলৈ এটা শক্তিশালী পটভূমি পাইছিল। ১৯২৬ চনত কলিকতাৰ পৰা নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু দীননাথ শৰ্মাৰ সম্পাদনাত *আৱাহন* কাকত প্ৰকাশ হয়। এই কাকতখনৰ যোগেদি চুটিগল্পৰ যি অনুশীলন আৰু চৰ্চা হয়, সিয়েই এই যুগৰ চুটিগল্পক এটা নিটোল ৰূপ দিয়ে। এই সময়তে মাধৱ বেজবৰুৱা সম্পাদিত *বাঁহী* আৰু *জয়ন্তী* আলোচনীতো ভালেমান গল্প প্ৰকাশ পাইছিল। ইতিমধ্যে অসমৰ সমাজ জীৱনলৈ বহুতো পৰিৱৰ্তন আহি পৰে। ১৯০১ চনত কটন কলেজ স্থাপন হোৱাৰে পৰা ইংৰাজী শিক্ষাৰ ভালেখিনি বিস্তাৰ হয়। অসমৰ ন-শিক্ষিত শ্ৰেণীটোৱে বিশ্ববৰেণ্য গল্পকাৰ সকলৰ গল্পৰ প্ৰতি আকৃষ্ট হৈ সেই সকলৰ অনুকৰণত চুটিগল্প ৰচনা কৰিবলৈ ল'লে। মোপাছাঁ, চেকভ আৰু ফ্ৰয়েদৰ প্ৰভাৱত *আৱাহন যুগৰ* চুটিগল্প শক্তিশালী হৈ আহিল। *গল্পবোৰত নতুন শব্দ, নতুন ৰচনা-ৰীতি প্ৰয়োগ কৰাত ভাষাও আগতকৈ বেছি সমৃদ্ধিশালী হৈ পৰিছে। এই সময়ৰ লেখকসকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, মহিচন্দ্ৰ বৰা, হলিৰাম ডেকা, ৰাধিকা মোহন গোস্বামী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাশ, বীণা বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, ইন্দীবৰ গগৈ, দীননাথ শৰ্মা, কৃষ্ণ ভূএগ্ৰা, গোবিনচন্দ্ৰ পৈৰা আদিৰ নাম উল্লেখযোগ্য।*[১৫]

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু মহিচন্দ্ৰ বৰা *আৱাহন যুগৰ* দুগৰাকী বিশিষ্ট গল্পকাৰ। এওঁলোকৰ গল্পত সামাজিক দায়বদ্ধতাৰ অনুভৱ লক্ষ্য কৰিব পাৰি।

*চৌধুৰীৰ গল্পত প্ৰকাশ পাইছে সমাজৰ পৰম্পৰাগত নৈতিক মূল্যবোধৰ ওপৰত গুৰুত্ব আৰু বৰাৰ গল্পত প্ৰকাশ পাইছে সমাজৰ অন্যায়-অবিচাৰৰ প্ৰতি সচেতনতা। মানুহৰ সুখ-দুখৰ চিত্ৰ চৌধুৰীয়ে অতি উদাৰ মনেৰে দাঙি ধৰিছে। আনহাতে, বৰাই সমাজৰ অশুভ শক্তিবোৰক তীব্ৰ ব্যঙ্গবাণেৰে আঘাত কৰিছে।*[১৬]

হলিৰাম ডেকা *আৱাহনৰ* আন এগৰাকী বিশিষ্ট গল্পকাৰ। তেওঁৰ গল্পৰ কাৰিকৰী কৌশল অগ্ৰজ সকলোতকৈ উন্নত। বুদ্ধিদীপ্ত হাস্যৰস আৰু মৃদুব্যঙ্গ তেওঁৰ গল্পৰ বৈশিষ্ট্য। তেওঁৰ গল্পত মোপাছাঁ আৰু চেকভৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। তেওঁৰ গল্পতে প্ৰথমবাৰৰ বাবে এক ব্যক্তিগত জীৱনৰ উত্তাপ অনুভৱ কৰা যায়। ৰাধিকামোহন গোস্বামী *আৱাহন যুগৰ* এগৰাকী ব্যতিক্ৰমী গল্প লেখক আছিল। তেওঁৰ গল্পৰ সংখ্যা কম। নিজৰ বক্তব্যক তেওঁ পৰোক্ষ প্ৰকাশভঙ্গীৰ কৌশলেৰে ব্যক্ত কৰিছিল। তেওঁৰ গল্পই পাঠকক জীৱনৰ সত্যানুসন্ধান আৰু আত্মজীৱন দৰ্শন কৰাৰ সুযোগ দিছিল।

*আৱাহন* যুগৰ আন দুগৰাকী বিশিষ্ট গল্পকাৰ লক্ষ্মীধৰ শৰ্মা আৰু ৰমা দাশ। এওঁলোকে ভিন্ন স্বাদৰ গল্প ৰচনাৰে অসমীয়া চুটিগল্পক এক নতুন আয়তন দান কৰে। যি সময়ত যৌন প্ৰবৃত্তিৰ মুকলিমূৰীয়া আলাপ-আলোচনাই সাহিত্যৰ সুচিতা নষ্ট কৰিব বুলি এচাম লেখকে এই সমস্যাৰ পৰা আঁতৰে আঁতৰে ফুৰিছিল; সেই সময়ত এই দুয়োগৰাকী লেখকে এই সমস্যাৰ ওপৰত সাহসেৰে পোহৰ পেলাবলৈ সক্ষম হৈছিল।

*আৱাহন* যুগৰ গল্পকাৰসকলৰ ভিতৰত বীণা বৰুৱাৰ গল্পৰ এখন সুকীয়া আসন আছে। তেওঁৰ দুখন গল্প সংকলন হ'ল *পট পৰিৱৰ্তন* আৰু *আঘোণী বাই*। *গল্পকাৰে সমকালীন সমাজৰ সাংস্কৃতিক, শৈক্ষিক আৰু বৌদ্ধিক পটভূমিত ভিন্ ভিন্ শ্ৰেণীৰ মানুহৰ জীৱনধাৰাই কেনে ৰূপ লয় অথবা ল'ব পাৰে, তাৰ ব্যাখ্যা কৰি দেখুৱাই চৰিত্ৰৰ চিন্তা-ভাৱনা আৰু দ্বন্দ্বৰ মাজেদি। এনে বিশ্লেষণৰ মাজেদিয়ে বীণা বৰুৱাই লেখক হিচাপে তেওঁৰ বক্তব্য প্ৰকাশ কৰে। এইখিনিতে সৃষ্টিশীল লেখক হিচাপে বীণা বৰুৱাৰ সৃষ্টিশীল কৃতিত্ব স্মৰণীয় আৰু অনস্বীকাৰ্য।*[১৭]

ত্ৰৈলোক্যনাথ গোস্বামীয়ে এই স্তৰৰ লেখক সকলৰ ভিতৰত বাস্তৱবাদী গল্প লেখি এটা পৃথক ধাৰাৰ সৃষ্টি কৰিছিল। দুখীয়া নিচলা, শাৰীৰিক পৰিশ্ৰম কৰি খাটি খোৱা মানুহ আৰু সমাজে যাক মিছাই অন্যায় কৰে তেনে লোকৰ প্ৰতি এইগৰাকী সমাজবাদী লেখকৰ সহানুভূতি প্ৰকাশ পাইছে।

*আৱাহন* যুগৰ আন এজন জনপ্ৰিয় গল্পকাৰ হ'ল দীননাথ শৰ্মা। জীৱনৰ কিছুমান মৌলিক সমস্যাক লৈ তেওঁ গল্প লিখিছিল। এই সময়ৰ ভিন্ন স্বাদৰ গল্প লিখকসকলৰ ভিতৰত কৃষ্ণ ভূএগ অন্যতম। নৰ-নাৰীৰ বিচিত্ৰ সম্পৰ্কৰ কথা তেওঁ সুকীয়াকৈ চিন্তা কৰিছিল। গল্পৰ কথাবস্তু আৰু কলা-কৌশলৰ প্ৰতি তেওঁ সমান সচেতন আছিল।

*আৱাহন* যুগত নতুন আৰু ব্যতিক্ৰমী বিষয়বস্তুৰে গল্প ৰচনা কৰা সকলৰ ভিতৰত উমাকান্ত শৰ্মাও এজন। তেওঁৰ *পাখী, মানুহ জন্মৰ পিছত, মেঘে বৰষিলে জুঁই* আদি গল্প অসমীয়া গল্প সাহিত্যত একক আৰু অনন্য।

*আৱাহন* যুগত পুৰুষ লেখকসকলৰ তুলনাত মহিলা লেখকসকল পিছপৰি আছিল। অৱশ্যে এইক্ষেত্ৰত সুপ্ৰভা গোস্বামী (১৯১৭) ব্যতিক্ৰম আছিল। সৰল আৰু পোনপটীয়া বাকভঙ্গীৰে তেওঁৰ গল্পবোৰ পৰিপুষ্ট *'অৰিহণা'ৰ গল্পবোৰৰ প্ৰকাশ ৰীতি সহজ-সৰল। ঠায়ে ঠায়ে আবেগিক মুহূৰ্তৰ চিত্ৰও পোৱা যায়।*[১৮] *আৱাহন যুগৰ* আন এগৰাকী মহিলা গল্পকাৰ দ্বিপান্বিতা চৌধুৰী। অগতানুগতিক বিষয়বস্তু, ভাৱবস্তু আৰু কলা-কৌশলেৰে তেওঁ কেইবাটাও উন্নত মানৰ গল্প ৰচনা কৰি গৈছে। তেওঁৰ কেইটামান উল্লেখযোগ্য গল্প হ'ল *চিৰকুমাৰী, ৰোমাঞ্চৰ মৃত্যু, উদাসীন, যৌৱনৰ অপৰাধ* আৰু *মৰণ আৰু মৰম*।

*আৱাহন* যুগৰ উল্লিখিত লেখক সকলৰ উপৰিও আন কেইবাজনো লেখকে মাত্ৰ কেইটামান গল্প ৰচনা কৰিয়েই জনপ্ৰিয়তা লাভ কৰিছিল। সেইসকলৰ ভিতৰত এগৰাকী হ'ল মুনীন বৰকটকী। বৰকটকীৰ গল্পৰ কলা-কৌশল উন্নতমানৰ। তেওঁৰ গল্পত, পাশ্চাত্যৰ আধুনিক সাহিত্যাদৰ্শ আৰু জীৱন সম্পৰ্কে থকা দৃষ্টিভঙ্গীৰ গভীৰতাৰ উমান পোৱা যায়। তেওঁৰ কেইটামান বিশিষ্ট গল্প হ'ল—*পাপ নে ভুল, জয়নে পৰাজয়, ছবি, সপোন সুধা, বিদ্ৰোহী, অপ্ৰকাশৰ বেদনা, বীণা* আৰু *অভিশাপ*।

*আৱাহন* যুগৰ গল্প ৰচনাৰ প্ৰৱাহক গতি প্ৰদান কৰোতা সকলৰ আৰু কেইগৰাকীমান হ'ল সদানন্দ

দাস, চাহ্ চৈয়দ হাচান আলি, হৰেন কলিতা, সুৰেন্দ্ৰ নাথ ভূঞা, নলিনীকান্ত বৰুৱা, হৰিপ্ৰসাদ ৰায় গোৰ্খা, মোহনলাল চৌধুৰী, প্ৰেম নাৰায়ণ দত্ত, প্ৰবোধ গোস্বামী, জমিৰুদ্দিন আহমেদ আৰু তাৰকচন্দ্ৰ গোস্বামী। এইসকল গল্পকাৰৰ গল্প কলা-কৌশলৰ ফালৰ পৰা উন্নতমানৰ নাছিল যদিও এওঁলোকৰ দুই এটা গল্পই এই যুগৰ গল্পক সমৃদ্ধি প্ৰদান কৰিছিল।

**যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ (১৯৪০-১৯৭০) ঃ**

অসমীয়া গল্প সাহিত্যৰ তৃতীয় স্তৰটো আৰম্ভ হয় দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে। *আৱাহন যুগত বিস্তৃতি লাভ কৰা অসমীয়া চুটিগল্প আৰু অধিক সমৃদ্ধিশালী হৈ উঠে স্বৰাজোত্তৰ কালত। এই সময়ত অসমীয়া চুটিগল্পই ভাৰতৰ যিকোনো প্ৰান্তীয় ভাষাৰ চুটিগল্পৰ লগত ফেৰ মাৰিব পৰা হ'ল। চুটিগল্পৰ সমৃদ্ধি আৰু জনপ্ৰিয়তাত বিশেষভাৱে সহায় কৰিলে 'ৰামধেনু' (১৯৫১) আলোচনীয়ে। ইয়াৰ আগতে 'জয়ন্তী' (১৯৪৩) আলোচনীয়ে অসমীয়া সাহিত্যৰ প্ৰকৃতি সলনি কৰি দিছিল। 'ৰামধেনু'ৱে নতুন ধাৰাৰ সাহিত্যৰ বিস্তাৰ আৰু জনপ্ৰিয়তাত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। আচলতে 'ৰামধেনু'ক কেন্দ্ৰ কৰিয়েই পঞ্চাছৰ দশকৰ সাহিত্য গঢ় লৈ উঠিল। সেইফালৰ পৰা পঞ্চাছৰ দশকটোক ৰামধেনু যুগ বুলি ক'ব পাৰি।*[১৯]

*ৰামধেনু* যুগত চুটিগল্পৰ ভাৱবস্তু আৰু ৰূপবস্তু নিৰ্মাণত ভালেখিনি পৰিৱৰ্তন আহিল। পাশ্চাত্যৰ সমাজবাদ, বাস্তৱবাদ, মনস্তাত্বিক অৱস্থিতিবাদ, অভিব্যক্তিবাদ, অধিবাস্তৱবাদ, চেতনাস্ৰোত আদি ভাৱধাৰাই এই কালৰ চুটিগল্পক বৈচিত্ৰপূৰ্ণ কৰি তুলিলে। এই পৰিৱৰ্তিত ৰূপত গল্প ৰচনা কৰিবলৈ শতাধিক নতুন গল্পকাৰৰ আৱিৰ্ভাৱ হ'ল। ইয়াৰে দুই এগৰাকী গল্পকাৰে *আৱাহন* আৰু *জয়ন্তীতে* গল্প লিখিবলৈ লৈছিল। যুদ্ধোত্তৰ যুগত প্ৰথমতে *পছোৱা* তাৰ পিছত *ৰামধেনু* আৰু সমসাময়িক আলোচনী কেইখনৰ জৰিয়তে বেছিভাগ গল্পলেখকেই প্ৰসিদ্ধি লাভ কৰিছে। এই গল্পকাৰসকলৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, নিৰোদ চৌধুৰী, অতুলানন্দ গোস্বামী, শীলভদ্ৰ, মামনি ৰয়চম গোস্বামী, নগেন শইকীয়া, নীলিমা শৰ্মা, অনিমা দত্ত (ভৰালী), প্ৰবীনা শইকীয়া, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, ভদ্ৰেশ্বৰ ৰাজখোৱা, ৰিজু হাজৰিকা, যতীন বৰা আদিৰ নাম।

*আৱাহন* আৰু *জয়ন্তীতে* গল্প লিখি জনপ্ৰিয়তা লাভ কৰা চৈয়দ আব্দুল মালিকৰ গল্পই পূৰ্ণ বিকশিত ৰূপ লাভ কৰে *ৰামধেনু যুগত*। অসমীয়া সাহিত্যত আটাইতকৈ সৰহসংখ্যক চুটিগল্প ৰচনা কৰা মালিকৰ গল্পৰ বিষয়বস্তু বিচিত্ৰ। *ৰোমাণ্টিক স্বপ্ন আৰু নৰ-নাৰীৰ যৌন সম্পৰ্কৰ বিশ্লেষণৰ পৰা আৰম্ভ কৰি সামাজিক বাস্তৱতালৈকে বিভিন্ন বিষয় তেওঁৰ গল্পই সামৰি লৈছে। কুৰি শতিকাৰ আদি ভাগত জাৰ্মান সাহিত্যত যি ৰোমাণ্টিক বাস্তৱবাদৰ ধাৰা গঢ় লৈ উঠিছিল, মালিকৰ বিভিন্ন গল্পৰ মাজেৰে সাহিত্যৰ সেই ধাৰাটো শক্তিশালী হৈ উঠে। 'বিভৎস বেদনা', 'হৰিমাষ্টৰৰ দোকান', 'দুখন ভৰি' আদি তেওঁৰ শ্ৰেষ্ঠ গল্প।*[২০]

*ৰামধেনু* যুগৰ এগৰাকী জনপ্ৰিয় গল্প লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। *কলং আজিও বয়, এজনী জাপানী ছোৱালী, মাকনৰ গোসাঁই, মিঞা মনচুৰ, ঈদৰ জোন* তেওঁৰ উল্লেখযোগ্য গল্প। ভট্টাচাৰ্যৰ গল্পত সামাজিক বাস্তৱবাদ, সমাজবাদ, মানৱতাবাদ আৰু জীৱনবোধৰ গভীৰতা আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। তেওঁৰ গল্প বিষয় আৰু আংগিক উভয় দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণ।

*ৰামধেনু* যুগৰ আৰু এগৰাকী বিশিষ্ট গল্পকাৰ যোগেশ দাস। যোগেশ দাসৰ গল্পৰ বিষয়বস্তু, ভাৱবস্তু আৰু আঙ্গিকৰ বৈশিষ্ট্য বহু পৰিমাণে *আৱাহন* যুগৰ গল্পৰ সমধৰ্মী। নিৰলংকাৰ সৰল বাক্‌ভঙ্গী, বাস্তৱ বৰ্ণনাভঙ্গী আৰু নাট্যগুণ ধৰ্মীতা যোগেশ দাসৰ গল্পৰ বৈশিষ্ট্য। *ৰামধেনু* যুগৰ আন এগৰাকী জনপ্ৰিয় গল্পকাৰ মহিম বৰা। *কাঠনিবাৰী ঘাট, টোপ, এখন নদীৰ মৃত্যু, চক্ৰবৎ, তিনিৰ তিনি গ'ল* আদি তেওঁৰ উৎকৃষ্ট গল্প। বাস্তৱ পৰিৱেশ সৃষ্টি, কাব্যিক ব্যঞ্জনা, গভীৰ জীৱনবোধ বৰাৰ গল্পৰ মন কৰিবলগীয়া বৈশিষ্ট্য।

*ৰামধেনু* যুগৰ এগৰাকী ব্যতিক্ৰমী, জনপ্ৰিয় আৰু শক্তিশালী গল্প লেখক সৌৰভ কুমাৰ চলিহা। তেওঁৰ প্ৰায়বোৰ গল্প নগৰীয়া জীৱনৰ পটভূমিত আৰু নগৰীয়া মধ্যবিত্ত জীৱনৰ বিভিন্ন সমস্যাক লৈ ৰচিত। *অশান্ত ইলেকট্ৰ'ন, এহাত ডবা, গোলাম, বীণাকুটাৰ, ভ্ৰমণ বিৰতি* আদি তেওঁৰ শ্ৰেষ্ঠ গল্প।

*ৰামধেনু* যুগৰ বিশিষ্ট গল্পকাৰ সকলৰ ভিতৰত ভবেন্দ্ৰনাথ শইকীয়া অন্যতম। *চৰিত্ৰৰ নাট্যধৰ্মী ভংগী আৰু খুটি-নাতি বৰ্ণনাৰ চমকপ্ৰদ উপস্থাপন ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্য। তেওঁৰ কথনভঙ্গী মনোৰম। গল্পবোৰ সুখপাঠ্য আৰু চমৎকাৰ। শইকীয়াৰ চৰিত্ৰায়ন বাস্তৱানুগ। চৰিত্ৰবোৰ ঘাইকৈ মধ্যবিত্ত জীৱনৰ পৰা অহা। জীৱনৰ সৰু সৰু সংঘাটে চৰিত্ৰ সমূহক বিপৰ্যস্ত কৰা দেখা যায়। সংস্কাৰাচ্ছন্ন নিৰাপত্তাহীন জীৱনত সংকুচিত নাৰীমন তেওঁ সংবেদনশীলতাৰে অংকন কৰে।*[২১] তেওঁৰ গল্প কাহিনী প্ৰধান। *প্ৰহৰী, বানপ্ৰস্থ, এন্দুৰ, অসুৰ, গহুৰ* আদি তেওঁৰ শ্ৰেষ্ঠ গল্প বুলি কোৱা হয় যদিও শইকীয়াৰ প্ৰায়বোৰ গল্পই কম-বেছি পৰিমাণে ৰসোত্তীৰ্ণ।

*ৰামধেনু* যুগৰ আন এগৰাকী বিশিষ্ট গল্পলেখক হোমেন বৰগোহাঞি। বৰগোহাঞিৰ গল্পত মনস্তাত্বিক বিশ্লেষণ আৰু সামাজিক অন্যায়, অবিচাৰ, দুৰ্নীতি আদিৰ সমালোচনা মূলক দৃষ্টিভঙ্গী দেখা যায়। তেওঁৰ গল্পত চেতনাস্ৰোত আৰু অৱস্থিতিবাদৰ প্ৰভাৱ অনুভূত হয়। *ইস্মাইল শেখৰ সন্ধানত, ভয়, হাতী, শিল্প, ধুমুহা* আদি বৰগোহাঞিৰ উল্লেখযোগ্য গল্প।

চন্দ্ৰপ্ৰসাদ শইকীয়া, লক্ষ্মীনন্দন বৰা আৰু শীলভদ্ৰ *ৰামধেনু* যুগৰ তিনিগৰাকী প্ৰতিনিধি স্থানীয় গল্পকাৰ। তিনিওগৰাকী গল্পকাৰে ভালেমান উৎকৃষ্টমানৰ গল্প লিখি অসমীয়া গল্পৰ ভঁৰাল টনকিয়াল কৰিছে। চন্দ্ৰ প্ৰসাদ শইকীয়াৰ গল্পৰ বক্তব্য অতি স্পষ্ট আৰু পোনপটীয়া। লক্ষ্মীনন্দন বৰা গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ অংকনত সিদ্ধহস্ত। *স্থান বিশেষে আধুনিক সভ্যতাৰ হেঁচাই গ্ৰাম্য সমাজ আৰু জীৱনত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তাৰ যথাৰ্থ চিত্ৰণ তেওঁৰ গল্পত পোৱা যায়। শব্দৰ মোহে বৰাৰ গল্প কেতিয়াবা দীপ্তিশীল কৰিছে, কেতিয়াবা আকৌ গল্পৰ গতি মন্থৰ কৰিছে।*[২২]

শীলভদ্ৰ ষাঠিৰ দশকৰ পৰা মৃত্যুৰ সময়লৈকে নিৰৱচ্ছিন্নভাৱে গল্প লিখি থকা এগৰাকী জনপ্ৰিয় লেখক। শীলভদ্ৰৰ গল্পৰ কথনশৈলী সহজ-সৰল আৰু গল্পসমূহ অতি বাস্তৱধৰ্মী। আঙ্গিক আৰু কলা-কৌশলৰ দিশতো তেওঁ সচেতন আছিল। সংখ্যাৰ ফালৰ পৰা শীলভদ্ৰৰ গল্পৰ সংখ্যাও সৰহ। *সংগ্ৰাম, সমলয়, বৃত্ত, মধুপুৰ বহুদূৰ, ৰামবাবুৰ দোকান, অপৰাজেয়* আদি তেওঁৰ উল্লেখযোগ্য গল্প।

এই যুগৰ ষাঠি আৰু সত্তৰৰ দশকৰ ভিতৰতে আত্মপ্ৰকাশ কৰা আৰু প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰসকলৰ ভিতৰত নাম ল'ব লাগিব নগেন শইকীয়া, অতুলানন্দ গোস্বামী, ইমৰান শ্বাহ, অৰুণ গোস্বামী, নিৰোদ চৌধুৰী আৰু অপূৰ্ব শৰ্মাৰ।

নগেন শইকীয়া এগৰাকী সমাজ সমালোচক গল্পকাৰ। তেওঁৰ গল্পৰ আঙ্গিক অথবা ফৰ্ম অগতানুগতিক। নগেন শইকীয়াৰ গল্পত জীৱনৰ কৰুণ-মধুৰ দিশটো অনুভূত হয়। কাব্যিকতা তেওঁৰ গল্পৰ এটা বিশিষ্ট লক্ষণ। *মজিদ চাৰ ঢুকাল, অন্তিম অপেক্ষা, ছবি আৰু ফ্ৰেম, আত্মহত্যা, বন্ধ কোঠাৰ ধুমুহা, এন্দুৰ আৰু এন্দুৰ* আদি তেওঁৰ উল্লেখযোগ্য গল্প।

অতুলানন্দ গোস্বামীয়ে ৰামধেনু যুগৰ পৰা সাম্প্ৰতিক যুগলৈ গল্প ৰচনা কৰি আহিছে। গোস্বামীৰ গল্পত গভীৰ মানৱতাবোধ লক্ষ্য কৰা যায়। তেওঁৰ গল্পত জীৱনৰ প্ৰতি সূক্ষ্ম দৃষ্টিভঙ্গী আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। গোস্বামীৰ ভাষা সহজ-সৰল, বৰ্ণনাও সংযত। তেওঁৰ গল্প কাৰিকৰী কৌশলৰ দিশতো উন্নত। তেওঁৰ কেইটামান উল্লেখযোগ্য গল্প—*বলীয়া হাতী, ঢেঁকীশালৰ বিচনা, শেৱালি ফুলৰ খাৰ, মোৰ দেশ ঃ মোৰ দেশৰ মানুহ, টোপোলাৰ মৰম, পমী খুৰী, চেনেহজৰী* আৰু *অসহায়*।

ইমৰান শ্বাহৰ প্ৰকাশিত গল্পৰ সংখ্যা পাঁচশতকৈ অধিক। *প্ৰথম পৰ্বৰ তেওঁৰ গল্পসমূহত যি ভাষাৰ বিলাস আৰু নৰ-নাৰীৰ প্ৰেমানুভূতিৰ কল্লোল ঘাইকৈ দেখা গৈছিল, সেই ধাৰাৰ পৰা সোনকালেই আঁতৰি আহিল। ভাৱ আৰু বিষয়বস্তুত সামাজিক চেতনা, চিত্ৰায়ণৰ বৈচিত্ৰ্য, ভাষাত পৰিমিতিবোধ আৰু আৱেগিক ক্ষেত্ৰত সচেতনতা আদিয়ে তেওঁৰ শিল্প ভাৱনাৰ ঋদ্ধি ঘোষণা কৰিলে। ব্যক্তি আৰু সমষ্টি-জীৱন বিকল কৰা সামাজিক অবিচাৰ, অৰ্থনৈতিক পীড়ণ, দুৰ্নীতি, ক্ষমতা-লিপ্সা, শোষণ, বুভুক্ষা আদি বিবিধ সমস্যা শ্বাহৰ গল্পত স্বকীয় ভাৱনাৰে সমুজ্বল হৈ প্ৰকাশ পালে।*[২৩]

নিৰোদ চৌধুৰীৰ গল্পৰ সংখ্যা যথেষ্ট। নিৰোদ চৌধুৰীৰ গল্পত *আৱাহন* যুগৰ বৈশিষ্ট্য দেখা যায়। অৱশ্যে *আৱাহনৰ* বৰ্ণনা বহুলতা তেওঁৰ গল্পত দেখা নাযায়। তেওঁৰ গল্পৰ বৰ্ণনাৰীতি সাৱলীল আৰু সংযত। ভাৱবস্তুৰ ঐক্য, পৰিণতিমুখী উৎকণ্ঠা আৰু কাব্যময় পৰিৱেশ সৃষ্টি চৌধুৰীৰ গল্পৰ বৈশিষ্ট্য। *চামেলি মেমচাব, বন নহৰুৰ ফুল, চেঁচা জোন, পোহৰৰ অন্য*

*ৰূপ, মন প্ৰজাপতি, তেজপিয়া, এন্ধাৰৰ দলিচা গছকি* আদি তেওঁৰ উল্লেখযোগ্য গল্প।

*ৰামধেনু* যুগৰ গল্প সাহিত্যলৈ অৱদান আগবঢ়োৱা গল্পকাৰ সকলৰ ভিতৰত আৰু তিনিগৰাকী গল্পকাৰ হ'ল—ৰোহিনী কাকতি, মেদিনী চৌধুৰী আৰু পদ্ম বৰকটকী। ৰোহিনী কাকতিয়ে *ৰামধেনু* কাকতৰ সময়ৰ পৰা সাম্প্ৰতিক যুগলৈ গল্প লিখি আহিছে। তেওঁৰ গল্পত সমাজৰ অশুভ শ্ৰেণীৰ প্ৰতি ব্যঙ্গ, মধ্যবিত্ত শ্ৰেণীৰ ক্ষয়িষ্ণু মানসিকতা আৰু নৰ-নাৰীৰ প্ৰেমৰ চিত্ৰ দেখিবলৈ পোৱা যায়। পদ্ম বৰকটকী এগৰাকী সমাজ সমালোচক গল্পকাৰ। তেওঁৰ গল্পত অসাধু আৰু ভণ্ড ৰাজনৈতিক নেতা-পালিনেতাসকলৰ প্ৰতি ব্যঙ্গ দেখিবলৈ পাওঁ। মেদিনী চৌধুৰী এগৰাকী সমাজ সচেতন গল্প লেখক। তেওঁৰ গল্পত সমাজৰ নিপীড়িতজনৰ দুৰ্দশা আৰু মৰ্মবেদনা, চহৰমুখী মানুহৰ যন্ত্ৰণা আৰু ভণ্ড ৰাজনৈতিক চৰিত্ৰৰ প্ৰতি সমালোচনা দেখা যায়। *কলম, চহৰমুখী সভ্যতা আৰু ইদ্ৰিচ, মই আৰু বাবুলাল, মণিৰাম পাটৰ কেনি গ'ল, অন্তিম তপস্যা, কোনেও নুশুনা সাধু* আদি মেদিনী চৌধুৰীৰ উল্লেখযোগ্য গল্প।

*ৰামধেনু* যুগত চাইদুল ইছলামে মাত্ৰ কেইটামান গল্প লিখিয়েই প্ৰতিষ্ঠা লাভ কৰিছিল। অসমীয়া সমকালীন পংগু সমাজ ব্যৱস্থাৰ প্ৰতি ব্যঙ্গ তেওঁৰ গল্পত লক্ষ্য কৰা যায়। গল্পৰ কলা-কৌশলৰ দিশত তেওঁৰ গল্পই সফলতা দাবী কৰিব পাৰে।

*পঞ্চাশৰ পৰা সত্তৰৰ দশকৰ ভিতৰত কেইবাগৰাকীও লেখিকাই ভিন্নধৰ্মী গল্পৰে ৰামধেনু যুগৰ গল্প সাহিত্য সমৃদ্ধ কৰিছিল। সেইসকলৰ ভিতৰত অন্যতম হৈছে স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়চম গোস্বামী, প্ৰবীনা শইকীয়া, অনিমা দত্ত, নীলিমা শৰ্মা আদি। এই কেইগৰাকী লেখিকাৰ গল্পত শিক্ষিতা-অশিক্ষিতা বিভিন্ন নাৰী চৰিত্ৰৰ মাজেৰে নাৰীৰ মনোজগতৰ বিভিন্ন দিশ উন্মোচিত হৈছে।*[২৪] স্নেহ দেৱীৰ গল্পৰ ভাৱবস্তু আৰু গঠনৰীতি *আৱাহন যুগৰ* গল্পৰ সমধৰ্মী। তেওঁৰ গল্প সাধাৰণতে সংস্কাৰধৰ্মী মনোভাৱৰ। তেওঁৰ গল্পত তুচ্ছজনৰ অন্তৰৰ উচ্চতা আৰু মহানতা দেখুৱাবলৈ যত্ন কৰা দেখা যায়।

*জীৱনৰ কিছুমান সাধাৰণ ঘটনাৰ মাজতে বিশিষ্টতা বিচৰাৰ প্ৰয়াস নিৰুপমা বৰগোহাঞিৰ কেইটামান গল্পত চকুত পৰে। সহজ বাক্য-ৰীতিৰ যোগেদি পোনপটীয়াকৈ কিছুমান অভিজ্ঞতা তেওঁ ৰমণীয় ৰূপত প্ৰকাশ কৰিছে।*[২৫] *তেওঁৰ গল্পত মধ্যবিত্ত শ্ৰেণীৰ জীৱন যন্ত্ৰণাও প্ৰকাশ পাইছে।*

মামণি ৰয়চম গোস্বামীৰ প্ৰায়বোৰ গল্পতে নাৰীমনৰ অতি ভিতৰৰ গোপন বাৰ্তা কিছুমান নিৰ্ভীকভাৱে উদঙাই দেখুৱাইছে। তেওঁৰ গল্পত এলাণ্ডকলীয়া কু-সংস্কাৰে মানুহৰ বিশেষকৈ নাৰীৰ জীৱনলৈ কিদৰে দুৰ্বহ যন্ত্ৰণা কঢ়িয়াই আনে সেই চিত্ৰ অংকন কৰিছে। *ৰিণিকি ৰিণিকি দেখিছো যমুনা, কুমাৰী মন, পৰশমণি, সহযাত্ৰী, সন্ধ্যা-ললিতা-কান্তা, যমুনাৰ সিপাৰে, সেই আন্ধাৰ পোহৰবো অধিক, ভুল ঠিকনা* আদি তেওঁৰ বিশিষ্ট গল্প।

প্ৰবীনা শইকীয়াৰ গল্প ঘাইকৈ কাহিনীমূলক। সমাজ সংস্কাৰৰ মনোভাৱ আৰু পৰিস্থিতিৰ সূক্ষ্ম বিশ্লেষণ তেওঁৰ গল্পত দেখিবলৈ পোৱা যায়। ষাঠিৰ দশকৰ পৰা গল্প লিখি জনপ্ৰিয়তা লাভ কৰা অনিমা দত্তই পিছলৈ গল্প লিখিবলৈ এৰি দিয়ে। দত্তৰ গল্প বাস্তৱ জীৱনৰ আধাৰত ৰচিত। *বিষণ্ণ বিস্ময়, উত্তৰণ, অৱগাহন, অৱশ্যসম্ভাৱী* আদি তেওঁৰ উল্লেখযোগ্য গল্প।

*ৰামধেনু* যুগৰ মহিলা গল্প লেখকসকলৰ ভিতৰত নীলিমা শৰ্মাৰ এখন সুকীয়া আসন আছে। নীলিমা শৰ্মাই তেওঁৰ গল্পত নাৰী মনস্তত্ত্ব আৰু নাৰীৰ সমঅধিকাৰ স্বত্ব অতি সাহসেৰে প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। কাৰিকৰী কলা-কৌশলৰ সু-প্ৰয়োগে তেওঁৰ গল্পক অধিক জনপ্ৰিয় কৰি তোলে।

উল্লিখিত মহিলা লেখকসকলৰ উপৰিও এই যুগত আন বহু মহিলা লেখকে চুটিগল্প ৰচনাত হাত দিছিল আৰু পাৰদৰ্শিতাও প্ৰদৰ্শন কৰিছিল। অসমীয়া চুটিগল্পলৈ অৱদান আগবঢ়োৱা এইসকল মহিলাৰ ভিতৰত অন্যতম আছিল দিপালী দত্ত, আলিমুন্নিচ্ছা পীয়াৰ, চিত্ৰলতা ফুকন, মিনতি হাজৰিকা, ডলী তালুকদাৰ, সাধনা মজিন্দাৰ বৰুৱা, বাসন্তী বৰুৱা, ৰেণু বৰুৱা, আৰতি দাস বৈৰাগী, অনিমা গুহ, ঊষা দাস, মেৰিণা বেগম, নিজৰা হাজৰিকা, লক্ষেশ্বৰী দেৱী, ৰেণু দেৱী, নীলিমা বৰকাকতি, সত্যৰেখা বৰুৱা, প্ৰীতি ভট্টাচাৰ্য, বীণা দেৱী, চন্দ্ৰপ্ৰভা দাস, লাৱণ্য প্ৰভা দেৱী, নিৰুপমা বৰুৱা, স্বপ্না দেৱী, মনু বৰুৱা আদি।

সীমিত সংখ্যক গল্প ৰচনাৰে *ৰামধেনু যুগত*

প্ৰতিষ্ঠা লাভ কৰা আৰু দুই চাৰিটা গল্প লিখি নিজৰ প্ৰতিভাৰ পৰিচয় দি পিছলৈ গল্প লিখিবলৈ এৰি দিয়া ভালে কেইগৰাকী লেখকে অসমীয়া গল্প সাহিত্যলৈ অৰদান আগবঢ়াই থৈ গৈছে। এনে লেখকসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল—মহেন্দ্ৰ বৰঠাকুৰ, ঈশ্বৰ মহন্ত, ভুৱনমোহন মহন্ত, হৰেন্দ্ৰ কুমাৰ ভূঞা, কেশৱ শইকীয়া, ৰুদ্ৰ প্ৰসাদ কাকতি, কুমুদ গোস্বামী, প্ৰণৱজ্যোতি ডেকা আৰু অপূৰ্ব শৰ্মা।

**১.২.১.৪. সাম্প্ৰতিক যুগ (১৯৭০ৰ পৰা বৰ্তমানলৈ) ঃ**

*অসমীয়া চুটিগল্পৰ আৰম্ভণিৰ পৰা অৰ্থাৎ জোনাকী যুগৰ পৰা সাম্প্ৰতিকলৈকে এই এশ বছৰীয়া ইতিহাসৰ শেষৰ সময়ছোৱাকে সাম্প্ৰতিক যুগ আখ্যা দিয়া হৈছে।*[২৬] ১৯৬৭ চনত *ৰামধেনু*ৰ অৱলুপ্তিৰ লগে লগে অসমীয়া গল্প সাহিত্যৰ এটা যুগৰ অন্ত পৰে আৰু আন এটা নতুন যুগৰ সূচনা হয়। *আৱাহন* আৰু *ৰামধেনু* যুগৰ দৰে এই যুগটোৰ গতি পৰিৱৰ্তনত বিশেষ অৰিহণা যোগাইছিল সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৌদ্ধিক পৰিস্থিতিয়ে। ১৯৭০ চনৰ পিছত অসম তথা ভাৰতৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা আৰু সামাজিক-সাংস্কৃতিক জগতখনত অভূতপূৰ্ব পৰিৱৰ্তন ঘটিল। বাংলাদেশৰ স্বাধীনতা আন্দোলনত ভাৰতবৰ্ষৰ পোনপটীয়া সহযোগৰ ফলত উদ্ভৱ হোৱা ৰাজনৈতিক সমস্যা, ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন, দেশৰ অৰ্থনৈতিক দুৰ্যোগ আদিয়ে অসমীয়া জাতীয় জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলালে। দেশত বিদ্যালয়, মহাবিদ্যালয় বৃদ্ধি পোৱাত শিক্ষিতৰ হাৰ বাঢ়িল, কিন্তু সেই অনুপাতে বৌদ্ধিক বিকাশ সন্তোষজনক নাছিল। দেশৰ অস্থিৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক ব্যৱস্থাই সামাজিক-সাংস্কৃতিক ক্ষেত্ৰটো অস্থিৰতাৰ সৃষ্টি কৰিলে। দেশৰ এনে অস্থিৰ অৱস্থাতো অসমীয়া চুটিগল্পৰ প্ৰৱাহটো কিন্তু থমকি নৰ'ল। অসমৰ *জোনাকী, আৱাহন* আৰু *ৰামধেনু* যুগৰ আঠটা দশক জোৰা ইতিহাসৰ অনুপ্ৰেৰণাত এচাম নতুন গল্পকাৰৰ সৃষ্টি হ'ল। এই নতুন লেখকসকলৰ আদৰ্শ হিচাপে আগত আছিল *ৰামধেনু* যুগতে প্ৰতিষ্ঠা লাভ কৰা এদল সফল প্ৰবীণ গল্পকাৰ।

*সাম্প্ৰতিক* যুগৰ চুটিগল্পত মাক্সবাদী চিন্তা-চৰ্চাই প্ৰসাৰ লাভ কৰিলে। অধিবাস্তৱবাদ, অৱস্থিতিবাদ আৰু চেতনাস্ৰোতৰো প্ৰভাৱ গল্পকাৰসকলৰ ওপৰত পৰিল। সমাজৰ আৰ্থসামাজিক কেৰোনবোৰে সৃষ্টি কৰা ক্ষোভ, দুৰ্নীতি আৰু ব্যভিচাৰে সৃষ্টি কৰা ক্ৰোধ নতুন লেখকসকলৰ গল্পৰ মাজেদি পোনপটীয়াকৈ প্ৰকাশ পাবলৈ ধৰিলে। চাৰিওফালৰ অস্থিৰতাৰ মাজতো তৰুণ লেখকসকলৰ মাজত এটা সু-স্পষ্ট দৃষ্টিভঙ্গী গঢ় লৈ উঠিল। সেয়ে বিংশ শতিকাৰ শেষৰ তিনিটা দশকত ভালেমান উন্নতমানৰ চুটিগল্পৰ সৃষ্টি হ'ল।

*সাম্প্ৰতিক* যুগৰ চুটিগল্পত পূৰ্বৰ ধাৰণা, দৃষ্টিভঙ্গী আৰু মূল্যবোধৰ পৰিৱৰ্তন ঘটিছে। পূৰ্বতে গল্পৰ বিষয়বস্তু হিচাপে অধিক গুৰুত্ব পোৱা কিছুমান বিষয় উপেক্ষিত হৈছে আৰু কিছুমান বিষয়ৰ প্ৰতি লেখকসকলৰ দৃষ্টিভঙ্গী সলনি হৈছে। নৰ-নাৰীৰ প্ৰেম, প্ৰতাৰণা আৰু ফ্ৰয়েদৰ যৌন মনস্তত্ত্বই এই যুগত গুৰুত্ব হেৰুৱাইছে।

*পূৰ্বৰ যুগকেইটাৰ চুটিগল্পত টাইপিষ্ট, কেৰাণী আৰু মাষ্টৰ শ্ৰেণীৰ চৰিত্ৰই লেখকৰ গভীৰ অনুকম্পা লাভ কৰিছিল, কিন্তু সাম্প্ৰতিক যুগৰ চুটিগল্পত কেৰাণী আৰু মাষ্টৰৰ জীৱনৰ সমস্যাৰ পৰিৱৰ্তে কৃষক আৰু শ্ৰমিকৰ অসহনীয় জীৱন যন্ত্ৰণাকহে গুৰুত্ব দিয়া হ'ল। সাম্প্ৰতিক যুগৰ লেখকসকলে সমকালীন সমাজ বীক্ষা সঠিকভাৱে কৰিব পাৰিছে বাবেই ই সম্ভৱ হৈ উঠিছে। পূৰ্বৰ যুগকেইটাৰ চুটিগল্পত সমাজৰ নশিক্ষিত মধ্যবিত্তৰ ভণ্ডামীৰ প্ৰতি লেখকসকলে তীব্ৰ ব্যংগ কৰিছিল। কিন্তু সাম্প্ৰতিক কালৰ গল্পকাৰসকলৰ দৃষ্টিত মধ্যবিত্ত ভণ্ড চৰিত্ৰতকৈ গুৰুত্ব পালে সমকালীন ৰাজনৈতিক নেতাসকলেহে।*[২৭]

*সাম্প্ৰতিক* যুগৰ চুটিগল্পলৈ *ৰামধেনু* যুগতে প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰসকলে উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। এই লেখকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, মহিম বৰা, লক্ষ্মীনন্দন বৰা, ত্ৰৈলোক্য নাথ গোস্বামী, ভদ্ৰেশ্বৰ ৰাজখোৱা, ৰিজু হাজৰিকা, হৰেন্দ্ৰ কুমাৰ ভূঞা, হেমন্ত কুমাৰ শৰ্মা, উদয়াদিত্য ভৰালী, নগেন শইকীয়া, দুৰ্লভ বুঢ়াগোহাঞি আদিৰ নাম উল্লেখযোগ্য। এই যুগৰ আৰম্ভণিতে অৰুণ গোস্বামী আৰু পোলেন বৰকটকীয়ে আত্মপ্ৰকাশ কৰে। গোস্বামীৰ *মাছমৰীয়া ছোৱালীৰ লাজ* সেই সময়ৰ এটা উন্নত মানৰ গল্প। কুমুদ গোস্বামীও সেই সময়ৰে পৰা গল্প লিখা আন এজন সমাজ সচেতন লেখক।

আশীৰ দশকত বহুসংখ্যক অসমীয়া গল্পকাৰৰ

আবিৰ্ভাৱ হয়। এইসকলৰ ভিতৰত কমলা বৰগোহাঞি, ভগৱান শৰ্মা, বিৰিঞ্চি কুমাৰ মেধি, ভূৱন চন্দ্ৰ কলিতা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, বিপুল খাটনিয়াৰ, নয়ন কুমাৰ মেধি, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, দেৱব্ৰত দাস, মদন শৰ্মা, মনোজ গোস্বামী, পৰাগ কুমাৰ ভট্টাচাৰ্য, অভিজিৎ শৰ্মা, ইন্দ্ৰকান্ত কাকী, গুণীন্দ্ৰ গায়ন, পৰমানন্দ ৰাজবংশী আৰু প্ৰশান্ত ৰাজগুৰু আদি উল্লেখযোগ্য। এই গল্পকাৰসকলে নিজস্ব ৰচনাৰীতিৰে এই দশকৰ অসমীয়া গল্প সাহিত্যক চহকী কৰে। এই সময়তে আত্মপ্ৰকাশ কৰা কেইগৰাকীমান মহিলা লেখক হৈছে—অৰূপা পটঙ্গীয়া কলিতা, দিপালী ডেকা আৰু যমুনা শৰ্মা চৌধুৰী।

বিংশ শতিকাৰ শেষৰ দুটা দশকত ভালেমান নবীন গল্পকাৰে আত্মপ্ৰকাশ কৰে। এইসকলৰ ভিতৰত কুল শইকীয়া, শিবানন্দ কাকতি, অতনু ভট্টাচাৰ্য, অপূৰ্ব শইকীয়া, বিতোপন বৰবৰা, জয়ন্ত ৰঞ্জন চেতিয়া, জেহিৰুল হুছেইন বিশেষভাৱে উল্লেখযোগ্য। এইসকল গল্পকাৰৰ গল্পত মানুহৰ মনোজগতৰ সূক্ষ্ম ক্ৰিয়া-কলাপ বিশ্লেষণৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। এওঁলোকৰ পৰৱৰ্তী সময়ত লিখিবলৈ লোৱা মৌচুমী কন্দলী, অনামিকা বৰা, বন্তি শেনচোৱা, মণিকুন্তলা ভট্টচাৰ্য, গীতালী বৰা, মনিকা দেৱী, ৰশ্মিৰেখা বৰা, পূৰৱী তামুলী, জুৰি দত্ত আদি মহিলা লেখকসকলৰ গল্পত কিছু অভিনৱ চিন্তাৰ ৰেঙণি দেখিবলৈ পোৱা যায়। তেওঁলোকৰ গল্পত পৰম্পৰা ভাঙি ওলাই অহাৰ মানসিকতা প্ৰবল।

বৰ্তমান একবিংশ শতিকাৰ দ্বিতীয় দশকতো অসমীয়া চুটিগল্পত উত্তৰ আধুনিকতাবাদী প্ৰৱণতা কিছুমান দিশত ফুটি উঠিছে। তৰুণ গল্পকাৰসকলে বিষয়বস্তু আৰু প্ৰকাশৰ ফালৰ পৰা অসমীয়া গল্পৰ জগতখনৰ সম্প্ৰসাৰণ ঘটাইছে। তেওঁলোকৰ গল্পত চিৰাচৰিত কাহিনী কথনৰ পুৰণি শৈলী পৰিহাৰ কৰি মানুহৰ মনোজগতত প্ৰৱেশ কৰিছে। সেয়ে অসমীয়া সাম্প্ৰতিক সকলো চুটিগল্পতে এটা নিটোল কাহিনী বিচাৰি পোৱা নাযায়। সামাজিক-ৰাজনৈতিক অথবা ব্যক্তি জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ পৰা গল্পকাৰে কিছুমান খণ্ডিত ঘটনা জোৰা দি গল্পৰ শৰীৰ নিৰ্মাণ কৰি তাক কবিতা আৰু গীতৰ কাষ চপাইছে। কথনৰীতি আৰু আঙ্গিকৰ ক্ষেত্ৰতো নতুন নতুন পৰীক্ষা-নিৰীক্ষা চলি আছে যদিও পুৰণি পৰম্পৰাৰে ৰচিত গল্পয়ো বৰ্তমান সমাদৰ নোপোৱাকৈ থকা নাই। মুঠতে অসমীয়া সাম্প্ৰতিক চুটিগল্পই বৰ্তমান কোনো স্পষ্ট আদৰ্শ বা তত্ত্বকে খামোচ মাৰি ধৰি নাথাকি সামগ্ৰিকভাৱে কিছু নতুনত্ব কঢ়িয়াই আনিছে। ■■

**পাদটীকা ঃ**

১। মহেন্দ্ৰ বৰা ঃ *সাহিত্য উপক্ৰমণিকা*, পৃষ্ঠা ঃ ১৭১
২। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃষ্ঠা ঃ ৭
৩। যমুনা শৰ্মা চৌধুৰী ঃ *চুটিগল্প*, পৃষ্ঠা ঃ ২৮
৪। শৈলেন ভৰালী (সম্পাঃ) ঃ *গল্পমঞ্জৰী*, পাতনি, পৃষ্ঠা ঃ ০.০৭
৫। ভূদেৱ চৌধুৰী ঃ *বাংলা সাহিত্যৰ ছোটগল্প ও গল্পকাৰ*, পৃষ্ঠা ঃ ২৯
৬। নগেন্দ্ৰ ঃ *হিন্দী সাহিত্য কা ইতিহাস*, পৃষ্ঠা ঃ ৪৮২
৭। যমুনা শৰ্মা চৌধুৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৯
৮। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃষ্ঠা ঃ ৩৬২
৯। লীলাৱতী শইকীয়া বৰা (সম্পাঃ) ঃ *অসমীয়া চুটিগল্পৰ প্ৰৱাহ*, পাতনি, পৃষ্ঠা ঃ ১১-১২
১০। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৭, ৫৭, ১৭১, ৪৪২
১১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৭
১২। মৰণোত্তৰ প্ৰকাশ, অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, *বেজবৰুৱা গ্ৰন্থাৱলী* (প্ৰথম খণ্ড), সন্নিৱিষ্ট।
১৩। হেমন্ত কুমাৰ শৰ্মা ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*, পৃষ্ঠা ঃ ২৭২

১৪। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৫
১৫। হেমন্ত কুমাৰ শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৭৩
১৬। শৈলেন ভৰালী (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পাতনি, পৃষ্ঠা ঃ ০৮-০৯
১৭। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১০৮
১৮। যমুনা শৰ্মা চৌধুৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬২
১৯। শৈলেন ভৰালী (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ ঃ পাতনি, পৃষ্ঠা ঃ ১০
২০। লীলাৱতী শইকীয়া বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ ঃ পাতনি, পৃষ্ঠা ঃ ১৬
২১। উপেন্দ্ৰনাথ শৰ্মা ঃ *যুদ্ধোত্তৰ যুগৰ জনদিয়েক চুটিগল্পকাৰ, গৰিয়সী;* চন্দ্ৰ প্ৰসাদ শইকীয়া, প্ৰথম বছৰ, ৭ম সংখ্যা, পৃষ্ঠা ঃ ৭৪
২২। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪১১
২৩। জয়ন্ত কুমাৰ বৰা ঃ *ইমৰান শ্বাহৰ চুটিগল্প ঃ অসমীয়া চুটিগল্প, ঐতিহ্য আৰু বিৱৰ্তন*, অপূৰ্ব বৰা (সম্পাঃ), পৃষ্ঠা ঃ ৩৭৬
২৪। লীলাৱতী শইকীয়া বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৮
২৫। ত্ৰৈলোক্য নাথ গোস্বামী ঃ *আধুনিক গল্প সাহিত্য,* পৃষ্ঠা ঃ ১৭১
২৬। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৪৩
২৭। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৪

# বিভিন্ন ভাষাত মহাকবি কালিদাসৰ অভিজ্ঞানম্ শকুন্তলম নাটকৰ চৰ্চা

**গগেন কাকতি**
মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ



মহাকবি কালিদাস এজন বিদগ্ধ পণ্ডিত আছিল। তেওঁ বেদ-বেদান্ত-বেদাঙ্গ, ধৰ্মশাস্ত্ৰ, ৰামায়ণ, মহাভাৰত, পুৰাণ, শ্ৰীমদ্ভগৱদগীতা, সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা, বেদান্ত প্ৰভৃতি ষড়দৰ্শন, ব্যাকৰণ, নীতিশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, আয়ুৰ্বেদ, জ্যোতিষ, অলংকাৰশাস্ত্ৰ আদিৰ গভীৰ জ্ঞানেৰে অন্বিত আছিল। তেখেতৰ নামত অনেক গ্ৰন্থ প্ৰচলিত হৈ থাকিলেও পণ্ডিতসকলে নিম্নোক্ত সাতখন গ্ৰন্থহে তেওঁৰ প্ৰকৃত ৰচনা বুলি দৃঢ় মতপোষণ কৰে ।ৰচনাৰ ক্ৰমানুসৰি গ্ৰন্থ কেইখন হৈছে — ঋতুসংহাৰম্, মেঘদূতম্ (খণ্ডকাব্য), ৰঘুবংশম্, কুমাৰসম্ভৱম্ (মহাকাব্য), মালবিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্ (নাটক)। কালিদাসৰ অমৰ চিন্তাৰ পৰা নিঃসৃত নাটকে পৃথিৱীৰ সকলো দেশতে সমাদৰ লাভ কৰিছে। তেখেতৰ খ্যাতিয়ে সম্প্ৰতি সমগ্ৰ বিশ্বতে বিপুল স্বীকৃতি লাভ কৰিছে। ভাৰতীয় পণ্ডিত মণ্ডলীয়ে অকুণ্ঠচিত্তেৰে এক বাক্যে তেওঁক কবিকুলগুৰু বুলি স্বীকৃতি দিছে। পাশ্চাত্যৰ পণ্ডিত উইলিয়াম জোন্সে কৰিজনৰ নাট্যৰত্ন অভিজ্ঞানশকুন্তলমৰ সাহিত্য সৌন্দৰ্যত মুগ্ধ হৈ কবিজনক ভাৰতৰ শ্বেক্সপীয়াৰ বুলি অভিহিত কৰিছে। বাল্মীকি — ব্যাসৰ পিছতে কালিদাসক তৃতীয়জন প্ৰসিদ্ধ




মান্য কৰি বুলি কোৱা হয়।

কালিদাসৰ শ্ৰেষ্ঠ নাটক অভিজ্ঞান শকুন্তলম্। মহাভাৰতৰ সুবিখ্যাত শকুন্তলা আৰু দুষ্যন্তৰ আখ্যানৰ ওপৰত ভেটি কৰি মহাকবি কালিদাসে সাত অঙ্ক বিশিষ্ট অভিজ্ঞানম্ শকুন্তলম্ নাটক ৰচনা কৰে। অভিজ্ঞায়তে অনেন ইতি অভিজ্ঞানম্ অৰ্থাৎ যি চিনৰ দ্বাৰা কাকো স্মৰণ কৰা হয় সেয়ে অভিজ্ঞান। আলোচ্য নাটকত ৰজা দুষ্যন্তৰ নামাঙ্কিত আঙঠিকে অভিজ্ঞান শব্দই নিৰ্দেশ কৰিছে। শকুন্তলম্ অধিকৃত্য কৃতং নাটকং শকুন্তলম্। শকুন্তলা নামে নায়িকাক উপজীৱ্য কৰি লিখা নাটকেই শকুন্তলম্। অৰ্থাৎ যি নাটক শকুন্তলা নামে নায়িকাক উপজীব্য বিষয় কৰি আৰু (আঙঠি ৰূপ) অভিজ্ঞানক প্ৰাধান্য দি ৰচনা কৰা হৈছে, সেই নাটকেই অভিজ্ঞানম্ শকুন্তলম্। ইয়াৰ প্ৰথম চাৰিটা অঙ্ক মালিনী নদীৰ তীৰত অৱস্থিত কাশ্যপ গোত্ৰীয় কন্ব মুনিৰ আশ্ৰমত, পৰৱৰ্তী দুই অঙ্ক হস্তিনাপুৰত আৰু শেষ অঙ্কটি হেমকূট পৰ্বতত থকা মাৰীচৰ আশ্ৰমত অনুষ্ঠিত হৈছে। হস্তিনাপুৰৰ ৰজা দুষ্যন্তই হাতত ধনু লৈ ক্ষিপ্ৰবেগে প্ৰাণকাতৰে দৌৰি পলোৱা মৃগ এটিক অনুসৰণ কৰে। ৰজাই মৃগটিলৈ বাণ নিক্ষেপ কৰিবলৈ লওঁতেই আশ্ৰমত থকা কন্বমুনিৰ শিষ্য এজনে বাধা দি ৰজাক জনালেহি যে হৰিণাটি আশ্ৰমৰ সম্পদ ঃ এতেকে তাক মাৰি ৰজাই আশ্ৰমৰ চিৰাচৰিত নীতি যেন ভঙ্গ নকৰে। ৰজাই বৈখানসৰ কথা মানিলৈ ধনুৰ পৰা বাণপাত গুচাই তূণত ভৰাই থোৱা দেখি তপস্বীজনে তেওঁক বাৰুকৈয়ে প্ৰশংসা কৰিলে আৰু ৰজাক আশ্ৰমলৈ আমন্ত্ৰণ জনালে। তেওঁ লগতে এই কথাও জনায় যে সম্প্ৰতি কুলপতি কন্ব আশ্ৰমত নাই ঃ গতিকে অতিথি সৎকাৰৰ দায়িত্ব স্বাভাৱিকভাৱে তেওঁৰ কন্যা শকুন্তলাৰ ওপৰত ন্যস্ত কৰা হৈছে। ৰজাই বৈখানসৰ আমন্ত্ৰণ গ্ৰহণ কৰে। তেওঁ ৰথৰ সাৰথিক ঘোঁৰা কেইটাৰ তদাৰক কৰিবলৈ কৈ অতি বিনীত সাজপাৰ পিন্ধি আশ্ৰমত প্ৰৱেশ কৰে। আশ্ৰমত প্ৰৱেশ কৰি তেওঁ তিনিজনী সমবয়সীয়া তাপস কন্যা ক্ৰমে অনসূয়া, প্ৰিয়ম্বদা আৰু শকুন্তলাই আশ্ৰমৰ গছ-লতিকাৰ গুৰিত পানী দি থকা দেখিবলৈ পায়। প্ৰথমে তেওঁ গছৰ আঁৰত বৈ তেওঁলোকৰ মধুৰ হাস-পৰিহাসলৈ কাণ দিয়ে। যদিও তিনিওজনী গাভৰু সমান-ৰূপ-লাৱণ্যময়ী আছিল তথাপি প্ৰথম দৃষ্টিতে মুনি কন্যা শকুন্তলাই তেওঁৰ অন্তৰ জয় কৰিবলৈ সক্ষম হয়। এটি ভোমোৰাই শকুন্তলাক আমনি কৰা দেখি পৰিহাসৰ ছলেৰে সখীয়েক দুজনীয়ে ৰক্ষক ৰজাক মাতিবলৈ কোৱাত সেই অজুহাততে ৰজাই তেওঁলোকৰ আগত ওলালগৈ। তেওঁ শকুন্তলাক অভয় দান কৰিলে। ৰজাই যথাসাধ্যে নিজৰ পৰিচয় গোপনে ৰাখি ৰাজকৰ্মচাৰীৰূপে তিনিওজনী তাপসকন্যাৰ সৈতে কথা-বতৰা পাতিলে। তাৰ মাজতে ৰজাই শকুন্তলাৰ প্ৰকৃত পৰিচয় সম্যকভাৱে জানি ল'লে। শকুন্তলা যে ক্ষত্ৰ পৰিগ্ৰহ ক্ষমা এই কথাত ৰজা বিশেষভাৱে আশ্বস্ত হ'ল। হঠাতে অৰণ্যত তোলপাৰ লগোৱা মতলীয়া হাতী ওলোৱাত শকুন্তলা সহ অনসূয়া আৰু প্ৰিয়ম্বদা এই দুই সখীয়ে ৰজাৰ পৰা সবিনয়ে বিদায় লৈ আশ্ৰমৰ কুটীৰলৈ গ'লগৈ। ৰজাই আশ্ৰমৰ অদূৰত অস্থায়ীকৈ পতা বাহৰলৈ উভতিল। অস্থায়ী বাহৰত থকা ৰজাই পিছদিনাখন বিদুষকৰ সৈতে একান্তভাৱে শকুন্তলা বিষয়ক কথা পাতিবলৈ ল'লে। ৰজাই শকুন্তলাৰ প্ৰতি ওপজা নিজৰ মনোবিকাৰৰ এটি আভাসো বিদুষকক দিলে। তাৰ মাজতে শকুন্তলাৰ ৰূপ-লাৱণ্যৰ চিত্ৰও দাঙি ধৰিলে। কি ছেলু লৈ ৰজাই আকৌ আশ্ৰমলৈ যাব পাৰে তাৰ উপায়ো তেওঁ সখীয়েক বিদুষকক সুধিলে। এনেদৰে দুয়োজনে কথা পাতি থাকোতেই আশ্ৰমৰ পৰা

দুজন ঋষিকুমাৰ আহি ৰজাৰ ওচৰত উপস্থিত হ'ল। তেওঁলোকে ৰজাক জনালেহি যে মহৰ্ষি কণ্বমুনি আশ্ৰমৰ পৰা আতৰত থকা বাবে ৰাক্ষসসকলে আশ্ৰমৰ যাগ-যজ্ঞ আদি সম্পাদনত ব্যাঘাত জন্মাইছে। সেইবাবে কেৱল সাৰথিজনক সহায় হিচাপে লৈ অন্ততঃ ইষ্টি শেষ হোৱালৈকে আশ্ৰমত থাকিবলৈ ৰজাক তেওঁলোকে অনুৰোধ কৰিলে। ৰজাই আনন্দ মনেৰে সেই আমন্ত্ৰণ গ্ৰহণ কৰিলে। আশ্ৰমৰ সুৰক্ষাৰ বাবে যাবলৈ প্ৰস্তুত হওঁতেই ৰাজধানী হস্তিনাপুৰৰ পৰা দূত এজন আহি ৰজাক জনালে যে সিদিনাৰপৰা ৪ৰ্থ দিনাখন ৰাজমাৱে এটি ব্ৰতৰ আৰম্ভণি কৰিব। সেই উপলক্ষে ৰজা ৰাজপুৰীত উপস্থিত থকাটো ৰাজমাৱে বিচাৰিছে। এই কথা শুনি ৰজাৰ দুই নাৱত দুই ভৰি যেন হ'ল। প্ৰত্যুতপন্নমতি ৰজাই নিজৰ সহোদৰৰ নিচিনা বিদুষকক ৰাজমাওৰ ওচৰলৈ পঠিয়াই দি নিজে আশ্ৰম ৰক্ষাৰ গুৰুভাৰ চম্ভালিবলৈ সাজু হৈ ওলাল। ৰজাই যোৱাৰ আগতে বিদুষকক ক'লে, 'হে সখি, ঋষিসকলক সন্মান জনাবলৈকেহে আশ্ৰমলৈ ওলালোঁ। মুনিকন্যাৰ ওপৰত মোৰ কোনো আগ্ৰহ নাই। ধেমালিৰ ছলতে কোৱা কথাবোৰৰ ওপৰত তেনে গুৰুত্ব নিদিবাহক"।




পুনৰ আশ্ৰমত প্ৰৱেশ কৰি ৰজাই শকুন্তলাৰ দৰ্শন লাভৰ বাবে আশ্ৰমৰ কুঞ্জে কুঞ্জে ঘূৰি ফুৰে। শেষত এক লতাকুঞ্জৰ আৰত সখীয়েক দুজনীয়ে পৰিচৰ্যা কৰি থকা অৱস্থাত শকুন্তলাক বিচাৰি পায়। দুই প্ৰেমাস্পদৰ মাজত মিলনৰ সেতু ৰচনা কৰি দি দুই সখী তাৰপৰা আঁতৰি যায়। এই অৱসৰতে শকুন্তলাৰ পৰা ৰজাই গান্ধৰ্ব বিয়াৰ বাবে সন্মতি আদায় কৰে। আনফালে আশ্ৰমত অনুষ্ঠিত ইষ্টি বা যজ্ঞ সমাপ্ত হোৱাত ঋষিসকলে ৰজা দুষ্যন্তক বিদায় দিছে। ৰজাই দিন-দিয়েকৰ ভিতৰতে শকুন্তলাক নিবলৈ ৰাজধানীৰপৰা মানুহ পঠিয়াবলৈ প্ৰতিশ্ৰুতি দি শকুন্তলাৰ পৰা বিদায় লৈ গৈছে। শকুন্তলাৰ ভাগ্যদেৱতাক পূজা কৰিবলৈ আশ্ৰমৰ ফুলনিত ফুল তুলি অনসূয়া আৰু প্ৰিয়ম্বদাই শকুন্তলাৰ ভৱিষ্যত জীৱন সম্বন্ধে আলোচনা কৰি থাকোতে আশ্ৰমৰ দুৱাৰ দলিত মহান অতিথি এজনৰ কণ্ঠস্বৰ শুনিবলৈ পালে। প্ৰিয়ম্বদাই ক'লে, কুটীৰত শকুন্তলা আছে, তেওঁ অতিথিজনক সোধ-পোছ কৰিব পাৰিব। কিন্তু শকুন্তলাৰ পৰা আতিথ্য-সমাদৰ নোপোৱাত শকুন্তলাক অভিশাপ দিয়ে —

"বিচিন্তয়ন্তী যমনন্যমানসা
তপোধনং ৱেত্সি ন মামুপস্থিতম্।
স্মৰিষ্যতি ত্বাং ন স বোধিতোহপি সন্
কথাং প্ৰমত্তঃ প্ৰথমং কৃতামিব।।"

(তই একান্তমনে যাৰ কথা চিন্তা কৰি থাকি উপস্থিত হোৱা তপোধন মোক নাজানিলি, বলিয়া মানুহে আগতে কোৱা কথা পাহৰি যোৱাৰ দৰে মনত পেলাই দিলেও সেইজনে তোৰ কথা সোঁৱৰণ কৰিব নোৱাৰিব।)

অভিশাপ উচ্চাৰণ কৰা শুনি দুয়ো সখী ম্ৰিয়মান হ'ল। অনসূয়াৰ নিৰ্দেশমতে প্ৰিয়ম্বদা গৈ অতিথি দুৰ্বাসাক আশ্ৰমলৈ উভতাই আনিবলৈ যত্ন কৰিলে। কিন্তু খঙাল ঋষি দুৰ্বাসা আৰু নুভতিল। শকুন্তলাৰ দোষ ক্ষমা কৰিবলৈ কৰা অনুৰোধৰ প্ৰত্যুত্তৰত অভিজ্ঞান প্ৰদৰ্শন কৰিলে শাপমোচন হ'ব বুলি কৈ দুৰ্বাসা গ'ল। দুয়োজনীয়ে দুৰ্বাসাৰ অভিশাপৰ কথা শকুন্তলা নেলাগে আন কোনো তৃতীয় প্ৰাণীক নজনাবলৈ মন বান্ধিলে।

ইতিমধ্যে কণ্বমুনি তীৰ্থভ্ৰমণৰ পৰা উভতি আহি শকুন্তলা উপযুক্ত পাত্ৰৰে সৈতে বিবাহিত হৈ অন্তঃসত্বা হোৱা কথা জানিবলৈ সক্ষম হয়। কণ্বই শকুন্তলাক পতিগৃহলৈ পঠাবলৈ আয়োজন কৰিবলৈ আদেশ দিলে। সখীসকলে শকুন্তলাক প্ৰসাধন — বিন্যাসাদিৰে সজাই উলিয়াই আৰু প্ৰৌঢ় নাৰীসকলে তেওঁক বিদায়কালীন আশীৰ্বচন দিয়ে। শাৰ্ঙ্গৰৱ,শাৰদ্বত আৰু গৌতমীৰ সৈতে কণ্বই শকুন্তলাক হস্তিনাপুৰলৈ পঠিয়াই দিয়ে। ইতিমধ্যে ৰজাৰ মনৰ ওপৰত দুৰ্বাসাৰ অভিশাপে প্ৰাধান্য বিস্তাৰ কৰিছে। আশ্ৰমবাসীসকলে ৰাজদৰ্শনৰ বাবে ৰাজদ্বাৰত উপস্থিত হয়। ৰজাই পুৰোহিতৰ

সৈতে আশ্ৰমবাসীসকলক সাক্ষাত কৰে ।মুনি দুজনে মনত কৰি দিয়া সত্ত্বেও দুৰ্বাসাৰ শাপৰ প্ৰভাৱত পৰি ৰজাই কোনোমতে শকুন্তলাৰ কথা মনত পেলাব নোৱাৰিলে। শকুন্তলাই ৰজাৰ নামাঙ্কিত আঙঠিটো ৰজাক দেখুৱাবলৈ খুজি আঙুলিত নেপাই বিব্ৰতা হৈ পৰিল। তাকে লৈ শাৰ্ঙ্গৰৱ আৰু ৰজাৰ মাজত তৰ্ক-বিতৰ্ক হ'ল। শেষত উপায়ন্তৰ হৈ শকুন্তলাক ৰাজসভাত এৰি থৈ শাৰ্ঙ্গৰৱ, শাৰদ্বত আৰু গৌতমী আশ্ৰমলৈ প্ৰত্যাৱৰ্তন কৰিলে। শকুন্তলাৰ অৱস্থা "ন যযৌ ন তস্থৌ" যেন হ'ল। মুনিসকলক অনুসৰণ কৰাৰ পৰাও তেওঁক বিৰত কৰা হ'ল। শেষত প্ৰসৱকাললৈকে শকুন্তলাক নিজ ঘৰত আশ্ৰয় দিবলৈ ৰাজপুৰোহিতে প্ৰস্তাৱ দিলে। সেইদৰে কৈ পুৰোহিতে শকুন্তলাক আগত লৈ ৰজাৰ পৰা বিদায় লৈ ওলাই গ'ল। এনে অৱস্থাত শকুন্তলাই ওপৰলৈ হাত দুখন তুলি কান্দিবলৈ ধৰিলে। পুৰোহিতৰ ঘৰলৈ খোজ লোৱা শকুন্তলাক ৰাজপথৰ পৰা এক জ্যোতিয়ে তুলি লৈ যায়।

এদিনাখন কোনো এজন মাছমৰীয়াই ৰজাৰ নামাঙ্কিত আঙঠিটো নগৰত বেচিবলৈ আনি ৰজাৰ মানুহৰ হাতত ধৰা পৰিল আৰু ৰজাৰ আৰক্ষী বিষয়াই ৰজাক দেখুৱাত ৰজাৰ শকুন্তলাৰ স্মৃতি মনত পৰিল। ৰজাই শকুন্তলাৰ বিৰহত উন্মাদ হৈ পৰা দেখা যায়। তেওঁ ৰাজ্যত বসন্তোৎসৱ নিষিদ্ধ কৰি দি দুঃখত ম্ৰিয়মাণ হৈ থকা সময়ত ইন্দ্ৰৰ সাৰথি মাতলিয়ে ইন্দ্ৰৰ শত্ৰু নিধনৰ বাবে ৰজাক নিবলৈ আহে। দুষ্যন্তই মাতলিৰ ৰথত উঠি ইন্দ্ৰৰ সাহাৰ্যাৰ্থে যাত্ৰা কৰে আৰু স্বৰ্গৰ পৰা অৱৰোহণৰ পথত তেওঁ মাৰীচৰ আশ্ৰমত প্ৰৱেশ কৰে। এনে এক মাহেন্দ্ৰক্ষণতে ৰজাৰ পুত্ৰ সৰ্বদমনেৰে সৈতে সাক্ষাৎ হয় আৰু শকুন্তলাৰে ৰজাৰ পুনৰ্মিলন হয়। পুত্ৰ-স্ত্ৰীক আগত লৈ মাতলিৰ লগত ৰজাই দেৱ-পিতৃ কশ্যপ মাৰীচ আৰু দাক্ষায়ণী অদিতিৰ সন্মুখত ওলায়। তেওঁলোকক আটায়ে সেৱা জনাই আশীৰ্বাদ লাভ কৰে। কশ্যপৰ অনুমতি লৈ সপৰিবাৰে সপুত্ৰে মাতলিৰ ৰথত উঠি ৰজাই হস্তিনাপুৰলৈ যাত্ৰা কৰে। "কালিদাসস্য সৰ্বস্বম্ অভিজ্ঞানশকুন্তলম্" — এয়া এক প্ৰৱাদ বাক্য বা আপ্তবাক্য। কোনো অজ্ঞাত কৱিয়ে এনেদৰে প্ৰকাশ কৰি গৈছে — কাব্যেষু নাটকং ৰময়ং তত্ৰ ৰময়া শকুন্তলা। খৃষ্টীয় ৫ম শতিকাত ৰচিত হোৱাৰে পৰা বিশাল ভাৰতৰ বুকুত ইয়াৰ পঠন-পাঠন, অভিনয় আৰু আবৃত্তি বেদ-পুৰাণ, ইতিহাস, গীতা — ভাগৱতৰ দৰে চলি আহিছে। ভাৰতৰ প্ৰায়বোৰ ভাষাতেই এই নাটকখনৰ অনুবাদ প্ৰকাশিত হয়। ঊনবিংশ শতিকাৰ মাজভাগত ৰাম নাৰায়ণ তৰ্কৰত্ন, নন্দকুমাৰ ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, গোবিন্দ চন্দ্ৰ ৰায়, বি.বি. গোস্বামী, হৰিপদ চৌধুৰী আৰু জ্যোতিৰ্নাথ ঠাকুৰে বঙালি ভাষাত উক্ত নাটকৰ অনুবাদ কৰিছিল। এইদৰে অসমীয়া ভাষাত এতিয়ালৈ মাত্ৰ দুটাহে শকুন্তলা নাটকৰ অনুবাদ প্ৰকাশ পাইছে। প্ৰথমটি লম্বোদৰ বৰাৰ আনটি অতুল চন্দ্ৰ হাজৰিকাৰ।

১৯০০-১৯৬১ চনৰ ভিতৰত উৰিয়াভাষাত শকুন্তলাৰ ছটা অনুবাদ, হিন্দীভাষাত পয়ত্ৰিশটামান অনুবাদ, গুজৰাটী ভাষাত পাঁচটামান অনুবাদ, মাৰাঠী ভাষাত দহটা অনুবাদ, পঞ্জাবী ভাষাত তিনিটা অনুবাদ, উৰ্দু ভাষাত পাঁচটা অনুবাদ, নেপালী ভাষাত এটা, কানাড়া ভাষাত এঘাৰটা অনুবাদ, তামিল ভাষাত এঘাৰটামান আৰু তেলেগু ভাষাত পয়ত্ৰিশটা অনুবাদ প্ৰকাশ হয়। সম্প্ৰতি ই বিশ্বসাহিত্যৰ এক উত্তম সাহিত্য নিদৰ্শনৰূপে স্বীকৃতি লাভ কৰিছে। সন্দেহ নাই যে ই কালিদাসৰ শ্ৰেষ্ঠ নাটক। কবিজনে জীৱন জুৰি উপাৰ্জন কৰা সাহিত্যিক কলা-কৌশল, নাট্য-নৃত্য বিষয়ক জ্ঞান, সমগ্ৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা, সমস্ত শাস্ত্ৰ মন্থন কৰি লাভ কৰা বিশাল অনুভৱ আৰু প্ৰতিভাময় কবিত্বৰ সমস্ত শক্তি অকল এই নাটকৰ বুকুতে একযোগে প্ৰয়োগ কৰিছে যেন অনুমান হয়। জাৰ্মান মহাকবি গে'টেই কালিদাসৰ অনুপম সৃষ্টি শকুন্তলাৰ প্ৰশস্তিৰে এটি কৱিতা ৰচনা কৰিছিল আৰু সেই কৱিতাটিৰ অসমীয়া ৰূপান্তৰ হ'ল —

বাসন্তী কুসুম আৰু গ্ৰীষ্মৰ সুপক্ক ফল
য'ত একেলগে পায়,
পুষ্ট কৰে পূৰ্ণ কৰে
বিমোহিত পৰিতৃপ্ত কৰে মন-প্ৰাণ,
স্বৰগ মৰত য'ত হয় একেঠাই
হে শকুন্তলা, সেই কথা ক'বলৈ
তোমাৰেই নাম মই ল'ম সতকাই ।

বিদ্যোৎসাহী ইংৰাজ সিভিলিয়ান তথা তৰুণ আইন বিশাৰদ উইলিয়াম জোন্স ১৭৮৩ চনত ভাৰতৰ সুপ্ৰিম কোৰ্টৰ বিচাৰকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে তেখেতৰ মাতৃভাষাৰ ইংৰাজীৰ বাহিৰেও গ্ৰীক, ল্যাটিন, পাৰ্চী, আৰবী আৰু হিব্ৰু ভাষাতো সুপণ্ডিত আছিল। নদীয়া জিলাৰ নৱদ্বীপৰ প্ৰখ্যাত পণ্ডিত ৰামলোচনৰ ওচৰত সংস্কৃত আৰু বেদ অধ্যয়ন কৰিছিল আৰু জগন্নাথ তৰ্কপঞ্চাননৰ ওচৰত ধৰ্মশাস্ত্ৰ আৰু হিন্দু আইন বিষয়ত শিক্ষা গ্ৰহণ কৰিছিল। ১৭৮৯ চনত উইলিয়াম জোন্সে

মহাকৱি কালিদাসৰ অভিজ্ঞানম্ শকুন্তলাৰ ইংৰাজী অনুবাদ কৰিছিল আৰু তেওঁ কৰা অনুবাদৰ নাম আছিল "Shakuntala or the fatal Ring"। ১৭৯১ চনত এই নাটকখন জাৰ্মান ভাষালৈ অনুবাদ কৰিছিল তেওঁ কৰা অনুবাদৰ ফলত ইউৰোপত এক বিশাল আলোড়ন সৃষ্টি হৈছিল। পাশ্চাত্যবাসী ভাৰতীয় অন্যতম শ্ৰেষ্ঠ নাট্যকলা অভিজ্ঞানম্ শকুন্তলাৰ ৰস মাধুৰ্যত যিমান বিস্মিত হৈছিল, সিমান মুগ্ধও হৈছিল। সংস্কৃত সাহিত্যৰ এই অমূল্য ৰত্ন পাশ্চাত্যবাসীৰ ইমানেই আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিছিল যে ১৭৯৩ চনৰ পৰা ১৮০৭ চনৰ ভিতৰত একমাত্ৰ ইংলেণ্ডতেই শকুন্তলা নাটকৰ পাঁচটা-পাঁচটা সংস্কৰণ প্ৰকাশিত হয় আৰু সমগ্ৰ ইউৰোপ জুৰি বাৰটা ভাষাত ছয়ছল্লিশটা সংস্কৰণ প্ৰকাশিত হয়। উইলিয়াম জোন্সৰ অনূদিত অভিজ্ঞানম্ শকুন্তলাই আমেৰিকা আৰু ফ্ৰান্সৰ কবিসকলোকো সমানভাৱে প্ৰভাৱিত কৰিছিল। জোন্সৰ ৰচনাত উৎসাহিত হৈ ফ্ৰান্সৰ বিদ্বদবৰ্গ ভাৰতীয় সংস্কৃত সাহিত্যৰ প্ৰতি প্ৰগাঢ় আকৰ্ষন অনুভৱ কৰিছিল। জিন-জ্যাক এম্পায়ৰ নামৰ এজন ফৰাচী পদাৰ্থ বিজ্ঞানী চাৰ জোন্সৰ ভাৰতীয় সাহিত্যৰ অনুবাদ পঢ়ি ভৱিষ্যত বাণী কৰিছিল— Indian thought would introduce another Renaissance in his own time. (বিবেকানন্দ কেন্দ্ৰ পত্ৰিকা, আগষ্ট ১৯৭৭ পৃঃ ৩১৪)। আল্লোস ডি লা মাৰ্টিন (১৭৯০-১৮৯৬) জোন্সৰ প্ৰভাৱত প্ৰভাৱিত হৈ বহুতো সংস্কৃত কাব্য সাহিত্যৰ ফৰাচী অনুবাদ কৰিছিল। শকুন্তলা নাটকৰ উচ্ছ্বসিত প্ৰশংসা কৰি কবি লা-মাৰ্টিনে মন্তব্য কৰি কৈছিল যে — তেওঁ মন কৰিছে যে এক শকুন্তলা নাটকতেই বিশ্বৰ তিনিজন প্ৰতিনিধি স্থানীয় কবি হোমাৰ, থিউক্লিটাস আৰু ট্যাসোৰ ভাৱনাৰ সমাহাৰ ঘটিছে।

ফ্ৰান্সৰ এক প্ৰখ্যাত প্ৰশাসক, ব্ৰুগেইৰ ডে সোৰসাম উইলিয়াম জোন্সৰ শকুন্তলা নাটকৰ ইংৰাজী অনুবাদ পাঠ কৰি নিজেও সাহিত্য ৰচনাত প্ৰবৃত্ত হৈছিল। তেওঁ ১৮০৬ চনত শকুন্তলা নাটকৰ ফৰাচী অনুবাদ কৰিছিল।

উইলিয়াম জোন্সৰ পিছত আৰু এজন ইংৰাজ পণ্ডিতে অভিজ্ঞানম্ শকুন্তলমৰ ইংৰাজী অনুবাদ কৰিছিল, তেওঁ হ'ল ছাৰ মণিয়ৰ মণিয়ৰ উইলিয়মসে (Sir Monier Williams -1819-1899)। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ দ্বিতীয় বোডেন প্ৰফেচৰ মণিয়ৰ উইলিয়ম ভাৰতলৈ আহি সংস্কৃত ভাষাৰ মাধুৰ্যত ইমানেই মুগ্ধ হৈ পৰিছিল যে তেওঁ ভাৰতীয় প্ৰজ্ঞা আৰু সংস্কৃত সাহিত্যৰ ইংৰাজী অনুবাদ কৰি পাশ্চাত্যত সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰিছিল। তেওঁ ১৮৪৯ চনত মহাকবি কালিদাসৰ বিক্ৰমোৰ্বশী নাটক আৰু ১৮৫৩ চনত অভিজ্ঞানম্ শকুন্তলা নাটকৰ ইংৰাজী অনুবাদ প্ৰকাশ কৰিছিল। শকুন্তলা নাটকৰ জনপ্ৰিয়তাৰ কাৰণে ১৮৭৬ চনত দ্বিতীয় সংস্কৰণ পুনঃ প্ৰকাশ কৰিছিল। ছাৰ মণিয়ৰ মণিয়ৰ উইলিয়মসে তেওঁৰ অনুদিত শকুন্তলা নাটকৰ "Shakoontala or The Lost Ring" নামকৰণ কৰিছিল।

শকুন্তলা নাটকৰ ইংৰাজী অনুবাদ প্ৰকাশনৰ ভূমিকাত ছাৰ মণিয়ৰ মণিয়ৰ উইলিয়মসে লিখিছিল — "The most celebrated drama of the great Indian Shakespere. The need felt by the British public for such a translation as I have here offered the most popular of the Indian dramas, in which the customs of the Hindus, their opinions, prejudices, and fables, their religious rites, daily occupations, and amusements are reflected as in a mirror" (Shakoontala,xi-xii).

গতিকে ক'ব পৰা যায় যে ভাৰতবৰ্ষৰ বিভিন্ন ভাষাৰ উপৰিও দেশ-বিদেশৰ বিভিন্ন ভাষাত মহাকবি কালিদাসৰ লেখনী প্ৰসূত ভাৰতীয় কন্যা শকুন্তলাৰ স্নিগ্ধ, সংযত, লাৱণ্যময় কাহিনীৰ অনুবাদ হোৱাৰ লগতে চৰ্চাও হৈছে। ■■

# The Art of Writing a Letter

**Dr. Runjun Devi**
Associate Professor, Department of English



My dear student friends,

At the very outset I would like to greet you with the aim to take you all to a wonderful world of 'letters'. You know that we have twenty six alphabets in English and with the help of all we create an oeuvre of literary works. Assamese byonjonborno and sworoborno are used to express our thoughts in our mother tongue rather I would say mother language. With these alphabets we compose sentences to communicate, sentences in answer scripts to get good marks in examination, administrators compose sentences to convey messages to his subordinates. Thus we understand the importance and significance of alphabets in the day to day activities of students, academicians, teachers, bureaucrats, statesman and all sections of people. Do you know that these alphabets are used in letter writing also? Ok, let me know, dear student friends, how many of you have written a letter to someone? Either to father,or to mother, or to brother or to friend and the like? I can bet that being the new generation kids and born in the era of laptop, mobile, wi fi,twitter, face book, Instagram and many more social platforms most of you are used to, you have never written a letter. Of course, in a lighter vein, I must say that the phrase, "a man of letters " does not necessarilly suggest a man who writes a letter but it means a person who is well educated and have gathered wisdom out of his academic pursuit, and exhibits his ability to handle all situations as a thinker.

Today I have started to express some of my concerns about why at present letters are becoming more or less an extinct (animal) and how the way of addressing, 'moromor deuta' or 'moromor maa' in the beginning of a letter by a son staying in the

distant place either to study or for work is felt missing. It is my humble observation that there is a need to make a bonding with our people, by writing letters because letters keep us in the warmth of love, affection, responsibility, laughter and happiness of the real world which is different from the virtual world. You will never understand how the envelops bearing one's name transformed woes to wonder of joy. The letters which we call 'chithi' in Assamese and in Hindi it is called 'chiththi' or 'khat' is a 'metaphor of a messiah'. However letters written mourning something or someone's demise create melancholy and pensive mood in the receiver. The point I would like to say that it is the time to learn and revive the traditional way of writing letters to stay away from the virtual world which is illusive in nature. My dear students, let us ponder into the ideas of how and why we must communicate with people in the real world, and how we need not indulge in the comfort of the virtual world'. Hence to convey my feelings, I have written this letter as a literary vehicle to introduce and take you to the world of friends, philosophers, guides and relatives. And I hope that you will certainly understand why we must learn the art of writing letters, and how and why letter is considered not only as an important medium of communication but also a genre of literature. Besides, one needs to know the reasons why letter writing is an artistic pursuit that enables the reader/ receiver dive into the minds of the writer, and most of the time series of letters written by a person to one or different personalities are studied as social documents also in course of time. It happens in case of famous personalities, specially polítical figures like Mahatma Gandhi's letters are important social records of colonial era and these are studied as a part and parcel of literature.

According to the lexicon a letter is defined in the following manner,

"a letter is a written, typed or printed communication, sent in an envelope by post or by messenger"1.

Now we must know that there are two types of letters :

1. Formal letters.
2. Informal letters

Formal letters are known as business letters or professional letters which are written in formal language which have prescribed and stipulated formats. But informal letters are personal which are more or less friendly in nature, and this group of letters are written to persons with whom the writer is familiar.

There are different parts of a letter which are known as

- Heading : Return address with date
- The inside address where the letter will be sent to
- The greeting or salutation
- The body/main part of the letter
- The complementary close
- The signature line

Generally as students most of you are acquainted with writing business letter in some point of your student life just asking the Principal/ Head master for permission to go on leave, or requesting him to allow you to play in a chess championship game, or asking him to give you a character certificate and the like. For formal letters we need not worry because we know how to communicate with the authority.

My objective is to encourage you, dear students, to write informal letters, to bring back the glory of the post offices and the post men and I am trying to focus on the art of writing or learning the informal or personal letter since today's kids have not understood how letters are also considered as social documents. As a student (I feel myself more of a student than of a teacher although I have completed thirty two years as a teacher and I have a lot to learn from this wide universe. In this sense I am always a student) of English literature, many letters written by Mahatma Gandhi, Jawaharlal Nehru, Winston Churchill, Ashutosh Mukherjee, Emily Dickinson, Bertrand Russel, Nirad C. Choudhury and the like were studied and keenly observed by me, and the concepts/treatment of diverse themes of those letters really became clear in my observation and I started to revisit the past through those epistles. It has become opaque in my vision how and why the art of letter writing is a subject to study and to teach it painstakingly. Perspectives of those eminent personalities written in their letters recorded contemporary time and the events tied up by the thread of social history along with personal feelings. Jawaharlal Nehru's book, Letters from a Father to his Daughter (1928) was the result of his untiring effort to teach his daughter,

Indira Priyadarshini who was ten years old and how the nationalist father spoke to her through this strong medium of letter writing when he was in jail under the British rule. Glimpses of World History(1934) also is the result of same enthusiasm of Nehru who tried to give his best to his daughter while he could not teach her directly. These two books written in epistolary form may be considered as texts of distant learning as one of the objectives of father Jawaharlal was to impart knowledge to his little daughter through these letters which had the themes of history to science and affectionate advices. Nobel Laurette of India, Rabindranath Tagore wrote letters to Gandhiji voicing his concern for Bapuji and Indians who suffered from the brutal treatment of the Raj during nationalist struggle of India and Jaliwanwala Bagh massacre under the supervision of General Dyre and how Indians needed Gandhiji and how Tagore returned his knighthood to the Empire. Although these were personal or informal letter having the respect and feelings for one another yet they reflected the India's subjugation and the communication speaks of the much needed freedom for the country. Sir Ashutosh Mukherjee's letter to British Viceroy implied his stand for the need of higher education in the colonial India. Thus we may understand the context and relevance of these significant letters which are narrative in prose enlightening the period we read about and providing us an insight into the past. The diverse themes of the aforesaid letters enable the readers to revisit the bygone era of subjugation, exploitation, determination, nationalist movement of India and the ideologies of Gandhiji which were based on truth and nonviolence. Thus their personal letters are being studied as social documents in poatcolorial period.

In literature, in song or in drama as well, we see how a letter is made a vehicle of expression of deep seated agony or exuberance of happiness. Many times I have read the poem, 'Mamatar Chithi' written in epistolary structure written by the poet who was also a statesman, Hem Baruah, narrates the agony of a young widow who writes a letter to her deceased husband. The letter in the form of a prose in poem (kotha kobita) enlivens the desire, emptiness, lonesome life of a young widow with her only son. How touching the vocabulary Hem Barua uses to pen down the agony of Mamata who addresses her dead husband as if he is alive. The way Hem Barua mesmerises the readers is praiseworthy as well as description of the birth of goats and her seven year old son's teething incorporates some hope for Mamata and it adds a new matrix to Assamese literature. I would like to illuminate one aspect of personal letter that is written to near and dear ones. When we were young we learnt to write letters to friends, relatives and all, narrating our summer break adventures or examinations after that. Even teen aged boys and girls wrote letters and sent these via mediators. If delivered safely, things were fine, if caught red handed, rest is not assured as well defined. These were called love letters in popular terms and the innocent expressions of the too young people were reflected in their letters, paankha lo chun khalo aru khalo long, kauri thengiya akhor dekhi nokoriba khong. Couplets like the above always validated the ending of these so called love letters written by amateur lovers. Of course these letters were poetic in expression and the receiver also tried his/her best to be more and more poetic to make impression on the other in the responsive letter to give a counter to the writer. As the lovers were young, the girls were given in marriage to grooms chosen by family and if they were daredevils, union between the innocent souls became possible. In the first Assamese sonnet, Priyatomar Chithi, Hemchandra Goswami penned down these immortal lines, Kukura thengiya sei akhorkitit ji omiya ghoha ase aru kotu nai... that again speaks of the undercurrent of tranquil soul, inner peace as well brought even by bad handwriting of the beloved. Down the ages, or since time immemorial, the art of writing love letters is a 'must have' inliterary competition in college week in different colleges what we call the 'Neela khamor Chithi'and it obviously proves why letters/ chithi always get attention from litterateurs and critics as well, Even William Shakespeare has immortalised the art of writing a love letter in his play, Hamlet and how Hamlet ascertained his love in a letter to his beloved Ophelia,

Doubt thou the stars are fire,
Doubt that the sun doth move,
Doubt truth to be a liar,
But never doubt I love

(act 2, scene 2, Hamlet).

However in the informal letters after addressing the receiver of the letter, the letter writer analyses the wellness, purpose of writing the letter and plans for future etc. Earlier the married daughter received letters from mother, father, brother and kith and kins after certain intervals. She eagerly waited for the trilling trilling sound of the bell of postman's bicycle and after the delivery of the letter she went into her room to feel mother's breathe and breast, and see her smile and if she received the letter in the dusk she could sing the numero uno lyrics penned down by Nirmalprabha Bordoloi,

Sandhiyar akashot bogoli ure,
Aaire ghoroloi monote pore.
Aaire matote chenehor dhou
O deutar matote boroshe mou.

I still possess letters written by my mother and father when I came to stay in CG2 and studied in Cotton college and in Gauhati University from 1982 to 1990. These are my precious possessions and more valuable than jewellery to me. Now-a-days we see less of the post offices and the post men because internet sends a letter at the clicking of a key instantly. But we, the old people accustomed with letter writing cannot forget the legacy of these as well as inland card, post card, envelope, tickets which are necessary to make a letter complete. Our own Khagen Mahanta commemorated the postman in his famous song,

'Chithir boja moi pithit bandhi loi
poror cheneh korhiyao,
mor he chenehiye kinu bhabise
taar eko gomoke nepao.'

The duty of the post master is to deliver the letters but he is away from his beloved and he never receives any letter from her and he is unable to understand what she thinks about his absence.

I would like to quote two lines from the poet, Hiren Bhattacharyya, 'Bosontor sou ronga daak bakos tot Aji moi hemantate likha chithi khon di thoi ahiso, Dukhor sothik thikona bosontoi janosa jane.'

The poet has spoken about the red post box here. With all these positive aspects felt by me and poet, lyricists, singer, academician, statemen why should we stay behind, dear student friends? Let us start to revive the art of letter writing. Who knows one of you may be famous like Richrdson, the British novelist who wrote the novel, "Pamela; or, Virtue Rewarded" (1740) in letter form that is known as epistolary novel.

Dr. Bhupen Hazarika, the cultural icon of India has rightly lamented in a song addressed to a female letter writer,

'Potrolekha, potro tumi nilikha hola,
Hoytu mor purona thikona,
tomar monot nai,
Kimba tumi pahoriye gola ... potrolekha...
Our heartthrob Zubeen Garg too sings,
Akashe diya rodore chithi,
Matiye jana lole saboti, pohoror chiyahi...'

An Assamese singer sings, 'Chithi palo, porhichalo, ei tumi ahiba, chuli baandho ne randho ne hahoo tomar karone...' narrates a wife's happiness after receiving a letter from her husband who would reach home. But the irony is that the letter arrives just before the arrival of her husband and now what will she do? Shringer or managing the house? Even Kalidasa has used the form of letter to write the epic, Meghdootom where we see the Yoksho writing letters to his wife as he was in exile away from his newly wedded wife and he requested the clouds to carry his heart's pain at the separation to her.

I am fond of the Hindi song,

'Likha jo khat tujhe, o teri yaad me, hajaro rongo se, sitaro bon goye...'

The handsome actor Sashi Kapoor offers his emotional happiness to Asha Parekh , the lady love in the movie, Kanyadaan.

Thus we have so many positive points to start writing a letter.

My dear students, let us write a letter to maa, a letter to deuta, to friends, and let us celebrate our personal style of writing a letter like Moromor maa, Mor sewa janibo. Moi bhale aso. Asha koro aponalok kushole ase...

Punor seware,
Aponar moromor jiyori,
Runjun
3/10/2023

My best wishes to you, dear students friends. ■■



# অসমীয়া সংস্কৃতিত চোতাল

**হিয়া শৰ্মা**
অসমীয়া বিভাগ, তৃতীয় ষান্মাসিক

চোতাল, অসমীয়া সমাজ জীৱনৰ লগত সনা-পোটকা হৈ থকা এটি শব্দ। এখন আদৰ্শ অসমীয়া গৃহস্থিৰ প্ৰথম শোভা হ'ল চোতালখনক কেন্দ্ৰ কৰি গঢ়ি উঠা এক শৃংখলাৱদ্ধ পৰিৱেশ। অসমীয়া সমাজৰ বাবে চোতালখন এক অপৰিহাৰ্য অংগ। অসমীয়া মানুহৰ ঘৰ এখনত সন্মুখফালে আৰু পাছফালে কিছু পৰিমাণে পৰিষ্কাৰ মুকলি ঠাই ৰাখে, যিখিনি ঠাইক 'চোতাল' বোলা হয়। গাঁৱলীয়া ঘৰ এখনত চোতাল এখন নহ'লেই নহয়। অৰ্থ এনেভাৱে দিয়া আছে — ঘৰৰ সন্মুখৰ সমান ঠাই। অসমীয়া মানুহৰ বিভিন্ন আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বণ, ধৰ্মীয় কৃত্য আদি সম্পাদন আৰু নানা কাৰ্যৰ বাবে চোতালখন অতি প্ৰয়োজনীয়। নগৰীয়া সমাজত গাঁৱৰ তুলনাত স্থানৰ অভাৱ যদিও তেওঁলোকে চোতালৰ লগত সম্পৰ্কিত নানা কৃত্য অকণমান ঠাই উলিয়াই হ'লেও সম্পাদন কৰে। অসমীয়া সমাজৰ কোনো ব্যক্তিয়েই চোতালৰ আৱশ্যকতাৰ কথা নুই কৰিব নোৱাৰে। কৃষিৰ লগত মাটিৰ লগত জড়িত মানুহখিনিৰ চোতালৰ সৈতে সম্পৰ্ক নিবিড়। আঘোণৰ সোণালী লখিমীক পথাৰৰ পৰা দাই আনি যেতিয়া চোতালত ৰাখি থয় তেতিয়া দাৱনীয়ে শাওনীয়া ভৰা ৰ'দৰ কথা পাহৰি যায়। নৰাৰ পৰা ধান পৃথক কৰিবৰ বাবে মৰণা মাৰি গৰুৰ পিছে পিছে ঘূৰি ফুৰা, মৰণাৰ অন্তত দম কৰি থোৱা খেৰত চুচৰি-বাগৰি ওমলাৰ আনন্দকণ এই চোতালৰ পৰাই ল'ব পাৰি। সন্ধিয়া সময়ত অলপ সময়ৰ বাবে গোহালিৰ গৰুকেইটা যেতিয়া খুটি পুটি পাছ চোতালত



বন্ধ হয় ই ঘৰখনলৈ অন্য এক সৌন্দৰ্য কঢ়িয়াই আনে। পুৰণি লোকবিশ্বাস মতে বৰষুণ নহ'লে এই চোতালতেই প্ৰাপ্ত বয়স্কসকলে কড়ি খেল খেলে, যাৰ ফলত বৰষুণ হয় বুলি বিশ্বাস কৰা হয়। ব'হাগ বিহুত গৃহস্থৰ কুশলৰ অৰ্থে আৰু আনন্দৰ বাবে এই চোতালতে বিহু হুঁচৰি গোৱা হয়। গতিকে চোতাল অসমীয়াৰ বাবে কিমান গুৰুত্বপূৰ্ণ সেয়া আমি অনুধাৱন কৰিব পাৰো।

দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজখিনি চোতালতে সম্পন্ন কৰা হয়। জন্ম, মৃত্যু, বিবাহ এই তিনিও কৰ্মৰ কাম-কাজখিনি চোতালতে সম্পন্ন কৰা হয়। সেয়েহে পুৱা কোনো সদস্য শুৱাৰ পৰা নুঠোতেই ঘৰৰ বোৱাৰীগৰাকীয়ে বাহী চোতালখন সৰা-মচা কৰি দিনটোৰ কাৰণে সাজু কৰি তোলে। বাহী চোতালত কোনো পুৰুষ সদস্যই ভৰি দিব নাপাই বুলি অসমীয়া সমাজত অতীতৰে পৰা মানি অহা হৈছে। প্ৰতিজন গঞা অসমীয়াৰ আৱেগ-অনুভূতি, চিন্তা-চেতনা জড়িত হৈ থাকে এই চোতালৰ লগত। নৱজাতকৰ সূৰ্য দেখুওৱা উৎসৱ, নামনিৰ গণনি উৎসৱ, বিবাহ, মৃতকৰ শ্মশান যাত্ৰাৰ প্ৰাক্‌কৰ্ম, মৃতকৰ দহা কাজ, গৰখীয়া সকাম আৰু বহুবোৰ পূজা-পাৰ্বণৰ কৃত্য চোতালতে সম্পন্ন কৰা হয়।

আগতে গ্ৰীষ্মৰ নিশা চোতালত ঢাৰি-পাটী পাৰি আইতা-ককাই নাতি-নাতিনীক সাধু কথা শুনাইছিল। গাঁৱৰ বুঢ়া-মেথা কেইজনেও গা জুৰ পেলাবলৈ গৈ কোনোবা এঘৰৰ চোতালতে বহি মেল মাৰে। গাঁওখনৰ ইমূৰৰ পৰা সিমূৰলৈ খেতিৰ আলোচনা কৰে। একেদৰে জাৰকালি এঘৰৰ চোতালৰ এমূৰত জুই ধৰি জুই পুৱাই, এইবোৰৰ আমেজেই সুকীয়া। সময় যিহেতু পৰিৱৰ্তনশীল গতিকে পুৰণি ৰীতি-নীতি পৰম্পৰাবোৰৰো সালসলনি ঘটিল। সময়ৰ তাগিদাত কৰ্মৰ তাগিদাত মানুহ চহৰমুখী হৈ পৰিল। তাহানিৰ চোতাল গুছি এতিয়া চহৰত মিলিব পৰাকৈ ওখ ওখ অট্টালিকা গঢ়ি উঠিল। পৰিৱৰ্তন আৰু ক্ৰমশঃ বাঢ়ি অহা ব্যস্ততাই কিছু পৰিমাণে চোতালৰ আদৰ হ্ৰাস কৰিলে। তথাপি অসমীয়া সমাজত চোতালৰ যি ঐতিহাসিক মূল্য আৰু মৰ্যাদা সেয়া মানুহৰ মনৰ মণিকোঠাৰ পৰা কেতিয়াও হেৰাই নাযায়। ■■



# অসমৰ অৰ্কিড

**ধীৰাজ বড়ো**
উদ্ভিদ বিজ্ঞান বিভাগ, তৃতীয় ষান্মাসিক

জৈৰ বৈচিত্ৰ্যৰ আকৰ অসমৰ গাঁৱে-ভূঞে তথা বনাঞ্চলত অনেক প্ৰজাতিৰ অৰ্কিড দেখা পোৱা যায়। ইয়াৰে কিছুসংখ্যক অৰ্কিডে অসমৰ সংস্কৃতিতো বিশেষ স্থান অধিকাৰ কৰি আহিছে। উদাহৰণ স্বৰূপে, কপৌফুলৰ (Rynchostylis retusa) কথা ক'ব পাৰি। ৰঙালী বিহুৰ এক অপৰিহাৰ্য অংগ কপৌফুল অবিহনে বিহুৱতীৰ সাজ-সজ্জাই, বিহু উদ্‌যাপনে পৰিপূৰ্ণতা নাপায়। তেনেদৰে ভাঁটৌফুলৰো (Vanda Cocrulea) অসমীয়া সমাজত সমাদৰ আৰু চাহিদা যথেষ্ট।

অৰ্কিড অৰ্কিডেচি' নামৰ গোত্ৰৰ অন্তৰ্গত এবিধ একবীজপত্ৰী উদ্ভিদ। ৰং-বিৰঙী মনোমোহা ফুলবোৰৰ একক সজ্জাৰ বাবেই এইবোৰক পৃথক শ্ৰেণীৰ মৰ্যাদা দিয়া হৈছে। অৰ্কিড ফুলৰ তিনিটাকৈ বেটুপাত আৰু পাহি থাকে, বেটুপাত তিনিটা সমান আকৃতিৰ কিন্তু এটা পাহি ৰূপান্তৰিত যাক ওঁঠ বুলি কোৱা হয়। এই বেটুপাত আৰু পাহিকেইটা এনেদৰে একান্তৰভাৱে সজ্জিত হৈ থাকে যে দেখাত ছটা পাহিৰ ফুল যেন ধাৰণা হয়। বেছিভাগ অৰ্কিডেই পৰাশ্ৰয়ী, অৰ্থাৎ অন্য গছত আশ্ৰয় লৈ থাকে যদিও কিছুমান স্থলজ অৰ্কিডো পোৱা যায়। তেনেদৰে মৃত বা পঁচা গছত আশ্ৰয় লোৱা অৰ্কিডো আছে। পৰাশ্ৰয়ী অৰ্কিডসমূহে শিপাত থকা 'ভেলামেন' নামৰ বিশেষ তন্ত্ৰৰ সহায়ত বতাহৰ পৰা জুলীয় বাষ্প আহৰণ কৰে।

ভাৰতত পোৱা ১,৩১৪ মান প্ৰজাতিৰ ভিতৰত ৭১ গণৰ প্ৰজাতি কেৱল অসমতহে পোৱা যায়। তেনে কেইবিধমান অৰ্কিড প্ৰজাতি হ'ল ঃ ফেলেনোপছিছ মাষ্টাৰ্ছি (Phalaenopsis masterisii), ডেনড্ৰবিয়াম মিছেৰাম (Dendrobium miserum), এৰিয়া পুমিলা (Eria Pumila), ইউলোফিয়া কেনডিডা (Eulophia candida), ফলিডটা কেলচিয়েটা (Pholidata calceata), পেফিঅ'পেডিয়াম স্পাইচেৰিয়োনাম (Paphiopedium spicerianum), টাইনিয়া বাৰবাটা (Tainia barbata), বাল্বোফাইলাম অবেৰিয়েনাম (Bulbophyllum oberienianum) আদি। অসমৰ কাছাৰ, কাৰ্বি আংলং, দিহিং-পাটকাই, নামবৰ আদি অঞ্চল অৰ্কিডৰ ক্ষেত্ৰত চহকী।

অসমত পোৱা অন্যান্য দুষ্প্ৰাপ্য পৰাশ্ৰয়ী অৰ্কিডৰ ভিতৰত উল্লেখযোগ্য হৈছে বাল্বোফাইলাম এপোডাম (Bulbophyllum apodum), ক্ৰিছোগ্লাছাম আৰনেটাম (Chrysoglassum ornatum), ক্লেইছোষ্টমা লিনেৰিলোবেটাম (Cleisostoma linearibatum), ক্লেইছোষ্টমা ছিমণ্ডি (Cleisostoma simondii), ছাৰকান্তাছ টেৰেটিফোলিয়াছ (Sarcanthus teretifolius), ক্লেইছোষ্টমা ছেইডেনফাডেনি (Cleisostoma seidenfadenii), কটন চেম্পিয়নি (Cotton



championii), ডিপ্লোপ্ৰৰা চেম্পিয়নি (Diptoprora Championii), এৰিয়াকোনেটা (Erioconnata), এৰিয়া ফেৰুজিনিয়া (Eria ferruginea), চাৰকোছিলাছ ক্ৰেপিডিফোৰমিছ (sarcochilus crepidiforms), ইউপ্ৰবোছিছ পিগমিয়া (Euproboscis pygmaea), থ্ৰিকছস্পাৰনাম নোটেমইল (Thrixspermum notabile), থ্ৰিকছস্পাৰনাম পিগমিয়াম (Thrixspermum pygmacum) ইত্যাদি। আপুৰুগীয়া স্থলজ অৰ্কিডৰ ভিতৰত কোলাবিয়াম ছাইনেনছ (Collabium chinesne), ইপছিয়াৰায়ানা (Ipseawarayana), বাঁহ অৰ্কিড (Arumdina graminifolia), কেলেন্থে মাচুকা (Calanthe masuca) আদিয়ে প্ৰধান।

অপৰূপ সৌন্দৰ্য তথা বৈচিত্ৰ্যৰ উপৰি বহু অৰ্কিড প্ৰজাতিৰ বনৌষধি হিচাপেও সমাদৰ আছে। অৰ্কিডত থকা ঔষধি গুণসম্পন্ন বিভিন্ন ৰাসায়নিক উপাদানে নানা ৰোগ নিৰাময়ত সহায় কৰে। উদাহৰণ স্বৰূপে অসমীয়া সমাজত সকলোৰে প্ৰিয় অৰ্কিড কপৌফুলৰ শিপা আৰু ফুল উভয়ৰে ঔষধি গুণ আছে। ইয়াৰ শিপা হাড়ৰ বিভিন্ন ৰোগ নিৰাময়ত পৰম্পৰাগতভাৱে ব্যৱহাৰ হৈ আহিছে। তদুপৰি কপৌফুলৰ ৰসে জণ্ডিচ, শ্বাসতন্ত্ৰৰ সমস্যা, পেটৰ অসুখ, কাঁহ, জ্বৰ, বিষ, বাতৰোগ নিৰাময়ত সহায় কৰে বুলিও জনা যায়। তেনেদৰে ডেন্দ্ৰেবিয়াম ক্ৰুমেনেটিভ (Dedrobium crumenative), ইউলোফিয়া কেম্পেছট্ৰিছ (Eulophia campestris), আৰ্কিৰ্ছলোটিফোলিয়া (Orchislatifolia), ভেণ্ডাৰক্সবাৰ্ঘি (Vanda roxburgii) আৰু ভেণ্ডা টেছ্লাটাৰ (Vanda tesscuata) ঔষধি গুণ সম্পৰ্কেও বৈজ্ঞানিক তথ্য পোৱা গৈছে।

শেহতীয়াকৈ বহুসংখ্যক অৰ্কিডেই প্ৰাকৃতিক পৰিৱেশ ধ্বংস, উদ্যোগিকৰণ, প্ৰদূষণ আদিৰ বাবে বিপন্ন হোৱাৰ পথত। আই ইউ চি এনৰ ৰঙা তালিকাত বিপন্নপ্ৰায় (endengered) বুলি চিহ্নিত কৰা অসমৰ অৰ্কিড প্ৰজাতিসমূহ হ'ল — এপ্লেটোনছ পাফিঅ'পেডিলাম (Appleton's paphiopedilum), চাৰ্লছৰ্ম পাফিঅ'পেডিলাম (charlesworth paphiopedilum), স্পাইৰাছ পাফিঅ'পেডিলাম (Spicer's paphiopedilum) আৰু চামিং পাফিঅ'পেডিলাম (Charming paphiopedilum)। তদুপৰি এই তালিকাত ৰিল'জ পাফিঅ'পেডিলাম (Villose pahiopedilum) নামৰ অৰ্কিডবিধকো অসুৰক্ষিত ৰূপে (vulnerable) গণ্য কৰা হৈছে। এই আপুৰুগীয়া অৰ্কিডসমূহৰ স্থিতিৰ সঠিক তথ্য সংগ্ৰহ তথা ইয়াৰ ভাবুকিসমূহ নিয়ন্ত্ৰণ কৰি সংৰক্ষণ কৰাটো অতীৱ প্ৰয়োজনীয়। ■■



# Sattriya : Classical dance form of Assam

**Jurismita Deka**
3rd semester, History Department

Sattriya is one of the classical dance forms of India, hailing from the northeastern state of Assam. It is a dance tradition that is not only an artistic expression but also a spiritual and cultural phenomenon. Its origins can be traced back to the 15th and 16th centuries when the great Assamese saint and reformer Srimanta Sankardev initiated a religious and cultural movement known as the Bhakti movement in Assam. Sattriya was an integral part of this movement, which aimed to promote devotion to the single deity Vishnu (or Krishna) through various art forms, including music, dance, drama, and literature.The term "Sattriya" derives from the word "Sattra," which refers to the Vaishnavite monasteries established by Sankardev and his followers. These Sattras were not merely religious institutions but also cultural centers where the arts flourished. Sattriya dance was initially performed within the confines of these monasteries by male monks known as Bhakats (Devotees). The dance was a form of worship and a means to communicate religious messages, often depicting the life and teachings of Lord Krishna. It was performed during various rituals and ceremonies, particularly during the evening prayers, and was an essential aspect of the spiritual life in these Sattras.The evolution of Sattriya as a classical dance form has been a complex process, influenced by the socio-cultural and political changes in Assam over the centuries. Initially, it was confined to the Sattras and was not known outside these religious institutions. The dance was passed down orally from one generation of Bhakats to the next, with strict adherence to the traditions and rules established by Sankardev and his disciple Madhavdev. The dance form remained relatively obscure for centuries, known only to the devotees and practitioners within the Sattras.

However, in the 20th century, Sattriya began to emerge from the confines of the monasteries and gain recognition as a classical dance form. The Indian cultural renaissance and the efforts to revive and promote indigenous art forms played

a crucial role in this transformation. Scholars, artists, and cultural enthusiasts began to study Sattriya, documenting its history, techniques, and repertoire. The dance form was gradually adapted for the stage, with performances being held outside the Sattras for a broader audience. This shift from a purely ritualistic practice to a performance art marked a significant turning point in the history of Sattriya.The recognition of Sattriya as one of the eight classical dance forms of India by the Sangeet Natak Akademi in 2000 was a milestone in its evolution. This acknowledgment was not merely a formality but a validation of the rich cultural heritage and artistic value of Sattriya. The dance form has since gained national and international acclaim, with performers and choreographers exploring its possibilities and pushing its boundaries. Despite these changes, Sattriya has retained its spiritual essence and continues to be a means of expressing devotion and conveying religious themes.Sattriya dance is characterized by its distinct style, which combines elements of both Nritta (pure dance) and Nritya (expressive dance). The dance involves intricate footwork, graceful hand movements, and expressive facial expressions, all of which are synchronized with the accompanying music and rhythm. The music for Sattriya is traditionally provided by instruments such as the Khol (a type of drum), Cymbals, and Flute, along with vocal singing. The lyrics are often drawn from the works of Sankardev, Madhavdev, and other Vaishnavite poets, and are usually in the Assamese and Brajavali languages.

The repertoire of Sattriya dance includes several types of performances, each with its unique features and significance. These include the Ankiya Bhaona, a form of dance-drama that narrates stories from the life of Krishna and other religious themes; the Ojapali, which involves singing, dancing, and storytelling; and the Jhumura, a group dance that is often performed during festivals and celebrations. Each of these forms has its own set of rules, costumes, and musical compositions, contributing to the diversity and richness of the Sattriya tradition.The costumes and makeup used in Sattriya dance are distinctive and



play a crucial role in the performance. The traditional attire for male dancers includes the Dhoti, Chadar, and Paguri (a type of turban), while female dancers wear the Mekhela, Chadar, and Riha, which are traditional Assamese garments. The costumes are usually made of silk and are adorned with traditional Assamese designs and motifs. The makeup is minimal, with an emphasis on natural beauty and simplicity, reflecting the spiritual nature of the dance.The cultural importance of Sattriya extends beyond its role as a dance form. It is an embodiment of Assam's spiritual and cultural identity and has played a significant role in shaping the region's artistic and social landscape. The dance is a reflection of the syncretic culture of Assam, which has been influenced by various religious, ethnic, and cultural traditions. Sattriya has also contributed to the preservation and propagation of the Assamese language, literature, and music, as many of the dance compositions are based on the works of Assamese poets and saints.Sattriya has also been a vehicle for social change and reform. The Bhakti

movement, of which Sattriya was a part, challenged the rigid social hierarchies and caste distinctions prevalent in Assamese society at the time. Sankardev and his followers promoted the idea of equality and universal brotherhood, and Sattriya was used as a medium to convey these messages. The dance was accessible to people from all walks of life, and its themes of devotion and spirituality resonated with the masses, helping to foster a sense of community and social cohesion.



In contemporary times, Sattriya continues to evolve and adapt to changing cultural contexts. While it remains rooted in its traditional form and practices, it has also embraced innovation and experimentation. Contemporary Sattriya artists are exploring new themes, compositions, and choreographic techniques, while also collaborating with artists from other disciplines and cultural backgrounds. This has led to the emergence of new forms of Sattriya that are both traditional and contemporary, reflecting the dynamic and evolving nature of this art form.Despite these developments, Sattriya faces several challenges in the modern world. The commercialization of the arts, the decline of the traditional Guru-Shishya (teacher-student) relationship, and the changing socio-cultural landscape of Assam have all had an impact on the practice and transmission of Sattriya. The preservation of the dance form's authenticity and spiritual essence amidst these changes is a concern for many practitioners and scholars. There is also the challenge of ensuring that Sattriya remains relevant and accessible to younger generations, who may not be as familiar with its traditions and practices.Efforts are being made to address these challenges through various means, including education, documentation, and cultural exchange. Several institutions and organizations in Assam and across India are dedicated to the study, teaching, and promotion of Sattriya. Workshops, seminars, and performances are regularly held to raise awareness about the dance form and its cultural significance. Additionally, initiatives are being taken to document the history, techniques, and repertoire of Sattriya, ensuring that this rich cultural heritage is preserved for future generations.

Sattriya is not just a dance form; it is a living tradition that embodies the spiritual, cultural, and artistic heritage of Assam. Its journey from the Sattras to the global stage is a testament to its enduring appeal and significance. As it continues to evolve and adapt, Sattriya remains a powerful expression of devotion, creativity, and cultural identity. It is a reminder of the rich cultural tapestry of Assam and the contributions of its saints, artists, and scholars to the world of art and spirituality.Sattriya is a classical dance form that has a deep-rooted connection to the spiritual and cultural life of Assam. Its history and evolution reflect the broader socio-cultural changes in the region, while its continued practice and adaptation demonstrate its relevance and vitality in the modern world. Sattriya's cultural importance lies not only in its artistic value but also in its role as a medium of spiritual expression, social reform, and cultural preservation. As one of India's classical dance forms, Sattriya holds a special place in the country's cultural landscape, and its legacy continues to inspire and enrich the lives of those who engage with it. ■■

# নাৰী বন্দনা আৰু শিক্ষয়িত্ৰীৰ সাজপাৰ প্ৰসংগ

## শিক্ষয়িত্ৰী হিচাপে দুআষাৰ

**ড° পল্লৱী শইকীয়া**
অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ



অলপতে যোৱা ছেপ্টেম্বৰ মাহত লোকসভা আৰু ৰাজ্যসভাৰ বিপুল সমৰ্থনেৰে গৃহীত হ'ল মহিলাৰ সংৰক্ষণ বিধেয়ক। নাৰী শক্তিৰ বন্দনাৰে প্ৰায় ২৭ বছৰ ধৰি বিতৰ্কত থকা মহিলাৰ বাবে লোক সভা তথা বিধান সভাত ৩৩ শতাংশ সংৰক্ষণৰ পথ এই বিধেয়কখনৰ জৰিয়তে প্ৰশস্ত হ'ল। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত এই পদক্ষেপ নিঃসন্দেহে লিংগভিত্তিক বিভেদৰ বিপক্ষে এক মোক্ষম আঁচোৰ। এই আঁচোৰ সেই সকলৰ গাত যি নাৰীক সদায় সন্মুখৰ পৰা নেতৃত্ব লোৱাত বিৰোধিতা কৰি আহিছে।

কিন্তু একে সময়তে এটা বিপৰীত মেৰুত অবস্থান কৰি অসমৰ প্ৰেক্ষাপটত এটা গম্ভীৰ অথচ হাস্যকৰ ঘটনাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। অলপতে, বৰপেটাৰ নিৰ্মল হালৈ কলেজত শিক্ষয়িত্ৰীৰ সাজপাৰক লৈ এক বিতৰ্কিত পৰিৱেশৰ সৃষ্টি হ'ল। এই শিক্ষয়িত্ৰী সকলো নাৰী। দুভাৰ্গজনক কথাটো হ'ল ছাত্ৰ একতা সভাৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ কৰি শ্ৰেণী বৰ্জন কৰিলে। আচলতে এনে হোৱা উচিত আছিলনে? যি সময়ত ভাৰতীয় মহিলাৰ সবল নেতৃত্বত মহাকাশযানে গৈ চন্দ্ৰপৃষ্ঠত স্পৰ্শ কৰিলে, অসমীয়া ছোৱালী ৰাষ্ট্ৰীয় আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত খেল জগতকে ধৰি বিভিন্ন ক্ষেত্ৰত জিলিকি উঠিল, নাৰী বন্দনাৰে মহিলাৰ সংৰক্ষণ বিধেয়ক গৃহীত হ'ল, সেই সময়ত তথাকথিত কিছুমান পৰম্পৰাৰ দোহাই দি নাৰীৰ, বস্ত্ৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰিব নোৱাৰাটোহে বহুতৰ বাবে ডাঙৰ সমস্যা হৈ পৰিল। শিক্ষকতা এটা মহান বৃত্তি আৰু শিক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা ভিন্ন সমস্যাৰ উপযুক্ত

নিৰীক্ষণ কৰি প্ৰয়োজনীয় সমাধানৰ পথো বহুক্ষেত্ৰত শিক্ষকেই প্ৰশস্ত কৰিব লাগিব। শিক্ষক সকলৰ দৰেই ছাত্ৰ-ছাত্ৰীয়েও প্ৰকৃতভাৱে নিজক শিক্ষাৰ সৈতে জড়িত কৰাত ব্ৰতী হ'লেই শিক্ষাৰ সামগ্ৰিক বিকাশ হ'ব লগতে গুৰু-শিষ্যৰ মৰ্যাদা তথা মধুৰ সম্পৰ্কও অদ্ভুত থাকিব। কিন্তু শিক্ষকেই যদি ছাত্ৰ-ছাত্ৰীৰ পৰা সমস্যাৰ সন্মুখীন হয়, তেতিয়া? ইয়াৰ কাৰণ হিচাপে হয়তো ক'ব পাৰি শিক্ষক ছাত্ৰৰ সম্পৰ্কত ঘূণে ধৰিছে আৰু শিক্ষক-ছাত্ৰৰ মাজত দূৰত্ব বৃদ্ধি পাইছে।

কাৰণ যিয়েইনহওক অসমৰ শৈক্ষিক প্ৰেক্ষাপটত এয়া এক নজিৰ বিহীন কাণ্ড। এটা উচ্চ শিক্ষাৰ অনুষ্ঠান স্বাধীনভাৱে মুক্তমনেৰে শিক্ষা লাভ কৰা আৰু শিক্ষা প্ৰদান কৰা ঠাই। ইয়াত যদি আমি শিক্ষয়িত্ৰী সকলে কাপোৰ পিন্ধাৰ স্বাধীনতাই নাপাও তেনেহ'লে ছাত্ৰ-ছাত্ৰীক কি স্বাধীন মানসিকতাৰ কথা শিকাম। হয়তো প্ৰত্যেকগৰাকী বিবেকবান শিক্ষয়িত্ৰীয়ে এটা শিক্ষানুষ্ঠানলৈ কোনযোৰ সাজপাৰ পিন্ধি যাব লাগে নিজে বিচাৰ বিবেচনা কৰিব জানে। তাতকৈও ডাঙৰ কথা, এজন ব্যক্তিয়ে কি পিন্ধিব, সেয়া তেওঁৰ সংবিধান প্ৰদত্ত মৌলিক অধিকাৰ। ২০১০ চনতে কলিকতা উচ্চ ন্যায়ালয়ে এই সম্পৰ্কে স্বাতী পুকেইট আৰু অন্যান্যৰ সপক্ষে এক ৰায়দান দি থৈছে যে কৰ্মৰত শিক্ষয়ত্ৰীক শিক্ষানুষ্ঠান এখনে বিশেষ কাপোৰ পিন্ধাত নিষেধাজ্ঞা আৰোপ কৰিব নোৱাৰে, অৰ্থাৎ তেওঁলোকে যিকোনো কাপোৰ পিন্ধিয়েই আহিব পাৰে, যেতিয়ালৈকে অশালীন বুলি ক'ব পৰা যায়। ইয়াৰ উপৰিও ২০২২ চনতে উচ্চতম ন্যায়ালয়েও সমূহীয়া সাজপাৰ (Common dress) ক'ড বান্ধি দিয়া ক্ষেত্ৰত বাধা আৰোপ কৰিছে। মেখেলা-চাদৰ অসমীয়াৰ জাতীয় সাজপাৰ, আমাৰ পৰিচয় তথা আমাৰ অভিমান। কিন্তু শালীনতাৰ দিশৰ পৰা এযোৰ চেলোৱাৰ/চুৰিদাৰো কিন্তু কেতিয়াও এখন শাৰী বা মেখেলা- চাদৰতকৈ কম শালীন নহয়।

**নাৰী বন্দনাৰে মহিলাৰ সংৰক্ষণ বিধেয়ক গৃহীত হ'ল, সেই সময়ত তথাকথিত কিছুমান পৰম্পৰাৰ দোহাই দি নাৰীৰ, বস্ত্ৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰিব নোৱাৰাটোহে বহুতৰ বাবে ডাঙৰ সমস্যা হৈ পৰিল।**

মহিলাৰ সাজ-পাৰ আৰু ব্যৱহাৰৰ ওপৰত একাংশ বুদ্ধিজীৱীয়ে সততে মন্তব্য দিয়া দেখা যায়, "আমিচোন পাৰিছিলো, আমাৰ আপত্তি নাছিল, তোমালোকে কিয় নোবোৰা? কিন্তু আজি আৰু সেইদিন নাই। আজি শিক্ষয়িত্ৰীৰ সৈতে ছাত্ৰ-ছাত্ৰীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ কথা পাতে, জোনৰ পিঠিত চন্দ্ৰযান-৩ অৱতৰণ কৰাৰ দৃশ্য একেলগে উৎফুল্লিত হৈ চায়, শিক্ষকৰ সন্মুখত নিঃসংকোচে নিজৰ সমস্যাসমূহ বিনিময় কৰিব পাৰে। গতিকে উল্লেখ কৰি অহা গুৰু-শিষ্যৰ মাজৰ সম্পৰ্ক হয়তো ঘূণে ধৰিছে গুৰু গোসাঁই নমনা কিছুমান উশৃংখল ছাত্ৰ-ছাত্ৰী আৰ শিক্ষকতা কেৱল এক বৃত্তি হিচাপে লোৱা এচাম তথাকথিত শিক্ষকৰ মাজতহে।

আচলতে আজিৰ সময়ত এনে কথা আলোচনাৰ আওতালৈ আনিবলগীয়া হোৱাটোৱেই দুৰ্ভাগ্যজনক কথা। কিন্তু ভাল লগা কথাটো হৈছে— এই নিবন্ধ লিখা হৈছে এইখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত প্ৰকাশ পাবলগীয়া মহাবিদ্যালয় আলোচনীৰ বাবে, যিখন মহাবিদ্যালয়ত শিক্ষয়িত্ৰীক সাজপাৰক লৈ চৰ্চা নহয়, শিক্ষক ছাত্ৰ সকলোৱে ব্যক্তি স্বাধীনতাক সন্মান কৰিব জানে। এনে মুক্ত পৰিৱেশত যাতে সুস্থ চিন্তা চেতনাৰ আৰু উত্তৰণ হয়, এইয়া লৈ এগৰাকী শিক্ষয়ত্ৰী হিচাপে আমি ভৱিষ্যতে আশাবাদী। ■■

# নাৰী

**নিকুমণি শইকীয়া**
দৰ্শন বিভাগ, ষষ্ঠ যান্মাসিক



'নাৰী' দুটা বৰ্ণৰে গঠিত এটা শব্দ। যাৰ অৰ্থ সমুদ্ৰৰ দৰে বিশাল। যাৰ অবিহনে এই পৃথিৱী বৰ্তি থকা অসম্ভৱ। অতি প্ৰাচীন যুগৰ পৰাই বৰ্তমানলৈকে নাৰীয়ে পালন কৰা ভূমিকা ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা আছে যদিও প্ৰাচীন যুগৰ পৰা বৰ্তমানলৈকে নাৰী শোষিত হৈ আহিছে। উদাহৰণ স্বৰূপে ৰামায়ণ আৰু মহাভাৰতৰ দুগৰাকী মহীয়সী নাৰী ক্ৰমে সীতা আৰু দ্ৰৌপদীৰ কথাকে ক'ব পাৰি। ৰামায়ণত উল্লেখ থকা মতে সীতা আছিল সতী তথা পতিব্ৰতা নাৰী, কিন্তু সেইগৰাকী মহান নাৰীকো ৰামে গ্ৰহণ কৰা নাছিল। আনহাতে মহাভাৰতৰ শকুনিৰ চলনামতে পাশা খেলত পৰাজয় বৰণ কৰি ধৰ্মৰাজ যুধিষ্ঠিৰে সকলো হেৰুৱাৰ লগতে পত্নীক উছৰ্গা কৰিছিল। যাৰ ফলত বিশাল ৰাজসভাত দুৰ্য্যোধনে দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰিছিল।

ইতিহাসৰ পাত লুটিয়ালে এনে বহু উদাহৰণ আছে য'ত নাৰীৰ মহত্ব প্ৰকাশ পাইছে। যেনে-কনকলতা, মূলাগাভৰু আদিৰ দৰে বীৰাঙ্গণাৰ কথা ক'ব পাৰি। আহোম যুগত যেতিয়া মহিলাসকলক পুৰুষতকৈ নিম্নস্থান দিয়া হৈছিল, তেতিয়াই মূলাগাভৰুৱে অতি পৰাক্ৰমেৰে মোগলৰ সৈতে যুঁজি নিজৰ দেশক ৰক্ষা কৰিছিল। এনেদৰে আন বহুতো নাৰী আছিল যিয়ে নিজৰ প্ৰাণ আহুতি দি দেশক ৰক্ষা কৰিছিল। ঠিক তেনেদৰে বহু দিশত আগবঢ়া হোৱাৰ পিছতো বৰ্তমানো নাৰীসকলক শোষণ কৰিবলৈ পুৰুষে এৰা নাই। বৰ্তমান সমাজৰ কিছুৱে নাৰীক হেয় জ্ঞান কৰে। প্ৰতিটো পদতেই নাৰী নিৰ্যাতনৰ বলি হ'বলগীয়া হয়।

ইয়াৰ উপৰিও যি সময়ত আমাৰ সমাজৰ মহিলাক চাৰিবেৰৰ মাজত আৱদ্ধ কৰি ৰখা হৈছিল তেতিয়া অমলপ্ৰভা দাসৰ দৰে মহিলাই উদ্যোগ স্থাপন কৰিছিল। আইদেউ সন্দিকৈয়ে বোলছবিত অভিনয় কৰিছিল আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বিদ্যালয় স্থাপন কৰি সাহসিকতাৰ পৰিচয় দিছিল।

নাৰী পানীৰ দৰে, যি পাত্ৰত থোৱা যায় তাৰে আকৃতি লয়। প্ৰতিটো ক্ষেত্ৰতে এই নাৰীয়ে ত্যাগ কৰি আহিছে আৰু ত্যাগ কৰিবলগীয়া হৈছে। এনে বহু ত্যাগৰ পিছতো কিন্তু নাৰীক অৱহেলা কৰে এচাম মানুহে। গতিকে মোৰ এটাই অনুৰোধ যাতে নাৰী সমাজক অৱহেলাৰ চকুৰে নাচায়, তেওঁলোকক আগুৱাই যোৱাত সহায় কৰে। সৃষ্টিৰ মূল এই নাৰীসকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নকৰে যেন। ■■



# নাৰী নিৰ্যাতন ঃ
## এক সামাজিক ব্যাধি

**সংঘমিত্ৰা নাথ**
অসমীয়া বিভাগ, চতুৰ্থ যান্মাসিক

স্ত্ৰ মানে নাৰী। নাৰী অবিহনে সৃষ্টিৰ সম্ভৱ নহ'লহেঁতেন। নাৰী
মাৰ পূজ্য। কিন্তু নাৰীৰ ওপৰত ইমান যন্ত্ৰণা। একেজনী
ীয়েতো কাৰোবাৰ মাতৃ, ভনী, পত্নী, বাইদেউ। সেই স্নেহশীলা
বিনা দ্বিধাই পণ্য দ্ৰব্যৰ দৰে ব্যৱহাৰ কৰে, খেলৰ পুতলাৰ
কৰে, নাৰীৰ ওপৰত চলাই ধৰ্ষণ, হত্যা নিৰ্যাতন।

যৌতুক এক সামাজিক ব্যাধি। ছোৱালী এজনী বিয়া দিয়াৰ ক্ষেত্ৰত যৌতুকক লৈ সমস্যা আহি পৰে। এজনী ছোৱালী আন এঘৰলৈ উলিয়াই দিয়াটো মাক-দেউতাকৰ কিমান দুখ, তাতে আকৌ যৌতুকক লৈ দিয়া সমস্যাই মাক-দেউতাকক তেনেই জুৰুলা কৰে। তাৰ বাবে ছোৱালীজনীয়ে শহুৰৰ ঘৰখনত জীৱনটো কটুবাক্য শুনিবলগীয়া হয়। মানসিক নিৰ্যাতন, শাৰীৰিক অত্যাচাৰ। যৌতুকৰ বাবেই শেষত গৈ ছোৱালীজনীক হত্যা কৰে।

এজনী উচ্চ শিক্ষিতা নাৰীৰ শিক্ষা থাকে, আইন থাকে, মৰ্যাদা থাকে, সন্মান থাকে, আন দহজনক শিকাব পৰা দক্ষতা থাকে। ইমান বিলাক গুণ থকাৰ পিছত যৌতুক কিহৰ দৰকাৰ। নিজৰ শিক্ষাৰে আনক বুজাব পৰা এখন শুদ্ধ অন্তৰৰ নাৰীৰ আগমনতকৈ যৌতুক কেতিয়াও উচ্চ হ'ব নোৱাৰে। যুগে যুগে অৱহেলিত হৈ অহা নাৰীয়ে পুৰুষৰ সমানে সমাজৰ অধিকাৰসমূহ



ভোগ কৰিব পাৰিছেনে? নাই পৰা। নাৰী জাতি মানৱ প্ৰজাতিৰ অবিচ্ছেদ্য অংশ, এক পৰিপূৰ্ণ দেহ, মনলৈয়ো নাৰী সদায় নিৰ্যাতিতা আৰু অৱহেলিত। যৌতক দাবী কৰি মানসিকভাৱে এগৰাকী বোৱাৰীক নিৰ্যাতন কৰি শেষত জুই জ্বলাই হত্যা কৰে। অথবা স্বামী গৃহৰ পৰা খেদি দি যিকোনো ধৰণৰ খোৰাকী নিদিয়াৰ উদাহৰণো আমাৰ সমাজত অলেখক আছে। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে নাৰী অধিকাৰৰ বাবে ভালে সংখ্যক সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিছে। তৎস্বত্বেও কিছুসংখ্যক লোকে সদায় নাৰীক এক অৱহেলিত দৃষ্টিভঙ্গীৰে চোৱা দেখা যায়। আমা ৰ সমাজ ব্যৱস্থাত গণতান্ত্ৰিক মানসিকতাৰে পুৰুষৰ লগত নাৰী সমাজকো আগবঢ়াই লৈ গ'লেহে আমি এখনি সমৃদ্ধিশালী ৰাষ্ট্ৰৰ কথা কল্পনা কৰিব পাৰিম।

যাৰ বাবে তেওঁলোকে কৰ্ম-সংস্থাপনৰ পৰাও বিৰত থাকিবলগীয়া হয়। বাল্য বিবাহক এক প্ৰকাৰৰ সামাজিক ব্যাধি বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বাল্য বিবাহৰ ফলত ল'ৰা-ছোৱালী উভয়ৰে মানসিক দিশত বিকৃত প্ৰভাৱ কৰে। বাল্য বিবাহৰ ফলত জন্ম হোৱা নৱজাতকৰ কোনো কোনো সময়ত মৃত্যু হোৱা দেখা যায় নাইবা শাৰীৰিকভাৱে অসুস্থ হৈ জন্ম হোৱা দেখা যায়। বাল্য বিবাহ নিৰাময়ৰ বাবে চৰকাৰে কিছুমান সমস্যা সমাজৰ পৰা একেবাৰেই নিৰ্মূল কৰাৰ ব্যৱস্থা কৰিব লাগিব। উদাহৰণ স্বৰূপে মূলতে দৰিদ্ৰতা দূৰ কৰিব লাগিব।

বাল্য বিবাহৰ অসুবিধা সম্পৰ্কে মানুহক সজাগ-সচেতন কৰাৰ এক চিন্তা সমাজত মেলি দিয়া উচিত। সভা-সমিতি আৰু কাগজে-পত্ৰই, সামাজিক মাধ্যমৰ দ্বাৰা, নাট আদিৰ দ্বাৰা মানুহক বুজাবলৈ চেষ্টা কৰা উচিত যে, উপযুক্ত সময়ত বিবাহৰ সম্পৰ্কইহে এখন সমাজত সংস্কাৰৰ স্থাপন কৰিব পাৰে। অপৰিপক্ক অৱস্থাত বিবাহিত সম্পৰ্কৰ ফলত সমাজখনেই অপৰিপক্ক ৰূপলৈ গতি কৰে। আজিৰ যুগটো জ্ঞান আহৰণৰ যুগ। এই সময়খিনিত বিবাহক মুখ্য বুলি ধৰি ল'লে এখন সমাজ বা এটা জাতি সদায় আনৰ তুলনাত পিছপৰি থাকিব। বাল্য বিবাহ আওপুৰণি নীতি। এজন শিশুৰে যিখিনি সময়ত জীৱনটো ৰুচি সম্পন্নভাৱে গঢ় দিয়াৰ অধিকাৰ জন্মগতভাৱে লাভ কৰিছে তাক একাংশই ভৰিৰে মোহাৰি স্বৈৰতন্ত্ৰ স্থাপন কৰিবলৈ বিচৰা কথাটো ভৱিষ্যত সমাজৰ বাবে অতিকৈ বিষাক্ত। সেয়ে আমি ইয়াৰ বিৰুদ্ধে জনমত গঠন কৰাকে আদি কৰি শিক্ষিত সমাজে ইয়াৰ অপকাৰৰ বিষয়ে পিছপৰা মানুহখিনিক অৱগত কৰাটো আমাৰ নৈতিক দায়িত্ব বুলি ভবাটো সময়ৰ আহ্বান। ■■



# দৰঙী কোচ ৰজাৰ চমু ইতিবৃত্ত

**নিলাক্ষী ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ, চতুৰ্থ যান্মাসিক

দেখা যায় যে, অসমৰ অতি ক্ষমতাশালী কোচসকলৰ প্ৰভাৱ অসমৰ প্ৰায়বোৰ জিলাতেই বা ঠাইতেই স্পষ্টকৈ পৰিলক্ষিত হয়। ঐতিহাসিক সম্বলিত সূত্ৰৰ পম খেদি জনা যায় যে, দৰং জিলাতো এই কোচসকলৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগীয়া। এই জনগোষ্ঠীয়ে এক সাম্ৰাজ্য স্থাপনৰ ঐক্য নিদৰ্শনেৰে অসম বুৰঞ্জীৰ পাত জিলিকাই দৰঙী কোচ হিচাপে অভিহিত হৈছে।

এই জনগোষ্ঠী দৰঙী ফৈদৰ প্ৰথম ৰজা পৰীক্ষিত নাৰায়ণৰ ভায়েক বলী নাৰায়ণ কোঁৱৰে সোতৰ শতিকাৰ দ্বিতীয় দশকত ৰাজনৈতিক কাৰণত বিপদৰ আশংকা কৰি দৰং ৰাজ্যলৈ আহে। তেওঁ আহোমৰ লগত মিত্ৰতা স্থাপন কৰি দৰং ৰাজ্য স্থাপন কৰে। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই বলী নাৰায়ণৰ নিৰ্ভীক



ধৰ্ম পৰায়ণতা আৰু উদাৰ নৈতিক আদৰ্শত মুগ্ধ হৈ ধৰ্ম নাৰায়ণ নাম দিয়ে।

এই দৰং শব্দৰ উৎপত্তি সম্বন্ধে 'নানা মুনিৰ নান মত'। মঙলদৈৰ বুৰঞ্জীত দীনেশ্বৰ শৰ্মাদেৱে উল্লেখ কৰিছে যে, 'সংস্কৃত দ্বাৰম্' শব্দৰ পৰা দৰং শব্দৰ উৎপত্তি। কোনো কোনোৰ মতে হ্ৰদৰ পৰা তীব্ৰ বেগে দৈৰ ধাৰা নামি আহোতে ওপৰৰ সূৰ্যৰ কিৰণে ৰং সানি দিয়ে। সেই বাবে এই পবিত্ৰ ভূমিখণ্ডৰ নাম দৈৰং বা দৌৰং বা দৰঙ্গ হয়। দৰ্দৰ মানে সু-উচ্চ পৰ্বত আৰু দৈ মানে পানী।

ধৰ্ম নাৰায়ণ ৰাজপাটত উঠিয়েই খেৰখেৰীয়াত ৰাজধানী পাতি ৰাজ্য শাসন কৰে। পিছত খেৰখেৰীয়াত অসুবিধা বা আন কোনো কাৰণত ৰাজধানী উঠাই আনি মঙলদৈৰ ওচৰৰ মোহনপুৰত পাতে। এই ঠাই আজিকালিও হাউলী মোহনপুৰ নামে পৰিচিত হৈ আছে। হাউলী মোহনপুৰক ৰজা হাউলী নামেও কোনো কোনো মানুহৰ মুখত শুনা যায়।

মঙলদৈ নামৰ উৎপত্তি সম্বন্ধে বিৰ্তক থকা দেখা যায়। মঙলদৈ নামৰ উৎপত্তি সম্বন্ধে বহু মতবাদ আছে। এটাৰ মতে বৰনদীৰ পূৰ্বৰ নাম 'মঙলা' আছিল। এই নামেৰেই মঙলদৈ হোৱা বুলি কয়। আনটোৰ মতে কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ কন্যা 'মঙলা দেৱী' বা 'মঙ্গলদৈ কুঁৱৰী' নামৰ পৰা মঙলদৈ হোৱা বুলি বিশ্বাস কৰে।

ৰজা ধৰ্মনাৰায়ণ এজন বিজ্ঞ পণ্ডিত আৰু দূৰদৰ্শী ৰজা ৰাজনীতিজ্ঞ ব্যক্তি আছিল। এইজন পৰম ধাৰ্মিক ৰজাৰ দিনত শাক্ত আৰু বৈষ্ণৱী বিদগ্ধ পণ্ডিতসকলে সাহিত্য চৰ্চা কৰিছিল। সেই পণ্ডিতসকলে অসমীয়া সাহিত্য ভঁৰাল চহকী কৰি থৈ যোৱাই নহয়, পৰৱৰ্তী লিখক, কবি-সাহিত্যিকসকলৰ বাবে অন্তহীন প্ৰেৰণাৰ উৎস জগাই ৰাখিছে। ধৰ্ম নাৰায়ণে কবি শিল্পী-সাহিত্যিকক ৰাজ সন্মান দি উৎসাহ-উদ্দীপনা জনাইছিল।

ধৰ্ম নাৰায়ণৰ মৃত্যুৰ পিছত মহেন্দ্ৰ নাৰায়ণ আৰু তাৰ পাছত চন্দ্ৰ নাৰায়ণে দৰং ৰাজ্যৰ ৰাজপাটত উঠে। চন্দ্ৰ নাৰায়ণ এজন সুদক্ষ সুনিপুন বীৰ যোদ্ধা আছিল। তেওঁ অসীম বৰীত্ব ভৰা জীৱনৰ কাহিনী সজীৱ কৰি ৰাখিছে। মোগলবেচা নামৰ ঠাইখনে, মঙলদৈ বুৰঞ্জীত আছে যে 'শৰাইঘাটৰ ৰণত চন্দ্ৰ নাৰায়ণে আহোমৰ পক্ষত থাকি মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। এই যুদ্ধত মোগলৰ পৰাজয় হৈছিল। বহু সৈন্য-সামন্ত আহোম আৰু দৰঙ্গী সৈন্যৰ হাতত বন্দী হৈছিল। যুদ্ধত দৰঙ্গী সৈন্যৰ হাতত বন্দী হোৱা লোকসকলক আনি মোগলবেচা নামে ঠাইত লোৰ খুঁটা পুতি শিকলিৰে বান্ধি ৰাখি কিছুমান দাস হিচাপে বিক্ৰী কৰিছিল। আৰু আন কিছুমানক ৰাজধানীৰ আশে-পাশে ঘৰ-দুৱাৰ কৰি থাকিবলৈ দিয়ে। মোগলক বেচাৰ বাবে ঠাইখনৰ নাম মোগলবেচা হয়। মোগলবেচা বৰ্তমান চপাই মৌজাৰ অন্তৰ্ভুক্ত গাঁও। এইখিনিতে উল্লেখ কৰিব পাৰি অসম বুৰঞ্জীসমূহত চন্দ্ৰ নাৰায়ণে শৰাইঘাটৰ যুদ্ধত বীৰত্বৰে যুদ্ধ কৰি যি খ্যাতি ৰাখি গ'ল তাৰ ইতিবৃত্ত সম্ভৱত লিখা নাই।

আদিত্য নাৰায়ণৰ দিনত দৰং ৰাজ্যৰ অৱস্থা অতি শোচনীয় হয়। আহোম স্বৰ্গদেউ গৌৰী সিংহক কৰ ৰেহাইৰ বাবে প্ৰাৰ্থনা জনায়। স্বৰ্গদেৱে কৰ ৰেহাই দি দৰং ৰাজ্যৰ সীমা সঙ্কুচিত কৰে।

ইয়াৰ পিছত ১৭৯২ চনত দৰঙ্গী ৰজা কৃষ্ণ নাৰায়ণে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ দখল কৰে যদিও কমলেশ্বৰ সিংহৰ দিনত ইংৰাজ ওৱেলচ্ চাহাবৰ সহায়ত ১৭৯৫ চনত কৃষ্ণ নাৰায়ণক পৰাস্ত কৰি সমুদ্ৰ নাৰায়ণক দৰঙৰ ৰাজপাটত বহুৱায়। এইজন ৰজাৰ দিনতে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাত দৰঙ্গী ৰাজফৈদৰ শাসনৰ অৱসান ঘটে।

সংগ্ৰহ ঃ কোচ জাতিৰ চমু ইতিবৃত্ত। ■■



# দৰঙী সংস্কৃতি

**ডিম্পী চহৰীয়া**
উদ্ভিদ বিজ্ঞান বিভাগ, চতুৰ্থ যান্মাসিক

অতীজৰে পৰা দৰং ইতিহাস প্ৰসিদ্ধ ঠাই। ভূটান পাহাৰৰ দক্ষিণ ফালৰ নামনি অঞ্চল দৰং নামে প্ৰসিদ্ধ। ব্ৰহ্মপুত্ৰ উপত্যকাত থকা দৰঙী লোকসকলে ভূটান পাহাৰৰ নামনি বা উত্তৰ অঞ্চলটোক 'উজেনি' আৰু উজনি অঞ্চলত বাস কৰা লোকসকলে দক্ষিণ অঞ্চলটোক 'দ' বোলে। ব্ৰহ্মপুত্ৰৰ বানে দৌৰাই নিয়া অঞ্চলৰ লোকক 'দ' জেৰিয়া বোলে।

আহোমসকলে চুকাফাৰ নেতৃত্বত অসমত প্ৰৱেশ কৰি কামৰূপ প্ৰদেশৰ পূবৰ পৰা মধ্য অসমলৈ নিজৰ অধীনলৈ নিওঁতে কছাৰী, চুটীয়া, জয়ন্তীয়া, বৰাহী আদি ৰজাসকলৰ লগত সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল। কামৰূপৰ পশ্চিম অঞ্চলত কোচ ৰাজবংশৰ পতন ঘটাত তেওঁলোকৰ ৰাজ্যও আহোমৰ অধীনলৈ নিয়াৰ পৰিকল্পনাৰে আগবঢ়াত কোচ আৰু আহোমৰ মাজত কেইবাবাৰো সংৰ্ঘষ হয়। পশ্চিম ফালৰ পৰা মোগলসকলো আক্ৰমণ কৰি আহি কোচ ৰজাৰ লগত সংঘৰ্ষ হোৱাত কোচ ৰজা পৰীক্ষিতৰ দিনত বৰ নদী পৰ্যন্ত মোগলসকলে নিজৰ অধীনস্থ কৰিলে। তেনে সময়ত পৰীক্ষিতৰ ভায়েক বলি নাৰায়ণে আহোম ৰজা প্ৰতাপ সিংহৰ আশ্ৰয়প্ৰাৰ্থী হৈ ১৬১৪ চনত বৰ্তমানৰ মঙলদৈ মহকুমাত ৰাজধানী পাতি দৰঙৰ শাসনকৰ্তা হয়।

দৰঙৰ সাংস্কৃতিক অনুষ্ঠানৰ বিষয়ে ক'বলৈ গ'লে ওজাপালি, বিয়াহ গোৱা, সুকনান্নী গোৱা, খুলীয়া ভাউৰীয়া, নাগাৰা নাম, চেও চাপৰি নাম, চিয়াগীত, বৰঢুলীয়া, ঢেপাঢুলীয়া, কালিয়া, দেওধনী, মহৌখুন্দা আদিৰ নাম ল'ব লাগিব।

দৰঙৰ সাংস্কৃতিক পৰম্পৰাগত ব্যাস সংগীত আৰু বিয়াহ গোৱা ওজাপালিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিয়াহ গোৱা ওজাপালি বাসুদেউ পূজাৰ অপৰিহাৰ্য। বাসুদেউ পূজাক তিনিটা বিশেষ নামেৰে নামাকৰণ কৰা হৈছে—একপৰীয়া, আদচৌপৰী আৰু গোন্ধচৌপৰী। বাসুদেউ পূজাৰ ইতিহাসৰ লগত বিয়াহ গোৱা ওজাপালি ওতপ্ৰোতভাৱে জড়িত। ৰামায়ণ, মহাভাৰত অথবা পুৰাণৰ পদৰ মাধুৰ্য্যৰে জনগণক ভক্তিৰ দোলেৰে বান্ধ খুৱাই ৰখাৰ প্ৰমাণ বিয়াহ গোৱা ওজাপালি উপভোগ কৰাজনে সহজে অনুমান কৰিব পাৰিব। বিয়াহ



গোৰা ওজাপালি অনুষ্ঠানত নাট্যৰূপ এটিও আছে। পুৰাণৰ বিভিন্ন কাহিনী বৰ্ণনা কৰোতে ওজা আৰু দাইনাপালিয়ে বিশেষ বিশেষ চৰিত্ৰৰ ভাও দিয়া কাৰ্যত দৰ্শকে গীত শ্ৰৱণ কৰাৰ উপৰিও নাট্যৰূপত কাহিনী ভাগ সহজে হৃদয়ঙ্গম কৰিব পাৰে।

সুকনান্নী ওজাপালিয়ে মনসা কাব্যৰ গীত গায়। এইবিধ ওজাপালি মনসা পূজাৰ অপৰিহাৰ্য অঙ্গ। মনসা পূজাত জনজাতীয় বিভিন্ন উপাদান থকালৈ লক্ষ্য কৰি সুকনান্নী ওজাপালিও সাংস্কৃতিক যোগসূত্ৰৰ মাধ্যম বুলি ক'ব পাৰো।

মনসা পুজাত প্ৰয়োজনীয় দেওধনী অনুষ্ঠানটোও সঙ্গীত জগতৰ ইতিহাসত বিশেষ স্থান লাভ কৰিছে। অসমৰ বিভিন্ন ঠাইত থকা দেওধনী অনুষ্ঠানত পুৰুষে নৃত্য কৰা দেখা যায়।

কামৰূপৰ ভঠেলি, সুঁৱেৰি বা সঁবি, পাউৰা তোলা আদি অনুষ্ঠানৰ দৰে দৰঙৰ পলাহগড়, ওডোলা আদি অঞ্চলত এটি অনুষ্ঠান হয়। এই অনুষ্ঠানৰ সংস্কৃত ৰূপ দৰঙৰ দেউল। বেদাচাৰ্য্য প্ৰণীত বিধান অনুসৰি জনজাতীয় বিভিন্ন অনুষ্ঠানৰ লগত বৈদিক প্ৰথাৰ সংযোগ ঘটাই কৰা দেউল জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে কৰা অনুষ্ঠান। দেউলত ব্যৱহাৰ কৰা নাগপাশ, মগৰ আদিয়ে দৰঙী লোকৰ আধ্যাত্মিক দিশৰ উৰ্বৰতাৰ কথা সূচায়। সৰাবাৰী গাঁৱৰ ওচৰৰ ৰাজঘাটৰ দেউল, ঘোপাৰ বিহুভাঙা দেউলত হোৱা গড়ভাঙাৰ অনুষ্ঠান, পলাহগড় দেউলত হোৱা গাছ বিয়া, গৰখীয়া দেউল বাঁহ গোসাঁইৰ সেৱাই আদিম মানৱৰ লগত থকা সাংস্কৃতিক মিলন।

দেউলৰ সময়ত হোৱা বাঁহ পূজাত ব্যৱহাৰ হোৱা ঢেপা ঢোলৰ এক সাংস্কৃতিক তাৎপৰ্য আছে। ঢেপা ঢোলৰ গঠন আৰু ব্যৱহাৰ কৰা আৰু বজোৱাৰ সময়ত ইয়াত পানী ভৰাই লোৱা ব্যৱস্থা আদি চাই তাত আদিম মানৱৰ চিন্তাধাৰাৰ উমান পোৱা যায়।

দৰঙী লোকে সজা ঘৰ-দুৱাৰ, বাঁহ-বেতৰ বা কাঠৰ যিকোনো সঁজুলিত কটা চিত্ৰ বা বিশেষ 'মোৰ' দি কৰা যতনবোৰ চালে চকুৰোৱা। মাটিৰ বাচন-বৰ্তন, প্ৰতিমা, ভাউৰীয়াত ব্যৱহাৰ কৰা মুখা, পুতলা ভাউৰীয়াৰ পুতলা আদি কামবোৰত দৰঙৰ সুনাম আছে।

সঙ্গীতৰ ক্ষেত্ৰত ওজাপালিয়ে গোৰা গীতৰ উপৰিও নাঙেলী, আইনাম, বিয়ানাম, ধেমেলিয়া গীত, লোকগীত, চিয়াগীত আদিৰ পৰা সঙ্গীত জগতলৈ থকা অৱদানৰ বিষয়ে জানিব পাৰি।

খোৱা-লোৱাৰ ক্ষেত্ৰতো দৰঙী ৰাইজৰ ঐতিহ্য আছে। নাৰায়ণদেৱ ৰচিত 'পদ্ম পুৰাণ'ত বিভিন্ন ব্যঞ্জনৰ উল্লেখ পোৱা যায়। দেওচেনীয়া আলু সিজাই চুৰা সানি খোৱা, চুঙা পিঠাৰ গোন্ধ, বোকা চাউলৰ জলপানৰ নাম শুনিলেই জিভাৰ পানী ওলায়। তিৰোতাবোৰে বোৱা বিভিন্ন কাপোৰ আছে। সেইবোৰ নিজে বৈ লোৱাত দৰঙৰ মহিলাৰ শিল্প সুনাম আছে। তিৰোতাবোৰে নিজ হাতেৰে বৈ সুন্দৰকৈ পৰিধান কৰি ওৰণি লোৱা, দাঁতবোৰত ক'লা 'কাই' লগাই ৰং কৰি গাম্ভীৰ্য অটুট ৰাখিছিল। ■■

# দৰঙৰ খুলীয়া ভাউৰীয়া

**মুনিন্দ্র বৈশ্য**
প্ৰাক্তন ছাত্ৰ

বৰ্ণাঢ্য দৰঙী সংস্কৃতিৰ মেটমৰা সম্ভাৰৰ এটা জনপ্ৰিয় প্ৰাচীন লোকনাট্যানুষ্ঠান হৈছে খুলীয়া ভাউৰীয়া। ইয়াৰ মূল আৰু অবিচ্ছেদ্য আহিলা বা বাদ্যযন্ত্ৰ হৈছে খোল। 'খোল' শব্দৰ লগত 'ঈয়া' প্ৰত্যয় যোগ হৈ 'খুলীয়া' পদ হৈছে। সেইদৰে 'ভাও' পদৰ লগত 'ঈয়া' যোগ হৈ 'ভাৱৰীয়া' পদ হৈছে, আৰু ইয়াৰ অপভ্ৰংশ হৈ 'ভাউৰীয়া' হৈছে। খোল বাদন কৰা গৰাকীক 'খুলীয়া' আৰু ভাও দি দি অভিনয় কৰা গৰাকীক 'ভাউৰীয়া' বুলি কোৱা হয়। গতিকে সহজভাবে ক'ব পাৰি- খোল সংগত কৰি যি পৰিৱেশ্য কলাত অভিনয় প্ৰদৰ্শন কৰা হয় সেই পৰিৱেশ্য কলাকেই 'খুলীয়া ভাউৰীয়া' বুলি কোৱা হয়।

ড° নবীন চন্দ্ৰ শৰ্মাই কৈছে যে, 'লোকনাট্য' পদটিয়ে দুটা অৰ্থ সূচীত কৰিব পাবে- ১। যি নাট লোক জীৱনৰ বাবে ৰচিত, অথবা ২। যি নাট লোকবিদ্যাৰ সক্ৰিয় ধাৰকে মুখে মুখে ৰচনা কৰে। অভিনয়ৰ মাজেৰে পুৰণি কাহিনীৰ নাটকীয় উপস্থাপনকেই নাট্য বুলি কোৱা হয়। এই নাট্য অভিনীত হয় অংগ চালন, পদ বচন, কৌতুক, সাজ-সজ্জা, চৰিত্ৰ সৃষ্টি, কাহিনী বৃত্তান্ত আৰু বিভিন্ন লোক পৰম্পৰাৰ মাজেদি। লোকনাট্যই মানুহৰ জীৱন দৰ্শন প্ৰতিফলিত কৰে। খুলীয়া ভাউৰীয়া যিহেতু লোকনাট্য, গতিকে এইবিধ লোকনাটাই উল্লিখিত বৈশিষ্টসমূহ ৰক্ষা কৰে। খুলীয়া ভাউৰীয়া হৈছে সৰ্বভাৰতীয় কথাকতা পৰম্পৰাৰ এক ৰূপ 'ওড্ৰ মাগধী' প্ৰবৃত্তিৰ অন্তৰ্গত। খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাত ৰচিত ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'ত চাৰি প্ৰকাৰ নাট্য-প্ৰবৃত্তিৰ বিষয়ে উল্লেখ আছে।

যথা- আৱন্তী, দাক্ষিণাত্য, পাঞ্চালী আৰু ওড়ু মাগধী। ওড্ৰ মাগধীয়ে অংগ, বংগ, কলিংগ, বৎস, ওড্ৰ, মগধ, পাণ্ডু, নেপাল, প্ৰাগজ্যোতিষ আদি অঞ্চলক সামৰি লয়। প্ৰাগজ্যোতিষপুৰ-কামৰূপত ওড্ৰ মাগধী প্ৰবৃত্তিযুক্ত নাট্যশৈলী খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ পূৰ্বৰে পৰা প্ৰচলিত আছিল। খুলীয়া ভাউৰীয়াৰ উৎপত্তিৰ সময় নিৰ্ধাৰণ কৰিব পৰা নাযায়, কিন্তু উপৰিউক্ত তথ্যৰ পৰাই বুজা যায় লোকনাট্যবিধ কিমান প্ৰাচীন।

খুলীয়া ভাউৰীয়াক কোনোৱে অংকীয়া নাটৰ পৰা আৰু কোনোবে ব্যাসগোৱা ওজাপালিৰ পৰা উদ্ভূত বুলি কয়। ইয়াক লৈ বিতৰ্ক হোৱা দেখা যায়। ড° কনক চন্দ্ৰ চহৰীয়াৰ মতে উপৰিউক্ত দুয়োটাই মতেই গ্ৰহণযোগ্য নহয়। তেওঁ কৈছে — "... কোনোবে ইয়াক যেনেকৈ অঙ্কীয়া নাটৰ পৰা উদ্ভুত বুলি ক'ব খোজে তেনেকৈ আন কোনোৱে আকৌ ইয়াক ব্যাসগোৱা ওজাপালিৰ পৰা সৃষ্ট বুলি মত আগবঢ়াইছে। অৱশ্যে এটা কথা ঠিক যে, খুলীয়া ভাউৰীয়াৰ লগত ওজাপালি অনুষ্ঠানৰ বিশেষকৈ ব্যাসগোৱা ওজাপালিৰ লগত এটা ওচৰ সম্বন্ধ আছে...প্ৰভাবপুষ্ট হ'লেও খুলীয়া ভাউৰীয়া দৰাচলতে নামনি অসমৰ ঢুলীয়া, পুতলা ভাৱৰীয়া, ভাৰী গান, কুশান গান আদিৰ দৰেই এক স্বতন্ত্ৰ পৰিৱেশ্য কলা। সময়ৰ সোঁতত ইয়াৰ উত্তৰণত যেনেকৈ ব্যাস সঙ্গীতৰ প্ৰভাৱ পৰিছে তেনেদৰে হয়তো বিচাৰিলে গুৰুজনাৰ অঙ্কীয়া নাটৰ প্ৰভাৱো কিছু পৰিমাণে ধৰা পৰিব।"

লোকনাট্যৰ যোগেদি প্ৰচাৰ কৰা কাহিনীসমূহ কিছুমান নিৰ্দিষ্ট বিষয়বস্তুৰ লগত জড়িত। যেনে —

১। বীৰত্বমূলক কাহিনীৰ বৰ্ণনা ঃ ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত থকা কাহিনী।

২। বীৰজনৰ প্ৰশংসা ঃ আঘাসুৰ বধ।

৩। সামাজিক, ৰাজনৈতিক, নৈতিক বিষয়বস্তুৰ ওপৰত ঘটা ঘটনাৰ বৰ্ণনা।

৪। স্মৰণযোগ্য পৌৰাণিক আখ্যান।

৫। উপদেশমূলক উপসংহাৰ।

খুলীয়া ভাউৰীয়াই উপৰিউক্ত বৈশিষ্টসমূহ মানি চলে।

খুলীয়া ভাউৰীয়াই সাধন কৰা প্ৰকাৰ্যসমূহ প্ৰধানতঃ দুই ভাগত বিভক্ত কৰিব পাৰি ১। ধৰ্মীয় প্ৰকাৰ্য আৰু ২। সামাজিক প্ৰকাৰ্য।

আমি জানো যে, খুলীয়া ভাউৰীয়া পূৰ্বৰে পৰা পৰিৱেশন কৰা হৈছিল প্ৰধানতঃ গোন্ধচৌপৰী সভা বা বাসুদেৱ পূজা উপলক্ষে। ইয়াৰ উপৰিও দৰঙৰ দৌলৰ গোন্ধৰ দিনা, আৰু অন্যান্য ধৰ্মীয় অনুষ্ঠানৰ আগদিনা। গতিকে ধৰ্মীয় প্ৰকাৰ্য খুলীয়া ভাউৰীয়াৰ এটা প্ৰধান প্ৰকাৰ্য। আনহাতে সাংস্কৃতিক বৈশিষ্টৰে সমৃদ্ধ খুলীয়া ভাউৰীয়াই নানাবিধ সামাজিক প্ৰকাৰ্য সাধন কৰে। তাৰে ভিতৰত সংস্কৃতিক প্ৰতিফলন, আমোদ-প্ৰমোদ বা অৱসৰ বিনোদন, অনানুষ্ঠানিক শিক্ষা প্ৰদান, নৈতিক শিক্ষা প্ৰদান, সামাজিক প্ৰতিবাদ, সামাজিক সংহতি, সামাজিক নিয়ন্ত্ৰণ আদি।

খুলীয়া ভাউৰীয়াৰ কাহিনীভাগ লোৱা হয় প্ৰধানতঃ মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ পৰা। খুলীয়া ভাউৰীয়াৰ প্ৰধান উদ্দেশ্য হৈছে মানুহক আনন্দৰ খোৰাক দিয়া আৰু নৈতিক শিক্ষা প্ৰদান কৰা। অতীতৰে পৰা খুলীয়া ভাউৰীয়া প্ৰধানতঃ গোন্ধচৌপৰি সভা বা বাসুদেৱ পূজাৰ প্ৰসংগত পৰিৱেশন কৰি অহা হৈছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে ইয়াৰ পৰিৱেশনৰ স্থান আৰু কালৰো পৰিৱৰ্তন হৈছে। লগতে পৰিৱৰ্তন হৈছে খুলীয়া ভাউৰীয়াৰ বৈশিষ্ট।

খুলীয়া ভাউৰীয়া প্ৰধানতঃ গীত, নৃত্য আৰু অভিনয়সৰ্বস্ব অনুষ্ঠান। খুলীয়া ভাউৰীয়াৰ অভিনেতাসকলক তিনি ভাগত ভগাব পাৰি- ওজা, ভাউৰীয়া আৰু বহুৱা। ইয়াত অভিনেত্ৰী নাথাকে, পুৰুষেই মহিলাৰ বেশভূষাৰে মহিলাৰ ভাও দিয়ে।

ওজা হৈছে খুলীয়া ভাউৰীয়াৰ মূল অভিনেতা। তেওঁ একাধাৰে মঞ্চ নিৰ্দেশক, পৰিচালক আৰু প্ৰধান গায়ক। লোকনাট্য স্থায়ী ৰংগমঞ্চত অভিনীত নহয়, খোলা ঠাইত দৰ্শকৰ সন্মুখত কৰা হয়। সেয়ে খুলীয়া ভাউৰীয়াও মঞ্চত পৰিৱেশন নহয়, পৰিৱেশন হয় খোলা ঠাইত, ৰভাৰ তলত। গতিকে অভিনেতাসকলে মঞ্চৰ পৰিবৰ্তে খলাত অভিনয় কৰে। ওজা বা ওঝাজনে খুলীয়া ভাউৰীয়াৰ নাটকখন আৰম্ভণিৰ পৰা শেষলৈকে আগুৱাই লৈ যায়। দৰঙীয়া লোকে 'ওজা'ক 'ওঝা' বুলি কয়। আৰম্ভণিতে তেওঁ খলাত প্ৰৱেশ কৰি নৃত্য-ভঙ্গীমাৰে পদ গায় আৰু পৰিৱেশন হ'বলগীয়া নাটখনৰ বিষয়ে দৰ্শকক ধাৰণা দিয়ে লগতে ভাউৰীয়াসকলক নিৰ্দেশ দিয়ে।

বহুৱা আৰু ভাউৰীয়াই ভাও অনুসৰি পোছাক পৰিধান কৰে, কিন্তু ওজাৰ পোছাক স্থায়ী বা নিৰ্দিষ্ট। তেওঁ হাত দীঘল চোলা পিন্ধে। চোলা-কাপোৰ বগা ৰঙৰ। পিছফালে সোঁমাজত নীলা বা ক'লা কাপোৰেৰে "ওঁ' বৰ্ণটো লিখা থাকে, অথবা আহঁতৰ পাতৰ দৰে এটি চিহ্ন চিলাই কৰি লয়। ওজাই জামা পৰিধান কৰে। জামাটো তেওঁ এনেদৰে পৰিধান কৰে যাতে কঁকালৰ পৰা ভৰিলৈকে মাটি চোঁ-নোচোঁকৈ ওলমি থাকে। জামাৰ ওপৰত কঁকালত দুই বা ততোধিক ৰঙৰ বস্ত্ৰৰে তৈয়াৰী ছয়-সাত ইঞ্চিমানৰ টঙালি এখন ওলোমাই ৰাখে। সোঁহাতত চোঁৰৰ আৰু বাওঁহাতত এখন কমাল লয়, ডিঙিত পিন্ধে মণি গঁথা ঢোল মাদলিযুক্ত এধাৰি মালা, কাণত কেৰু আৰু হাতত গামখাৰু পিন্ধে, ভৰিত নেপূৰ পিন্ধে আৰু কপালত বগা ফোঁট লয়।

খুলীয়া ভাউৰীয়াত প্ৰধানতঃ দুই ধৰণৰ বাদ্যযন্ত্ৰী থাকে। যথা- খুলীয়া আৰু তালুৱৈ। ইয়াত মাত্ৰ খোল আৰু তালেই বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়।

খুলীয়া ভাউৰীয়া পৰিৱেশনক দৰঙীয়া মানুহে 'ভাউৰীয়া উঠা' বুলি কয়। সেই অনুসৰি ভাউৰীয়া উঠাৰ সময় হৈছে নিশা। ৰাতি পুৱালৈকে ভাউৰীয়া উঠে। যদিহে মাজ নিশা এখন নাটৰ যৱনিকা পৰে, তেন্তে আকৌ অন্য এখন নাটক আৰম্ভ কৰে। মাজনিশা দৰ্শক ঘৰলৈ নাযায়। খুলীয়া ভাউৰীয়াৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈছে 'বহুৱা'। বহুৱা খুলীয়া ভাউৰীয়াৰ হৃদপিণ্ডস্বৰূপ।

বহুৱাৰ বহুৱালীৰ ওপৰতেই ভাউৰীয়া দলৰ মানদণ্ড নিৰূপণ কৰা হয় বুলিলেও বঢ়াই কোৱা নহয়। দৰ্শকৰো দৃষ্টি কেৱল বহুৱাত। নাট পৰিৱেশন কৰি থকা সময়ত যদি বহু পৰলৈকে খলাত বহুৱাৰ প্ৰৱেশ নঘটে, তেতিয়া দৰ্শক অতিষ্ঠ হৈ পৰে আৰু চিঞৰিবলৈ আৰম্ভ কৰে 'ঐ বহুৱা লাগে বহুৱা।' বহুৱাৰ প্ৰৱেশৰ লগে লগে খলাত উঠে আনন্দৰ গুজন। হামিয়াই হিকতিয়াই নিদ্ৰাদেৱীৰ কোলাত জীণ যোৱাসকলো বহুৱাৰ প্ৰৱেশৰ লগে লগে জাপ মাৰি উঠি বহে। ইমানেই জনপ্ৰিয় খুলীয়া ভাউৰীয়াৰ বহুৱা। ড° হৰিচন্দ্ৰ শৰ্মাই বহুৱাৰ বিষয়ে কৈছে এইবুলি — "বহুৱাৰ কথাৰ পাগত শুকান ঢেকীয়াৰ ঠাৰিডালো বসেৰে টুপটুপীয়া হৈ পৰে।"

দৰঙৰ অন্যতম চহকী লোকনাট্যবিধৰ চাহিদা ক্ৰমাৎ হ্ৰাস পাই গৈছে। হাতৰটো এৰি বাটৰটো ধৰা স্বভাৱ আৰু নিভাঁজ লোকসংস্কৃতিক বীজতৰিয়া কৰাৰ মাৰাত্মক ভুলে হয়তো এদিন এইবিধ পৰিৱেশ্য কলাকো নিঃচিহ্ন কৰি পেলাব, তাক লৈ শংকা সচেতন লোকৰ। ■■

# দৰঙৰ লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়া, ঢেপা-ঢুলীয়া আৰু চেৰাঢেক

**কলচুম বিবি**
প্ৰাক্তন ছাত্ৰী

দৰং লোকসংস্কৃতিৰ ক্ষেত্ৰত অতি চহকী। অতীতৰে পৰা দৰঙত বিভিন্ন ধৰণৰ কৃষ্টি-সংস্কৃতি প্ৰচলিত হৈ আহিছে। লোকসমাজক প্ৰতিফলিত কৰা এই কৃষ্টি-সংস্কৃতিসমূহে দৰঙী ৰজাৰ পৃষ্ঠপোষকতাও লাভ কৰিছিল। দৰঙী ৰজাৰ ৰাজধানী হাউলী মোহনপুৰ সাহিত্যৰ লগতে নৃত্য, গীত, বিভিন্ন ধৰণৰ পৰিৱেশ্য কলা আদিৰ চৰ্চাৰ কেন্দ্ৰ হৈ পৰিছিল। দৰঙৰ ওজাপালি, খুলীয়া-ভাউৰীয়া, দেওধনী নৃত্য, ঢেপা-ঢুলীয়া, চেৰাঢেক আদি পৰিৱেশ্য কলাসমূহৰ অসমীয়া লোক সংস্কৃতিত এক সুকীয়া স্থান আছে। এই পৰিৱেশ্য কলাসমূহ অৰ্দ্ধনাটকীয় সমলবিশিষ্ট। দৰঙৰ খুলীয়া-ভাউৰীয়া, ঢেপা-ঢুলীয়া আন ঠাইৰ ভাওনা আৰু ঢুলীয়া অনুষ্ঠানতকৈ এক সুকীয়া বৈশিষ্ট্য থকা পৰিলক্ষিত হয়। আনহাতে চেৰাঢেকো দৰঙৰ খিলঞ্জীয়া মুছলমানসকলৰ এক আপুৰুগীয়া সম্পদ, যাৰ জন্ম দৰঙত। আমাৰ এই লেখাটিত খুলীয়া-ভাউৰীয়া, ঢেপা-ঢুলীয়া আৰু চেৰাঢেকৰ বিষয়ে চমুকৈ আলোচনা এটি আগবঢ়োৱাৰ বাবে চেষ্টা কৰা হ'ল।

খুলীয়া-ভাউৰীয়া দৰঙৰ এটি উল্লেখযোগ্য লোক পৰিৱেশ্য কলা। ই ওজাপালিৰপৰাই সৃষ্টি হৈছে। খোল বাদ্যযন্ত্ৰ সংগত কৰি ভাৱৰীয়াই ভাও দিয়া বাবে এই পৰিৱেশ্য কলাবিধক খুলীয়া-ভাউৰীয়া বোলা হয়। দৰঙৰ খুলীয়া-ভাউৰীয়া বিশেষকৈ ব'হাগ মাহৰ দেউলসমূহত অনুষ্ঠিত হয়। ইয়াৰ বাহিৰেও বিভিন্ন ধৰণৰ ঋতুকালীন উৎসৱ-অনুষ্ঠান, পূজা-পাতল উপলক্ষেও পৰিৱেশন কৰা হয়। খুলীয়া-ভাউৰীয়া যিজনে পৰিচালনা কৰে, যিজন মুখ্য গায়ক তেওঁক ওজা বুলি কোৱা হয়। খুলীয়া-ভাউৰীয়াৰ এটা দলত এজন ওজা, চাৰি বা ছয়জন খোলবাদক, দুইৰ পৰা চাৰিজনৰ ভিতৰত তালুৰৈ, চাৰি-পাঁচজন পালি, দুজন বা তিনিজন সহায়কাৰী ব্যক্তি আৰু বিশ-পঁচিশজন ভাৱৰীয়া থাকে। ওজাই প্ৰতিটো চৰিত্ৰকে গীত-আবৃত্তি, খোলৰ ছেও আৰু তাল বাদনৰ জৰিয়তে খলাত প্ৰৱেশ কৰায়। চৰিত্ৰসমূহে চৰিত্ৰ অনুযায়ী বিভিন্ন ভংগীমাৰে প্ৰৱেশ কৰে। খুলীয়া-ভাউৰীয়াৰ বাবে স্থায়ী মঞ্চ নাথাকে। মুকলি পথাৰ, নামঘৰৰ বা গোসাঁইঘৰ আদিৰ সন্মুখ ভাগত অনুষ্ঠিত হয়। খুলীয়াৰ সৈতে জড়িত কাহিনীসমূহ ৰামায়ণ, মহাভাৰত, ৰামসৰস্বতী আদিৰ বধকাব্যৰ পৰা লোৱা হয় আৰু আৰম্ভণি সংস্কৃত শ্লোকেৰে হয়। ইয়াত অংক বা দৃশ্যৰ বিভাজন নাথাকে। সংলাপতকৈ গীত-পদে গুৰুত্ব লাভ কৰা দেখা যায়। প্ৰসাধন সামগ্ৰী, সাজ-পোছাক আদি স্থানীয়ভাৱে যোগাৰ কৰা হয়। মুখাৰ ব্যৱহাৰ এইবিধ কলাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। চৰিত্ৰসমূহৰ লগত খাপ খোৱাকৈ মুখা ব্যৱহাৰ কৰা হয়, যদিও সকলো চৰিত্ৰই মুখা ব্যৱহাৰ নকৰে। জন্তু, ৰাক্ষস আৰু ব্ৰহ্মা, যম আদি চৰিত্ৰসমূহে মুখা ব্যৱহাৰ কৰে। মুখাসমূহ অতীতত স্থানীয়ভাৱে পোৱা আম, কঁঠাল, ওডাল, চাউগছ আদিৰ কাঠৰপৰা প্ৰস্তুত কৰা হৈছিল।

চৰিত্ৰসমূহে ভাও দিওঁতে ধনু-কাঁড়, তৰোৱাল, গদা, যাঠী আদি অস্ত্ৰও ব্যৱহাৰ কৰে। এই অস্ত্ৰবোৰ থলুৱাভাৱে নিৰ্মিত আৰু ৰং কৰা।

খুলীয়া-ভাউৰীয়া পৰিৱেশনৰ সময়ত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহৰ ভিতৰত চুটি খোল, বৰতাল বা ভোৰতাল ব্যৱহাৰ কৰা হয়। খুলীয়া-ভাউৰীয়াত পৰিৱেশন কৰা বিলাপ গীতবোৰ, যুদ্ধৰ অভিনয় আৰু বহুৱা চৰিত্ৰৰ অভিনয় বৰ আকৰ্ষণীয়। বিলাপ গীতটো যিটো চৰিত্ৰৰ মুখত দিয়া হয় সেই চৰিত্ৰটোৱে নৃত্য-ভংগী প্ৰদৰ্শন কৰি বিলাপ কৰে। বহুৱাৰ গীত-পদ, বচন-সংলাপ আদি আকস্মিক। বহুৱাৰ সাজ-পাৰ বাস্তৱ জীৱনৰ সৈতে মিল নথকা অসংগতিপূৰ্ণ। সংলাপসমূহ কথিত ভাষাত হোৱা বাবে ই সকলোকে আকৰ্ষণ কৰে আৰু হাস্যৰসৰ সৃষ্টি কৰে।

বিলাপৰ লগতে হাস্য-ব্যংগৰ সমাৱেশ ঘটা বাবে খুলীয়া-ভাউৰীয়াই সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। সেয়ে খুলীয়া-ভাউৰীয়া অতীতৰে পৰা দৰঙৰ লোক সমাজত জনপ্ৰিয় হৈ আহিছে।

ঢেপা-ঢুলীয়া দৰঙৰ এক উল্লেখযোগ্য ঢুলীয়া অনুষ্ঠান। দৰঙৰ বাহিৰে আন ঠাইত ঢেপা-ঢুলীয়া অনুষ্ঠিত হোৱা দেখিবলৈ পোৱা নাযায়। কালৰ সোঁতত এইবিধ কৃষ্টি বৰ্তমান বিলুপ্তিৰ পথত। ঢেপা-ঢুলীয়া অনুষ্ঠান বিবাহ, উপনয়ণ, চুড়াকৰণ, দেউল-উৎসৱ আদিত পৰিবেশন কৰা হয়। ঢেপা-ঢুলীয়া নামটোৰ তাৎপৰ্য মনকৰিবলগীয়া। দুতৰপীয়া চালেৰে চিওৱা ঢোলৰ ভিতৰত পানী ভৰাই দিয়া হয়, ফলত তাৰ পৰা ঢেপ্ ঢেপ্ শব্দ ওলায়। শব্দটো ঢেপ্ ঢেপ্ হোৱা বাবেই এই ঢোলক ঢেপা-ঢোল আৰু এই ঢোল বজোৱা ঢুলীয়াক ঢেপা-ঢুলীয়া বোলা হয়।

ঢেপা-ঢুলীয়া ধেমেলীয়া গীত-মাত আৰু বিভিন্ন খেলা-ধূলাৰ মাধ্যমেৰে কলা-কৌশল প্ৰদৰ্শন কৰা অনুষ্ঠান। ধেমেলীয়া গীত পদেৰে দৰ্শকৰ মনোৰঞ্জন কৰাই ইয়াৰ উদ্দেশ্য। হাঁহি সৃষ্টিৰ বাবে হাস্যৰসাত্মক শব্দ আৰু আচহুৱা বিষয়বস্তু ইয়াৰ উপজীব্য। দুটা দলৰ মাজত হোৱা প্ৰতিযোগিতাসমূহে ৰাইজক হাঁহিৰ খোৰাক যোগোয়।

ঢেপা-ঢুলীয়াত ব্যৱহাৰ কৰা ঢোলবোৰ দুই-তিনি ফুট হ'ব পাৰে। এটা মূৰ সৰু আৰু আনটো মূৰ ডাঙৰ-দুহাত মেলি বজাব পাৰি। ঢোলৰ এটা মূৰত হাতেৰে বাদি মাৰে আৰু আনটো মূৰত মাৰিৰে বাদি মাৰে। হাতৰ বাদিৰ লগত মাৰিৰে কোবোৱা বাদিৰ মিল থাকিব লাগে। নাচন, গান বা গাহন আৰু বাদি-এই তিনিবিধ ঢুলীয়া পৰিৱেশন কাৰ্যৰ অপৰিহাৰ্য অংগ।

ঢেপা-ঢুলীয়াৰ অনুষ্ঠানবোৰত ঢুলীয়াৰ নাচন বিশেষত্বপূৰ্ণ। অনুষ্ঠান পৰিৱেশন কৰাৰ আগতেই তেওঁলোকে ৰং-বিৰঙৰ আকৰ্ষণীয় সাজ-পাৰ বিশেষকৈ ভৰিৰ আঠুৰ তললৈ যোৱা জামা আৰু গাত তেনে বিধৰ ৰঙীন কাপোৰেৰে প্ৰস্তুত কৰা চোলা পিন্ধি লয়। ঢেপা-ঢোলত সৃষ্টি কৰা বিভিন্ন বাদিৰ লগত সংগতি ৰাখি তেওঁলোকে নৃত্য-ভংগী প্ৰদৰ্শন কৰে। ঢেপা-ঢুলীয়াই খুটি নাচন, সৰকি নাচন, গড়িয়া নাচন আদি নাচন ঢোল-তাল বজাই পৰিৱেশন কৰে। ইয়াত বজোৱা বাদিসমূহ হ'ল-দেৱবাদি, গোৰবাদি, পাতালবাদি, খৰবাদি, খেদাবাদি, খুন্দাবাদি, গলমোচৰা বাদি, নাক কটাবাদি, কাণ কটা বাদি, ঝুমুৰিবাদি আদি উল্লেখযোগ্য।

সাধাৰণতে ঢেপা-ঢুলীয়া অনুষ্ঠানত দুটা দল থকা দেখা যায়। দুয়ো দলৰ মাজত যুঁজ বা প্ৰতিযোগিতা হয়। এই যুঁজ নাটকীয় গুণবিশিষ্ট হোৱা বাবে ই বৰ আকৰ্ষণীয় আৰু জনপ্ৰিয়। এটা দলে আনটো দলক বাদিৰে, নাচনেৰে আৰু গীত-পদেৰে আক্ৰমণ কৰে। ঢেপা-ঢুলীয়াৰ বাদিসমূহক আশ্ৰয় কৰিয়ে নাচনৰ সৃষ্টি হৈছে। উল্লেখিত তিনিওবিধ নাচনৰ উপৰিও কিছুমান গৌণ নাচনো দেখা যায়। যেনে-তমাল মোচৰা, উঘা ঘূৰেণি, ভেঁকুলী জাপ, শিয়াল ভুমুকি, নেউল ভুমুকি বা নেউল বুলনি, বহি নাচন, বোৱনী নাচন, ৰোৱনী নাচন, চকোৱা নাচন, বোন্দা পাক আদি উল্লেখযোগ্য।

ঢেপা-ঢুলীয়া দলত ৬ ৰ পৰা ১০/১২ জনলৈকে ঢুলীয়া আৰু তালীয়া থাকে। এইবিধ অনুষ্ঠানত পৰিৱেশন কৰা গীতবোৰত লোকজীৱনৰ কথা, লোকবিশ্বাস, হাঁহি-ধেমালি, বেশ-ভূষা, উৎসৱ-পাৰ্বণ, পৰম্পৰা, উপহাস আদিৰ কথাই বেছি প্ৰাধান্য পায়। তলত গীতবোৰৰ কিছু আভাষ দিয়া হ'ল।

অনুষ্ঠান পৰিৱেশনৰ সময়ত ঢুলীয়াই নিন্দা পদৰ সময়ত মুখবাদি বেছি মাৰে। বাদিসমূহত ব্যৱহাৰ কৰা ভাষাটো মনকৰিবলগীয়া। গীত-পদসমূহত দৰঙৰ থলুৱা ভাষাৰ ব্যৱহাৰ কৰা হয়। যেনে —

"আৰে
আমি আইছো ঢোল কুবাবা
ৰাইজ আইচি চাবা
অমুক ঢুলীয়া আইচি
পিলিং পালাং কৰবা।।"

ইয়াত ব্যৱহাৰ হোৱা ঝুমুৰি বাদিও বৰ চিত্তৰঞ্জক —

"আৰে
ঘিতেই গিনি ঘিতেই গিনি
গিনতেই ঘিতিতেই তেই
গিনি গিনি
খিতেই এগিন খিতেই তেই ঘিট
তেই তেই তিতেই
আনিতেই তেই।।"

এইবিধ পৰিবেশ্য কলাত ঢুলীয়াসকলে সামাজিক ব্যংগ প্ৰধান গীত-পদো পৰিবেশন কৰে। যেনে —

দিহা ঃ "দোকান সজাই ল
সজা দোকানদাৰী।।
পদ ঃ এক পইচাৰ তাংখু কিনলু
দুই পইচাৰ লালী।
তাৰ লগত মিহল কল্লু
ব্ৰহ্মপুত্ৰৰ বালি।। ..."

ঢুলীয়াই ঢোল-তালেৰে বাদি এটা মাৰি পিছত গোৱা আন এটি গীত হ'ল —

"ৰি- ৰি- ৰি- ৰিয়া ঐ
ৰি- ৰি- ৰিয়া
শিক্ষাগুৰুই দিলা এনে কৰিয়া ঐ
এনে কৰিয়া।"

ওপৰত উল্লেখিত গীতসমূহত দৰঙী ভাষাৰ ব্যৱহাৰে এটা কথা স্পষ্ট কৰে যে ঢেপা-ঢুলীয়া বিশেষকৈ লোকসমাজৰ সম্পদ। ই কৃষিৰ লগত জড়িত সমাজখনৰ লোকমনক প্ৰতিফলিত কৰে।

চেৰা-ঢেক দৰং জিলাৰ খিলঞ্জীয়া মুছলমান সকলৰ মাজত প্ৰচলিত এবিধ বিশেষ ধৰণৰ লোকগীত। বিয়াসৰ ওজাপালি আৰু সুকন্নানী ওজাপালিৰ ৰাগ বা ঢেকৰ আধাৰত চেৰাঢেকৰ জন্ম। ঢেক পদটোৰ অৰ্থ হৈছে ৰাগ বা ডিগাৰ। 'চেৰা' পদটোৰ অৰ্থ বিভিন্নজনে বিভিন্ন ধৰণে দিছে। কিছুমানৰ মতে চেৰা মানে আচল নহয় বা পৰিত্যক্ত। আন কিছুমানৰ মতে যি ঢেক চিঞৰি চিঞৰি গোৱা হয় অৰ্থাৎ যি ঢেক দিওঁতে দীঘলীয়াকৈ সুৰ টানি গোৱা হয় সেয়াই চেৰাঢেক।

চেৰা-ঢেকত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা নহয়। কেৱল হাতেৰে চাপৰি মৰা হয়। বহা অৱস্থাত ঢেক দিয়াৰ সময়ত সোঁহাতখনৰ তলুৱাখনেৰে সোঁকাণখন হেঁচা মাৰি ধৰা হয়। 'কাৱালী' গোৱাৰ দৰে। চেৰা-ঢেক থিয় অৱস্থাত নাগায়। কেতিয়াবা আঁঠু কাঢ়ি গোৱা দেখা যায়। একক বা কেইবাজনো গায়কে লগ হৈ গাব পাৰে। কোনো কোনোৱে চেৰাঢেক আখ্যা দিলেও দৰঙী মুছলমানসকলে ইয়াক 'ঢেক' বুলিয়েই কয়। দৰঙৰ ছিপাঝাৰ, মাৰৈ, পাথৰিঘাট, নগৰবাহী, মুছলিম ঘোপা আদি অঞ্চলবোৰত ই বৰ জনপ্ৰিয় আছিল। কোনো কোনো ঠাইত এতিয়াও ইয়াৰ প্ৰচলন হোৱা দেখা যায়।

চেৰাঢেক বিভিন্ন উৎসৱ-অনুষ্ঠান যেনে- বিবাহ, মহৰম, মৃতকৰ ঘৰত, গৰু-ম'হ চৰোৱা গৰখীয়া, হালুৱৈ, সাউৰী, ৰাতি ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ ফুৰিব গ'লে, ৰমজান মাহত চেহৰী খাবৰ বাবে জগাবলৈ লগ সমনীয়াবোৰে গাইছিল। অনুষ্ঠান বিশেষে নাটকীয়া অংগী-ভংগী প্ৰদৰ্শন কৰি গোৱা হৈছিল। কেতিয়াবা দুটা দলৰ মাজত চেৰা-ঢেকৰ প্ৰতিযোগিতাও হৈছিল।

১৮৯৪ চনৰ পৰা দৰঙৰ "কৃষক-বিদ্ৰোহ", বা পথৰুঘাটৰ পূৰ্বৰে পৰা দৰঙৰ মুছলমানসকলৰ মাজত পদ বা ঢেক প্ৰচলন হৈ আহিছে। ধৰজ আলি ফন্দীয়ে ৰচনা কৰা "পথৰুঘাটৰ ধাৰা", 'বৰভূঁইকপ', 'কানিয়াৰ বিলৈ', 'মাহীমাকৰ অত্যাচাৰ' আদি কিতাপ চাৰিখনৰ পদবোৰ মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল।

অতীতত দৰঙৰ মুছলমানসকলৰ বিবাহ অনুষ্ঠানত দৰা আহি উপস্থিত হোৱাৰ লগে লগে কইনা আৰু দৰা 'ঢেকুৱৈ'ৰ দল দুটাই মুখামুখিকৈ বহি ঢেক মাৰিবলৈ আৰম্ভ কৰে। মুখ্য ঢেকুৱৈজনে ঘটি থকা সমসাময়িক ঘটনা বা ধৰ্মীয় কাহিনী সুৰ টানি লগাই দিয়ে। সহায়ক গায়ক বা পালি কেইজনে সেই সুৰ বা ঢেক উচ্চ আৰু দীৰ্ঘস্বৰে দোহাৰে। শুনিবলৈ বৰ মনোমোহা হয়। এই গীত-পদবোৰ কিতাপৰ পৰা দিলে ইয়াক 'কিতাপ পঢ়া' বা 'কিতাপী' বা 'কিতেবী' বোলা হয়। ঢেক বা গীতবোৰ গাঁৱতে সৰ্বসাধাৰণ ৰাইজে বুজি পোৱাকৈ ভাঙনি কৰা হয়।

ইছলামী প্ৰথম মাহ মহৰমৰ চান্দত 'শ্বহিদী কাৰবালা' কিতাপখন দৰঙৰ মুছলমান সকলৰ ঘৰে ঘৰে চাকি জ্বলাই, মেনথল লাইট জ্বলাই ৰাতি এপৰলৈকে একেৰাহে ৰজ্ব-ৰচদিন ধৰি ঢেক দি পাঠ কৰা হৈছিল। হজৰত মহম্মদ (দঃ)ৰ প্ৰিয় নাতি হাছান-হুছেইনৰ কৰুণ কাহিনী গীতৰূপে গোৱা হয়। এই প্ৰসংগত নিন্দা ঢেক ব্যৱহাৰ কৰা হয়। মৃতকৰ ঘৰতো দহদিন বা চল্লিশ দিনলৈকে ৰাতি এপৰলৈকে গাই মৃতকৰ ঘৰখনক সান্ত্বনা দিবলৈ চেষ্টা কৰা হৈছিল।

তলত এফাঁকি চেৰাঢেক উল্লেখ কৰা হ'ল —

"আল্লাহ আল্লাহ বোলা ভাই
নবীৰ নামে সাৰ
নবীৰ কলিমা পঢ়া
হৈ যাবা পাৰ।"

চেৰাঢেকৰ লগত ওজাপালি গীতৰ সুৰ-সঞ্চাৰ তথা ওজাপালিত থকা ওজা আৰু পালিসকলৰ লগত চেৰাঢেকৰ মূল ঢেকুৱৈজন আৰু তেওঁৰ সহায়কাৰী পালিসকলৰ সাদৃশ্য মন কৰিবলগীয়া।

বৰ্তমান সময়ত অতীতৰ দৰে সঘনে খুলীয়া-ভাউৰীয়া, ঢেপা-ঢুলীয়া আৰু চেৰাঢেক অনুষ্ঠিত হোৱা দেখা নাযায়। দৰঙৰ কিছু অঞ্চলত খুলীয়া-ভাউৰীয়া মাজে মাজে অনুষ্ঠিত হোৱা দেখা যায়, যদিও ঢেপা-ঢুলীয়া খুব কমেই অনুষ্ঠিত হয়। আকৌ এই দুয়োবিধৰ তুলনাত চেৰাঢেক বৰ্তমান বিলুপ্তিৰ পথত। বৰ্তমান সময়ত উত্তৰ প্ৰজন্মৰ বাবে এইবোৰ আপুৰুগীয়া কৃষ্টি-সংস্কৃতি সংৰক্ষণ কৰাতো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। নহ'লে সময়ৰ সোঁতত হেৰাই যাব। ■■

তথ্য সংগ্ৰহ ঃ

১। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা - ড° নবীন চন্দ্ৰ শৰ্মা

২। অসমীয়া লোকসাহিত্য আৰু লোককলা- সম্পাদনা- জয়া সেনাপতি

## অবিভক্ত দৰং জিলাৰ

# দেউল উৎসৱ

**শ্ৰীদীপশিখা দেৱী**
অৰ্থনীতি বিভাগ, ষষ্ঠ ষান্মাসিক

দৰং জিলাৰ এটি অতি পুৰণি আৰু স্বকীয় বৈশিষ্ট্যপূৰ্ণ উৎসৱ হৈছে দৈউল। এই দেউলৰ আৰম্ভণি প্ৰথমে কেতিয়া, ক'ত হৈছিল সঠিকভাৱে ক'ব পৰা নাযায় যদিও দশম শতিকাৰ আৰম্ভণিত বহাগৰ ১ তাৰিখৰ পৰা হোৱা বুলি অনুমান কৰা যায়। চ'ত মাহৰ সংক্ৰান্তিৰ পৰা সাত দিন ধৰি অসমত বহাগ বিহু পালন কৰা হয় আৰু এই বহাগ বিহুৰ লগত সংগতি ৰাখিয়ে বহাগৰ ১ তাৰিখৰ পৰা দৰঙৰ বিভিন্ন ঠাইত দেউল উৎসৱ উদ্‌যাপন কৰা হয়। কোৱা হয় বহাগ ভগৱান বিষ্ণুৰ অতি প্ৰিয় মাহ। সেই কাৰণে সম্ভৱত বিষ্ণুভক্ত দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত প্ৰাচীন কালৰ পৰা দৰং জিলাত দেউল উৎসৱ পালন কৰি অহা হৈছে। যদিওবা সঠিকভাৱে দেউল উৎসৱৰ আৰম্ভণিৰ বিষয়ে ক'ব পৰা নাযায় তথাপি ব্ৰাহ্মণ কবি মুচগুাই ৰচিত 'শিৱালা বৈষ্ণৱৰ চৰিত্ৰ'ত এই উৎসৱৰ আৰম্ভণি সম্পৰ্কে কিছু বৰ্ণনা আছে।

**দেউলৰ আৰম্ভণি ঃ**

অভিধানৰ মতে দেউল শব্দৰ প্ৰকৃত অৰ্থ হৈছে— দ'ল, দেৱালয় বা বিগ্ৰহ থকা স্থল। বহাগ মাহৰ প্ৰায় প্ৰতিটো দিনতে দৰঙৰ ভিন ভিন ঠাইত বৰ উলহ-মালহেৰে দেউল উৎসৱ পালন কৰা হয়। দেউল উৎসৱ উদ্‌যাপনক লৈ তাহানিৰ পৰা বৰ্তমানলৈ বিভিন্ন লোকবিশ্বাস চলি অহা পৰিলক্ষিত হয়। দেউল উৎসৱ উপলক্ষে মাটিৰে সাত খলপীয়াকৈ টিলা সদৃশ এটি ভেঁটি প্ৰস্তুত কৰি তোলা হয়। এই সাতটা খলপৰ অৰ্থ সপ্ত দ্বীপ (পৃথিৱীৰ) প্ৰতীক ৰূপ তাম্বু, প্ৰেক্ষ, খলপৰ অৰ্থ শাক আৰু পুস্কৰ। ভেঁটিটোৰ একেবাৰে ওপৰত শিৱলিঙ্গ সদৃশ শিল এটা প্ৰতিষ্ঠা কৰা হয়। দেউলৰ দিনা ভেটিটোৰ চাৰি কোণত চাৰিডাল জাতিবাঁহ নাইবা বিজেলি বাঁহৰ লগতে ঠাই ভেদে বহু কেইডালৰ সৈতে কলপুলি

পোতাও পৰিলক্ষিত হয়। এই বাঁহ কেইডালৰ আধা অংশ পৰিষ্কাৰ কৰি বাকী অংশ জেকণি আৰু পাতেৰে ৰখা হয়। দেউল ভেটিটোৰ ওপৰত এখন বগা চন্দ্ৰতাপ আৰি দিয়া হয়। চন্দ্ৰতাপৰ ওপৰত এখন 'ডালপাশ' বা 'নাগপাশ' ভেঁটিটোৰ সোঁমাজতে কাঠেৰে নিৰ্মিত মগৰ দুটা ৰাখে। তাৰ তলত এখন কাপোৰৰ মাজত সোণ, ৰূপ বা আন ধাতুৰে নিৰ্মিত বিষ্ণু মূৰ্তি এটি ডম্বৰুৰ ওপৰত এখন শৰাই পাতি তাত স্থাপন কৰে। দেউলৰ ভেঁটিটোৰ দক্ষিণফালে বিষ্ণুপূজাৰ বাবে ডাঙৰকৈ এটা বেদী সাজে। বেদীটোৰ চাৰিওকাষত সৰু সৰু চাৰিটা কলপুলি পোতে। ঘট, গছা, ধূপ-ধূনাৰে বেদীটো সজাই পূজাস্থানৰ ওপৰত এখন ৰভা দিয়ে। ৰভাৰ তলৰ ঠাইখিনিক খোলা বা খলা বোলে। পূজা আৰম্ভ হোৱাৰ আগমুহূৰ্তত গোটেই ভেঁটিটো আৰু কাষৰ ঠাইখিনি তুলসী গুৰিৰ মাটি আৰু গোবৰেৰে মচাতো এক নিয়ম। দেউলৰ আগদিনা গোন্ধ বা অধিবাস অনুষ্ঠিত হয়। (মেঘ দাহন অধিবাসৰ অতি প্ৰয়োজনীয় কৃত্য। সেই উদ্দেশ্যে কলচোচনীৰ ঘৰ এটা সাজি তাত অধিবাসৰ শেষত মতা ছাগলীৰ দাড়ি পোৰে। ইয়াৰে পাছতেই ঘৰটোত জুই লগাই দি মেঘ দাহন কৃত্য সমাপন কৰে।)

*অধিবাসৰ দিনা সিংহাসন আৰু মগৰৰ সৈতে বিষ্ণু মূৰ্তি মন্দিৰৰ পৰা উলিয়াই দেউল প্ৰতিষ্ঠা কৰিবলৈ অনাতো নানা বিধ মাংগলিক বাদ্য বজাই ৰীতি-নীতিৰ মাজেৰে উলিয়াই আনি বিষ্ণুক আৰাধনা কৰাৰ লগতে বিষ্ণু মূৰ্তি স্থাপন কৰা হয়। দেউলৰ সময় আৰম্ভ হোৱাৰ লগে লগে পুৰোহিতজন বিগ্ৰহস্থ সিংহাসন মূৰত লৈ দেউল ভেটিৰ প্ৰতিটো ফাকত প্ৰদৰ্শন কৰি দেউলৰ ওপৰ ভাগ পায়। সেই সময়ত আন ব্যক্তিয়ে পুৰোহিতজনক চোৰৰেৰে আদৰি আনে। সেই সময়ত ওজাপালি, উৰুলি, নাম-কীৰ্তনেৰে চৌপাশ মুখৰিত কৰি তোলে।*

অধিবাসৰ দিনা সিংহাসন আৰু মগৰৰ সৈতে বিষ্ণু মূৰ্তি মন্দিৰৰ পৰা উলিয়াই দেউল প্ৰতিষ্ঠা কৰিবলৈ অনাতো নানা বিধ মাংগলিক বাদ্য বজাই ৰীতি-নীতিৰ মাজেৰে উলিয়াই আনি বিষ্ণুক আৰাধনা কৰাৰ লগতে বিষ্ণু মূৰ্তি স্থাপন কৰা হয়। দেউলৰ সময় আৰম্ভ হোৱাৰ লগে লগে পুৰোহিতজন বিগ্ৰহস্থ সিংহাসন মূৰত লৈ দেউল ভেটিৰ প্ৰতিটো ফাকত প্ৰদৰ্শন কৰি দেউলৰ ওপৰ ভাগ পায়। সেই সময়ত আন ব্যক্তিয়ে পুৰোহিতজনক চোৰৰেৰে আদৰি আনে। সেই সময়ত ওজাপালি, উৰুলি, নাম-কীৰ্তনেৰে চৌপাশ মুখৰিত কৰি তোলে। দেউলৰ একেবাৰে ওপৰৰ ভেঁটি লৈ গৈ পুৰোহিত নিয়ম, পৰম্পৰাৰ মাজেৰে বিগ্ৰহক সিংহাসনত প্ৰতিষ্ঠা কৰি সেই সিংহাসন মূৰত লৈ পূজাস্থলীলৈ আহে আৰু পূজাখলাত থকা বেদীটোত সেই সিংহাসন প্ৰতিষ্ঠা কৰাৰ অন্তত বিধি পূৰ্বক পূজা আৰম্ভ কৰে। দেউলৰ শেষত গধূলি একে নিয়মেৰে সিংহাসনৰ সৈতে বিষ্ণু মূৰ্তি মন্দিৰলৈ নিয়া হয়।

এইদৰে সম্পূৰ্ণ এদিন উলহ-মালহেৰে দেউল উৎসৱ পালন কৰা হয়। অধিবাসৰ দিনা গোটেই ৰাতি আৰু দেউলৰ দিনা গোটেই ৰাতি আৰু দেউলৰ দিনাখন সম্পূৰ্ণ দিনটো ওজাপালিৰ লগতে ঠাই ভেদে কীৰ্তন পাঠ, বৰঢুলীয়া আদিও পৰিৱেশন কৰা হয়। তাহানিৰ পৰা বৰ্তমানলৈ একেদৰে দৰঙৰ বিভিন্ন প্ৰান্তত দেউল উৎসৱ পালন কৰি আহিছে। তথাপি বৰ্তমান ৰীতি-নীতি কিছুমান সলনি হোৱা পৰিলক্ষিত হয়। ■■



# দৰঙৰ লোক সংস্কৃতিত ‘নাঙেলী গীত’

**অৰ্চনা ডেকা**
অসমীয়া বিভাগ, চতুৰ্থ যান্মাসিক

নাঙেলী গীত হৈছে দৰঙৰ লোক সংস্কতিৰ এক অন্যতম আপুৰুগীয়া সম্পদ। নাঙেলী গীত অসমৰ দৰঙৰ প্ৰচলিত এক প্ৰকাৰৰ গীত। নাঙেলী গীতক লাইলাং বুলিও কোৱা হয়। বিহু গীতৰ দৰেই ত্ৰিপাদী ছন্দত ৰচিত এই নাঙেলী গীতবোৰৰ সংখ্যা ওঠৰ কুৰি বুলি পৰম্পৰা প্ৰচলিত।

নাঙেলী গীতসমূহ কৃষি সমাজৰ লগত জড়িত। নাঙেলী গীত কৃষিজীৱী সমাজৰ বা কৃষিজীৱী উৰ্বৰতাৰ প্ৰতীক। কৃষিজীৱী সমাজৰ বা কৃষিজীৱী লোকসমূহৰ কৃষিভূমি কৰ্ষণৰ বাবে এক অপৰিহাৰ্য সঁজুলি হ'ল নাঙল। এই কৰ্ষণ কৰোতা সকলে সচৰাচৰ ব্যৱহাৰ কৰা গীতবোৰেই নাঙেলী গীতৰূপে জনাজাত হ'ল। কৃষিকাৰ্যৰ লগত উৰ্বৰতা বিশেষভাৱে সম্পৰ্কিত। কৃষিজীৱী সমাজে বিশেষকৈ যৌন প্ৰকাশ নৃত্য-গীতৰ মাজেৰে বসুমতীক উৰ্বৰ কৰি তোলাৰ প্ৰৱণতাৰে ফলত বিহু নৃত্য-গীত হুদুম পূজা আদিৰ দৰেই পৰম্পৰা সৃষ্টি হৈছিল আৰু বৰ্তমানো বিদ্যমান। সেয়ে এই নৃত্য-গীতবোৰ বাহ্যিক দৃষ্টিত অশ্লীল ধৰ্মী। নাঙেলী গীতবোৰ সচৰাচৰ দুটা ভাগত ভগাব পাৰি—শুদ্ধ আৰু অশুদ্ধ। অশ্লীলতাৰ পৰা মুক্ত গীতখিনিক শুদ্ধ আৰু অশ্লীলতাৰ পৰা মুক্ত নোহোৱা গীতক অশুদ্ধ বোলা হয়। কিন্তু শুদ্ধ গীতৰ সংখ্যা যথেষ্ট কম।

কৃষকসকলে ব্যৱহাৰ কৰা এই নাঙেলী গীতসমূহ লাহে লাহে গৰখীয়া সকলৰ মাজতে সীমাবদ্ধ হ'ল। গাঁও অঞ্চলৰ প্ৰায়ভাগ মানুহে কৃষিজীৱী। সেয়ে প্ৰায় ঘৰ মানুহৰে গৰু-ম'হ থাকে, সেই গৰু-ম'হবোৰ দল বান্ধি গাঁৱৰ ডেকাসকলে মুক্ত পথাৰলৈ চৰাবলৈ লৈ যায়। পথাৰত গৰু-ম'হ চৰাই থাকোঁতে আমনি লাগে। সেয়ে সময় কটাবলৈ গৰখীয়াসকলৰ মাজত এই গীতসমূহৰ প্ৰচলন আৰম্ভ হৈছিল।

ম'হৰ শিং কেকোৰা, ম'হৰ শিং বেকোঁৰা
ম'হৰ শিং ভাঙিল এই যুঁজত
অমুকা পৈয়েৰক জুকাই তই নল'বি
ম'হৰ শিং সুমাই দিম মুখত।

এই গীতবোৰত গৰখীয়াসকলে কোনো বাদ্যৰ সহায় নলয়। অৱশ্যে কেতিয়াবা বাঁহীৰ ব্যৱহাৰ কৰে উন্মুক্ত গৰু বিচৰণ ভূমিত প্ৰায় নাৰী সংগতি বিহীন জীৱন যাপন কৰা গৰখীয়াসকলে এই নাঙেলী গীতবোৰৰ ধাৰক আৰু বাহক ৰূপে পৰিগণিত হ'ল।

দুটা ভাগত দল হৈ নাঙেলী গীতৰ মাজেৰে ইটোৱে সিটোক ঠাট্টা-মস্কৰা কৰিবলৈ লয়। ইটো দলে সিটো দলক পৰাস্ত কৰিবলৈ লয়। পৰিয়ালৰ সদস্যকো গীত জোৰে। নাঙেলী গীত শ্ৰম লাঘৱৰ কাজিয়া। আন কিছুমান নাঙেলী গীতৰ মাজেৰে বিহুগীতৰ দৰেই গৰখীয়াসকলক প্ৰেম-ভালপোৱা ভাৱ প্ৰকাশ পায়। এনেদৰেই গৰখীয়াসকলে গীতৰ মাজেৰে ৰং-তামচা কৰে আৰু আবেলি ঘৰমুৱা হয়।

বৰ্তমান দেখা যায় যে নাঙেলী গীত সৰু সৰু ল'ৰা-ছোৱালীয়ে কি নাজানে, সময়ৰ লগে লগে দৰঙৰ আপুৰুগীয়া কৃষ্টি-সংস্কৃতি হেৰাই যাব ধৰিছে। বৰ্তমান ইয়াক ৰক্ষা কৰাটো আমাৰ কৰণীয়। ■■



# পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা

## ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

**মধুস্মিতা ডেকা**
শিক্ষা বিভাগ, ষষ্ঠ ষান্মাসিক

বৰ্তমান সময়ত শিক্ষাৰ্থীৰ লগত সম্পৰ্কিত এক বিচাৰ্য বিষয় হ'ল পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা। পৰীক্ষা হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক কৃতিত্ব মূল্যায়ন কৰাৰ এক পন্থা বা উপায়। শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ গুৰুত্ব অধিক। কিন্তু এই পৰীক্ষাৰ পৰিণতি বা ফলাফল সকলো সময়তে আমাৰ আশানুৰূপ হৈ নুঠাটো কোনো অস্বাভাৱিক কথা নহয়। এই ক্ষেত্ৰত পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা পৰীক্ষাৰ প্ৰাক্‌মুহূৰ্তত আৰু পৰীক্ষাৰ সময়ত বা পৰীক্ষাৰ পিছত সততে মানসিক চাপ বৃদ্ধি হোৱা, পৰীক্ষাৰ ফলাফলৰ প্ৰতি হোৱা দুঃচিন্তা বা ভয়ক বুজা যায়। যাৰ ফলত প্ৰায়ে শিক্ষাৰ্থীসকলৰ মাজত দেখা পোৱা লক্ষণবোৰ হ'ল — ভয় ভাৱ, মুখ শুকাই যোৱা, উশাহ-নিশাহ ঘন হোৱা, নৈৰাশ্য, মূৰৰ বিষ, পেটৰ অসুখ আৰু অস্থিৰতা বৃদ্ধি।

পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠাৰ অন্তৰালত বিভিন্ন কাৰণে ক্ৰিয়া কৰিব পাৰে। ইয়াৰ কাৰণবোৰ হ'ল —

প্ৰস্তুতিৰ অভাৱ ঃ পৰীক্ষাৰ সফলতা লাভৰ বাবে উপযুক্ত প্ৰস্তুতি আৰু সেই অনুসৰি পৰীক্ষা হলত দেখুওৱা পাৰদৰ্শিতা পৰিণতি কিন্তু পৰীক্ষাৰ প্ৰতি উদাসীন হৈ মানসিকভাৱে অপ্ৰস্তুত হ'লে পৰীক্ষাৰ উদ্বেগ দেখা পোৱা যায়। আন এক কাৰণ হ'ল অভিভাৱকৰ অতিমাত্ৰা প্ৰত্যাশা। ল'ৰা-ছোৱালীৰ সামৰ্থ বিবেচনা নকৰাকৈ অভিভাৱকে কৰা উচ্চ আকাংক্ষাই ল'ৰা-ছোৱালীৰ মনত হতাশাৰ জন্ম দিয়ে। কেতিয়াবা অতীতৰ তিক্ত অভিজ্ঞতাই শিক্ষাৰ্থীসকলৰ বাবে পৰীক্ষা উদ্বিগ্নতাৰ এক বৃহৎ কাৰণ হিচাপে দেখা দিয়ে। উদাহৰণ স্বৰূপে— পূৰ্ব পৰীক্ষাত বিফল হোৱা, পৰীক্ষা হলত অসৎ উপায় অৱলম্বন কৰি ধৰা পৰাৰ ফলত সৃষ্টি হোৱা লজ্জাবোধ আদি। ইয়াৰ উপৰিও আন এক কাৰণ হ'ল অভিৰোচনৰ অভাৱ। অভিভাৱক আৰু শিক্ষকসকলৰ পৰা পোৱা অভিৰোচনে শিক্ষাৰ্থীসকলৰ পৰীক্ষাৰ উৎকণ্ঠা দূৰ হোৱাত সহায় কৰে। পৰ্যালোচনাৰ অভাৱ হৈছে আন এক কাৰণ। সাধাৰণতে শিক্ষণ অভিজ্ঞতাক স্থায়ী ৰূপ প্ৰদান কৰাৰ বাবে পৰ্যালোচনাৰ প্ৰয়োজন। ইয়াৰ অভাৱে শিক্ষাৰ্থীসকলক পুনঃ স্মৰণত ব্যৰ্থ কৰে। সাধাৰণতে এইবোৰ কাৰণেই হ'ল পৰীক্ষা উদ্বেগ বা উৎকণ্ঠাৰ কাৰণ।

পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠাৰ প্ৰতিকাৰ ঃ

শিক্ষাৰ্থীসকলে পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা দূৰ কৰিবৰ বাবে প্ৰথমে লক্ষ্যৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগিব। লক্ষ্য প্ৰাপ্তিৰ দুৰ্বাৰ অকাংক্ষা আৰু লক্ষ্যৰ সচেতনতাই মানুহৰ সকলো পৰিস্থিতিত কৰ্ম প্ৰেৰণা যোগায়। অভিভাৱকৰ উৎসাহ প্ৰদান হ'ল আন এক কাৰণ, যিয়ে শিক্ষাৰ্থীৰ মনোবল বৃদ্ধি কৰে। গুণগত অধ্যয়নৰ অভ্যাস গঠনে ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ পৰা ভয়-শংকা দূৰ কৰি ইতিবাচক দৃষ্টি-ভঙ্গী গঠনত সহায় কৰে। পৰীক্ষাত শিক্ষাৰ্থীসকলে ফলাফলৰ প্ৰতি উদ্বিগ্ন হোৱাৰ পৰিৱৰ্তে কৰ্মৰ মাধ্যমেৰে দৃঢ় সংকল্প হোৱাটো প্ৰয়োজনীয়। সামাজিক মাধ্যমৰ অলাগতীয়াল বস্তু সমূহৰ পৰা আঁতৰি শৈক্ষিক জীৱনত সহায়কাৰী মাধ্যম উপভোগ কৰি শিক্ষাৰ্থীসকল আগুৱাই যাব লাগিব। এনেদৰে শিক্ষাৰ্থীসকলে পৰীক্ষাৰ উদ্বেগ বা উৎকণ্ঠা প্ৰতিকাৰ কৰিব পাৰে। ■■



# শ্ৰেণীকক্ষৰ ভিতৰে বাহিৰে শিক্ষা দান মনোগ্ৰাহী কৰাত শিক্ষকৰ ভূমিকা

**মানসী কলিতা**
শিক্ষা বিভাগ, ষষ্ঠ যান্মাসিক

আজিৰ শিশু কাইলৈ দেশৰ ধৰণী। শিশু হৈছে দেশৰ ভৱিষ্যতৰ সম্পদ। শিশুৰ প্ৰতি শিক্ষকৰ কৰণীয় অসীম। শিক্ষকসকলেই হ'ল সন্ধান দিওঁতা, পথ প্ৰদৰ্শক আৰু সমাজ সংস্কাৰক। পঢ়াই পঢ়ে ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন। গতিকে শিক্ষকে শিক্ষকতাৰ বৃত্তিৰ বাদে আন কথাত গুৰুত্ব দিব নালাগে। কাৰণ শিক্ষা দানত ব্ৰতী হোৱা জনেই হ'ল প্ৰকৃত শিক্ষক। শিক্ষক এজনৰ ছাত্ৰ-ছাত্ৰীক শিকোৱা মানসিকতা থাকিবই লাগিব। একোজন শিক্ষাগুৰুৰ ওপৰত শিশুৰ ভৱিষ্যত গঢ়াৰ দায়িত্ব নিৰ্ভৰ কৰে। কমাৰশালত যেনেকৈ গঢ়ি-পিতি একোপদ বস্তু তৈয়াৰ কৰা হয়, ঠিক সেইদৰে একোজন ভাল ছাত্ৰ-ছাত্ৰী গঢ় দিব পাৰে। সময় মতে বিদ্যালয়ত উপস্থিত হৈ শ্ৰেণীকক্ষত প্ৰৱেশ কৰা, আগৰে পৰা প্ৰস্তুত কৰা পাঠ প্ৰস্তুতি মতে পাঠদান কৰা, সময় মতে প্ৰশিক্ষণ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক কিদৰে বিষয়বস্তু আয়ত্ব কৰাব পাৰি, কৌশল যুগুত কৰা আদি শিক্ষকৰ দক্ষতা থাকিব লাগে।

বৰ্তমান শিক্ষাৰ আমূল পৰিৰৰ্তন ঘটিছে। মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মতে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক শাস্তিৰ ব্যৱস্থা উঠাই দিছে। চেকনীৰ আগত বিদ্যা বা শাৰীৰিক শাস্তি, মানসিকভাৱে আঘাত দিয়া আদি বৰ্তমান বিদ্যালয়ৰ শ্ৰেণী কোঠাত প্ৰচলিত হৈ থকা নাই। এনে ক্ষেত্ৰত আনন্দদায়ক, ৰসাল মাতে কথাই, মৰমৰ মাজেৰে ছাত্ৰ-ছাত্ৰীক আয়ত্তলৈ আনি পাঠদান কৰিব লাগে। শ্ৰেণী কক্ষত পাঠদান কৰোঁতে শিক্ষকৰ মূল দায়িত্ব আৰু কৰ্তব্য হৈছে আগতে শিকন-শিক্ষণ সামগ্ৰী ব্যৱহাৰ কৰা। ছাত্ৰ-

**চেকনীৰ আগত বিদ্যা বা শাৰীৰিক শাস্তি, মানসিকভাৱে আঘাত দিয়া আদি বৰ্তমান বিদ্যালয়ৰ শ্ৰেণী কোঠাত প্ৰচলিত হৈ থকা নাই। এনে ক্ষেত্ৰত আনন্দদায়ক, ৰসাল মাতে কথাই, মৰমৰ মাজেৰে ছাত্ৰ-ছাত্ৰীক আয়ত্তলৈ আনি পাঠদান কৰিব লাগে।**



ছাত্ৰীয়ে পৰিৱেশত নেদেখা বস্তু এটা যদি প্ৰদীপনৰ সহায়ত বিষয়বস্তু সহজে বুজিব পৰাকৈ প্ৰস্তুত কৰি শ্ৰেণীকক্ষত উপস্থাপন কৰা হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে সহজতে বুজি পায় আৰু বিষয়বস্তুৰ জ্ঞান স্থায়ী হয়। শিকনৰ অগ্ৰগতিৰ বাবে শ্ৰেণীকোঠা পৰিচালনা কৰোঁতে পাঠ পৰিকল্পনা, শিকন সঁজুলি, ছাত্ৰ, শ্ৰেণী, পাতন, ছাত্ৰ-ছাত্ৰীৰ কাষেৰে ঘূৰি নিৰীক্ষণ কৰা, নিৰ্বাচিত সূচকসমূহৰ ব্যৱহাৰ, ইংগিত প্ৰয়োগ, বন্ধুত্ব সুলভ ব্যৱহাৰ, পাঠদান আনন্দদায়ক হ'বৰ বাবে সাধুকথা, গীত, ভঙ্গিমা আদিৰ দ্বাৰা শ্ৰেণীত পাঠদান উজু হয়।

সহঃ বিদ্যায়তনিক দিশত বিদ্যালয়ত প্ৰাতঃসভা, ব্যায়াম, নিয়ম-শৃংখলা, প্ৰদূষণ, বিদ্যালয় সপ্তাহ পাতি খেল-ধেমালি অনুষ্ঠিত কৰা, কুইজ, আবৃত্তি, সাধু কোৱা, নৃত্য-গীত, শিক্ষামূলক ভ্ৰমণ আদিত অংশগ্ৰহণ পৰ্যবেক্ষণ কৰি লাভ কৰা জ্ঞান আদিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক পূৰ্ণ বিকাশ হয়। চাৰিবেৰৰ মাজৰ শিক্ষাৰ লগতে সহঃ বিদ্যায়তনিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক অধিক উন্নতিৰ পথত আগবঢ়াত সহায় কৰে।

সফল শ্ৰেণীকক্ষ পৰিচালনা তথা পাঠদান মনোগ্ৰাহী কৰাৰ ফলতেই এখন আদৰ্শ বিদ্যালয় গঠনত সহায়ক হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ফলাফল অধিক উন্নত হয়। সময়ৰ সৎ ব্যৱহাৰ কৰি, সময় অপচয় নকৰাকৈ একান্তভাৱে শিক্ষাদানত ব্ৰতী হৈ দেশৰ মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগোৱাটোৱেই শিক্ষক সমাজৰ কৰ্তব্য হওক। প্ৰতিজন শিক্ষকেই সমাজত আদৰ্শ ব্যক্তি হৈ উজ্জ্বলি উঠক। ■■

# জ্ঞান
## জীৱনৰ চালিকা শক্তি

**অংকিতা সৰকাৰ**
দৰ্শন বিভাগ, ষষ্ঠ যান্মাসিক



পৃথিৱীখন জ্ঞানৰ মহাসাগৰ। এই জ্ঞান মহাসাগৰৰ পৰা সমস্ত জ্ঞান অৰ্জন কৰাটো বাস্তৱিকতে জটিল। আনহাতে মনেৰে ভবা আৰু কাৰ্য কৰা এই দুয়োটা কামৰ মাজত পাৰ্থক্য আছে। সেয়েহে পৰিকল্পিত প্ৰক্ৰিয়াৰে জ্ঞান অৰ্জন কৰা উচিত। এখন কিতাপে হয়তো কোনো এজন ব্যক্তিক মানসিকভাৱে খুব সহায় কৰিব পাৰে। আনহাতে সেই একেখন কিতাপেই আন এজন ব্যক্তিৰ পক্ষে আগৰজন ব্যক্তিৰ সমান সহায়কাৰক নহ'বও পাৰে। সেয়েহে খেলিমেলিৰ দ্বাৰা পৰিচালিত হৈ পুথি অধ্যয়ন কৰিলে অধ্যয়ন মাত্ৰ সাময়িক আনন্দৰহে উৎস হৈ পৰে। ছেমুৱেল স্মাইলছৰ 'Self help', বেকনৰ 'Becon's Essays',ব্ৰাট্ৰাণ্ড ৰাছেলৰ 'The conquest of happiness' ইত্যাদি গ্ৰন্থসমূহ যুগ যুগৰ বাবে জ্ঞান পিপাসুৰ প্ৰেৰণাৰ উৎস আৰু জ্ঞান বিকাশৰ সঞ্জীৱনী।

প্ৰকৃততে পৃথিৱীখনক দুটা ভাগত ভগাব পাৰি। এটা অন্তঃভাগ আৰু আনটো বহিঃভাগ। অন্তঃ ভাগটোক আমি সৰু পৃথিৱী আৰু বহিঃ ভাগটোক ডাঙৰ পৃথিৱী বুলি ভাবিব পাৰো। এই দুয়োখন পৃথিৱীয়ে বিপৰীত নহয়, বৰঞ্চ পৰিপূৰকহে। যদি এটা কোঠাক চাৰিওফালে পৰিৱেশৰ সৈতে ভিতৰৰ পৰিৱেশক একেলগে আমি ডাঙৰ পৃথিৱী বুলি ভাবো, তেতিয়া হ'লে অকল কোঠাটোৰ পৰিৱেশটো হ'ব সৰু পৃথিৱীৰ পৰিৱেশ।

সঁচা আৰু বাস্তৱ জ্ঞান অৰ্জনৰ বাবে পুথিগত বিদ্যাই শেষ উৎস হ'ব নোৱাৰে, ইয়াৰ লগতে লাগিব বাহ্যিক



জগতৰ জ্ঞান। আচলতে 'Philosophy of action should be the philosophy of life, which leads to the extreme proof of life'.

বাহ্যিক জগতৰ জ্ঞানৰ উপযোগিতা আছে। এই সম্পৰ্কে দুটা সঁচা ঘটনা উল্লেখ কৰা হ'ল। সদায়ে কোঠাৰ ভিতৰত সোমাই পঢ়া-শুনা কৰি থকা, সময়মতে খাবলৈ, শুবলৈ যোৱা এজন ল'ৰা এদিন ৰাস্তালৈ ওলাই গৈ শিল এটাত উজুটি খালে। তাকে দেখি বুঢ়া এজনে সুধিলে, 'বাপু উজুটি খালা নেকি?' সেই ল'ৰাজনে উজুটি মানে কি নাজানেই, সি জানে সি ভৰিত কষ্ট পাইছে। সেয়েহে সি তপৰাই ক'লে 'নাই নাই, ভাত-পানী খাইছে, ৰাস্তালৈ ওলাই আহিছো, উজুটি খোৱা নাই।'

এদিন এজন ল'ৰাক বজাৰলৈ পঠোৱা হ'ল। বাপেকে ক'লে, 'আলুৰ কিলোৰে প্ৰতি আঠ টকা, চাইচিটি আনিবি। ল'ৰাই বজাৰ পাই গম পালে আলু ছয় টকা কিলোকৈয়ে বিক্ৰী কৰা হৈছে। গতিকে সেই দৰত আনিলে বাপেকক অমান্য কৰা হ'ব বুলি ভাবি আলুৱেই নানিলে। এই ধৰণৰ ঘটনা ঘটাৰ মূল কাৰণ হ'ল বাহ্যিক জ্ঞানৰ অভাৱ। অৰ্থাৎ বহল পৃথিৱীৰ পৰা পোৱা মিশ্ৰিত জ্ঞানেহে এজনক পূৰ্ণ মানৱ হোৱাৰ সহায়ক হ'ব পাৰে।

এটা কেৰাচিন তেলৰ চাকি জ্বলি থাকে তাৰ ভিতৰত থকা কেৰাচিনখিনিৰ বাবে। কেৰাচিনখিনি শেষ হ'লেই চাকিটো ধিপ্ ধিপ্ কৰি নুমুৱাবলৈ ধৰিলে। মানুহৰ জীৱনটোত জ্ঞান চাকিৰ ভিতৰৰ কেৰাচিনৰ দৰে কাম কৰে। কেৰাচিন শেষ হ'লে চাকিটো নুমাই যায়, কিন্তু এজন ব্যক্তিৰ জীৱনত সঞ্চিত জ্ঞানে ব্যক্তিজনক মৃত্যুৰ পিছতো জীয়াই ৰাখে। কাৰণ তেওঁ জীয়াই থকা দিনখিনিৰ কাৰ্যপন্থাৰ মাজেদি তেওঁৰ জ্ঞানৰ প্ৰতিফলন ঘটে আৰু মৃত্যুৰ পিছতো সেই জ্ঞানেই জীৱনৰ কাণ্ডাৰী হৈ থাকে। ■■

কলমৰ পৰিধিৰে



# শৈক্ষিক পৰিৱেশ

**শিখা বৰুৱা**
অসমীয়া বিভাগ, চতুৰ্থ ষাণ্মাসিক

শৈক্ষিক পৰিৱেশ বুলিলে আচলতে পঢ়াশালিৰ পৰিৱেশৰ পৰাই যথেষ্ট অৰিহণা পোৱা যায়। মানৱ জীৱনৰ শাৰীৰিক, মানসিক বিকাশ সাধনত শিক্ষাই মূল আহিলা। অনাদি কালৰ পৰাই মানুহে নিজৰ নিজৰ জীৱনটোক মহীয়ান কৰি তুলিবলৈ অহৰহ চেষ্টা কৰি আহিছে। সেয়ে নিজৰ উপৰিও উত্তৰ পুৰুষৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে আৰু শাৰীৰিক, মানসিক বিকাশৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে। তাৰ ফলশ্ৰুতিয়েই শিক্ষানুষ্ঠানসমূহ গঢ়ি উঠিছিল। এই অঞ্চলত বিদ্যালয়খন পৰিৱেশ সেই অঞ্চলৰ লোকসকলৰ আচাৰ-ব্যৱহাৰ, মনোবৃত্তি, শিক্ষাৰ প্ৰতি থকা আগ্ৰহ এই সকলোবিলাকে প্ৰভাৱ পেলায়। সমূহীয়া প্ৰচেষ্টা আৰু সচেতনতাই সুস্থ পৰিৱেশ গঠন কৰাৰ সহায়ক হয়। গতিকে দেখা যায়, সেই অঞ্চলৰ সমাজৰ দায়িত্ব অধিক।

প্ৰকৃত শিক্ষাই সমাজক সুস্থিৰভাৱে আগুৱাই লৈ যোৱাত যথেষ্ট সহায় কৰি আহিছে। গতিকে শিক্ষা হৈছে এবিধ সচেতন আৰু উদ্দেশ্য প্ৰণোদিতভাৱে নিয়ন্ত্ৰণ আৰু পৰিচালিত কৰা কাৰ্য বিশেষ। এনেবোৰ শিক্ষাৰ কাৰ্য পৰিচালনা কৰিবলৈ বিশেষ। এনেবোৰ শিক্ষাৰ কাৰ্য পৰিচালনা কৰিবলৈ একো একোটা সুশৃংখল অনুষ্ঠানৰ প্ৰয়োজন। এই অনুষ্ঠানটি পৰিচালনা কৰিবলৈ একো একোজন বিশেষভাৱে শিক্ষাপ্ৰাপ্ত অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন। গতিকে এই অনুষ্ঠানখনেই স্কুল, বিদ্যালয়, কলেজ আদি নামেৰে পৰিচিত।

গতিকে দেখা যায় বিদ্যালয়সমূহৰ পৰাই প্ৰকৃত শিক্ষা লাভ কৰিছিল বা কৰিব পৰা যায়। সেয়ে ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱক আৰু চৰকাৰৰ সন্মিলিত প্ৰচেষ্টাৰ ফলত এটা সুশৃংখল শৈক্ষিক পৰিৱেশ সৃষ্টি হয়। গতিকে দেখা যায় শিক্ষাৰ্থীৰ প্ৰয়োজনীয় শিক্ষাদানৰ বিভিন্ন সা-সঁজুলি, বিভিন্ন আচবাব, পুথিভঁৰাল, প্ৰয়োগশালা, পাঠ্যপুথি, খেলপথাৰ আৰু অনুষ্ঠান অনুশাসনৰ মাজেদি নিৰ্ধাৰিত সময়ত নিৰ্দিষ্ট পাঠ্যসূচী আৰু শিক্ষণ পদ্ধতিৰ যোগেদি শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ৰ শিক্ষাদান কৰিব লাগে। প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়, উচ্চতৰ



মাধ্যমিক বিদ্যালয়, বিশ্ববিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী শিক্ষাৰ যোগেদি সুশৃংখল আৰু অনুশাসন মনা কৰি তুলিব পৰা হ'ব লাগিব। বিদ্যালয়সমূহত শিক্ষা গ্ৰহণ কৰি থকা কালছোৱাত ল'ৰা-ছোৱালীয়ে সজ অভ্যাস গঠন, নৈতিক চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ সাধন আৰু আত্ম-নিৰ্ভৰশীল হ'বলৈ যত্নপৰ হ'ব লাগে।

বৰ্তমান বিজ্ঞানৰ যুগ। সেয়ে বিজ্ঞানৰ নতুন নতুন উদ্ভাৱন আৰু আৱিষ্কাৰৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলোৱে উপকৃত হ'ব লাগে। ঘৰত বহি থাকিয়েই পৃথিৱীৰ সকলো কথা জানিব পৰা যায়। গতিকে শিক্ষাৰ্থীসকলে এই সকলোবোৰৰ পিছত দৌৰি আহৰণ কৰি লোৱাহে প্ৰয়োজন।

শিশুৰ প্ৰথম ঘৰখনেই অনুষ্ঠান। কাৰণ শিশুৱে জন্মৰ পাছত মাতৃ আৰু পৰিয়ালৰ আন আন আত্মীয়-স্বজনৰ পৰা শিশুকালৰ শিক্ষা আহৰণ কৰে। শিশুসকলৰ বৌদ্ধিক বিকাশ, মানসিক, শাৰীৰিক বিকাশ সাধনত পিতৃ-মাতৃ আৰু পৰিয়ালৰ গুৰুত্ব অধিক হোৱা দৰকাৰ।

শৈক্ষিক বাতাৱৰণ সৃষ্টিত মহিলাসকলৰ দায়িত্ব আৰু গুৰুত্ব অধিক, কাৰণ মহিলাসকলে এখন ঘৰৰ দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিব লাগে। এগৰাকী মহিলাই যোগাৰ পৰা অৰ্থনৈতিক, সামাজিক দায়বদ্ধতা এই সকলো বিলাকৰ দায়িত্ব বহন কৰিব লাগে। শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সকলো শিক্ষা, পুষ্টিকৰ খাদ্য যোগান ধৰা, নানান ধৰণৰ অসুখ-বিসুখৰ প্ৰতি লক্ষ্য, সৎ সংগ প্ৰদান কৰা, খেল-ধেমালিৰ সা-সুবিধা কৰি দিয়া আৰু সৎ সংগ প্ৰদান কৰি নৈতিক চৰিত্ৰ গঠনৰ প্ৰতি গুৰুত্বপূৰ্ণ দায়িত্ব পালনত এগৰাকী মাতৃৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

বৰ্তমানৰ যুৱ সমাজে অৰ্থাৎ আমি চৰকাৰে আগবঢ়োৱা সুনিয়োজিত আঁচনিৰ কৰ্মত আগবাঢ়িলে অঞ্চল তথা দেশলৈ আমূল পৰিৱৰ্তন আনিব পাৰিম। ইয়েই পিছলৈ নতুন প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব। ■■




# *A Healthy Dose of*
# HUMILITY

**Goutam Deka**
B.A. 3rd Semester, Department of History

Definitions of the word humility are varid. In short, humility is the quality of being humble, Humility, often described as a virtue, is the quality of having a modest or low view of one's importance. It involves recognizing one's. Limitations and being open to learning from others. While it might seem contradictory in a world that often promotes self-conifidence and assertiveness, humility is, in fact a valuable trait that can lead to personal growth and better relationships with others.

**The Essene of Humility :**

Humility is not about self-deprecation or having low self-esteem. It's about having an accurate understanding of oneself and one's place in the world. It means acknowledging that no one is infallible and everyone has room for improvement. In essence, humility is a from of self-awareness that keeps arrogance and pride in cheeck.

**The Benefits of Humility :**

Humility offers numerous benefits in various aspect of life. Let's explore some of the key advantages of cultivating this virtue.

1. Improved Relationships : Humble invividuals tead to be more understanding and empathetic. They listen actively and are open to different perspectives, making them better communicators and fostering positive relationships.

2. Conflict Resolution : Humility is essential in resolving conflicts. It allows individuals to admit their mistakes and seek common ground, leading to more peaceful reslolutions.

3. Learning and Growth : Humble people are eager to learn and grow. They are not afraid to ask qustions or seek help, which accelerates personal and professional development.

4. Leadership : Humility is a valuable trait in leaders. Leaders who acknowledge their limitations and value their term's contributions tend to insprie trust and loyalty among their followers.

5. Resilience : Humility helps individuals bounce back from getbacks and failures. It encourages and failures. It encourages an mindset of learning from mistakes rather than dwelting on them.

**Cultivating Humility :**

While some people may naturally possess humility, others may need to work on developing this trait. Here are some strategies to cultivate humility.

1. Practice self-Reflection : Regularly take time to reflect on your actions, thoughts and behaviours try to identify areas where you might be overly proud or resistant to feedback.

2. Seek Feedback : Encourage honest feedback from friends, family and colleagues. Be open to constructive criticism and use it as an opportunity for growth.

3. Learn from other : Recongnize that everyone has something to teach you. Approach interactions with an attitude of curiosity an a willingness to learn from others' experiences.

4. Admit Mistakes : When you make a mistake, acknowledge it and take responsibility. Avoid making excuses or blaming others. This demonstrates accountability and integrity.

**Examples of Humility in Action :**

Humility can be found in various walks of life. Here are a few examples of individuals who have demonstrated this virtue.



1. Nelson Mandela : The former Sounth African President and anti apartheid revolutionary displayed remarkable humility despite his global acelaim. He emphasized reconciliation over revenge and was open about his own flaws.

2. Mahatma Gandhi : The leader of India's non violent independence movement, Gandhi's humility was evident in his simple lifestyle and wilingness to endure handship alongside his follows.

**Challenges to Humility :**

While humility is undoubtedly valuable, it's not always easy to maintain. There are several challanges individuals may encounter when trying to cultivate humility.

1. Ego : Overcoming one's ego or the need to protect one's self-esteem and reputation can be difficult. It requires a conscious effort to put aside one's pride.

2. Fear of Vulnerability : Being humble means being open to criticism and admitting mistakes. This can make some people feel vulnerable, which they may find uncomfortable.

3. Misunderstanding Humility : Some individuals may misinterpret humility as a lack of self-confidence. It's important to convey that humility is about self-awareness and respect for others, not self-doubt.

**Balancing Humility and Confidence :**

Finding the right balance between humility and self-confidence is essential. While humility encourages learning and growth, confidence is necessary to pursure goals and overcome challenges. Striking this balance can be challenging. But is achievable through self-awareness and practice.

In a world that often elebrates self-promotion and individualism, humility is a virtue that stands out. It's a powerful quality that can lead to improved relationships, personal growth and a more harmonious society. But recognizing our limitations, seeking feedback and being open to learning from others, we can cultivate a healthy dose of humility in our lives. In doing so, we can become better individuals and contribute positively to the world around us. ■■



# National Education Policy 2020

**Lakyahira Deka**
4th Semester, Department of Education

The National Education Policy 2020 is the first, education policy of the 21st century and aims to adress the growing development imperatives of our country. This policy purposes the revision and ramaking of all aspects of the education structure, including its regulation and governance to create a new system that is aligned with the aspirational goals of the 21st century education, including SDG4, while building upon India's traditions and value system. The National Education Policy lays particular emphasis on the development of the creative potential of each of individual. It is based on the principle that education must develop not only cognitive capacities both the 'foundational capacities' of literacy such as critical thinking and problem solving-but also social, ethical and emotional capacities and depositions. National Education Policy 2020 envisions an education system rooted in Indian ethos that contributes directly to transforming India, that is Bharat, sustainably into an equitable and vibrant knowledge society, by providing high-quality education to all and thereby making India a global knowledge superpower. The policy envisages that the curriculam and pedagogy of our institutions must develop among the students a deep sense of respect towards the Fundamental Duties and constitutional values bonding with one's country and a conscious



awarness of one's roles and responsibilities in a changing world. The vision of NEP 2020 is to instill among the learner's a deep-rooted pride in being Indian not only in thought but also in spirit intellect and deeds as well as to develope knowledge, skills, values and dispositions that support responsible commitment to human rights, sustainable development and living and global well-being, thereby reflecting a true global citizen.

Part I. School Education :

This policy envisages that 10+2 structure in school education will be modified with a new pedagogical and curricular restructuring of 5+3+3+4 design. consisting of the foundational stage (in two parts that is 3 years of Anganwadi/ Pre-school + 2 years in primary school in Grades 1-2 both together covering ages 3-8), preparatory stage (grade 3-5, covering ages 8-11), Middle stage (grades 6-8, covering ages 11-14), and secondary stage (grades 9-12 in two phases, i.e. 1 and 10 in the first and 11 and 12 in the second, covering ages 14-18).

Part II. Higher Education :

National Education Policy envisions a complete overhaul and re energising of the higher education sysem to overcome the challenge and thereby deliver quality higher education with equity and inclusion. The policy's vision includes the following key changes to the current system:

1. Moving towards a higher education system consisting of large, multidisciplinary universities and college with at least one in or near every district and with more HEIs across India that offer medium of instruction or programme in local/Indian language.

2. Moving towards more multidisciplinary under graduate education.

3. Moving towards faculty and institution autonomy.

4. Revamping curriculam pedagogy, assesment.

5. Student's support for enhanced student experience. ■■



# Developing Personality Through Community Service
## *The NSS in HEIs*

*"The best way to find yourself is*
*to lose yourself in the service of others."*
*Mahatma Gandhi*

**Goutam Deka**
3rd Semester, History Department




The National Service Scheme (NSS) is a notable youth initiative under the Ministry of Youth Affairs and Sports, Government of India. Launched in 1969 by Dr. V.K.R.V. Rao, then Union Education Minister, it began in 37 universities with around 40,000 volunteers, commemorating Mahatma Gandhi's centenary. NSS's central objective is the comprehensive development of students through community service, under the motto "Not Me, But You," emphasizing selflessness and prioritizing societal needs. NSS volunteers actively contribute to rural development, focusing on village adoption, school surveys, education, and health awareness programs. Participation in NSS enhances volunteers' employability, self-confidence, and leadership skills while fostering a sense of social responsibility among college and university students.

NSS offers students in higher education a significant platform to engage in voluntary community service. This government initiative, managed by the Ministry of Youth Affairs and Sports, enables students across various educational levels – from intermediate and technical education to graduate and post-graduate studies – to participate in community development projects. Between 1950 and 1969, influential leaders, including Dr. Sarvepalli Radhakrishnan, Pandit Jawaharlal Nehru, Dr. C.D. Deshmukh, Dr. Daulat Singh Kothari, and Dr. V.K.R.V. Rao, along with Vice-Chancellors and student representatives,

deliberated on national service as a unifying force. They recognized its potential to promote national integration by exposing urban students to rural life. Launching this program during Mahatma Gandhi's birth centenary was apt, given his inspiration for Indian youth to join the freedom movement and work towards the upliftment of marginalized communities.

On September 24, 1969, NSS was launched experimentally for a two-year period for undergraduate students across 37 universities in India. This day is now celebrated as NSS Foundation Day. The program, which started with 37 universities and 40,000 students, has grown significantly, encompassing 402 universities, 16,330 colleges, and 19,994 higher secondary schools today. Through NSS, students have experienced personal and professional growth, becoming exemplary citizens.

The motto "Not Me, But You" encapsulates the spirit of selfless service that NSS aims to instill in students. The program focuses on developing students' personalities through community engagement, making it a unique experiment in educational expansion. NSS fosters volunteerism among students and teachers through sustained community interaction, bridging the gap between educational institutions and society, and demonstrating how knowledge and action can achieve socially desirable outcomes.

liberation, reflecting the movement of life through time and space. It symbolizes continuity and change, representing NSS's ongoing efforts towards social transformation. The wheel's eight spokes, representing the 24 hours of the day, emphasize the idea that volunteers should be ready to serve the nation at all times. The red color in the emblem signifies the energy and vigor of the volunteers, while the navy-blue color represents the vast cosmos, highlighting NSS's contribution to the betterment of humanity.

NSS has successfully navigated over five decades of youth development, during which countless volunteers have honed their skills and contributed to nation-building. The program is designed by students themselves, with both students and teachers working together in a collective effort towards national development through community service.

The primary objective of NSS is to instill a sense of social responsibility among students while serving society. NSS volunteers work to ensure that the underprivileged receive support to improve their living standards and lead dignified lives. The program involves providing food, clothing, and first aid during disasters to prevent man-made calamities. As a social initiative led by student and staff volunteers from various colleges, NSS primarily focuses on rural development through a range of activities.



The NSS symbol, inspired by the Rath Wheel of the Konark Sun Temple in Odisha, represents the cycle of creation, preservation, and

Each NSS unit is led by a Program Officer (PO), a teacher who serves as a leader, manager, planner, supervisor, administrator, and public

relations officer. NSS activities are categorized into two main types: regular programs and special camps. These programs address various issues, including health, child care, environmental management, water conservation, and organizing health and blood donation camps to raise awareness in targeted areas. The program is also committed to the personal development of its volunteers, who engage in community service for 120 hours, divided into 20 hours of orientation, 30 hours of campus work, and 70 hours of community service.

Regular NSS activities involve students participating in community service during weekends, focusing on areas such as village adoption, urban projects, and disaster management. The adoption of a village or area is a significant aspect of NSS, allowing students to make a meaningful impact on rural development over several years. In urban areas, NSS volunteers work on adult education, slum development, civil defense training, and various awareness campaigns.

During natural calamities and national emergencies, NSS volunteers are mobilized to support rescue, relief, and recovery efforts. Program officers are expected to take the initiative and coordinate the activities of NSS volunteers to assist authorities in these critical situations. NSS programs also include the observance of national days, such as World Environment Day, International Women's Day, and Youth Day, among others. Colleges and universities organize activities on these days, often with funding support from various sources.

NSS special camps are organized in adopted villages or urban slums during vacations, lasting seven days and involving specific projects tailored to the needs of the local community. These camps provide students with practical experience in rural or urban development, contributing to long-term social change. Given the logistical challenges of regular visits to adopted villages, especially for colleges in urban areas, NSS units are encouraged to adopt nearby slums for sustained community development efforts.

In slum areas, NSS volunteers take on various roles, including community investigators, activists, program assistants, and organizers. They engage in activities such as conducting community profiles, discussing local issues with leaders, assisting in the implementation of programs like milk distribution and sanitation drives, and forming community organizations to address local problems.

The future potential of NSS is immense in contributing to youth development and national progress. However, to sustain and expand its success, NSS must address challenges and extend its reach to other segments of the population, including schools. Introducing NSS at the school level would instill social responsibility and national integration in students from an early age, providing them with opportunities to engage in community service and contribute to national development.

To enhance the effectiveness of NSS, it is crucial to provide adequate resources, including funding, equipment, and manpower. These resources will enable NSS units to carry out their activities more efficiently, making a more substantial impact on their communities. NSS is not merely a service program; it is a platform for youth to channel their skills, talents, and efforts toward the betterment of society. Through participation in NSS, students in colleges and universities can develop their personalities through community service, gaining valuable experiences that shape them into responsible citizens.

Participation in NSS activities reflects a process of value inculcation, equipping students with social, humane, national, universal, and democratic values, as well as leadership qualities. NSS camps, in particular, foster volunteer leadership, team spirit, constructive activities, and communication skills within the community. The program supports both male and female volunteers in their personal and professional development, contributing to the creation of well-rounded individuals dedicated to the service of the nation.

NSS volunteers proudly wear the NSS badge, featuring the Konark wheel with its eight spokes representing the 24 hours of the day. The red and navy-blue colors of the badge symbolize the energy and cosmic significance of the NSS movement. September 24th, the day NSS was officially launched, is celebrated every year as NSS Day, marked by various programs and activities that reflect the spirit of the organization.

The NSS theme song, composed during the program's Silver Jubilee Year, is another symbol of the organization's unity and purpose. All NSS volunteers are encouraged to learn and sing this theme song during NSS programs and celebrations, reinforcing their commitment to the program's ideals.

Initially, the financial structure of NSS provided for an expenditure of Rs. 120 per NSS student per year, shared between the Central and State Governments in a 7:5 ratio. This financial support has enabled NSS to grow and sustain its activities over the years, continuing to make a significant impact on the development of India's youth and the nation as a whole.

The NSS (National Service Scheme) clap is a special way used in NSS activities to bring volunteers together, build excitement, and work in harmony. It's also a method to recognize and appreciate everyone's efforts. The NSS clap follows a few simple steps, each with its own meaning.

Steps of the NSS Clap :

Step 1 : Initial ClapsVolunteers clap three times slowly, all together.Meaning: These first claps show unity and togetherness among the volunteers.

Step 2 : Increased ClapsVolunteers clap three times again, but a bit faster.Meaning: This step shows growing enthusiasm and energy in the group.

Step 3 : Quick ClapsVolunteers clap three times quickly.Meaning: These fast claps represent peak excitement and readiness to take action.

Step 4 : Single ClapA single, loud clap is done after the quick claps.Meaning: This final clap shows the group's sense of achievement and readiness to move forward.

Step 5 : CheerSometimes, volunteers might cheer or shout "NSS!" after the final clap.Meaning: This cheer boosts the team spirit and dedication to community service.

Meaning Behind the NSS Clap :

Unity : The NSS clap brings volunteers together, reinforcing the NSS motto, "Not Me, But You."

Enthusiasm : Each step in the clap builds up excitement and energy, which are important for volunteers.

Recognition : The NSS clap is often used to recognize and celebrate the contributions of everyone in the group.

Coordination : The synchronized clapping helps build teamwork and shows the importance of working together.

The NSS clap is more than just a routine; it's a powerful gesture that represents the values of teamwork, dedication, and service in the National Service Scheme.

The National Service Scheme (NSS) helps students develop a sense of social responsibility by engaging in community service. With the motto "Not Me, But You," NSS volunteers work on projects that benefit rural and urban communities, provide disaster relief, and raise social awareness. The program helps students grow personally while contributing to the nation's development, with the NSS clap and emblem representing the unity and energy of the volunteers. ■■

# সামাজিক পতঙ্গৰ সামাজিক সংগঠন বা আচৰণ

**ড° (মেজৰ) লীনা শইকীয়া**
সহযোগী অধ্যাপিকা
প্ৰাণী বিজ্ঞান বিভাগ



একে উদ্দেশ্যৰে দৰঙৰ কোচ ৰজাৰ ৰাজধানী মোহনপুৰ হাউলীত বসবাস কৰি থকা ৰাজ পৰিয়ালৰ গৃহত ক্ষেত্ৰ জৰীপ কৰা হৈছিল। সেই সময়ত শ্ৰীযুত যতীন্দ্ৰ নাৰায়ণ দেৱৰ লগত সাক্ষাত কৰি এক কথাত ব্যথিত হৈ পৰিছিলো যে দৰঙৰ এক দুশ বছৰীয়া পাঠৰ দুমহলীয়া ভৱন কুৰি শতিকাৰ ৮০ দশকত ভাঙি পেলোৱা হৈছিল পৰিয়ালকেন্দ্ৰিক কাৰণত। শ্ৰীযুত নাৰায়ণ দেৱেও সেই ভৱনটিৰ সংৰক্ষণৰ অভাৱত হেৰাই যোৱাত আজি যথেষ্ট ব্যথিত। তেওঁ জনাইছিল যে এই ভৱনটি 'বঙালী ৰজাৰ মহলা' বুলি পৰিচিত, যিটো সেই সময়ত বিভিন্ন ঠাইৰ পৰা অহা লোকে পৰিদৰ্শন কৰিছিল। ইয়াৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলো আছিল, যিসকলে বহুবাৰ সেই ৰাজকীয় গৰিমাৰে মহিমামণ্ডিত কাঠৰ ভৱনটি দৰ্শন কৰিবলৈ আহিছিল। যদিওবা পুৰণি দিনৰ বঙালী ৰজাৰ কাঠৰ দুমহলা ভৱনটি সংৰক্ষণ কৰিব নোৱাৰিলে তথাপি আজি শ্ৰীযুত নাৰায়ণ দেৱ প্ৰতিজ্ঞাবদ্ধ যে তেওঁ বৰ্তমান বাস কৰি থকা শতায়ু গৰকা অসম আৰ্হিৰ ঘৰটি সঠিকভাৱে প্ৰতিপালন তথা সংৰক্ষণ কৰিব।

প্ৰাচীন ঐতিহ্যবাহী ভৱন সংৰক্ষণ কৰা এক মহৎ প্ৰচেষ্টা যাৰ দ্বাৰা অতীত আৰু ভৱিষ্যতৰ পৃথিৱীক সংযোগ কৰি ধৰি ৰাখিব পাৰি। ব্ৰিটিছ প্ৰধানমন্ত্ৰী ইউষ্টন চাৰ্চিলৰ একে বাণীৰ দ্বাৰা এনে সংৰক্ষণ কাৰ্য মহত্ব প্ৰকাশ কৰা হ'ল — "We shape our buildings and afterward, our buildings shape us." আহক আমি নিজে পঢ়া আৰু পিছলৈ আমাক গঢ়ি তোলা ঐতিহ্য ভৱনসমূহ সংৰক্ষণ কৰো। ■■

বিঃদ্ৰঃ— প্ৰবন্ধটি লেখকৰ বহুপূৰ্বে প্ৰকাশিত ইংৰাজী সংস্কৰণৰ অসমীয়া ভাবান্তৰ আৰু সংযোজিত ৰূপ।



# প্ৰাচীন ভাৰতত বৈদিক শিক্ষা

**কংকনা বৰা**
শিক্ষা বিভাগ, দ্বিতীয় ষাণ্মাসিক

**কো**নো এখন দেশৰ শিক্ষাৰ ইতিহাস অধ্যয়ন কৰিবলৈ হ'লে বিভিন্ন কাৰক, সাম্প্ৰতিক ধাৰা আদিক সৰ্বাত্মক ৰূপত বিশ্লেষণ কৰাৰ প্ৰয়োজন। এইক্ষেত্ৰত সেই দেশখনৰ সংস্কৃতি আৰু সভ্যতাইও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আধুনিক সময়ৰ দেশী আৰু বিদেশী সকলো বুৰঞ্জীবিদে প্ৰাচীন ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু শিক্ষাৰ প্ৰতি বিশেষ প্ৰাধান্য প্ৰদান কৰা দেখা যায়।

সাধাৰণতে প্ৰাচীন ভাৰতীয় শিক্ষা বুলিলে বৈদিক শিক্ষাকে বুজা যায়। অৰ্থাৎ ভাৰতীয় শিক্ষা প্ৰায় ৫০০০ বছৰ পুৰণি। বৈদিক শিক্ষাৰ মূল ভেটি হ'ল বেদ। এই শিক্ষাত বস্তুগত বিকাশতকৈ আধ্যাত্মিক চিন্তাৰ বিকাশত অধিক গুৰুত্ব দিছিল। শিষ্যসকলক চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ, সংস্কৃতিৰ সংৰক্ষণ আৰু হস্তান্তকৰণ, সামাজিক ভাৰধাৰাৰ গঠন আদিক বৈদিক শিক্ষাত প্ৰধান গুৰুত্ব প্ৰদান কৰা হৈছিল।

বৈদিক যুগৰ শিক্ষা আনুষ্ঠানিকভাৱে আৰম্ভ হোৱাৰ পূৰ্বেই নিজৰ ঘৰতেই ব্যক্তিসকলে শিক্ষা লাভ কৰিছিল। বৈদিক শিক্ষাত শিক্ষকে হৈছে এক গুৰুত্বপূৰ্ণ ভেটি স্বৰূপ। শিক্ষকেই আছিল শিক্ষাৰ কেন্দ্ৰবিন্দু আৰু শিক্ষক অবিহনে শিক্ষা ব্যৱস্থাৰ কোনো অস্তিত্ব নাছিল।

বৈদিক শিক্ষাত ব্যক্তিবাদী আদৰ্শ গঢ় লৈ উঠিছিল। বৰ্তমান সময়ৰ দৰে সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ সংগঠন, প্ৰশাসন বা নিয়ন্ত্ৰণ কাৰ্যৰ বাবে কোনো আনুষ্ঠানিক ব্যৱস্থা নাছিল। সেই সময়ৰ শিক্ষা ব্যৱস্থাই ঘাইকৈ উচ্চ শিক্ষাকে সূচাইছিল। বৰ্তমান সময়ৰ দৰে প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষাৰ দৰে শিক্ষা স্তৰীকৰণ ব্যৱস্থা সেই সময়ত নাছিল। ৰাজনীতিৰ প্ৰভাৱ মুক্ত বৈদিক শিক্ষা ব্যৱস্থাত শিক্ষা বিনামূলীয়া আছিল আৰু শিক্ষা সমাপ্তিৰ পিছত শিষ্যই গুৰুক গুৰু দক্ষিণা দিব লাগিছিল। ধনী-দুখীয়া, পুৰুষ-মহিলা সকলোৱে এই শিক্ষাত সম অধিকাৰ লাভ কৰিছিল। ■■

# সাতমহলীয়া অদ্ভুত কৌশলৰ ৰাজকাৰেং

# তলাতল ঘৰ

**চিকুস্মিতা শইকীয়া**
শিক্ষা বিভাগ, দ্বিতীয় যান্মাসিক



শিৱসাগৰ চহৰৰ পৰা ৬ কিলোমিটাৰ দূৰৈৰ জয়সাগৰত অৱস্থিত আহোম ৰাজত্বৰ ৰাজকাৰেং তলাতল ঘৰ। ১৭৬৫ চনত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰাইছিল। সাত মহলীয়া অদ্ভুত কৌশলৰ এই ৰাজ কাৰেংটোৰ মাটিৰ ওপৰত চাৰি মহল আৰু মাটিৰ তলত তিনি মহলা আছে। কাৰেংটোৰ মাটিৰ তলত অৰ্থাৎ পাতালত তিনি মহলা থকা বাবেই ইয়াৰ নাম তলাতল ঘৰ হ'ল বুলি বুৰঞ্জীবিদসকলে মতপোষণ কৰিছে। কোনো কোনোৰ মতে ইয়াত এবাৰ সোমালে বাট-পথ পোৱা নাযায় যেন বিভ্ৰান্তি নিকুঞ্জহে। সেয়েহে ইয়াৰ নাম তলাতল ঘৰ। নামৰ ব্যুৎপত্তিগত অৰ্থ যিয়েই নহওক, তলাতল ঘৰটো যে অদ্ভুত কৌশলেৰে নিৰ্মিত ঘৰ তাত সন্দেহ নাই। তলাতল ঘৰৰ প্ৰতিটো কোঠাৰ উপৰিভাগ বা মুধচ ধেনুভেৰীয়াকৈ নিৰ্মিত। ফলত তাৰ ওপৰত যে আৰু এনেধৰণৰ কোঠা আছে ধৰিব নোৱাৰি। সেইদৰে আগতে ইয়ালৈ নহা মানুহ তলাতল ঘৰটোত সোমাই তললৈ যাব খুজিলে ওপৰলৈ আৰু ওপৰলৈ যাব খুজিলে তলত ওলাব লগা হয়। কাৰেংটোৰ যিমানে ভিতৰলৈ যোৱা হয় সিমানে কোঠাৰ দুৱাৰ মুখবোৰ চাপৰ আৰু ঠেক এনে অদ্ভুত কৌশলৰ ঘৰ ভাৰতৰ এইটোৱেই একমাত্ৰ। মানৰ আক্ৰমণ, ইংৰাজৰ শাসন আৰু কালৰ কৰাল গ্ৰাসত পৰি তলাতল ঘৰৰ ভগ্নাৱশেষহে এতিয়া আছেগৈ। তথাপি ই শিৱসাগৰ তথা অসমৰ অন্যতম পৰ্যটক আকৰ্ষক স্থান। এনে বিভ্ৰান্তিকুঞ্জ পৃথিৱীৰ আন ঠাইত বিৰল। ■■



# বৰ্ধিত জনসংখ্যা আৰু সুযোগ

**ধিৰাজ নাথ**
দৰ্শন বিভাগ, পঞ্চম যন্মাষিক

বজাৰত সামগ্ৰীৰ মূল্য বাঢ়িছে, মানুহৰ থকা ঠাই নোহোৱা হৈছে, গোলকীয় উত্তাপ বাঢ়িছে, কিয় ? এই সকলোবোৰৰ কাৰণ মাথো এটাই বৰ্দ্ধিত জনসংখ্যা। কিন্তু প্ৰশ্ন হয়, বৰ্দ্ধিত জনসংখ্যাৰে আমাৰ উন্নয়ন কেনেদৰে সম্ভৱ।

'চীন' বিশ্বৰ আটাইতকৈ জনবহুল দেশ আছিল আৰু সেয়ে তেওঁলোকে এক সন্তান নীতি (One Child Policy) গ্ৰহণ কৰিছিল। কিন্তু ২০১৫ চনত তেওঁলোকে এই নীতি পৰিহাৰ কৰি দুই সন্তানৰ নীতি (Two Child Policy) গ্ৰহণ কৰিব লগা হৈছিল। কিয়নো তেওঁলোকৰ কাৰ্যক্ষম যুৱক-যুৱতীৰ সংখ্যা কমি আহিছিল আৰু বৃদ্ধ বা বয়সস্থ লোকৰ সংখ্যা বৃদ্ধি পাইছিল।

আজি ভাৰতবৰ্ষৰ ৬০% লোক ১৫ ৰ পৰা ৪৫ বছৰৰ অৰ্থাৎ সম্পূৰ্ণ কাৰ্যক্ষম যুৱক-যুৱতী। এই যুৱপ্ৰজন্মৰ সহায়তেই অনাগত দিনত আমাৰ দেশে বহু দিশত অগ্ৰগতি লাভ কৰিব পাৰে।

১) দেশত যিমানেই যুৱকৰ সংখা বাঢ়িব সিমানেই কম বেতনত (মজুৰীত) শ্ৰমিক উপলব্ধ হ'ব। এনে পৰিৱেশত দেশী-বিদেশী উদ্যোগপতিয়ে ভাৰতত উদ্যোগ স্থাপন কৰিব আৰু দেশৰ ডেকা শক্তিক নিয়োগ কৰিব। ফলস্বৰূপে দেশত নিৰনুৱাৰ সংখ্যা হ্ৰাস পাব।

২) সেই উদ্যোগসমূহৰ পৰা চৰকাৰে কৰ (Tax) সংগ্ৰহ কৰিব, তথা উদ্যোগসমূহৰ আগমনৰ ফলত আমাৰ দেশৰ পৰা অন্য দেশলৈ সামগ্ৰী ৰপ্তানি হ'ব। ইয়াৰ পৰা দেশৰ বিদেশী মুদ্ৰাৰ ভঁড়াল চহকী হ'ব।

৩) প্ৰাপ্ত ধনেৰে চৰকাৰে ৰাষ্ট্ৰৰ উন্নয়নমূলক কাৰ্য তথা জনসাধাৰণৰ নূন্যতম প্ৰয়োজন শিক্ষা-স্বাস্থ্য আদিৰ ক্ষেত্ৰত সহায়ক হ'ব।

৪) জনসংখ্যা বৃদ্ধিৰ লগে লগে সামগ্ৰীৰ চাহিদা বৃদ্ধি হ'ব। যাৰ ফলত নতুন নতুন থলুৱা উদ্যোগ গঢ়ি উঠিব। সকলো লোক আত্মনিৰ্ভৰশীল হ'ব।

কিন্তু এই সকলোবোৰ সম্ভৱ তেতিয়াহে হ'ব যেতিয়া আমাৰ যুৱ প্ৰজন্মই উপযুক্ত দক্ষতাৰ শিক্ষা (Skill Education) লাভ কৰিবলৈ সক্ষম হ'ব। কোনো এখন দেশৰ দক্ষ শ্ৰমিকেহে (Skilled Labour) দেশৰ ৰাজহাড়ৰ ভূমিকা পালন কৰে। গতিকে ইয়াৰ বাবে চৰকাৰ আৰু আমিবোৰ সহজ হোৱাটো অতিশয় প্ৰয়োজন। ■■

# মানৱ জীৱনত মূল্যবোধৰ গুৰুত্ব

**বৰষা কলিতা**
শিক্ষা বিভাগ, ষষ্ঠ ষান্মাসিক

মূল্যবোধৰ অৰ্থই কোনো ব্যক্তি বা বস্তুৰ সেই গুণটোৰ কথা বুজায়, যি সেই ব্যক্তি বা বস্তুক মৰ্যাদা, সন্মান আৰু কাৰ্যকাৰিতা প্ৰদান কৰে আৰু সহজভাৱে ক'বলৈ হ'লে মূল্যবোধ হ'ল সজ্ঞান আৰু অজ্ঞানভাবে ব্যক্তিয়ে অগ্ৰাধিকাৰ দি গ্ৰহণ কৰা আচৰণ বা গুণ যিবিলাক সামাজিক স্বীকৃতি পাই সমাজৰ দ্বাৰাই নিয়ন্ত্ৰিত হয়। মূল্যবোধৰ ইংৰাজী প্ৰতিশব্দ 'Value' লেটিন ভাষাৰ 'Valere' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল দাম, গুণ, গুৰুত্ব, ধাৰণা বা উপযোগিতা। ১৮৮০ চনত জাৰ্মান দাৰ্শনিক ফ্ৰেইডৰিচ নীটশে পোন প্ৰথমবাৰৰ বাবে মূল্যবোধ শব্দটো প্ৰয়োগ কৰিছিল।

মূল্যবোধে সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে কিয়নো মূল্যবোধক উন্নত জীৱন যাপনৰ বাবে মানুহৰ ভিত্তিস্বৰূপে বিবেচনা কৰা হয়। মূল্যবোধভিত্তিক চিন্তা-চৰ্চাৰ যোগেদি মানুহৰ সুস্থিৰতা, সুন্দৰতা আৰু শ্ৰেষ্ঠতা আদি সম্ভৱ হৈ উঠিব পাৰে। আপোনত্ববোধ আৰু ভাতৃত্ববোধ হেৰুৱাই মানুহ দিনে দিনে আত্মকেন্দ্ৰিক আৰু যান্ত্ৰিক হ'বলৈ ধৰিছে। মানৱ সমাজত হিংসা, হত্যা, হতাশা আত্মকেন্দ্ৰিকতা বৃদ্ধি পাইছে। নৱ প্ৰজন্মৰ মনত উপযুক্ত আৰু ফলপ্ৰসু মূল্যবোধ ৰোপণ কৰি সমাজত শান্তি-সম্প্ৰীতি আৰু উন্নতি আনিব পৰা যায়। গণতান্ত্ৰিক সমাজ এখনত নাগৰিকসকলে সুখ-শান্তি আৰু মিলাপ্ৰীতিৰে বসবাস কৰিবৰ বাবে গণতান্ত্ৰিক মূল্যবোধৰ গুণবোৰ অপৰিহাৰ্য।

১। মূল্যবোধে ব্যক্তিৰ ব্যক্তিত্ব গঠন কৰে। বিভিন্ন ধৰণৰ মানৱীয় মূল্যবোধ যেনে- দয়া, ক্ষমতা, ভাতৃত্ববোধ, বন্ধুত্ব আদিৰ দ্বাৰা ব্যক্তিৰ ব্যক্তিত্ব সৰ্বাঙ্গীণ ৰূপত গঢ় দি তুলিব পাৰি।

২। মূল্যবোধে নাগৰিক সচেতনতা বিকশাই তোলে যাৰ সহায়ত দেশ এখনৰ সু-পৰিচালনা সম্ভৱ হয় আৰু আইনগত তথা ৰাজনৈতিক নীতি আৰু আদৰ্শবোৰ বিকশিত হয়।

৩। মূল্যবোধে ব্যক্তি এজনৰ চৰিত্ৰ আৰু ব্যক্তিত্বত অৰ্থ আৰু শক্তি প্ৰদান কৰে।

৪। মূল্যবোধে ব্যক্তিৰ জীৱনত নিৰ্দেশনা আৰু সঠিকতা প্ৰদান কৰে। ■■

মূল্যবোধৰ ইংৰাজী প্ৰতিশব্দ 'Value' লেটিন ভাষাৰ 'Valere' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল দাম, গুণ, গুৰুত্ব, ধাৰণা বা উপযোগিতা। ১৮৮০ চনত জাৰ্মান দাৰ্শনিক ফ্ৰেইডৰিচ নীটশে পোন প্ৰথমবাৰৰ বাবে মূল্যবোধ শব্দটো প্ৰয়োগ কৰিছিল।

# The Illusions of our Life

**Arif Ali**
6th Semester

Once upon a time, there lived a stonecutter who went every day to a great rock in the side of a bing mountain and cut out slabs for gravestones or for houses. He understood very well the kinds of stones wanted for the different purposes and as he was a careful workman, he had plenty of customers. For a long time he was quite happy and contented and asked for nothing better than what he had. Now in the mountain dwelled a spirit, which now and then appeared to men and helped them in many ways to become rich and prosperous.



The stonecutter, however, had never seen this spirit and only shook his head with an unbelieving air when anyone spoke of it. But a time was coming when he learned to change his opinion. One day the stonecutter carried a gravestone to the house of a rich man and saw there all sorts or beautiful things of which he had never even dreamt. Sudenly his daily work seemed to grow harder and heavier and he said to himself –

*Oh, if only I were a rich man and could sleep in a bed with silken curtains and golden tassels, how happy I should be!*

And a voice answered him, Your wish is heard, a rich man you shall be. At the sound of the voice the stonecutter looked around, but could see nobody. He thought it was all his fancy and picked up his tools and went home, for he did not feel inclined to do any more work that day. But when he reached the little house where he lived, he stood still with amazement, for instead of his wooden hut was a stately palace filled with splendid furniture and most splendid of all was the bed, in every respect like the one he had envied. He was nearly beside himself with joy and in his new life the old one was soon forgotten.

It was now the beginning of summer and each day the sun blazed fiercely. One morning the heat was so great that the stonecutter could scarcely breathe, and he determined he would stop at home till the evering. He was rather dull, for he had never learned how to amuse himself, and was peeping through the closed blinds to see what was going on in the street, when a little carriage passed by, drawn by servants, dressed in blue and silver. In the carriage sat a prince, and over his head a golden umbrella was held to protect him from the Sun's rays. Oh, if I

were only a prince, said the stonecutter to himself, as the carriage vanished around the corner.

*Oh, if I were only a prince and could go in such a carriage and have a golden umbrella held over me, how happy I should be!*

And a prince he was, before his carriage rode one company of men and another behind it. Servants dressed in scarlet and gold bore him along. The coveted umbrella was held over his head. Everything his heart could desire was his. But yet it was not enough, and when saw that in spite of the water he poured on the grass, the rays of the Sun scorched it, and that in spite of the umbrella held over his head, each day his face grew darker and darker. He cried in his anger. The Sun is mightier than I.

*Oh, if I were only the Sun!*

And the mountain spirit answered, your wish is heard. The Sun you shall be. And the Sun he was, and felt himself proud in his power. He shot his beams above and below, on earth and in heaven. He burned up the grass and the fields and scorched the faces of princes, as well as of poorer folk. But in a short time he began to grow tired of his might, for there seemed nothing left for him to do. Discontent once more filled his soul. And when a cloud covered his face and hid the earth from him, he cried in his anger. Does the cloud hold captive my rays, and is it mighter than I?

*Oh, that I were a cloud and mightier than any!*

And the mountain spirit answered, your wish is heard. A cloud you shall be. And a cloud he was and lay between the Sun and the earth. He caught the Sun's beams and held them. And to his joy the earth grew green again, and flowers blossomed. But that wasn't enough for him and for days and a week he poured forth rain, till the rivers overflowed their banks and the crops of rice stood in water. Towns and villages were destroyed by the power of the rain. Only the great rock on the mountainside remained unmoved. The cloud was amazed at the sight and cried in wonder, Is the rock, then mightier than I?

*Oh, if I were only the rock!*

And the mountain spirit answered, you wish is heard. The rock you shall be. And the rock he was and gloried in his power. Proudly he stood and neither the heat of the Sun nor the force of the rain could move him. This is better than all, he said to himself. But one day he heard a strange noise at his feet and when he looed down to see what it could be, he saw a stonecutter, driving tools into his surface. Even while he looked, a trembling feeling ran all through him, and a great block broke off and fell upon the ground. Then he cried in his wrath, Is a mere child of earth mightier than a rock?

*Oh, if I were only a man!*

And the mountain spirit answered, you wish is heard. A man once more you shall be. And the man he was, and gloried in his power. And in the sweet of his brow he toiled again at his trade of stonecutting. His bed was hard and his food scanty, but the had learned to be satiscied with it, and didn't long to be something or somebody else. And as he never asked for things he did not have, or desired to be greater and mightier than other people, he was happly at last, and never agains heard the voice of the mountain spirit.

In the same way in life, in our life, it is not important what we have, it is important what we do with the things that we have. There will always be someone or something more richer or powerful than us. But at the same time there will always be something or someone poorer and weaker than us. If you only compare yourself to others or other things, you will only worry and keep on thinking what if, and you shall never be content in your life.

*'Aim for the stars, but know who you are an who you want to be.'* ■■

# ড° ৰুবুল মাউতৰ

# ‘মোৰো এটা সপোন আছে’

## সংগ্ৰাম আৰু সাফল্যৰ এক জীয়া কাহিনী



**জুবিলীনা বৰুৱা**
ভূগোল বিজ্ঞান বিভাগ, তৃতীয় ষান্মাসিক

*‘সংগ্ৰাম আন এটি নাম জীৱনৰে’*

সংগীতসূৰ্য ড° ভূপেন হাজৰিকাদেৱৰ গীতত থকা এই বাক্যশাৰী হয়তো প্ৰযোজ্য হয় ড°ৰুবুল মাউতৰ ‘মোৰো এটা সপোন আছে’ গ্ৰন্থখন পঢ়ি আমি তাকেই শিকিব পাৰো। এটি জীয়া সপোন দেখি দৰিদ্ৰতাৰ নিৰ্দয় শিকলি ছিঙি আগুৱাই যোৱাৰ সাহস যোগাব পাৰো আৰু জগাই তুলিব পাৰো জীৱন যুদ্ধত জয়ী হোৱাৰ মানসিক দৃঢ় শক্তি।

মাচাছুচেটচ বিশ্ববিদ্যালয়ৰ পৰা জিন সম্পাদনাত গৱেষণা কৰি ডিগ্ৰী লাভ কৰা এইগৰাকী অসমীয়া জীৱ বিজ্ঞানীয়ে নিজৰ শৈশৱ-কৈশোৰত বহুতো সংগ্ৰাম অতিক্ৰম কৰি অসমৰ পৰা সুদূৰ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যোৱাৰ কাহিনী লিপিৰদ্ধ কৰিছে ‘মোৰো এটা সপোন আছে’ নামৰ আত্মকথামূলক গ্ৰন্থখনত।

গ্ৰন্থখনৰ নামকৰণতে সুন্দৰভাৱে পৰিস্ফুট হৈছে অন্তৰ্ভাগৰ কাহিনীৰ গাঢ়তা। এটি জীয়া সপোন দেখি তাক বাস্তৱত ৰূপায়িত কৰাৰ সংগ্ৰামৰ, সাহসৰ দলিল হ’ল ‘মোৰো এটা সপোন আছে’। প্ৰতিবন্ধকতাৰ মাজত সপোন দেখা প্ৰতিগৰাকী ব্যক্তিলৈ তেওঁ কিতাপখন উছৰ্গা কৰিছে।

গ্ৰন্থখনৰ কাহিনীভাগ চাৰিটা ভাগত বিভক্ত— শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ। গ্ৰন্থখনত তেওঁৰ কাহিনীভাগৰ আৰম্ভণি কৰিছে এইদৰে — ‘বহল চাংখনৰ কাষতে দীঘল টেবুলখন। চাৰিটা খুঁটা পুতি বাঁহেৰে বনোৱা টেবুলখন আচলতে এখন চাঙেই। টেবুলৰ ওপৰত নিৰ্দিষ্ট স্থানত থাকে মোৰ, বাইদেউ আৰু ককাইদেউৰ কিতাপ পত্ৰ বহী।’ আৰম্ভণিতে গাঁৱলীয়া পৰিৱেশ এটিৰ বৰ্ণনা সুন্দৰকৈ ফুটাই তুলিছে। তেওঁৰ জন্ম হৈছিল অসম অৰুণাচল সীমান্তত, কৈলাশপুৰ অঞ্চলৰ টঙনা গাঁৱত। বাছ উঠিবলৈ হ’লে ঘণ্টাজুৰি খোজ কঢ়া, বাট-পথৰ শোচনীয় অৱস্থাৰ বাবেই দূৰণিবটীয়া আলহীবিলাক (ডুমডুমাৰ) ৰেলৰ পৰা নামি আধাদিন সেই সময়ৰ আধুনিক জ্ঞান-বিজ্ঞান সভ্যতাৰ পোহৰ নপৰা বেতনী গাঁৱলৈ খোজ কাঢ়িবলগীয়া হৈছিল। বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ সোণালী শৈশৱত তেওঁ সদায় ককায়েকৰ লগত খোজ কাঢ়ি স্কুলল যোৱা, ৰাতি শোৱাৰ বাবে ককায়েকৰ লগত কাজিয়া কৰা, গৰু চৰাবলৈ যোৱা, মৈত উঠা, স্কুলৰ আহি ৰোৱাতলী ৰখা আদি সকলোবিলাক কামেই কৰিছিল।

প্ৰত্যেক দেওবাৰেই তেওঁ ককায়েকৰ লগত পুৰণি চাইকেলখড়ত পাচলিৰ ভাৰ বান্ধি বজাৰত পাচলি বিক্ৰী কৰিছিল আৰু তাৰ পিছত সপ্তাহবোৰৰ বাবে ঘৰুৱা বজাৰ কৰা ইত্যাদি প্ৰত্যেকটো দৃশ্যই সুন্দৰকৈ দাঙি ধৰিছে। ৰাতি সকলোৰে একেলগে মাটিত পীৰা পাৰি ভাত খোৱা আৰু খোৱাৰ সময়ত টোপনিয়াই থকা কাহিনীটো মোৰ খুউব প্ৰিয়। কাৰণ দিনটো টলৌ টলৌকৈ ঘূৰি ৰাতি ভাত খাবৰ

সময়ত ময়ো গালি খাইছিলো। তেওঁ এঠাইত উল্লেখ কৰিছে যে গ্ৰীষ্মকাল-বৰ্ষাকাল তেওঁৰ প্ৰিয় নাছিল। অত্যাধিক গৰম বা বৰষুণৰ বাবে নহয়, দিনটো অধিক সময় পথাৰত হাড় ভঙা পৰিশ্ৰমৰ পিছত ৰাতিলৈ স্কুলৰ পাঠ পঢ়িব লাগিছিল। উৰুখা পঁজাত চাকিৰ পোহৰত পঢ়ি অলেখ কষ্ট স্বীকাৰ কৰিও তেওঁ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছিল। শ্ৰেণীত সদায়ে প্ৰথম স্থান লৈ উত্তীৰ্ণ হোৱা কিশোৰ ৰুবুল মাউতক বহুতে মেট্ৰিক পৰীক্ষাত ফাৰ্ষ্ট ডিভিজন পাব বুলি কৈছিল। কোনো কোনোৱে কৈছিল যে কৈলাশপুৰ অঞ্চলত ফাৰ্ষ্ট ডিভিজন পোৱা ভাৰতে অলিম্পিকত সোণৰ পদক পোৱাৰ দৰে। সঁচাকৈয়ে ঠিক পৰিবৃত্তৰ পৰা ডাঙৰ সপোন দেখা কঠিন। তথাপিও তেওঁ অলেখ কষ্ট কৰি পঢ়ি মেণ্টিকত ফাৰ্ষ্ট ডিভিজন পাইছিল। ইমানতে শৈশৱ খণ্ডটোৰ সামৰণি হয়।

সংগ্ৰাম খণ্ডটো পঢ়ি যাওঁতে মোৰ চকুলো বাগিছিল। মেট্ৰিক দিয়াৰ পাছতে দুবিঘা মাটি বন্ধকত থৈ পইচা আনিছিল তেওঁৰ দেউতাকে। জীৱনত তেওঁ প্ৰথমবাৰ তিনিচুকীয়া দেখিছিল বুলি উল্লেখ কৰিছে। তিনিচুকুয়াৰ চেনাইৰাম হায়াৰ চেকেণ্ডাৰীত পঢ়ি থকাৰ সময়ছোৱাত তেওঁলোকৰ ঘৰত অভাৱ-অনাটন বাৰুকৈয়ে দেখা দিছিল। ঘৰৰ গৰু-ছাগলী বেছি তেওঁক পঢ়িবৰ বাবে পইচা পঠাইছিল। পৰীক্ষাৰ অন্তত দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাত তেওঁক বহুতে চাকৰি কৰিব দিছিল যদিও কেমেষ্ট্ৰীত অনাৰ্চ লৈ কলেজত পঢ়িছিল। সেই সময়ত তেওঁৰ ককায়েক (তেওঁৰ অন্যতম লগৰীয়া) ফেক্টৰী, ইটা ভাটা আদিত ৰখীয়া হিচাপে কাম কছিল আৰু তেওঁ ককায়েৰ লগত মাজে মাজে অনৈতিক কামবোৰত হাত দিছিল। ফেক্টৰীৰ পুৰণি এলুমিনিয়ামৰ পাত বিক্ৰী কৰা, ইটা ভাটাৰ পৰা ইটা চুৰ কৰি বিক্ৰী কৰা আদিবোৰ কৰিছিল আৰু তাৰ পইচাৰে কিতাপ কিনিছিল। এবাৰ ৰাতি হ'লে পঢ়িব নাপাব বুলি ওচৰৰে আবাসী এজনৰ বাল্বটো চুৰি কৰি আনিছিল।




ডিগ্ৰী পঢ়ি থকা সময়ছোৱাত তেওঁ লাইব্ৰেৰীলৈ গৈ কেতিয়াও কাৰো হাতৰ পৰশ নোপোৱা ধূলিত পোত খাই থকা মহামূল্যৱান কিতাপবোৰ পঢ়ি অনু-পৰমাণুৰ ভিতৰৰ জগতখনত প্ৰৱেশ কৰিছিল। নিৰ্মালি আৰু তিলেশ্বৰৰ তৃতীয় সন্তান ৰুবুল মাউতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থানসহ স্নাতক চূড়ান্ত বৰ্ষত উত্তীৰ্ণ হৈছিল। ৰিজাল্টৰ প্ৰসংগত তেওঁ লিখিছে যে — 'আমাৰ দৰে গৰীৱ নিচলা লোকৰ বাবে পৰীক্ষাৰ ৰিজাল্টেই আছিল আশা-ভৰষাৰ একমাত্ৰ অৱলম্বন, ৰিজাল্টেই আছিল নতুন প্ৰতিশ্ৰুতি। ৰিজাল্টেই আছিল দৰিদ্ৰতা বিনাশৰ একমাত্ৰ অস্ত্ৰ। ৰিজাল্টেই আছিল সম্ভাৱনাৰ এখন নতুন পৃথিবীলৈ সংক্ৰমণ হোৱাৰ বাট। ৰিজাল্টেই আছিল জীৱনত উন্নতি কৰাৰ একমাত্ৰ ভৰষা। স্বাচ্ছন্দ্যপূৰ্ণ জীৱন এটা ধাৰণ কৰিবলৈ হ'লে আমাৰ ৰিজাল্ট ভাল হোৱাৰ বাদে আন বিকল্প নাছিল।'

তেওঁৰ ডিগ্ৰী সম্পূৰ্ণ হোৱাৰ পিছত মাষ্টাৰ্চ ডিগ্ৰী কৰিবৰ বাবে সকলোৱে বাধা দিছিল। মেট্ৰিক দিয়াৰ পৰাই তেওঁৰ নামত বহু মাটি বন্ধকত গৈছিল আৰু ঘৰৰ বস্তু বহুতো বেচা গৈছিল। তেওঁ নিজে মাষ্টাৰ্চ ডিগ্ৰী কৰাৰ সপোনটো বাদ দিছিল। তেওঁক যেতিয়া পুনৰবাৰ পঢ়োৱাৰ সিদ্ধান্ত লৈছিল লেৰেলি পৰিবলৈ ধৰা সপোনৰ ফুলপাহ পুনৰবাৰ জীপাল হৈ ফুলিব ধৰিছিল বুলি উল্লেখ কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত ঘৰৰ আৰ্থিক অৱস্থা একেবাৰে তললৈ নামি গৈছিল। চৰকাৰী হোষ্টেলত পঢ়াৰ পৰিৱেশ একেবাৰে বেয়া বাবে প্ৰাইভেট হোষ্টেললৈ গুচি গৈছিল। সেই সময়ত ঘৰৰ অৱস্থা পানীত হাঁহ নচৰা হৈ পৰাত লিখকৰ পৰিয়ালটোৱে চুলাই মদ বেছাটোকে উপাৰ্জনৰ পথ হিচাপে বাছি লৈছিল। এই কথাটোত তেওঁ সমৰ্থনো কৰিব পৰা নাছিল আৰু পঢ়া বন্ধ হ'ব বুলি প্ৰতিবাদো কৰিব পৰা নাছিল। মাষ্টাৰ্চৰ চতুৰ্থ ছেমেষ্টাৰত থাকোতে তেওঁ দিন-ৰাতি এক কৰি পঢ়ি নেট পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

স্নাতককোত্তৰৰ শিক্ষা সমাপ্ত হ'ল। ঘৰৰ পৰা আৰু পঢ়াব নোৱাৰে। এইবাৰ তেওঁ ওচৰ-চুবুৰীয়াৰ পৰা নিজে

দহ হাজাৰ টকা ধাৰ কৰি পুনেত থকা নেচনেল কেমিকেল লেবৰেটৰীলৈ পি.এইচ্.ডি. কৰিবলৈ গুচি গ'ল। পুনেত থকা সময়ছোৱাতে তেওঁ TIFR (টাটা ইনষ্টিটিউত অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্চ)ত চাকৰি পাইছিল। নিজে দৰমহা পাবলৈ আৰম্ভ কৰাত তেওঁ প্ৰত্যেক মাহতে মাণি অৰ্ডাৰ যোগেদি ঘৰলৈ পইচা পঠিয়াইছিল। চাকৰিত থকা সময়ছোৱাতে তেওঁ ঘৰৰ অৱস্থা সুচল কৰিছিল আৰু বন্ধকত থকা মাটিবোৰ মোকলাই দিছিল।

সুযোগ খণ্ডটোত তেওঁ TIFR ত থকা সময়খিনিৰ, তাত কৰা গৱেষণাসমূহৰ উল্লেখ কৰিছে। মুম্বাইত থকা সময়ছোৱাত তেওঁ আমেৰিকাত গৱেষণা কৰিবলৈ প্ৰস্তুতি চলাইছিল আৰু সেই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ উঠি পৰি লাগিছিল। মানুহৰ জীৱনলৈ অহা সুযোগসমূহ গ্ৰহণ কৰি সফলতাৰে আগবাঢ়ি গৈ তেওঁ মাচাছ্যুচেটচ বিশ্ববিদ্যালয়লৈ উৰা মাৰিছিল। আমেৰিকাত থকা সময়ছোৱাত আধুনিক জীৱ বিজ্ঞানৰ যুগান্তকাৰী আৱিষ্কাৰ জিন এডিটিঙৰ গৱেষণাৰ ভৰপক সময়তে দেউতাকে পাৰকিনচনৰ দৰে দুৰাৰোগ্য ৰোগত মৃত্যুক সাৱটি ল'বলগীয়া হৈছিল। তাৰেই কথাৰে তেওঁ চতুৰ্থ তথা অন্তিম খণ্ডটোৰ নাম দিছে — 'দেউতাৰ অসুখ' নামেৰে।

এই গ্ৰন্থখন পঢ়ি আটাইতকৈ ভাল লগা অনুভৱ হ'ল — দৰিদ্ৰতা কেতিয়াও সাফল্যৰ হেঙাৰ হ'ব নোৱাৰে। সপোন প্ৰত্যেকৰে আছে। অভাৱ-অনাটনে শীৰ্ণ কৰা আমাৰ সমাজৰ কোটি কোটি মানৱৰ সপোন আছে। তেওঁ এঠাইত লিখিছিল যে — 'জীৱনটো মই এবাৰ নহয় হাজাৰবাৰ জীয়াবলৈ বিচাৰিম, এই প্ৰত্যাহ্বানৰ জীৱনটো। মই ক'ব বিচৰা নাই যে জীৱনটোত মই বহুত পাইছো, কিন্তু যিখিনি পাইছো সেয়া যুঁজ দি পাইছো। যুঁজ দি পাইছো বাবেই পোৱাখিনিৰ সোৱাদ আছে।'

'জীৱনটো মই এবাৰ নহয় হাজাৰবাৰ জীয়াবলৈ বিচাৰিম, এই প্ৰত্যাহ্বানৰ জীৱনটো। মই ক'ব বিচৰা নাই যে জীৱনটোত মই বহুত পাইছো, কিন্তু যিখিনি পাইছো সেয়া যুঁজ দি পাইছো। যুঁজ দি পাইছো বাবেই পোৱাখিনিৰ সোৱাদ আছে।'

তেওঁ নিজৰ সাফল্যৰে এই কিতাপখনৰ জৰিয়তে দেখুৱাইছে যে দৰিদ্ৰতা কেতিয়াও সাফল্যৰ হেঙাৰ হ'ব নোৱাৰে, হয়তো হ'ব পাৰে সাফল্যৰ গোপন ৰহস্য। যিসকল ল'ৰা-ছোৱালীয়ে হাজাৰ প্ৰতিকূলকো নেওচি দায়িত্ব সহকাৰে নিজৰ কৰ্তব্য কৰি গৈছে, তেওঁলোকেই মানৱ সমাজৰ আচল সম্পদ। তেওঁলোকৰ উন্নতি নোহোৱাৰ মানে নাই। সপোনৰ যোগেদিয়ে দৰিদ্ৰতাৰ নিৰ্দয় শিকলি ছিঙি সকলো আগুৱাই যাওক। নহ'লে মানুহবোৰ প্ৰজন্মৰ পিছত প্ৰজন্ম বন্দী হৈ থাকিব দৰিদ্ৰতাৰ মেৰপাকত।

কিশোৰ-কিশোৰীসকলৰ লগতে প্ৰত্যেকেই এই কিতাপখন পঢ়িব লাগে আৰু নিজৰ সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ যত্নপৰ হ'ব লাগে। সঁচা কাহিনীৰ গভীৰতাৰে লিখকৰ সাৱলীল বৰ্ণনা, সহজ-সৰল বাক্যৰ ব্যৱহাৰেৰে সপোন দেখিবলৈ অনুপ্ৰাণিত কৰা এই গ্ৰন্থখন এখন অমূল্য সম্পদ বুলি মই অনুভৱ কৰোঁ। মোৰ দৰে বহুতৰ বাবে এইখন এখন অন্যতম প্ৰিয় গ্ৰন্থ। তেওঁৰ দৰে হয়তো হাজাৰ হাজাৰজন আমাৰ সমাজত আছে। সেইসকলৰ সপোনবোৰ পূৰণ হওক। তেওঁৰ দৰে দৰিদ্ৰ আৰু সংগ্ৰামৰ পৃথিৱীখনৰ পৰা ওলাই আহি পাওক যেন — সাফল্য আৰু সুযোগৰ পৃথিৱী...। ■■



# Philosophy as Mother of All Discipline

**Sagarika Thausen**
Asstt. Professor, Department of Philosophy

Many people, when they think of philosophy, often dismiss it as a dry, irrelevant subject with no real impact on daily life. However, this perception misses the profound role philosophy plays in shaping both individual and societal thinking.Philosophy is not just an academic exercise or a collection of dense books. Its purpose is much deeper – it teaches us to look within ourselves, reflect, and internalize essential truths about our existence. By asking fundamental questions like "How?" and "Why?", philosophy helps us seek the underlying reasons for everything, which can be particularly valuable in times of personal or social crisis. A central aspect of philosophy is ethics. With the help of critical thinking, philosophy allows individuals to become better human beings, capable of making ethical decisions that benefit society. When applied to governance and social structures, philosophy can shape resourceful and responsible citizens who actively contribute to societal progress. Known as the "mother of all disciplines," philosophy lays the foundation for many areas of study. Whether we're discussing literature, science, or psychology, philosophy asks us to probe the deeper nature of reality, knowledge, and existence. Why do we study these subjects? What is their true significance? These are the kinds of questions philosophy encourages us to ask. In practice, philosophy also takes on a more tangible role. Philosophical counseling, for instance, is an emerging field where philosophical principles are applied to help individuals navigate personal challenges such as midlife crises, career changes, or moral dilemmas. By using reason and logic, philosophy can offer insightful guidance to resolve these issues.Philosophy isn't limited to theoretical questions – it equips us with tools to face real-life challenges. It enhances our critical thinking skills, and when combined with reasoning and logic, it can lead to meaningful changes, both in our lives and within society. ■■

# ইতিবাচকতাৰে বিশ্বৰ সামগ্ৰিক প্ৰেক্ষাপট সলনিত ভাৰতবৰ্ষৰ অধ্যক্ষতাত জি-২০ ৰ ভূমিকা

***"One Earth, One Family, One Future"***

**দেৰাশীষ ৰাজকুমাৰ**
ভূগোল বিজ্ঞান বিভাগ, পঞ্চম ষান্মাসিক

**ব**র্তমান সময়ত সমগ্ৰ বিশ্বত বিভিন্ন কৰ্মক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰি আৰু বিশ্বৰ বিভিন্ন গোলকীয় গুৰুতৰ সমস্যাৰ হকে যদি কোনোৱে মাত মাতিছে তেনে ক্ষেত্ৰত বিশ্বৰ আন ৰাষ্ট্ৰৰ তুলনাত নিশ্চয়কৈ ভাৰতৰ নাম বৰ্তমান সময়ত বিশ্বৰ প্ৰথম পাঁচ অথবা দহখন দেশৰ ভিতৰত থকাটো স্বাভাৱিক। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক ইত্যাদি বিভিন্ন ক্ষেত্ৰৰ কাৰকৰ দ্বাৰা উন্নত নহৈ, উন্নয়নশীল দেশ হ'লেও ভাৰতবৰ্ষই আজিৰ সময়ত আমেৰিকা, চীন, জাপান, ৰাছিয়া, জাৰ্মানী ইত্যাদি দেশক কোনো কোনো ক্ষেত্ৰত ফেৰ মাৰিবলৈ সক্ষম হোৱাৰ লগতে উন্নয়নশীল দেশ হিচাপে উন্নত দেশৰ লগত সমানে কাম কৰা আৰু গুৰুত্ব লাভ কৰা দেখা গৈছে।

তাৰেই এক অন্যতম উদাহৰণ ভাৰতে বৃহৎ তথা এক অন্যতম সোণালী সুযোগ লাভ কৰা জি-২০ ৰ সভাপতিত্ব। ভাৰতৰ জি-২০ৰ সভাপতিত্বই দেশখনে উন্নয়নশীল বিশ্বৰ বাবে বিশ্বব্যাপী নেতা আৰু চেম্পিয়ন হিচাপে নিজৰ স্থিতি আৰু অধিক সুদৃঢ় কৰাৰ বাবে মূল পৰিকাঠামো হিচাপে কাম কৰিছিল।

ভাৰতৰ পূৰ্বে ২০২২ বৰ্ষত ইণ্ডোনেছিয়াই অধ্যক্ষতা কৰা জি-২০ সন্মিলন ইণ্ডোনেছিয়াৰ পিছতেই সাফল্যৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে ভাৰতে যোৱা ১ ডিচেম্বৰ, ২০২২ তাৰিখে জি-২০ৰ



সভাপতিত্ব গ্ৰহণ কৰিছিল। জি-২০ৰ সভাপতিত্ব সন্দৰ্ভত মন্তব্য কৰি মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল! 'এই ভূমিকা অন্তৰ্ভুক্তিমূলক, কাৰ্যমুখী আৰু নিৰ্ণায়ক হ'ব।' এই সন্মিলনৰ প্ৰতিপাদ্য বিষয়বস্তুঃ 'এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যত' উন্মোচন কৰি প্ৰধানমন্ত্ৰীয়ে ইয়াত ভাৰতৰ 'বসুধৈৱ কুটুম্বকম' দৰ্শনৰ সংপৃক্ত হৈ আছে বুলিও উল্লেখ কৰিছিল। মহামাৰীৰ পিছৰ পৰিস্থিতিত এক স্বাস্থ্যসন্মত পৃথিৱী গঢ়ি তোলাৰ দিশত সামূহিকভাৱে কাম কৰাৰ বাবে পৃথিৱীক আহ্বান জনোৱা হৈছিল।

জি-২০ বা গ্ৰুপ অৱ ২০ হৈছে আগশাৰীৰ অৰ্থনীতিসমূহক একত্ৰিত কৰা এক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় মঞ্চ। ইয়াৰ ভিতৰত ১৯ খন দেশ, ইউৰোপীয় সংঘ, আৰু আফ্ৰিকান সংঘ অন্তৰ্ভুক্ত। ইয়াৰ জন্ম হৈছিল ১৯৯৯ চনত। ইয়াৰ কোনো নিৰ্দিষ্ট কাৰ্যালয় বৰ্তমানলৈ স্থাপন হোৱা নাই। আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, কানাডা, চীন, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইণ্ডোনেছিয়া, ইটালী, জাপান, কোৰিয়া গণৰাজ্য, মেক্সিকো, ৰাছিয়া, চৌদি আৰব, দক্ষিণ আফ্ৰিকা, তুৰ্কি, ইউনাইটেড কিংডম আৰু আমেৰিকা যুক্তৰাজ্য হৈছে ইয়াৰ লগত জড়িত ১৯ খন দেশ। এই গোটটোৱে বিশ্ব অৰ্থনীতিক প্ৰভাৱিত কৰা জটিল বিষয়সমূহ, যেনে বিত্তীয় স্থিতিশীলতা, জলবায়ু পৰিৱৰ্তন, আৰু বহনক্ষম উন্নয়নৰ সৈতে মোকাবিলা কৰে। শীৰ্ষ সন্মিলন আৰু কৰ্মগোটৰ জৰিয়তে জি-২০ ৰ সদস্যসকলে অধিক সমৃদ্ধিশালী আৰু নিৰাপদ বিশ্বৰ বাবে উমৈহতীয়া ভিত্তি বিচাৰি উলিওৱা আৰু নীতিৰ সমন্বয়ৰ লক্ষ্য ৰাখে।

প্ৰত্যেক বছৰেই ভিন্ন দেশে এবছৰৰ বাবে সভাপতিত্ব কৰিব পৰা অথবা অধ্যক্ষতা লাভ কৰা এই গ্ৰুপৰ এইবেলি ভাৰতে লাভ কৰা সভাপতিত্বই সলনি কৰিলে বিশ্বৰ বিভিন্ন প্ৰেক্ষাপট। ২০২৩ চনত জি-২০ ৰ ভাৰতৰ নেতৃত্বই বিশ্বৰ বিভিন্ন কাৰ্যসূচী গঢ় দিয়াৰ এক অনন্য সুযোগ দাঙি ধৰিলে। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি হিচাপে ভাৰতে উন্নয়নশীল বিশ্বৰ বাবে জটিল বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি আৰু বৃদ্ধি পোৱা ভূ-ৰাজনৈতিক উত্তেজনাৰ মাজত বিশ্বব্যাপী ঐক্যৰ মনোভাৱ গঢ়ি তুলিছিল।

জি-২০ বিশ্বৰ এখন শক্তিশালী মঞ্চ। এক কথাত ক'বলৈ গ'লে, জি-২০ৰ সমকক্ষ দ্বিতীয়খন আন্তৰ্জাতিক মঞ্চ আজিৰ বিশ্বত নাই বুলিব পাৰি। আনকি ৰাষ্ট্ৰসংঘও জি-২০ৰ সন্মুখত অনুজ্জ্বল বুলি ক'ব পাৰি। যুদ্ধকে ধৰি বিভিন্ন ক্ষেত্ৰত দুৰ্বল ভূমিকাৰ বাবে ৰাষ্ট্ৰসংঘৰ গুৰুত্ব আৰু গৰিমা আজি বিশ্বত ভালেখিনি ম্লান হৈ পৰিছে। ইয়াৰ বিপৰীতে বিশ্বৰ আৰ্থিক আৰু সামৰিক মহাশক্তিসমূহ একত্ৰ হৈ থকা জি-২০ৰ পৰা বিশ্ব নেতৃত্বই বহুখিনি আশা কৰে। বিশেষকৈ আৰ্থিক সংকটত ভুগি থকা বিশ্বখনে জি-২০ৰ পৰা ইয়াৰ সমাধানৰ পথ আশা কৰি থাকে। জি-২০ৰ মঞ্চত নিৰ্ণয় আৰু নিৰ্ধাৰণ হোৱা বিষয়সমূহে বিশ্ব অৰ্থনীতি তথা ৰাজনীতিৰ দিশ আৰু দশা নিৰ্ণয় কৰিবলৈও সক্ষম। এনে এখন মঞ্চৰ অধ্যক্ষতা কৰিব পৰাটো ভাৰতৰ বাবে গৌৰৱৰ কথা। ইয়ে বিশ্ব মঞ্চত ভাৰতে গুৰুত্ব আৰু প্ৰভাৱৰ দিশটোক প্ৰতিনিধিত্ব কৰে।

ভাৰতে বিশ্বৰ ভিতৰত জি-২০ ৰ সভাপতিত্ব লাভ কৰাৰ পিছতেই ইয়াৰ মূল বিষয়বস্তু (থিম) হিচাপে গ্ৰহণ কৰিলে - 'বসুধৈৱ কুটুম্বকম।' অৰ্থাৎ One Earth, One Family, One Future। ই বুজালে যে — এখনেই পৃথিৱী, ইয়াৰ পৰিয়াল পৃথিৱীৰ যে কেৱল এটাই আৰু আমাৰ গোলকীয় বিশ্বৰ ভৱিষ্যতো সকলোৰে একেই তাকেই এই সন্মিলনৰ বিষয়বস্তুৰে ভাৰতে সমগ্ৰ বিশ্বৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰি জি-২০ সন্মিলন অনুষ্ঠিত কৰিলে।

এই সন্মিলনত এইবেলি ইয়াত বিশ্বব্যাপী আলোচনাত প্ৰায়ে একাষৰীয়া কৰি ৰখা উন্নয়নশীল দেশসমূহৰ উদ্বেগসমূহৰ সমাধানৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হৈছিল। ঋণ ৰেহাই, খাদ্য আৰু শক্তি সুৰক্ষা, প্ৰযুক্তিৰ ন্যায্য সুবিধা, চিকিৎসা আদি বিষয়বোৰক আগস্থানলৈ অনা হৈছিল এই সন্মিলনৰ জৰিয়তে। এই গুৰুত্বৰ পৰিৱৰ্তনে বিশ্ব শাসনৰ ক্ষেত্ৰত অধিক সুষম আৰু প্ৰতিনিধিত্বমূলক দৃষ্টিভংগীৰ প্ৰতিশ্ৰুতি দিছিল।

জি-২০ ৰ অধ্যক্ষ হিচাপে, ভাৰতে পূৰ্বৰ সন্মিলনসমূহে গ্ৰহণ কৰা স্বাস্থ্য সম্পৰ্কীয় প্ৰাথমিকতা সমূহক অগ্ৰাধিকাৰ দিয়াৰ লগতে সেইসমূহক একত্ৰিত কৰাৰ উপৰি শক্তিশালী কৰাৰ প্ৰয়োজন থকা গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

ভাৰতৰ এই সন্মিলনত সকলো ধৰণৰ বিষয় যেনে— শিক্ষা, স্বাস্থ্য, মানৱ সম্পদ, অন্ন, বস্ত্ৰ, বাসস্থান, পৰিৱেশ প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি, নাৰী বিষয়, যুৱ প্ৰজন্মৰ সমস্যা, কৃত্ৰিম বুদ্ধিমত্তা, ৰাজনৈতিক, ভৌগোলিক আন্তঃৰাষ্ট্ৰীয় সীমা সমস্যা ইত্যাদিক অগ্ৰাধিকাৰ দি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছিল।

ইয়ে স্থিতিস্থাপকতা গঢ়ি তোলা, ডিজিটেল ৰূপান্তৰৰ ওপৰত গুৰুত্ব দিয়া, ভূ-ৰাজনৈতিক ভাৰসাম্য আইন ইত্যাদি আছিল এই সন্মিলনৰ আলোচনাৰ মুখ্য কেন্দ্ৰবিন্দু। আজিৰ অশান্ত বিশ্বত ভাৰতৰ এই জি-২০ সন্মিলনে লাভ কৰিলে নতুন মাত্ৰা।

নতুন দিল্লীত অনুষ্ঠিত জি-২০ সন্মিলনত ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ ইকনমিক কৰিড'ৰৰ ঘোষণা ভাৰতৰ এক বৃহৎ সফলতা। ভাৰত, আমেৰিকা, চৌদি আৰব, সংযুক্ত আৰব আমিৰ, ফ্ৰান্স, জাৰ্মানী, ইটালী আৰু ইউৰোপীয় সংঘই একেলগে ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ কৰিড'ৰৰ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জড়িয়তে ভাৰত প্ৰথমবাৰলৈ যোগাযোগ তথা আন্তঃগাথনিৰ এনে বৃহৎ অৰ্থনৈতিক কৰিডৰৰ অংশীদাৰ হ'ল। জলপথ আৰু ৰে'লপথেৰে ভাৰতৰে মধ্যপ্ৰাচ্য হৈ ইউৰোপ সংযোগ ঘটাই হ'বলগীয়া এই বাণিজ্যিক কৰিডৰৰ জড়িয়তে দেশসমূহৰ মাজত, বাণিজ্যিক সম্পৰ্ক বৃদ্ধি পাব। মহামাৰী আৰু ৰাছিয়া-ইউক্ৰেইনৰ সংঘাতে স্থিতিস্থাপক অৰ্থনীতি আৰু সমাজৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

লগতে নতুন দিল্লীতেই আয়োজিত জি-২০ শিখৰ সন্মিলনেৰে ভাৰতৰ বৃহৎ সফলতা লাভ কৰিলে নতুন দিল্লী জি-২০ সংকল্পপত্ৰই লাভ কৰা সকলো সদস্য ৰাষ্ট্ৰৰ সহমতৰ জড়িয়তে। "এক বিশ্ব, এক পৰিয়াল আৰু এক ভৱিষ্যত"ৰ বাৰ্তা অধিক শক্তিশালী ৰূপত আগুৱাই নিবলৈ কেইবাটাও সংকল্প থকা দিল্লী সংকল্প পত্ৰখনে সকলো ৰাষ্ট্ৰৰে সহমত লাভ কৰে।

ভাৰতে জলবায়ু পৰিৱৰ্তন প্ৰশমন, দুৰ্যোগৰ আশংকা হ্ৰাস, আৰু শক্তিশালী জনস্বাস্থ্য ব্যৱস্থাক অগ্ৰাধিকাৰ দিয়া বহনক্ষম উন্নয়নৰ লক্ষ্যৰ পোষকতা কৰিছিল। ভাৰতৰ জি-২০ ৰাষ্ট্ৰপতিত্বৰ প্ৰভাৱ আগন্তুক বছৰবোৰত অনুভৱ কৰা হ'ব। অন্তৰ্ভুক্তি, স্থিতিস্থাপকতা, আৰু ডিজিটেল ৰূপান্তৰৰ ওপৰত গুৰুত্ব দিয়াটোৱে সুনিৰ্দিষ্ট কাৰ্য পৰিকল্পনালৈ ৰূপান্তৰিত হয় নে নহয় সেয়া দীৰ্ঘম্যাদী সফলতাত নিৰ্ধাৰণ কৰিব পৰা যাব। কিন্তু ভাৰতৰ নেতৃত্বই নিঃসন্দেহে বিশ্বৰ কথোপকথনক অধিক সমতাপূৰ্ণ আৰু বহনক্ষম ভৱিষ্যতৰ দিশত স্থানান্তৰিত কৰিছে, য'ত গ্ল'বেল চাউথৰ ভূমিকা অধিক উল্লেখযোগ্য। ডিজিটেল বিপ্লৱৰ আগশাৰীৰ ভাৰতে সৰ্বাংগীণ বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভাৰতৰ জনসংখ্যা যিহেতু বিশ্বৰ ভিতৰত সৰ্বাধিক সেয়েহে ডিজিটেল মাধ্যম অথবা ছচিয়েল মিডিয়াৰ ব্যৱহাৰকাৰীৰ সংখ্যাও অত্যাধিক। সেয়েহে ডিজিটেল বিভাজন দূৰ কৰাৰ বাবে, কৃত্ৰিম বুদ্ধিমত্তাৰ দায়িত্বশীল ব্যৱহাৰক প্ৰসাৰিত কৰা আৰু চাইবাৰ সুৰক্ষা সহযোগিতাক লাভান্বিত কৰাৰ পদক্ষেপসমূহ আলোচনাৰ কেন্দ্ৰীয় বিষয় আছিল। আনহাতে ভূ-ৰাজনৈতিক ভাৰসাম্যত ২০২৩ চনত জি-২০ শীৰ্ষ সন্মিলনে ইউক্ৰেইনত চলি থকা যুদ্ধৰ লগত মিলি গৈছিল। দীৰ্ঘদিনীয়া অসংলগ্নতাৰ নীতিৰে ভাৰতে এক সুক্ষ্ম পথত আগবাঢ়িছিল। অসামৰিক লোকৰ হতাহতক গৰিহণা দিওঁতে ভাৰতে পক্ষ

ল'বলৈ অস্বীকাৰ কৰিছিল, আলোচনা আৰু শান্তিপূৰ্ণ সংকল্পৰ পোষকতা কৰিছিল। এই পদ্ধতিৰ লক্ষ্য আছিল ভূ-ৰাজনৈতিক বিভাজনৰ মাজতো জি-২০ক গঠনমূলক আলোচনাৰ মঞ্চ হিচাপে বজাই ৰখা। ভাৰতৰ অধ্যক্ষতাৰ সময়ত আফ্ৰিকান ইউনিয়ন (AU) উপনীত হোৱা কাৰ্য পৰিকল্পনা ৰূপায়ণৰ বাবে তেওঁলোকৰ ইচ্ছাৰ ওপৰত। ভাৰতে বহুপক্ষীয়তাৰ প্ৰতি নৱীকৃত প্ৰতিশ্ৰুতিৰ চেম্পিয়নশ্বিপ কৰিছিল। ইয়াত বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ দৰে বিশ্বব্যাপী আলোচনাৰ প্ৰসাৰ আৰু উমৈহতীয়া স্থিতি বিচাৰি উলিওৱাৰ বাবে ভাৰতৰ প্ৰচেষ্টাই ঐক্য আৰু উদ্দেশ্যৰ ভাৱৰ পোষকতা কৰিলে। ভাৰতে বিশ্বৰ সকলো দেশৰ সৈতে সমভাৱে কাৰ্য কৰিবলৈ আৰু সদ্ভাৱ বজাই ৰাখিবলৈ চেষ্টা কৰিছে।

ভাৰতে জি-২০ ত প্ৰতিনিধিত্ব




অন্তৰ্ভুক্ত হোৱাৰ লগে লগে G-20 পৰিণত হয় G-21 ত। অৱশ্যে ইয়াক এতিয়াও আনুষ্ঠানিকভাৱে তেনে হিচাপে নিৰ্ধাৰণ কৰা হোৱা নাই। কিয়নো পৰৱৰ্তী অধ্যক্ষ ৰাষ্ট্ৰৰ পদ গ্ৰহণ কৰা ব্ৰাজিলৰ আনুষ্ঠানিক ঘোষণাৰ বাবে সকলোৰে অপেক্ষা কৰিব লাগিব। ৫৫ খন দেশৰ আফ্ৰিকান ইউনিয়নক জি-২০ ৰ স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি ভাৰতে নিজকে গ্লবেল চাউথৰ এক মূল কণ্ঠ হিচাপে প্ৰক্ষেপ কৰিবলৈ সফলতাৰে সক্ষম হ'ল।

ভাৰতৰ জি-২০ কাৰ্যসূচীৰ সফলতা নিৰ্ভৰ কৰে সদস্য ৰাষ্ট্ৰসমূহৰ অবিৰত দায়বদ্ধতা আৰু সহমতত প্ৰতিষ্ঠানসমূহৰ সংস্কাৰৰ আহ্বান জনোৱা হৈছিল যাতে উন্নয়নশীল বিশ্বৰ প্ৰয়োজনীয়তাৰ প্ৰতি অধিক সঁহাৰি জনোৱা হয়।

অতি সুন্দৰভাৱে আৰু সফলতাৰে জি-২০ সন্মিলন অনুষ্ঠিত হ'ল যদিও প্ৰত্যাহ্বানৰ অবিহনে ভাৰতে কিন্তু জি-২০ ৰ অধ্যক্ষতা কৰিব পৰা নাছিল। বৈচিত্ৰময় সদস্য ৰাষ্ট্ৰৰ সৈতে জটিল বিষয়সমূহৰ ওপৰত একমত হোৱাটো কঠিন বুলি প্ৰমাণিত হ'ল। ইউক্ৰেইনৰ যুদ্ধই খাদ্য আৰু শক্তি সুৰক্ষাৰ আলোচনাক আৰু অধিক জটিল কৰি তুলিছিল। কিন্তু কৰি বিশ্বৰ সৰ্বাংগীন উন্নয়ন, জলবায়ু পৰিৱৰ্তন, ডিজিটেল ৰূপান্তৰত অধিক গুৰুত্ব প্ৰদান কৰিলে।

ভাৰতে সকলোৰে বাবে সৰ্বাংগীন অৰ্থনৈতিক বিকাশক অগ্ৰাধিকাৰ দিছে, ডিজিটেল বিভাজন দূৰ কৰিছে, আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ (এছডিজি) পূৰণ কৰাটো নিশ্চিত কৰিছে।

ইয়াৰ লগত ভাৰতৰ "LiFE" (Lifestyle for Environment) আন্দোলনৰ দৃষ্টিভংগীৰ মিল আছে, বহনক্ষম জীৱনশৈলীৰ প্ৰসাৰ।

ভাৰতৰ সন্মিলনত গ্ৰহণ কৰা জলবায়ু পৰিৱৰ্তনৰ কাৰ্যৰ ভিতৰত স্বচ্ছ শক্তিৰ পৰিৱৰ্তন, দুৰ্যোগৰ আশংকা হ্ৰাসৰ

কৌশল, আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বাবে জলবায়ুৰ বিত্তীয় সাহায্যৰ প্ৰসাৰ আদি অন্তৰ্ভুক্ত। ডিজিটেল ক্ষেত্ৰত ডিজিটেল বিভাজন দূৰ কৰা, চাইবাৰ সুৰক্ষাক প্ৰসাৰ কৰা, আৰু উন্নয়নৰ বাবে প্ৰযুক্তিৰ লাভ উঠাটো জড়িত হৈ আছে। ভাৰতে জি-২০ ত গ্ল'বেল এলায়েন্স অন ৰি-ছ'ৰ্চিং দ্য ফিউচাৰ (GAROTF), দুৰ্যোগ স্থিতিস্থাপক আন্তঃগাঁথনিৰ বাবে বিশ্ব মিত্ৰজোঁট (WCDRI), টেক ফৰ ডেভেলপমেণ্ট ইত্যাদি নিৰ্দিষ্ট প্ৰদক্ষেপ গ্ৰহণ কৰিছে।

ভাৰতৰ জি-২০ৰ ৰাষ্ট্ৰপতিত্বই জটিল বিশ্বজনীন বিষয়ত নিজৰ নেতৃত্ব প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিছে। সৰ্বাংগীণ উন্নয়ন, বহনক্ষমতা, আৰু ডিজিটেল ৰূপান্তৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতে সকলোৰে বাবে অধিক স্থিতিস্থাপক আৰু সমতাপূৰ্ণ ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্য লৈছে।

ভাৰতৰ জি-২০ৰ ৰাষ্ট্ৰপতিত্বই জটিল বিশ্বজনীন বিষয়ত নিজৰ নেতৃত্ব প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিছে। সৰ্বাংগীণ উন্নয়ন, বহনক্ষমতা, আৰু ডিজিটেল ৰূপান্তৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতে সকলোৰে বাবে অধিক স্থিতিস্থাপক আৰু সমতাপূৰ্ণ ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্য লৈছে।

জি-২০ ৰ অন্তৰ্গত বিভিন্ন বিষয়ৰ সন্মিলন ভাৰতে নিজৰ সভাপতিত্বত ভাৰতৰ বহুকেইখন চহৰত এইবেলি অনুষ্ঠিত কৰে। তাৰ ভিতৰত —

B20 (Business 20), Y20 (Youth 20), C20 (Civil Society 20), L20 (Labour 20), P20 (Parliamentary Speaker's Summit), T20 (Think 20), W20 (Women's 20), U20 (Urban 20), S20 (Science 20), SAI20 (Supreme Audit institutions 20) ইত্যাদি উল্লেখযোগ্য।

এইখিনিতেই উল্লেখ কৰিব লাগিব যে মঙলদৈ মহাবিদ্যালয়ৰ পৰা সমগ্ৰ দৰং জিলাক প্ৰতিনিধিত্ব কৰিবৰ বাবে গুৱাহাটীৰ IIT ত অনুষ্ঠিত হোৱা Y20 সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছিলো ভূগোল বিজ্ঞান বিভাগৰ পৰা আমাৰ লগতে জুবিলিনা বৰুৱাই। আমি দুয়োগৰাকীয়ে উক্ত সন্মিলনত অংশগ্ৰহণ কৰি জি-২০ ৰ যুৱ সন্মিলনত কেনেদৰে ভাৰতে ভূমিকা গ্ৰহণ কৰিছে, অতিথি তথা অংশগ্ৰহণকাৰী সকলক কিদৰে ৰাখিছে, কি কি বিষয়ৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰি তাৰ ওপৰত গুৰুত্ব তথা ভূমিকা গ্ৰহণ কৰিছে সকলোবোৰ দেখাৰ লগতে আমিও ইয়াৰ অংশীদাৰ হৈ ভাৰতৰ জি-২০ ৰ অগ্ৰগতিৰ বিষয়ে বুজ ল'ব পৰিছিলো।

আনহাতে নতুন দিল্লীৰ প্ৰগতি ময়দানত 'ভাৰত মণ্ডপাম' নামেৰে নামাকৰণ কৰা আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী-সম-অধিৱেশন কেন্দ্ৰ (আই ই চি চি) কমপ্লেক্সত অনুষ্ঠিত হ'ল জি-২০ ৰ মুখ্য সন্মিলন।

জি-২০ৰ বাবে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা এই বৃহৎ 'ভাৰত মণ্ডপাম' কমপ্লেক্স প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে। ইয়াত কনভেনচন চেণ্টাৰ, প্ৰদৰ্শনী হল, আৰু এম্ফিথিয়েটাৰৰ দৰে অত্যাধুনিক সুবিধা উপলব্ধ।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নিমন্ত্ৰণ জনাই অনা বহুকেইগৰাকী বিশ্বৰ আগশাৰীৰ ৰাজনীতিবিদ, চিকিৎসক, অৰ্থনীতিবিদ, পুঁজিপতি, ৰাজনৈতিক বিশ্লেষক, পৰিৱেশ কৰ্মী, বিজ্ঞানী, অধ্যাপক ইত্যাদিৰ অংশগ্ৰহণৰ দ্বাৰা সমগ্ৰ ভাৰতবৰ্ষত এক নতুন মাত্ৰাৰ সূচনা হ'ল। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, প্ৰশাসন আৰু জনবহুল ভাৰতৰ জনতাৰ সহযোগিতাত সুন্দৰ ৰূপত আটকধুনীয়াকৈ সমগ্ৰ দেশক নতুন মাত্ৰা প্ৰদান কৰি এই জি-২০ সন্মিলন অনুষ্ঠিত কৰি ভাৰতে সফলতাৰে সামৰণি মাৰিলে আৰু আগন্তুক ২০২৪ বৰ্ষৰ বাবে অধ্যক্ষতা কৰিবলৈ ব্ৰাজিলৰ হাতত অধ্যক্ষতাৰ ভাৰ অৰ্পণ কৰি ভাৰতে জি-২০ ৰ অন্তৰ্গত আৰু গোলকীয় সমস্যাসমূহত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি সমগ্ৰ বিষয়ত সহযোগিতা কৰা বিশ্বৰ এখন আগশাৰীৰ সফল ৰাষ্ট্ৰৰূপে পৰিচয় দাঙি ধৰিলে। ■■



# Crypto currency

**Jalees Tabasum Ahmed**
3rd Semester
Economics Department

In recent years, two major developments in the world of finance have captured the attention of people around the world: cryptocurrency and Central Bank Digital Currencies (CBDCs). Both represent significant shifts in how we think about and use money. In India, these concepts have sparked lively debates among policymakers, financial experts, and the general public. This article aims to provide a clear and simple explanation of what cryptocurrency and CBDCs are, how they work, and what they mean for the future of money in India.

Cryptocurrency is a type of digital or virtual currency that uses cryptography for security. Unlike traditional currencies, which are issued and regulated by governments, cryptocurrencies operate on decentralized networks based on blockchain technology. A blockchain is a distributed ledger that records all transactions across a network of computers, ensuring transparency and security.The most well-known cryptocurrency is Bitcoin, which was created in 2009 by an unknown person (or group of people) using the pseudonym Satoshi Nakamoto. Since then, thousands of different cryptocurrencies have been developed, each with its unique features and uses.

Unlike traditional currencies that are controlled by central banks or governments, cryptocurrencies operate on decentralized networks. This means that no single entity has control over the currency.All transactions made with cryptocurrencies are recorded on a public ledger called the blockchain. This makes it easy to track and verify transactions.Cryptocurrencies use cryptographic techniques to secure transactions, making them resistant to fraud and hacking.While all transactions are recorded on the blockchain, the identities of the parties involved are usually kept anonymous. Cryptocurrencies can be sent and received anywhere in the world, without the need for intermediaries like banks.

Bitcoin (BTC) is the first and most widely recognized cryptocurrency.Ethereum (ETH) is known for its smart contract functionality, allowing for decentralized applications. Ripple (XRP) Focused on facilitating cross-border payments. Litecoin (LTC) is often referred to as the "silver to Bitcoin's gold." Cryptocurrencies work through a combination of blockchain technology and cryptographic algorithms. When a person wants to send cryptocurrency to someone else, they create a transaction that is broadcasted to the entire network. This transaction is then verified by network participants, known as miners, who solve complex mathematical problems to validate the transaction. Once verified, the transaction is added to the blockchain, making it a permanent part of the ledger. This process of verifying transactions and adding them to the blockchain is called "mining." Miners are rewarded with newly created cryptocurrency for their work, which also serves as an incentive to maintain the security and integrity of the network.

In India, the concept of cryptocurrency has been met with both enthusiasm and scepticism. On one hand, many people see it as an exciting innovation with the potential to revolutionize the financial system. On the other hand, concerns about security, regulation, and the potential for misuse have led to calls for stricter controls.The Indian government and the Reserve Bank of India (RBI) have taken a cautious approach to cryptocurrency. In 2018, the RBI issued a circular prohibiting banks and financial institutions from providing services related to cryptocurrencies. This effectively banned the use of cryptocurrencies in the country. However, in 2020, the Supreme Court of India lifted the ban, allowing the use of cryptocurrencies but leaving the regulatory environment uncertain.In response to the growing popularity of cryptocurrencies, the Indian government has been working on a new bill to regulate the industry. The proposed legislation, known as the Cryptocurrency and Regulation of Official Digital Currency Bill, 2021, aims to create a framework for the creation of an official digital currency by the RBI while banning private cryptocurrencies. The bill has sparked debate, with some arguing that a ban on private cryptocurrencies could stifle innovation, while others believe it is necessary to protect consumers and maintain financial stability.

Public opinion on cryptocurrency in India is mixed. Many tech-savvy individuals and investors are excited about the potential of cryptocurrencies to provide new opportunities for wealth creation and financial inclusion. However, there are also concerns about the risks associated with investing in cryptocurrencies, such as price volatility, the potential for fraud, and the lack of consumer protections.Despite these concerns, the popularity of cryptocurrencies in India has been steadily increasing, with more people looking to invest in digital assets. This has led to the rise of cryptocurrency exchanges and trading platforms in the country, providing users with the ability to buy, sell, and trade cryptocurrencies easily.

A Central Bank Digital Currency (CBDC) is a digital form of a country's official currency, issued and regulated by the central bank. Unlike cryptocurrencies, which are decentralized and operate on private networks, CBDCs are centralized and function as a digital representation of the national currency.CBDCs are designed to be used alongside physical cash and traditional bank deposits, providing a digital alternative for transactions. They can be used for everyday purchases, payments, and transfers, just like traditional

money.CBDCs are issued and regulated by the central bank, giving the government full control over the currency.CBDCs exist only in digital form and can be stored in digital wallets or accounts.Like physical cash, CBDCs are recognized as legal tender and can be used for all transactions.CBDCs are backed by the central bank, which helps to ensure their stability and trustworthiness.CBDCs have the potential to improve financial inclusion by providing access to digital payment systems for people who do not have traditional bank accounts.

The idea of a Central Bank Digital Currency has gained significant traction in India in recent years. The Reserve Bank of India (RBI) has been exploring the possibility of introducing a digital version of the Indian Rupee (INR) as a way to modernize the country's payment systems and improve financial inclusion.CBDCs can make transactions faster, cheaper, and more efficient by reducing the need for intermediaries.By providing access to digital payment systems, CBDCs can help bring more people into the formal financial system, especially in rural areas where access to traditional banking services may be limited.CBDCs can reduce the reliance on physical cash, which is costly to produce, distribute, and manage.CBDCs can provide central banks with more precise control over the money supply and interest rates, potentially improving the effectiveness of monetary policy.CBDCs can provide a government-backed alternative to private cryptocurrencies, reducing the risks associated with unregulated digital currencies.

While CBDCs offer many potential benefits, there are also challenges and concerns that need to be addressed. The digital nature of CBDCs could raise concerns about privacy, as central banks would have the ability to track all transactions.As with any digital system, CBDCs could be vulnerable to cyberattacks, which could have serious implications for the financial system. Developing and implementing a CBDC would require significant investment in technology and infrastructure. CBDCs could disrupt the traditional banking system by reducing the need for bank deposits and loans.

In recent years, the Reserve Bank of India has been actively studying the feasibility of launching a digital version of the Indian Rupee. The RBI has established a working group to explore the potential benefits and risks of a digital currency and has been engaging with stakeholders to gather input and insights.The digital rupee is envisioned as a complement to the existing payment systems, providing a secure and efficient way for people to make transactions. It could also play a role in enhancing financial inclusion by providing a digital payment option for those who do not have access to traditional banking services.The RBI has indicated that it is taking a cautious approach to the development of a digital rupee, with a focus on ensuring that the currency is secure, stable, and accessible to all. The central bank has also emphasized the importance of maintaining the stability of the financial system and protecting the interests of consumers.

A digital rupee could reduce the costs associated with producing, distributing, and managing physical cash.The use of a digital currency could improve transparency in transactions, helping to reduce corruption and money laundering.A digital rupee could give the RBI more precise control over the money supply, helping to manage inflation and economic growth.As more countries explore the development of CBDCs, having a digital rupee could enhance India's competitiveness in the global economy.

Developing a secure and reliable digital currency system will require significant technological innovation and investment.The introduction of a digital rupee will require changes to existing laws and regulations, as well as the development of new frameworks to govern its use.Ensuring that people are comfortable using a digital currency will beessential for its success. Public education and awareness campaigns may be needed to build trust and understanding of the digital rupee.The digital rupee will need to be compatible with existing payment systems and infrastructure to ensure seamless integration into the economy.Protecting the digital

rupee from cyber threats will be a top priority. The RBI will need to invest in robust security measures to safeguard the currency and the broader financial system.

While both cryptocurrencies and CBDCs represent digital forms of money, there are significant differences between the two. Understanding these differences is key to grasping their respective roles in the future of finance. Cryptocurrencies are decentralized and operate on networks that are not controlled by any single entity. This lack of central control is one of the defining features of cryptocurrencies.Security is maintained through cryptographic techniques and the decentralized nature of the blockchain. However, cryptocurrencies are still vulnerable to hacks, fraud, and scams.CBDCs are Centralized and issued by central banks. Governments have full control over CBDCs, including their issuance and regulation.Security is managed by the central bank, which has the resources and authority to implement robust protections against cyber threats. However, the centralized nature of CBDCs could also make them a target for large-scale cyberattacks.

As India continues to navigate the evolving landscape of digital currencies, the future holds both opportunities and challenges. The development of a digital rupee could bring numerous benefits to the country, including greater financial inclusion, reduced transaction costs, and enhanced monetary control. However, the successful implementation of a CBDC will require careful planning, robust security measures, and widespread public acceptance. At the same time, the rise of cryptocurrencies presents both opportunities and risks. While cryptocurrencies offer exciting possibilities for innovation and investment, they also pose challenges related to regulation, security, and consumer protection. In the coming years, the Indian government, the RBI, and other stakeholders will need to work together to strike the right balance between fostering innovation and ensuring financial stability. By doing so, India can position itself as a leader in the digital currency revolution, paving the way for a more inclusive and efficient financial system.

The world of money is changing rapidly, with cryptocurrencies and Central Bank Digital Currencies at the forefront of this transformation. In India, these developments have sparked widespread interest and debate, as people consider the implications for the economy, society, and the future of finance.While cryptocurrencies offer the promise of decentralized, borderless money, they also come with risks and uncertainties. On the other hand, CBDCs represent a more controlled and stable approach to digital currency, with the potential to modernize the financial system and improve access to financial services.As India explores the possibilities of a digital rupee and grapples with the rise of cryptocurrencies, it is clear that the future of money will be increasingly digital. By embracing this change and addressing the challenges that come with it, India can build a more resilient, inclusive, and innovative financial system for the years to come. ■■

*At the same time, the rise of cryptocurrencies presents both opportunities and risks. While cryptocurrencies offer exciting possibilities for innovation and investment, they also pose challenges related to regulation, security, and consumer protection.*

# SOCIETY AND ECONOMIC DEVELOPMENT A JOURNEY TOGETHER

**Lipika Baruah**
*3rd semester, Economics Department*

Society and economic development are deeply connected. The way a society grows and evolves is often reflected in its economy, and the health of an economy influences the well-being of the people within it. In simple terms, economic development means improving the economic conditions of a country or region, which in turn improves the quality of life for its people. This improvement can be seen in better education, healthcare, jobs, and overall living conditions.Economic development refers to the process by which a country improves the economic, political, and social well-being of its people. It is not just about increasing the wealth of a nation, but about ensuring that this wealth leads to better living standards for everyone. This includes access to education, healthcare, and employment opportunities, as well as a reduction in poverty and inequality.



মনালিছা হ'ল চিত্ৰশিল্পী লিঅ'নাৰ্ড ডি ভিন্সিৰ দ্বাৰা অংকিত পৃথিৱী বিখ্যাত ছবি। এই চিত্ৰখন বৰ্তমান পেৰিচৰ এক সংগ্ৰহালয়ত সংৰক্ষিত। এই ছবিখন চাবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতি বছৰে গড়ে প্ৰায় ৬০ লাখ মানুহৰ আগমন ঘটে। মনালিছা ছবিখন সৃষ্টিৰ সময়ৰ পৰা আজিলৈকে বহু শিল্পীৰ বাবে সৃষ্টিৰ প্ৰেৰণা হৈ আহিছে। এই ছবিখন অংকিত হৈছিল ১৫০৬ চনত। এই ছবিখনৰ জোখ হ'ল ৭৭×৫৩ ছেণ্টিমিটাৰ। এই ছবিখন বন্দুকৰ গুলী সোমাব নোৱাৰাকৈ তিনি তৰপীয়া কাচেৰে তৈয়াৰী এটা বাকচৰ ভিতৰত সংৰক্ষিত কৰি থোৱা আছে। মনালিছাৰ যশস্যা ইয়াত অকল আভ্যন্তৰীণ চিন্তা-চৰ্চাতেই সীমাৱদ্ধ থকা নাই। মনালিছাৰ সমুখত থকা ৰহস্যপূৰ্ণ হাঁহিটোৰ গুৰুত্ব চিত্ৰ সমালোচকে সদায় সমালোচনা কৰি আহিছে। কিন্তু কোন এই মনালিছা? কিয় এই ছবিখন ইমান জনাজাত? চিত্ৰশিল্পী লিঅ'নাৰ্ড ডি ভিন্সি কিয় ইমান সমালোচিত এই মনালিছাৰ বাবে?

'মনালিছা'ৰ জনপ্ৰিয়তাৰ প্ৰথম আৰু প্ৰধান কাৰণটি মনালিছাৰ হাঁহিত লুকাই আছে বুলি কোৱা হয়। মনালিছাৰ অৰ্ধ হাঁহিটি এক ৰহস্যময় হাঁহি। এই হাঁহি ৰহস্য ফাদিল কৰিবলৈ চেষ্টা কৰিও বিফল হৈছে বিশ্ববিখ্যাত মনোবিজ্ঞানী চিমাণ্ড ফ্ৰয়ডকে ধৰি বিশ্বৰ অগণন চিত্ৰশিল্পী বিশেষজ্ঞ। বহুতে ক'ব খোজে মনালিছাৰ হাঁহিয়ে আনন্দক সূচায়, কিন্তু ছবিখন উপভোগ কৰাৰ দৃষ্টিভঙ্গীয়ে হাঁহিটিৰ মাজৰ ৰহস্যক বুজিবলৈ চেষ্টাৰ ক্ষেত্ৰত এক সবল কাৰক হিচাপে কাম কৰে, সেয়ে 'আনন্দ' ব্যাখ্যাৰ গ্ৰহণযোগ্যতা সম্পৰ্কে সৰহসংখ্যক লোক একমত নহয়। চিত্ৰশিল্পীৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা 'মনালিছা' ছবিখনৰ দ্বাৰা চিত্ৰশিল্পী লিঅ'নাৰ্ড ডি ভিন্সি লগতে ১৬ শতিকাৰ চিত্ৰশিল্পী পৃথিৱীখনেও লাভ কৰিছিল চিত্ৰশিল্পৰ এক নতুন কৌশল বা শৈলী।

ছবিখন ১৬০৩ চন মানতে আঁকা হৈছিল আৰু মৃত্যু পৰ্যন্ত ভিন্সিৰ লগতে আছিল। পিছলৈ ছবিখন ফ্ৰান্সৰ ৰাজ পৰিয়ালৰ সম্পত্তি হয়। চিত্ৰশিল্পৰ মাজেৰে নাৰীৰ এক অনন্য বিশ্ব বিশ্ৰুত ৰূপক সৃষ্টি কৰা লিঅ'নাৰ্ড ডি ভিন্সিৰ 'মনালিছা' চিৰকাল চিত্ৰকলা প্ৰেমীসকলৰ বাবে এক আদৰণীয় সাঁথৰ হৈ ৰ'ব। ■■



# Dehing Patkai Festival

**Karabi Sahariah**
5th Semester, Department of Geography

The Dehing Patkai Festival is celebrated in the eastern part of the north-eastern state of Assam. The Dehing Patkai Festival in Dehing is named after the majestic Patkai range and the mischievous Dehing river. It is a one year festival held at Lakhapani in Tinsukia. It is organized by the government of Assam, providing the tourists with boundless chances for fun and feast.

**Aims of the Festival :**

The main aims of the festival is to promote natural beauty and to attracts more tourists into the state at the best time of the year. It is a festival that show cases the Assamese tribal culture an there are around 20 tribes that actively take part in the events at the festival.

**History of the Festival :**

the festival was inaugurated in the year 2002 and Dr. APJ Abdul Kalam was the first chief guest for the festival. This festival is organized by the government of Assam to promote natural beauty and to attract more tourists into the state at the bet time of the year.

**Sevents at the Festival :**

The huge celebration incorporated indigenous assamese community fairs, tea tours, adventure sports and glofing. The visitors at the festival can take and elephant safari and get to know about the wildlife closely. There are huge food festivals, craft fairs, cultural functions and many other events arranged for the tourists.

The tribal people take part to exhibit their traditional dance and music forms along main aim of the festival is to preserve local and native culture and tradition. The festival also offers an outing to the second world war burial grounds which talks about the history of the past and offers the tourists with some interesting insights on some unique facts.

The food festival is important where tribal an other delicacies are displayed to the tourists. Para-sailing and Kayaking are some of the adventure sports arranged for tourists. ■■

# অত্যাধিক উৎসৱ প্ৰৱণতা

## এটা জাতিৰ ধ্বংসৰ আগজাননী

**প্ৰাঞ্জল প্ৰতিম ডেকা**
প্ৰাক্তন সাহিত্য-আলোচনী সম্পাদক
মঙলদৈ মহাবিদ্যালয়

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ কথা ।এখন আমেৰিকান বিমান চীনত ইন্ধন আৰু ৰেচন নমাই অসমলৈ উভতি আহোঁতে তিব্বতত ধ্বংশ হৈছিল। বিমানখনত ছয় নে সাত জন আমেৰিকান সেনা আছিল আৰু তেওঁলোকে সুকলমে পেৰাছুটেৰে তিব্বতত অৱতৰণ কৰে। তেওঁলোকৰ দৃষ্টিৰে সেইসময়ৰ তিব্বত খনৰ বৰ্ণনা দিয়া আছিল "Lost in Tibet" নামৰ কিতাপখনত। সেয়া বহুদিন আগতে পঢ়া ,সম্পূৰ্ণ মনত নাই। সেইসময়ত তিব্বতলৈ খুব কম সংখ্যক বিদেশী লোকহে যাবলৈ অনুমতি পাইছিল আৰু সেয়ে তিব্বত ৰ কথা বৰ্হি বিশ্বই বিশেষ গম পোৱা নাছিল, বিশ্বৰ চকুত তিব্বত আছিল “নিষিদ্ধ অঞ্চল” (Forbidden land)। কাহিনীৰ লগে লগে কিতাপ খনত সেইসময়ৰ তিব্বতৰ ৰাজনৈতিক আৰু সামাজিক দিশ কিছুমানৰো বৰ্ণনা পোৱা যায়। তেতিয়ালৈকে (১৯৪৫/৪৬ চন মানৰ কাহিনী) তিব্বত স্বাধীন দেশ আছিল, ১৯৬০ চন মানতহে চীনে তিব্বত অধিকাৰ কৰি লয়। কিন্তু কাহিনীত তিব্বতত থকা ব্ৰিটিছ প্ৰতিনিধিজনৰ ভাষাৰে কোৱা হৈছিল যে তিব্বতীসকল সোৰোপা, আমোদ প্ৰমোদ প্ৰিয়, ধৰ্ম ভীৰু জাতি। তেওঁলোকে আধিকাংশ সময় পূজা পাঠ ,উৎসৱ আৰু ভোজমেল তে পাৰ কৰিছিল। একো একোটা ভোজমেল এমাহলৈকেও অনুষ্ঠিত হৈছিল। আৰু এই আমোদ প্ৰমোদেই তিব্বতৰ পতনৰ কাৰণ আছিল। তিব্বতত ব্যৱসায়, বাণিজ্য কৰি থকা চীনা লোকৰ সংখ্যা লাহে লাহে বৃদ্ধি পালে, এটাসময়ত চীনা সকলে ৰাজনৈতিক ক্ষমতাত হস্তক্ষেপ কৰিব পৰা হলগৈ আৰু সময়ত স্বাধীন তিব্বত চিৰদিনৰ বাবে বিশ্ব মানচিত্ৰৰ পৰা লোপ পালে। নিজৰ দেশ এৰি আধাখিনি তিৰৱতী লোক ভগনীয়া হ'ব লগা হল আৰু যিখিনি থাকিল নিজৰ দেশতে দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে থাকিব লগা হ'ল।

সঁচা কাহিনীটোৱে মোৰ মনলৈ শংকা আনে যেন আজি অসমীয়া জাতিটোতো একেবিলাক লক্ষণ দেখা দিছে। উৎসৱ পাৰ্বণৰ ৰং-ৰহইছ ৰ মাজত আমি অস্তিত্ব হেৰুৱাব উপক্ৰম কৰা নাইতো? সাতদিনীয়া ৰঙালী বিহু দুমহীয়া হল, এদিনীয়া ভোগালী বিহু এমহীয়া হল, অন্য উৎসৱ-পাৰ্বণবিলাকটো আছেই। শংকা আহে মনলৈ আমি ভৰিৰ তলৰ মাটি হেৰুৱা জাতি হমগৈ নেকি? কাজিৰঙাত উচ্ছেদৰ পাছত আকৌ তাত বাংলাদেশী বহিব আৰম্ভ হ'ল আমাৰ খবৰেই নাই। ব্যৱসায় আমাৰ হাতত নায়ে। কৰ্মসংস্কৃতিৰো কোনো লক্ষণ নায়। কেৱল মাত্ৰ উৎসৱত মতলীয়া সকলো, নে পাহৰি থাকিব খুজিছো আমাৰ সমস্যা সমূহ? তিব্বতীসকলৰ দৰে হেৰাই যাব নেকি আমাৰো স্বাধীনতা এদিন? ■■




# মঙলদৈ মহাবিদ্যালয় আৰু কিছু মুহূৰ্ত

**হীমাশ্ৰী বৈশ্য**
পঞ্চম যান্মাসিক, ৰসায়ন বিভাগ

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধ্যাৰণাৰ
মহান পুণ্যভূমি।।

প্ৰতিদিনে ৰাতিপুৱা ৯.০০ বজাত বাজি উঠা মহাবিদ্যালয়ৰ এই সংগীতটিয়ে যেন জীপাল কৰি তোলে। প্ৰাণচঞ্চলা মহাবিদ্যালয়ৰ চিৰসেউজ চৌপাশে সজীৱ কৰি তোলে অনুকূল শৈক্ষিক পৰিৱেশে হাতবাউল দি মতা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ দেহ-মন। মহাবিদ্যালয়ৰ প্ৰতিটো দিনেই আমাক প্ৰদান কৰি আহিছে নতুন নতুন অভিজ্ঞতা। বিশেষকৈ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰী হিচাপে বিভাগৰ চাৰ-বাইদেউসকলৰ উপৰিও মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুৰ পৰা পোৱা প্ৰেৰণা, মূল্যৱান দিহা-পৰামৰ্শ, বন্ধুত্বসুলভ মৰম আদি সদায় চিৰস্মৰণীয়।

কলেজীয়া দিন বুলি ক'লে ভাহি অহা সেই ছবিখনত যেন উন্মুক্ত হৈ উঠে গছৰ তলৰ সেই চঞ্চলা হাঁহিবোৰ, কেন্টিনৰ আড্ডাবোৰ লগতে মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয় সপ্তাহ, নিৰ্বাচন, বিভাগৰ অনুষ্ঠানসমূহ আৰু 'Science Gallery'ত হোৱা সেই বিশেষ বিশেষ অনুষ্ঠানসমূহ। মুঠতে এক বুজাব নোৱাৰা অনুভৱ। প্ৰতিটো দিনৰ প্ৰতিটো স্মৃতি হয়তো মোৰ দৰেই মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মনত আজীৱন জীপাল হৈ থাকে। তিনিবছৰীয়া এই যাত্ৰাৰ প্ৰতিটো স্মৃতিয়েই সজীৱ হৈ ৰওক জীৱন পৃষ্ঠাত। সদায় একে থাকক কলেজীয়া প্ৰতিটো মূহুৰ্তৰ অনুভূতিবোৰ। স্মৃতিৰ মানসপটত জীৱনৰ এই সৰ্বোত্তম সময়ছোৱা সদায় জিলিকি থাকিব।

"জয়তু মঙলদৈ মহাবিদ্যালয় ।।" ■■

# মঙলদৈ মহাবিদ্যালয়ৰ সোণালী দিনবোৰ

**দৰ্শনা গোস্বামী**
প্ৰাক্তন ছাত্ৰী

শৈশৱৰ পৰাই মঙলদৈ মহাবিদ্যালয়খনি দেখিছো। মঙলদৈ চহৰৰ মাজমজিয়াত থকা এই অগ্ৰণী শিক্ষানুষ্ঠানখনৰ সৈতে মোৰ পৰিচয় সৰুকালিৰ পৰাই। মোৰ মা-দেউতা মঙলদৈ মহাবিদ্যালয়ৰে প্ৰাক্তন শিক্ষাৰ্থী। তাতেই আকৌ মোৰ ডাঙৰ মামা প্ৰয়াত শিৱ প্ৰসাদ শৰ্মাদেৱে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ পদ অলংকৃত কৰিছিল। বংশ পৰিয়ালৰো প্ৰায়ভাগ মানুহ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অথবা পঢ়ি আছে। যেতিয়াই কলেজখনৰ ফালে যাওঁ, বাহ্যিক দৃষ্টিত মঙলদৈ মহাবিদ্যালয়ৰ চৌহদ, ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰোঁ, কিবা এক আপোনত্ব অনুভৱ কৰোঁ। সেইবাবেই হয়তো স্কুলীয়া শিক্ষা সাং কৰি মঙলদৈ মহাবিদ্যালয়ত পঢ়িবলৈ স্বাভাৱিকতে আবেদন কৰিলোঁ। উচ্চশিক্ষাৰ সপোন বুকুত বান্ধি মোৰ শিক্ষা জীৱনৰ অন্যতম বিদ্যামন্দিৰ ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগত গুৰু বিষয়ৰ ছাত্ৰীৰূপে স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিলোঁ। প্ৰথমদিনা যেতিয়া শাৰী-শাৰী নাহৰৰ মাজেৰে কলেজৰ চৌহদত ছাত্ৰীৰূপে ইউনিফৰ্ম পিন্ধি প্ৰবেশ কৰোঁ মনটো বৰ ভাল লাগিছিল। চাৰিওফালে চাই দেখিলো এক সুন্দৰ পৰিৱেশ। কলেজত প্ৰথম দিনটোতে মোৰ সৈতে এক হাঁহি উঠা পৰিস্থিতি হৈছিল। ৰাতিপুৱাৰ প্ৰথমটো ক্লাছ আছিল ইংৰাজী বিষয়ৰ। নতুন ঠাই, নতুন ক্লাছৰুম। নটিছবৰ্ডত ৰুটিনখন চাই মই আৰু দুগৰাকীমানে ক্লাছৰুম নম্বৰটো বিচাৰি বিচাৰি হাবাথুৰি খাব লগা হ'ল। বহু সময়ৰ মূৰত কোনোমতে ক্লাছৰুমটো বিচাৰি পালোগৈ। ইফালে ক্লাছ চলি আছে। প্ৰয়াত মণিমুগ্ধ বৰঠাকুৰ ছাৰে পঢ়ুৱাই আছে। দৰজাৰ পৰা কোনোমতে মাত দিলো "মে আই কাম ইন চাৰ?" ছাৰে আমালৈ চাই হাঁহি মাৰি ক'লে — "অ' য়েছ, তোমালোক আহিলা মই যাওঁ।" গোটেই ক্লাছটোত গিৰ্জনি মাৰি হাঁহিৰ ৰোল উঠিল। ইফালে মোৰ অৱস্থা ফাঁট মেলা বসুমতী পাতালে লুকাও। তাৰমানে আমি আহি পাওঁমানে ক্লাছেই শেষ হ'ল। ছাৰে ৰোল নং কেইটা বহীত টুকি লৈ ক'লে যে "বুজিছো নতুনকৈ আহিছা, ৰুমৰ নম্বৰ বিচাৰি পোৱা নাই চাগে। একো নাই, এতিয়া চিনি পালা যেতিয়া আগলৈ সময়মতে আহিবা"। এই বুলি চাৰ ক্লাছৰ পৰা ওলাই গ'ল। তেওঁৰ কথাখিনি সাৰোগৰ কৰি পিছলৈ কেতিয়াও ক্লাছত পলমকৈ যোৱা নাছিলো।

দুটা ক্লাছত মাজৰ বিৰতিত কলেজৰ ফিল্ডৰ ওচৰতে বহো। প্ৰায়েই সেইসময়ত বা কলেজ ছুটী হোৱাৰ পিছতো দেখো যে এন.চি.চি. কেডেটসকলে পেৰেড কৰি থাকে। মোৰো মন যায় পেৰেডত ভাগ ল'বলৈ। পিছে কলেজত কেৱল ল'ৰাসকলৰ বাবেহে এন.চি.চি. ৰ অনুমোদন আছে। তেতিয়ালৈ ছোৱালীৰ বাবে এন.চি.চি.ৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তেতিয়া আৰু কেইবাজনীও ছোৱালী লগ পালো। আমাৰ আটাইবোৰৰ এন.চি.চি. কৰিবলৈ মন। মই, মীনাক্ষী, কবিতা, মণীষা, লিটিমণিকে আদি বহুতকেইজনীয়ে আলোচনা কৰি কলেজৰ এন.চি.চি. বিষয়া তথা ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক হৰিমন ডেকা চাৰক লগ কৰিলো, মনৰ কথা ক'লো। হৰিমন ডেকা চাৰ অতি উৎসাহী ব্যক্তি। তেওঁ আমাক আশ্বাস দিলে যে কলেজৰ ছাত্ৰীসকলৰ সুবিধাৰ্থে এন.চি.চি. আনিবলৈ চেষ্টা কৰিব আৰু এইক্ষেত্ৰত অধ্যক্ষ মহোদয়ৰ সৈতে কথা পাতিব। আমাক কথা দিয়া মতেই হৰিমন ডেকা ছাৰে অধ্যক্ষ মহোদয়ৰ সৈতে কথা পাতিলে আৰু প্ৰাৰম্ভিক স্তৰত

মহিলা এন.চি.চি. বিষয়াৰ পদৰ বাবে প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° লীনা শইকীয়া বাইদেউ মনোনীত হয়। ড° লীনা শইকীয়া বাইদেউ অতিকৈ আগৰণুৱা আৰু ইতিবাচক ব্যক্তি। তেজপুৰত থকা এন.চি.চি. কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি বিভাগীয় কাম-কাজ, অনুমোদন লাভ, অনুদান অনা এই সকলোবোৰ কাম তেওঁ অতি সুন্দৰকৈ কৰিছিল। তাৰোপৰি তেওঁ আমাক নিজৰ সন্তানৰ দৰে আকোঁৱালি লৈ নুন্যতম সা-সুবিধাৰ মাজতো নিজৰ সাধ্যনুসাৰে ল'ৰা-ছোৱালী সকলো কেডেটৰ খোৱা-লোৱা, দূৰণিবতীয়া ছোৱালী কেডেটক নিজৰ ঘৰত থকাৰ সুবিধা কৰি দিয়া, চিকিৎসা আদিৰ যতন লৈছিল। লীনা বাইদেউৰ অফুৰন্ত পৰিশ্ৰম আৰু দৃঢ়তাৰ বাবেই মঙলদৈ মহাবিদ্যালয়ৰ মহিলা এন.চি.চি. এক চালুকীয়া অৱস্থাৰ পৰা পূৰ্ণাংগ ৰূপত উপনীত হৈছে। অৱসৰৰ সময়লৈ এন.চি.চি. ৰ মেজৰৰূপে কাৰ্যনিৰ্বাহ কৰা লীনা বাইদেউৰ সময়তে মঙলদৈ মহাবিদ্যালয়ে বহুতো ৰাজ্যিক, ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। কেইবাগৰাকীও কেডেটে দেশৰ ৰাজধানী দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰে। বিভিন্ন ৰাষ্ট্ৰীয় কেম্প, প্ৰশিক্ষণত যোগদান কৰি সুনাম কঢ়িয়াই আনে। মোৰ বাবে পৰম সৌভাগ্যৰ কথা যে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথমগৰাকী মহিলা এন.চি.চি. কেডেট হিচাপে নাম লগোৱাৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিজন ব্যক্তিৰ অনুপ্ৰেৰণাতে সুখ্যাতিৰে উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ শ্ৰেষ্ঠ ৰাইফল স্যুটাৰ সন্মান, শ্ৰেষ্ঠ কেডেট সন্মান, পৰৱৰ্তী সময়ত গোৱালিয়ৰৰ অফিচাৰ্ছ ট্ৰেইনিং একাডেমীলৈ নিৰ্বাচিত, ৰাষ্ট্ৰীয় পৰ্বতাৰোহণ প্ৰশিক্ষণ, ভাৰতীয় সেনা বাহিনীৰ অগ্ৰণী অনুষ্ঠান এচ.এচ.বি. এলাহাবাদত অনুষ্ঠিত শীৰ্ষ পৰ্যায়ৰ এক কঠিন প্ৰতিযোগিতাতো অৱতীৰ্ণ হৈছিলো। একাগ্ৰতা, কঠোৰ অনুশাসন আৰু প্ৰশিক্ষণৰ অন্তত পৰম আকাংক্ষিত এন.চি.চি. "চি চাৰ্টিফিকেট" লাভ কৰিবলৈ সক্ষম হৈছোঁ।

এন.চি.চি. ৰ কঠোৰ অনুশাসনৰ লগতে উদ্ভিদ বিজ্ঞান বিভাগৰ স্নাতকৰূপে পুংখানুপুংখ অধ্যয়নৰ দিশতো মনোযোগ দিয়াটো মোৰ বাবে যদিও কষ্টসাধ্য আছিল তথাপি পঢ়া-শুনাৰ লগতে নিজৰ ভাললগা কামবোৰ কেনেকৈ মিলাই কৰিব পাৰি সেয়া শিকিছিলোঁ। খেল-ধেমালি, সাহিত্য ৰচনা, ব্যক্তিত্ব বিকাশ সকলোবোৰ দিশতে মঙলদৈ মহাবিদ্যালয়ৰ অনুপ্ৰেৰণা পাইছিলো। শাৰীৰিক, বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক সামগ্ৰিক পৰিৱেশ দিয়াৰ বাবে মঙলদৈ মহাবিদ্যালয়লৈ সদায়েই কৃতজ্ঞ হৈ থাকিম।

মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনত শিক্ষাৰ্থীৰূপে অংশগ্ৰহণ কৰিবলৈ পোৱাটো মোৰ বাবে এক সোণোৱালী ক্ষণ। এন.চি.চি. কেডেট হিচাপে বিশাল শোভাযাত্ৰাৰ সন্মুখত থাকি অতি আনন্দ অনুভৱ হৈছিল। বৃহৎ অনুষ্ঠানটিৰ দিনকেইটাত স্বেচ্ছাসেৱক হিচাপে দেহে-কেহে কাম কৰিছিলোঁ। বহু গুণী-জ্ঞানী ব্যক্তিৰ ভাষণ শুনিবলৈ পাইছিলোঁ। দৰং জিলাৰ সমাজ জীৱনত এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ গৌৰৱময় ভূমিকাৰ কথাবোৰ জানিবলৈ পাই ৰোমাঞ্চিত হৈছিলোঁ। আমাৰ ক্ষুদ্ৰ জ্ঞান-সামৰ্থৰে দেশ-সমাজৰ কিবা ভাল কাম কৰিবলৈ অনুপ্ৰাণিত হৈছিলো। হয়তো সেয়াই সমাজৰ হকে কাম কৰাৰ দিশত আমাৰ কুমলীয়া মনত ৰোপিত এক অংকুৰ।

সময়ৰ সোঁতত মঙলদৈ চহৰৰ বাহিৰত কৰ্মব্যস্ততাত নিয়োজিত হৈছো। গৃহভূমিৰ আকুলতাই হাত বাউলি মাতে। হয়তো আগৰ দৰে মঙলদৈ মহাবিদ্যালয়ৰ শান্ত-সমাহিত পৰিৱেশত ক্ষন্তেকৰ বাবে ৰৈ যাওঁ বুলিও যাব নোৱাৰো। মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ চিনাকি মুখবোৰ, উদ্ভিদ বিজ্ঞান বিভাগৰ খেতিডৰাত মেজৰ মেট দেৱাশ্ৰী, নৱল কিশোৰ, উদ্ধৱৰ সৈতে কৰা বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাবোৰ, বন্ধুত্বৰ নিভাঁজ সৰলতাবোৰ, লাইব্ৰেৰীৰ কিতাপবোৰ, কেন্টিনৰ ধেমালিবোৰ, এন.চি.চি. পেৰেডৰ শাসনবোৰ, এইবোৰ যেন স্মৃতিৰ এখিলা এখিলা ৰঙীন পাত। মনত ডোলা দি যায়, মুখত হাঁহি বিৰিঙায়। শত যোজন দূৰৈত থাকিলেও মঙলদৈ মহাবিদ্যালয়ৰ পবিত্ৰ ভূমিত লাভ কৰা সেই সোণসেৰীয়া অভিজ্ঞতা আৰু সমলবোৰে আমাক সদায় উদ্বুদ্ধ কৰিব। আশা কৰোঁ মহাবিদ্যালয়ৰ প্ৰতিটো প্ৰজন্মৰ শিক্ষাৰ্থীয়ে মহাবিদ্যালয়খনিৰ গৌৰৱ ধ্বজা বহন কৰি গৈ থাকিব, জ্ঞান লাভৰ লগতে দেশ-সমাজৰ হকে দায়ৱদ্ধতাৰে আগবাঢ়ি যাব।

মোৰ জীৱনৰ এক সোণালী অধ্যায় ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়লৈ মোৰ শত শত প্ৰণিপাত জনাইছোঁ, জয়তু মঙলদৈ মহাবিদ্যালয়। ■■

# সংগীত ৰাগিনী

**নাজিমা বেগম**
দৰ্শন বিভাগ, ষষ্ঠ ষান্মাসিক

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ মধুৰ প্ৰাকৃতিক পৰিৱেশেৰে সমৃদ্ধ অসম এখন মনোৰম ঠাই; য'ত বহাগ, বৰষুণ, গছ-গছনি আজি সকলোতে সোমাই আছে সংগীত।

অসমৰ সংগীত সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে পোনতে নাম ল'ব লাগিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ কথা। এই দুগৰাকী মহাপুৰুষে অসংখ্য বৰগীত আৰু নাটক ৰচনা কৰি অসমীয়া সংগীতৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমৰ সংগীত প্ৰধানতঃ দুই ভাগত বিভক্ত। এভাগ অসমৰ লোক সংগীত আৰু আনটো ভাগ হ'ল ৰাগ সংগীত। এহাতে লোকগীতৰ ধাৰাই যেনেকৈ ভাৰতীয় ৰাগ-সংগীতলৈ প্ৰচুৰ সমল আগবঢ়াইছে তেনেকৈ ৰাগ সংগীতৰ আধাৰ সৃষ্টি হৈছে বিভিন্ন অসমীয়া ভক্তিমূলক গীত, কীৰ্তন আদিত। অসমৰ প্ৰধান গীতসমূহ হৈছে—ভটিমা, বৰগীত, বনগীত, বিয়ানাম, দিহানাম, জ্যোতি সংগীত, বিষ্ণু ৰাভাৰ গীত, পাৰ্বতী প্ৰসাদৰ গীত, ভূপেন্দ্ৰ সংগীত, বিভিন্ন জাতি-উপজাতিসকলৰ পৰম্পৰাগত গীত আদি।

নৈৰ পানী সিঁচি শেষ কৰিব নোৱাৰাৰ দৰে সংগীতৰ পৰিসীমা অনন্ত, সংগীতৰ সাতোটা স্বৰত সোমাই আছে এই বিশালতা। কঠোৰ সাধনাৰ বলতেই এই বিশালতা উপলব্ধি কৰিব পাৰি। পৰমাত্মাৰ লগত আত্ম সংযোগ কৰিব পাৰি। নিজৰ মত ব্যক্ত কৰাৰ সহজ উপায়ো হ'ল সংগীত।

তলৰ কথাখিনিৰে সংগীতৰ তাৎপৰ্য কিমান সেয়া সহজে অনুমেয় —

সপ্তসুৰৰ ইন্দ্ৰজালেৰে
ক'ব পাৰি বহু কাহিনী,
কি যে মধুময়, কি যে মায়াময়
অনুপম ৰাগ-ৰাগিনী
গীতং বাদ্যং তথা নৃত্যং
ক্ৰমঃ সংগীত মুচ্যতে। ■■






# দৰং জিলা প্ৰশাসনৰ হৈ 'ভূমিৰত্ন সন্মান' লাভ কৰা দৰঙৰ আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে দেৱৰ সৈতে এটি সাক্ষাৎকাৰ

১। ছাৰ, ভূমিৰত্ন সন্মান লাভ কৰা ভাৰতবৰ্ষৰ মুঠ ৯খন ৰাজ্যৰ ৬৮খন জিলাৰ ভিতৰত দৰং জিলাও এখন। এই দিশত আপোনাৰ দৃষ্টিভংগী বা অভিজ্ঞতা কি ?

মুনীন্দ্ৰ নাথ ঙাটে ঃ এইবাৰ ভাৰত চৰকাৰে পোন প্ৰথমবাৰৰ বাবে 'ভূমিৰত্ন প্লেটিনাম পত্ৰ' প্ৰদান কৰিছে। যোৱা ১৮ জুলাই, ২০২৩ তাৰিখে নতুন দিল্লীৰ বিজ্ঞান ভৱনত মহামহিম ৰাষ্ট্ৰপতিৰ পৰা আমি এই বঁটাটি গ্ৰহণ কৰিছোঁ। একমাত্ৰ দৰং জিলাতে ই নহয়, ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ প্ৰত্যেকখন জিলাত এই মূল্যায়নৰ সমীক্ষা কৰা হৈছিল। মুঠ ৬টা বিশেষ দিশৰ ভিতৰত তথ্য প্ৰযুক্তিৰ মাধ্যমেৰে ভূমি সংৰক্ষণ তথা তথ্য সংৰক্ষণৰ দিশটোক গুৰুত্ব প্ৰদান কৰা হৈছিল। এতিয়া আমাৰ বাবে ভূমি তথ্য সংৰক্ষণৰ সমান্তৰালকৈ ভূ-নক্সাসমূহো আগতে হাতেৰে অংকিত নক্সাতকৈ তুলনামূলকভাৱে সহজলভ্য হৈ পৰিছে। ইন্টাৰনেটৰ জৰিয়তে এই তথ্যসমূহ সুলভ হৈ পৰাত এতিয়া ভূমি বিষয়ক বিভিন্ন সমস্যা, মাটি ক্ৰয় বা বিক্ৰী কৰা আদি কামসমূহ সুকলমে পৰিচালিত হৈছে। ইয়াৰ সমান্তৰালকৈ আমি 'ভূমি সংৰক্ষণ কক্ষ'ৰ ব্যৱস্থা কৰিছোঁ, যাৰ দ্বাৰা তথ্যসমূহ জমা কৰাটো সহজলভ্য হৈছে যিটো দিশক মূল্যায়নৰ আওতালৈ অনা হৈছিল।

২। ছাৰ, Digital India Land Records Modernisation Programme (DILRMP)ৰ অধীনত তথ্যৰ আধুনিকীকৰণৰ দিশত আপোনাৰ অভিজ্ঞতা কি?

মুনীন্দ্ৰ নাথ ঙাটে ঃ যেতিয়া ২০১৪ চনত ধৰিত্ৰী প'ৰ্টেলৰ কামসমূহ আৰম্ভ হৈছিল তেতিয়া মই সোণাপুৰত চক্ৰ বিষয়া হিচাপে কৰ্মৰত আছিলোঁ। পোন প্ৰথমে কম্পিউটাৰৰ জৰিয়তে তথ্যসমূহ সংৰক্ষিত কৰাটো সম্ভৱপৰ বুলি ভৱা নাছিলোঁ। এতিয়া পৰ্যায়ক্ৰমে আমি এনেকুৱা এটা অৱস্থাত উপনীত হ'লো য'ত গোটেই কৰ ব্যৱস্থাটোৱে আধুনিকীকৰণ হ'ল। এতিয়া যদি কোনো এজন মানুহে আমেৰিকাত থাকিও 'ধৰিত্ৰী জমা বন্দী' বুলি ইন্টাৰনেটত বিচাৰে তেওঁ নিজা তথ্যৰ ভিত্তিত জমা বন্দী সহিতে আন ভিন্ন তথ্য সহজভাৱে লাভ কৰিব পাৰিব।

৩। এই দিশত আপোনাৰ প্ৰত্যাহ্বান কি?

মুনীন্দ্ৰ নাথ ঙাটে ঃ এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলোঁ। এই ব্যৱস্থাটো নেচনেল ইনফৰমেটিকছ চেন্টাৰ চমুকৈ এন.আই.চি.ৰ জৰিয়তে পৰিচালিত হয়। বিভিন্ন ভুল-




**সাক্ষাৎ গ্ৰহণকাৰী ঃ বাওঁফালৰ পৰা ক্ৰমে চিৰঞ্জীৱ ডেকা, গৌতম ডেকা , প্ৰবীণ মণ্ডল আৰু পল্লৱ কুমাৰ শৰ্মা**

ত্ৰুটিৰ মাজেৰে অতিক্ৰম কৰি আজি আমি এই অৱস্থাত উপনীত হৈছো ।

৪। ছাৰ, আগন্তুক দিনত জিলাখনৰ উন্নয়নৰ বাবে কিবা বিশেষ পদক্ষেপ বা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

মুনীন্দ্ৰ নাথ ঙাটে ঃ এতিয়া সমষ্টি পুন-নিৰ্দ্ধাৰণৰ জৰিয়তে জিলাসমূহ উপ-জিলালৈ ভাগ হ'ব। প্ৰত্যেকখন উপ-জিলাতে একোজনকৈ অতিৰিক্ত উপায়ুক্ত থাকিব। বৰ্তমানৰ মঙলদৈ সমষ্টি জিলা আয়ুক্তৰ অধীনস্থ হৈয়ে থাকিব। এতিয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সলনি সমষ্টিৰ মানুহে নিজা সমষ্টিতে ই সকলোবোৰ প্ৰমাণ পত্ৰ লাভ কৰিব।

৫। ছাৰ, বৰ্তমান প্ৰেক্ষাপটত আৰ্থ-সামাজিক ক্ষেত্ৰখনত দৰং জিলা প্ৰশাসনৰ ভূমিকা সম্পৰ্কে কি ক'ব?

মুনীন্দ্ৰ নাথ ঙাটে ঃ আমা ৰ দৰং জিলাখন এতিয়া আকাংক্ষিত জিলাৰ স্তৰত অন্তৰ্ভুক্ত। কৃষিৰ ক্ষেত্ৰত দৰং জিলা এখন উন্নত জিলা। বিভিন্ন ধৰণৰ শাক-পাচলি সৰিয়হ আদি কৃষিজাত, সামগ্ৰী বাংলাদেশ, লণ্ডন আদিৰ দৰে দেশৰ লগতে ভিন্ন প্ৰান্তলৈ ৰপ্তানি কৰা হয়। এতিয়াৰ পৰা আমি ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছোঁ। মৎস্য উৎপাদনৰ ক্ষেত্ৰতো দৰং এখন আগবঢ়া জিলা। বয়ন শিল্পৰ ক্ষেত্ৰতো দৰং জিলাৰ এক সুকীয়া স্থান আছে। এই দিশত বিশেষভাৱে বৰঙণি আগবঢ়াইছে আত্ম সহায়ক গোটসমূহে। কৃষিৰ ক্ষেত্ৰত চাবলৈ গ'লে আগৰ মধ্যভোগীৰ পৰিৱৰ্তে এতিয়া এজন কৃষকে উচিত মূল্যত নিজৰ শস্য বিক্ৰী কৰিবলৈ সক্ষম হৈছে। ■■



# এশৰীয়া গল্প

**চিত্র ৰঞ্জন নাথ**
অধ্যাপক, অসমীয়া বিভাগ

**দৰমহা ঃ**

ভাল চাকৰি এটা পালেই বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানত বেছিকৈ দান-বৰঙণি দিম বুলি কৈ থকা কনপিতৌৰ প্রফেচাৰ চাকৰি পোৱাৰ পাঁচ বছৰ পিছতো দৰমহা নাই হোৱা বুলিয়েই মানুহে গম পাই থাকিল।

**শিষ্টাচাৰ ঃ**

ছাত্র-ছাত্রীক প্রতিটো শ্রেণীতে শিষ্টাচাৰৰ কথা কোৱা, নতুনকৈ মাষ্টৰ চাকৰিত যোগদান কৰা ভদেইয়ে বয়োজ্যেষ্ঠ শিক্ষক তথা নিজৰ এসময়ৰ গুৰু মহানন্দ মাষ্টৰক থিয় হৈ থকা দেখিও চকীখন এৰি নিদি ভৰি নচুৱাই বহি থাকিল।

**পৰিসৰ ঃ**

ৰংমনে গেলামালৰ দোকানখনৰ পৰা চৰচৰীয়াকৈ মাছ ভাজিবৰ বাবে এশ ত্রিশ টকীয়া অনুপম এক লিটাৰ আৰু ভগৱানৰ চাকি জ্বলাবলৈ আশী টকীয়া মিঠাতেল এক লিটাৰৰ বটল এটা লৈ ঘৰলৈ ৰাওঁনা হ'ল।

**ৰোগ ঃ**

সদায় নতুন নতুন ছোৱালীৰ প্রেমত পৰা কনপিতৌৱে এই সমস্যাৰ পৰা মুক্তি পোৱাৰ বাবে নতুন ছোৱালী এজনী আনি ঘৰ সুমুওৱাৰ পিছত শহুৰেকৰ ঘৰলৈ যাওঁতে সম্পৰ্কীয় ছোৱালী এজনীক দেখি মাতি আনি নামটো সুধিলে।

**বিশ্বাস ঃ**

বিজ্ঞান আৰু প্রযুক্তিৰ কথা কোৱা কনপিতৌৱে নিৰ্বাচনী ফলাফল ঘোষণা কৰিবৰ দিনা পুৱাতে ডাঙৰ ডাঙৰ মঠ আৰু দেৱালয় কেইখনমানত ক'লা পঠা ছাগলী বলি দি বিজয় কামনা কৰিলে।

**প্রতিযোগিতা ঃ**

গুৱাহাটীত কোম্পানীৰ চাকৰি কৰি পোৱা টকা কেইটাৰে কনপিতৌৱে মাক-দেউতাকলৈ সৰুকৈ ঘৰ এটা সাজিবলৈ ইটা-শিল-বালি পেলোৱা দেখি ওচৰৰ বীৰেণ মহাজনেও বন্ধন বেঙ্কৰ পৰা ঋণ লৈ ইটা-শিল গাড়ীয়ে গাড়ীয়ে পেলাবলৈ ল'লে। ■■



# অন লাইন ক্লাছত শৰ্মা ছাৰ

**ড° মুকুট শৰ্মা**
অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ

শৰ্মা ছাৰ আজি ভীষণ ব্যস্ত। ঘৰুৱা কাম-কাজখিনি কৰি এমাহমানৰ কাৰণে বজাৰ-সমাৰ কৰি আনিব লাগে। ক'ৰোনা মহামাৰীৰ দ্বিতীয় ঢৌৰ কাৰণে আকৌ ল'ক ডাউন হওঁ হওঁ অৱস্থা। শ্ৰীমতীৰ তাগিদাত বজাৰৰ পৰা এবস্তা আলু, দহ কেজি পিয়াজ আদি কৰি অন্যান্য বয়-বস্তু আনি গা-ধুবলৈ গ'ল। লগে লগে ঘৰত এখন হুলস্থূল। সৰু ল'ৰা-ছোৱালীকেইটাৰ বজাৰৰ মোনাকেইটা দেখি আনন্দত সীমা নাই। এইয়া বিস্কুট, চাওমিন, চিপ্‌চ, চকলেটৰ পৰা আৰম্ভ কৰি বিভিন্ন খোৱা বস্তু। শৰ্মাই গা ধুই শ্ৰীমতীৰ হাতৰ পৰা চাহকাপ লৈ একে উশাহতে চাহ কাপ খাই ল'লে — হেৰা, মোৰ অন লাইন ক্লাছ আছে দেই বুলি কৈ নিৰ্দিষ্ট কোঠাটোত সোমাল। লেপটপ অন কৰি মোবাইল কানেকচন দি হেড ফোনটো কাণত লৈ ক্লাছ আৰম্ভ কৰিলে। প্ৰথম ক্লাছ, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা। এনেতে— অ' ছাৰ, অ' ছাৰ বুলি এজনে বাহিৰত খুব চিঞৰিবলৈ ধৰিলে। ইফালে দুৱাৰ-খিৰিকি ভিতৰৰ পৰা বন্ধ আছিল কাৰণে ল'ৰা-ছোৱালী কেইটাই দৰ্জাত ধকিয়াই আছে— 'দেউতা লম্বো আহিছে, পানী উঠা নাই, মায়ে মাতিছে।' কি কৰো কি নকৰো এনেকুৱা এটা অৱস্থা হ'ল। দেখিলে সৰু ল'ৰাটোৱে খিৰিকিৰ গ্ৰীলত উঠি পাছফালৰ পৰা চাই আছে। লেপটপৰ মণিটৰত তাৰ ছবিটো দেখি ক্লাছৰ ল'ৰা-ছোৱালী জাকে ফিচিঙা-ফিচিঙি কৰিবলৈ ধৰিলে। এনেকৈয়ে পাঠ্যক্ৰমৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ লগত বিশ মিনিটমান কথা পাতি আৰম্ভণিৰ ক্লাছটো সিমানতে সামৰি শৰ্মা দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল। তাৰ পাছত লম্বোৰ লগত যাৱতীয় কাম-কাজত হাত দিলে।

কাম-কাজ শেষ কৰি দুপৰীয়া কেইটামান খাই বাতৰি কাকতখন লৈ বিছনাত পৰি আছে। ক'ৰোনাৰ বাতৰিৰে সমস্ত কাকতখন ভৰ্তি হৈ আছে। এনেতে শ্ৰীমতীয়ে ওচৰত আহি মাত দিলে—হেৰি, আপুনি আৰু এইবোৰ অন লাইন-অফ লাইন বাদ দিয়ক বুজিছে। কলেজত যি পঢ়ালে সেয়ে হ'ব। ল'ৰা-ছোৱালীকেইটাৰ স্কুলৰ পৰা ক্লাছ কৰি আছে, সেয়ে লেপটপ আৰু মোবাইলটো সিহঁতক লাগে। আপুনি আৰু দুৱাৰ-ঘৰ মাৰি পণ্ডিতালি কৰিব নালাগে, বুজিছে। শৰ্মাৰ টিঙিচ্কৈ খংটো উঠি গ'ল—কি কোৱাহে, আজিৰ দিনতো অন লাইন ক্লাছৰ অৰ্থ নুবুজা? আজি গোটেই পৃথিৱীখন অন লাইনত চলি আছে। হেৰা শুনা, মোৰ ক্লাছত ভাল নাম আছে দেই। সদায় বিশ-ত্ৰিছটাকৈ ছাত্ৰ উপস্থিত থাকে— হে থওকহে এইবোৰ, বছৰ বছৰ ধৰি সেই সোপাকেই শুনি আছো। বিয়াৰ পিছৰ পৰাই যে শুনি আছো অফ কেম্পাচৰ সেই ডিগ্ৰীডাল কি হ'ল, ক'তো একো কৰিবও নোৱাৰিলা, অফিচৰ পৰা ইক্ৰিমেণ্টৰ অৰ্ডাৰটোকো উলিয়াব নোৱাৰিলা। গুৱাহাটীত গৈ গৈ দান-দক্ষিণা দি দেহটো জৰুলা কৰাত বাদে আৰু কি পাইছা। থ' থ' মোক নুশুনাবা।

শৰ্মাই লাহেকৈ ক'লে—অ' তুমি সেই পি এইছ ডিটোৰ কথা কৈছা নেকি? সেইটো আৰু বৰ্তমানৰ ব্যৱস্থাটো অলপ বেলেগ বুজিছা। তুমি বস্তুটো ভালকৈ নজনাকৈয়ে একেবাৰে ৰণচণ্ডী মূৰ্তি ধৰি মোৰ লগত লাগিব আহা। নক'বহে, একেলগে যোৱা বাকী কেইজনৰ হ'ল আৰু দুজনমানেতো কলেজৰ প্ৰিন্সিপালো হ'ল। আপোনাৰটোহে একেবাৰে বেলেগ। ৰ'বাহে, ভেকাহি মাৰি শৰ্মাই ক'লে—তুমি কি যিকোনো কথা বকি থাকাহে—বুজিব চেষ্টা নকৰা। অ' হয় নেকি? ভালকৈ বুজাই কওঁকচোন।

অ' কথাটো তেনেকুৱা নহয়, দৰাচলতে আমাৰ যিটো ডিগ্ৰী আছিল সেয়া হেনো অফ কেম্পাচ (অৱশ্যে আমি তাত থাকি কৰ্চ ৱৰ্ক কৰি, ভাইভা আদি দি) কাম ফেৰা কৰিছিলো। ই কেনেধৰণৰ অফ কেম্পাচ সেয়া বুজা নাযায়। আমাৰ ইয়াৰ পৰা বহুতো গৈ সেই ডিগ্ৰী ল'লে আৰু চাকৰি নিয়মীয়াকৰণো হ'ল। কিন্তু মোৰহে ভাগ্য নুফুলিল বুজিছা। সেয়ে এতিয়াও (আজি দহ বছৰে) মই কৰ্তৃপক্ষক বহুতো বুজাইছো বা নথি-পত্ৰ দাখিলো কৰিছো যে মোৰ ডিগ্ৰীটো সেইসকলৰ দৰেই একেই, তথাপিতো আশ্বস্ত কৰিব পৰা নাই। এতিয়া দেখিলানে, এই মহামাৰীয়ে কিদৰে এই ব্যৱস্থাবোৰৰ আমূল পৰিৱৰ্তন কৰিছে। এতিয়া শুনিছো ছাত্ৰ-ছাত্ৰী পৰীক্ষাটো অপেন বুক ব্যৱস্থাৰ জৰিয়তেই হ'ব—য'ত ঘৰত বহিয়েই ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত লেখিব পাৰিব। ইয়াৰ আগতেও এই মুলুকতেই সেই ব্যৱস্থাটো আছিল বুজিছা। অৱশ্যে তেতিয়া ঘৰত বহাৰ সলনি মহাবিদ্যালয়তেই কিতাপ মেলি লেখিব পৰা হৈছিল। সেইয়ে আমাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন হৈছিল, তেতিয়া আমাৰ অগ্ৰজ বহুতেই ইয়াৰ সুবিধা লৈয়েই বিভিন্ন ডিগ্ৰী লৈ বিয়াগোম পণ্ডিতৰ পৰা ৰাজনৈতিক নেতা হোৱাৰ সুবিধা পাইছিল।

এনেতে শ্ৰীমতীয়ে মাত দিলে—সেই ব্যৱস্থাটোৰ নামটো কি আছিল বাৰু? এহ্ মই নাজানোহে সেইবোৰ। তথাপিতো ধাৰণা কৰিছো ইন্ এণ্ড আউট কেম্পাচ-মানে পৰীক্ষা শ্ৰেণীকোঠাতেই হয়, কিন্তু বাহিৰৰ পৰা লাগতীয়াল তথ্য শিলগুটি, দলি চপৰা আদিৰ দ্বাৰা প্ৰৱেশ ঘটে। তেনেকুৱাই কিবা এটা হ'ব আৰু। এই ব্যৱস্থাটো অৱশ্যে অলপ বিপদজনকো আছিল বুলি শুনিছো। কাৰণ তেতিয়া কেইবাজনো এক্সটাৰনেলৰ মূৰ ফালি গৈছিল আৰু বহুকেইজন অপদস্থও হৈছিল। তেওঁলোকৰ হেনো এটা ক্ষমাৰ অযোগ্য দোষ আছিল। তেওঁলোকে নতুন পৰীক্ষা পদ্ধতিটো যে দেশ ৰক্ষাৰ এটা অংগ মানি ল'ব পৰা নাছিল। এ হয় নেকি— মই আকৌ ...., হে মনে মনে থাকাহে, অলপ পঢ়া-শুনা কৰিবাচোন। আমাৰ সোণৰ অসমৰ বহু ইতিহাস আছে, পিছত ক'ম দিয়া।

বাৰু হ'ব দিয়ক, চাহ কাপ খাই লওঁক। বেয়া লাগেহে, আপোনাৰহে ইনক্ৰিমেণ্টটো নহ'ল।

শৰ্মা ছাৰে চাহ কাপ খাই কিছু সতেজ অনুভৱ কৰিলে।

তেওঁ আকৌ আৰম্ভ কৰিলে— ইনক্ৰিমেণ্টটো নোহোৱা বাবে তোমাৰ দুখ, মই জানো।

হেৰা, এয়া সময় বুজিছা। এতিয়া চোৱা, আমাক যে হাঁহিছিল, সেই দত্তহঁতে সদায় কথাই প্ৰতি ফিতাহি মাৰি তেওঁলোকৰ ল'ৰা-ছোৱালীকেইটাৰ কথা কয়। ল'ৰাজন আমেৰিকাত আৰু ছোৱালীজনী দিল্লীত কিবা পঢ়ি আছে বুলি, গপতে গঙাটোপ হৈ নুফুৰে জানো? এতিয়া এবছৰেই হ'ল দেখোন, এটাও ঘৰৰ পৰা ওলাব পৰা নাই। এই মহামাৰীয়ে ভৱিষ্যত সম্পৰ্কে আমাক আৰু কিছু শিকাব। সেয়ে সম্পূৰ্ণ সততাৰে লোৱা কোনো ডিগ্ৰীক ভুৱা বুলি ইনক্ৰিমেণ্ট নিদিয়া কথাটো মানি ল'ব নোৱাৰি। সময়ে সঁচা কথা ক'ব। ■■



# আধৰুৱা সপোন

**ৰুমি ডেকা**
অসমীয়া বিভাগ, স্নাতকোত্তৰ প্ৰথম ষান্মাসিক

বিচনাৰ কাষতে থোৱা মাটি কলহটোৰ পৰা পানী এগিলাচ খাই হৰকান্তই দুৱাৰ দাংডাল লাহেকৈ আঁতৰাই গোহালিৰ পৰা গাইজনী উলিয়াই গাখীৰকণ খীৱাই পথাৰলৈ বুলি গাইজনী লৈ যোৱাৰ আগত ঘৈণীয়েক পদুমীক কৈ গ'ল —

'পোনাকণৰ মাক অ', টোপনি ভাঙিল যদি উঠ। মই গাইজনী লৈ পথাৰলৈ যাওঁ। তই ভাতকেইটা বনাই থবি। তাৰ পৰা আহি ৰমেন কাইৰ ঘৰত কাম কৰিব যাম, যোৱাকালি সন্ধিয়াই কৈ থৈ গৈছে নহয়।

মানুহজনৰ মাতত পদুমী সাৰ পাই লৰালৰিকৈ উঠি আহি বাহি বনখিনি কৰি পুখুৰীত গাটো তিয়াই লৈ পাকঘৰত সোমাল। পাকঘৰত সোমাই জুইশালৰ জুইকুৰা ধৰো বুলি পোণাকনৰ যোৱাবাৰৰ প্ৰথম শ্ৰেণীৰ মাতৃভাষাৰ বহীখনৰ পাত এখিলা ফালি দিয়াচলাই বাকচটোৰ পৰা কাঠি এটা উলিয়াই জ্বলাই ল'লে, লগতে ওচৰতে থকা কেৰাচিন তেলৰ চাকিটোও জ্বলাই ল'লে। দিয়াচলাই বাকচটোত আৰু মাত্ৰ দুটা কাঠিহে আছে। জুইকুৰা নুমালে সেইকেইটা খৰচ হোৱাতকৈ চাকিটো অলপ পৰ জ্বলাই থোৱাই ভাল হ'ব। মানুহজনক আজি কাম কৰি আহোতে দিয়াচলাই বাকচ দুটা আনিবলৈ ক'ব লাগিব।

জুইকুৰা জ্বলাই তাই চাহৰ চচ্‌পেনটো বহাই লালচাহ অলপ কৰি ডিঙিটো তিয়াই ল'লে। গিৰীয়েকে খীৱাই থৈ যোৱা গাখীৰখিনি চেকি তাই বটলটোত ভৰাই থ'লে। অলপ পিছত গৈ ওচৰৰে জয়ৰাম বাবুৰ ঘৰত দি আহিব লাগিব। গাখীৰ বেছি পোৱা পইচাখিনিৰ পোণাকনৰ বহী-কলমখিনি কিনাত কিছু সকাহ পায়।

ভাত বনাব গৈ দেখে চৰকাৰৰ পৰা পোৱা চাউলকেইটাৰ বাহিৰে একোৱেই নাই। পুখুৰীত চাউল ধুব

গৈ পুখুৰীৰ পাৰৰ পৰা কণবিলাহী কেইটামান চিঙি আনিলে। চাউলকেইটা চচ্‌টোত বহাই দি ঢেঁকীয়াখিনি কাটি থাকোতে তাই মনতে ভাবিলে কিমান দিন যে ভালকে এসাজ খাব পোৱা নাই। পোণাকণে মাংস খাওঁ খাওঁ কৰি আছে, আজি এওঁক আহোতে সন্ধিয়া তিনিআলিৰ পৰা এপোৱা ব্ৰইলাৰ মাংস আনিবলৈ ক'ব লাগিব।

গাইজনী পথাৰত থৈ ঘূৰি আহি হৰকান্তই খৰি-খেৰ কেইডালমান গোটাই দি ঘৈণীয়েকে বনাই দিয়া গৰম গৰম ভাতকেইটা বিলাহীৰ জোলকণ আৰু ঢেঁকীয়া ভাজিখিনিৰ সৈতে ততাতৈয়াকৈ মুখত গুজি শিতানৰ তলত ভৰাই থোৱা ডাঙৰ দাখন হাতত লৈ কামলৈ বুলি ওলাই গ'ল।

'পোণাকণ তই সাৰ পালিনে? উঠ সোণ, পিতাইয়েৰে গৈ ৰমেন দদায়েৰহঁতৰ ঘৰ পালেগৈ। পোণাকন উঠি মুখখন ধুই কিতাপখন আগত ল'লে। সি পঢ়াত বেয়া নহয়। অৱশ্যে ভাল বেয়ানো এতিয়াই কি চিনিব পাৰি, আন নহ'লেও পুৰা-গধূলি কিতাপখন আগত লোৱাত সি অৱহেলা নকৰে। আখৰ-পাটিকেইটাও খুব পৰিপাটি।

ঢেঁকীয়া ভাজি আৰু বিলাহী জোলকণৰ সৈতে গৰম ভাতকেইটা পোণাকনক খুৱাই স্কুললৈ পঠাই পদুমীয়ে বাৰীৰ পিছফালৰ পৰা খুটুৰা আৰু ঢেঁকীয়া শাক কেইডালমান উঠাই আনি পাঁচ টকাৰ মুঠি মুঠি কৰি বান্ধি থ'লে। আবেলি পোণাকনৰ সৈতে তিনিআলিত গৈ বেচি থৈ আহিব।

এই পদুমীজনী বৰ কাঁজী, গাঁৱৰ কোনো এজনী মহিলাই তাইক ৰূপে-গুণে, কামে-কাজে বলে নোৱাৰে। দুটকা নাটনি হ'লেও হৰকান্তই তাইক মনৰ ধনী কৰি ৰাখিছে। আজিলৈ তাইক কোনোদিনে এষাৰো টানকৈ কৈ পোৱা নাই। সকলোৰে লগত মিলিজুলি থাকিবলৈ তাই জানে। ওচৰৰে দুই এঘৰত ৰোৱা তোলা, ধান-চাউল জৰা, কাপোৰ বাতি কাৰি দিয়া আদি কৰি দিয়া পইচাৰে দাইল-তেল আদি কিনাত হৰকান্তক বহুখিনি সহায় কৰে।

ৰমেন কাইৰ ঘৰত দিনটো কাম কৰি বেলি লহিওৱাৰ পৰত হৰকান্তই কামখিনি সামৰি ঘৰত যাব ওলোৱাৰ সময়ত ৰমেনে তাৰ হাতত তুলি দিয়া তিনিশ টকাটো দেখি দিনটোৰ সমস্ত দুখ-ভাগৰ আঁতৰি তাৰ মুখত হাঁহি বিৰিঙি উঠিল। তিনিশ টকাটোৰে দাইল, তেল, দিয়াচলাই বাকচ দুটা, আলু, পোণাকনৰ বাবে চানাচুৰৰ পেকেট এটা কিনি লৈ ৰাতিপুৱা পদুমীয়ে কোৱা মাংস আনিব দিয়া কথাটো মনত পৰাত ৰাস্তাটো পাৰ হৈ মাংস দোকানত যাব ওলাওতেই মদ খাই নিচাক মগ্ন হৈ গাড়ী চলাই অহা ৰমেন মাষ্টৰৰ পুতেকৰ গাড়ীখনে তাক পিছফালৰ পৰা খুন্দা মাৰি ছিটিকাই পেলালে।

বগা চুৰিয়াখন তেজেৰে লুতুৰি-পুতুৰি হ'ল। তাৰ মূৰটো ঘূৰাবলৈ ধৰিলে, চাৰিওফালে সি অকল ধোঁৱা ধোঁৱা দেখিবলৈ ধৰিলে। হাতত থকা দাইল, তেল, পোণাকনৰ বাবে অনা চানাচুৰৰ পেকেটটো সিঁচৰতি হৈ পৰিল। পদুমী আৰু পোণাকনৰ মুখখন তাৰ চকুৰ আগত ভাঁহিবলৈ ধৰিলে। পদুমীক কোনে ক'ব আজি পোণাকনৰ বাপেকে দিয়াচলাই বাকচটো ঘৰলৈ লৈ যাব নোৱাৰে। পোণাকনে ইচ্ছা কৰি থকা মাংসৰ জোলকণো তাৰ বাপেকে তাক আৰু কোনোদিনে খুৱাব নোৱাৰে। কেনে লাগিব বাৰু পদুমী যেতিয়া অলপ পিছত মোৰ মৰা শ-টো তাইৰ আগত লৈ যাব। পাৰিবনে বাৰু তাই মোৰ অবিহনে পোণাকনক ডাঙৰ কৰিব, পাৰিবনে বাৰু তাই...। ■■

# জীপাল স্মৃতি ৰোমন্থন



**দ্বীপশিখা ডেকা**
অসমীয়া বিভাগ, চতুৰ্থ যান্মাসিক

মাইনা, আইতাকৰ মাত শুনি দীক্ষিতাই দেখিলে যে আইতাকৰ চকুৰেদি ধাৰাসাৰে চকু পানীৰ নিজৰা বৈ আছে। অলপ শান্ত হৈ তাই আইতাকক ক'লে, 'আইতা, তুমি চিন্তা নকৰিবা। মই তাত গৈ ভালদৰে পঢ়া-শুনা কৰি আকৌ তোমালোকৰ কাষলৈ উভতি আহিম।' এনেদৰে কৈ তাই আইতাকক সান্ত্বনা দিলে আৰু ককাকৰ পৰা আশীৰ্বাদ লৈ মাকৰ সৈতে যাত্ৰা আৰম্ভ কৰিলে।

সৰুৰে পৰা মোমায়েকৰ ঘৰত ডাঙৰ-দীঘল হোৱা দীক্ষিতা আইতাক-ককাকৰ হিয়া আমঠু আছিল। ঘৰত সকলোৱে মৰমতে 'মাইনা' বুলি মাতিছিল। মাকৰ কৰ্মস্থান দূৰ হোৱাৰ বাবে বিহু-তিথিয়েই তাই মাকক লগ পাইছিল। কিন্তু দীক্ষিতা লাহে লাহে ডাঙৰ হৈ আহিছে আৰু তাইৰ পঢ়া-শুনাৰ প্ৰতি থকা দায়িত্বও বৃদ্ধি পাইছে। সেইবাবে তাইক মাকৰ কৰ্মস্থানৰ ওচৰৰে এখন বালিকা হাইস্কুলত নামভৰ্তি কৰাইছিল নৱম শ্ৰেণীত। সেই কাৰণে তাই আইতাক-ককাকক এৰি মাকৰ লগতে থাকি নতুন স্কুলখনত পঢ়িবলৈ লৈছিল। নামভৰ্তি কৰিব যোৱাৰ দিনাখন দীক্ষিতাই এজনী ছোৱালীৰ লগত চিনাকি হৈছিল। তাইৰ নামটো আছিল পূজা। পূজাও দীক্ষিতাৰ লগতে একে ক্লাছৰ ছাত্ৰী আছিল বুলি চিনাকি হোৱাত দীক্ষিতাই জানিব পাৰিছিল।

স্কুলৰ প্ৰথমদিনাখন দীক্ষিতা খুব নাৰ্ভাচ আছিল। কাৰণ নতুন ঠাই আৰু স্কুলৰ নতুন পৰিৱেশত তাই নিজকে খাপ খুৱাব পৰা নাছিল। তাই ক্লাছ ৰুম বিচাৰি নোপোৱাত স্কুলৰ আন ছাত্ৰীৰ সহায় লৈ ক্লাছ ৰুম বিচাৰি উলিয়াবলৈ সক্ষম হৈছিল। ক্লাছলৈ যোৱাত দীক্ষিতাক দেখি পূজাই মাত লগাইছিল যদিও পূজাৰ লগৰ মাপ্পী, ৰিয়া, কবিতা, মঞ্জিমা, হিমাক্ষী আৰু সুস্মিতাই মুখখন বিকতাই আছিল। দীক্ষিতাৰ লগৰীয়া হোৱাৰ বাবে পূজাৰ লগৰ কেইজনীয়ে পূজাক আঁতৰাই আনিছিল। ক্লাছত প্ৰত্যেকৰে সৈতে চা-চিনাকি হোৱাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ আগতো দীক্ষিতাই নিজৰ পৰিচয় দাঙি ধৰিছিল। এনেদৰে স্কুলৰ প্ৰথম দিনাখন তাই পাৰ কৰিছিল।

ক্লাছটোত বহুসংখ্যক ছাত্ৰী আছিল যদিও দীক্ষিতাই আৰু আন এজনী ছোৱালীৰ লগত চিনাকি হৈছিল। তাইৰ নামটো আছিল নিজৰা। নিজৰাও দীক্ষিতাৰ দৰে সহজ-সৰল বিধৰ আছিল। সেইদিনাৰ পৰা দুয়োজনীয়ে একেলগে একেখন বেঞ্চতে বহি ক্লাছত মনোযোগ দিয়াৰ লগতে ক্লাছৰ জিৰণি সময়ছোৱাত খোৱা বস্তুও ভগাই লৈ খাইছিল।

সময় বাগৰাৰ লগে লগে দুয়োজনী ভাল বান্ধৱী হৈ পৰিছিল। ক্লাছৰ নোট আদান-প্ৰদান কৰিছিল। দুয়োজনী বান্ধৱীয়ে একেজন শিক্ষকৰ ওচৰত টিউচন লৈছিল। ৰাতিপুৱাৰ ইংৰাজী বিষয়া টিউচন আৰু ভাটিবেলাৰ গণিতৰ টিউচনত একেলগে অহা-যোৱা কৰিচিল। দীক্ষিতাক নিজৰাৰ মাকে খুব মৰম কৰিছিল। লগতে ঘৰত পিঠা-পনা নিজৰাৰ হাতত দীক্ষিতালৈ দি পঠিয়াইছিল। দুয়োজনী বান্ধৱীৰ লগতে দুয়োখন ঘৰৰ সম্পৰ্কও ঘনিষ্ঠ হৈ পৰিচিল। দীক্ষিতা আৰু নিজৰা দশম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছিল আৰু নিজৰাৰ ৰোল নং ৩ হৈছিল। দশম শ্ৰেণীত দীক্ষিতা আৰু নিজৰাই কঠোৰ পৰিশ্ৰম কৰি এটা ভাল ফলাফল লাভ কৰিবলৈ চেষ্টা চলাইছিল। ক্লাছ আৰম্ভ হোৱাৰ সময়ৰ পৰাই দুয়োৰে পঢ়া-শুনাৰ প্ৰতি দায়িত্ব বাঢ়ি গৈছিল। ভাল বান্ধৱী হিচাপে দীক্ষিতা আৰু নিজৰাই কেতিয়াও ইটোৱে সিটোক বেয়া পোৱা নাছিল। পঢ়াৰ সময়ত মনপুতি পঢ়াৰ লগতে বহুতো ধেমেলীয়া কথাৰে কথাৰ ৰস পান কৰিছিল। ৰস মানে কিন্তু ফলৰ ৰস নহয়। এই ৰসটো হৈছে কথাৰ ৰস। যিহেতু অঞ্চল ভেদে লোকভাষাৰ প্ৰয়োগ বেলেগ বেলেগ প্ৰকাৰৰ। দীক্ষিতাই প্ৰথম অৱস্থাত নিজৰাই ধেমেলীয়া কথা ক'লে ৰস পালো বুলি কৈছিল যদিও পিছতহে গম পাইছিল যে কামৰূপীয়া ভাষাত এনেদৰে কোৱা হয়। দীক্ষিতাৰ কথা কোৱাৰ ধৰণ দৰঙীয়া আছিল আৰু দীক্ষিতাই কথা ক'লে নিজৰাই সুৰৰ তাৰতম্য পালেও দুয়োৰে মাজত কেতিয়াও কোনো কথাৰ মত বিভেদ হোৱা নাছিল।

গৰম বন্ধৰ দিনকেইটা ঘৰতে থাকি পঢ়া-শুনা কৰাৰ লগতে কেইদিনমান নিজৰা আৰু দীক্ষিতাই Coaching class কৰিবলৈ যাবলৈ আৰম্ভ কৰিছিল। তাত দীক্ষিতাই বহুতো বেলেগ বেলেগ স্কুলৰ ছাত্ৰ-ছাত্ৰী লগ পাইছিল। ক্লাছত গৈ গণিতৰ পৰা আৰম্ভণি কৰি নানা ধৰণৰ জ্ঞান আহৰণ কৰিবলৈ সামৰ্থ হৈছিল। লাহে লাহে গৰম বন্ধৰ দিনকেইটা এনেদৰে পাৰ হৈ গৈছিল। গৰম বন্ধৰ পিছৰ পৰা ক্লাছ পাতিবোৰ ভালদৰে হ'বলৈ আৰম্ভ কৰিছিল। প্ৰৱেশিকা পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাৰ সময় আহি পৰিছিল। দুমাহ ক্লাছ হোৱাৰ পিছত Pre-final পৰীক্ষা আহি কাষ চাপিছিল। দীক্ষিতা আৰু নিজৰাই পৰীক্ষাৰ বাবে ঘৰতে প্ৰস্তুতি চলাই Pre-final পৰীক্ষা ভালদৰে দিছিল। এই পৰীক্ষাটো যোৱাৰ পিছৰে পৰা দুয়োজনীয়ে ঘৰতে থাকি পঢ়া-পাতি সময়মতে কৰিছিল। প্ৰৱেশিকা পৰীক্ষা কাষ চাপিছিল। সেই কাৰণে পঢ়া-শুনাত মনোযোগ দিছিল। প্ৰৱেশিকা পৰীক্ষা দিয়াৰ আগৰে পৰা শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰীসকলে ঘৰত ভালদৰে পঢ়া-শুনা কৰিছেনে নাই তাৰ খবৰ ফোনৰ যোগেদি লৈছিল। গতিকে দীক্ষিতা আৰু নিজৰাই ভালদৰে পঢ়া-শুনা কৰি পৰীক্ষাৰ প্ৰস্তুতি চলাইছিল। প্ৰৱেশিকা পৰীক্ষা শেষ হোৱাৰ পিছত দীক্ষিতা নিজৰ ঘৰলৈ উভতি আহিছিল আৰু নিজৰাও নিজৰ ঠাইতে থাকি পৰৱৰ্তী পৰ্যায়ৰ শিক্ষা লাভৰ বাবে অন্য এখন কলেজত নামভৰ্তি কৰিলে। ■■

# অপ্ৰত্যাশিত

**মাম্পী চক্ৰৱৰ্তী**
অসমীয়া বিভাগ, দ্বিতীয় ষান্মাসিক



গাৰুটোৰ পৰা অলপ মূৰটো দাঙি বাসন্তীয়ে কাণ দিলে, হয় দ' ভূইৰ দলঙৰ ওপৰেৰে সেয়া গাড়ী পাৰ হৈ যোৱাৰ শব্দ। তাই অনুমানতে গণিবলৈ চেষ্টা কৰিলে এখন, দুখন, তিনিখন ...

মানুহটো বাহিৰত থাকিলে বাসন্তীয়ে সদায় এনেদৰে পৰুৱাই পোৱা মানুহৰ দৰে চট্‌ফটাই থাকিব লাগে। বহু চেষ্টা কৰিও তাই ৰাতি শুব নোৱাৰে। ক'ৰবাত যেন কিবা এটা হৈ যাব তেনেকুৱা এটা। আশংকাই সেই কেইদিন তাইক খুন্দিয়াই থাকে। নৈমত্তিক কাম-বনৰ মাজতে মানুহটোলৈ মনত পেলাই এপৰমান বিছনাত বাগৰি থকাটো সেইকেইদিনত তাইৰ অভ্যাসেই হয়। আচলতে ঘৰত নাথাকিলেহে মানুহটোৰ প্ৰতি বেছি মৰম জাগি তাই বলিয়াৰ দৰে হয়। ক'ব নোৱাৰাকৈয়ে সেই নীৰস উদাসীন দিনকেইটাত বাসন্তীৰ গোপালৰ প্ৰতি খিয়ালটো বাঢ়ি যায়। মানুহটোৰ অবিহনে সিয়ে তাইৰ আশ-ভৰষাৰ থল। একমাত্ৰ সাৰথি।

কিন্তু যেতিয়া নিৰ্দিষ্ট দিনৰ মূৰত তাইৰ সকলো আশংকাৰ অন্ত পেলাই বুঢ়া চাইকেলখনত যজমানিৰ এসোপা টোপোলা লৈ আহি মানুহটোৱে তাইৰ ফালে চাই হাঁহি এটি মাৰে, আনন্দত তাইৰ কান্দি দিবৰ মন যায়। তাইৰ অসংযত আশংকা ভাৱনাৰ বাবে নিজৰ ওপৰতে ধিক্কাৰ জন্মে।

বিয়াৰ পিছত মানুহজনে তাইক অকলে এৰি সকাম-নিকাম কৰিবলৈ যোৱা নাছিল। গ'লেও দিনতে উভতি আহিব পৰা সকামলৈহে গৈছিল। কিন্তু গোপাল পাঁচ বছৰীয়া হোৱা দিনৰে পৰা মানুহজনে তাইক অকলে এৰি যাবলৈ সাহ কৰা হ'ল। নগ'লেও পেটত গাঁঠি দিব লগাহে হ'ব। বিয়া পাতি দিয়েই চাকৰিয়াল ককায়েকহঁতে বেলেগ কৰি দিলে। পিছলৈ খুওৱা-পিন্ধোৱাৰ ভয়ত। সম্পত্তি বুলিবলৈ মাটি-বাৰী আছিল, তাকো ডাঙৰ কেইজনৰ চাকৰি যোগাৰ কৰোতে বিক্ৰী হৈ গ'ল। থাকিলেও যিকণ ভাগত পালে, তাৰো কিটোনো হ'লহেঁতেন? নিজেতো হাল-কোৰ বাব নোৱাৰেই। ধৰ্মৰ বাধা। আধি দিওঁতে কেৰেলাতকৈ গুটিহে দীঘল হ'লহেঁতেন। স্কুললৈ নগৈ বাপেকৰ লগত যজমানত ঘূৰি ঘূৰি যিখিনি আৰ্জিলে তাৰেই সৎ ব্যৱহাৰ কৰি জীৱ দুটা এতিয়া চলাই আছে।

বাসন্তীয়ে পুনৰ উমান ল'বলৈ মূৰটো দাঙিলে। নাই, কোনো সাৰ শব্দ নাই। আৰ্মিৰ গাড়ীবোৰ যোৱাও চাগে বন্ধ হ'ল। জপনাখন খোলাৰ শব্দ শুনে নেকি, তাই কিছুপৰ কাণ পাতি ৰ'ল। নাই, কেৱল গভীৰ নিস্তব্ধতা।

তাই গোপাললৈ চালে। সি লালকাল দি শুই আছে। তাৰ দেহাটো খাবলৈ নাপালেও ভাল লগা হৈ উঠিছে। গাঁৱৰ তিৰোতাবোৰে যে কেনেকৈ কয়, যেন সি ক'ৰবাত অমৃতহে খাবলৈ পাইছে। কেনেদৰে বোলে আঠিয়া কলটোৰ দৰে বাঢ়ি গৈ আছে। সিহঁতৰ চকুত পৰি তাৰ কিবা এটা হয় বুলি বাসন্তীৰ বৰ ভয় লাগে। তাৰ গাটো জৰাই-ফুকাই দিবলৈ সেইবোৰেই বাসন্তীয়ে মানুহটোক কয়। দুখীয়াৰ ঘৰ বাবেই মানুহবোৰে সিহঁতক বেয়া চকুৰে চোৱা যেন লাগে। গোপালক স্কুলত দিব পৰাও হ'ল। তাক মানুহ কৰাৰ ইচ্ছা। সেয়েহে তাই মানুহটোক সদায় কয়, তাক স্কুলত নাম লিখাই দিবলৈ। কিন্তু নাম লিখাই লোৱা মানেই খৰচৰ বাট মুকলি কৰা। মানুহটোৱে চাৰিওপিনে জোৰা-টাপলি মৰা টান হৈ পৰিছে।

বাসন্তীৰ ভাৱ হয় উপাৰ্জনৰ বাটটো যদি দুয়োটাই জগাই ল'ব পাৰিলোহেঁতেন। পিছে যজমানি কৰা জগন্নাথৰ তিৰোতা হৈ তাই কাৰ কাপোৰ ধুই দিব, কাৰ বাচন ধুই দিব, কাৰ ভূঁই ৰুই দিব। এইবোৰ কৰিলে মানুহটোৱে বেয়া নাপায়। মানুহটোৰ নাক কটাও নাযায়, যাব সিহঁতৰ ভাই বোৱাৰীয়েকে লোকৰ ঘৰে ঘৰে কাম কৰি ফুৰিলে। সেয়ে মানুহটোৱে তাইক একো কৰিব নিদিয়ে। সিহঁতৰ নহ'লেও মানুহটোৰ ককায়েকহঁতলৈ

মৰম-শ্ৰদ্ধা আছে। সিহঁত সন্মানৰ প্ৰতি সদায় সচেতন। সেয়েহে যি পাইছো সিয়েই যথেষ্ট।

বাসন্তীয়ে গোপালৰ মূৰত হাত বুলাই আছিল। গাজনিৰ শব্দ শুনি কাণ পাতি ৰ'ল। নহয়, দ ভূঁইৰ দলঙত সেয়া আকৌ আৰ্মিৰ গাড়ী উঠাৰহে শব্দ। দলঙখনৰ অৱস্থা যি হৈছে, সামান্য গৰু গাড়ী এখন গ'লেই বুঢ়া মানুহৰ দাঁত লৰাদি লৰি থাকে। তাতে দিন নাই ৰাতি নাই আৰ্মিৰ গাড়ীৰ যিহে পিপৰাৰ দৰে লানি, দলংখন নাথাকিবগৈ।

মানুহটোৰে ৰাতি কৰিলেও আগতে বাসন্তীৰ ভয় নেলাগিছিল। এতিয়া লাগে। চাৰুলতাৰ উকা কঁপালখনৰ কথা মনত পৰি তাই শিয়ৰি উঠে। ৰাস্তাৰে শাৰী পাতি গৈ থকা আৰ্মিৰ গাড়ী সেইদিনা ৰাতি সিহঁতৰ গাঁৱৰ এচুকত ৰোৱা হয়তো কোনেও মন কৰা নাছিল। কিন্তু অলপ সময়ৰ পাছতে গিৰিপ-গাৰাপ জোতাৰ শব্দ সকলোৱে শুনিবলৈ পাইছিল।

দ্বিবনক বিচাৰি চাৰুলতাৰ ঘৰত সোমাইছিল সিহঁত। দ্বিবনক নাপাই বন্দুকৰ গুলীৰে থকা সৰকা কৰিছিল ককায়েক বীৰেন্দ্ৰক। চাৰুলতাই চিঞৰত গগন ফালিছিল। কোদোৰ বাহক জোকাই ল'বলৈ কোন যাব? সংজ্ঞাহীন দেহটোৰ ওপৰত অত্যাচাৰ কৰি গুছি গৈছিল সিহঁত। ৰাতি তেতিয়া পুৱাবলৈ বহুত বাকী। চাৰুলতা বিধৱা হ'ল।

চাৰুলতাৰ উকা কঁপালখনলৈ বাসন্তীয়ে চাব নোৱাৰে। বুঢ়াগোসাঁই ঘৰৰ সন্মুখৰ বিৰাট আঁহতজোপা উভালি পৰিলে ঠাইখন যেনেকুৱা লাগিব, ঠিক তেনেকুৱা লাগে চাৰুলতাৰ কঁপালখন। এফালে বিৰহৰ বেদনা, আনফালে আকৌ লোকৰ নিন্দা। চাৰুলতাক চাই সেয়েহে বাসন্তীৰ বুকুখন ধানবনা কলটোৰ দৰে ধপধপাই উঠে। ঘটনাটো ঘটিবলৈ কিমান দিননো হ'ল? এতিয়া চাৰুলতাই এজন ল'ৰাৰ লগতো কথা ক'ব নোৱাৰে। অথচ গাঁৱৰ কেইজনীমান সধৱা অসংযত অবৈধ কাৰ্যক লিপ্ত, সেয়া বাসন্তীয়ে নালাগে গাঁৱৰ বহুতেই জানে। কিন্তু তাৰ বিষয়ে মাত মাতিবলৈ হ'লে তেওঁলোক দেশৰ কামত আৰু নিজৰ কামত ইমানেই ব্যস্ত হৈ পৰে যে, সেইবিলাক তেতিয়া নগণ্য কথা হৈ পৰে। মাথোন চাৰুলতাৰ জীৱনটো অসহনীয় কৰি তোলাৰ প্ৰচেষ্টা। বাতৰি কাকতত বোলে তাইৰ ফটো উঠিল টকা পাব বুলি। টকা কেইটা আনি দিয়াৰ ব্যৱস্থা কোনেও কৰিব নোৱাৰে। বাসন্তীয়ে জানে যে চাৰুলতাই সেই টকা ল'ব নোৱাৰে। নলয়। তাই বুজি নাপায়, এজন মাতৃৰ সতীত্বক মানুহবোৰে কিয় টকাৰে জুখিবলৈ যায়। আশংকাই বাসন্তীক বেৰি ধৰে। দেশত চাৰিওপিনে জুই লাগিছে। যাকে য'তে পাই ধৰি নি শাস্তি দিছে। জেৰেঙাৰ শাস্তি। কোনে কাক কিয় শাস্তি দিছে কোনেও নাজানে। কেৱল মৃত্যুৰেই খবৰ। চাৰিওপিনে যেন ক'লা ক'লা ভূত কিছুমানে জুইৰ দৰে জিভা মেলি দেশখন ছাৰখাৰ কৰিব খুজিছে। বাসন্তীয়ে পানীৰ ঘাটত নাইবা গোসাঁই ঘৰত কথাবোৰ শুনে। দুগুণে আশংকিত হৈ তাই জগন্নাথ ঠাকুৰক যজমানলৈ যাবলৈ বাধা দিয়ে। চলিব কিবা কৰি। সেইবুলি জীৱনটোৰ টনাটনি কৰি ... বাটত যদি ...

উচ্চ স্বৰে হাঁহি মানুহটোৱে কেৱল এটা কথাকেই কয়—'ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে'। — বাসন্তী নিশ্চুপ হৈ ৰয়।

এটা সোঁ শুৱনি শুনা যেন লাগিল বাসন্তীৰ। হয়, বতাহ বলিছে খুব জোৰেৰে। মানুহটো আহি পায় বুলি তাই চাকিটি জ্বলাই থৈছিল। হালধীয়া অকণ পোহৰেৰে সৰু পঁজাটি গভীৰ অন্ধকাৰটো কিছু উজ্জ্বল কৰি ৰখা চাকিটি বতাহৰ কোবত নুমাই গ'ল। বাসন্তীয়ে আৰু উঠিবলৈ ইচ্ছা নকৰিলে। তাই জোৰেৰে গোপালক সাৱটি ধৰিলে। বাহিৰত তেতিয়া বিজুলী-ঢেৰেকণিৰে প্ৰচণ্ড বৰষুণ। বতাহৰ বেগ ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। কলগছ ভাঙি নিচে ঐ চুৰা খোৰা দেৱতাই।

বুঢ়ীৰ বকনি শুনি থাকিলেও বাসন্তীৰ চাউল নিসিজিব। তাতে মানুহটোও পুৱাৰ ভাগতে ওলাবহি লাগে। মানুহটো আহি পোৱাৰ আগতে সৰা-মচা কৰি ৰন্ধা বঢ়াত সোমাব লাগিব। খৰখেদাকৈ মাটিৰ কলহটো লৈ তাই পুখুৰীলৈ খোজ দিলে।

গোসাঁই ঘৰৰ ওচৰত পাই বাসন্তী এক বিৰূপ অৱস্থাৰ সন্মুখীন হ'ল। এক অজান আশংকাত তাইৰ বুকুখন চিৰিংকৈ গ'ল। বিয়া হৈ এইখন গাঁৱলৈ আহিবৰ দিন ধৰি ধীৰে-স্থিৰে ৰৈ থকা বুঢ়া আঁহত জোপা তাই দেখি আহিছিল। গোটেই ঠাইখনকে গম্ভীৰ কৰি ৰখা গছজোপা বৰ মৰমৰ আছিল সকলোৰে। আজি সেইটো ঘটনাই ঘটিল যিটো কল্পনা কৰি বাসন্তীয়ে চাৰুলতাৰ কঁপালখনৰ সৈতে ৰিজাই চাইছিল। গভীৰ অৱসাদত যেন গছজোপা উবুৰি হৈ পৰি আছে। চাৰুলতাৰ কঁপালখনৰ দৰেই। হঠাতে বুকুখন বৰ গধুৰ হৈ পৰিল বাসন্তীৰ। গছ জোপা এবাৰ চুই চাবলৈ মন গ'ল তাইৰ।

দুখোজ দিয়েই পুনৰ বাসন্তীয়ে যি দেখিলে সেয়া আছিল তাইৰ সম্পূৰ্ণ অপ্ৰত্যাশিত। তাই চকুৰে সৰিয়হ ফুল দেখিবলৈ ধৰিলে। বাগৰি পৰা আঁহতজোপাৰ তলত চাইকেলৰ সৈতে চেপেটা খাই পৰি আছে তাইৰ মানুহটো।

বাসন্তী আৰু থিৰ হৈ থাকিব নোৱাৰিলে। হাত পিছলি তাইৰ কলহটো সুলকি পৰিল-থেকেচ! ■■



# এনাজৰী


**জ্যোতিস্মিতা ডেকা**
অসমীয়া বিভাগ, দ্বিতীয় ষান্মাসিক


হঠাতে জানো মানুহজনৰ কি হ'ল! কালি দুপৰীয়ালৈতো ঠিকেই আছিল। হাঁহি হাঁহি মোৰ লগত আগৰ সেই আম, বগৰী বিচাৰি ফুৰা দিনৰ কথাবোৰ বৰকৈ পাগুলি আছিল। মনত যেন কোনো দুখ-ক্ষোভ নাই। তেওঁৰ কথাত ধৰিবই নোৱাৰি যে তেওঁ এজন সত্তৰ বছৰীয়া লোক। মনত এতিয়াও ডেকা তেজৰ উদ্যম কিন্তু কালিৰ গৰম তেজ আজি হস্পিতালৰ বিছনাত। সময়ৰ কি লীলা চোৰাচোন।

আবেলি সময়ত আগফালৰ বাৰন্দাত বহি টেবুলত পৰি থকা বাতৰি কাকতখন এনেই লিৰিকি বিদাৰি প্ৰসন্নই হস্পিতালত মৃত্যুৰে সৈতে যুঁজি থকা বন্ধু অনিলৰ কথা ভাবি আছে। এই ব্যস্ততাপূৰ্ণ জীৱনত আগৰ সেই বন্ধুত্ব এতিয়া আৰু পাবলৈ নাই। সিহঁতৰ গাঁৰৰ লগৰীয়াবোৰৰ সৈতে কটোৱা শৈশৱ বৰ মধুৰ আছিল। মাৰ্বল খেলা, গোসাঁই ঘৰৰ চোতালত কাবাডি খেলা, বৰশী বোৱা, বানপানী হ'লে ভেল লৈ পানী চাবলৈ যোৱা। আহঃ কি মজাৰ দিন আছিল সেইবোৰ। মাঘৰ বিহুৰ এসপ্তাহ আগৰ পৰাই আকৌ ভেলাঘৰৰ বাবে নৰা কটা, বাঁহ কটা কত কিযে আয়োজন চলিছিল। ৰাতি সকলোৰে ভোজ-ভাত খাই আকৌ হেঙাৰ চুৰ কৰা পৰ্ব। উফঃ কৈ কৈ যেন শেষ কৰিব নোৱাৰি। আজিৰ ল'ৰা-ছোৱালীয়ে ক'ত সেইবোৰ উপভোগ কৰিবলৈ পায়। মোবাইল, কম্পিউটাৰতে যেন জীৱনটো সীমাবদ্ধ আৰু সেই মধুৰতাখিনি অনুভৱ কৰিব নোৱাৰাৰ বাবেই হয়তো ক'ৰবাত সিহঁতৰ জীৱনবোৰ ৰৈ যায়। প্ৰতিযোগিতামূলক পৃথিৱীখনত আগবাঢ়ে ঠিকে কিন্তু মানৱতা শূন্য।

সিহঁতেও পঢ়িছিল। কলেজীয়া জীৱন শেষ হোৱাৰ পাছত সকলোৱে নিজৰ জীৱন সজোৱাত ব্যস্ত হৈ পৰিছিল। কোনেও কাৰো খবৰ ৰখা নাছিল। বন্ধুত্ববোৰ যেন লাহে লাহে পাহৰিব ধৰিছিল সকলোৱে। চাকৰি, পৰিয়াল এইবোৰক লৈয়ে সকলো ব্যস্ত হৈ পৰিছিল। গাঁৰৰ ধূলি-বালি এৰি এজন এজনকৈ প্ৰায়ভাগ ডেকাই চহৰমুখী হৈছিল। ক'ৰবাত কেতিয়াবা কাৰোবাক লগ পালেও সেইবোৰ পাহৰণিৰ গৰ্ভত বিলীন হৈছিল। কিন্তু চাকৰি অৱসৰৰ পিছত মেলে-মিটিঙে প্ৰায়বোৰ পুৰণি বন্ধুৰ সান্নিধ্য ঘটিছিল। যোৱা বছৰ নৱেম্বৰ মাহত মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত প্ৰসন্নই পুৰণি বন্ধু অনিলক লগ পাইছিল। সিও চাকৰিৰ পৰা অৱসৰ লৈ এখন ব্যক্তিগতভাৱে অনাথ আশ্ৰম পাতিছে হেনো। ডাঙৰ ছোৱালীজনী চাকৰিসূত্ৰে বিদেশত থাকে। ল'ৰাটো পাছ বছৰমান আগতে এটা বাইক এক্সিডেণ্টত ঢুকাল। এতিয়া তেওঁ পৰিবাৰৰ সৈতে মঙলদৈৰ নিজা ঘৰতে থাকে। মনত এটা দুখ থাকিলেও কথা-বাৰ্তাত সেয়া ধৰা নপৰে। কিন্তু আজি পুৱা হঠাতে খবৰ পালো, তাৰ বোলে ষ্ট্ৰক হৈছে। এতিয়া জি এম চি এইছত ভৰ্তি কৰোৱা হৈছে। কথাটো শুনি মনটো বৰ উগুল-থুগুল লাগি আছে। বাৰে বাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো অনিল যেন সোনকালে সুস্থ হৈ উঠে। ■■

# স্বস্তিৰ হাঁহি

**কুলদীপ বৰা**
উদ্ভিদ বিজ্ঞান বিভাগ, ষষ্ঠ ষান্মাসিক



সিহঁতবোৰ লাহে লাহে আঁতৰি গৈছে মোৰ কাষৰ পৰা, চেষ্টা কৰিও মই হাত-ভৰিবোৰ লৰাব পৰা নাই। পৃথিৱীৰ ৰংবোৰো লাহে লাহে আন্ধাৰ হ'বলৈ ধৰিছিল। মই বুজিলো মোৰ হাতত আৰু কেইটামান মুহূৰ্ত। জীৱনৰ আদিৰ পৰা সকলো চকুৰ আগত ভাঁহি পৰিছিল।

সময় আছিল মানৰ দ্বিতীয় অসম আক্ৰমণৰ। মানৰ এই আক্ৰমণ ইমানেই ভয়াৱহ আছিল যে, আহোম ৰাজ্যৰ তিনিভাগৰ এভাগ জনসংখ্যাৰ পতন ঘটিছিল। ৰাজধানী ৰংপুৰৰ ওচৰ-পাজৰৰ প্ৰায়ভাগ গাঁৱেই উচন গৈছিল। সাধাৰণ প্ৰজাৰ অৱস্থা আছিল অতি শোচনীয়। প্ৰায়বোৰেই মানৰ হাতত নিধন গৈছিল আৰু ঘৃণীয়া হৈছিল। বাছি থকাসকল কেনেবাকৈ হাবি-জংঘলত গৈ কচু-ঢেঁকীয়া খাই জীয়াই আছিল।

এই মানৰ আক্ৰমণত বিধ্বস্ত হোৱা এখন গাঁও আছিল ৰাজধানী ৰংপুৰৰ ওচৰৰ বালিমুখ। মান দানৱে গাঁওখন সম্পূৰ্ণ ধ্বংস কৰিছিল। গাঁৱৰ বেছিভাগ ডেকাকেই হত্যা কৰা হৈছিল, মহিলাসকলৰ সতীত্ব হৰণ কৰি জীয়াই

জীয়াই জ্বলাই দিছিল। চাৰিওফালে মানুহৰ কেঁচা তেজ আৰু পোৰা মহঙৰ গোন্ধ।

এই নাৰকীয় অত্যাচাৰৰ সাক্ষী আছিলো আমি তিনি বন্ধু, মই, ৰূপ আৰু মানিক। গাঁৱৰ পৰা পলাই আহি কোনোমতে পাহাৰৰ গুহাত আশ্ৰয় লৈছিলো আমি। চকুৰ আগত হৈ যোৱা অমানৱীয় অত্যাচাৰৰ দৃশ্যসমূহে অসজত ৰাখিছিল আমাক। নিজ ভাতৃ-বান্ধৱক চকুৰ আগতেই কাটি পেলাইছিল মান দানৱে, ঘৰবোৰ জ্বলাই দিছিল, খেতি পথাৰবোৰো জ্বলাই দিছিল। এই নাৰকীয় অত্যাচাৰৰ প্ৰতিশোধ লোৱাৰ ভাৱ জাগি উঠিছিল আমাৰ মনত। এই বিষয়ে আমি প্ৰায় সদায়েই আলোচনা কৰিছিলো আৰু গাঁওখন আকৌ জীয়াই তোলাৰ কথাও ভাবিছিলো।

আমি তিনিওৱে পাল পাতি পাতি মানৰ দলটোৰ ওপৰত চকু ৰাখিছিলো। সিহঁতে বাহৰ পাতিছিল ৰাজধানীৰ গড়ৰ ভিতৰত আৰু দলপতিজনে বাহৰ পাতিছিল কোনো এজন আহোম বিষয়াৰ কাৰেঙত। আমি এই দলপতিজনক হত্যা কৰাৰ মন বান্ধিছিলো আৰু সেইমৰ্মে তাৰ ওপৰত চোকা চকু ৰাখিছিলো। এই বিষয়ত আমাক সহায় কৰিছিল ৰাজধানীত লগুৱা হিচাপে কাম কৰা অসমীয়া লোককেইজনমানে। দলপতিজন আছিল এজন শক্তিশালী, অস্ত্ৰ চালনাত পাকৈত ব্যক্তি। সকলো সময়তেই সি নিজৰ অস্ত্ৰ লগতেই ৰাখিছিল, লগত আছিল তাৰ গা-ৰখীয়াবোৰ। এনে সময়ত তাক আক্ৰমণ কৰিলে আমি আমাৰ উদ্দেশ্যত সফল হোৱাৰ সম্ভাৱনা আছিল অতি ক্ষীণ, কিন্তু সি সদায় প্ৰায় পুৱতি নিশা নিৰস্ত্ৰ হৈ অকলে দেৱতাক পূজা দিবলৈ চৌহদতে সাজি লোৱা মন্দিৰ এটালৈ গৈছিল। এয়াই আছিল আমাৰ বাবে সুযোগ, কিন্তু এই সুৰুঙাটো এনে আছিল যে, আমাৰ মাজৰ এজনেহে তাৰ সদ্ব্যৱহাৰ কৰিব পাৰিম।

ৰূপ আৰু মানিকৰ লগত আলোচনা কৰি শেষত মই নিজেই শত্ৰুৰ চাউনীত প্ৰৱেশ কৰাটো থিৰাং কৰিলো। ইয়াৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলো। লগত দুখন চোকা দা ল'লো, লগতো গাত ক'লা ছাঁই সানি ক'লা কৰি ল'লো যাতে ৰাতিৰ আন্ধাৰৰ সুযোগ ল'ব পাৰো।

ৰাতি হ'ল, কাৰেঙৰ চৌহদত প্ৰৱেশ কৰিবলৈ কাষতে থকা গাত এটাত পৰি ছেগ বিচাৰি ৰৈ আছিলো। চাউনীটো আছিল ওখ জেওৰাৰে আগুৰা আৰু পোহৰৰ বাবে আছিল অসংখ্য চাকি। কিন্তু সেই চকীবোৰৰ পোহৰ চাউনীটোৰ বাবে যথেষ্ট নাছিল। সেয়েহে কটকটীয়া নিৰাপত্তা থকা স্বত্বেও সহজেই জেওৰা পাৰ কৰি, দলপতিজনৰ কাৰেঙৰ চৌহদ পালো আহি আৰু কাষতে থকা বাহনি এডৰাত সোমাই, দলপতিজন ওলাই অহাৰ বাবে অপেক্ষা কৰি ৰ'লো।

অইন দিনাৰ দৰেই প্ৰায় পুৱতিনিশা দলপতিজন ওলাই আহিছিল পূজা দিবৰ বাবে। সি নিৰস্ত্ৰ আছিল লগত তাৰ গা-ৰখীয়াবোৰো নাছিল। সেই সুযোগতে ছেগ বুলি বাহনিৰ পৰা ওলাই আহি মই তাৰ ওপৰত জপিয়াই পৰিলো আৰু উপৰ্য্যুপৰি হাতত থকা দা-খনেৰে তাক আঘাত কৰিলো। সি লগে লগে বিকট চিঞৰ মাৰিলে। তাৰ চিঞৰত তাৰ লা-লিগিৰা আৰু গা-ৰখীয়াবোৰ ওলাই আৰু আমাক আগুৰি ধৰে। মই তাৰ ফালে চালো, ইতিমধ্যে দলপতিজনৰ মৃত্যু ঘটিছিল। মই চাৰিওফালে চকু ফুৰালে, নাই এই মান সৈন্যৰ মাজৰ পৰা ওলাই যোৱাৰ কোনো সুৰুঙা নাই। সিহঁতৰ চকুবোৰ মোৰ বিৰুদ্ধে খঙত ৰঙা হৈ পৰিছিল। তাকে দেখি মই মোৰ হাতত থকা আঙঠিটোৰ গাত থকা সৰু চাবিটো টিপা মাৰি দিলো, লগে লগে আঙঠিটো ওপৰটো খোল খাই গ'ল। ঢাকনিখনৰ তলৰ খোৰটোত কেইটোপালমান জুলীয়া পদাৰ্থ আছিল। এইখিনি আছিল মিচিমিহঁতৰ পৰা গোটোৱা বৰ বিহ। এনে এটা সময়ৰ বাবেই বৰ বিহখিনি গোটাইছিলো মই। বিনা সংকোচে আঙঠিটো মুখলৈ নি চেলেক মাৰি দিলো। লগে লগে শৰীৰটো জঠৰ হৈ পৰিল আৰু দলপতিজনৰ ওচৰতে পৰি গ'লো। দলপতিজনৰ গা-ৰখীয়া এজনে তৰোৱাল এখন মোৰ বুকুতে হানি দিলে, কিন্তু মই একোকে অনুভৱ নকৰিলো। আৰু তাতেই চেঁচা হৈ পৰি ৰ'লো মুখত এটি স্বস্তিৰ হাঁহি লৈ। ■■

# একা-বেঁক জীৱনৰ বাট



**দেৱাশীষ ৰাজকুমাৰ**
ষষ্ঠ ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

আমাৰ মাইনা এনেকুৱা নহয় মাইনা ... এনেকুৱা নহয় মাইনা ... এনেকুৱা নহয় ...

দিনৰ দিনটো নিৰ্মল হাজৰিকাৰ ঘৰত আজিকালি এনেধৰণৰ সদায় সদায় এটি দুটি নতুন অসমীয়া আৰু হিন্দী গীত হাজৰিকাৰ জীয়ৰী অনিন্দিতাৰ বাবে ঘৰখনত বাজিয়েই থাকে। দিনৰ দিনটো নিজৰ কোঠালিতেই সোমাই থাকি অনিন্দিতাই এনেধৰণৰ গীতসমূহ বজাই কি কৰি থাকে হাজৰিকা আৰু তেওঁৰ পত্নী দৰ্শনা গৰাকীয়েও ভালদৰে নাজানে। পিছে নিৰ্মল হাজৰিকাৰ আজিকালিৰ এই ধৰণৰ গীতসমূহ মুঠেই পছন্দ নহয়। দ্বীপেন বৰুৱাৰ কণ্ঠৰ 'মইনা কোন বিধাতাই সাজিলে তোমাৰ পদুম চকুটি'ৰ পৰা 'শিলে শিলে ঠেকা খালে' ধৰণৰ গীতবোৰহে প্ৰিয়। অফিচৰ পৰা আহিয়েই ঘৰত আহি এনেধৰণৰ গীতসমূহ শুনি শুনি হাজৰিকাৰ খং চুলিৰ আগ পায়গৈ। বিহুলৈ এটা সপ্তাহো নাই, বেংকত গ্ৰাহকৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে হাজৰিকাৰ কামৰ ব্যস্ততা বাঢ়িছে। ৰাতিপুৱা চাৰে আঠ বজাতেই ওলাই গৈ সন্ধিয়া সাত বজাত ঘৰ সোমায়। আজি শুক্ৰবাৰ, অফিচৰ পৰা আহিয়েই বেগটো কান্ধৰ পৰা নমাই ভিতৰৰ কোঠাৰ পৰা ভাঁহি অহা oh antara Mava oh oh antava mava ... গীতৰ কলিটি বাজি থকা শুনি তেওঁৰ খঙে চুলিৰ আগ পালেগৈ। খঙেৰেই ভিতৰত সোমাই থকা পত্নী দৰ্শনাক চিঞৰি চিঞৰি গালি পাৰিব ধৰিলে, দিনৰ দিনটো তুমি কি কৰি থাকাহে, ঘৰখনত সোমাই নিজৰ ছোৱালীজনীক ঠিক কৰিব নোৱাৰানে? পত্নী দৰ্শনাই ভিতৰৰ পৰা গিৰিয়েকক উদ্দেশ্যি ক'লে—তাই ম'বাইলত গীত শুনি নৃত্যহে কৰি আছে, মোক কৈছে ক'ৰবাত হেনো প্ৰতিযোগিতা আছে, তাৰ বাবে ভিডিঅ' কৰি আছো। হাজৰিকা মনে মনে থাকিল।

পিছদিনা শনিবাৰ, আজি অফিচৰ পৰা হাজৰিকাই কাম সামৰি আন দিনাতকৈ সোনকালেই ঘৰ আহি পাইছে। আবেলি সোমায়েই ড্ৰয়িং ৰুমত দেখিলে তেওঁৰ পুত্ৰ অৰুনাভে কাণত দুদিনমান আগতে ফ্লিপকাৰ্টৰ পৰা অৰ্ডাৰ কৰি অনা চাৰি হাজাৰ টকীয়া হেডফোন এডাল লগাই লৈ আৰামী চোফাখনত দীঘল দি শুই হাতৰ আঙুলিত কিবা ক্লিপ দুটি লগাই লৈ ম'বাইলৰ স্ক্ৰীণখনত খৰকৈ স্পৰ্শ কৰি কৰি কৈ চিঞৰি আছে, মাৰ-মাৰ, ধৰ, head shoot, again and again, change my gun. এইবোৰ হাজৰিকাই দেখি ব্যতিব্যস্ত হ'ল।

অৰুনাভৰ মাকক পাকঘৰত থকা দেখি ভিতৰলৈ সোমাই গৈ পুতেকলৈ দেখাই ক'লে ছোৱালীজনীয়ে বাৰু প্ৰতিযোগিতাত অংশ ল'বৰ বাবে গীত বজাই আৰু ল'ৰাজনে পিছে দিনৰ দিনটো ম'বাইলটোত সোমাই কি কৰি থাকে?

পত্নী দৰ্শনাই গিৰিয়েকলৈ কেৰাহীকৈ চাই উত্তৰ দিলে— আপুনিয়েই চোন তাক সৰুতে কৈছিল, ডাঙৰ হ'লে আৰক্ষী বিভাগত চাকৰি কৰিব লাগিব, এতিয়া সি ম'বাইলতেই বন্দুক-বাৰুদ চলোৱাৰ অভ্যাস কৰি আছে।

তোমালোকেহে জানা আৰু এনেকৈ ম'বাইলত সোমাই আৰক্ষী হ'ব পাৰি, প্ৰতিযোগিতাত জিকিব পাৰিযে। এইবুলি কৈ হাজৰিকা আঁতৰি গ'ল।

পিছদিনা দেওবাৰ।

আজি অফিচ যাবলগীয়া বা কৰিবলগীয়া একো নাই।

নিৰ্মল হাজৰিকাৰ ৰাতিপুৱাই বন্ধ বা আজৰি সময় পালেই ফিকা চাহ একাপ হাতত লৈ বাতৰি কাকতখন লৈ বাৰান্দাত বহাৰ অভ্যাস। পত্নী দৰ্শনাই হাতত চাহকাপ লৈ অহা দেখি সুধিলে, 'তুমি যে চাহ বনাইছা, এই জীয়েৰা উঠিলেনে? তাইতো তোমাক অলপ সোনকালে উঠি সহায় কৰি দিব পাৰে, ৰাতিপুৱাৰ চাহকাপ বনাই আনি দিব পাৰে।

এইবাৰ দৰ্শনাই লাহেকৈ হাজৰিকাক ক'লে—শুৰক দিয়া, ৰাতিলৈ সিহঁত দুয়োৰে অনলাইন ক্লাছ কৰিছে, আপুনি সিহঁতক কিয় ইমান গালি পাৰি থাকে, অৰুনাভ আৰু অনিন্দিতা মোৰেই সন্তান নহয় আপোনাৰটো সন্তান। যোৱা দেওবাৰে তাই কিমান ধুনীয়াকৈ পেৰা আৰু কেক, মিঠাই বনাইছিল ঘৰতে, হিয়া বাইদেৱে ফেচবুকত দেখি কমণ্টো কৰিছে, ঘৰলৈ হেনো খাবলৈ আহিব।

এইবাৰ নিৰ্মল ভোৰভোৰাই উঠিল—থোৱাহে, তোমাৰ হিয়া বাইদেউৰ কথা। তেওঁচোন তোমাৰ যোৱা মাহতে হৈ যোৱা অপাৰেচনৰ কথা গম পায়ো এবাৰ খবৰ ল'বলৈও নাহিল। এতিয়া কোনখন মুখেৰে কেক আৰু পেৰা খাবলৈ আহিম বুলি ক'ব পাৰিছে।

কথাৰ মহলা নবঢ়াই এইবাৰ দৰ্শনাই মনে মনে গিৰিয়েকৰ চাহ খোৱা শেষ হোৱালৈ ৰৈ থাকিল।

হঠাৎ ভিতৰৰ পৰা জীয়েকে গোৱা গীত এটি দুয়োৰে কাণত পৰিল। জীয়েকে গোৱা গীত শুনি তেওঁলোক দুয়োৰে অন্তৰ শাত পৰি গ'ল। কিছু সময় পিছতেই জীয়েকে ভিতৰৰ পৰা ওলাই আহি দেউতাকৰ হাতত ম'বাইলটো দি ক'লে—দেউতা চাবাচোন, আজি পঠিয়াব লাগিব প্ৰতিযোগিতালৈ, ভাল হৈছেনে? কিহৰ প্ৰতিযোগিতা বুলি সুধি জীয়েকে ম'বাইলৰ স্ক্ৰীণতেই দেখুৱাই দিয়া নিয়মাৱলীসমূহ পঢ়িবলৈ ইচ্ছুক হৈ চশ্‌মাযোৰ ভালকৈ ঠিক কৰি লৈ তেওঁ পঢ়ি গ'ল— 'জয়ন্ত হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা, এটা লাইকত পাঁচ নম্বৰ, এটা কমেণ্টত দহ নম্বৰ আৰু এটা চেয়াৰত বিছ নম্বৰ।'

পত্নী দৰ্শনাই গিৰিয়েক নিৰ্মলৰ মুখলৈ চাই লাহেকৈ থিয় হৈ থকা ঠাইৰ পৰা চাহৰ কাপ-প্লেটবোৰ লৈ আঁতৰি গ'ল। ■■



# নাৰীৰ জীৱনটি এনেকুৱাই নেকি


**অৰুণিমা চহৰীয়া**

অসমীয়া বিভাগ, দ্বিতীয় ষান্মাসিক


পৃথিৱীত মানৱ জাতি দুই প্ৰকাৰৰ-পুৰুষ আৰু মহিলা অৰ্থাৎ নাৰী। আকৌ পৃথিৱীত আন এক প্ৰকাৰৰ মানৱ জাতি আছে, সেইটো তৃতীয় লিঙ্গ হিচাপে বিবেচিত কৰা হয়। এই প্ৰবন্ধটিত মই নাৰীৰ বিষয়ে উনুকিয়াব বিচাৰিছো।

নাৰী ভগৱানৰ অপূৰ্ব সৃষ্টি। নাৰীক গৃহলক্ষ্মী আৰু সহনশীলতাৰ প্ৰতীক বুলি জনা যায়। পূৰ্বৰে পৰা বৰ্তমানলৈকে অভগু লোকসকলে নাৰীক সন্মান দিব পৰা নাই আৰু সুবিধা দিব পৰা নাই। তেওঁলোকে নাৰীক পুতলা হিচাপে ব্যৱহাৰ কৰি আহিছে। তেওঁলোকৰ মতে নাৰী মানে সজাত বন্দী পখী। কিন্তু জ্ঞানী সমাজ এখনে নাৰীক যথেষ্ট সন্মান কৰে, তথা সকলো কামতে নাৰীক আগবঢ়াই নিয়াত সহায় কৰে। নাৰী আৰু পুৰুষ সমান বুলি সমাজে স্বীকৃতি দিছে। নাৰী আৰু পুৰুষ সঁচাই সমান হয়নে ? মোৰ মনটোত বৰকৈ এই প্ৰসঙ্গটো জাগি উঠে। পুৰুষৰ যিমান স্বাধীনতা আছে নাৰীৰ আছেনে ? যদি আছে কিহৰ বাবে নাৰীৰ ওপৰত অত্যাচাৰ, কিহৰ বাবে নাৰীক ধৰ্ষণ কৰি নাৰী সন্মান হানি কৰা হয়। তাৰ উত্তৰ হয়তো কাৰোৰে ওচৰত নাই। কিন্তু সকলো পুৰুষ জাতি নহয়, এচাম আছে যিয়ে নাৰীক কেৱল

খেলা বস্তুৰ দৰে ব্যৱহাৰ কৰি আহিছে। পূৰ্বৰে পৰা বৰ্তমান সময়লৈকে সেই নৰপিশাচবোৰে নাৰীৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাই আহিছে। অৰ্থাৎ ক'ব পৰা যায় নাৰী কোনো যুগতে সুৰক্ষিত নহয়। সৃষ্টিৰ আহ্বান পদে পদে নিৰ্যাতিতা আৰু ধৰ্ষিতা হৈ আহিছে। ইয়াৰ মাজেৰে আমি এটা সৰু কাহিনীৰ আলম ল'ব পাৰো।

এসময়ৰ কথা। এখন হাবিৰ মাজত এটা সৰু জুপুৰীত তিনিজনী বায়েক-ভনীয়েক একেলগে বাস কৰিছিল। দেখিবলৈ তিনিওজনী অপৰূপ। কিন্তু তেওঁলোকক দৰিদ্ৰতাই কোঙা কৰি পেলাইছিল আৰু এটা দুৰ্বিহ জীৱন যাপন কৰিছিল। তেওঁলোকে সদায় এটা লুংলুঙীয়া বাটেৰে অহা-যোৱা কৰিছিল। তেওঁলোকৰ সেই হাবিৰ লগত এক গভীৰ স্মৃতি সেই বাটেৰে হাজিৰা কৰি ভূঁই ৰুই সদায় অহা-যোৱা কৰে। মাক সৰুতে ঢুকাল দেউতাকো বেমাৰী কাম বন কৰিব নোৱাৰে। সেয়েহে তিনিও ভনী মিলি ঘৰখন চলায়। ভাদমহীয়া বানৰ পাছত খাল-বিল আৰু নদীৰ পানী শুকাই যোৱাৰ পিছত বৈ যোৱাৰ মাজেৰে নদীত উখল-মাখল পৰিৱেশ। সেইদিনা হঠাৎ ক'ৰ পৰা ইমান মাছ, মানুহৰ লানি নিচিগা সোঁত। হয়তো সেইদিনা সিহঁতৰ কাৰণে অমানিশাৰ অভিশপ্ত দিন আছিল। ভাদমাহৰ শেহতীয়া বানে অনিষ্ট কৰা ৰোৱা আজি তিনিও ভনী আনদিনাৰ দৰে ঘৰলৈ বুলি বাট লৈছিল। তেওঁলোকে বাহৰ দলং এখন পাৰ পৰি লৈছিল মাত্ৰ, তেনেতে চিলনীয়ে থাপ মাৰি লৈ যোৱাৰ দৰে ডেকা এজনে ডাঙৰজনী ছোৱালীক কান্ধত উঠাই লৈ গ'ল। সিহঁতেও হয়তো কথাটো বুজিবই পৰা নাছিল, আচলতে কি হ'ব গৈ আছে। বুজিবনো কেনেকৈ হঠাৎ হোৱা ঘটনা। বাকী দুজনী ভনীয়েকে চিঞৰি চিঞৰি বায়েকক উদ্ধাৰ কৰিবলৈ কাকূতি-মিনতি কৰিছিল। ইফালে বায়েকেও হাত ভৰি ওজাৰি চিঞৰি চিঞৰি কান্দিলে, কিজানি সেই পিশাচটোৰ পৰা কেনেবাকৈ ৰক্ষা পায়। কিন্তু নাই কাৰোৰে ভ্ৰূক্ষেপ নাই। কোনেও ঘূৰিয়েই নাচালে, হয়তো ভয় সেই পিশাচটোলৈ আৰু এনেদৰে এটি জীৱন শেষ হৈ গ'ল।

কিমান অসহায় নিজৰ গাৰ সমস্ত শক্তি প্ৰয়োগ কৰিও নিজকে বচাব নোৱাৰা ছোৱালী মানুহৰ জীৱন। নাৰী সময়ৰ  দাস। যি পাত্ৰতেই থোৱা হয় নাৰী তাৰেই ৰূপ লয়। কেতিয়াবা জীয়ৰী, কেতিয়াবা মাতৃ, কেতিয়াবা ভনী আৰু কেতিয়াবা কাৰোবাৰ প্ৰেমিকা। বিভিন্ন স্থানত নাৰীক পোৱা যায়। কিন্তু সেই নাৰীকে এচামে খেলা বস্তুৰ দৰে ব্যৱহাৰ কৰে। সকলো পুৰুষ একে নহয়। কিন্তু এচাম যিয়ে নাৰীক সন্মান দিব নাজানে। আমি সকলোৰে জানো সীতাক হৰণ কৰাজন পুৰুষ আছিল সঁচা, কিন্তু উদ্ধাৰ কৰাজনো পুৰুষে আছিল। সীতাক বনবাস দিয়াজনো পুৰুযেই আছিল, কিন্তু বনবাসত আশ্ৰয় দিয়া মুনিজনো পুৰুষে আছিল। নাৰী যিহেতু সময়ৰ দাস। সেইবাবে নাৰীয়ে অনিচ্ছা স্বত্বেও নাৰীয়ে পুৰুষৰ দাসত্ব স্বীকাৰ কৰিব লগা হয়। নাৰীক ভোগৰ সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিছিল। পুৰুষ প্ৰধান দেশত নাৰী প্ৰতিটো মুহূৰ্ততে পুৰুষৰ চিকাৰ হৈ আহিছিল। নাৰীৰ ইচ্ছা-অনিচ্ছা, সুখ-দুখৰ কথা কেতিয়াও ভবা নাই। যিদৰে অচিনাকি মানুহজনে সেই ধুনীয়া ছোৱালীজনীক ধৰি-বান্ধি নিলে, কিমান মানসিকভাৱে ভাগি পৰিছিল তাৰ খবৰ হয়তো কোনেও নল'লে, হয়তো ল'ব লাগে বুলি নাভাবিলে। দৰিদ্ৰতাই মানুহৰ জীৱনত বহুখিনি অমানিশা নমাই আনে, হয়তো হৰিণৰ মাংসৰ বৈৰী কথাষাৰ নুই কৰিব নোৱাৰি। ধুনীয়াই হয়তো মানুহৰ জীৱনৰ .... হ'ব পাৰে। এয়াই নাৰীৰ জীৱন। ■■





# মুক্তি

**জিন্টুমণি নাথ**
দ্বিতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

প্ৰণালী দৌৰিছে, প্ৰাণটাকি দৌৰিছে। শৰীৰৰ সমস্ত শক্তি থূপ খুৱাই দৌৰিছে। কোচত তিনিমহীয়া জোনালী। এহাতেৰে তাইক বুকুত সাৱট মাৰি আনখন হাতেৰে বুকুৰ পৰা বাৰে বাৰে সলকি যোৱা চাদৰখন ঠিক কৰিব চেষ্টা কৰিছে। ঘাম, চকুপানীৰে একাকাৰ হৈ পৰা মুখখন মচি লৈছে চাদৰেৰে। ক'লৈ যাব তাই! সেইখন ঘৰলৈ, যিখন ঘৰৰ পৰা চিৰদিনৰ বাবে উলিয়াই দিছে। নে উলটি যাব, এইমাত্ৰ এৰি থৈ অহা ঘৰখনলৈ। 'নাই নাযাওঁ, তাৰ ওচৰলৈ কেতিয়াও নাযাওঁ।' স্বতঃস্ফুৰ্তভাৱে কথাষাৰ ওলাই আহিল প্ৰণালীৰ মুকৰ পৰা। ৰেলৰ আলিটো পাই প্ৰণালীয়ে দূৰলৈ চাই পঠালে। ট্ৰেইন অহাৰ সময় হৈছে। তাই গাৰ পৰা চাদৰখন এৰুৱাই পেলালে। জোনালী এতিয়াও টোপনি গৈ আছে। প্ৰণালীৰ মনত পৰিল জোনালী জন্ম পোৱাৰ দিনটোলৈ। কিমান কষ্ট হৈছিল তাইৰ সেইদিনা। প্ৰণালীয়ে চাদৰখনেৰে জোনালীক মেৰিয়াই ল'লে আৰু ৰে'ল লাইনৰ দাঁতিতে চকুত পৰাকৈ থৈ দিলে। সেইয়া ট্ৰেইনৰ শব্দ। তাই চাই পঠিয়ালে, আহিছে ট্ৰেইনখন আহিছে। ক্ৰমান্বয়ে তাইৰ উশাহবোৰ খৰ হৈ আহিব ধৰিলে। কিছু সময়ৰ পিছত ৰেল লাইনৰ দুয়োফালে ছিটিকি পৰিলে প্ৰণালীৰ নিঠৰ দেহ। মেলি থকা দুয়োটা চকুত দেখা গ'ল শান্তিৰ বীজ।

গাঁওখনৰ একেবাৰে সিমূৰে আছিল প্ৰণালীহঁতৰ ঘৰখন। চাৰিটা পৰিয়ালৰে থাকিবলৈ ঘৰ বুলি আছিল মাথোন এটা ঠেক বাঁহৰ ঘৰ। প্ৰণালীয়ে সৰুৰে পৰা দৰিদ্ৰতা দেখিলে। দেখিছে নাৰীৰ ওপৰত হোৱা অত্যাচাৰ। দিনটো শুই থাকি ৰাতি হ'লে মদ এগাল খাই আহি মাকৰ ওপৰত দেউতাকে কৰা অত্যাচাৰ নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিছিল সিহঁতৰ ঘৰখনত। মাকে দিনটো হাজিৰা কৰি ঘৰখন কোনোমতে চলাই আছিল। প্ৰণালীয়ে পঢ়িব বিচাৰিছিল। তাই মাকক সুখ দিব বিচাৰিছিল। তাইৰ একমাত্ৰ ভায়েকটো দেউতাকৰ চৰিত্ৰবোৰে বুটলি লৈছিল। ঘৰত নাথাকি দিনটোৰ বেছি সময় হাবিয়ে হাবিয়ে ফুৰি বেলেগৰ বাৰীৰ ফল-মূল খাই ফুৰিছিল। কি নাচিল সিহঁতৰ ঘৰত। ককাক থকালৈ সম্পত্তিৰে ঘৰ নদন-বদন হৈ আছিল। পিছলৈ দেউতাক মদ-জুৱা এইবোৰত পৰি পৰি ঘৰৰ সকলো বস্তু এফালৰ পৰা বিক্ৰী কৰিব ধৰিলে, শেষত এনেকুৱা হ'লগৈ মাকে হাজিৰা কৰি অনা পইচা কেইটাৰ ওপৰত চকু পৰিল। নিদিলে মাকক মাৰ-ধৰ কৰা হ'ল।

প্ৰণালী পঢ়াত বহুত ভাল আছিল। শ্ৰেণীটোৰ ভিতৰত সকলোতে আগবঢ়া আছিল। ঘৰত পঢ়াৰ একো পৰিৱেশ নথকাত পঢ়িবলগীয়াখিনি স্কুলতে বুজি লৈছিল।

কিন্তু তাই বুজি পোৱা নাছিল, সিহঁতৰ ঘৰখনলৈ ইয়াতকৈও ডাঙৰ এটা বিপদে বাট চাই আছে। সেইদিনা জোনালী স্কুলৰ পৰা সোনকালে আহিছিল। সিহঁতৰ ঘৰৰ সন্মুখত বহুতো মানুহ জুম পাতি থকা দেখিছিল। তাই ভয়ে ভয়ে ঘৰলৈ সোমাই গৈছিল। দেখিছিল চোতালৰ মাত বগা কাপোৰেৰে কিবা এটা মেৰিয়াই থৈছিল। তাই ভাবিছিল দেউতাক আৰু নাই। কিন্তু ভুল আছিল। হাতত মদৰ বটল এটা লৈ নিচাসক্ত হৈ দেউতাক তাইৰ ওচৰলৈ আগুৱাই অহা দেখিছিল তাই। মানে কোন পিছে। তাই চেতনা হেৰুৱাই পেলাইছিল। কাপোৰখন গুচাই চোৱাত দেখা পাইছিল তাইৰ মাক। নিচিন্ত মনে শুই আছিল, সিহঁতক কষ্টত এৰি থৈ।

মাক নোহোৱা হোৱাৰে পৰা প্ৰণালী স্কুলত যোৱা বাদ দিছিল। বন্ধ কৰিছিল দেউতাকে। প্ৰথমদিনা স্কুলৰ মাষ্টৰজনে গুৰুত্ব দিয়া নাছিল। কিন্তু এমাহমান তাই স্কুল নোযোৱাত সোধ-পোছ কৰি গম পাইছিল, তাই স্কুলত কেতিয়াও যাব নোৱাৰে। দেউতাকে তাইৰ বিয়া ঠিক কৰিছে। তাইৰ তেতিয়া বয়স আছিল মাথো ১৫ বছৰ। এক সময়ৰ কাৰণে মাষ্টৰজন স্তম্ভিত হৈ পৰিছিল। এয়াওটো এক বাল্য বিবাহ। এনেকৈয়ে নোহোৱা হৈ যায় সময়ৰ কালগ্ৰাসত সমাজৰ উজ্বল প্ৰতিভা।

ঘটনাটো আছিল প্ৰণালী মাক ঢুকুৱাৰ প্ৰায় এবছৰ পিছৰ। অনবৰতে নিচাসক্ত হৈ থকাৰ বাবে দেউতাকৰ অৱস্থা ক্ৰমান্বয়ে তথৈবচ হৈ আহিছিল। এনেকৈ সময়বোৰ গৈ আছিল, সময়ত দেউতাকৰ দেহত এক জটিল ৰোগে দেখা দিছিল। দেউতাকক হস্পিতাললৈ লৈ যাওঁতে গম পোৱা গৈছিল। ৰোগৰ চিকিৎসাৰ বাবে বহুত অৰ্থৰ প্ৰয়োজন হৈছিল। সেই সময়ত সিহঁতক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল মহাজন সত্য প্ৰসাদ। সেইখিনিলৈ ঠিকে আছিল, কিন্তু যেতিয়া মহাজনে পইচাৰ বিনিময়ত সিহঁতৰ ঘৰখনলৈ আগবঢ়াই দিছিল এটি সপোনৰ অগোচৰ প্ৰস্তাৱ। মহাজনৰ সৰু পুতেকৰ বাবে বিচাৰিছিল প্ৰণালীক। প্ৰণালী তেতিয়ালৈ মানসিক আৰু শাৰীৰিকভাৱে বিয়াৰ বাবে প্ৰস্তুত নাছিল। কিন্তু তাইৰ সন্মতিৰ আগত আছিল দেউতাকৰ জীৱন। দেউতাকে তাইৰ বাবে কি কৰিলে, ঘৰখনৰ বাবে কি কৰিলে, সেইবোৰ ভবাৰ সময় তাইৰ হাতত নাছিল। তাই বিয়াত বহিবলৈ মান্তি হৈছিল। পখিলা খেদাৰ বয়সত হাতত তুলি লৈছিল?

বিয়াৰ দিনাখন দেখা পাইছিল তাইৰ স্বামীজনক। বয়সত দুয়োৰে মাজত আকাশ-পাতাল প্ৰভেদ। সকলোৱে কোৱা-কুই কৰিছিল—বুঢ়া বয়সত কুমলীয়া সুখ। তাই সকলো ভাগ্যৰ লীলা বুলি আঁকোৱালি লৈছিল জীৱনৰ প্ৰত্যাহ্বানবোৰ। এইবোৰত তাই অভিস্ত হৈ পৰিছিল। পিছলৈ তাইৰ আগত ওলাই পৰিছিল মহাজনৰ ঘৰৰ স্বৰূপবোধ। সহ্য কৰি গৈছিল যৌতুকৰ সকলো অত্যাচাৰবোৰ।

ভগৱানে দুখ দিলে, এটাৰ পিছত এটাকৈ দিয়ে থাকে। সেইখিনি সময়ত তাইৰ জীৱনলৈ আহিছিল জোনালী। খুব কম বয়সতে মাতৃত্বৰ বোজা গাত ল'বলগীয়া হৈছিল। মহাজনে আগতেই কৈছিল ল'ৰা হ'লেহে এই পৃথিৱীত স্থান আছে তাৰ। নিয়তিৰ কি পৰিহাস। জোনালীৰ জন্মৰ পিছৰে পৰা তাইৰ ওপৰত আৰু অত্যাচাৰ হ'বলৈ ধৰিছিল। এদিন তাই মহাজনে কাৰোবাৰ আগত তাইক মৰাৰ কথা পাতি থকা শুনিছিল। সেয়ে তাই ওলাই আহিছিল মাজনিশা, জোনালীক লৈ।

তাই গুচি গ'ল, জোনালীক পিশাচৰ সমাজত থৈ।

(বাল্য বিবাহ সমাজৰ এক জটিল ব্যাধি, এই প্ৰথা সমাজৰ পৰা নোহোৱা কৰিবলৈ সজাগতামূলক সভা আৰু শিক্ষাৰ প্ৰভাৱ বৃদ্ধি কৰাটো খুবেই প্ৰয়োজন।) ■■



# শূন্যতা

**খঞ্জনা ডেকা**
চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

'জীৱনটোৱে হৈছে শূন্যতাৰে ভৰা, না লগত কোনোবা যাব না কোনোবা লগত থাকিব। যিদৰে অকলে পৃথিৱীলৈ আহিছো এদিন অকলেই যাব লাগিব' — হঠাৎ কলেজৰ চকীদাৰ দাদাই কলেজ ছুটি হোৱাৰ বেলটো বজাই দিলে। দৰ্শনৰ ছাৰে বজাই থকা এই কথাষাৰিত সুলেখাই ইমানেই মগ্ন হৈ আছিল যে বেলৰ মাততহে তাই বাস্তৱ জীৱনলৈ ঘূৰি আহিল। কষ্টুৰীকা কলেজৰ দৰ্শন বিভাগৰ এজন সুদক্ষ অধ্যাপক দ্বীপেন কলিতা ছাৰ। ছাৰে পাঠ্যপুথিৰ জ্ঞানৰ লগতে বাহিৰা বহুত কথা জীৱন, প্ৰেম, মৃত্যু, সংঘাত আদি বাস্তৱ জীৱনৰ বিভিন্ন তত্ত্বগধুৰ কথা ক্লাছত বুজাই দিয়ে। সেয়েহে ছাৰক সকলো ল'ৰা-ছোৱালীয়ে বহুত ভাল পায়। কিছুমান অন্য বিভাগৰো ছাত্ৰ-ছাত্ৰী এনে ধৰণৰ বাস্তৱিক তত্ত্বগধুৰ কথা শুনিবলৈ মনে মনে ছাৰৰ ক্লাছত সোমাই থাকে। সকলো ল'ৰা-ছোৱালীয়ে ছাৰৰ ক্লাছৰ বাবে অপেক্ষা কৰি থাকে। সদায়ে ছাৰৰ ক্লাছত ল'ৰা-ছোৱালীৰ বহুত ভিৰ হয়। ছাৰেও কোনোদিন কাকো একো নকয়। মনে মনে ক্লাছ কৰি গুছি যায়। ছাৰে অৱশ্যে গম পাইয়ো কাকো একো নকয়, কাৰণ তেখেতে পঢ়াবলৈ পালে বহুত ভাল পাই। সেই কাৰণে সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ ক্লাছৰ বাবে অপেক্ষা কৰি থাকে। তাৰে মাজৰ এজনী হ'ল সুলেখা। সুলেখা এজনী বিছ বছৰীয়া কল্পনাপ্ৰিয় ছোৱালী। সৰুৰে পৰা তাই বহুত দুখ-কষ্টৰে ডাঙৰ হৈছে, সেয়েহে বয়সৰ হিচাপত তাই বহুত জনা-বুজা ছোৱালী। জন্ম হোৱাৰ আগতে দেউতাক হাৰ্ট এটেকত ঢুকাল। মাকে অতি কষ্টৰে সুলেখা আৰু তাইৰ একমাত্ৰ মৰমৰ দাদাক হিতেশক পঢ়াইছে। সিহঁতৰ অভাৱবোৰ পূৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। দাদাক আৰু সুলেখা সৰুৰে পৰা পঢ়াৰ প্ৰতি আগ্ৰহী আছিল। মাকেও ইটো-সিটো কামৰ লগতে ওচৰৰে এল পি স্কুল এখনত দীৰ্ঘদিন ধৰি কৰ্মৰত আছিল। মাকৰ কষ্ট দেখি দুয়ো ভালদৰে পঢ়া-শুনা কৰিছিল আৰু মেট্ৰিকতো দুয়োজনে ভাল ৰিজাল্ট কৰিছিল। দাদাকে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ পঢ়িব গৈছিল। মাক অকলশৰীয়া হোৱা হেতুকে সুলেখাই চহৰৰে কলেজত পঢ়িবলৈ গৈছিল। অৱশেষত যেনিবা সিহঁতৰ মূৰৰ পৰা দুখৰ ছায়া আঁতৰিব খুজিছিল, দাদাকে বিদেশত পঢ়া সম্পূৰ্ণ কৰি ডাঙৰ কোম্পানী এটাত উচ্চপদৰ বিষয়া হিচাপে নিৰ্বাচিত হৈছিল। দাদাকে চাকৰি পাইয়ে নিজৰ ঘৰলৈ উভতি আহে। দাদাক অহাৰ স্ফূৰ্তিত মাকে বজাৰ কৰিবলৈ যায়, কিন্তু নিয়তিৰ কি নিষ্ঠুৰ লিখন—

পুতেকৰ সুখৰ সমভাগী হ'বলৈ যেন মাকৰ ভাগ্য নাই। বজাৰলৈ যোৱাৰ পথত তীব্ৰবেগী ট্ৰাকৰ খুন্দাত মাকৰ থিতাতে মৃত্যু হয়। সুলেখাই সেই সময়ত গোসাঁই থাপনাত চাকি দি আছিল, হঠাৎ তাই জ্বলোৱা চাকিগছিও নুমাই যায়। সেই সময়তে মাকৰ মৃতদেহটো এখন এম্বুলেন্সত লৈ আহিছিল। বাহিৰত গাড়ীৰ মাত আৰু হুলস্থূল শুনি তাই দাদাক আহি পোৱা বুলি ভাবিছিল আৰু মুখত এটা স্ফূৰ্তিৰ হাঁহি লৈ দৌৰি বাহিৰলৈ গৈছিল। কিন্তু বাহিৰত যি দেখিছিল সেয়া যেন তাই কেতিয়াও সপোনতো ভবা নাছিল। ইমান হঠাতে তাইৰ জীৱনলৈ অন্ধকাৰ নাম অহাত তাই প্ৰায় মূৰ্চাপ্ৰায় হৈ গৈছিল। সেই সময়ত দাদাকো আহি পদূলি মুখ পাই, কিন্তু সি আহোতে যিমান সুখী হৈ আহিছিল, ঘৰৰ নঙলামুখ গছকিয়ে তাৰ মূৰত সৰগ ভাঙি পৰাৰ দৰে অৱস্থা হৈছিল। এনেদৰে দিনবোৰ বাগৰি গ'ল। মাকৰ মৃত্যুৰ পিছত হিতেশ অসমতে থাকি চাকৰি কৰিবলৈ লয়। মাকক অকালতে হেৰুৱা সুলেখাই দাদাকৰ মৰম আৰু যত্নত নিজকে সান্তনা দিব পৰা হৈছিল। দাদাকে তাইক আন এখন চহৰলৈ নি হোষ্টেলত থাকি পঢ়া সম্পূৰ্ণ কৰিবলৈ এখন কলেজত নাম লগাই দিয়ে। দাদাকেও লাহে লাহে সাংসাৰিক জীৱনৰ ফালে আগবাঢ়ে। মাকক হেৰুওৱা সুলেখাই মাকৰ মৰমখিনি বৌৱেকৰ পৰা আশা কৰিছিল। প্ৰথমকেইদিন সকলো ঠিকেই আছিল। লাহে লাহে বৌৱেকে তাইক অৱহেলা কৰিব ল'লে। দাদাকেও তাইৰ পৰা আঁতৰি আহিবলৈ ধৰিলে। সপ্তাহত এবাৰকৈ হোষ্টেলত লগ কৰিব যোৱা দাদাক এতিয়া মাহেকত আৰু শেষলৈ নহায়ে হ'ল। কিন্তু সুলেখাই কোনোদিন ওলোটাই দাদাক-বৌৱেকক প্ৰশ্ন কৰা নাছিল। তাই ভাবিছিল — দাদাকে ইমান ডাঙৰ কোম্পানীত চাকৰি কৰে, সদায়নো ক'ত লগ কৰিব পাৰিব তাইক?

ক্লাছ ছুটি হোৱাৰ পিছত সকলো ঘৰলৈ গুছি গ'ল। সুলেখা আৰু তাইৰ একমাত্ৰ প্ৰিয় বান্ধৱী নেহাই হোষ্টেললৈ আহি কিতাপবোৰ ভালদৰে জাপি থৈ কাপোৰ বেগত ভৰাব ধৰিলে। সিহঁতৰ এইবাৰ ডিগ্ৰী শেষ চেমেষ্টাৰ। কলেজত ফাইনেল পৰীক্ষালৈ ডেৰমাহ দেৰি আছে, সেয়ে সকলোকে ঘৰত থাকি পঢ়িবলৈ কৈছে। হোষ্টেলৰ সকলোবোৰ ঘৰলৈ যাবলৈ তৈয়াৰ হ'ল। সুলেখায়ো ইতিমধ্যে বৌৱেকক ফোন কৰি দাদাকক তাইক আনিবলৈ ক'লে। সকলো হোষ্টেলৰ ছোৱালীক নিবলৈ আহিল। সুলেখাই বহুপৰ অপেক্ষা কৰি অকলে বহি বহি আমনি লগাৰ বাবে তাই হোমেন বৰগোহাঞিৰ 'নিঃসঙ্গতা' উপন্যাসখন পঢ়িবলৈ ল'লে। অলপ সময় পিছত ৱাৰ্ডেনৰ মাতত তেওঁৰ ওচৰলৈ গ'ল। ৱাৰ্ডেনে টেলিফোনটো সুলেখালৈ আগবঢ়াই, সিফালৰ পৰা দাদাকে ক'লে—ভণ্টি মোক বেয়া নাপাবি, মোৰ অত্যন্ত জৰুৰী কাম অহাত মই তোক আনিব যাব নোৱাৰিম। তই নাইট চুপাৰতে গুছি আহ। সুলেখাই ভাবিবলৈ ধৰিলে সন্ধিয়া ঘৰৰ পৰা ওলাই যাব নিদিয়া দাদাকজনে ৰাতি অকলে চুপাৰত আহিব দিব পৰা হ'ল। এনেধৰণৰ বহু কথাই তাইৰ মনত খুদুৱনিৰ সৃষ্টি কৰিলে। তাই চুপাৰত উঠি ঘৰলৈ বুলি ৰাওনা হ'ল। পিছদিনা দিনৰ দহ বজাত ঘৰ পালেগৈ। বহুদিনৰ পিছত ঘৰখন দেখি তাইৰ মনটো ভাল লাগি গ'ল। কিন্তু তাই ঘৰত আহি যিমান ফূৰ্তিত আছিল, বৌৱেকৰ মুখখন দেখি তাইৰ এনে লাগিল যেন তাই অহাত বৌৱেকে বেয়া পাইছে। বৌৱেকে সামান্যভাৱে ভিতৰলৈ আহা বুলি কৈ নিজৰ ৰুমলৈ গুছি গ'ল। ৰাতি দাদাক অফিচৰ পৰা আহিও তাই অহাৰ খবৰ নল'লে। তাই এনেদৰে সকলোৰে ব্যৱহাৰ দেখি মনত দুখ পালে। লাহে লাহে বৌৱেকে দিনে-ৰাতিয়ে তাইক কটু কথা শুনোৱা হ'ল। এনেদৰে কিছুদিন গ'ল। এদিন সুলেখাই নেহাক লগ কৰিব গ'ল। যাওঁতে বৌৱেকক কৈ গ'ল, কিন্তু বৌৱেকে দাদাকক ইচ্ছা কৰিয়েই নক'লে। পিছত সুলেখা ঘৰত অহাত পলম হোৱাত দাদাকে গালি পাৰিলে, সিদিনা সুলেখাই নিজৰ ভুল নথকা বুলি প্ৰমাণ কৰিবলৈ গৈ দাদাকৰ চৰ খালে প্ৰথমবাৰৰ বাবে। দাদাকে ক'লে তোৰ এইকেইদিন মুখ বেছিকৈ চলিছে, এইবাৰ পৰীক্ষা শেষ হোৱাৰ পিছত তোক বিয়া দি দিম। এনেদৰে ঘৰত থাকিলে তই বেয়া হৈ যাবি। কথামতেই কাম, পৰীক্ষাৰ পিছতেই তাইৰ বিয়াৰ দিনা ঠিক কৰা হ'ল। তাইৰ সপোনবোৰত দাদাক-বৌৱেকে পানী ঢালিলে। কিন্তু তাই নিৰুপায়, তাই যে কাকো একো প্ৰশ্ন কৰিব নোৱাৰে। নিজৰ সপোনক ভৰিৰে গছকি দাদাকৰ কথামতে তাই বিয়াত বহিল। সজাত বন্দী চৰাইৰ দৰে বিয়া নামৰ সজাত তাই চিৰদিনৰ বাবে বন্দী হ'ল, য'ত তাই নিজৰ সপোন কেতিয়াও পূৰ কৰিব নোৱাৰে। সপোনবোৰে তাইক আমনি কৰিব ধৰিলে। সকলোবোৰ থাকিও তাই নিঃসংগৰ দৰে জীৱন কটাবলগীয়া হ'ল, একমাত্ৰ দাদাক-বৌৱেকৰ বাবে। ■■

# মালতী

**লৰ বৈশ্য**
দ্বিতীয় ষান্মাসিক, ইতিহাস বিভাগ



দুই তিনি মাহৰ মূৰত পুত্ৰ ঘৰ আহি পোৱাৰ খবৰ পাই মালতীয়ে আন দিনাৰ তুলনাত আজি অলপ সোনকালেই লৰালৰিকৈ দোকান বন্ধ কৰিলে। দুখ-ভাগৰ পাহৰি পুত্ৰ অহাৰ আনন্দত দিনটোৰ মূৰত পোৱা টকা কেইটাৰে মাছ আৰু লাগতীয়াল আন আন পাচলি কেইটা কিনি দীঘল দীঘল খোজ পাতি ততাতৈয়াকৈ ঘৰ আহি জুইহালত সোমাল।

নিশাৰ সাঁজত বহি ওচৰতে ৰৈ থকা মাকক ক'লে— 'মই কাইলৈ ৰাতিপুৱাৰে বাছত যামগৈ। যেনে-তেনে টকা দহ হাজাৰ লাগিব। এই দুই দিনৰ ভিতৰত যায় ফৰ্ম ফিলাপ কৰিব লাগিব।'

'বাবা! দহ হাজাৰকে টকা এতিয়া লাগ বুলিলেই একে ৰাতিতে ক'ত পাওঁ। দুদিন দেৰিকৈ দিলে নহ'বনে?

'যদি দিবই নোৱাৰা চহৰৰ নামজ্বলা ইঞ্জিনিয়াৰিং কলেজত পঢ়াই ডাঙৰ মানুহ কৰাৰ সপোন কিয় দেখিছিলা? সেইবোৰ মই নাজানো' বুলি মাকক ধমক দি ভাতৰ কাঁহীখন দলিয়াই গৈ শুই পৰিল।

মালতীয়ে মজিয়াখন সাৰি-মুচি চাফ-চিকুণ কৰি কৰি ৰাতি পুৱালে। পোহৰ হোৱাৰ লগে লগে গাটো ধুই সেই একেই মলিয়ন কাপোৰ যোৰ মেৰিয়াই গোটৰ সভাপতি ধৰিত্ৰীৰ ঘৰ ওলাল।

বাইদেউ কিবাকে টকাখিনিৰ যোগাৰ কৰি দিয়ক। যোৱা মাহত বাবাক দি দিয়া ছয় হাজাৰ টকাটোৰ সৈতে একেলগে এইবাৰ উভতাই দিম।

আগৰ ঋণ পৰিশোধ নকৰাত দিবলৈ অমান্তি হোৱা ধৰিত্ৰীৰ হাতে-ভৰি ধৰি দোকানখন আগত ৰাখি মালতীয়ে টকা দহ হাজাৰ লৈ ঘৰলৈ ওভতিল।

হ'ল যা যি কৰিব লগা আছে কৰগৈ। গৈ আকৌ ঘৰৰ কথা চিন্তা কৰি নাথাকিবি। ভালকৈ পঢ়াইছো। তই ইঞ্জিনিয়াৰ হৈ ওলাই আহিলে ভাইটিকো স্কুলত নাম লগাই দিব পাৰিবি। ই পঢ়া-শুনা কৰিব বৰ মন কৰে।

অ' হ'ব হ'ব, যাওঁ মই। লগতে মালতীয়ে সাত বছৰীয়া ল'ৰাটো লৈ দোকান খুলিব ওলাই গ'ল।

কেইদিনমান পাছত সিহঁতৰ ঘৰত বহুত মানুহৰ ভিতৰ দেখি সাত বছৰীয়া ল'ৰাটোৱে আচৰিত হৈ কাষতে শুই থকা মাকক বাৰে বাৰে মাত 'মা, মানুহ আহিছে, মা অ' বহুত মানুহ আহিছে, উঠচোন, অ' মা...'

নাইনুঠে, নিমাত নিস্তব্ধভাৱে পৰি থকা এটা শৰীৰ যে ...।

সেই সৰু সাত বছৰীয়া ল'ৰাটোৱে নাজানে ড্ৰাগছ মানে কি? তাৰ কাণত খবৰ ল'ব অহা মানুহবোৰৰ কথাবোৰ বাজিছে— 'যোৱাকালি হেনো পুলিচে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে চলোৱা অভিযানত মালতীৰ ডাঙৰ ল'ৰাটো ঢুকাল, নিতৌ পুৱা তাই দোকানত দি যোৱা বাতৰিখনৰ ওপৰৰ পাতত আজি ফটোসহ ওলাইছিল। তাৰ পাছত জানো কি কৰিলে, আজি ফেনখনত ওলমি থকাহে দেখিলো।' ■■



# বাসন্তী

**তাপসী বৰুৱা**
চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

বসন্তৰ ৰঙেৰে মহীয়ান হোৱা এজনী ছোৱালী। তাইৰ দেহৰ ৰং শুকুলা মেঘৰ দৰে। চুলি দীঘল, পদুমৰ কলিৰ দৰে তাইৰ চকুযুৰি। এনে অপূৰ্ব সুন্দৰ ছোৱালীজনীৰ নাম বাসন্তী। ঘৰ তাইৰ সোণাজুলি গাঁৱত সুখে-দুখে, হাঁহি-কান্দোনে এই সকলো পৰিস্থিতিতে মানুহক তাই সুখত ৰাখিব বিচাৰিছিল। তাই জানিছিল জীৱনটো খন্তেকীয়া। জীৱনত অতিবাহিত কৰা তাইৰ বেছিদিনেই আছিল দুখৰ। সুখ-দুখৰ মিশ্ৰণ জীৱনটোত তাই ভাবিছিল একো কৰিব নোৱাৰে। ভেট ফুলৰ দৰে কোমল হৃদয়ৰ মৰম মানুহে বুজি নাপালে। মাত্ৰ বুজিলে তাইৰ আত্মাইহে। সকলো ফালৰ পৰা তাইৰ জীৱনলৈ বিষাদৰ ছাঁ পৰিল। কিন্তু পৰ্বতৰ শিখৰত ওখ শৃঙ্গত থকা কঠিন শিলৰ দৰে তাই সাহস কৰি সকলো সহ্য কৰি গৈছিল। কিন্তু মানুহ হ'ল বুলি কিমান সহ্য কৰিব। মাহীমাকৰ অত্যাচাৰ সহিব নোৱাৰি অৱশেষত তাই নিজৰ গাঁও এৰি গুৱাহাটীলৈ গ'ল নিজৰ বুকুত হেজাৰ সপোনৰ টোপোলা লৈ।

বহুতো দুখৰ পিছত সুখে ভুমুকি মাৰে, তাইৰ ক্ষেত্ৰতো তেনেই হ'ল। অকলশৰীয়া ছোৱালীজনী ৰাস্তাৰে গৈ থাকোতে হিৰণ্য নামৰ ভদ্ৰ মানুহ এগৰাকীৰ চকুত পৰিল। সন্তানহীন হিৰণ্য তাইৰ সৈতে চিনাকি হ'বৰ মন হ'ল। তেওঁ তাইক ওচৰলৈ আহিল আৰু তাইক মাতিলে। তাইৰ লগত কথা হৈ তেওঁ আচৰিত হ'ল। ইমান ফুল্ কুমলীয়া ছোৱালীজনীৰ কথা কোৱাৰ ধৰণ আচৰিত ভাষা শুনি তেওঁ স্তম্ভিত হ'ল। তেওঁৰ এনে লাগিল তেওঁ যেন সন্তানহীন নহয়। তেওঁ তাইক ঘৰলৈ নিজৰ ছোৱালীৰ দৰে ৰাখিবলৈ প্ৰস্তাৱ দিলে। তাই ভাবিলে এখন ঘৰক অলপ সুখ দি তাই যদি জীৱনত উন্নতি কৰিব পাৰে তেনেহ'লে তাই নিশ্চয়কৈ যাব। তাই মাৰো নামাৰোকৈ হাঁহি এটি মাৰি মানুহজনৰ ঘৰলৈ গ'ল। তাত তাই সকলো পালে। মাক-দেউতাক, হাঁহি-ধেমালি কৰিবৰ বাবে বন্ধুবৰ্গ আৰু কত যে কি? তাইক পাই হিৰণ্য আৰু ৰাধিকা দুয়ো সুখী। তেওঁলোকে তাইক পঢ়ুৱালে, মৰম দিলে। তায়ো কষ্ট কৰি পঢ়িলে। তাই সপোনতো ভবা নাছিল এই জীৱনটো এনেকুৱা হ'ব বুলি।

তাই এতিয়া এগৰাকী পুলিচ বিষয়া। চৰকাৰী কামৰ কাৰণে তাই সৰুতে এৰি থৈ অহা গাঁওখনলৈ গ'ল। বহু বছৰৰ মূৰত নিজ গাঁৰৰ সুগন্ধি ধূলি-বতাহে যেন সহজতে তাইক আপোন কৰি ল'লে। আনে ভাল নাপালেও প্ৰকৃতিয়ে তাইক ভাল পায়। তাইৰ কাম শেষ হোৱাৰ পিছত সেই সৰু ঘৰখনলৈ গ'ল। তাই ব্যাকুল হৈ পৰিছে নিজৰ ঘৰৰ মানুহৰ লগত লগ হ'বলৈ।

চোতালত ভৰি থৈয়েই মাহীমাকক দেখিলে। মাহীমাক ভয়ত আতংকিত। পুলিচ, পুলিচ বুলি চিঞৰি হাহাকাৰ লগাই দিলে। ওচৰ-চুবুৰীয়া সকলো থূপ খালে। এনেতে বাসন্তীয়ে মাহীমাকক সেৱা কৰি মা বুলি মাতিলে। তেতিয়া লগে লগে মাহীমাকৰ সৰু কালৰ কথা মনত পৰিল—বাসন্তীৰ লগত কি কি অন্যায় কৰিছিল। তাই হুকহুকাই কান্দিলে। যিজনী ছোৱালীক সৰুতে অলপে সুখ দি নাপালে, কষ্টত দিন অতিবাহিত কৰিলে, সেইজনী ছোৱালীয়ে জীৱনত উন্নতি লাভ কৰি মাহীমাকক মা বুলি মাতিছে। মাহীমাকে কান্দি কান্দি তাইক ক্ষমা খুজিলে। তেতিয়া তাই ক'লে—মা আপুনি কোনো ভুল কৰা নাই, আপুনি মোক শিক্ষা দিছে আৰু তাৰ কাৰণে মই জীৱনত সফলতা লাভ কৰিব পাৰিছো। মা যদিও মই এতিয়া আনৰ ছোৱালী তথাপিও সদায় তুমিয়ে মোৰ মা। এতিয়া ব'লক আমাৰ ঘৰলৈ। যিখন ঘৰত আমাৰ লগতে সুখ-শান্তিৰে বাস কৰিব। ■■



# নীৰৱ সাধনা

**দীক্ষিতা বৰুৱা**
দ্বিতীয় যান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

মুঠ ৬৫৭ নম্বৰ পাবলৈ সক্ষম হৈছে। গোটেই বংশৰ ভিতৰতেই প্ৰথম চিকিৎসক হ'ব এতিয়া তাই। দেউতাকে আগতীয়াকৈয়ে তাইলৈ তাইৰ সপোনৰ Stethescope ডাল দিব লৈছিলহে, এনেতে ...

'অ' ৰিম, বাবা উঠ। পৰীক্ষা আছে নহয়। উঠ।'

উফ্, সপোনহে আছিল। মাকৰ মাতটো শুনি ৰিমঝিমে চকুযুৰি খুলিলে। বিচনাৰ ওচৰতে থকা খিৰিকিখনৰ পৰ্দাৰ ফাঁকেৰে সূৰ্যৰ কুমলীয়া ৰ'দ আহি তাইৰ মুখতে পৰিছে। আজি NEET আছে, তাইৰ সপোনৰ পৰীক্ষা। ভয়ো লাগি আছে, লগতে উৎসাহিতো। শুই উঠি মুখখন ধুই তাই দাঁতকেইটা ঘঁহিও আছে, লগতে Physics ৰ formula কেইটাও মনত পেলাই আছে। গাটোও একেবাৰে ধুই আহি ৰিমঝিমে পানী এগিলাছ খাই পঢ়া টেবুলত বহি যিমানখিনি পাৰে revision দিছে। 'যদি এইবাৰ clear নহয়' — এই কথাষাৰে ৰিমক বৰকৈ আমনি কৰিছিল। অৱশেষত পৰীক্ষা দিবলৈ যাবৰ সময় হ'ল। ২ বজাৰ পৰা ৫ বজালৈ পৰীক্ষা। মাক-দেউতাকে তাইক থৈ ঘৰলৈ উভতি আহিল। ৪-৩০ বজাতেই আকৌ তাইক আনিবলৈ বুলি দুয়োজনেই পৰীক্ষাকেন্দ্ৰৰ গেটত ৰখি আছে।

ওলাই আহিছে তাই। মাকে সুধিব নাপাওঁতেই তাই কৈ উঠিল—

'নোৱাৰিলো অ' মা। মই সপোন পূৰণ কৰিব নোৱাৰিলো ....।'

চকুলো নিগৰিল, আৰু একোৱেই ক'ব নোৱাৰিলে তাই। পৰীক্ষাটো দিয়েই আচলতে তাই বুজি উঠিছিল যে, মেডিকেল কলেজ এখনত স্থান পাবলৈ যিমান নম্বৰ লাগে সিমান তাই কৰিবই পৰা নাছিল। সেই গোটেই ৰাতিটো এষাৰ কথাই কাণত বাজি থাকি তাইৰ — 'বাওঁনা হৈ চন্দ্ৰলৈ হাত মেলিব নাপায়।'

সেইদিন ধৰি ৰিমঝিমে ডাক্তৰ হোৱাৰ সপোন এৰিলে। আৰু 'ৰসায়ন বিজ্ঞান' বিভাগত ডিগ্ৰী কৰিবৰ বাবে নামভৰ্তি কৰিলে। ডাক্তৰ হোৱাৰ তাইৰ সপোন, সপোনেই হৈ ৰ'ল। নিজ হাতে সপোনক মোহাৰি ধ্বংস কৰাৰ বাবে তাই কেতিয়াও নিজক ক্ষমা কৰিব নোৱাৰিলে। বহুতো উজাগৰী নিশা কান্দি কটাইছিল তাই। ভাঙিছিল, আকৌ থিয় হৈছিল, আকৌ পৰিছিল, আকৌ উঠিছিল। নিজে নিজৰ অনুপ্ৰেৰণা হ'ব চেষ্টা কৰিছিল তাই।

১২ বছৰ পিছত ...

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ড° ৰিমঝিম বৰুৱাৰ ভাষণ আছে। মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰিছে। তেওঁ কৰা 'Drugs & Medicines'ৰ researchৰ বিষয়ে সবিশেষ জনাবলৈ GMCH ৰ MBBS কৰি থকা ছাত্ৰ-ছাত্ৰীৰ আগত ভাষণ দিবলৈ যাব ওলাইছে। গাড়ীখনৰ দুৱাৰ খুলিব লওঁতেই ...

'মন্দিৰৰ পৰা অনা ফুলপাহ লৈ যা ৰিম, ভগৱানৰ কৃপাতেই আজি ইমানখিনি হৈছ।'

মাকৰ মাতত ঘূৰি চালে, আৰু ফুলপাহ চুলিত গুজি ল'লে। এইবাৰ সপোন নহয়, বাস্তৱ এয়া। সৰু ৰিমজনীৰ সপোনৰ চিকিৎসা মহাবিদ্যালয়খনলৈ আজি মুখ্য অতিথি হিচাপে ড° ৰিমঝিম বৰুৱা হৈ যাবলৈ ওলাইছে। গাড়ীখনত বহি ড° ৰিমঝিম বৰুৱাৰ চকুৰে চকুলো নিগৰিছে— এয়া প্ৰশান্তিৰ চকুলো, এয়াই নীৰৱ সাধনাৰ সফলতাৰ চকুলো। ■■

# সংস্কাৰ

**ৰিজুমণি বেগম**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

আমি যে কওঁ সংস্কাৰ, পৰম্পৰা-সংস্কৃতিৰ কথা, সেয়েহে মই সংস্কাৰৰ বিষয়ে মোৰ অনুভৱ দাঙি ধৰিব খুজিছো। প্ৰাচীন কালত সঠিকভাৱে পৰীক্ষা নকৰাকৈয়ে আৰু প্ৰয়োজনীয় গুৰুত্ব আৰোপ নকৰাকৈয়ে ভাৰতীয় দৰ্শনত একপ্ৰকাৰ মতামতৰ গঠন কৰা হৈছিল, যাক কোৱা হৈছিল সংস্কাৰ। কোনো কাম বা আচৰণৰ প্ৰতি ই একধৰণৰ অনুৰাগ বা আসক্তি। আমি ভাৰতীয়সকলে সংস্কাৰৰ নামত বিভিন্ন ধৰণৰ কাৰ্য অনুষ্ঠিত কৰো, যি একপ্ৰকাৰৰ পূৰ্ব সংস্কাৰ। উদাহৰণ স্বৰূপে সূৰ্য গ্ৰহণ, চন্দ্ৰ গ্ৰহণৰ সময়ত কিছুমান মানুহে একো বস্তু আনকি পানী বা গাখীৰো নাখায়। এইটো এক বিশ্বাস, যাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। কিন্তু কিছুমান লোকে এই সংস্কাৰ বিশ্বাস নকৰে বা মানি ল'ব নোখোজে।

পূৰ্বতে বা আগৰ দিনত এগৰাকী বিধৱা নাৰীয়ে সংস্কাৰৰ কাৰণে তেওঁ মৃত স্বামীৰ চিতাৰ জুইত নিজৰ জীৱন ত্যাগ কৰিব লাগিছিল। যাতে পিছৰ জনমত তেওঁলোকে আকৌ এক লগ হ'ব পাৰে। তেনে ক্ষেত্ৰত তেওঁক 'সতী' আখ্যা দিয়া হয়। কিন্তু বহুতো নাৰীয়ে এনে কাম কৰিব বিচৰা নাছিল।

ভাৰতীয় সংস্কৃতি আৰু প্ৰাচ্যৰ সমাজত এটা সংস্কাৰ আছে যে কেৱল পুত্ৰ সন্তানেহে মৃত পিতৃ-মাতৃক স্বৰ্গীয় শান্তি দিব পাৰে, কন্যা সন্তানে নোৱাৰে, গতিকে পুত্ৰ সন্তানক কন্যা সন্তানতকৈ অধিক গুৰুত্ব দিয়ে। যাৰ ফলত পত্ৰ সন্তানক শিক্ষা-দীক্ষাৰ অধিক সুবিধা, চলা-ফুৰাৰ সম্পূৰ্ণ স্বাধীনতা তথাপি কন্যা সন্তানসকলে মনত কোনো ধৰণৰ মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি নোহোৱাকৈ সকলো নীৰৱে সহ্য কৰি যায়।

মানৱ সমাজৰ কাৰণে সংস্কাৰ যথেষ্ট সহায়ক। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে সংস্কাৰৰ বাবেই গৰ্ভৱতী নাৰীক সুষম আহাৰ আৰু পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। কিন্তু ভাৰতীয় সমাজখন কিছুমান কু-সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে জৰাজীৰ্ণ হৈ আছে। যেনে-জীৱ-জন্তু বলি দিয়া, ডাইনী, সোপাধৰা আদি অন্ধবিশ্বাসে সভ্য মানৱ সমাজ এখনক কলুষিত কৰে। জনজীৱনৰ সুস্থ জীৱন ধাৰণৰ ব্যৱস্থাটোক বিপৰ্যস্ত কৰি সমাজখনক অশান্ত আৰু অস্থিৰ কৰি তোলে। সেয়েহে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল — 'অন্ধবিশ্বাস, কু-সংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।' মানসিক ৰোগত ভোগা ব্যক্তিক মানসিক চিকিৎসালয়লৈ অথবা মানসিক ৰোগৰ চিকিৎসকৰ ওচৰলৈ চিকিৎসাৰ বাবে নিবলৈ মান্তি নহয়। এনে কিছুমান অনিষ্টকাৰী সংস্কাৰ মানুহৰ মাজত বিশেষকৈ গাঁও অঞ্চলত প্ৰচলিত হৈ আছে। কোনো লোকক সাপে খুটিলে বেজ বা সাপৰ ওজাৰ দ্বাৰা চিকিৎসা কৰা হয়, কিন্তু চিকিৎসালয়ত চিকিৎসা কৰা নহয়। যাৰ ফলত বহু লোকৰ মৃত্যু হয়।

শেষত আমাৰ ভাৰতীয় সমাজত চলি থকা শিক্ষাৰ জনকল্যাণকামী, যিবোৰে সমাজৰ হিত সাধন কৰে সেইবোৰ সংস্কাৰ গ্ৰহণীয়। আনহাতে যিবোৰ সংস্কাৰৰ বাবে সমাজত অন্ধবিশ্বাস, পৰম্পৰাৰ নামত মানসিক অন্তৰ্দ্বন্দ্বৰ লগতে অস্বাভাৱিক আচৰণৰ সৃষ্টি কৰিব পাৰে, এনেবোৰ সংস্কাৰ সমাজৰ পৰা আঁতৰাবলৈ হ'লে সমাজত বা মানুহৰ মাজত সকলো কথা বৈজ্ঞানিক দৃষ্টিভংগীৰে বিবেচনা কৰি উপযুক্তভাৱে শিক্ষিত কৰি তুলিব লাগিব। ■■



# ৰূপান্তৰ

**বিপ্লৱ সিংহ ডেকা**
ষষ্ঠ ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

জোনাক আৰু নিহাৰ সৰুৰে পৰা ভাল বন্ধু। দুয়ো একেলগে ডাঙৰ-দীঘল হৈছে। খেলা-ধূলা, ঘূৰা-ফুৰা আনকি দুয়ো দুয়োৰে ঘৰত ভাতৰ সাজ ধৰা নলে-গলে লগা বন্ধু। দুয়ো একেখন স্কুলতে পঢ়ি পাছ কৰিলে। একে মহাবিদ্যালয়ত নাম লগালে। অৱশ্যে জোনাক আৰু নিহাৰ পঢ়া-শুনাত মধ্যৱৰ্তী ছাত্ৰ। সাংঘাটিক ভাল নহ'লেও সিহঁতৰ ৰিজাল্ট একেবাৰে বেয়াও নাছিল।

আজি প্ৰায় চাৰি বছৰমান হ'ল জোনাক আৰু নিহাৰৰ স্নাতক শ্ৰেণী উত্তীৰ্ণ হোৱা। দুয়ো মধ্যবিত্ত ঘৰৰ ল'ৰা— চাকৰিৰ খুবেই প্ৰয়োজন যদিও সিহঁতে হয়তো অনুভৱ কৰা নাই। ঘৰৰ খাই-বৈ গধূলি আড্ডা দি দিন পাৰ কৰিছে। তাতকৈ চিন্তনীয় বিষয়, সিহঁতে গেম খেলিলে পৃথিৱীখনৰ অস্তিত্বই পাহৰি পেলায়। লাহে লাহে দুয়ো সংগৰ দোষত পৰি নিচাযুক্ত মাদকদ্ৰব্যৰ প্ৰতিও আসক্ত হৈছে। ঘৰৰ পৰা এতিয়া সিহঁতৰ ওপৰত চাপ পৰিবলৈ ধৰিছে— নপৰিবনো কিয়? দুয়ো স্বচ্ছ তেজাল ডেকা, তাতে বেকাৰ। মাক-দেউতাকে প্ৰায়ে প্ৰতিদিনে বুজাই-বঢ়াই ভাগৰি পৰিছে। আজিকালি ঠাট্টা কৰা আৰু গালি পৰাও আৰম্ভ কৰিছে। কিন্তু সিহঁতে বুজিলেহে! চাকৰি নিবিচৰা নহয়; কিন্তু বিচাৰিলেই জানো চাকৰি পায়? তাৰ বাবে কৰিব লাগিব আপ্ৰাণ চেষ্টা আৰু কষ্ট। আজিকালি বাহিৰৰ মানুহেও দুয়োকে ছেগ বুজি কাট মাৰি কথা শুনায়।

জোনাক আৰু নিহাৰ বৰ বেয়াকৈয়ে মানুহৰ ৰোষত পৰিছে। কাৰণ দুয়ো কৰ্মহীন। এদিন দুয়োৰে আলোচনা কৰি ব্যৱসায় কৰাৰ মন মেলিলে। কিন্তু সমস্যা হ'ল কিহৰ ব্যৱসায় কৰিব? তাতকৈ ডাঙৰ সমস্যা হ'ল মূলধন ক'ত পাব? কিয়নো ঘৰৰ পৰা সিহঁতক টকা দিব নোৱাৰে; নিদিয়ে। দুয়ে ব্যৱসায়ৰ বাবে টকা যোগাৰ কৰিবলৈ নানান পৰিকল্পনা কৰিবলৈ ধৰিলে। শেষত একো ৰাস্তা বিচাৰি নাপায় চুৰ কৰিবলৈ থিৰাং কৰিলে। ঘৰ বাছি ল'লে গাঁৱৰেই অৱসৰপ্ৰাপ্ত হাইস্কুলৰ প্ৰিন্সিপাল মহেন্দ্ৰ বৰাৰ।

মহেন্দ্ৰ বৰা আৰু তেওঁৰ পত্নী— ছয়-সাতটামান কোঠাৰ প্ৰকাণ্ড ঘৰটোত মাত্ৰ দুটা প্ৰাণী। ল'ৰা পঢ়ি-শুনি ডাঙৰ মানুহ হ'ল। এতিয়া আমেৰিকাত থাকে। দহ-বাৰ বছৰ ধৰি ঘৰলৈ অহাই নাই। হয়তো কৰ্ম ব্যস্ততাৰ বাবে ঘৰখন পাহৰিয়েই পেলাইছে। পত্নী-সন্তানৰ সৈতে ইতিমধ্যে তাৰেই নাগৰিকত্ব ল'লে। বুঢ়া-বুঢ়ী অকলশৰীয়া। এটা পুত্ৰ থাকিও প্ৰায় পুত্ৰহাৰা। গাঁৱৰ কোনোবা মানুহ

ঘৰলৈ গ'লে বুঢ়া-বুঢ়ীয়ে বৰ আদৰ কৰে, বৰ ভাল পায়। তাৰেই সুযোগ লৈ জোনাক আৰু নিহাৰ মহেন্দ্ৰ বৰাৰ ঘৰলৈ অহা-যোৱা আৰম্ভ কৰিলে।

প্ৰথমতে এঘণ্টাৰ পৰা আৰম্ভ কৰি লাহে লাহে জোনাক আৰু নিহাৰে তেওঁলোকৰ ঘৰত বেছি সময় কটাব ধৰিলে। কিয়নো চুৰ কৰিবলৈ ঘৰটোৰ চুকে-কোণ ভালদৰে পৰিচিত হ'ব লাগিব। বুঢ়া-বুঢ়ীয়েও সিহঁত গ'লে ভালেই পায়। জোনাক আৰু নিহাৰক পালে মহেন্দ্ৰ বৰাই বুৰঞ্জীৰ বকলা মেলিবলৈ আৰম্ভ কৰে। কাৰণ তেওঁ হাইস্কুলত বুৰঞ্জী পঢ়াইছিল। ইচ্ছা নোযোৱা সত্বেও দুয়ো ঘণ্টা ধৰি তেওঁৰ লেক্‌চাৰ শুনিছিল। উপায় নাই। মহেন্দ্ৰ বৰাৰ পেপাৰ পঢ়া অভ্যাস। সদায় পেপাৰ ৰাখে। সেইবোৰ পঢ়িও জোনাক আৰু নিহাৰৰ আগত — কোনখন পেপাৰত কি ছপা কৰিছে সেয়া আলোচনা কৰে। জোনাক আৰু নিহাৰেও উপায় নাপাই আলোচনাত যোগ দিয়ে।

এনেদৰে কিছুদিন পাৰ হ'ল। জোনাক আৰু নিহাৰ লাহে লাহে বুঢ়া-বুঢ়ীৰ ঘনিষ্ঠ হৈ পৰিল। বজাৰ সমাৰো কৰি দিয়া আৰম্ভ কৰিলে। বুঢ়া-বুঢ়ীয়েও আবদাৰ কৰে আৰু ইটো-সিটো কাম পাচে। আজিকালি জোনাক আৰু নিহাৰে দুপৰীয়াৰ ভাতসাজ মাজে-মাজে তেওঁলোকৰ ঘৰতে খায়।

এনেদৰে আপোন হৈ যোৱাৰ পিছতো দুয়ো নিজৰ উদ্দেশ্যৰ কথা পাহৰি যোৱা নাছিল। এদিন জোনাকে ঘৰৰ কোঠালিবোৰ ভালদৰে নিৰীক্ষণ কৰি থাকোতে আৱিষ্কাৰ কৰিলে এটা প্ৰকাণ্ড বুকচেল্ফ, য'ত নানান কিতাপবোৰ সু-সংযতভাৱে সজাই থোৱা আছিল। ইতিমধ্যে নিহাৰো আহিছিল আৰু দুয়ো মিলি এফালৰ পৰা কিতাপবোৰত চকু ফুৰাবলৈ ধৰিলে। খুব সম্ভৱত এই কিতাপবোৰ মহেন্দ্ৰ বৰাৰ ল'ৰাৰ। বুৰঞ্জী, বিজ্ঞান, সাহিত্য, ৰাজনীতি আদি নানা বিষয়ৰ কিতাপেৰে বুকচেল্ফ ভৰি আছে। ইমানদিনে মহেন্দ্ৰ বৰাৰ লেক্‌চাৰবোৰ আচলতে দুয়োৰে বাবে ইণ্টাৰেচটিং হৈ আহিছিল। বুঢ়াৰ পেপাৰবোৰতো দুয়োৰে চকু ফুৰাই, পঢ়ে। আজি এই বুকচেল্ফটো পাই দুয়োৰে মনত যেন আধামৰা জোনাকী পৰুৱা এটাই প্ৰাণ পাইছে। বুকচেল্ফ থকা সেই কোঠাটো সিহঁতৰ বাবে হৈ পৰিল লাইব্ৰেৰী। দুয়ো যেন কিবা বুজি উঠিল; দুয়ো অনুতপ্ত। চুৰ কৰাৰ দৰে নিকৃষ্ট মানসিকতাই সিহঁতৰ মনত কেনেকৈ পোখা মেলিলে? আগতেটো সিহঁত তেনেকুৱা নাছিল! এইবোৰ ভাবি দুয়ো বৰ আচৰিত হ'ল। ছিঃ।

আজিকালি জোনাক আৰু নিহাৰ জ্ঞান গোটোৱাত ব্যস্ত। প্ৰায় ডেৰমাহমান হ'ল, সিহঁতে বুকচেল্ফত থকা আধামান কিতাপ পঢ়ি শেষ কৰিলে। মহেন্দ্ৰ বৰাইও সিহঁতে পঢ়িবলৈ আৰু নতুন কিতাপ অনাইছে। General aptitute, general knowledge, year books ৰ পৰা আদি কৰি বহু কিতাপ— কাৰণ জোনাক আৰু নিহাৰ দুমাহৰ পিছত হ'বলগীয়া SI Recruitement পৰীক্ষাত বহিব। দুয়োৰে মনপুতি অধ্যয়ন কৰিলে। মহেন্দ্ৰ বৰাইও যথেষ্ট উৎসাহ আৰু সহায় কৰিলে। এতিয়া আৰু সিহঁতৰ গেম খেলিবলৈও মন নাযায়, নিচাযুক্ত বস্তু খাবলৈও মন নাযায়, সময়ো নাই, কাৰণ সন্মুখত পৰীক্ষা। দুয়োৰে মনত যেন এতিয়া Establish হোৱাৰ দুৰ্বাৰ হেঁপাহ জাগি উঠিছে।

পৰীক্ষা, ইণ্টাৰভিউ সকলোবোৰ ভালে ভালে হৈ গ'ল। জোনাক আৰু নিহাৰ দুয়ো উত্তীৰ্ণ হ'ল। আজি দুয়ো দুখন থানাৰ এছ আই পদত নিযুক্তি লাভ কৰিলে। মহেন্দ্ৰ বৰা আৰু তেওঁৰ পত্নী নথৈ আনন্দিত। জোনাক আৰু নিহাৰৰ মাক-দেউতাকেও সকাহ পালে।

প্ৰায় ছমাহমান হ'ল; আজি জোনাক আৰু নিহাৰে ছুটি লৈ মহেন্দ্ৰ বৰাৰ ঘৰলৈ আহিছে। বুঢ়া-বুঢ়ীৰ লগত হাঁহি-ধেমালিৰে বেছ ভাল সময় পাৰ কৰিছে। চুৰ কৰাৰ মানসিকতাৰে যিখন ঘৰত ভৰি দিছিল, সেইখন ঘৰৰ পৰা পুলিচ হৈ ওলাই গ'ল দুয়ো। এই তমক-তভক ৰূপান্তৰ দেখি দুয়োৰে মনে মনে বৰ হাঁহি উঠিল। কিছু সময় পিছত দুয়ো আবেগিক হৈ পৰি বুঢ়া-বুঢ়ীৰ চৰণত পৰি সেৱা জনালে। পিছে মহেন্দ্ৰ বৰাইহে একোকে ধৰিব নোৱাৰিলে।
■■



# সপোন

## *আৰু দায়িত্ব*

**জ্যোতিস্মিতা ডেকা**
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

ছয় বাজিছে। তাই এখন চিনাকি হাতৰ আঙুলিৰ পৰশ চুলিখিনিৰ মাজে মাজে অনুভৱ কৰিছে। হয়তো মাকেই হ'ব। এই হাতখন তাইৰ বৰ আপোনা। সুখ-দুখ সকলো সময়তে এই হাতখনেই সাৰথি। তেঁৱেই জানো জীয়াই থাকিবলৈ প্ৰেৰণা যোগোৱা নাই! সাৰ পোৱাৰ পাছতো কথাবোৰ ভাবোতেই তাইৰ বহু সময় পাৰ হ'ল। জীৱনটো যদি অংকন কৰিব পৰা গ'লহেঁতেন...। মাকৰ মাততহে তাইৰ সম্বিত ঘূৰি আহিল।

ঃ উঠ্ আকৌ, মিটিঙলৈ যাবৰ হ'লে।

ঃ উঠিছো মা, যোৱা ৰাতিও মিটিংখনৰ কথা ভাবি থাকোতেই বহু পৰ গ'ল। দুঘণ্টাৰ ভাষণত জীৱনৰ অভিজ্ঞতাবোৰ বৰ্ণনা কৰাটো জানো ইমান সহজ?

শ্ৰীমতী নিবেদিতা শৰ্মা। তেওঁ অসম লোকসেৱা আয়োগৰ এগৰাকী প্ৰশাসনিক বিষয়া। ২০২০ চনত অনুষ্ঠিত হোৱা অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ বৰ্তমান নগাঁও জিলাৰ এগৰাকী উচ্চপদস্থ বিষয়াৰূপে কৰ্মৰত অৱস্থাত আছে। ৮ মাৰ্চ - আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে পতা জিলাভিত্তিক নাৰী দিৱসৰ সভাখনৰ তেওঁ আজি মুখ্য অতিথি। এগৰাকী এ চি এছ বিষয়া হিচাপে তেওঁ সমগ্ৰ জিলাখনৰে গৌৰৱ। আজি সভাত নাৰী সৱলীকৰণ সম্পৰ্কে তেওঁলোকে বিভিন্ন বিষয় আলোচনা কৰিব। লগতে অতিথিৰ ভাষণত জীৱন সম্পৰ্কীয় দুই এটা কথাও ক'ব লাগিব। জীৱন বুলি ক'লে কোনখিনিৰ পৰানো কেনেকৈ আৰম্ভ কৰিব, তাকে তেওঁ ভাবিলে। প্ৰতিটো পুৱাই জীৱনৰ গতিপথ সলনি কৰিব পাৰে বুলি তেওঁ বিশ্বাসী।

যথা সময়ত মাকৰ সৈতে সভাত উপস্থিত হৈ তেওঁ চাৰিওদিশে নিৰীক্ষণ কৰিলে। নাৰী দিৱসৰ সুন্দৰ আয়োজন চলিছে। নিৰ্দিষ্ট সময়ত তেওঁ ভাষণ আৰম্ভ কৰিলে—

'যোৱা পাঁচটা বছৰে মোৰ জীৱনৰ গতিপথেই সলনি কৰি দিলে। এখন দুখীয়া ঘৰত জন্মা মই এজনী সাধাৰণ ছোৱালী। সপোন মানে কি মই বুজি পোৱা নাছিলো। দৰিদ্ৰতাই মোৰ জীৱনলৈ সফলতা আনিলে বুলি মই ভাবো। দশম শ্ৰেণীত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এমাহ আগত মোৰ দেউতাৰ মৃত্যু হৈছিল। এনে এক পৰিস্থিতিৰ সন্মুখীন হৈ মানসিকভাৱে ভাঙি পৰিছিলো। অৰ্থনৈতিক দুৰাৱস্থাৰ বাবে বহু ক্ষেত্ৰত পিছপৰি ৰৈছিলো। সেই সময়ছোৱাত মাৰ বহুত কষ্ট হৈছিল। তেওঁ মোৰ পঢ়াৰ খৰচ উলিয়াবলৈ মানুহৰ ঘৰে ঘৰে কাম কৰিছিল। বহুত কষ্টেৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিলো। প্ৰতিটো সময়ত মা মোৰ ওচৰত আছিল। তেওঁ মোৰ সাহস আৰু শক্তি। উচ্চ শিক্ষাৰ বাবে যেতিয়া কটন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিছিলো, তাত বহু উচ্চ চিন্তাধাৰাৰ ব্যক্তিৰ লগত মোৰ চিনা পৰিচয় হৈছিল। তেওঁলোকৰ আদৰ্শত অনুপ্ৰাণিত হৈ অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ অনুশীলন কৰিছিলো।

বহুত ধৈৰ্য আৰু ত্যাগ, কষ্টৰ ফলত মই মোৰ সফলতা পালো। ইয়াৰ পৰা যে কেৱল কিতাপৰ শিক্ষাই লাভ কৰিলো, তেনে নহয়। জীৱন যাত্ৰাত প্ৰয়োজনীয় নানা অভিজ্ঞতা, শিক্ষা মই পাইছো। সমস্যা আহিব, সমস্যা সমাধানৰ মাজতে জীৱন জীয়াই থকাৰ আনন্দ। নানা বাধা-বিঘিনি অতিক্ৰম কৰি সফলতা পোৱাৰ আনন্দই সুকীয়া। নাৰী কেতিয়াও দুৰ্বল নহয়। প্ৰৱল ইচ্ছাশক্তিয়ে সকলো বাধা হেলাৰঙে পাৰ কৰিব পাৰে। এতিয়া মই সমাজ আৰু ৰাইজৰ হকে কাম কৰিম। আপোনালোকৰ লগত মই সদায় সাৰথি হৈ থাকিম।

হাত চাপৰিৰে সভাখন ৰজনজনাই গ'ল। উপদেষ্টা সমিতিৰ লগত বহি থকা মাতৃৰ এই দৃশ্যটো দেখি চকুলো বৈ আহিল। ■■

# জীৱনৰ মূল্যবোধ

**অনিন্দিতা ডেকা**
ৰাজনীতি বিজ্ঞান বিভাগ, পঞ্চম যান্মাসিক

লিখি লিখি হঠাৎ থমকি ৰ'ল পলাশ। বাহিৰৰ পৰা অহা তীব্ৰ বতাহজাকে তাৰ মেজৰ কাগজবোৰ বিশৃংখল কৰি পেলালে। খিৰিকি দুখন বন্ধ কৰি সি আকৌ তাৰ মেজৰ সন্মুখত বহিল। বহুত চেষ্টা কৰিও সি তাৰ লিখনিত আৰু মন বহাব নোৱাৰিলে। পলাশে তাৰ চতুৰ্থটি চাহৰ পিয়লা হাতত তুলি ল'লে। বাহিৰত এটুপ-দুটুপ কৰি বৰষুণ আৰম্ভ হ'ল। পলাশ আকৌ বিভোৰ হ'ল এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থনত।

মা, মোক স্কুলত আজি ছাৰ-বাইদেউসকলে শ্ৰেণীত প্ৰথম হোৱা বাবে খুউব মৰম কৰিলে, সকলোৱে মোৰ বাবে হাত চাপৰি বজাই আছিল। ভাতৰ কাঁহী আগত লৈ মাকক খুব উৎসাহেৰে পলাশে দিনটো বিদ্যালয়ত কি কি হ'ল, কৈ গ'ল। হ'বদে বাপা, ভাতখিনি খাই শেষ কৰ। দেউতাৰা অফিচৰ পৰা আহি পাব হৈছেই, তেতিয়াই সকলো কথা একেলগে ক'বি। আনন্দতে সি সোনকালে ভাত খাই বাৰান্দালৈ ওলাই গ'ল আৰু দেউতাকলৈ অপেক্ষা কৰিব ধৰিলে। বতৰটো ভাল নহয়, বাহিৰত থিয় হৈ থাকিব নালাগে ভিতৰলৈ আহ। মাকৰ কথা আওকাণ কৰি সি বাহিৰতেই থিয় হৈ থাকিল। বৰষুণ দিলেচোন, দেউতাৰে বা ক'ত থাকিল? ছাতিটোও নিয়া নাই লগত। বাপা তই যাবিনে ভিতৰত? এইবাৰ মাকৰ মাতষাৰ পূৰ্বৰ দৰে কোমল নাছিল। পলাশে মনে মনে নিজৰ কোঠাত সোমাই গ'ল।

আজি মোক সকলোৱে ইমান মৰম কৰিছে, ইমান ভাল পাইছে, তথাপি মাৰ শুনিব সময় নাই। দেউতাও ঘৰলে আহি পোৱা নাই। পলাশে খঙত মুখৰ ভিতৰতে কিবা ক'বলৈ ধৰিলে। সৰুৰে পৰাই পলাশৰ খংটো অলপ বেছি। এদিন মাকক কিবা কথাত খং কৰি সি সন্ধিয়ালৈ ঘৰ উভতা নাছিল। সেইদিনা পলাশে প্ৰথমবাৰৰ বাবে মাকৰ চকুত চকুপানী দেখা পাইছিল।

চাহৰ পিয়লাটো মেজত থৈ সি তাৰ সেমেকি উঠা চকুযুৰি মচিলে। আজিও সেইদিনাৰ দৰেই এজাক আমনিদায়ক বৰষুণ। বৰষুণৰ প্ৰতিটো টোপালে যেন পলাশৰ বুকুত খুন্দা মাৰিছে। অকশমান শিতানতে বাগৰি সি আকৌ ভাবিবলৈ ধৰিলে...।

বাপা মই অলপ ওলাই যাওঁ ৰহ, দেউতাৰা ক'ত বা থাকিল অলপ খবৰ কৰো। ক'ৰবাত চাইকেলখান ফছিল নেকি বোকাত। তই বাহিৰত নোলাবি দেই। দুৱাৰখান মাৰি লও। পলাশ তেতিয়াও খঙতে আছিল। মাকক একো উত্তৰ নিদি সি আপোনমনে টিভি চাবলৈ ধৰিলে। আধা ঘণ্টামান টিভিটো চাই থাকি তাৰ ৰিম'টটোত হাতখনৰ হেঁচা পৰাত টিভিত এতিয়া ৭ বজাৰ বাতৰি আৰম্ভ হ'ল। পাকঘৰৰ পৰা দুখন বিস্কুট হাতত লৈ আহি টিভিৰ চেনেলটো সলাব লওঁতেই সি শুনিবলৈ পালে, 'নগাঁওৰ মিলনপুৰ চাৰিআলিত এক ভয়ংকৰ পথ দুৰ্ঘটনা। থিতাতে নিহত ৰমেশ শৰ্মা নামৰ এজন ব্যক্তি। জানিব পৰা মতে ৰমেশ শৰ্মা মিলনপুৰৰেই স্থায়ী বাসিন্দা আছিল। তীব্ৰ বেগেৰে অহা এখন ট্ৰাকৰ সৈতে সংঘটিত এই ভয়ংকৰ দুৰ্ঘটনা। ট্ৰাকৰ চালক বৰ্তমানেও পলাতক ...।

মুহূৰ্ততে পলাশ মূৰ্চা গ'ল। চকু মেলি সন্মুখত ওচৰ-চবুৰীয়াৰ সকলো মানুহক দেখা পালে। গোটেই ঘৰখনক যেন এক বিৰক্তিকৰ মৌনতাই ঘেৰি ধৰিছে। বাহিৰৰ পৰা দৌৰি আহি পলাশৰ মাহীয়েকে তাক সাৱটি কান্দিব ধৰিলে। 'বাপা তোৰ কি হ'ব এতিয়া! ভগৱানে কিয় এনেকুৱা কৰিলে তোৰ লগত।' বৰ নিষ্ঠুৰ এই নিয়তি। ওচৰত থিয় হৈ থকা মানুহ এগৰাকীয়ে ক'লে। পলাশ বৰ্তমানেও স্তব্ধ। 'দেউতাৰ ওচৰত কোন'? পলাশে কঁপি উঠা মাতৰেই আঙুলিয়াই সুধিলে। হয় সি ঠিকেই চিনি পাইছে। বগাত ৰঙা ফুল বচা মেখেলা-চাদৰযোৰ, দীঘল চুলিকোচা, দেউতাকৰ ওচৰতে শুৱাই থোৱা সেই নিষ্প্ৰাণ দেহটো। নিমিষতে মনলৈ আহিল প্ৰতিটো দিনতে সৰু সৰু কথাক লৈ, মাকৰ লগত কৰা তাৰ কাজিয়া। যোৱাকালি মাকৰ কথাবোৰত যে পলাশৰ প্ৰতি কিমান মৰম আছিল— সি যেন সকলো বুজি উঠিছিল। মাকৰ সেই মাতষাৰ সি আকৌ এবাৰ শুনিব বিচাৰিছিল। কিন্তু এইবাৰ সি মাকৰ প্ৰতিটো কথাই হেঁপাহেৰে মানিব বুলি প্ৰতিজ্ঞা কৰিছিল। চোতালত শুৱাই থোৱা সেই প্ৰাণহীন দুটা জীৱনে পলাশক জীৱনবোধৰ শিক্ষা কেনেকৈ দি গৈছিল, সেই বিষয়ে ভাবি থাকোতেই, পলাশক গভীৰ নিদ্ৰাই আগুৰি ধৰিছিল।

পলাশ বৰ্তমান বাতৰি কাকতৰ প্ৰতিষ্ঠান এটাৰ লগত জড়িত। সি প্ৰায়েই বাতৰি কাকতত নিজৰ লিখনি লিখি পঠিয়ায়। কবিতা, গল্প আৰু বহুতো। ৰাতিৰ ধুমুহা বতাহ-বৰষুণজাক এতিয়া স্থিৰ। ৰাতিপুৱা সাতমান বজাত সি তাৰ আধৰুৱা লিখনি পুনৰ লিখিবলৈ বহিল। ওচৰত চাহৰ পিয়লা আৰু দুখন বিস্কুট। তাৰ লিখনিৰ শিৰোনাম আছিল —'আধৰুৱা প্ৰতিজ্ঞা'। ■■

# আবেগ

**গিতুপল ডেকা**
অসমীয়া বিভাগ, তৃতীয় ষান্মাসিক

সিদিনাখনৰে পৰা নিজৰ জীৱনৰ এক নতুন অধ্যয়নৰ পথে যায় বুলি ভাবিছিলো, সেই দিনাৰে পৰা মনত এটি নতুন আবেগৰ জন্ম হৈছিল। আবেগৰ ভাৱনাৰে স্মৃতিময় হৃদয়ত এটি নতুন উদ্ভিদৰ পোখা মেলিলো লাহে লাহে উদ্ভিদৰো ঠাল-ঠেঙুলি মেলিব আৰু মোৰ আবেগো যথেষ্ট মন্থৰ হ'ব।

'আবেগ' শব্দৰ অৰ্থ প্ৰথমে নিজে বাখ্যা কৰিছিলো। কিন্তু সময়ৰ সোঁতে মোক বুজালে যে আবেগ শব্দটো যথেষ্ট সাধাৰণ কিন্তু পাপ্য যথেষ্ট কঠোৰ। নিজৰ জীৱনৰ আবেগ আগত ৰাখি যাত্ৰা আৰম্ভ কৰিছো। পিৰালিত পঢ়ি থকা ল'ৰাজনে আহি কলেজৰ দুৱাৰ গছকিব। কলেজ কি সুন্দৰ নাম? য'ত প্ৰতিজনে নিজৰ সপোন পূৰণৰ পথে গতি কৰে। দৰং জিলাৰ ল'ৰা হিচাপে 'মঙলদৈ মহাবিদ্যালয়'ত অধ্যয়ন কৰাটো মোৰ আৱেগ আছিল। যিদিনাখন উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল পাইছিল সেইদিনা মই যথেষ্ট সুখী হৈছিলো। কাৰণ ভৱামতে ফলাফলো পাইছিলো। বহুতে বহুতো প্ৰতিষ্ঠানৰ নাম কৈছিল, কিন্তু মোৰ আৱেগৰ পথ কাৰোৰ কথা মমৰ দৰে জ্বলি থাকিব পৰা নাছিল। ফলাফলৰ পিছত মই মঙলদৈ মহাবিদ্যালয়ৰ নামভৰ্ত্তিৰ অনুপত্ৰ দাখিল কৰিলো। তাৰ পিছত নামভৰ্ত্তিও কৰিলো। অসমৰ প্ৰাণ আৰু মাতৃভাষাক অধিক উন্নত কৰা পথে মই অসমীয়া বিভাগটো নিৰ্বাচন কৰিলো। মোৰ এটি লক্ষ্য আছিল যে, অসমীয়া ভাষা বিকাশত কিছু হ'লেও নিজৰ চাপ হোৱাটো নিশ্চিত কৰি ৰাখিছিলো।

মেলিলোঁ পাতনি তোমাৰ চকুতে আই
মেলিলোঁ নিজৰ আৱেগৰ পথে নাওঁ।
মেলিলোঁ মই তোমাৰ বুকুত নিজৰ ভাষাৰ নাওঁ
আৰু জ্বলালো মই আশাৰ চাকি তোমাৰ বুকুত।।

আবেগৰ পথত আকৌ নতুন কৈ উদ্ভৱ হ'ল সপোন আবেগ আৰু সপোন দুয়োটি শব্দ যথেষ্ট মধুৰ। মোৰ জীৱনৰ গতিপথ সলনি কৰা দুয়োটি শব্দক মোক সৰল বাখ্যা। মই ধন্য অসমীয়া ভাষাত এনে বহুতো সাধাৰণ শব্দই সকলোৰে জীৱনত ভূমিকা লৈছে। এনে অসমীয়া ভাষাৰ প্ৰথমে ক'ত, কেনেকৈ লিখিত ৰূপত আৰ্হি পাইছিল সেই সম্পৰ্কে মই যথেষ্ট ব্যাখ্যা দিব নোৱাৰিম। মহাবিদ্যালয়ৰ বিভাগৰ পৰা পোৱা তথ্য মতে মই অলপ আলোচনা কৰিম।

অসমীয়া ভাষাৰ পোন প্ৰথমে চৰ্চা বৰ্ণনা হৈছিল স্থাপত্য আৰু ভাস্কৰ্য্যৰ জড়িয়তে। স্থাপত্যই অসমৰ বহু পুৰণি সময়ৰ ইতিহাস দাঙি ধৰে আৰু ভাস্কৰ্য্যই তাৰ নিদৰ্শন প্ৰদৰ্শন কৰে। নানা ব্যক্তিৰ টোকা, শিলাস্তূপ আদিৰ জড়িতে অসমীয়াৰ অসমীয়া ভাষাৰ অৱতাৰণা কৰিছো। সৰলভাৱে ভাষাৰ বৰ্ণনা মই ইমানে কৰিলো।

আবেগৰ পথে সপোনৰ দিশে মই জীৱন আশাৰ মেলিলো আৰু আবেগৰ পথত আহি আহি নিজেও নিজৰ জীৱনৰ ভৰিষ্যৎ সুগম কৰিলো। 'মঙলদৈ মহাবিদ্যালয়'ৰ দুৱাৰ গচকি আজিলৈকে বহুতো শিক্ষকৰ লগত চিনাকি হ'লো আৰু মোৰ ব্যক্তিত্বৰে সকলোৰে প্ৰিয়প্ৰাপ্ত হ'বলৈ প্ৰয়াস কৰিছো। প্ৰতিজন গুৰুৰ যি বিনয় আচৰণ সেয়া যথেষ্ট মহান আৰু যি সৰল মনোবৃত্তি সেয়াও মহান, এই আৱেগৰ পথত সপোনক বাস্তৱ কৰোতে এই গুৰু সকলৰ মহান অৱদান আছে। সেয়ে প্ৰতিজন গুৰুলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

এই আশাৰ গজালি মঙলদৈ ৰ মাজমজিয়াৰ এটি চকুত উৎপন্ন হোৱা আৱেগ যে সফল হ'ব পাৰে। সেয়া সাধ্য আৱেগৰ সফলৰ বাবে মানুহৰ এদম্য বিশ্বাস যে থাকিব লাগে সেয়া এটি মহান গুণ। আৱেগ দেখা মহাবিদ্যালয়খনকো মোৰ সহশ্ৰদ্ধা চাকিৰ দাবীৰ প্ৰণাম। যি সকল গুৰুৱে নিজক গলি আনৰ পোহৰ বিকৰণত সহায় কৰে তেওঁলোককো অশেষ প্ৰণাম। ■■

# নিয়তিৰ অভিশাপ

**মধুস্মিতা ভাৰ্গৱ**
দৰ্শন বিভাগ, ষষ্ঠ যান্মাসিক

আজি নম্ৰতাৰ মনটো বৰ উগুল থুগুল লাগি আছে আৰু নহ'বওনো কিয়? আজি যে তাইৰ জীৱনটো এটা নতুন পথত গতি কৰিব। কিমান যে স্ফূৰ্তি, বিয়াৰ দিন ঠিক হোৱাৰ আগৰ পৰাই বিশেষ দিনটোৰ বাবে হৰেক ৰকমৰ বজাৰ, গহনা, চাদৰ-মেখেলা কত যে কি। কি কৰিব, কি নকৰিব, কিমান যে চিন্তা আৰু অৱশেষত সেই বিশেষ দিনটো আহিল। মাক-দেউতাক আত্মীয়-স্বজনেৰে ঘৰখন উগুল-থুগুল হৈ পৰিছে। ককায়েকৰটো বহি বৰ সময়ে নাই।



তাই তেতিয়া স্নাতক পঢ়ি আছিল। তাই অতিকৈ নম্ৰ জাকত জিলিকা আছিল; কেৱল পঢ়াতেই দিন-ৰাতি কটাইছিল। বাহিৰৰ পৃথিৱীখন কেনেকুৱা তাই কেতিয়াও উপলব্ধি কৰিব পৰা নাছিল। কাৰণ তাইৰ এটাই সপোন আছিল এগৰাকী উচ্চ সাংবাদিক হোৱাৰ। তেনেতে এজন ল'ৰাৰ লগত তাইৰ সাক্ষাৎ হ'ল যিয়ে তাইক বাহ্য পৃথিৱীখনৰ লগত চিনাকি কৰি দিলে। লাহে লাহে অম্লান আৰু নম্ৰতা কেনেকৈ দুয়োজন দুয়োৰে প্ৰতি দুৰ্বল হৈ পৰিল সিহঁতে গমকে নাপালে। সময় তেনেদৰে গৈ থাকিল আৰু সিহঁতৰ সম্পৰ্কও আৰু গভীৰ হৈ ফৰিল। সময়ত দুয়োখন ঘৰৰ মাজতো সম্পৰ্ক গঢ়ি উঠিল। এনেদৰে এদিন তাই কৰা কঠোৰ পৰিশ্ৰম আৰু অম্লানে দিয়া সাহসৰ বাবে তাইৰ সপোন পূৰণ হ'ল। তাইৰ সপোন পূৰণ হোৱাৰ পিছত দুয়ো মিলি সিদ্ধান্ত ল'লে যে দুয়ো যুগ্ম জীৱন আৰম্ভ কৰিব। কথা মতে কাম, দুয়োখন ঘৰে মিলি ব্ৰহ্মাণৰ দ্বাৰা এটা শুভদিন ধাৰ্য কৰিলে আৰু সেই মতেই সকলো ব্যৱস্থা কৰা হ'ল।

যিহেতু সিহঁতৰ প্ৰেমবিবাহ, গতিকে সম্পৰ্কই পূৰ্ণতা পাবলৈ গৈ থকাৰ বাবে তাইৰ মনটো আজি বেছিকৈয়ে আনন্দিত। সকলো জো-যা সম্পূৰ্ণ হ'ল, আয়তীয়ে নোৱাই-ধুৱাই তাইক কইনা ৰূপত সজাই তুলিলে। সঁচাকৈয়ে আজি তাইক বৰ ধুনীয়া লগা হৈছে। তাই অম্লানক ফোন কৰি সুধিলে—'তেওঁলোক ওলাইছেনে নাই আহিবলৈ।' সি ঘৰৰ পৰা ওলোৱা বুলি ক'লে। অম্লানৰ ঘৰ সিহঁতৰ গাঁৱৰ পৰা সাত কিলোমিটাৰ মান নিলগত। গতিকে আহোতে বেছি পলম নহয়। এনেকৈয়ে এক দুই কৰি চাৰিঘণ্টা পাৰ হ'ল। কিন্তু দৰা আহি পোৱহি নাই। তাইৰ লগতে মাক-দেউতাকো চিন্তাত পৰিল। এনেতে এটা অচিনাকি নম্বৰৰ পৰা ফোন আহিল। তাই ভাবিলে অম্লানে হয়তো কাৰোবাৰ পৰা ফোন কৰিছে, সেয়ে তাই ল'ৰালৰিকৈ ফোনটো কাণত ল'লে। তেনেতে সিটো মূৰৰ পৰা এটা অসহনীয় খবৰ ভাঁহি আহিল। তাইৰ সাংবাদিকতা কৰা নিউজ চেনেলৰ পৰা ক'লে তাই এটা ৰিপ'ৰ্ট প্ৰস্তুত কৰি সম্প্ৰচাৰিত কৰিব লাগে। এখন দৰা অহা বাছৰ ট্ৰাকৰ লগত হোৱা মুখামুখি সংঘৰ্ষত বাছত থকা পাঁচজনৰ থিতাতে মৃত্যু হৈছে, তাৰে এজন চহৰৰ বিশিষ্ট ব্যৱসায়ী অম্লান বৰগোহাঞি।

কথাটো শুনাৰ লগে লগে যেন নম্ৰতাৰ মূৰত সৰগ ভাঙি পৰিল। ইমান দিনৰ পৰা দেখা সপোন নিমিষতে ভাঙি চাৰখাৰ হৈ পৰিল। নিয়তি ইমান নিষ্ঠুৰনে? তাইৰ সামান্য সুখকণো ভগৱানৰ সহ্য নহ'ল। এক নিস্তব্ধতাই পৰিৱেশটো গ্ৰাস কৰি পেলালে। ■■

# শুভ্ৰ গোলাপত প্ৰেমৰ প্ৰতিচ্ছবি

জ্যোতিস্মিতা পাঠক
ভূগোল বিজ্ঞান বিভাগ, প্ৰথম ষান্মাসিক



ডিচেম্বৰ মাহ। শেষৰ ফালৰ এটি দোভাগ ৰাতি। নিশা প্ৰায় বাৰ মান বাজিছে। কেউফালে ধুৰলী-কুঁৰলী পৰিৱেশ। পদূলিৰ গেটখন খুলি থৰক্-বৰক্ খোজ দি নিজ ঘৰৰ দিশে আগুৱাই গৈ আছে শান্তনু চৌধুৰী। অইন দিনাতকৈ আজি অলপ বেছিকৈয়ে নিচা গ্ৰহণ কৰিলে। মাজনিশাৰ অন্ধকাৰত গভীৰ নিসংগতাৰ মুহূৰ্তত মদ সকলোতকৈ ঘনিষ্ঠ হৈ পৰে তেওঁৰ বাবে। থৰক্- বৰক্ খোজেৰে কোনোমতেহে তেওঁ ঘৰাৰ বাৰাণ্ডাত উঠিল। বাৰাণ্ডাৰ লগতে সংযুক্ত হৈ থকা চৌধুৰীৰ ৰুমটোৰ দুৱাৰখন অৰ্ধখোলা অৱস্থাতে আছিল। ৰুমটোত প্ৰৱেশ কৰিয়েই কোনোমতে খেপিয়াই খেপিয়াই লাইটৰ চুইচটো অন কৰাত চকা-মকাকৈ ৰুমটোৰ বিশৃংখল অৱয়বটো তেওঁৰ চকুত পৰে। বিছনাৰ কাষৰ সৰু টেবুল খনতে কাঁহি এখনত ভাতৰ লগতে দুটা বাটি ঢাকনিৰে

ঢাকি থোৱা আছে। প্ৰায় তেনেকৈয়ে সদায় মাকে ভাত সজাই থয়। আন দিনাৰ দৰেই আজিও কেউফালে এবাৰ চকু ফুৰাই ঢাকি থোৱা পানী গিলাছ খাই, সেই অৱস্থাতে অপৰিপাটি বিছনাখনতে শুই পৰে।

ৰাতিপুৱা এঘাৰ মান বজাতহে চৌধুৰীৰ টোপনী ভাঙিল। বাথৰুমলৈ গৈ গা-পা ধুই অনিচ্ছা সত্বেও মাকৰ খাতিৰত মন্দিৰত এটা সেৱা লৈ চিধাই পাকঘৰলৈ আহি ভাত খালে।

দুপৰীয়াৰ ভাত সাজ খাই পুনৰ নিজৰ ৰুমত সোমাই গৈ দেখিলে ভনিয়েকে বিশৃংখল কোঠাতো পৰিপাটি কৰি সজাই থৈছে। বিছনাখনতে বাগৰ দিলে। দেওবাৰ হোৱাৰ বাবে ঘৰতে থাকিব দিনতো তেওঁ আজি। অৱশ্যে কামলৈ গ'লেও তেওঁ ভালদৰে মন বহাব নোৱাৰে। মাক-ভনীয়েকৰ যহতে তৃপ্তিৰে ভাত সাজ খাই যেন তেওঁৰ দেহাটোই বহু সন্তোষ্টি লাভ কৰিছে। মাক হঁতেও জানে তেওঁৰ অৱস্থাৰ কথা। তেওঁলোকে নিজ সন্তানৰ এই অৱস্থাৰ বিৰুদ্ধে যোৱাৰে। যেন সাহস গোটাব পৰা নাই। ঘৰৰ একমাত্ৰ মৰমৰ ল'ৰাজনৰ এই অৱস্থা হোৱা বাবে দেউতাকৰ চকুৰ টোপনি হৰিল। দিনক দিনে পুত্ৰ শোকত মানুহজন বেমাৰী হৈ গৈছে। কিন্তু শান্তনু চৌধুৰী? হয়, তেওঁ সকলো বুজে, সকলো দেখি আহিছে। তথাপি সকলো বুজিও যে তেওঁ অবুজন হৈ ৰৈ যায়। এসময়ৰ অতি ধেমেলীয়া, খোলা-খুলি, কোনো কথাক লৈ চিন্তাত নপৰা, আনন্দ-স্ফুৰ্তিৰে জীৱন জীয়াই ভাল পোৱা ল'ৰাজন আজিকালি প্ৰায়ে বেছি সময় মৌন হৈ থাকে । সকলো সময়তে কিবা চিন্তাত নিজৰ মাজতে বিভোৰ হৈ থাকে। ৰাতিপুৱা সাৰ পোৱাৰ পৰা ৰাতি টোপনি অহালৈকে একে ধৰণৰ চিন্তা-ভাৱনাতে ডুব গৈ থাকে। আনকি সপোনতো সেই চিন্তাই এখনি মুখ হৈ তেওঁৰ মানসপটত জিলিকি উঠে। হয়, এখনি মুখ, এটা নাম, এটি হাঁহি, যি তেওঁৰ চিন্তাৰ পৰিধি। ভাৱনাবোৰ তাৰ মাজতে আৱদ্ধ।

স্নিগ্ধা শৰ্মা। নামটোৰ দৰেই ধুনীয়া এজনীৰ প্ৰেমত পৰিছিল তেওঁ। ছোৱালীজনীৰ হাঁহি, মাত-কথা, চকু-চাৱনী, শৈলী সকলোৰে প্ৰেমত পৰিছিল। সেই সাত বছৰ আগত কলেজীয়া দিনতে হঠাতে বন্ধুৰ ঘৰত লগ পোৱা ছোৱালীজনী এটা সময়ত জীৱনৰ সকলো হৈ পৰিছিল। স্নিগ্ধা, নামটোৰ দৰেই আছিল। কথাবোৰ বৰ শুৱলা আৰু মিঠা মাতযাৰ, উফ্! শান্তনু নামৰ, ছোৱালীৰ পৰা সদ্যহতে আঁতৰি থকা লৰাজনক প্ৰেম কৰিবলৈ শিকাইছিল। প্ৰেমক উপলুঙা কৰি অহা লৰাজনে প্ৰেমক পূজা কৰিবলৈ লৈছিল। দুয়োৰে ঘৰতে তেওঁলোকৰ সম্পৰ্কৰ কথা গম পাইছিল। ঘৰৰ মানুহেও তেওঁলোকৰ সম্পৰ্কক মানি লৈছিল। দুয়োখন ঘৰ অতি উদাৰ মনৰ। যাৰবাৰে জাত-পাতৰ অমিল থকা সত্বেও সেইবোৰে প্ৰেমৰ মাজত বাধা হৈ থিয় দিয়া নাছিল।

স্নিগ্ধা ছোৱালীজনী আছিল বৰ শান্ত স্বভাৱৰ। একেবাৰে নিমাখিত। মৰমলগা মুখখনিত সহজ-সৰল চানেকী। অৱশ্যে শান্তনুৰ সৈতে তাইৰ কথাবোৰ আছিল লানি নিছিগা। সেই সময়ত, অৰ্থাৎ শান্তনু কাষত থকা সময়ত পৃথিৱীৰ আটাইতকৈ কথা-চহকী যেন তাইয়ে হৈ উঠে, এনে ভাৱ হৈছিল। বিভিন্ন আব্দাৰ খং, অভিমানভৰা মৰম আকলুৱা কথাবোৰত আৰু বেছিকৈ যেন প্ৰেম উপজে তাইলৈ। বগা গোলাপ প্ৰিয় আছিল তাইৰ। সেইবাবে লগ পোৱাৰ প্ৰতি দিনেই এপাহি বগা গোলাপ স্নিগ্ধাৰ বাবে লৈ গৈছিল। তাইয়ো বগা গোলাপ এপাহিৰ দৰেই আছিল তেওঁৰ বাবে। বিশুদ্ধতা, শান্তিৰ প্ৰতীক বগা গোলাপৰ পাপৰিৰ লগত তুলনা কৰি স্নিগ্ধাৰ নামত কবিতা ৰচিছিল।

লাহে লাহে সময় বাগৰিছিল। সকলো ঠিকে চলি আছিল। শান্তনু চৌধুৰী আৰু স্নিগ্ধা শৰ্মা দুয়ো এম.এছ পাছ কৰিলে। স্নিগ্ধাই প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাবলৈ কৰিলে আৰু শান্তনুইও চাকৰীৰ বাবে বিভিন্ন ঠাইত ইন্টাৰভিউ দি থাকিল। তেনেকৈয়ে ব্যস্ততাৰ বাবে দুয়োৰে সংযোগ লাহে লাহে কমিবলৈ ধৰে। তথাপি যিমানাখিনি সম্ভৱ হয় শান্তনুই স্নিগ্ধাৰ খবৰ ৰাখিছিল। কিন্তু এদিন হঠাত স্নিগ্ধা নিজৰ ঘৰৰ পৰা নোহোৱা হয়। মাক হতে শান্তনুক জনাই যে ৰাতিপুৱাৰে পৰা তাইৰ কতো দেখা-দেখি নাই। হঠাতে ছোৱালীজনী নোহোৱা হোৱাও সকলোৰে মাজত হাহাকাৰ লাগি যায়। শান্তনুৰ কিছু মূহুৰ্তৰ বাবে উশাহ বন্ধ হৈ যোৱাৰ দৰে হৈছিল। কোনোমতে নিজক স্থিৰে ৰাখি তেওঁ সকলোতে স্নিগ্ধাক বিচাৰিবলৈ ধৰে। নাই কোনো সাং-সূত্ৰ নাই। আলহী, বন্ধু-বান্ধৱী কোনোৱেই বাকী ন'ৰল। সকলোতে বিচাৰ-খোচাৰ কৰিও স্নিগ্ধাক বিচাৰি উলিওৱাত পুলিচও ব্যৰ্থ হৈ পৰে। ক'ত হেৰাই গ'ল ছোৱালীজনী হঠাতে বুলি সৱৰে মাজত মাথো হাহাকাৰ,

কন্দা-কটা। চাৰিদিন ধৰি আপ্ৰান চেষ্টাৰ পিছতো স্নিগ্ধাক বিচাৰি উলিয়াব নোৱাৰি শান্তনু সম্পূৰ্ণ ভাঙি পৰে। তেওঁৰ স্নিগ্ধাজনীৰ অন্তৰ্ধানত হৃদয়খনে চিওৰি চিঞৰি কান্দি উঠিল। তথাপি কোনোৱেও একো কৰিব পৰা নাই।

দিন বাগৰিল। স্নিগ্ধা নোহোৱা হোৱাও ডেৰমাহ মানেই হ'ল। এদিন হঠাত এটা খবৰ আহিল। খবৰটো শুনি শান্তনুৰ ঘৰৰ মানুহো সকলো লৰা-লৰি ক'ৰবালৈ ঢাপলি মেলে। সকলোতে হোৰা-দোয়া লাগিল। মাথো ৰৈ গ'ল শান্তনু। জঁথৰ হৈ নিজক সৰু কোঠাটোতে আৱদ্ধ কৰি সোমাই থাকিল। পিছলৈ ঘৰৰ মানুহৰ মুখত শুনিবলৈ পালে উত্তৰ-প্ৰদেশৰ কোনো ঠাইৰ দ' খাৰৈ এটাত হেনো মাছ-মৰীয়া এজনে কোনো মানুহৰ কংকাল দেখিছিল। তাইক উদ্ধাৰ কৰি বহু বিচাৰৰ অন্তত সেই কংকালটো হেনো স্নিগ্ধাৰ বুলি প্ৰমাণিত হৈছে। অসম পুলিচেও তদন্ত জাৰি ৰাখিছিল বাবে অতি সহজে চিনাক্ত কৰাত সহজ হৈ পৰিছিল কংকালতো। কোনো অচিনাকি ল'ৰা এজনৰ অসৎ উদ্দেশ্যৰ বলি হৈ তাইৰ সেই অৱস্থা বুলি বিভিন্ন বাতৰি উলাবলৈ ধৰিলে। সকলোতে দুখৰ ছাঁ বিয়পি পৰিল। মাথো শান্তনু নিৰৱে ৰৈ গ'ল। তেওঁ যেন জীয়া মৃতদেহ, তেনেকুৱা হৈ পৰিল। স্নিগ্ধাৰ ঘৰতো সকলো শেষ হৈ যোৱাৰ দৰে পৰিবেশ, সকলো জঠৰ হৈ পৰিছিল।

ঘটনাৰ দুই বছৰ হৈ গল। সকলোৱে লাহে লাহে বাস্তৱতাক আদৰি সহজ হৈ উঠিবলৈ ধৰে। কিন্তু শান্তনু চৌধুৰী এতিয়াও সেই স্নিগ্ধাৰ মায়াতে বন্দি। তাই যেন জীয়াই আছে, কেতিয়াবা হঠাতে আহি উলাবহি তেনে ভাৱনা লৈয়ে দিন কটাইছে। কিছু চেগা-চুৰকাকৈ মনত আছে স্নিগ্ধাই কোৱা যে কোনোবা এজন ল'ৰাই ফেচবুকত হেনো বৰকৈ আমনি কৰি আছিল তাইক। কিন্তু শান্তনুই কেৱল ল'ৰাজনক ব্লক কৰিব কৈ কথাটা পাতলাই দিছিল। এতিয়া ভাবিলে নিজকে পাৰ্য্যমানে মনতে গালি দিয়ে যে কিয় কথাটো দ'কৈ নাভাবিলে। হয়তো তেওঁ তেতিয়া সপোনতো ভবা নাছিল সেই ল'ৰাজনকে অসৎ উদ্দেশ্যলৈ কৰা মিঠা কথাবোৰত ভোল গৈ তাইৰ জীৱনত এদিন কাল নামি আহিব। কথাবোৰ এতিয়াও ৰহস্যয়ে হৈ আছে। আৰক্ষীয়ে বহু তদন্ত চলাইও দোষীক আটক কৰিবলৈ সক্ষম হোৱা নাই। স্নিগ্ধা অতি সৰল আছিল বাবেই চাগে তাইক সহজে উৰুৱাই লৈ গ'ল। শান্তনু চৌধুৰীয়ে এটা পলৰ বাবেও তেওঁৰ স্নিগ্ধাক পাহৰিব পৰা নাই। স্মৃতি-আলি-দোমোজাত পৰিয়েই দিন নিয়াবলৈ ধৰিছে। ভগৱানৰ প্ৰতিও আক্ষেপ কিয়নো তেওঁক গোলাপ পাহি, ছিঙি লৈ গ'ল। হৃদয় থান-বান হৈ গলেও স্নিগ্ধাধা সৈতে প্ৰতিটো ক্ষণ আলফুলকৈ সাঁচি ৰাখিছে। কেতিয়াবা নিশাৰ আকাশৰ তৰাবোৰ লৈ নাইবা কেতিয়াবা বাগিছাৰ বগা গোলাপ জোপালৈ ৰ' লাগি চাই ৰয় কিজানিবা তাতেই স্নিগ্ধাক দেখা পায়। যিজনী তেওঁৰ অতিকে আপোন মৰমৰ এপাহি শুভ্ৰ গোলাপ। ■■



# এয়া যেন সপোনহে

**চিণ্টুমণি ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ, দ্বিতীয় ষান্মাসিক

"অসমৰ শিৱসাগৰ সঁচাই মোহনীয়া। প্ৰাকৃতিক সৌন্দৰ্যৰ লগতে বিশ্ব দৰবাৰতে চিৰ চিনাকি হৈ ৰোৱা অতীতৰ মন্দিৰ, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ ইয়াতেই অৱস্থিত। তোমালোকে সকলোৱে জানাই ছাগে। যি নহওক কৈ কৈ আমেজ লোৱাত কৈ ব'লা আমি এইবাৰ শিৱসাগৰ ফুৰি আহোগৈ। "এইবুলি ইংৰাজী বিষয়ৰ শিক্ষক প্ৰিতম ছাৰে সকলোকে উৎসাহিত কৰি জনালে যে কলেজৰ পৰা অহা ৰবিবাৰে পিক্‌নিক তথা ভ্ৰমণলৈ যাম।

নীলিম, প্ৰদীপ, নিয়ৰহঁতৰ আনন্দৰ সীমা নাই। ন'হবনো কিয়! মহামাৰী ক'ভিদে সকলো আনন্দত যেন এই দুই বছৰ তলা লগাই থৈছিলে। ইমান দিনৰ মূৰত ক'ৰবালৈ ফুৰিবলৈ যাব ওলাইছে, এইখিনি আনন্দত মতলীয়া হোৱাটো স্বাভাৱিক। একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মনলৈ যেন এটাই কথা ৰবিবাৰ আহিব কেতিয়া? কেতিয়া?

আহো এতিয়া আচল কথালৈ।

একে শ্ৰেণীৰে দেৱলীনা পঢ়াত অতিকৈ চোকা, সামাজিক কামত আগ-ভাগ লোৱা, দেখিবলৈ যেন সাইলাম তিলোত্তমা। তাইও যাব পিকনিকলৈ সেয়েহে নিয়ৰ, নীলিম প্ৰদীপৰ মন উগুল-থুগুল। কি কাপোৰ পিন্ধি গ'লে সুৱাব, দেৱলীনাক কেনেকৈ আকৰ্ষিত কৰিব ইত্যাদি ভাৱৰ সমাহাৰ। পিছেহ'লে আজিলৈকে কোনেও দেৱলীনাক মাতিবলৈ সাহে গোটাব পৰা নাই। কলেজৰে ক্ৰাচ্‌জনী পিক্‌নিক্‌ৰ যেন বিশেষ মানুহজনী। নিয়ৰ, নীলিম প্ৰদীপ জ্ঞাত নহয় তাই প্ৰেম ভালপোৱাৰ বিষয়ে কিবা বুজেনে! জানেনে? সিহঁতৰ মাজত বাক্-বতৰা চলে যদিও প্ৰেম ভালপোৱাৰ বিষয়ে ইজনে আনজনক কোৱা হোৱা নাই, মাত্ৰ দেৱলীনাক সিহঁতৰ ভাল লাগে।

আজি শনিবাৰ কাইলৈ পিক্‌নিক যাব। নৰিয়াত পৰিছে দেৱলীনা। ঘৰৰ মানুহে যাব মানা কৰিছে কাইলৈ। তাহৰ যাবলৈ বহুত হেপাহ আছিল। কিন্তু বেমাৰৰ বাবে যাব নোৱাৰিব। কথাখিনি নিয়ৰহঁতে গ'ম পায় সিহঁতে আলোচনা কৰাত লাগিল।

নিয়ৰ ঃ ছেহ্ বেয়াই লাগিলে।

নিলিম·ঃ হুমম। এ দে আৰু।

প্ৰদীপ ঃ নিয়ৰৰ ছাগে বেছি কৈয়ে বেয়া লাগিল। তই নহ'লে যাব নালাগে দে।

নিয়ৰ ঃ বেছি নকবা দেই প্ৰদীপ। বেয়া লাগিছে সঁচা। কিন্তু নাজাও বুলিটো কোৱা নাই। ইহ্ গোটাই।

আজি শনিবাৰ সকলো যাবলে সাজো। সময়মতেই সকলো আহি পালে। নিয়ৰ, নিলিম, প্ৰদীপ বাছৰ একেটা চিটতে বহিলহি। বাছত বহাৰ ঠিক পাঁচ মিনিট পিছতেই নিয়ৰলৈ এটি ফোন আহিল যে তাৰ মাক পিছলি পৰি হাত এখন ভাঙিছে। সি খবৰটো পাই ৰ'ব নোৱাৰিলে আৰু ততাতৈয়াকৈ বাছৰ পৰা নামি ঘৰ অভিমুখি হ'ল।

সি যাব নোৱাৰিলে পিক্‌নিকলৈ। সৌন্দৰ্যৰে ভৰা শিবসাগৰ চোৱাৰ হেঁপাহ বহুত আছিল তাৰ। কিন্তু মাকতকৈ ডাঙৰ জানো সেই সামান্য পিক্‌নিক্‌টো হ'ব পাৰে। হাস্পেটালৰ পৰা মাকক ঘৰলৈ লৈ আহিল। মাকক খোৱা-লোৱাৰ যোগান ধৰি শুবলৈ দি সি এবাৰ ওলাই যাও বুলি মাকক কোৱাত মাকেও যাব দিলে। এনেতে সি ওচৰৰে চুপহী পাৰ্কখনত অলপ বহিলহি।

কিছুসময় নীলিমহঁতৰ লগত ভিডিঅ' ক'ল কৰি পানীপুৰি খোৱাত ব্যস্ত হৈ পৰিল। কিছুসময় এনেকৈ পাৰ্কখনতে অকলে থাকি সময় সময় কটালে। ঘৰলৈ বুলি যাব খোজোতেই পিছফালৰ পৰা এটি চিনাকী চিনাকী আৱাজ সি শুনিবলে পালে। নিয়ৰ!! অ' নিয়ৰ!! শুনচোন।

নিয়ৰে আচৰিত হৈ ভাবিলে কোনো ল'ৰাক নামাতা ছোৱালীজনীয়ে আজি মোক মাতিছে ৱাহ!

মনে মনে তাৰ মনটো ভাল লাগিল কিয়নো ছোৱালীজনী অইন কোনো নাছিল তাৰ ক্ৰাচ্ দেৱলীনা হে আছিল।

দেৱলীনা ঃ খুড়ীদেউৰ খবৰটো পাই বেয়া লাগিলে। তুনি পিক্‌নিক্ নগ'লা ন!

দেৱলীনা হমম্... তোমাৰ মোবাইল নম্বৰটো দিয়াচোন।

নিয়ৰ ঃ লোৱা 6913...। ভালদৰে থাকিবা।

দেৱলীনা ঃ হ'ব দিয়া। তুমিও থাকিবা।

নিয়ৰৰ একফালৰ পৰা যদিও মন বেয়া হৈ আছিল। দেৱলীনাক লগ পাই সি কিছুহ'লেও মনৰ আনন্দ পাইছিল।

কিছুদিন গ'ল। নতুন বছৰ আহিবৰ হ'ল। সিহঁতৰ মাজত এক ওতপ্ৰোত সম্পৰ্ক গঢ়ি উঠিল। এতিয়ালৈ কিন্তু কোনেও প্ৰকাশ কৰা নাই আচল কথা।

এনেতে হঠাৎ জোৰ জোৰ কৈ ম'বাইলৰ এলাৰ্ম বাজি বাজি তাক অশান্তি দি আছিল। বাহিৰত ধাৰাষাৰ বৰষুণ। সি ভাবি নাপালে কি হৈ আছি, তাৰ ক্ৰাছ্‌জনি দেৱলীনা ক'ত? ক'তা মাকৰ চোন হাত ভঙাই নাই। নীলিম চোন মামাকৰ ঘৰ কোনোবা দিনাই গৈছিল। প্ৰদীপক লগ নোপোৱা বহুদিনেই হ'ল। তাৰ চোন মেট্ৰিকৰ ৰিজাল্টেই দিয়া নাই কেনেকৈ একাদশত উঠিলে।

সি চকু মোহাৰি ব্ৰাছডাল লৈ মুখ হাত ধুই মাকক ক'লে মা মই ডাঙৰ হ'লো।

ছেহ!! দেৱলীনা মৰতিজনি ক'ত পাম বাৰু আকৌ। ■■

# এপ্ৰিল ফুল

**সুৰভি নাথ**
অসমীয়া বিভাগ, স্নাতকোত্তৰ প্ৰথম ষান্মাষিক

সিদিনা ৰাতিপুৱাই শুই উঠি নয়নে আগদিনা ৰাতিয়ে ভাবি থোৱা মতে সিহঁতৰ ওচৰৰে মহেন দাইটিহঁতৰ ঘৰলৈ গৈ ক'লে যে, মাজনীৰ খুব টান জ্বৰ হৈছে। পাৰিলে এপাক দাইটিক তাই সিহঁতৰ ঘৰলৈ যোৱাৰ কথা বৰ জোৰ দি কৈছে। যোৱাকালি সি মোহনপুৰ বজাৰলৈ যাওঁতে ঘূৰি আহোতে তাইক বাটত লগ পাইছিল আৰু তেতিয়াই কৈছিল বুলি ক'লে।

নয়নৰ কথা শুনি মহেন দাইটিৰ খুব চিন্তা হ'ল। মাজনীয়েই হৈছে দাইটিহঁতৰ একমাত্ৰ জীয়ৰী, লগতে একমাত্ৰ সন্তান। তাইৰ আগে-পিছে আৰু কোনো নাই। দুবছৰ হ'ল তাইক মোহনপুৰৰ এজন ল'ৰাৰ লগত বিয়া পাতি দিছিল। মাক-দেউতাকৰ লগতে সিহঁত দুজন আৰু এটি ল'ৰা সন্তানেৰে মাজনীৰো এখন সুখৰ সংসাৰেই আছিল। হঠাৎ তাইৰো অসুখ হোৱা বুলি শুনি মহেন দাইটিৰ বৰ দুখ লাগিল। গাঁৱৰ ঘৰে ঘৰে দিন হাজিৰা কৰি পেটে-ভাতে খাই থকা মোহন দাইটি হোজা। অতি সহজ-সৰল মনৰ মানুহ আছিল। সেয়েহে নয়নৰ কথাখিনিও তেওঁ অতি সহজে মানি লৈছিল। কথাখিনি শুনাৰ লগে লগে তেওঁৰ মাজনীহঁতৰ ঘৰলৈ যাবলৈ মন গৈছিল যদিও তেতিয়াৰ দিনত গাড়ী-মটৰৰ সুবিধা নাছিল। কিবাকে এখন দুখন গাড়ী চলিছিল যদিও তাৰ ভাড়া দিবলৈ পইচাৰ অভাৱ। অৱশেষত তেওঁৰ পুৰণি চাইকেলখনকে লৈ মাজনীৰ ঘৰলৈ যাবলৈ থিৰাং কৰিলে। মাজনীৰ ঘৰো তেওঁলোকৰ ঘৰৰ পৰা ১২-১৫ কিলোমিটাৰমান হ'ব। লগে লগে কথাটো তেওঁ ঘৈণীয়েক মাকনিক নক'লে। মাকনিয়ে দিয়া ভাতকেইটা খায় ক'লে. মোৰ মাজনীলৈ বৰকৈ মনত পৰিছে, এপাক তাইৰ ঘৰৰ পৰা আহো।

বহুদিনৰ মূৰত দেউতাকক হঠাৎ দেখি মাজনী অবাক হ'ল। তাই দেউতাকক আলপৈচান ধৰিলে। তাত গৈ মাজনীৰ মুখত বিতংকৈ সকলো শুনি বৰ লাজত পৰিল। তেওঁ মনতে ভাবিলে এপ্ৰিল ফুল বনাবলৈ মোকহে পালেনে লগতে নয়নলৈ তেওঁৰ মনে মনে অকণমান খং উঠিছিল যদিও তেওঁ ভালো পালে, কাৰণ বহুদিনৰ মূৰত জী-জোঁৱাই, নাতি ল'ৰাক একেলগে পাই আনন্দিত হ'ল।

আবেলিৰ ভাগত তেওঁ আটাইৰে পৰা বিদায় হৈ ঘৰলৈ ৰাওঁনা হ'ল। কাৰণ মাজনীৰ মাক মাকনিক তেওঁ অকলে থৈ ৰাতি ক'তো থাকিব নোৱাৰে, কাৰণ বহুত ভয় কৰে মাকনিয়ে। মাজনীহঁতৰ ঘৰৰ পৰা এক-ডেৰ কিলোমিটাৰমান আহিয়ে এটা কেঁকুৰি আছে। ইফালৰ পৰা সিফাললৈ একো দেখা নাপায়। ইফালে সন্ধিয়া হওঁ হওঁ। মহেন দাইটিয়ে চকুৰে ভালকে দেখা পোৱা নাছিল। বয়সৰ লগে লগে চকু, দাঁত এইবিলাকৰো শক্তি কমি আহিছে। লাহে লাহে কেঁকুৰিটো পাৰ হ'ব লওঁতেই সন্মুখৰ পৰা অহা মটৰ চাইকেলে মোহন দাইটিৰ চাইকেলত খুন্দা মাৰি দিলে। অৱশ্যে মোহন দাইটিয়ে ৰাস্তাৰ বাঁওকাষেৰে নাযায় মাজেৰে গৈ আছিল। খুন্দা মাৰি দিয়াত তেওঁ বাগৰি পৰি অচেতন অৱস্থাত পৰি ৰ'ল। মটৰ চাইকেল আৰোহীজনে মটৰ চাইকেলখন ৰখাই তেওঁৰ ওচৰলৈ আহি তেওঁক চালে। তেওঁৰ চকুৰ কাষৰ পৰা অকণমান তেজ ওলাই আছিল। লগে লগে আৰোহীজনে ওচৰৰ মানুহৰ সহায়ত মোহন দাইটিক মোহনপুৰৰ ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। অৱশ্যে মোহন দাইটিৰ বিশেষ একো হোৱা নাছিল। কেইপালিমান দৰৱ দিলে আৰু সামান্য কটা অংশত বেণ্ডেজেৰে বান্ধি দিয়াত তেওঁ আকৌ ঘৰলৈ আহি।

ঘৰলৈ আহি যেতিয়া দাইটিয়ে ঘৈণীয়েক মাকনিৰ আগত সকলো বিৱৰি ক'লে, তেতিয়া মাকনিৰ খং উঠিছিল। কিন্তু মহেন দাইটিয়ে নয়নক একো নক'বলৈ ক'লে।

পিছদিনা নয়নে তাৰ মাকৰ মুখত সেই কথাখিনি শুনি বৰ দুখ পালে। সি এনে এজন সৰল মানুহৰ লগত ধেমালি কৰিবলৈ গৈ তেওঁক নিশ্চিত মৃত্যুৰ মুখলৈ ঠেলি দিয়া বাবে বৰ লাজ পালে। লগে লগে সি মহেন দাইটিৰ ওচৰলৈ গৈ ক্ষমা খুজিলে।

মহেন দাইটিয়ে তাক মৰম কৰি ক'লে—হ'ব অ', একো নাই, তই মোৰ লগত ধেমালিহে কৰিছ। যা যা, তোক মই ক্ষমা কৰি দিছো বুলি হাঁহিলে। নয়নে সেইদিনাই সেই সৰল মনৰ মানুহগৰাকীৰ ওচৰত মনে মনে আৰু এনেকুৱা ধেমালি কোনো দিনে নকৰো বুলি প্ৰতিজ্ঞা কৰিলে। ■■



# কালী পূজাৰ কাহিনী

**মানসী নাথ**
ষষ্ঠ ষান্মাসিক, দৰ্শন বিভাগ

পূজা সমূহৰ কিছুমান ৰহস্যময়ী বা মুখে মুখে চলি অহা আখ্যান থাকে। তাৰে ভিতৰৰ এক কাহিনী হ'ল কালী পূজাৰ এটা কাহিনী। কালী পূজা দীপাৱলীৰ আগদিনা হয়। যাক নৰক চতুৰ্দ্দশী বুলিও কোৱা হয়। ৰক্তবীজ পৌৰাণিক কথাৰ এটা অসুৰ, যাৰ মূৰৰ ওপৰত ব্ৰহ্মাৰ হাত আছিল। ৰক্তবীজে এক অদ্ভুদ বৰদান লাভ কৰিছিল। যেতিয়া তাৰ গাৰ পৰা তেজৰ টোপাল মাটি পৰিব তাৰ পৰা আৰু এটা ৰক্তবীজৰ জন্ম হ'ব। সেইকাৰণে ৰক্তবীজে যুদ্ধত কাহিনীও পৰাজয় বৰণ কৰা নাছিল। দেৱ-দেৱীসকল স্বৰ্গত বাস কৰিছিল। ৰক্তবীজ স্বৰ্গলৈ গৈ দেৱ-দেৱীৰ ওপৰত আক্ৰমণ কৰিছিল দেৱীসকলক পাবৰ বাবে। সকলোৱে বাধ্যত কৰি নিজৰ বচাবলৈ পলায়ন কৰিব লগা হ'ল। কিন্তু ৰক্তবীজে দেৱীসকলৰ প্ৰতি মোহিত হৈ পিছে পিছে গৈ থাকিল। দেৱী-দেৱতাসকল চিন্তাত পৰি কৈলাশ পৰ্বত পালেগৈ। আৰু দেৱী পাৰৱতীক সকলোবোৰ কথা ক'লে। দেৱী পাৰ্বতীয়ে সকলোকে পিছলৈ যাবলৈ ক'লে আৰু নিজেই ৰক্তবীজৰ লগত যুদ্ধ কৰিবলৈ ৰক্তবীজৰ সন্মুখত থিয় হৈ ৰ'ল। ৰক্তবীজ যেতিয়া কৈলাশ পায় পাৰ্বতীক দেখিলে তেতিয়া ৰক্তবীজ পাৰ্বতীৰ ওপৰত মুগ্ধ হৈ গ'ল। দেৱী পাৰ্বতীয়ে অসুৰটোক উভতি যাবলৈ আদেশ দিছিল কিন্তু ৰক্তবীজে হাঁহি হাঁহি দেৱী পাৰ্বতীৰ ফালে আগবাঢ়িবলৈ ধৰিলে। দেৱীয়ে সন্মুখত থকা মহাদেৱৰ ত্ৰিশূল উঠালে আৰু ৰক্তবীজক প্ৰহাৰ কৰিলে। পৰিণাম স্বৰূপে ৰক্তবীজৰ শৰীৰৰ পৰা তেজ ওলাবলৈ ধৰিলে আৰু এটা ৰক্তবীজৰ জন্ম হ'ল। এয়া দেখি দেৱীৰ খং উঠিল আৰু গোটেই কেইটা ৰক্তবীজৰ ওপৰত আক্ৰমণ কৰিলে, ফলত আকৌ বহুত ৰক্তবীজৰ জন্ম হ'ল। দেৱী পাৰ্বতীৰ খঙে আকাশ চুবলৈ ধৰিলে। যেতিয়া দেৱীৰ খঙে সীমা অতিক্ৰম কৰিলে তেতিয়া শৰীৰ ক'লা হ'বলৈ ধৰিলে আৰু চকু তেজেৰে ৰঙা হৈ গ'ল। দেৱীৰে এক ভয়ানক ৰূপ ল'লে। গোটেই বিশ্ব এই ভয়ংকৰ ৰূপৰ চিঞৰ শুনি কঁপি উঠিল। বাঘৰ ছাল পিন্ধি, হাতত প্ৰতিশোধৰ তৰোৱাল লৈ নৰমুণ্ডৰ মালা পিন্ধি মহাকালীৰ আবিৰ্ভাৱ হ'ল। দেৱী ইমানে ভয়ানক আছিল যে ৰক্তবীজে ভয় কৰি পলাবলৈ ধৰিলে। মা কালীয়ে ভয়ানক গৰ্জন কৰি ৰক্তবীজক খেদি গ'ল। কালী মায়ে শক্তিশালী প্ৰহাৰ কৰিলে আৰু এটা এটা কৰি অসুৰক মাৰিবলৈ ধৰিলে। আৰু তাৰ পৰা আকৌ বহুতো ৰক্তবীজৰ জন্ম হ'ল। মা কালীৰ ক্ৰোধত গোটেই বিশ্ব জ্বলিবলৈ ধৰিলে। মা কালীয়ে এখন হাতেৰে ৰক্তবীজৰ চুলিত ধৰি মূৰটো কাটিলে আৰু লগে লগে ঘটত মূৰটো ৰাখিলে, যাতে তেজৰ টোপাল এটাও মাটিত পৰিব নোৱাৰে। তাৰ পিছত ৰক্তবীজৰ শৰীৰটো খাই পেলালে। আৰু যিমানবোৰ ৰাক্ষস আছিল সেইবোৰ মা কালীৰ মুখত সোমাই গ'ল। এনেদৰে অসুৰৰ ৰজা ৰক্তবীজৰ বধ হ'ল। ■■



# বিশ্বাস

**হৰিদা চহৰীয়া**
প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

দুদিন ধৰি তাইৰ মনটো একেবাৰে ভাল নহয়। ঘৰুৱা কামেই হওক নাইবা বাহিৰৰ কামতেই কোনোটোতে মন দিব পৰা নাই। আজি ৰবিবাৰ সেয়ে ছোৱালীৰ স্কুল আৰু গিৰীয়েকৰ অফিচ নাই। সেইবাবে তাই বিচনাখনতে সাৰপাই এনেই বাগৰি আছে। মূৰটো দাঙি গিৰীয়েক আৰু কণমানি আস্থাক চালে।

দুয়ো টোপনিত লালকাল। নহ'বনো কিয়, গোটেই সপ্তাহটো ভিতৰত এই দিনটোৰ বাবেই ৰৈ থাকে। মূৰটো পুনৰ গাৰুটোত থৈ তাই ভাবিছে। তাইক স্বামী ৰিতুৰাজে বাৰু এতিয়াও বিশ্বাসত ল'ব পৰা নাই নেকি? কালি অফিচৰ পৰা ঘূৰি আহোতে তাই তাক লক্ষ্য কৰিছিল। মানুহজন যেন কিবা ভাবুক হৈ আছে। আগৰ দৰে হাঁহি স্ফূৰ্তি নাই। তাইনো কি ইমান ডাঙৰ অপৰাধ কৰিলে। মোবাইলত সামান্য দুই এটা মেচেজ। আজিৰ দিনত এইবোৰচোন একো কথাই নহয়। কোন স্বামীয়েনো নিজৰ মানুহজনীয়ে আন এজন অচিনাকি মানুহৰ লগত মোবাইলত মেচেজৰ আদান-প্ৰদান কৰিবলৈ দিব। কাহানিও ভবা নাছিল এদিন যে এই কথাটোৰ বাবে স্বামীয়ে তাইক অবিশ্বাসত ল'ব। তায়ো তেওঁক বহুত মৰম আৰু শ্ৰদ্ধা কৰে। আনহাতে ৰিজুৰাজেও কোনো গুণে কম মৰম নকৰে আৰু সেই সাহসতে চাগৈ সেইদিনা কথাষাৰ ৰিজুৰাজক কৈছিল।

ছোৱালীৰ স্কুল, গিৰীয়েকৰ অফিচ দুয়োটা ওলাই যোৱাৰ পাছত ঘৰৰ কামবোৰ শেষ কৰি বিচনাত বাগৰ দি মোবাইলটো হাতত লোৱাটো তাইৰ এটা অভ্যাস। সেই দিনাও মোবাইলটোৰ ফেচবুক চাই থাকোতে এজন ব্যক্তিয়ে তাইক বন্ধুত্বৰ প্ৰস্তাৱ দিছিল আৰু তায়ো কোনো কথা নাভাবি বন্ধুত্ব গ্ৰহণ কৰিছিল আৰ সেয়াই আৰম্ভণি। তাই যেতিয়া সময় পায় মেচেজৰ আদান-প্ৰদান কৰিছিল দুয়োৰে। সেই মেচেজবোৰত একো নতুনত্ব নাছিল। সদায় একেই 'ভাত খালানে নাই, ছোৱালী স্কুল গ'লনে নাই, তুমি কি কৰিছা' ইত্যাদি ইত্যাদি। কিন্তু তাইৰো ভুল নথকা নহয়, তাই মেচেজবোৰ কোনেও নেদেখাকৈ নাইকিয়া কৰি ৰাখে। সেইদিনা কিনো হ'ল জানো তাইৰ ভুলতে মেচেজবোৰ থাকি গ'ল আৰু সেইদিনা ৰিতুৰাজে মেচেজবোৰ পাইছিল। ৰাতি বিচনাত আস্থা টোপনি যোৱাৰ পাছত তাইক সুধিছিল। তায়ো কোনো সংকোচ নকৰাকৈ কথাবোৰ প্ৰকাশ কৰিছিল। ভবা নাছিল ৰিতুৰাজে কথাবোৰ অবিশ্বাস কৰিব বুলি। ভুলটো তাতেই হ'ল। সি তাইক বিশ্বাসত ল'ব নোৱাৰিলে, ইমান দিনৰ বিশ্বাস ভাঙি চুৰমাৰ হ'ল। সি আগৰ দৰে তাইক ভালদৰে মাত-বোল নকৰা হ'ল। কিবা এটা সুধিলেও ভালকৈ নকয়।

আস্থাৰ বাগৰ সলনি হোৱাত তাই বাস্তৱলৈ ঘূৰি আহিল। ঘড়ীটোলৈ চালে, আঠ বাজিবৰ হ'ল। আস্থাৰ গালত চুমা এটি দি লাহেকৈ বিচনাৰ পৰা তাই নামি আহিল। ■■



# নিশাৰ জোনাক

**পম্পী বড়ো**
ষষ্ঠ ষাণ্মাসিক, দৰ্শন বিভা

এখন গাঁৱত এঘৰ পেটে-ভাতে খাই চলি থকা মানুহ আছিল। তেওঁলোকৰ এজন ল'ৰা আৰু এজনী ছোৱালী আছিল। ল'ৰাজনৰ নাম দীপক আৰু ছোৱালীজনীৰ নাম পিংকী। তেওঁলোকৰ গাঁওখন বৰ পিছপৰা। প্ৰায়বোৰ মানুহেই অশিক্ষিত, স্কুল, বজাৰ আদিবোৰ বহু দূৰ। দীপক আৰু পিংকীয়ে লগ বন্ধুৰ লগতে স্কুললৈ অহা-যোৱা কৰে। মাক-দেউতাকে বাৰীৰ শাক-পাত, তামোল-পাণ আদি বিক্ৰী কৰি সামান্য সাধাৰণ বস্তুখিনিহে যোগাৰ ধৰে। মাক-দেউতাকে কোনোদিনেই সিহঁতক পঢ়া-শুনাত চকু দিব পৰা নাছিল। কিন্তু সিহঁত সকলোৱে মৰমৰ আৰু বাধ্য আছিল। সেইদৰে অভাৱ-অনাটনৰ মাজেৰে সিহঁতে পঢ়িলে। এনেদৰে দিনবোৰ গ'ল। দীপক মেট্ৰিক পৰীক্ষা দিবলৈ সক্ষম হ'ল। ক'ব নোৱাৰাকৈয়ে পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনটো আহি পালে। দীপু ষ্টাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। মাক-দেউতাকে গমেই পোৱা নাছিল যে সি পঢ়াত ভাল আছিল। স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ওচৰ-চুবুৰীয়াৰে সিহঁতৰ ঘৰ ভৰি পৰিছিল। সকলোৱে কৈছিল যে তাক বিজ্ঞান শাখাত নাম লগাই দিব লাগে। তাৰো বিজ্ঞান শাখাতে পঢ়াৰ মন। ইফালে ঘৰৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া। শেষত আনৰ সহায় লৈয়েই তাক বিজ্ঞান শাখাত নাম লগাই দিছিল। সি পঢ়া খৰচ আনৰ সহায় নোলোৱাকৈ উলিয়াবলৈ দুই এটা টিউচন কৰিবলৈ আৰম্ভ কৰিছিল। দীপকৰ প্ৰতিটো কামতে একাগ্ৰতা আৰু সাধনাৰ বাবে সফল হ'ব পাৰিছিল। তাৰ প্ৰতিটো পৰীক্ষাৰ ৰিজাল্টেই ভাল হৈছিল। এইদৰে এদিন সি বি.এছ.চি পাছ কৰিলে। উন্নত শিক্ষা ল'বলৈ তাৰ টকাই বাধা হৈ পৰিছিল। সেয়েহে সি চাকৰিৰ বাবে অ'ত-ত'ত ইণ্টাৰভিউ দিবলৈ ধৰিলে। কিন্তু ক'তো একো খবৰ নাপায় সি হতাশ হৈছিল যদিও সি সাহস হেৰুওৱা নাছিল। তাৰ বন্ধুবোৰেও তাক অনুপ্ৰেৰণা দিছিল। এনেদৰে দিনবোৰ যাবলৈ ধৰিলে। হঠাৎ এদিন বাতৰি কাকতত ইণ্টাৰভিউৰ ৰিজাল্ট দেখি তাত তাৰ নামটো পাই আনন্দতে চিঞৰি উঠিল। মাক-দেউতাকেও খবৰটো পাই আনন্দত আত্মহাৰা হৈ পৰিল। ভগৱানে যেন তেওঁলোকক চকু মেলি চালে। চাকৰিত সোমায়েই সি অভাৱত বুৰ গৈ থকা ঘৰখনৰ সকলো দায়িত্ব মূৰ পাতি ল'লে। দীপকে ঘৰখন সুন্দৰকৈ সজাই তুলিলে। পিংকীৰ উচ্চ শিক্ষা, বিয়া-বাৰু আদিৰ দায়িত্ব লগতে মাক-দেউতাকৰ স্বাস্থ্যৰ যতনো সি ল'লে। সিহঁতৰ অভাৱবোৰ দিনে দিনে নোহোৱা হ'বলৈ ধৰিলে। শেষত সি জোনটোৰ দৰে সিহঁতৰ ঘৰখন পোহৰ কৰিলে আৰু সিহঁতৰ ঘৰখন নিশাৰ জোনাকৰ দৰে পোহৰ হৈ উঠিল। ■■



# শ্বহীদ

**গৰিমা নাথ**
চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

মা মই যাবলৈ ওলালো।

ৰহ অলপ সময় ৰখি যা।

কিবা অলপ খাই যা।

নাই মা বজাৰ শেষ হ'লে বহুত শাস্তি হ'ব, তাতে আজি বস্তুকেইপদ বেছিব নোৱাৰিলে ভন্টিৰ এড্‌মিচন দিব নোৱাৰিম।

বোপাই অ' আৰু কিমান বাৰু কৰিবি আমাৰ ঘৰখনৰ বাবে। অলপটো তই নিজৰ কথা ভাব। হ'ব দে ইমান দিনটো তহঁতে মোৰ বাবে কষ্ট কৰিলি, তাতে মই কিমান ইণ্টাৰভিউ দি আছো, তহঁতে দেখিছই দেখোন।

বোপাই অ' কেতিয়া যে ভগৱানে চকু মেলি চায়।

মাই আহিলো দে।

পংকজে হাতত মোনাকেইটা লৈ ৰহা চাৰিআলিত বহা বজাৰলৈ গ'ল। মনত বহুত আশা লৈ সি বজাৰলৈ গৈছে। ভনীয়েকৰ এড্‌মিচন, তাতে দেউতাকৰ দৰৱকেইটা আনিবই আছে। ভাবি ভাবি কেতিয়া বজাৰ পালেগৈ সি ক'বই নোৱাৰিলে।

দিগন্ত বৰুৱা নগাঁও জিলা ৰহাৰ এজন ক্ষুদ্ৰ খেতিয়ক। ঘৈণীয়েক পাৰ্বতী এজনী লক্ষ্মী গৃহিণী। বিয়াৰ এবছৰ পিছতে তেওঁলোকৰ জীৱনলৈ আহিছিল এটি দেৱ শিশু পংকজ বৰুৱা। ভগৱানৰ কৃপাত কেইবছৰমান পিছত তেওঁলোকৰ মৰমৰ কন্যা ৰূপালী। ধানে-ধনে, পুত্ৰ-কন্যাৰে দিগন্তৰ নদন-বদন অৱস্থা। যাৰ বাবে হয়তো ভগৱানৰ কু-দৃষ্টি পৰিল। পংকজ তেতিয়া উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকত পঢ়ি আছে, ভনীয়েক ৰূপালী সপ্তম শ্ৰেণীত। সেইদিনা দিগন্ত বজাৰলৈ যাবলৈ ওলাওতে কেনেবাকৈ পিছলি পৰি শৰীৰত বৰ আঘাত পালে। ততাতৈয়াকৈ হাস্পাতালত নিয়া হ'ল যদিও ডাক্তৰে ক'লে যে, তেওঁ পেৰালাইচিচত ভুগিছে। সকলোৰে যেন মূৰত সৰগ ভাগি পৰিল। ঘৰৰ একমাত্ৰ জীৱিকাৰ পথটো বন্ধ হৈ গ'ল। তেতিয়াৰ পৰা দায়িত্ব পংকজৰ ওপৰত পৰিল। এফালে দেউতাকৰ দৰৱৰ খৰচ আনফালে ভনীয়েকৰ পঢ়াৰ খৰচৰ উপৰিও সকলো খৰচ সি বহন কৰিব লাগে। সি কিবাকৈ ফাইনেল পৰীক্ষা দি পঢ়া সামৰিলে। দুই চাৰিটা

ইণ্টাৰভিউ মাৰিছে কিন্তু এতিয়ালৈ ৰিজাল্ট অহা নাই। ঘৰৰে বাৰীৰ তামোল-পাণ বেচি বা অ'ত-ত'ত কাম কৰি কিবাকৈ ঘৰখন চলাই আছে।

কিলিং কিলিং চাইকেলৰ বেলৰ মাত শুনি পংকজ বাহিৰলৈ ওলাই আহিল।

দাদা মই পোষ্টমেন, পংকজ বৰুৱাৰ ঘৰ এইটো হয়নে?

হয় হয়, মইয়ে পংকজ বৰুৱা।

দাদা ইয়াতে এটা চহী মাৰক।

ঠিক আছে দিয়া।

পোষ্ঠমেনটো যোৱাৰ পিছত পংকজে খামটো খুলি চালে। সি হাঁহিব নে কান্দিব লাগিল। তাৰ চাকৰি হ'ল মিলিটেৰী ফৌজত। তাৰ কথা শুনি মাক, ভনীয়েকৰ লগতে সমগ্ৰ গাঁওবাসীয়ে মনত আনন্দ পালে।

চাওঁতে চাওঁতে চাকৰিৰ বাবে যোৱা সময়খিনি আহি পালে। মাক-দেউতাক গাঁৱৰ মানুহবোৰৰ পৰা আশীৰ্বাদ লৈ সি গুছি গ'ল গৈ এক নতুন জীৱনৰ সন্ধানত। মাজে মাজে সি ঘৰলৈ চিঠি পঠিয়ায়। ঘৰৰ পৰাও তালৈ চিঠি পঠিয়ায়। এবছৰ ট্ৰেইনিং শেষ কৰি ঘৰলৈ আহিল। সি আহোতে ঘৰৰ মানুহৰ যে ফূৰ্তিৰ সীমা নাই। ভনীয়েকৰ যে কিমান আনন্দ।

ইটো-সিটো কৰি এমাহ পিছত মাক-দেউতাকৰ আশীৰ্বাদ লৈ পংকজ গুছি গ'ল গৈ তাৰ নিজৰ গন্তব্য স্থানলৈ।

আজি পংকজৰ দেউতাক ঢুকুৱাৰ ২৫ দিন হ'ল। পাঁচদিন পিছত সি আকৌ যাবলৈ ওলোৱাৰ আগতে তাৰ মাকে ক'লে—বোপাই অ' ময়ো লাহে লাহে বুঢ়া হৈ আহিলো। এইবাৰ তই ঘৰলৈ আহিলে তোৰ বিয়াৰ কথা ভাবিব লাগিব।

মায়ো যে কি কোৱা নহয়। ভনী থাকোতে মই ভাবিব পাৰোনে বাৰু? আগতে তাইক ভাল মানুহ এঘৰলৈ বিয়া দি লওঁ। তাৰ পিছত মোৰ কথা ভাবিম। নহয় অ' বোপা তই এবাৰ ভাবি চা। হ'ব দে, তহঁতে যি ভাল দেখা।

পাঁচদিন পিছত সি মাক-ভনীয়েকক অকলশৰীয়া কৰি গুছি গ'ল। আজি কেইবাদিনো ধৰি পংকজে ঘৰলৈ খবৰ পঠিয়াব পৰা নাই। কাশ্মীৰ সীমান্তত তাৰ ডিউটি পৰিছে।

মঙ্গলবাৰৰ সন্ধিয়া ৭-০০ বজাত। পংকজৰ মাক আৰু ভনীয়েক ৰূপালীয়ে সন্ধিয়াৰ বাতৰি ৰেডিঅ'ত শুনি আছিল।

এয়া আকাশবাণী গুৱাহাটী, আজি পুৱতি নিশা কাশ্মীৰ সীমান্তত ভাৰতীয় সেনা আৰু পাকিস্তানী উগ্ৰপন্থীৰ গুলীয়া গুলীত অসমৰ নগাঁৱৰ ৰহাৰ পংকজ বৰুৱা শ্বহীদ হয়।

ক্ৰমান্বয়ে ৰেডিঅ'ৰ শব্দ কমি আহিল। ■■

# যমদূতৰ নাচোনশাল

**পিংকী নাথ**
অসমীয়া বিভাগ, তৃতীয় ষান্মাসিক

এসময়ৰ কথা। তিনিজন নলে-গলে লগা বন্ধু আছিল। বকুল, টিংকু আৰু ভৰেশ। তেওঁলোকৰ কোনো ধৰণৰ চাকৰি-বাকৰি নাছিল। সেয়েহে তেওঁলোকে এদিন সহজ ধন ঘটাৰ উপায় ভাবিবলৈ ধৰিলে। তেওঁলোকৰ সেই কথাবোৰ শুনি আছিল এজন বুঢ়া মানুহে। তেওঁ ল'ৰাকেইটাক ক'লে—'এজন বাবা আহিছে। যিজনে তোমালোকৰ কথা সঁচৰ কৰি দিব পাৰে। কিন্তু সেই বাবাজন অৰণ্যৰ মাজত থাকে। তেওঁক বিচাৰি পোৱা খুব কঠিন।' এইখিনি কৈ তেওঁ তাৰ পৰা গুছি গ'ল। পিছদিনা তিনিওজন বুঢ়াজনৰ কথামতে বাবাজনক বিচাৰি গ'ল। কিন্তু সেই অৰণ্যখনত আজিলৈকে যিমানবোৰ মানুহ গৈছিল, কোনেও উভতি অহা নাছিল। এই অৰণ্যখনৰ এটা বৈশিষ্ট্য আছে যে যিয়ে সেই হাবিলৈ যায় অলপমান যোৱাৰ পাছতেই সেই হাবিখন আন্ধাৰ হ'বলৈ ধৰে। বাহিৰৰ জগতত দিন হৈ থাকিলেও তাত ৰাতি হোৱা যেন লাগে।

তেওঁলোক তিনিওজন সেই হাবিখনলৈ গ'ল আৰু তাত লাহে লাহে গধূলি হৈ আহিল। অলপ দূৰ যোৱাৰ পাছত হঠাৎ তেওঁলোকে মানুহ এজন দেখা পালে। কিন্তু কি আচৰিত! মানুহজন মুহূৰ্ততে নোহোৱা হ'ল। তাকে দেখি তেওঁলোকে তকে ভ্ৰম বুলি ভাবি আগবাঢ়ি গৈ গৈ থাকোতে তেওঁলোকে তিনিটা ৰাস্তা দেখা পালে। পিছে কোনটো ৰাস্তাৰে যাব তাৰ গুণা-গঁথা কৰি থাকোতেই সিহঁতৰ মাজৰে এজনে ৰাস্তাৰ এটা মূৰে তিনিটা মৰা মানুহৰ শৱ দেখা পালে। কিন্তু ল'ৰাজনে তাৰ লগ কেইটাক এই বিষয়ে জনোৱা নাছিল। তেওঁলোকে সেই পথেৰে গৈ থাকিল।

কিন্তু এয়া কি? সেই মানুহজন যে আকৌ। সিহঁতে ভয় খাই উঠিল। তেতিয়া ৰাতি আঠমান বাজিছিল। মানুহজনে সিহঁতক তাৰ পৰা ঘূৰি যাবলৈ ক'লে। কিন্তু সিহঁতে মানুহজনৰ কথা নাজানি আগুৱাই গৈ থাকিল। মানুহজনো লগে লগে নাইকিয়া হ'ল।

ল'ৰাকেইজনৰ এইবাৰ আৰু অধিক ভয় খোৱাৰ পাল পৰিল। সিহঁতে লৰা-ঢপৰাকৈ সেই ঠাই এৰিলে। সিহঁতে এইবাৰ দৌৰা-দৌৰিকৈ আগুৱাই গৈ থাকিল। গৈ গৈ সিহঁতৰ ভাগৰ লগাত এখন নদীৰ পাৰত তিনিওজন বহিলগৈ। তীব্ৰ পিয়াহ লগাত সেই নদীৰেই পানী খালে। পানী খাই থাকোতে সিহঁতৰ এজন হঠাৎ আকৌ নোহোৱা হৈ পৰিল। সিহঁতে তাক বিচাৰি ফুৰোতে পুনৰ সেই মানুহজনে দেখা দিলে আৰু ক'লে—'তোমালোকে মোৰ কথা নুশুনিলা।' তেতিয়া সিহঁত দুয়োজনৰ এজনে ক'লে—'আমাক যোৱাৰ বাট দেখুৱাই দিয়ক খুড়া, আপোনাৰ ভৰিত ধৰিছো।'

মানুহজনে ক'লে—'এই কাম মই কৰিব নোৱাৰিম। তোমালোকৰ সেই লগৰজনো আৰু নাই' বুলি কৈ নোহোৱা হ'ল। ল'ৰাকেইজন এইবাৰ বৰ অনুতপ্ত হ'ল। সিহঁতে চিন্তা কৰিলে 'যদি আমি প্ৰেতাত্মাটোৰ কথা আগেয়ে শুনিলোহেঁতেন, তেতিয়া হয়তো আমাৰ এনে দশা নহ'লহেঁতেন।' এইবুলি কৈ দুয়োজনে দৌৰিবলৈ ধৰিলে। দৌৰি দৌৰি গৈ থাকোতেও এজন হঠাৎ চিৎকাৰ মাৰি নোহোৱা হ'ল। তাকে দেখি বাকী ল'ৰাজন পিছলৈ নাচাই উধাতু খাই দৌৰিবলৈ ধৰিলে। দৌৰি থাকোতেই সেই বাবাজন তাৰ সন্মুখত আৰ্বিভাৱ হোৱা দেখি সি ভয় খাই ৰৈ দিলে।

বাবাই গহীন মাতেৰে তালৈ চাই ক'লে—'তোমালোকে কষ্ট নকৰাকৈ বেয়া কামৰ জৰিয়তে ধন অৰ্জন কৰিব বিচাৰিছিলা। তোমালোকক মোৰ ঠিকনা দিয়া সেই বুঢ়াজন ময়েই আছিলো।'

মানুহজনৰ কথাত সি বিশ্বাস নকৰিলে আৰু তাৰ পৰা যাবলৈ খোজোতেই তাৰ দেহটো এফালৰ পৰা জ্বলি শেষ হ'বলৈ ধৰিলে। আৰু এনেকৈ জ্বলি জ্বলিয়েই তাৰ মৃত্যু হ'ল।

কষ্ট নকৰাকৈ ধন লাভ কৰিব বিচৰা বাবেই আৰু ভুল পথেৰে গতি কৰাৰ বাবে সিহঁতে নিজৰ মৃত্যুক নিজে সাৰটি ল'ব লগা হ'ল। ■■

# বেটু কোঁৱৰৰ কথা

**সংগ্ৰাক ঃ হিয়ামণি নাথ**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

এজন ৰজা আছিল। তেওঁৰ সাতজনী কুঁৱৰী। কাৰো ল'ৰা-ছোৱালী নোহোৱা দেখি ৰজাৰ মনত বৰ বেজাৰ। ৰজাই এনেকৈ পূজা-পাতল, দান-দক্ষিণা বহুত কৰিলে, তথাপি তেওঁৰ ল'ৰা-ছোৱালী একোকে নহ'ল।

এদিন ৰজাই সামাজিকত দেখিলে যে তেওঁক এজন বুঢ়া মানুহে কৈছে, 'তুমি কাইলৈ পুৱাই নৈত স্নান কৰি তিতা কাপোৰেৰে সাতবাৰ তমঃ তমঃ বুলি মাতিলে তোমাৰ হাতত ৰঙা টেমা এটা পৰিবহি। সেই টেমাটোৰ ভিতৰত এটা গোলাপ জামু থাকিব। সেই জামুটো আনি তুমি তোমাৰ সাতোজনী তিৰোতাক খাবলৈ দিবা; তেওঁলোকে খালেই তোমালোকৰ ল'ৰা হ'ব। ৰজাই সাৰ পাই উঠি পিছদিনা ৰাতিপুৱা সেইদৰে নৈত গা ধুই সাতবাৰ তমঃ তমঃ কলিত ৰঙা টেমা এটা তেওঁৰ হাতত পৰিলহি আৰু সেই টেমাটো খুলি তাত জামু এটা পাই আনি সাতোজনী ৰাণীক তেওঁ খাবলৈ দিলে। কুঁৱৰীহঁতে জামুটো খাবলৈ গা-ধুবলৈ গ'ল আৰু গা-ধুই ভগাই খালেহি। কিন্তু সৰুজনী অহাত পলম হোৱা বাবে তাইলৈ নথ'লে। সৰু কুঁৱৰীজনীক আন কেইজনী কুঁৱৰীয়ে আগৰে পৰা দেখিব নোৱাৰিছিল আৰু ৰজাৰো তাই এলাগী আছিল। সেইদেখি আন কেইজনীয়ে তাই অহাত পলম হোৱাত তাৰে চেলু বল তাইলৈ জামুৰ ভাগ নথ'লে।

সৰুজনীয়ে গা ধুই আহি আনকেইজনীক জামুৰ ভাগ খুজিলত, সিহঁতে তাইক জোকোৱা মাৰি ক'লে— 'তোলে আমি জামু লৈ বহি থাকিম নেকি? আগেয়ে নাহিলি কেলৈ?' এই কথা শুনি সৰুজনীয়ে চকুৰ পানী টুকি ওচৰতে পৰি থকা জামুৰ বেটুটোকে খালে।

সময়ত আটাইকেইজনী কুঁৱৰীৰ একো একোটাকৈ ল'ৰা হ'ল। ল'ৰাকেইটা লাহে লাহে ডাঙৰ হৈ আহিল। এদিন এটা ফকীৰ ক'ৰবাৰ পৰা আহি ৰজাক ক'লে— 'স্বৰ্গদেউ, আপোনাৰ ঘৰ দেখি বৰ সন্তোষ পালো, কিন্তু এটা বস্তু আপোনাৰ ঘৰত নাই। দেখি দুখ পালো।

আপোনাৰ মতে —
সোণ গছ, ৰূপৰ পাতে।
সাত টিলিকত মৰাৰ নাচ

নাই এনেকুৱা গছ এজুপি নথকাৰ বাবে আপোনাৰ ঘৰ সম্পূৰ্ণ হোৱা নাই।'

এই কথা শুনি ৰজাই তেতিয়াই কোঁৱৰহঁতক মাতি আনি তেনেকুৱা গছ এজোপা বিচাৰি আনিবলৈ পঠিয়াই দিলে। ৰজাৰ ল'ৰাহঁতে নাও, খোৱা লোৱাৰ সঁজুলি ভৰাই দি যাবলৈ ওলাইছে, এনেতে এলাগীৰ পুতেক বেটু কোঁৱৰ আহি ককায়েকহঁতক ক'লে— 'ককাইহঁত মোক লগত নে।' বেটু কোঁৱৰে লগত যাবলৈ বৰকৈ কাকুতি মিনতি কৰিবলৈ ধৰিলত ককায়েকহঁতে তাকো নাৱৰ দাঁতিতে পৰি থাকিবি বুলি তুলি লৈ গ'ল। নৈয়েদি গৈ গৈ সিহঁতে ডাঙৰ আম এজোপা দেখিলে। গছজোপাত আমবোৰ সেন্দুৰীয়া হৈ পকী আছে। সেই আম গছৰ তলতে সিহঁতে নাও বান্ধি আম খাই ইফালে সিফালে চাই থাকোঁতে বেটু কোঁৱৰে আম গছৰ গুৰিত এটা ডাঙৰ গাত দেখিলে। সি গাতটো দেখি তাত কি আছে চাবৰ মন কৰি ককায়েকহঁতক ক'লে— 'মই এই গাতটোত সোমাই নামি যাওঁ ইয়াত কি আছে চাওগৈ। তহঁতে মই নাহো মানে নাও নেমেলিবিহক দেই।' এই বুলি কৈ সি লেজু এডাল গাতটোত এটি দি লাহে লাহে তাতে ধৰি গাতৰ তললৈ নামি গ'ল। গৈ গৈ অন্তত সি এখন বৰ নগৰ পালেগৈ। নগৰখনত সি মানুহ-দুনুহ একো নেদেখিলে; মাত্ৰ কিছুমান হাড়-মূৰ চাৰিওফালে পৰি থকা দেখিলে। সি ভয়ে ভয়ে গৈ দেখিবলৈ ভাল ডাঙৰ ঘৰ এটাত সোমালগৈ আৰু ঘৰটোৰ ভিতৰত এখন চালপীৰাৰ ওপৰত এজনী সুন্দৰী কন্যা অকলে শুই থকা দেখিলে। ছোৱালীজনীৰ ভৰিৰ ফালে এটা বগা চোঁৰৰ আৰু মূৰ শিতানৰ ফালে এটা ক'লা চোঁৰৰ আছিল।

ক'লা চোঁৰৰটোৰে ছোৱালীজনীক বিচিলে তাইৰ নাক-কাণৰ পৰা তেজ ওলায়। তাকে দেখি সি ভয় খায় ভৰিৰ পিনে থকা চোঁৰৰটোৰে বিচি দিলে। সেইটোৰে বিচিলত ছোৱালীজনীয়ে উস্ উস্কৈ শোৱা পাটীৰ পৰা উঠি বহিল। কন্যাজনীয়ে বেটু কোঁৱৰক দেখি আচৰিত হৈ সুধিলে, তুমি কোন? কোঁৱৰে তাৰ বিষয়ে সকলো কথা তাইক ভাঙি কলত তাই ক'লে— 'তুমি এতিয়াই যোৱা, নহ'লে তোমাক ৰাক্ষসে খাব। এইখন ৰাক্ষসৰ দেশ। আজি তিনিদিন হৈছে ৰাক্ষসে এই নগৰৰ সকলো মানুহক খায় পেলাইছে। কেৱল মোকহে সিহঁতে নোখোৱাকৈ ৰাখিছে। সিহঁত এতিয়া চৰিবলৈ গৈছে। মোক সিহঁতে যাবৰ সময়ত এটা চোঁৰেৰে বিচি জীয়াই। কোঁৱৰে ক'লে—'এতিয়া তেন্তে কি হ'ব? সিহঁত আহি ওলাইহি যদি? কন্যাই ক'লে— 'হওতে সিহঁত আহিবৰ হৈছে। তুমি সেই সৰিয়হৰ ডুলিৰ ভিতৰতে সোমাই থাকা। যোৱা আগেয়ে কোঁৱৰে ক'লা চোৰেৰে বিচি ছোৱালীজনীক মাৰি থৈ গ'ল। এনেতে ৰাক্ষসবোৰ ওলালহি। সিহঁতে ছোৱালীজনীক বগা চোঁৰেৰে বিচি জীয়াই লৈ সুধিলে—'মানুহৰ গোন্ধ পাইছো দেখোন একা? তাই ক'লে—ময়েই মানুহ ইয়াত আছো, মোৰেই গোন্ধ পাইছাহক। লাগে যদি মোকে মাৰি খা।' তোক নামাৰি ৰাখিছো, কিয় খাম? বুলি ৰাক্ষসে ক'লে। কোঁৱৰে ৰাতিটো কষ্টে-মষ্টে সৰিয়হৰ ডুলিতে কটাই পিছদিনা ৰাতিপুৱাই ৰাক্ষসবোৰ চৰিবলৈ গলত তাৰ পৰা ওলাই আহি ছোৱালীজনীক জীয়াই লৈ ক'লে—মই তোমাক ৰাক্ষসৰ হাতৰ পৰা সৰুৱাই নিম বুলি ভাবিছো। তুমি সিহঁতক কেনেকৈ মাৰিব পাৰি কিবা প্ৰকাৰে জানি লোৱা। মই আজি ডুলিৰ ভিতৰতে থাকিম। বেটু কোঁৱৰৰ কথামতে কন্যাই গধূলি ৰাক্ষসবোৰ আহি সিহঁতে তাই জী তোলাৰ পিছত তাই কান্দিবলৈ ধৰিলে, তেতিয়া তাইক কিয় কান্দিছে বুলি সুধিলত তাই ক'লে—মোৰ মনত বৰ দুখ লাগিছে। মোৰ আই-বোপাই, মিতিৰ-কুটুম কোনোৱে নাই। গতিকে এতিয়া তোমালোকে মোৰ আপোন। এতেকে তোমালোকৰ বাবে মোৰ বৰ চিন্তা হয় যদি তোমালোকক কোনোবাই মাৰে, তেন্তে মোৰ গতি কি হ'ব? ৰাক্ষসহঁতে আশ্বাস দি ক'লে— 'তই একো চিন্তা নকৰিবি, আমাক কোনেও মাৰিব নোৱাৰে। আমাৰ জীৱটো সৌ পুখুৰীটোৰ মাজৰ পানীৰ তলত এটা ভোমোৰা হৈ আছে। কোনোবাই যদি গৈ পুখুৰীত নামি সাতবাৰ তমঃ তমঃ বুলি মাতে তেনেহ'লে সি টেমাটোৰ ভিতৰৰ পৰা ওলাই আহিব আৰু তেতিয়া যদি ভোমোৰাটো কোনোবাই একেকোৰেই কাটি তাৰ তেজ চৰু এটাত ধৰিব পাৰে তেহে আমি মৰিমহক।'

পিছদিনা পুৱাই ৰাক্ষসবোৰ চৰিবলৈ গলত। কোঁৱৰে ডুলিৰ পৰা ওলাই আহি কন্যাজনীক জীয়ালে। ৰাক্ষসবোৰক কেনেকৈ মাৰিব পৰা যাব সকলো কথা কন্যাজনীয়ে কোঁৱৰক ক'লে। কন্যাৰ কথামতে কোঁৱৰে হাতত তৰোৱাল এখন আৰু চৰু এটা লৈ পুখুৰীত নামিলগৈ আৰু সাতবাৰ তমঃ তমঃ বুলি মাতিলত ভোমোৰাটো ওলাই পৰিল। ওলাই অহাৰ লগে লগে কোঁৱৰে তৰোৱালেৰে একে কোবেই কাটি তাৰ তেজ চৰুত ধৰিলে, ইপিনে গিৰিং গিৰিং শব্দ হ'বলৈ ধৰিলে, ৰাক্ষসবোৰ যেয়ে য'তে আছিল তাতে পৰি মৰিল। কোঁৱৰে পুখুৰীৰ পৰা উঠি কন্যাৰ ওচৰ পালেহি, কন্যাৰ মহা আনন্দ।

ইয়াৰ পিছত কোঁৱৰে কন্যাক 'সোণৰ গছ, ৰূপৰ পাত, সাত টিলিকত মৰাৰ নাচ' এনেকুৱা গছ ক'ত আছে বুলি সুধিলত কন্যাই কোঁৱৰক সেই গছ দেখুৱাই দিলে আৰু দুট পুখুৰী দেখুৱাই দিলে, এটাৰ পানী কাৰোবাক খুৱাই দিলে খাওঁতাজন এটা হালধীয়া চৰাই হৈ উৰি ঘৰৰ চাদৰ ওপৰত উঠি বহি থাকেগৈ। আনটোৰ পানী খুৱালে আকৌ মানুহ হয়। এইবাৰ বস্তুৰ সৈতে কন্যাজনীক কোঁৱৰে পেৰা এটাৰ ভিতৰত সোমাই ল'লে। তাৰ পিছত সি লেজুডাল ধৰি ধৰি গাঁতৰ ভিতৰৰ পৰা উঠি আহি আমতল ওলালহি। এনেতে সি দেখিলে যে তাৰ পেৰাটো সি পাহৰি এৰি আহিল। সেই দেখি সি ককায়েকহঁতক নাও নেমেলিবলৈ কৈ আকৌ গাঁতেদি নামি পেৰাটো আনিবলৈ গ'ল। ইফালে ককায়েকহঁতে নাও মেলি দিলে।

বেটু কোঁৱৰে পেৰাটো লৈ আহি দেখিলে যে নাও নাই। সি মহা বিপাঙত পৰি পেৰাটো লৈ আকৌ গাঁতেদি নামি গ'ল। গৈ দেখে এঠাইত এটা গৰুই মৰা ৰাক্ষস এটা খাই আছে। কোঁৱৰে গৰুড়ৰ ওচৰ চাপ নিজৰ বিপদৰ কথা গৰুড়ক কৈ খাটনি ধৰিলে যে পেৰাটোৰে সৈতে তাক নিজ ৰাজ্যত থৈ আহিবলৈ। তাৰ কাকূতি-মিনতিত গৰুড়ই ক'লে—ৰ, মোৰ ভোক গুচা নাই, এনেকুৱা আৰু একুৰি ৰাক্ষস খাই লওঁ।

ৰাক্ষসক ভোক গুচাবলৈ গৰুড়ই খাদ্য হিচাপে খাই শেষ হোৱাৰ পিছত বেটু কোঁৱৰক ৰাজ্য থৈ আহিল। ইফালে ককায়েকহঁতো ৰাজ্যত উপস্থিত হৈছিল গৈ। কোঁৱৰহঁতক দেখি ৰাজ্যৰ প্ৰজাবোৰ জুম বান্ধি ৰ'ল কোঁৱৰহঁতে কি আনিছে চাবলৈ। পুতেকহঁত অহাৰ খবৰ পাই ৰজাই ৰাজসভাত সিহঁতক মাতি কোনে কি আনিলি বুলি সোধাত কোনেও ৰজাই বিচৰা গছডাল আনিব নোৱাৰিলো বুলি ক'লে, শেষত বেটু কোঁৱৰক সুধিলে, সি পেৰাটো খুলি তাৰ পৰা সোণৰ গছ, কন্যাজনী দেখুৱালে। ৰজাই সন্তোষ পাই সেই মুহূৰ্ততে উঠি ৰজা পাতি নিজে বহি ৰজা হ'ল আৰু আনকেইজন ল'ৰাক ৰাজ্যৰ পৰা খেদি দিলে। ■■

# মিথ্যাচাৰ

**চুমন ডেকা**
ভূগোল বিজ্ঞান বিভাগ

ইতিমধ্যে দুপৰীয়াৰ ৰ'দালিজাক মূৰত উঠিলেই। অসহ্য গৰম! সূৰ্যদেৱতা যেন ৰুস্ত হৈছে নিদাৰুণ জনতাৰ ওপৰত। এই হেন ৰ'দত সৰ্বশৰীৰ ঘামেৰে লুতুৰি-পুতুৰি হৈ পৰাটো তেনেই স্বাভাৱিক। মাজে মাজে ৰিব্ ৰিব্ বতাহ এছাটি গাত পৰিলেই গা-মন শাঁত পৰে। তন্দ্ৰাত বিভোৰ হ'ব খোজে ক্লান্ত শৰীৰটি। ভাগৰুৱা আত্মাক লাগে চিৰ বিশ্ৰম আৰু ভাগৰুৱা শৰীৰটোক লাগে তন্দ্ৰা। উদং পথাৰখনৰ মাজত জিলিকি আছে আঘোণতে কটা ধানৰ নৰাবোৰ। পাতল বাদামী ৰঙৰ ঠৰঙা-ঠৰং নৰাবোৰ দেখাত এনে লাগিছিল যেন কোনোবা ইউৰোপীয় আৰ্টিষ্টৰ তুলিকাৰ ষ্টোকবোৰ খুউব নিখুঁতকৈ পৰিছে, লেণ্ডস্কেপ এখনত আৰু খন্তেকতে লেণ্ডস্কেপখনে আৰ্টিষ্টজনৰ কেনভাছৰ পৰা ওলাই আহি জীৱন্ত ৰূপ লৈছে। দূৰৰ হাবিয়নিৰ ছায়াবোৰে সৃষ্টি কৰিছে, এক অদ্ভুত ছাঁ-পোহৰৰ খেলা। মাজে মাজে দুটা-চাৰিটামান গৰু আপোন মতে ঘাঁহ খাই আছে। বচ্ ইমানেই...। এইখিনি চাবলৈকে প্ৰতিদিনে এই সময়খিনিতে ওলাই আহে দেৱেশ্বৰ বুঢ়া। অকলশৰীয়া মানুহ, একমাত্ৰ পুত্ৰ-বোৱাৰী থাকে নগৰত। তেঁৱেই গাঁৱৰ মাটি-ভেটিৰ মোহত পৰি এইদৰে জীৱনটো চলাই নিবলৈ ঠিক কৰিছে। আচলতে মথাউৰিটোৰ পৰা দেখা পোৱা পথাৰখন, দূৰণিৰ হাবিয়নিখন তেওঁৰেই পৈতৃক সম্পত্তি। সম্পত্তিৰ সলনি প্ৰাণ বুলিবও পাৰি। এই ঠাইখিনিৰ পৰিৱৰ্তন হ'বলৈ বেছিদিন যেন আৰু নাই। সময়ৰ গতিশীলতাৰ তত্ত্বটোক মানি ল'বই যে লাগিব। তাহানিৰ দিনবোৰ, সোণসেৰীয়া অতীতৰ সাধু সাধু লগা কথাবোৰ, সময়ৰ কাল গহ্বৰত হয়তো হেৰাই যাব। কোনে গ্ৰহণ কৰিব সময়ৰ আঁৰত লোপ পোৱা স্মৃতিবোৰ? গ্ৰহণ কৰিবনে এফলীয়া দিনবোৰৰ সোঁৱৰণী? সন্মান কৰিবনে আতা-পিতৌৰ ঘাম পৰা কেঁচা বোকা মাটিক?

দেৱেশ্বৰ বুঢ়া সদায় আহে ঠাইডোখৰলৈ দুপৰীয়া-গধূলি। আহি কি চায় কোনেও নাজানে। মথাউৰিটোৰ পৰা থিয় হৈ চকুকেইটাৰ এবাৰ ফুৰাই আৰু ওচৰৰে ঔডালৰ গুৰিত বহি কিছুপৰ নিৰৱ হৈ বতাহৰ আচ্ছাদনত তন্দ্ৰাৰ সৈতে যুঁজ-বাগৰ কৰে, কেতিয়াবা হয়তো জয়ী হয়, আকৌ কেতিয়াবা হয় পৰাজয়। শুকান পাতবোৰত কিবাহৰ চৰ-চৰণী শুনিলেই সচকিত হৈ উঠে আৰু লাহে লাহে ঘৰলৈ বাট লয়। এই যে সময়খিনি মথাউৰিত কটায়, সেই সময়খিনি স্বৰ্গৰ তুল্য হৈ পৰে বুঢ়াৰ বাবে। তেতিয়ালৈকে ৰ'দালি পশ্চিমমুৱা হৈ চেগুনৰ হাবিখনৰ আঁৰত লুকায়।

পত্নীৰ মৃত্যুৰ পিছত একমাত্ৰ সঙ্গী মাধৱে চোৱাচিতা কৰে। থকা ঘৰটো অসম আহিৰে এটা পুৰণি ঘৰ। টিনবোৰ তেনেই উৰলি যোৱা। ঘৰটোৰ ভিতৰত পুৰণি এলান্ধুবোৰে বাঁহ তৰ্জাৰে দিয়া চিলিঙবোৰত লতা ওলমি ৰোৱাদি উলমি আছে। কি নাছিল বুঢ়াৰ ঘৰত? পত্নী-পুত্ৰ, ধনে-ধানে পূৰ্ণ এখন ঘৰ, বিশাল পথাৰখন আৰু হাবিখন। একমাত্ৰ পুত্ৰ অৰ্ণৱক পঢ়াইছে, এজন ভাল শিক্ষক হিচাপে গঢ়িছে, গাঁৱৰ ল'ৰা-ছোৱালীক পঢ়াবলৈ স্কুল খোলাৰ সপোন দেখিছে। পিছে অৰ্ণৱ শিক্ষক হ'ল ঠিকেই, কিন্তু গাঁৱলৈকেহে আহিবলৈ পাহৰিলে। আজি আহিম, কালি আহিব কৰি বছৰত দুই-তিনিদিন মানহে ছুটি পায়, আনকি মাক মৃত্যুৰ সময়তো ছুটি পাইছিল কেৱল সাতদিনহে। ইফালে বিয়াও কৰালে সি থকা ভাড়াঘৰৰ মালিকৰ একমাত্ৰ ছোৱাজনীক। বাপেকো হ'ল অৰ্ণৱ। ঘৰলৈ এতিয়া খুব কমকৈ আহে। বুঢ়াৰ চিন্তা, কোনে স্কুল সাজিব মাটি ডোখৰত? কোনে শিক্ষিত কৰিব গাঁৱৰ পেন্দুকণা ল'ৰা-ছোৱালীবোৰক? কি হ'ব বুঢ়াৰ পুতেকক লৈ দেখা সপোনটোৰ? চিন্তাতে বুঢ়াৰ কেতিয়াবা চকুহাল সেমেকি

উঠে। চিন্তাবোৰে বুঢ়া মগজুটো কোঁকোৰাই চেপা ধৰি এৰা নিদিয়া হ'ল। সেয়ে মনটোকে পাতলাবলৈ বুঢ়াই মথাউৰিটোলৈক ওলাই আহে, পথাৰখনকে চাবলৈ। পথাৰখনে ঋতুবোৰৰ লগে লগে সলনি হোৱা দৃশ্যটোৱে যেন নতুন আশা কঢ়িয়াই আনে বুঢ়াৰ মনঃস্তাত্বিক জগতখনলৈ। মাটিখিনিৰ দৰ কৰিবলৈ মাজে-সময়ে দালালবোৰ খবৰ কৰে। মাটিৰ বেপাৰীবোৰে পথাৰৰ মাটিখিনিৰ কথা পাতিবলৈ আৰম্ভ কৰিলে, বুঢ়াই প্ৰায়ে কয়— বোলে, 'সোণায়ে চহৰৰ পৰা আহি তাতে এখন স্কুল কৰিব, ল'ৰা-ছোৱালী পঢ়াব। বুঢ়াৰ আশা ইমানেই। বুঢ়াৰ বিশ্বাস অৰ্ণৱে গাঁৱত পঢ়িছে, গাঁৱৰ পানী খাইছে, পথাৰ গছকিছে, গতিকে গাঁৱৰ বতাহে তাক গাঁৱলৈ উৰুৱাই আনিবই। গাঁৱতে নিজকে নিয়োগ কৰাব। কিন্তু এয়া কেৱল আশাহে। আজিও আহিছে মথাউৰিটোলৈকে, লাহে লাহে খোজ কাঢ়ি আগবাঢ়িল বুঢ়া। এনেতে কাৰোবাৰ এষাৰি মাতত সচকিত হৈ পৰিল।

ঃ দদাইদেউ ! অ' দদাইদেও !

ঃ হু..., ধীৰেণ বোপা। বুঢ়াই বিতচকুযোৰ খুলি আয়না দুখন পিন্ধি থকা চুৰিয়াৰ আগটোৰে মাজি লৈ আকৌ কাণত বহুৱাই ল'লে।

ঃ দদাইদেউ, এই গেলা গৰমত আপুনি এইদৰে বাহিৰত থকাটো মুঠেই উচিত হোৱা নাই।

ঃ বোপা ধীৰেণ, এইখিনিলৈ মই নহাকৈ থাকিব নোৱাৰো অ'। গৰমে হওক ঠাণ্ডাই হওক, এইডোখৰ মোৰ সপোন-আশা সকলো। তই বুজিচই চাগৈ।

ঃ হ'লেও, আপুনি আৰু কিমান দিন? কিমান দিন বাট চাব অৰ্ণৱলৈ? সি আহিব কেতিয়া, স্কুল সাজিব কেতিয়া? আপোনাৰ সপোনবোৰ সচিত হ'ব কেতিয়া? আপুনি অলপ সাহস কৰক, কথাবোৰ বুজক।

ঃ বাৰু সেইবোৰ হ'ব থ'। তই ক'ৰ পৰা আহিলি?

ঃ আমাৰ এওঁৰ মোমায়েকৰ ল'ৰাটো আমাৰ তালৈ অহাৰ কথা। তাকেহে শাক-পাত দুটামানকে বজাৰৰ পৰা আনিলো।

ঃ ভালেই কৰিলি দে ...।

ধীৰেণ কেৰাণীয়ে কিছুপৰ ভমক মাৰি লাহেকৈ কওঁ-নকওঁ কৰি থকা কথাটো ধৰিলে—

ঃ পিছে, হেৰি নহয় দদাইদেউ, মই আপোনাক আগতেও দুবাৰমান কথাটো কৈছিলো। আজি আবেলি মই আপোনাৰ তালৈ যাম বুলি ভাবিয়েই আছিলো। কথাটো ভাবিবছোন, নহ'লে আকৌ এবাৰ। আমি হ'লে আশা এৰি দিয়া নাই।

ঃ তই জানি-শুনিয়ো, মোক আৰু জুলুম নকৰিবি। মই আগতেও কৈছো এতিয়াও কওঁ শুন—এই দেৱেশ্বৰৰ ইমানো টান দিন অহা নাই যে আতা-পিতৌৰ মাটিডোখৰক বেচি জীৱন জীয়াম। তাতে মোৰ আই-পিতাই, মোৰ পত্নীৰ দেহ লুকাই আছে।

ঃ তথাপিও দদাইদেউ, যদি মন বহে, কথাষাৰ মোক জনাব। মই এতিয়া আহো।

আকাশখন হঠাৎ ওন্দোলাই আহিল। এচপৰা-এচপৰাকৈ মেঘবোৰ অলপতে ফৰকাল হৈ থকা দেৱেশ্বৰ বুঢ়াৰ মুৰৰ ওপৰত আকাশখনত দুলিবলৈ ধৰিলে। পলকতে অন্ধকাৰ হ'ল। এচাটি বেগী বতাহে মথাউৰিটোৰ তলৰ পথাৰখনৰ পৰা উৰুৱাই আনিলে এগালমান শুকান নৰা। বুঢ়াই দেখিলে কোনোবা এজন দৌৰি দৌৰি আহি আছে। ক্ৰমান্বয়ে আহি আছে, কোনোবা দৌৰ বিদৰ লেখিয়াকৈ। বুঢ়াই চিনি পায় মানুহজনক, অথচ মগজুৰ পৰা হেৰাই গৈছে কিছু ক্ষণৰ বাবে। চকুৱে মনে কিন্তু চিনি নাপায়।

ঃ দেউতা, ঘৰলৈ বলক, বতৰ বেয়া। বৰযুণ পেলাইছেই।

ঃ মাধৱ তইহে।

ঃ অ' দেউতা, বলক এতিয়া, ছাতিটো টানকৈ খামুচি মাধৱে লাহেকৈ মাত দিলে। মাধৱে দেখিলে পত্নীৰ মৃত্যুটো এটোপাল চকুপানী নোলোৱা বুঢ়াৰ চকুত চকুপানী। আকাশৰ বেজাৰ, বুঢ়াৰ মনৰ ভিতৰৰ জুইৰ জ্বলা মুহূৰ্তৰ বাবে এক হ'ল।

ঃ তিতিবলৈ দে অ' মোক। এইজাক বৰযুণৰ মাজতেই যদি ঠাণ্ডা হয় মোৰ মনৰ জুইবোৰ।

এজন বুঢ়া মানুহৰ মনত কেনেকৈ থাকিব পাৰে ইমানবোৰ যন্ত্ৰণা। বুঢ়া মানুহৰ শুকান শৰীৰটোত কেনেকৈ থাকিব পাৰে ইমান সজীৱ কেঁচা বেদনাৰ ঘাঁ। আচৰিত হ'ল সি। আচৰিত হ'ল মেঘবোৰ, পথাৰখন, মথাউৰিটো। সন্তানৰ পৰা পোৱা অৱহেলিত এজন পিতৃৰ হৃদয়খন তেনেকুৱাই নেকি বাৰু?

দীঘল এটা হুমুনিয়াহ কাঢ়ি দুয়ো খোজ ল'লে ঘৰলৈ বুলি। বৰযুণো দিলে ধাৰাষাৰ।

আজি শনিবাৰ, পুৱাই সোনকালে সাৰ পালে দেৱেশ্বৰ বুঢ়া। আজি দিনটো বুঢ়াৰ বাবে বিশেষ, কাৰণ আজিৰ দৰে এটি পুৱতি নিশাতেই সূৰ্যটোৰ দৰেই উদয়

হৈছিল গাঁৱৰ এই ঘৰটোত। বুঢ়াৰ আনন্দৰ বাকী নাই। পিছে মনৰ কোনোবা এটা কোণত শংকা এটি নথকা নহয় যে, এইবেলি তাৰ উপজা দিনটো উদ্‌যাপন কৰিবলৈ আহে নে বা নাহে। 'আহিলেই ভালেই হয়, এইবাৰ তাক স্কুলখনৰ পতাৰ কথা পাতিবই লাগিব' — বুঢ়াই মনৰ মাজতেই গুণা-গঁথা কৰে। এইবোৰ ভাবি থকাৰ মাজতেই মাধৱে পুৰাৰ চাহ এপিয়লা আনি বুঢ়াৰ বহাৰ কাষতে থ'লে।

ঃআজি সোনাইৰ জনম দিন অ', চাওঁতে চাওঁতে সি বৰ ডাঙৰ হৈ গ'ল। এই ঘৰখনৰ বাৰান্দাৰে সৰুতে দুৱৰি-বাগৰি ফুৰোতে মাকক মই কৈছিলো—চাবি এদিন আমাৰ সোণাই ডাঙৰ হৈ আমাক কিমান মৰম কৰিব, তই চাবি সি আমাক এৰি ক'লৈকো নাযায়। কিন্তু আজি ...!

বুঢ়া কিছুপৰ আকাশখনলৈ চাই থাকি আকৌ মাধৱক উদ্দেশ্যি ক'লে—

ঃ তই তালৈ ফোনে লগাবিচোন, মই বাৰু এতিয়া গা-টোকে ধুই নামঘৰত তালৈ বুলিয়ে শৰাই অগবঢ়াওঁ।

ঃ হ'ব দেউতা।

আহ! কিমান আদৰ এতিয়াও। একো একোগৰাকী পিতৃৰ মানত পুত্ৰৰ স্থান সদায় কিমানত? কেতিয়াবা ইমান অভিমান, কেতিয়াবা আকৌ ইমান মৰম। এইবোৰ ভাবি ভাবি আচৰিত হ'ল মাধৱ। খন্তেকতে পৰিৱেশটোত বতাহে আৱৰি ধৰিলে। চাগে এজাক বৰষুণ আহিব। বুঢ়াই নামঘৰৰ পৰা ওলাই আহিয়েই হুৱা-দুৱা লগাই দিলেহিয়েই।

ঃ সোণাইলৈ ফোন লগা, ফোন লগা।

মাধৱে বুঢ়াৰ আগ্ৰহ দেখি মোবাইলৰ বুটাম কেইটা পিটিকি ফোন লগালে। সি কিছুপৰ খা-খবৰ লোৱা আৰু দিয়া কৰি বুঢ়ালৈ ফোনটো আগবঢ়াই দিলে। দেৱেশ্বৰ বুঢ়াৰ খুউব আনন্দ। বিভিন্ন কথাৰে উপচাই তুলিলে বুঢ়াই, উপজা দিনৰ পৰা আৰম্ভ কৰি আজি তাৰ বাবে নামঘৰত শৰাই আগবঢ়োৱালৈকে ইত্যাদি ইত্যাদি। শেষত লাহেকৈ বহুদিনৰে পৰা কৈ অহা কথাটো বুঢ়াই আঁত ধৰাত বুঢ়াৰ নিৰাশ হোৱা মুখখনত গালৰ শোঁটোৱা পৰা আঁচবোৰ স্পষ্ট হ'ল। খং উঠিল বুঢ়াৰ। একমাত্ৰ পুত্ৰৰ জনম দিনৰ ৰং নিমিষতে মাৰ গ'ল। চকুহাল চিপ্‌চিপিয়া হ'ল। বুঢ়াই ৰ'ব নোৱাৰা হ'ল। আকাশখনত দুই এটা গাজনিৰ শব্দই চৌপাশ গহীনাই তুলিলে।

ঃ অই মাধৱ, আজি গধূলি ধীৰেণ কেৰাণীক মই মাতিছো বুলি ক'বি—একপ্ৰকাৰ চিঞৰি দিলে বুঢ়াই। নিমিষতে হৰহৰাই চকুপানী নিগৰি আহিল বুঢ়াৰ চকুহালৰ পৰা।

হাতত ছাতিটো লৈ মথাউৰিটোলৈ ওলাই আহিল। বৰষুণ দিও দিও কৰি আছে ডাৱৰবোৰে। বৰষুণত তিতাৰ বাসনা নাই আজি বুঢ়াৰ। অন্তৰৰ বেদনাৰ জুই কুৰা একেবাৰে চিতাৰ জুইৰ লগত এক নিয়াবলৈ বুঢ়াই ঠিক কৰিছে।

মৃদু মৃদুকৈ সমীৰণ বলিল। বুঢ়াৰ চুৰীয়াৰ আঁচলটোৱে বুঢ়াক বেৰি বেৰি ধৰিলে। ■■



# জীৱন হয়তো এনেকুৱা

**জুবি ৰাজবংশী**
চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

মহেশ ঘৰ আহি পোৱা নাই। ৰাতিপুৱাই হাজিৰা কৰিব ওলাই গৈছে। আহি পাবৰ সময় হৈছে। আনদিনা হ'লে সদায় এই সময়তে ঘৰ আহি পায়। কিন্তু কিয় বা আজি আহি পোৱা নাই। ৰাতি বহুত হ'ল। ঘৈণীয়েক কল্পনাই চিন্তাত মগ্ন হৈ পৰিছে। সিহঁতৰ এজনেই ল'ৰা, তাৰ নাম পাপু। সি বাৰে বাবে মাকক আমনি কৰি আছে। মা, দেউতা দেখোন আজি আহি পোৱা নাই। মাকে ক'লে—বাবা এতিয়াই আহিব ৰ'বা। মা মোৰ ভোক লাগিছে। তোমাৰ ভোক লগা নাই নেকি? লাগিছে মোৰো ভোক লাগিছে। কি হ'ব, এতিয়া খাবলৈ যে ঘৰত একো নাই। দেউতাৰাই কিবা কিনি আনিব। সিহঁতৰ সৰু পঁজা ঘৰটো মমৰ পোহৰে উজ্বল কৰি ৰাখিছে। গেটখন খোলাৰ শব্দ আহিছে। তেতিয়া পাপুই মাকক ক'লে—মা, দেউতা আহিছে নেকি? মাক আৰু পুতেক দুয়োজনেই মমডাল লৈ বাহিৰলৈ ওলাই আহিল। অ' বৰদেউতা দেখোন। আহক, বহক বুলি বহিবলৈ দিলে। বৰদেউতাক বহিল কিন্তু মাত নাই। পাপুই ক'লে— আমি আকৌ দেউতা অহা বুলি ভাবিছিলো। তাৰ পিছত মাকে ক'বলৈ ধৰিলে, আজি দেখোন তেওঁ হাজিৰা কৰি আহি পোৱা নাই। কি বা হ'ল মোৰ বৰ চিন্তা লাগিছে। বৰদেউতাকে ক'লে—এটা বৰ ডাঙৰ ঘটনা হ'ল। কি ডাঙৰ ঘটনা বুলি কল্পনাই কান্দি কান্দি সুধিবলৈ ধৰিলে। বৰদেউতাকে ক'লে—নাকান্দিবি ৰচোন।। কান্দিছ কিয়? সন্ত্ৰাসবাদীৰ গুলীত মহেশৰ মৃত্যু হ'ল বুলি কোৱাত কল্পনাই চিঞৰি চিঞৰি কান্দিব ধৰিলে। মা, দেউতা আৰু পৃথিৱীত নাই নেকি? সি বৰদেউতাকক ক'বলৈ ধৰিলে। বৰদেউতা মোৰ বৰকৈ ভোক লাগি আছিল, মই মাক ভোক লগাৰ কথা কওঁতে মায়ে দেউতাই কিবা লৈ আহিব বুলি কোৱাত মোৰ বৰ ফূৰ্তি লাগি আছিল। মই আজি দেউতাৰ লগত বৰ স্ফূৰ্তি কৰি ভাত খাও বুলি ভাবিছিলো আৰু এতিয়া দেউতা নহ'লে মায়ে মইয়ে কেনেদৰে কি কৰি চলিম বৰদেউতা বুলি যি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। বৰদেউতাকে ক'লে—সেইবোৰ কথা নক'বাচোন আৰু নাকান্দিবা। এনেদৰে নিশাটো পাৰ হ'ল।

পিছদিনাখন ৰাতিপুৱা সিহঁতৰ ওচৰৰে বহুকেইজন ল'ৰাই দেউতাকৰ মৃতদেহটো চোতললৈ লৈ আহিছে। মৃতদেহটো চোতালৰ মাজত শুৱাই থৈ বগা কাপোৰেৰে ঢাকি দিলে। লগে লগে কল্পনাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে আৰু পাপুই আহি মাকৰ ওচৰত বহি দেউতাকৰ মুখৰ পৰা কাপোৰখন গুচাই দি কান্দিবলৈ ধৰিলে। দেউতা, চকু মেলা দেউতা। তেতিয়া পাপুৱে মাকক ক'লে—অ' মা, দেউতাই মোক বহু কষ্টৰে পঢ়াইছিল আৰু সেইটো বাবেই দেউতাই মোক বহুত মৰম কৰিছিল। সেই মৰম মই হেৰুৱাব নোৱাৰো মা বুলি কোৱাৰ লগে লগে কল্পনাই আৰু জোৰকৈ চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। কোনে মাৰিলে? সিহঁতৰ লগত মহেশৰ কোনো শত্ৰুতা নাছিল। কিয় মাৰিলে? সিহঁতে মাৰি কি লাভটো পালে? সিহঁতৰ মানুহ মৰাৰ সদায় চখ থাকেই, ঈশ্বৰে কি যে কৰিলে...? আৰু কি যে কৰিব আকৌ। কঁপালত যি আছে সেই ভাগ্য কোনেও কাঢ়িব নোৱাৰে। সেয়েহে জীৱন হয়তো এনেকুৱাই। ■■

# সময়ৰ সোঁতত আমিও পাখি লগা

**মৃদুস্মিতা ডেকা**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ



ৰাতিপুৱা ৭ মান বজাতেই তাই আৰু সি, মানে ৰণ আৰু ৰূপালী আহি মোক চিঞৰি আছিল। ইফালে আকৌ ভাইটিয়ে সুধিছে বা আজি কিন্তু কূট-কূট, নহ'লে তোৰ সদায় আকুট-বিকুট। ৰণ আহিছে, সি হেনো ৰজা-ৰাণীহে খেলে। ৰূপালীয়ে আকৌ ৰাধা হৈহে ভাল পায় হেনো। কিযে দিন আছিল সেইবোৰ, ভাবিলেই কিবা আচৰিত লাগে। ৰাতিপুৱা শোৱা পাটিৰ পৰাই আইতাৰ গুণ্‌গুণনি, আকৌ ৰাতি ককাৰ মধুৰ সাধুকথা 'জোন-বেলি-তৰাৰ ধেমালি।' সেই দিনবোৰত আমি বহুতেই আনন্দ লাভ কৰিছিলো। ৰেডিঅ'ত ভাঁহি আহিছিল 'অ মইনা কোন বিধাতাই সাজিলে তোমাৰ পদুম চকুটি', আকৌ গধূলি হ'লেই সন্ধ্যাৰ বাতৰি, শেৱালি ফুলৰ সুবাসত ৰাতিপুৱাই গৈ স্কুলৰ সময় পাৰ হৈ যোৱাৰ পিছত মা-দেউতাৰ এছাৰিৰ কোবো আছিল বিশেষ। বিশেষ আছিল সমনীয়াৰ লগত গাঁৱৰ ৰমা কাইটিহঁতৰ বাৰীৰ পিছৰ মনে মনে খোৱা ৰবাব টেঙাৰ তৃপ্তি।

এইবোৰেই আমাৰ আছিল সেই সময়ৰ এটি এটি ৰঙীণ প্ৰাপ্তি। পাখি লগা সময় জানো ৰৈ থাকিব? আধুনিকতাই আমাক বহুতেই একাশৰীয়া কৰিলে। যান্ত্ৰিক মগজুৰ বাবে সেই কথাবোৰৰ পুনৰাবৃত্তি হোৱাটো দূৰৰেই কথা, ভাবিবলৈকো আহৰি নাই। যি কাম তিনি চাৰি দিনত হোৱা নাছিল। যান্ত্ৰিকতাই পলকতে সম্ভৱ কৰি তুলিলে। এখন চিঠি-পত্ৰৰ বাবে ৰৈ থকা আমোদ-প্ৰমোদৰ সময়বোৰ যেন কাঢ়ি লৈ গ'ল যান্ত্ৰিকতাই।

সময় মানেই সকলো আচলতে সময় হ'ল এটা যন্ত্ৰ, যাক আঙুলিটোৰে স্পৰ্শ কৰিলেই সলনি হৈ যায়। সলনি হৈ পৰে মানসিক চিন্তা ধাৰাৰ বৈশিষ্ট্য। নোৱাৰানে? নোৱাৰোনে আমি আধুনিকতাই গৰকা শৈশৱৰ সোণালী অধ্যায়টি এখন্তেক হ'লেও পঢ়ি চাব। নোৱাৰানে সমনীয়াৰ সৈতে আপোন ঠাইখন অলপমান হ'লেও জীপাল কৰি তুলিব। সঁচাকৈ সময়ৰ সোঁত বৈ যায় আৰু শৈশৱৰ দৰে কিছুমান ৰসাল অনুভৱ উটুৱাই লৈ যায়। তথাপি আমাৰ মন-প্ৰাণ বৈ নাযায়, কিন্তু আমাৰ মনৰ ভোমোৱা সোণালী দিনলৈ উৰি যায়। ■■

# সপোনৰ সাঁচ

**যুগল ডেকা**
অসমীয়া বিভাগ, চতুৰ্থ ষাণ্মাসিক

পুৰণা অসম আৰ্হিৰ আটোম-টোকাৰী এটা মৰম লগা ঘৰ। ঘৰখনৰ দুয়োফালে ফুলনিৰ বাগিছা থকা দীঘল নঙলাটোৰ চাৰিওফালে অজস্ৰ মানুহ। চিনাকি-অচিনাকি মানুহবোৰৰ কোনো এখন মুখলৈ ভ্ৰূক্ষেপ নাই জোনালীৰ। ঘৰটোৰ নিৰ্দিষ্ট কোঠালী এটাত প্ৰায় দৌৰি যোৱাৰ দৰেই সোমাই গ'ল জোনালী। দুহাতেৰে মূৰটো হেঁচি কাঠৰ হাত থকা চকীত বহি থকা চিন্তাক্লিষ্ট ল'ৰাজন হঠাতে থিয় হ'ল। চাৰিওফালে আগুৰি থকা তাৰ বন্ধু-বান্ধৱী কেইজন অলপ আঁতৰি দিলে। হঠাতে ল'ৰাজনে জোনালীক সাৱটি ধৰিলে। জোনালীও সোমাইগ'ল তাৰ দুবাহুৰ মাজত। আশে-পাশে কোন আছে ভ্ৰূক্ষেপ নাই দুয়োৰে।

ক'ত, কেনেকৈ, কি হ'ল কোনেও নাজানে কথাবোৰ, স্বয়ং ল'ৰাজনেও। সৰুতে ঘাটমাউৰা ল'ৰাজনক খুড়াক-খুড়ীয়েকে ডাঙৰ-দীঘল কৰি আত্মনিৰ্ভৰশীল কৰিছিল। জোনালীয়ে ল'ৰাজনৰ সৈতে সংসাৰ কৰাৰ সপোন ৰচিছিল। ল'ৰাজন আছিল ওচৰ-চুবুৰীয়াৰ অতিকৈ মৰমৰ। ল'ৰাজনৰ নাম আছিল মনু। সকলোৰে তাক মৰমতে মন বুলি মাতিছিল।

বৰশী বাই ভাল পোৱা মনে আজৰি সময়ত ঘৰৰ পিছফালে বৰশী বাই আছিল। সেই সময়তেই মনৰ ঘৰলৈ হুৰমূৰকৈ সোমাই আহিল এদল পুলিচ। জোনালীয়ে খুড়ীয়েকৰ লগত ইটো-সিটো কৰি আছিল। তাই সেই পুলিচৰ দলটো দেখা পায় ভয় খাই একেদৌৰে মনক মাতি আনিছিল। কোনো ধৰণৰ কথাৰ অৱতাৰণা নকৰাকৈ পুলিচে মনক লৈ গৈছিল থানালৈ। খুড়ীয়েক আৰু জোনালী কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। পিছত থানালৈ গৈহে মনে গম পাইছিল, তাৰ দূৰ সম্পৰ্কীয় বায়েকৰ ননদে তাৰ ওপৰত তৰা ধৰ্ষণৰ গোচৰৰ কথা। লাজ, অপমান, ভয়ে যেন তাৰ মূৰত আকাশী সৰগ ভাগি পৰিছিল। জোনালীৰ বাহিৰে কোনো ছোৱালীক মূৰ তুলি নোপোৱা ল'ৰাজনৰ ওপৰত ধৰ্ষণৰ গোচৰ! কি আচৰিত চৰিত্ৰৰ মানুহ? বায়েকৰ পৰিয়ালে ছোৱালীজনীৰ সৈতে বিয়াৰ প্ৰস্তাৱ দিছিল। ছোৱালীজনীৰো তালৈ বিয়া হোৱা হেঁপাহ আছিল। পোনচাটেই সি বিয়াৰ প্ৰস্তাৱ নাকচ কৰিছিল। মনে হাড়ে-হিমজুৰে জোনালীক ভাল পায়। তাইৰ বাহিৰে মনে কাকো তাৰ হৃদয়ত, তাৰ দুবাহুত স্থান দিব নোৱাৰে। স্বাৰ্থ সিদ্ধিৰ বাবে যে মানুহ ইমান তললৈ নামিব পাৰে সি সপোনতো ভবা নাছিল। বায়েকৰ সহিতে তাইৰ পৰিয়াল থানালৈ আহিছিল। বায়েকে মাথোঁ কৈছিল — মোৰ উপায় নাই, মোক সিহঁতে অত্যাচাৰ কৰি বাধ্য কৰাইছে সিহঁতৰ ফলীয়া হ'বলৈ। একমাত্ৰ ভনীয়েকৰ জেদ, তোমাৰ সৈতে বিয়াত বহা নহ'লে আত্মহত্যা কৰিব। তাইক বিয়া কৰালেহে মনৰ গোচৰ উঠাই ল'ব। মন কোনোপধ্যে মান্তি নহ'ল তাইক বিয়া কৰাবলৈ। প্ৰয়োজন হ'লে সি জেলেই খাটিব, মিছা অপমানজনক গোচৰত সি কেতিয়াও ভুল সিদ্ধান্ত নলয়।

জোনালীয়ে সকলো জনাৰ পিছত মুক হৈ পৰিছিল য'ত যেনেকৈ পাৰে পৰিয়াল বা বন্ধুবৰ্গৰ সহায়ত মনক গোচৰ মুক্ত কৰিবলৈ বিফল হৈছিল। ভুৱা প্ৰমাণেৰে তাক দোষী সাজি জেললৈ প্ৰেৰণ কৰিছিল। অভাৱনীয় ঘটনাটো সহিব নোৱাৰি হঠাতে খুড়াকৰ হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হৈছিল। থানাৰ বিভাগীয় কৰ্তৃপক্ষই তাক অনুমতি দিছিল খুড়াকৰ কাম-কাজৰ বাবে ঘৰলৈ আহিব। কাম-কাজ শেষ হোৱাৰ পিছত মনত আকৌ জেললৈ পুলিছে লৈ গ'ল। সকলোৰে জানে তাক মিছা গোচৰত অভিযুক্ত কৰা হৈছে।

কিন্তু তাক দোষমুক্ত কৰিবলৈ কোনো উপায় পোৱা নাই। মনক সান্ত্বনা দিবলৈ আত্মীয়-স্বজন, বন্ধু মহলেও ওলাই আহিছে। সকলোৱে চেষ্টা, তাক দোষমুক্ত কৰিবলৈ। কিমান সময় জোনালী তাৰ দুবাহুৰ মাজত সোমাই আছিল নাজানে। মোবাইলটো ক্ৰিং ক্ৰিংকৈ বাজি উঠাত জোনালী খক্‌মককৈ মনৰ দুবাহুৰ পৰা মুক্ত হ'বলৈ খোজোতেহে ...

এটি পুৰণি অসম আৰ্হিৰ আটোম টোকাৰী ঘৰ, জোনালীৰ মনৰ মাজত ভাঁহি থাকিল। অজান দুখত মনটো ভৰি থাকিল জোনালীৰ। মনতে জোনালীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে, হে প্ৰভু, এনে অমানৱীয় ঘটনা যেন কাৰো লগত নঘটে, যদিও সেয়া সপোনহে আছিল! ■■

# তুচ্ছ প্ৰলোভন

**খনিন্দ্ৰ ভূষণ শৰ্মা**
তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

এখন নগৰত থকা এজন মহাত্মা পণ্ডিতৰ প্ৰতিষ্ঠা দূৰ-দূৰণিলৈকে আছিল। ওচৰৰ গাঁৱৰ এটা মন্দিৰৰ পূজাৰীৰ মৃত্যু হোৱাত তেওঁক তাৰ পূজাৰী হিচাপে নিযুক্তি দিয়া হৈছিল। এদিনাখন তেওঁ চহৰলৈ যাবলৈ এখন বাছত উঠিছিল। তেওঁ কণ্ডাক্টৰক বাছৰ ভাড়া দি নিজৰ আসনলৈ বহিব গ'ল। যেতিয়া কণ্ডাক্টৰজনে ভাড়াটো লৈ বাকী পইচা কেইটা ঘূৰাই দিছিল পণ্ডিতজনে পালে যে দহ টকা বেছিকৈ দিলে। পণ্ডিতজনে ভাবিলে যে তেওঁ কিছু সময়ৰ পাছত কণ্ডাক্টৰজনক পইচাটো ঘূৰাই দিব। আকৌ তেওঁৰ মনলৈ আহিল যে, বিনাকাৰণত সামান্য মূল্যৰ দহ টকা এটাৰ বাবে চিন্তিত হৈ আছো। এয়ে উচিত হ'ব যে, এই পইচাখিনি ভগৱানৰ উপহাৰ বুলি নিজৰ লগত ৰাখো। মনত এনে ধৰণৰ বিচাৰ-বিবেচনা আহি থকাৰ সময়ত তেওঁ চহৰ আহি পালে। বাছৰ পৰা নমাৰ সময়ত তেওঁ থমকি ৰ'ল। তেওঁ জেপত হাতখন দি দহ টকাৰ নোটখন কণ্ডাক্টৰজনক দি ক'লে—ভাই, তুমি ভাড়া দিয়াৰ সময়ত দহ টকা এটা বেছিকৈ ঘূৰাই দিছিলা। কণ্ডাক্টৰজনে হাঁহি ক'লে— আপুনিয়ে নেকি, গাঁৱৰ নতুন পূজাৰীজন। পণ্ডিতজনে অ' বুলি কোৱাত কণ্ডাক্টৰজনে ক'লে মোৰ মনত বহুদিনৰে পৰা আপোনাৰ প্ৰবচন শুনাৰ ইচ্ছা আছিল। কিন্তু আপোনাক বাছত দেখি মোৰ মনলৈ আহিল যে, যদি মই পইচা বেছিকৈ দিও তেতিয়া আপুনি কি কৰিব? এতিয়া মোৰ বিশ্বাস হ'ল যে, আপোনাৰ প্ৰবচনৰ নিচিনাই আপোনাৰ আচৰণ। য'ৰ পৰা সকলোৱে শিক্ষা লোৱা উচিত। এই কথা কৈ কণ্ডাক্টৰজনে বাছখন আগুৱাই দিলে। পণ্ডিতজনে বাছৰ পৰা নামি ভগৱানক আৰাধনা কৰিলে— হে প্ৰভু, আপোনাক লাখ লাখ ধন্যবাদ। য'ত আপুনি মোক সহায় কৰিলে। মই সামান্য ধনৰ লোভত আপোনাৰ শিক্ষা পাহৰি গৈছিলো আৰু আপুনি ঠিক সময়ত মোক উদ্ধাৰ কৰিলে।

আমি কেতিয়াও প্ৰলোভনত পৰি নিজৰ জীৱনজোৰা চৰিত্ৰ পুঞ্জীৰ বাজী লগাব নালাগে। ■■

# দৰিদ্ৰতা

**গুণেন্দ্ৰ মেধি**
শিক্ষা বিভাগ, ষষ্ঠ ষান্মাসিক

গোহালিটোৰ ফালে বাৰে বাৰে চাইছো। ঘাঁহ খাব পৰা হ'লেও পোৱালিটোৰ ওচৰত গৈ তাইৰ শৰীৰত হাত বুলাইছো। সন্ধিয়া হৈ অহাৰ লগে লগে তায়ো ছাগে ভাবিছে মাক আহিব বুলি। সিহঁতৰো অনুভৱ বোলা বস্তুটো আছে দিয়কচোন। কিন্তু কি কৰিম! উপায়ো নাই, গাইজনীক বিক্ৰী কৰিবলগীয়া হ'ল। নহ'লৈ যে দুবেলা দুমুঠি খাবলৈ মাটিখিনি বন্ধকত আছে। পৰিয়ালত উপাৰ্জন কৰিবলৈ মানুহেই নাই। অনিচ্ছা সত্বেও উপায়হীন হৈ গাইজনীক বিক্ৰী কৰিবলগীয়া হ'ল। সেইবাবে দুবছৰীয়া পোৱালিটোৰ ওচৰত বহি বাৰে বাৰে আকৌ গাটো চুই কঁপালত চুমা এটি খাইছো। যেন ঘৰখনৰ সদস্য এজন নোহোৱা হৈ পৰিল, এতিয়া মাথোঁ চকুলো টুকিছো। ■■



# ৰং

**জুবিন বশিষ্ঠ**
স্নাতকোত্তৰ প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

অঞ্জুশ্ৰীৰ পিন্ধনত বুটা বচা কাপোৰ। গোলাপৰ ৰং ছটিওৱা মুখখনিৰে তাই বহি আছে, তাই বহি থকা চকীখনৰ গাতে লাগি আছে ডালভৰি হালি পৰা কৃষ্ণচূড়া ফুলৰ পাহি, তাই যেন আতুৰ, তাইৰ সৈতে লুকা-ভাকু খেলা ফুলৰ সুবাসত পুষ্প কাননখনিৰে নানা সুগন্ধিৰ বাৰেবৰণীয়া ৰং।

ৰাধাচূড়া, কৃষ্ণচূড়াৰ ৰাঙলী ৰঙে সোণাৰুৰ হালধীয়াই সজাই তুলিছে চৌপাশ।

সজাইছে ৰামধেনুৰ আৰেশে। ঢৌ তুলি অহা মলয়া ছাটিও ইয়াতে এপলক জিৰাই, হঠাতে এটি পখিলাই তাইৰ হাতত চুমা দি উৰি যায়। তাইৰ মুখৰ এটি কোণেৰে মুকুতা এটি সৰি পৰে।

চৌপাশ ৰঙীণ আৰু তাইৰ সাজপাৰ, পিছে বৰণ নাচায় তাইৰ দুটি নয়নে জন্মৰ পৰাই। তাইৰ মনটোৱে তীব্ৰভিলাষ বঢ়াই, পিছে দুচকু তেনেই নিথৰুৱা, অসহায় ...

হৃদয়েই তাইক চিনাকি কৰাই ৰঙৰ ঠিকনা। ■■

# অনুগল্প

জিজ্ঞাস প্ৰতীম ডেকা
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

পবিত্ৰৰ মুখলৈ নিয়া ভাতৰ হাতখন আধাতে বৈ যোৱা দেখি সকলো অচৰিত হ'ল। সি ততাতৈয়াকৈ খোৱাৰ পৰা উঠি বাইক ষ্টাৰ্ট কৰি দ্ৰুতগতিত তাৰ পৰা অন্তৰ্ধান হ'ল।

'অপাৰেশ্যন ছাকছেচফুল আৰু ৰুমৰ পৰা এক মিনিট দেৰি হোৱাহেঁতেন। অপাৰেশ্যন ৰুমৰ পৰা অহা ডাক্তৰজনৰ কথাতহে পবিত্ৰৰ সম্বিৎ ঘূৰি আহিল। সময়ৰ মূল্যৰ কথা সি ভালদৰেই বুলি বুজি পালে।' ■■



# দুখৰ জীৱন

**বন্দনা বৰুৱা**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

মাদেলী নামৰ গাঁৱত বাপধন দাস নামৰ এজন দুখীয়া খেতিয়ক আছিল। ঘৈণীয়েকৰ সৈতে এটি ল'ৰা আৰু এজনী ছোৱালী। ল'ৰাজনৰ নাম দুল আৰু ছোৱালীজনীৰ নাম জুৰি। ছোৱালীজনী মেট্ৰিক পাছ কৰি কলেজত পঢ়ি আছে আৰু ল'ৰাজনে বি.এ. পাছ কৰিছে। দুলে চাকৰি বিচাৰিছে যদিও পোৱা নাই।ইফালে পৰিয়ালটি বৰ দুখত চলিছে। তেনে সময়তে এদিন বাপধনৰ টান জ্বৰ হ'ল। পইচাৰ অসুবিধাৰ কাৰণে ভালদৰে চিকিৎসা কৰিব নোৱাৰিলে। তাৰ পাছত কেইদিনমান এনেকৈ থাকি তাৰ দুদিন পিছতে বাপধনে মৃত্যুক আকোঁৱালি ল'বলগা হ'ল। দেউতাকৰ মৃত্যুৰ পিছত অভাৱী ঘৰখনত যেন ক'লা ডাৱৰে আৰু বেছিকৈ আৱৰি ধৰিলে। দুলে কিবা কৰি দেউতাকৰ কাজ-কৰ্ম শেষ কৰি চহৰলৈ গুছি গ'ল চাকৰি বিচাৰি। এটা কোম্পানীত সি চাকৰি এটা পালে। তেতিয়া ঘৰখনলৈ যেন অলপমান পোহৰ আহিল। মাক আৰু ভনীয়েকলৈ বুলি মাহৰ মূৰত টকা পঠিয়াই দিয়ে। এনেদৰে দুই তিনিবছৰ পাৰ হৈ গ'ল। ভনীয়েকক বিয়া দিব ওলালে। ভনীয়েকক বিয়া দিয়াৰ পাছত মাক বহুত অকলশৰীয়া হৈ পৰিল। মাক অকলে ঘৰত থাকে। এবছৰমান পাৰ হৈ গ'ল, কিন্তু দুখীয়াৰ দুখ কোনোদিনেই নকমিল। এদিন হঠাৎ ঘৰলৈ বুলি আহোতে বাটতে ট্ৰেইন দুৰ্ঘটনাত দুলে মৃত্যুক আকোঁৱালি ল'ব লগা হ'ল। অকণমান পোহৰ হোৱা ঘৰখন যেন আকৌ নিমিষতে অন্ধকাৰত ডুব গ'ল। ■■



# উপহাৰ

**পল্লৱ নাথ**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

এখন চহৰত এহাল গিৰিয়েক-ঘৈণীয়েক বাস কৰি আছিল। তেওঁলোক দুয়োজনৰে চাকৰি আছিল। তেওঁলোকৰ সন্তান বুলিবলৈ এজনেই আছিল আৰু তাৰ নাম ৰাজ। ৰাজে তাৰ জন্মদিনটোৰ বাহিৰে আন সময়ত মাক-দেউতাকক ভালদৰে লগ নাপাইছিল। তথাপি ৰাজে মাক-দেউতাকক বহুত ভাল পাইছিল। ৰাজ শান্ত স্বভাৱৰ লগতে পঢ়া-শুনাৰ ক্ষেত্ৰত চোকা আছিল।

১২ আগষ্টত তাৰ জন্মদিন সেয়ে সি ১২ আগষ্ট তাৰিখটো কেলেণ্ডাৰত ৰঙা কলমৰ চিয়াহীৰে চিন দি থৈ দিছে। সেইদিনাখন ৰাজে কেলেণ্ডাৰখন চাই চিঞৰি উঠিল 'কাইলৈ মোৰ জন্মদিন দেখোন।' সেইদিনাখন ৰাজৰ বহু ৰাতিলৈকে টোপনি নাই। কাৰণ পিছদিনাখন মাক-দেউতাকক লগ পাব। কিন্তু ৰাজে ভাবি থকা সময়ত কেতিয়া টোপনি আহিল গমকে নাপালে। পিছদিনা সাৰ পোৱাৰ লগে লগে মাক-দেউতাকে তাক জন্মদিনৰ শুভকামনা জনালে আৰু জন্মদিনৰ উপহাৰ স্বৰূপে তাক কি লাগিব সুধিলে। সি ক'লে যে, তাক এটা পুতলা লাগে। সেই মৰ্মে ৰাতিপুৱা পুতলা কিনিবলৈ বুলি দেউতাক ওলাই গ'ল, কিন্তু তেওঁ গধূলিলৈকে উভতি নাহিল। ৰাজে মাকক দেউতা উপহাৰ লৈ কেতিয়া আহিব বুলি আমনি কৰিব ধৰিলে। মাকেও আহি পাবই আৰু বুলি কৈ কৈ ভাগৰি গৈছে। হঠাতে সিহঁতে দেখিলে যে এম্বুলেন্সখন তেওঁলোকৰ ঘৰৰ ফালে আহি আছে। তাৰ ভিতৰৰ পৰা ৰাজৰ দেউতাকক উলিয়াই আনে। এয়া কি?

ৰাজৰ দেউতাকৰ গোটেই শৰীৰটো সাৰটি কান্দি কান্দি ক'লে—তুমি মোক এয়াহে উপহাৰ দিলা। ■■



# Boys Can Cry

**Prabin Mandal**
3rd Semester, Department of Economics

Once upon a time in a small town, there lived a boy named jamie. Jemie was known for his toughness. He never showed any emotion, and he certainly never cried. He had grown up with the belief that "boys don't cry."

Once sunny afternoon, Jamie's best friend, Lily, invited him to her house to play. They spent the day exploring the woods behind her house, climbing trees, and laughing. As the sun began to set, they sat on a large rock near a bubbling stream.

Lily turned to Jamei and said, "You know, Jamie, it's okay to cry sometimes. It doesn't make you weak."

Jamie looked at her, surprised, "Boys don't cry," he replied, his voice firm.

Lily smiled gently and said "But everyone has feelings, Jamie. Even tough boys like you. Holding back your tears doesn't make you stronger, it just keeps you pain inside."

Jamie thought about what Lily had said. He remembered all the times he had wanted to cry but didn't because he was afraid of what others might think. He realized thnat he had been carrying a heavy emotional burden for a long time.

Tears welled up in Jamie's eyes, and he finally let them flow. He cried for all the times he had held back his feelings. He cried for the loss of his pet dog last year. He cried for all the pain he had hidden.

Lily put her arm around Jamie and let him cry. She knew that this moment was important for her friend. Jamie realized that it was okay to cry, and he felt a weight lifts from his shoulders.

From that day on, Jamie didn't hold back his tears anymore. He learned that expressing his emotions made him feel lighter and more connected to others. And he knew that Lily had tought him one of life's most Valuable lessons: that lt's okay for boys to cry need to. ■■

# এটা বছৰ শেষ হ'ল

**ডিম্বেশ্বৰ বৰুৱা**
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ

এটা বছৰ শেষ হ'ল
দিন আৰু ৰাতিৰ সপোনবোৰ
দুখন পাহাৰ হ'ল
এখন ৰঙা আনখন ক'লা।

সোঁমাজেৰে বোৱাই লৈ গ'লো
এখন নদী।

এটা সূৰ্যস্নাত গানে
দীঘলীয়া সুহুৰি মাৰিলে
হালধীয়া পোহৰৰ মোহনাত ।

গতিৰ বোকোচাত ওলমিল
জোনাকী পৰুৱাৰ মন।

কুৰুৱাৰ ডিঙিত
কাঞ্চনমণি ঘাটৰ
বিমূৰ্ত লগন।

অযুত মন সৰোবৰত
উত্ৰাৱল কোলাহলৰ মৃদুল তৰংগ
ইপাৰৰ পৰা সিপাৰলৈ চৰিছে
এদল ৰূপোৱালী হাঁহ
চকুত একুৰা একুৰা প্ৰশান্ত জুই।

দূৰ সমুখত
এখন প্ৰেমৰ বাগিচা
এটা ধূসৰ ধুমুহাৰ সুৰ। ■■



# ছিষ্টেম

**উৎপল শইকীয়া**
প্ৰাক্তন ছাত্ৰ তথা খণ্ড সমল ব্যক্তি
কলাইগাঁও শিক্ষাখণ্ড, দৰং

এক অদ্ভুত মায়াজালৰ নাম ছিষ্টেম।

ছিষ্টেমৰ মায়াজালে
মোক মই হৈ থাকিব নিদিয়ে।
হয়তো নিদিয়ে
তোমাকো তুমি হৈ থাকিব!

ছিষ্টেমৰ গণিতত
সাত আৰু পাঁচ মিলি
কেতিয়াবা যদি বাৰ হয়;
আন কেতিয়াবা হয় পয়সঁত্তৰ।

ছিষ্টেমত নিমখ বা চেনিৰ
সাংঘাতিক আদৰ;
কিন্তু আদৰ নাই শিলৰ।

ছিষ্টেমৰ পাশাখেলত বন্দীজন
হ'ব লগা হয় সৰ্বশ্ৰান্ত।
ছিষ্টেমৰ খনিত জিলিকাজন
হৈ পৰে দেশ আৰু দহৰ আদৰ্শ।। ■■



# ফাগুন

**ৰুমী ডেকা**
অসমীয়া বিভাগ
স্নাতকোত্তৰ তৃতীয় ষান্মাসিক

ফাগুনৰ কোনোবা এটা আবেলিত
ধূলিয়ৰি বাটেৰে সৰা পাতবোৰ গচকি
এদিন আহিবচোন আপুনি...।
একেলগে বহিম, বহু কথা পাতিম আৰু!
আৰু কি জানা ...?
আৰু এই যে ফাগুনৰ উতনুৱা বতাহজাক
বতাহজাকে কিন্তু আমাক দুয়োকে বৰকৈ
আমনি কৰিব
জানেই নহয় ফাগুন বৰ মতলীয়া।
বতাহজাকে যদি মোৰ বেছিজিল চুলিবোৰ
উৰুৱাই নি আপোনাক আমনি কৰেগৈ
আপুনি বাৰু দুহাতেৰে মোৰ বেছিজিল চুলিবোৰ
আলফুলে সামৰি দিবনে ...?
আলফুলে সামৰি দিয়াৰ পৰত
মোৰ কাজল সনা দুচকুৰে যেতিয়া আপোনাৰ
চকুত চকু থম
পলাশ, শিমলু, মদাৰ ফুলৰ দৰেই
আপোনাৰ মুখখনো চাগে ৰঙা হৈ পৰিব নহয়
বাৰু বাদ দিয়া এইবোৰ ...।
আপুনি কিন্তু নহাকৈ নাথাকিব দেই
ফাগুনৰ কোনোবা এটি আবেলিত
ধূলিয়ৰি বাটেৰে সৰা পাতবোৰ গচকি...। ■■

# সমিধান

**যমুনা শৰ্মা**
কৰ্মচাৰী
মঙলদৈ মহাবিদ্যালয়

জীৱশ্ৰেষ্ঠ মানৱ মনৰ
ভাৰ-অনুভূতি আচাৰ-ব্যৱহাৰ
কিয় দিনক দিনে কলুষিত হ'ল?
আমাৰ দেশৰ আকাশ বতাহ
কিয় ধূসৰিত হ'ল?
আই-বোপাই বাই-ভনী
আত্মীয় স্বজনৰ প্ৰতি
মৰম-চেনেহ দয়া-মমতা
একেবাৰেই নোহোৱা হ'ল
আপোনজন সকলোৰে
অন্তৰবোৰ ভাঙি থান-বান হ'ল
অৱশিষ্টখিনিও শিলৰ দৰে
কঠিন হৈ ৰ'ল।
নিজৰ জন্মদাতা পিতৃ-মাতৃও
পুত্ৰ-বোৱাৰীৰ বাবে বোজা
স্বৰূপ হৈ ৰ'ল,
নিজ হাতে সজা চেনেহৰ ঘৰখনত
বৃদ্ধকালত আশ্ৰয় নোহোৱা হ'ল
দায়িত্ব আৰু কৰ্তব্যক পিটিকি মোহাৰি
স্বাৰ্থ সিদ্ধিত সকলো মগন হ'ল
মানৱতা কিয় মৰহি গ'ল
আমাৰ সমাজখন আজি কিয়
ইমান তললৈ গ'ল,
কিয় জীৱশ্ৰেষ্ঠ মানুহৰ মনৰ
শ্ৰেষ্ঠত্বও নাইকিয়া হ'ল।
আছেনে বাৰু ইয়াৰ
এনে কোনো সমিধান
কিম্বা পৰিত্ৰাণৰ সৎ উপায়
যিয়ে নেকি মানৱ মনৰ
শ্ৰেষ্ঠত্বক কৰিব উদয়। ■■



# মানৱতাৰ সূৰ্যোদয়

**প্ৰাৰ্থনা ডেকা**
ভূগোল বিজ্ঞান বিভাগ
তৃতীয় ষান্মাসিক

ভৌতিকতা আৰু স্বাৰ্থপৰতাৰ
চৰম শিখৰৰ মৃত্যু উপত্যকাত
আজি মানৱতা অপমৃত্যু।
সুখৰ অন্বেষণ
আত্ম প্ৰতিষ্ঠাৰ প্ৰতিযোগিতাত
থৰকাচ্যুতি হেৰুওৱা পথিকৰ
জীৱন বঁথা যায় চিঙি
বিশ্বায়নৰ কূটিল খোজত।
ইজনে সিজনক চিনি নোপোৱা হ'ল
অৰাজকতা-উচ্ছৃংখলতাই
সহৃদয়তাত কুঠাৰাঘাট কৰি
হত্যা-অত্যাচাৰ-লুণ্ঠনৰ
নৈ বৈ যায় অটল সাগৰলৈ
কিয়? কিয়? কিয়?
নিজে নিজে বিচাৰো আহা উত্তৰ
নহ'লে খাব লাগিব হাবাথুৰি
হে মোৰ হৃদয়ৰ মানৰ পূজাৰী।
মানৱতাৰ সূৰ্যোদয় আনিব
আধ্যাত্মিকতাৰ উত্তৰণে
আপোন মনৰ পৰিতৃপ্তিৰ
হওঁ আহা সমভাগি
সুখৰ অন্বেষণৰ পৰিতৃপ্তিৰে
অনুভৱ কৰো আহা
পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ
ইঙ্গি - মহাশক্তি - মহা পৰিতৃপ্তি। ■■

# জ্ঞানৰ আলোক

**মধুস্মিতা ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ
পঞ্চম ষান্মাসিক

হে মোৰ জ্ঞানৰ মন্দিৰ
তোমাক সহস্ৰ প্ৰণাম
বুকুত বহু আশা লৈ
আহিছো তোমাৰ ওচৰলৈ
কত মানুহক তুমি পোহৰৰ পথলৈ নিলা
ছাত্ৰ-ছাত্ৰীকো তুমি জ্ঞানৰ দীপ্তি দিলা।
শত-সহস্ৰজনৰ মহান চিন্তাৰে
প্ৰাণ পাইছিলা তুমি অনন্যা,
অনেক সপোন পুহি ৰাখি
আহিছো জ্ঞানৰ মন্দিৰত
হেজাৰ বিজাৰ আশা লৈ
ওলাই আহিছো পোহৰৰ সন্ধানত।
সাধু সকলৰ সাধনাৰ বলত
মূৰ দাঙি উঠিছিল জ্ঞানৰ মন্দিৰে
৭২ টি বসন্ত গৰকা
শ-শ শিক্ষাৰ্থীৰ আশাৰ ৰেঙণি
আমাৰ আপোন
মঙলদৈ মহাবিদ্যালয়খনি।
জাতি-উপজাতি, কৃষ্টি সংস্কৃতি
উজ্জীৱিত প্ৰতি সময়
জ্ঞানৰ উচ্চ শিখৰত আজি
মঙলদৈ মহাবিদ্যালয়।
ধন্য ধন্য মহাবিদ্যালয়
সেয়ে আমি সকলোৰে কওঁ
জয়তু মঙলদৈ মহাবিদ্যালয়। ■■



# উন্মনা উতলা ফাগুন

**লব বৈশ্য**
তৃতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

দুৱাৰ খিৰিকিবোৰ বন্ধ
বন্ধ মোৰ হিয়াৰ প্ৰতিটো কোঠালী
এতিয়া ফাগুন আহিলে বৰ ভয় লাগে জানা
উন্মনা উতলা ফাগুন যে তোৰ
মোৰ বাবে নহয়।
ব্যৰ্থতাৰ পৃথিৱীৰ
প্ৰতাৰণাৰ দগ্ধ জুইত
দুখৰ পাৰাপাৰ নোহোৱা
যন্ত্ৰ যে মই যন্ত্ৰণাৰ।
ফাগুনে মতলীয়া কৰা চৌপাশত
আৱেগৰ স্মৃতিবোৰত ধূলিয়ৰিৰে ধূসৰিত কৰি
যোৱা ফাগুনত মোৰ মন আঁহতৰ তল সৰা
সৰা পাত হৈ উৰিব যে গৈছিল —
তেওঁতো নুভতিল।
নাই!
নাই নুফুলিল জানা
মোৰ যৌৱনৰ মদাৰত
বহাগৰ কুঁহিপাত নুভতিল।
নঙঠা শিমলুৰ ডালে ডালে
ফাগুনে চিগা ফুলনি দৰাত
তেজৰ ফাকুৰে ৰাঙলী কৰি
গোপনে গোপনে যে কটালো
বহাগ ঐ —
তয়ো জানো পাহৰিবি মোক? ■■

# তুমি সুন্দৰ সৃষ্টি

**পুনম ডেকা**
ইতিহাস বিভাগ
পঞ্চম ষান্মাসিক

মোৰ মনৰ প্ৰশান্ত সাগৰৰ
অশান্ত ঢৌবোৰ তুমি
হিয়াত বৈ থকা কৃষ্ণা কাবেৰীৰ
তুমিয়েই শীতল পানী।
মোৰ মনৰ আকাশত থকা
মৃদু মলয়াজাক তুমি
জিৰি জিৰি শব্দৰে বৈ থকা
তুমিয়েই পাহাৰৰ জুৰি।
দিবাকৰৰ ৰঙীণ পোহৰ তুমি
ৰামধেনুৰ সপ্ত ৰং
চ'তৰ বৰদৈচিলাজনী তুমি
তুমিয়েই সেউজী বন।
গগনৰ অনন্ত মেঘমালা তুমি
নামি আহা বৰষুণ হৈ
ব'হাগৰ কপৌফুল পাহ তুমি
তুমিয়েই বৈ থকা নৈ।
জেঠৰ প্ৰখৰ ৰ'দ তুমি
শীতৰ প্ৰচণ্ড জাৰ
শাৰদী নিশাৰ পূৰ্ণিমা তুমি
তুমিয়েই পদুম বোকাৰ।
পানীত চৰি ফুৰা ৰাজহাঁহ তুমি
ফেঁচা হৈ দিয়া উৰুলি
তুমি উটি থকা বগলীজাক
তুমিয়েই ব'হাগৰ কুলি।
বতাহৰ চঞ্চল গতিৰ দৰে
আকাশত কঁহুৱা উৰুৱাই
ৰ'দৰ হাঁহি ভৰা উজ্জ্বল পোহৰ
পৃথিৱীত দিয়া ছটিয়াই।
সৌৰ জগতৰ অগণন তৰা তুমি
জ্বলি থকা উজ্জ্বল হৈ
যদি অমাৱস্যাৰ অন্ধকাৰ তুমি
তোমাতেই বিলীন হম মই। ■■

# ব্যক্ত কথন

**পঞ্চমী সৰকাৰ**
ৰাজনীতি বিজ্ঞান বিভাগ
পঞ্চম ষান্মাসিক

কেতিয়াবা আত্মকথা,
কেতিয়াবা আত্ম বুজনি।
অতি কষ্ট সমাপন কাৰ্যতো,
হায়! অসন্তুষ্টিৰ অনুভূতি।
খুন্দিয়াই খুন্দিয়াই যেন অশুদ্ধি উলিওৱাৰ চল।
স্বভাৱ আহ্।
কেতিয়াবাৰ আত্ম উৎসাহ,
কেতিয়াবা আত্ম তিৰস্কৰণ,
কেতিয়াবা আত্ম অনাদৰ।
কেতিয়াবা ব্যাকুলতাৰ অচেতনতা।
কেতিয়াবা ভাবাৱেশৰ সচেতনতা।
কেতিয়াবা স্বজনসকলৰ সংগতিত আনন্দৰ ৰোল,
অ' কেতিয়াবা বিৰামহীন নীৰৱ পলত
একান্তৰ সুখপ্ৰাপ্তি।
কেতিয়াবা সাধাৰণ বৃত্তান্তত ভাৱামূলক চক্ষুজল,
অ' কেতিয়াবা সাধাৰণ বৃত্তান্তত হাঁহিমুখীয়া
যৌৱনদীপ্ত সংবেদনাত্মক ধল।
কেতিয়াবা আনন্দৰ ভোগ,
অ' কেতিয়াবা দুখময় সাগৰৰো ভোগ।
কেতিয়াবা অচিনজনৰ লগত কিছু পল ব্যতিত
কৰিলেই আত্মীয় যেন অনুভূতিৰ আলোড়ণ।
আকৌ, কেতিয়াবা ঘণ্টাৰ ঘণ্টা পল ব্যতিত
কৰিলেও তেওঁলোক যেন পৰ।
কেতিয়াবা মৃণাল মনৰ দুৱাৰ খুলি
নিষ্ঠাৰে অব্যক্ত কথাবোৰ ব্যক্ত কৰিবৰ মন।
ইচ্ছিত, এই চিত্তমন।
আনন্দময় জীৱন গঢ়াৰ।
বৰণীয়া প্ৰাঙ্গণত
হৃদয় ভৰা সপোন লগ্নত
জীৱন জিয়াবৰ পথিকত। ■■

# সোঁৱৰণত তুমি

**জিণ্টুমণি নাথ**
উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় ষান্মাসিক

ব্যতিক্ৰমী মনৰ মই
হয় জানো, ক'বলে কঠিন!
শান্তি-ক্লান্তি পথে এৰি
ত্যাগী মই উৰ্ধত ৰূঢ় আৰ্তস্বৰ।
ক্ষণিক মিলন মাথোন,
তাৰে তিক্ততাৰ প্ৰলোভন
মোৰ মনৰ বঞ্চিতৰ, বাচিবৰ বাঞ্চা।
তাতে সেই সেউজীয়া প্ৰেমৰ
পৰশিত মনৰ ৰংঘৰ
হায়, পাৰ ভাঙে যৌৱনৰ।
দেখো, মই মোৰ কেউফালে
তাৰেই লাৱণ্য বৰণ,
শাৰদী ৰাতিৰ ঠিকনাহীন
তথাপি স্মৃতিৰ নিয়ৰে
জুৰায় নয়ন জীৱনৰ
প্ৰেমৰ লেছেৰি বুটলি
ভাগৰি অৱসাদ শতেক যুঁজৰ,
সপোনৰ কণ্ঠ নিঠৰতা
বাসনাহীন প্ৰেমৰ
অৰ্থহীন জীৱনত
সি যে প্ৰেমৰ ৰাঙলী স্বৰ।
অতঃ সেইদিনা আশাৰ উজ্বল তৰাই
দুখৰ ডাৱৰক হাঁহি মাৰিম
সপোনৰ ৰঙীণ ছবি আঁকি,
সৃষ্টিৰ সৰ্বোত্তম কবিতাৰে
বন ময়ূৰীৰ দোলাত উঠি
আকাশৰ নীলা নীলা
সুৰৰ ৰঙত বাউলি,
সেই সপোনে সেউজ চুমিব। ■■

# অতীতৰ কাজল সনা দুচকু

**ভবেশ ডেকা**
তৃতীয় যান্মাসিক

আজিও মনত পৰে
তোমাৰ কাজল সনা দুচকুলে
তেতিয়া আচলতে
প্ৰেম কি জনাই নাছিলো মই
জনা নাছিলো ভালপোৱা কি
পুৱাৰ ৰ'দালিত দেখিছিলো সেইদিনা
তোমাৰ কাজল সনা চকু জুৰি
চাৰি চকুৰ মিলনত নাজানো কিয় বা
অজানিতে কপি উঠিছিল
নিঃসংগতাই আৱৰি ধৰা মোৰ হৃদয়খনি,
এন্ধাৰ ঘন চোতালত নামিছিল
এটি শৰতৰ শেৱালি ফুলা জোনাকী ৰাতি।।
বহু উজাগৰী ৰাতি পাৰ কৰিছিলো
তোমাৰ কথা ভাবি
তোমাক মোৰ দুচকুত আঁকি
চিনাকি হৈছিল
তোমাৰ ঠিকনা লৈ অনা
জোনাকী পৰুৱা এটি এটি।
তুমি চাগে কল্পনা কৰিব নোৱাৰিলা নহয়নে?
কিমান যে ভাল পাইছিলো
আগলৈ কিমান ভাল পালো হয়
নহ'লেনো এনেকৈ আঁতৰি যোৱানে
তুমি জানানে?
কলেজৰ সেই কৃষ্ণচূড়া জোপাক কথা দিছিলো
তুমি মই তাৰ তলত একেলগে বহিম বুলি
সিও কৈছিল
সি হেনো তাৰ পাহিবোৰেৰে
কোমল দলিচা এখন পাৰি দিব
পিছে নাই তুমি আজি
শৰতৰ নিশাৰ নিয়ৰৰ দৰে আহিছিলা
ভাবিছিলো চিৰদিন
মোৰ বুকুৰ পাহিত জিলিকি ৰ'বা,
জনাই নাছিলো তুমি যে
কোনোৱা অচিন ৰ'দৰ
পৰশত আঁতৰি যাবা।
আকৌ কাজল দুচকুৰে কিয় চোৱা?
কিহৰ প্ৰতিশোধ এয়া?
এতিয়া বুজিছো প্ৰেম কি?
প্ৰেমৰ বিষাদতা। ■■



# অনামিকা এটি তৰাৰ দৰে

**চিন্টুমণি ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় যান্মাসিক

মোৰ অক্লান্ত বিশ্বাসৰ সিপাৰে
নিজম আকাশৰ নিচুক তৰাটিৰ দৰে
তুমি মাথো হোৱা
অনামিকা এটি তৰাৰ দৰে।
ধূখৰ ধূলিয়ৰি কাঁইটীয়া পথৰ
তুমি যেন অবিৰত মোৰ কামনাৰ প্ৰাপ্তি
বিচাৰিছো তোমাক শয়নে-সপোনে
অনামিকা এটি তৰাৰ দৰে।
মোৰ উকা কাগজত বোলালা তুমি ৰং
মৰমেৰে আঁচল লুটিয়াই আঁকিলা চিত্ৰবন
প্ৰিয়জনী হে পৰিছা নীৰৱে
অনামিকা এটি তৰাৰ দৰে।। ■■



## বৈ থাকিম

**কমলজ্যোতি নাথ**
শিক্ষা বিভাগ
তৃতীয় যান্মাসিক

মই বৈ থাকিম
এন্ধাৰৰ সেই মায়াৱী বাটত,
বুকুৰ মাজেৰে পাৰ হৈ যাব দিম
অমাৰস্যাৰ সেই কাল অমানিশা।
এন্ধাৰ মোৰ কেতিয়াও প্ৰিয় নাছিল
জোনাক ভাল পাইছিলো,
বুকুৰ মাজেৰে সদায় বৈ যাব দিছিলো
তৰা ভৰা জোনাকৰ নদী
জোনাকৰ জেউতিত নিজক বিচাৰি পাইছিলো।
কিন্তু,
নতুনকৈ কাল এন্ধাৰ ভাল পাব শিকিছো
তমিশ্ৰাৰ প্ৰেমত পৰিছো,
এন্ধাৰৰ মাজত নিজক বুজি উঠিছো,
ঘিট্‌মিট্ এন্ধাৰৰ মাজতো
বাৰে বাবে তোমাকেই দেখিছো
তুমি যদি মোৰ বাবে
নিশাৰ আকাশৰ জোন হোৱা
জোনাকৰ ঢল বুকুত বোৱাই দিয়া
তেতিয়াহ'লে জোনাক ৰাতিবোৰ মোৰ
সদায় প্ৰিয়।
মই বৈ থাকিম ...।। ■■

## অভিমান

**দীপশিখা ডেকা**
অসমীয়া বিভাগ
পঞ্চম যান্মাসিক

অভিমান নকৰিবা তুমি
মই জানো তোমাৰ মোৰ প্ৰতি থকা
অনুভৱবোৰৰ কথা
হৃদয়ত ফুল বচা মৰমবোৰৰ কথা
তুমি বাৰু জানানে?
শান্ত মৃদু বতাহ জাকেও তোমাৰ
বতৰা দি যায়,
কাণে কাণে গুণ্‌গুণনি তুলি কৈ যায়
অলেখ, বহুত ...
কায়া বনত লগা জুই হঠাতে নুমাই পৰে
তোমাৰ আগমনত ফিৰিঙতি
গোলাপ হৈ পৰে
জীপাল হৈ পৰে মোৰ শুকান হৃদয়।
কিন্তু মই কেনেকৈ কওঁ তোমাক
ভাগৰুৱা মই আজি ...
অশান্ত মনৰ তমসা লগত যুঁজি যুঁজি।
মোৰ সকলো ভুল ক্ষমাৰ পাত্ৰত ভৰাই
অভিমানৰ টোপোলাত মৰমৰ সুৱাগ লৈ
আহিবানে তুমি ...?
পুনৰাই মোক আপোন কৰিম বুলি
কাষ চাপিবানে তুমি ...? ■■

# প্ৰকৃত মইজনীৰ সন্ধানত

**দীক্ষিতা বৰুৱা**
ৰাসায়ন বিজ্ঞান বিভাগ
দ্বিতীয় ষান্মাসিক

ব্যস্ততা নে কাগজ কলম হাতত লোৱাৰ এলাহ
বুজিব নোৱাৰো
কলমেৰে আজি নিগৰি নহা হৈছে
অন্তৰত হেন্দোলিত হৈ থকা
আৱেগ প্ৰকাশক শব্দবোৰ।
কলমৰ আগেৰে নিগৰে কেৱল
Physicsৰ derivation, Chemistryৰ chemical reaction
বীজ গণিতৰ $x$ ক বিচৰাৰ দৰে
হাবাথুৰি খাই বিচাৰিছো আজি
যান্ত্ৰিকতাৰ মাজত লুকাই পৰা
প্ৰকৃত মইজনীক।
ইয়াত নাই কোনো Mathematicsৰ formula
মাত্ৰ লিখা আছে (Giren, কাগজ আৰু কলম)
সেইবাবেই বহুত দিনৰ মূৰত
প্ৰকৃত মইজনীৰ সন্ধানত ওলালো।
কাগজ কলমক সাৰথি কৰি।
পালো বিচাৰি —
যান্ত্ৰিকতাই কাঢ়ি নিয়া প্ৰাণহীন ছোৱালীজনীক
তাইৰ হৃদয়লৈ জুমি চালো,
আবেগবোৰে তাৰ সীমনা অতিক্ৰম কৰি
অশ্ৰুলৈ ৰূপান্তৰিত হৈছে
আমাক দেখি যেন কিছু
প্ৰাণ পাই উঠিছে তাই
কিন্তু,
উফ্
ব্যস্ততাই আকৌ মাতিলেই।
alfa, bita, ..... $x, y, z$ .... H, He, C ....
এইবোৰৰ জগতখনলৈ।
শৈশৱতে তাইক
আকৌ লগ কৰিব অহাৰ প্ৰতিশ্ৰুতি দি,
প্ৰাণসনা মৰমেৰে কপালত চুমা এটি দি,
উভতি আহিলো যান্ত্ৰিক জগতলৈ।। ■■



# ব্যস্ততাৰ ভৰ

**দীপশিখা দেৱী**
অৰ্থনীতি বিভাগ
ষষ্ঠ ষান্মাসিক

সময়তকৈ দুখোজ আগত থকাৰ বাসনাত
ক্ৰমশঃ হেৰুৱাই আহিছো নিজক
দৌৰা-দৌৰিৰ শেষ নাই
অথচ, আজিও সময়ত নাপালোহি বাছ।
যোৱাকালি ভৰিত দুখ পাইছিলো
ব্যস্ততাৰ ভৰত
আজিও অনুভৱ কৰিব হোৱা নাই বিষটো
দৌৰিছো আৰু দৌৰিছো
তথাপি চুই চাব পৰা নাই সপোনটো
আপোনজনৰ সৈতে এখন্তেক বহিবলৈ
আহৰি নাই
হয়তো আহৰি পোৱা নাই এবাৰ
মাৰ কোলাত মুৰ গুজি সুধিবলৈ
তই ভালে আছনে?
তথাপি আপলোড দিবলৈ পাহৰা নাই
ফেচ্‌বুকত দীঘলীয়া কেপ্‌চন লিখি
নিতৌ একোখনকৈ চেল্‌ফি
বন্ধুত্ব বিচাৰি চাৰ্চ কৰিছো
হেজাৰজনৰ নাম
অথচ, পাহৰি পেলাইছো কাৰ সান্নিধ্যত
পাৰ হৈছিল
মোৰ ধূলিয়ৰি শৈশৱ। ■■

# হৃদয়ৰ এক স্পন্দন মঙলদৈ মহাবিদ্যালয়

**পম্পী চহৰীয়া**
অসমীয়া বিভাগ
তৃতীয় যান্মাসিক

হে জ্ঞান মহৰ্ষি
মহামিলনৰ সেঁতু তুমি
জ্ঞানৰ আলয় তুমি
প্ৰাণৰ আলয় তুমি
সহস্ৰ প্ৰণাম তোমাক
হৃদয়ৰ এক স্পন্দন
মঙলদৈ মহাবিদ্যালয়
তোমাৰ নামতেই বিলীন
তোমাৰ গুণ-গৰিমা, যশস্যা,
প্ৰকাশিত হয়।
কৃষ্ণচূড়া জুপিয়েও যেন
তাৰে সাক্ষী বহন কৰে
তোমাৰ সান্নিধ্যত
বহুতো মৰহিব খোজা ফুলৰ কলিয়ে
পলকতে ঠন ধৰি উঠে।
আৰু নতুন নতুন সুবাসৰ
সমাৰোহৰ সৃষ্টি কৰে
তুমি যেন সৰু সৰু
পহৰা দিয়া পূৰ্ণিমাৰ জোনটোৰ দৰে।
তোমাক শতকোটি প্ৰণাম
হে জ্ঞান মহৰ্ষি
মঙলদৈ মহাবিদ্যালয়। ■■

# আমাৰ মহাবিদ্যালয়

**ববিতা দাস**
ইতিহাস বিভাগ
পঞ্চম যান্মাসিক

মঙলদৈত আমাৰ মহাবিদ্যালয়
ৰূপৰ তুলনা নাই
উনৈশ একাৰন্নত জনম লাভ
সকলোকে পোহৰ বিলায়।
মহাবিদ্যালয়ত অহা যান-বাহন
চাইকেল, মটৰ গাড়ী
পঢ়া আৰম্ভ কৰো আমি
ভগৱানক প্ৰাৰ্থনা কৰি।
আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহাশয়ক
সকলোৱে শলাগ লয়।
সকলো ছাত্ৰ-ছাত্ৰীক তেওঁ নিজ
সন্তানৰ দৰে আদৰি লয়
সকলো শিক্ষক শিক্ষয়িত্ৰী কৰ্মচাৰীয়ে
আমাৰ যত্ন লয়
পাঠ্যপুথিত থকা বিষয় বস্তু
ভাঙি পাতি বুজায়
মহাবিদ্যালয়ত গৌৰৱৰ বাবে আহা আমি
আটাইয়ে চেষ্টা কৰো
জ্ঞানৰ ভঁৰাল এই মহাবিদ্যালয়ৰ
অসন্মান কেতিয়াও নকৰো।
জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ
ছাৰ বাইদেউৰ আশিস বিচাৰো
আমাৰ মহাবিদ্যালয়ত গৌৰৱৰ কথা
নোকোৱাকৈ থাকিব নোৱাৰো।
আমাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত
সদায়ে কামনা কৰো
মহাবিদ্যালয়ৰ গৌৰৱ অটুট থাকক
গোটেই জীৱন জুৰি। ■■



# বান্ধোন

**বৰষামণি দেৱী**
প্ৰাণী বিজ্ঞান বিভাগ
পঞ্চম যান্মাসিক

সজাৰ চৰাইজনীয়ে সদায়
মুকলি আকাশলৈ চাই ভাবে,
মই কিয় মুক্ত নহয় ...???
মোৰো মন যায় মুকলি আকাশত উৰিবলৈ,
যদি ময়ো মুক্ত হ'ব পাৰিলো হয় ...!!!
এনেদৰে এদিন তাই গুচি গ'ল...
গুচি গ'ল বেলিৰ পোহৰ ফালি
সেই মুক্ত আকাশলৈ,
তাই বিচৰাৰ ধৰণে উৰিবলৈ ...
কিন্তু!!! তাই জনা নাছিল,
যে তাই উৰিব বিচৰা সেই মুক্ত আকাশখনত
আছে বহুতো তেজে লিখা কাহিনী,
য'ত আছে প্ৰত্যেক দিনাই নিজক বচোৱাৰ যুঁজ,
পেটৰ ভোক গুচাবলৈ কৰা যুঁজ,
ৰাতিৰ আন্ধাৰৰ পৰা নিজক বচাবলৈ কৰা যুঁজ,
আৰু যে কিমান যুঁজ ...!!!
বেলি ডুবিবৰ হ'ল, এন্ধাৰ নামি আহিল,
গছৰ ডালত বহি এটা দীঘল হুমুনিয়াহ কাঢ়ি
তাই এবি অহা সেই বান্ধোনৰ জীৱনটোলৈ
এবাৰ ভাবি চালে ...
উহ! সেই বান্ধোন জীৱন মুক্ত জীৱনৰ তুলনাত
বহুত বেছি নিৰাপদ।
য'ত নাছিল কোনো ভয়, নাছিল কোনো চিন্তা,
আছিল কেৱল মুক্ত হোৱাৰ অযুত হেঁপাহ ...
যদি আকৌ পাৰিলো হয় উভতি যাব
সেই বান্ধোনৰ মাজলৈ...!!! কিন্তু ...
কিন্তু সেয়া যেন এতিয়া অতীত হ'ল ...!!! ■■

# নৈৰ সিটো পাৰে মোৰ ঘৰ

**অৰূপা চৌধুৰী**
তৃতীয় যান্মাসিক

সেই নৈখন আৰু নাই ভেজালহীন মৰম,
বিশ্বাস, শান্তি আৰু হেঁপাহেৰে ভৰা সেই
চিনাকি গাঁওখনি আজি পাহৰণিৰ
গৰ্ভত বিলীন।
চিনাকি ঘাটটোত ফুলি থকা সেই
কঁহুৱা দৰাৰ আঁৰত কিৰিলিয়াই কিৰিলিয়াই
গীত জুৰি থকা শালিকী দুটি,
ৰঙিলী, পমিলিহঁতৰ লগত বৰশী বাই বাই
জুৰা সেই বিহুনাম কেইফাঁকি আজি নাই
বিলীন হ'ল সময়ৰ সুঁতিত
পৰিতপ্ত আজি সেই তাহানিৰ
ৰং বিৰঙেৰে পৰিপূৰ্ণ
আশাৰ পদূলি
কাকিনি তামোলেৰে আজি
আকাশলৈ চাই তৰা গনা নাই
ভলুকা বাঁহৰ আগে আজি
পদূলিলৈ হালি ৰভা টনা নাই,
কোনেও ঘূৰি নাচায়
কংক্ৰিটৰ অৰণ্যৰ মাজত
সকলো আপোন পাহৰা
যেতিয়াই উভতি চাওঁ মাথোঁ
দেখো বালিচৰ আৰু বালিচৰ
বালিমাহী হালো হেৰাই গ'ল
সেই সুৱাস আৰু নাই
হেৰুওৱা মাদকতা বিচাৰি
হাহাকাৰ কৰিলেও
আজি আকৌ উভতি নাহে
সেই সময়বোৰ
হেৰাই গ'ল
সময়ৰ সৈতে সেই চিনাকি ঘাটবোৰো,
ৰংবোৰ নাই,
তথাপিও কিন্তু নৈখন বৈয়েই আছে। ■■

# লিখিবলৈনো কি আছে ...



**পল্লৱী ডেকা**
অসমীয়া বিভাগ
দ্বিতীয় ষান্মাসিক

লিখিবলৈনো কি আছে?
বহুদিন হ'ল কবিতা নিলিখা
হয়তো প্ৰেৰণাৰ অভাৱ।
শুভ্ৰপাতত এইয়া কি দেখিছো—
উম্ সেইয়া এলান্ধুৰ আৱৰণ।
চিয়াঁহীবোৰ গোট মাৰিছে
হাতখনো যঠৰ হৈ পৰিছে
পিছে ...
লিখিবলৈনো কি আছে?
অবুজ মনৰ দুৰ্বল সংবাদ।
ধূসৰ হৈ যোৱা তাহানিৰ স্মৃতি!
নে অৱসাদ, নিঃসংগতাই অনবৰতে গ্ৰাস কৰা
মোৰ জীয়া কাহিনী??
নালাগে হেৰ'
নিলিখো যাওক ...
উশাহ নিশাহৰ যঠৰতাত
ফুটি নোলায় শব্দ,
ভাৱনাবোৰো আতংকৰ চেপা উত্তেজনাত
হৈ পৰিছে জব্দ।
জটিলতাৰ কবলত যেন মোৰ
সঁচা অনুভূতিবোৰ
হৈ গ'ল কবৰস্থ। ■■

# কলেজীয়া জীৱনৰ পাতনি

**চাৰ্জিনা ইয়াচমিন**
উদ্ভিদ বিজ্ঞান বিভাগ
চতুৰ্থ ষান্মাসিক

সিদিনা আছিল
কলেজীয়া জীৱনৰ প্ৰথমটি দিন;
বহুতো আশা, অলেখ সপোন বুকুত বান্ধি
ভয়ে-ভয়ে প্ৰথমবাৰ খোজ দিছিলোঁ কলেজত।
মোৰ বাবে সকলো আছিল অচিনাকি;
সময়ৰ সোঁতত সকলো আপোন হ'ল।
জীৱনৰ এই সময়খিনি যেন লাহে লাহে
ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালীময় হৈ পৰিল।
বন্ধুত্বৰ ঘনিষ্ঠতাও বাঢ়িল;
কৰিড'ৰত বহি দিয়া আড্ডা;
বন্ধু-বান্ধৱীৰ পৰা পোৱা সঁহাৰি;
আৰু এতিয়া যেন সপোনবোৰেও
বাস্তৱায়িত ৰূপ পাবলৈ;
হাহাকাৰ কৰি উঠিছে।
এতিয়া আৰু ভয়, শঙ্কা একো নাই।
আছে মাথোঁ,
মন-ময়ূৰীয়ে পাখি ধৰি মূৰ্চনা তোলা
এই সময়ছোৱাৰ অফুৰন্ত আবেগৰ;
সীমাহীন পাৰাপাৰ। ■■

# স্বাধীনতা

**দেৱলীনা ডেকা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

এইখন অসম দেশ সোণৰ সঁফুৰা
এইখন অসম দেশ মৰমেৰে ভৰা।।
জাতি ভেদ পাহৰি একতাৰ ডোলেৰে
সকলো মিলিছিলো অতি মৰমেৰে।।
১৮২৬ চনত ইংৰাজ সৈন্য আহি
মানৰ বিৰুদ্ধে প্ৰথমে অগ্ৰসৰ হয়হি।।
ইয়াণ্ডাবু সন্ধি হয় মানৰ লগত
১৮২৬ চনৰ ফেব্ৰুৱাৰী সাতাইশত।।
পুৰন্দৰ সিংহক পাতে ৰজা অসমৰ
কৰতলীয়া ৰাজ ৰূপে থাকে পাঁচ বছৰ।।
মান খেদি ব্ৰিটিছে গোজেই বৰ গছ হ'ল
তাক দেখি অসমীয়াৰ মনে চিন্তা হ'ল।।
অসমী আইৰ বৰপুত্ৰ গোমধৰ কোঁৱৰ
কান্দুৰা, ধৰ্মধৰ, ধনঞ্জয় আদি গুপ্তচৰ।।
এই সকলোৰে মিলি পাতে ষড়যন্ত্ৰ
কেনেবাকৈ গম পাই দিলে কাৰাদণ্ড।।
আগবাঢ়িল বীৰপুত্ৰ পিয়লি বৰফুকন
জীউৰাম, ডেওৰাম আদি কৰি ছয়জনমান।।
চিপাহীৰ ৰংপুৰৰ চাউনী পুৰি হ'ল ছাই
ওভতি আহোতে বন্দী কৰে দাৰোগাই।।
চেৰাপুঞ্জীৰ আদালতত চূড়ান্ত বিচাৰ হ'ল
পিয়লি আৰু জীউৰাম ফাঁচী কাঠত ৰ'ল।।
অৱশেষত গদাধৰে চিপাহীক হাত কৰি
ষড়যন্ত্ৰত আগবাঢ়ে অতি কষ্ট কৰি।।
ধৰা পৰে চুবেদাৰ জেলিম সিঙৰ হাতে
নোৱাৰিলে আগবাঢ়িব স্বাধীনতাৰ হকে।।
১৮৫৭ চনত চিপাহী বিদ্ৰোহ হয় ভাৰতত
কলিকতাৰ পৰা চিঠি দিয়ে মণিৰামে অসমত।।



দোষী পাই মণিৰামক আনে বন্দী কৰি
ফাঁচী দিয়ে অসমত মহেশ্বৰকো ধৰি।।
অসমত অতি বেছি বিদেশীৰ হেঁচা হ'ল
অসমীয়াই মুখৰ মাত দিব নোৱাৰা হ'ল।।
অৱশেষত সমবেত হ'ল গাঁৱলীয়া
ফুলগুৰি, বৰপেটা, পাথৰিঘাট, ৰঙিয়া।।
স্বাধীনতাৰ বাবে অসমীয়াই ৪৭ চনলৈ
নানা কাকুতি মিনতিৰে চেষ্টা চলাইছিল গৈ।।
গান্ধীৰ যত্নত সদৌ ভাৰতে স্বাধীনতা পালে
বিনা ৰক্তে, বিনা যুঁজে ৪৭ চনত অসম এৰিলে।।
স্বাধীনতাৰ বাবে বুঢ়া-ডেকা অসমীয়াই
নিজৰ স্বাৰ্থ বিসৰ্জন দিব পাৰে দলিয়ায়।।

# খিৰিকী

**জিন্টুমণি নাথ**
উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় ষান্মাসিক

মোৰ ঘোট কৰা আন্ধাৰৰ কোঠালীটোৰ
এখনেই খিৰিকী,
তাৰো কাঁচ এখন ভগা
খিৰিকী সাক্ষী হৈ আহিছে,
দিনটো জংঘলৰ আৰু ৰাতিটো
আমি চাওঁৰ মানুহ।
সেইখনে দেখুৱাই মোক
জোনাকী বিহীন নিশাবোৰ,
মই আৰু মোৰ এবুকু সপোন
বাহিৰলৈ চাই ৰওঁ
কাল ধুমুহাৰ সৈতে
এবুকু অমানিশা
মেঘৰ লগত জোনটিয়ে সংগ্ৰাম কৰিছে,
তথাপি আকাশৰ একোণত জিলিকি ৰৈ জোনটি
খিৰিকীৰ কাষত ক'বলৈতো গ'লে
এখন সাগৰ আছে।
নদীৰ দৰে নিৰবধি এজন সংগী লাগে।
ফাগুনত অঘৰী হোৱা বিপন্ন
উশাহ জাকৰ বা খিৰিকীয়ে
অনুভৱ নকৰে।
সাগৰৰ ঢৌ চাবলৈও খিৰিকীৰ
ভাগ্য নাই।
সকলো আশাক বান্ধি থৈ
থিয় হৈ আছে এজন খেলুৱৈ
আবৃত পকী দেৱাল। ■■

# অসমৰ সংগী

**জেছমিন চুলতানা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

বুকুত প্ৰলয় জগা
শব্দত তোমাৰ ৰহস্য
ৰহস্য তোমাৰ সুৰ
ওচপোৱা জীৱনত অময়া সৌন্দৰ্য।
নিজৰ অস্তিত্বৰে ৰচিছা
তুমি বজ্ৰগান,
জগাই তুলিছা জীৱনত
বিপ্লৱী বান।
চৌদিশে বিয়পালা
জীৱনৰ গান,
জগতত বঢ়ালা
অসমীয়াৰ মান।
অসমৰ শিল্পী তুমি
সুললিত কণ্ঠ,
তোমাৰ গানত মুগ্ধ হৃদয়ত
জাগি উঠে জীৱনৰ ছন্দ।
হিয়াৰ আমঠু তুমি আমাৰ
আজি মায়া এৰি গ'লা,
জনতাৰ অসমৰ সংগী
হে মহান সুৰকাৰ।। ■■

# প্ৰকৃতিৰ ৰাণী গোলাপ

**মধুস্মিতা ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ
চতুৰ্থ যান্মাসিক

ফুটা নুফুটাকৈ
পাহি মেলে গোলাপৰ কলিৰ
লাজে ভৰা তাৰ পাহি
মাৰে মিচিকিয়া হাঁহি।
জোপোহা কাঁইটৰ মাজত নাচি
থাকে প্ৰকৃতিৰ ৰহণ সানি।
কাৰোবাৰ পৰশ পালে
সৰি পৰে এপাহি দুপাহি।
লাজুকী পাহিবোৰে যেন
শান্তিৰ দলিচা পাৰি
ক'ব খোজে মই
প্ৰকৃতিৰ ৰাণী বুলি।
ৰঙা বগা পাহিৰে প্ৰকৃতিৰ
অলৌকিক সৃষ্টি বুলি
কিন্তু প্ৰকৃতিৰ ৰাণী তুমি
মানুহৰ মন জয় কৰি
সৰগৰ পৰীৰ ৰূপটি লৈ
সংসাৰত সুগন্ধি বিলোৱা আহি।
হঠাৎ সংসাৰত বিষাদতা আনি
নিষ্ঠুৰ হৈ তুমি যোৱা মৰহি
তথাপি গোলাপ তুমি
সঁচাই প্ৰকৃতিৰ ৰাণী।
ৰঙা, বগা লাজুকী পাহিৰে
সদায় থাকিবা মিচিকিয়াই হাঁহি। ■■

# এখন্তেক

**আৰ্ছিকুল হুছেইন**
তৃতীয় যান্মাসিক

এটি দোকমোকালি পুৱা
পুৱতিৰ ৰঙা সুৰুযটো,
বৰ উৎসাহত ওলাইছে
দুনয়ন ভৰি চোৱা।
অলীক সপোন দেখিছো
এই প্ৰভাতত
জীৱনটো কৰ্মৰ দিশে
আগুৱাই যোৱা।
জীৱন তেনেকুৱাই
আশাৰ এক উত্তাল বুকু।
কিন্তু সত্য-সুন্দৰৰ
পৃথিৱীখনৰ ইপিঠি-সিপিঠি।
পোহৰ আৰু আন্ধাৰতো
মই নিদিও পিঠি।
লুকাই আছে সত্য
নাই তাত।
মই বিচাৰিম
তাতেই আঁত,
আৱেগ-অনুভৱৰ জীৱন-জীৱিকাৰ
অন্যতম সৃষ্টিৰ অৱদান
মানুহৰ মূল্যবোধৰ অৱদান।



# কোন মই

**ৰাখী শৰ্মা**
ইংৰাজী বিভাগ
তৃতীয় যান্মাসিক

(১)
নিজকে নিজে জীৱশ্ৰেষ্ঠ আখ্যা দি
পশুতুল্য কাম কৰা মানৰ প্ৰজাতিৰেই
এজন মই

(২)
যুৱ বয়সীয়া শৰীৰ আৰু বৃদ্ধ বয়সীয়া মন
লৈ জীয়াই থাকি, অস্থিৰ সমাজৰ
স্থিৰতা বিচৰাসকলৰেই
এজন মই

(৩)
সুখ-দুখ একোতে বিচলিত নহ'বলৈ
গৌতম বুদ্ধই কোৱা বাণী মানিব গৈ
সুখখিনি হাজাৰজনৰ লগত বিলাই,
দুখখিনি নিজৰ মাজতে সোমাই
থোৱাসকলৰেই এজন মই

(৪)
কষ্টৰ ফল মিঠা বুলি জানিও
বেছি মিঠা খালে মধুমেহ হয় বুলি
নিজকে সান্ত্বনা দি বেছি কষ্ট
কৰাৰ পৰা আঁতৰি অহা
সকলৰেই এজন মই

(৫)
ভগৱানৰ অষ্টোত্তৰ শতনাম থকাৰ দৰে
মানুহৰো অষ্টোত্তৰ শত অৱতাৰ থাকে
আৰু এই সকলোবোৰতে প্ৰতিধ্বনিত হয়
'কোন মই'ৰ ধাৰণাটি।।

# আবেলিবোৰ তোমাতেই স্তব্ধ

**আছিয়ানা ৰহমান**
ষষ্ঠ যান্মাসিক

আবেলিবোৰ তোমাতেই স্তব্ধ
য'ত সীমাহীন
ভাল পোৱাৰ চিনাকি
তুমি।
নিশাবোৰে ক'বলৈ ধৰে
এই স্তব্ধশীল ভালপোৱাৰ
পৰিণাম তুমি।
য'ত বাঢ়ি যায়
হেজাৰ প্ৰেমিকৰ
স্তব্ধশীল ভালপোৱা
মোক আৱৰি ধৰিছে
তোমাৰ গাৰ তেজেৰে
বৈ যোৱা
সুগন্ধি মালাডালে।
এই তোমাৰ স্তব্ধশীল
ভালপোৱাই,
মোৰ গাত
অনুভৱৰ উমান জাগ্ৰত কৰে।
আবেলিবোৰতে বৈ যায়
তোমাৰ শব্দৰ প্ৰতিধ্বনি
য'ত নিঃশব্দ হৈ যাওঁ
তোমাৰ শব্দৰ কোলাহলৰ মাজত,
য'ত অজস্ৰ ভালপোৱাৰ
শব্দৰ মধুৰতাৰ
নাম তুমি। ■■

# অযুত স্বপ্নৰ সংজ্ঞা বিচাৰি

**চিৰঞ্জীৱ ডেকা**
অৰ্থনীতি বিভাগ
তৃতীয় ষান্মাসিক

কিয় জানো!
প্ৰতিটো পলে সংগ দিয়ে
তোমাৰ নিঃসংগতাৰ বিষাদ ভৰা বাৰ্তাৰে;
অপ্ৰকাশিত সেই বাৰ্তাবোৰে
জপিয়াই ফুৰে
হৃদয়ৰ কাৰাগাৰৰ দেৱালে দেৱালে,
আৰু
জামিনলৈ অপেক্ষাৰত কয়দীৰ ধাউতিৰে
মোক প্ৰশ্ন কৰে
মুক্ত বিহগে ক'লৈ গতি কৰে?
নীৰৱতাবোৰে পথভ্ৰষ্ট গতিৰে
কিম্বা
নিগৰি অহা অশ্ৰু ধাৰেৰে
উত্তৰ দিয়ে —
দুখৰ পৰিধি ভাঙি শূন্যতাৰ আকাশলে।
অপ্ৰকাশিত ভাৱনাবোৰে অনুসন্ধিৎসু চাৱনিৰে
পোখা মেলে আশাৰ গজালি হৈ।
মৌনতাৰ পথাৰত নীৰৱ গজালিবোৰে
ক্ৰমাৎ পৈণত হৈছে গুটিধানৰ লেখীয়াৰে;
অনুৰাগৰ বজাৰত গ্ৰাহক হৈ
ক্ৰয় কৰিবা নে চাহিদাৰ উমান লৈ?
স্ৰোতস্বিনীৰ ক্ষিপ্ৰতাৰে পাৰিবানে
বেদনাৰ এলান্ধুবোৰ
ধুই নিবলৈ?
অবিৰাম গতিৰে
কেতিয়াবা
খোজ দিওঁ কবিতাৰ বাকৰিত
অশ্ৰুসিক্ত বেদনাৰ বন্যা বোৱাই
চকু ফুৰাও ভালপোৱাৰ অভিধানত
অযুত স্বপ্নৰ সংজ্ঞা বিচাৰি ... ■■



# প্ৰাকৃতিক সৌন্দৰ্য

**ভায়লিনা মহন্ত**
তৃতীয় ষান্মাসিক

প্ৰকৃতিৰ ঐশ্বৰ্য দান,
পুৱাৰ হেঙুলী বেলিৰ
অভূতপূৰ্ব ৰহণ।
প্ৰকৃতিৰ ঐশ্চৰ্য দান,
বিহগী অমিয়া গান।
যি গানৰ তালে তালে,
নাচে এই প্ৰকৃতিৰ
শেৱালি সুবাসে।
স্নেহময় এই প্ৰকৃতিৰ
ৰহনময় এই দলিচাৰ,
যিয়ে আৱৰি ৰাখিছে
অকৃতিময় গছ-লতিকা।
পাহাৰ-ভৈয়ামৰ
সংগম থলীতে,
সৃষ্টি হোৱা সেই।
অমিয়া গীত
ৰ'দালিৰে ভৰা সেই
সোণালী সুদিনৰ
আতিথ্যত অভিভূত হৈ পৰা
বিহগীৰ কণ্ঠেৰে
নিগৰি আছে অক্লান্ত
হৃদয়ৰ সেই গুণ গুণ গান।
যি গানৰ তালে তালে
নাচিছে প্ৰকৃতিৰ সৌন্দৰ্যই। ■■

# দীপ্ত স্বপ্নালী

**কংকন ডেকা**
পৰিসংখ্যা বিজ্ঞান বিভাগ
তৃতীয় ষান্মাসিক

দীপ্ত স্বপ্নালীৰ
অৰ্ধ নিশাত
এক বেটুপাত
নিদ্ৰাহীনতাৰ।।
অৰ্থবহ কিন্তু
অৰ্ধ পৃষ্ঠাৰ,
সংগ্ৰামী কিন্তু
জীৱন যুদ্ধতাৰ।।
সীমাহীনতাৰ খণ্ডত
দ্বিখণ্ডিত যুদ্ধ,
একত্ৰিত মাথো স্বপ্ন।।
হেঁপাহ সমাহিত,
মৰম আকোলিত,
সংজ্ঞা বিভোৰিত,
এক প্ৰতিজ্ঞাৱদ্ধতাত।
শব্দ লিখিত,
অভিমান প্ৰৱাহিত,
জোনাকীৰে প্ৰেৰিত
নিশা আলোকিত।
ইয়াতে তুমি প্ৰকাশিত
আলোৰিত
শিহৰিত ... অনুভৰিত।। ■■



# প্ৰকৃতিৰ চকুলো

**প্ৰিয়ংকা শৰ্মা**
উদ্ভিদ বিজ্ঞান বিভাগ
চতুৰ্থ ষান্মাসিক

এই যে চকুপানী সুকোমল প্ৰকৃতিয়ে টুকিছে
যাৰ বুকু উদঙাই চাৰিওফালে,
ৰাজ অট্টালিকাৰ জোঁৱাৰ উঠিছে
সেয়ে প্ৰকৃতিৰ চকুলোৰে গোটেই বিশ্বকে প্লাৱিত কৰিছে।
প্ৰকৃতিয়ে বাৰে বাৰে সকিয়াইছে
কিন্তু উচ্চাকাংক্ষী মানৱজাতিয়ে
এফালৰ পৰা আকাশ বতাহ পানী
দূষিত কৰি পেলাইছে।
প্ৰভাতী পুৱাৰ শুভ আৰম্ভণি
হৈছিল পক্ষীৰ কলৰোলেৰে
মানুহৰ আসুৰিকতাৰ প্ৰভাৱত
সেই কণমাণি পক্ষীবোৰ এতিয়া বিলুপ্তিৰ দিশে।
প্ৰকৃতিৰ বুকুৰ বিষে এতিয়া
সমস্ত বিশ্বকে পঙ্গু কৰি পেলাব,
প্ৰকৃতিৰ সেউজীয়াখিনি নিঃশেষৰ
উচিত মূল্য বিচাৰিব। ■■



## তৃষ্ণা

**বিপ্লৱ সিংহ ডেকা**
উদ্ভিদ বিজ্ঞান বিভাগ
ষষ্ঠ ষান্মাসিক

প্ৰকৃতিৰ পৰশ লাগি
প্ৰাণ পাই উঠে বলিয়া ফাগুন
প্ৰৱাহিত মিঠা নভঃশ্বাস,
শুকান হৈ পৰে অনন্তা।
সৰাপাতৰ দুখ নেওচি,
আবিৰৰ ৰং সানি
শিমলু পলাশ অশোক মদাৰে
থোপা থোপে মেলে চুপহি;
তথাপি তৃষ্ণাতুৰ হৃদয়ৰ
পিপাসা মাথোঁ বাঢ়ি যায়।
আৰৈয়া বননিৰ কোলাহল
উষ্ম ফাগুনৰ শেষ বতাহজাকে
ক'ৰ পৰা জানো
কুলিটিক উৰুৱাই আনিলে;
তাইৰ কান্দোনত প্ৰমত্ত আশয়
হৃদয়ত এক অজান প্ৰমোদ
দি যায় উন্মাদ প্ৰেৰণা
অন্তহীন তৃষ্ণা। ■■

## বৰষুণ

**বনশ্ৰী বৰগোহাঁই**
উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় ষান্মাসিক

ক'ৰ পৰা আহিল সেই বৰষুণ
যিয়ে আনিলে এক নিস্তব্ধতা
এই ধূলিময় পৃথিৱীক দিলে
এক নতুন ৰূপ, আশাৰ বতৰা।

বতাহ জাকে যেন কয়
তুমি আহিছা, পৃথিৱীক ধুৱাবলৈ
নতুন আশা জগাবলৈ,
আশাবোৰ ঘূৰাই আনিবলৈ।

ব্যস্ততাপূৰ্ণ জীৱনৰ কিছু পল,
বৈ চোৰাচোন শান্ত বৰষুণ জাকক
যিয়ে দিব তোমাৰ প্ৰেম,
আনন্দ আৰু উৎসাহ। ■■



# ফাগুন

**হীৰামণি নাথ**
উদ্ভিদ বিজ্ঞান বিভাগ
চতুৰ্থ যান্মাসিক

ফাগুনৰ মতলীয়া বতহৰ তালে তালে
নাচিছে পলাশ মদাৰ শিমলুৱে
ফাগুনৰ চোতাল ফটা ৰ'দে
বাট চাই ৰয় বাৰিষাৰ এটোপাল বৰষুণলে।
ফাগুনৰ উকা উকা বতৰক
ৰহণ সানিবলৈ আগমন ঘটিল ফাকুৰ
যাৰ গীততে ছন্দ মিলাই নাচিব সুখবোৰে
জীৱনৰ শুকান নিৰস পলক
ফাকুৰ ৰঙে বুলালেহি নতুন ৰহন।
ফাগুনৰ পছোৱাই আনিব নতুন বতৰা
আশা আৰু শান্তিৰ মলয়া।
শিমলু তুলা উৰি ফুৰিছে
সম্পূৰ্ণ স্বাধীনতাৰে নাই কোনা মলিনতা।
বসন্তৰ আগমনক লৈ প্ৰস্তুতি চলাইছে ফাগুনে
দলিচা পাৰিছে ফাকুৰ ৰঙেৰে
বসন্তই আনিব নতুন আশাৰ বতৰা
ফাগুনে দিব ৰঙৰ স্বাধীনতা। ■■

# বকুল

**বৰষা কলিতা**
অৰ্থনীতি বিভাগ
তৃতীয় যান্মাসিক

পদূলি মুখৰ বকুল জোপা
কি যে মনোমোহা,
তাৰ সুগন্ধই আকৰ্ষিত কৰে
মোৰ মন প্ৰাণ দেহা।
মই হৈ পৰো আপোন পাহৰা
যেন বকুল জোপাৰ প্ৰেমিকা,
আনন্দত লিখো কত যে কবিতা
বকুল জোপাই দিয়ে অতীতৰ বাৰ্তা।
বকুল ফুলেৰে উপচি পৰা
পদূলি মুখৰ দুৰৰি বনৰ দলিচা
দেখিলেই হয় মন-প্ৰাণ উতলা
যেন বকুল জোপাৰ প্ৰেমিকা।
বকুল জোপাৰ মায়াত বিলীন হৈ যাওঁ
এটি এটি ফুলেৰে মালা গাঁঠি ভাল পাওঁ
বকুল জোপা মোৰ অতীতৰ স্মৃতি
মাথো মোৰ মৰমৰ এনাজৰী
বতাহে উৰুৱাই নিয়ে তাৰ সুগন্ধ
দূৰণিবটীয়া কাৰোবাক বাৰ্তা দিম বুলি। ■■

# শেৱালি

**পুৰালী ডেকা**
শিক্ষা বিভাগ
তৃতীয় যান্মাসিক

শৰতৰ ৰাতিপুৱা নিয়ৰে তিতা
দুবৰিৰ ওপৰত সৰি পৰা
যেন এখন ফুলৰ দলিচাহে,
বুটলিছে কোনোবাই
কৰণি ভৰাই ভৰাই
মৃদু মৃদু হাঁহিৰে
জপিয়াই জপিয়াই
শুভ্ৰ বগা তুমি
অলেখ পোহৰৰ পাখি
জিলিকি আছা তুমি
বাখৰৰ দৰে অমূল্য ৰত্ন হৈ
তাৰ নামেই হ'ল শেৱালি
যাৰ সুবাস বিয়পে
গোটেই অমৰ পুৰীত। ■■



# সন্ধ্যা

**ধৰিত্ৰী শৰ্মা**
অসমীয়া বিভাগ
তৃতীয় যান্মাসিক

জোনাকী আজি অভিমানী
অস্পৃষ্ট ৰোদসীৰ সীমনাত
ডাৱৰৰ ধেমালি।
বুকুৰে বুকুৰে শিপাইছে একোজুপি
তেজৰঙী গোলাপ
পোহৰৰ ৰেঙণি কঢ়িয়াই অনাৰ হেঁপাহেৰে
ঢালি দিছো অবাধ তেজৰ সাৰ পানী,
সেন্দূৰীয়া বেলিবোৰে এটি চুমা আঁকি যায়
সেউজীৰ দুগালত, বাৰেপতি।
আকাশী পথেৰে উভতনি চৰাই জাকৰ
ধেমালিৰ ছলেৰে শৃংখলিত চিকমিকনি,
শুকুলা ডাৱৰৰ কণিকাবোৰ চুই চাবলৈ
উৰ্ধমুখী ধোৱাবোৰৰ হেতা ওপৰা
শীতল পছোৱা জাকৰ
সাদৰ সম্ভাষণ, হাত বাউল দি। ■■



# জীৱন

**প্ৰস্তুতি ডেকা**
অৰ্থনীতি বিভাগ
তৃতীয় ষান্মাসিক

জীৱনটো হাঁহি, কান্দোনেৰে ভৰা
য'ত দুখ আৰু সুখ দুয়োটায়ে থাকে,
জীৱনত দুখৰ অবিহনে জানো সুখ সম্ভৱ
দুখ নাপালে মানুহে সুখৰ মূল্যই নুবুজে।
এই যে ধৰিত্ৰীখন এখন মায়াময় সংসাৰ
মাথো আমি ইয়াত একোটা সজাত বন্দী জীৱ,
য'ত আমি সকলোবোৰ বাধা নেওচি, সুখ-দুখৰ মাজেৰে
জীৱনটো অতিবাহিত কৰিব লাগিব।
কি যে মানুহৰ এই দুদিনীয়া জীৱন
তাতে আকৌ মানুহৰ হিংসা, অহংকাৰ,
চলি অহা প্ৰাকৃতিক নিয়মবোৰৰ মাজত
এইবোৰ এদিন সকলো শেষ হৈ যাব। ■■

# কুঁৱলী

**দৰ্শনা মহন্ত**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

প্ৰতি আঘোণৰ পুৱা
আলহী হৈ আহে
লাজুক লাজুক খোজেৰে
স্নিগ্ধতাৰ আৱৰণেৰে সাবটি ধৰি
মৰমৰ পৃথিৱীখন।
কিমান যে আপোন।
তাৰেই সুবাসত সিক্ত বহ উঠেচোন
শেৱালিজোপা।
সোণোৱালী ধাননিডৰাৰ মাজেৰে
কেতিয়ানো হিয়াত আশ্ৰয় লয়?
পখিলা খেদি ফুৰাৰ সময়ত
সেমেকি উঠা নিষ্পাপ মুখবোৰ
সপোন সপোন লগা
পুৱা গধূলিবোৰ।
সন্ধিয়া জুহালত
উমাল সময়বোৰ।
কেতিয়াবাই পাৰ হৈ যোৱা
সেই দিনবোৰ।
স্মৃতি কঢ়িয়াই আনে
প্ৰতিটো আঘোণৰ লগত।
প্ৰতিবাৰেই লৈ আহে সোঁৱৰণী
এয়াতো নিচেই চিনাকি
কুঁৱলী।। ■■



# বৰ্ষা ঋতু

**কাব্যশ্ৰী নাথ**
অৰ্থনীতি বিভাগ
তৃতীয় ষান্মাসিক

বাৰিষাৰ কিন্‌কিনিয়া বৰষুণৰ
সেমেকা টোপালবোৰে শীতলাইছে প্ৰকৃতিৰ বুকু।
বহু মৰমেৰে আলফুলকৈ
মই ৰোৱা ফুলখিনি লহ্‌পহকৈ
বাঢ়ি প্ৰকৃতিৰ সেউজীয়াখিনিক অধিক জীপাল কৰি
প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে
ভৰাই তুলিছে।
বৰষুণৰ টোপালবোৰৰ পৰশত কুমলীয়া পাতবোৰে
সেউজীয়া ধৰাক এক অভিনৱ
সৃষ্টিৰ প্ৰয়াস কৰিছে।
কুমলীয়া পাতৰ আঁৰ লৈ
প্ৰস্ফুটিত হৈ পৰিছে সদ্য-যৌৱনা ফুলবোৰ।
মৃদু-মধুৰ বতাহৰ গুণ্‌গুণনিৰ
তালে তালে ফুলবোৰেও
হালিছে জালিছে।
মনৰ গোপনীয়তা মনতে ৰাখি
ফুলবোৰেও আশাৰে বাট চাই
ৰৈ আছে ভৰ যৌৱনা হোৱাৰ
দিনবোৰলৈ চায়।। ■■

# জীৱন

**কবিতা শৰ্মা**
অসমীয়া বিভাগ
তৃতীয় ষান্মাসিক

সময়বোৰ আগবাঢ়ি যায়,
জীৱনেও ৰং সলায় অভিজ্ঞতাবোৰ উপচায়।
সন্ধিয়াটো আগবাঢ়ে ৰাতি হোৱাৰ দিশে,
তৰা ভৰা আকাশখনিৰ সৈতে।
সপ্তাহটো আগবাঢ়ে মাহ হোৱাৰ দিশে,
গতি কৰা সময়ৰ সৈতে।
শৈশৱটি আগবাঢ়ে কৈশোৰৰ দিশে,
আশা ভৰা সপোনৰ সৈতে।
জীৱনটো আগবাঢ়ে মৰণৰ দিশে
পোৱা নোপোৱাৰ হিচাপৰ সৈতে।
এয়াই নেকি জীৱন?
যিয়ে কামনা কৰে সুন্দৰ মৰণ
এয়াওনো কিবা জীৱন নে?
য'ত তিলতিলকৈ মাৰে ৰূঢ় বাস্তৱে।। ■■

# পৰিধি

**পৰিণীতা শৰ্মা**
অসমীয়া বিভাগ
তৃতীয় ষান্মাসিক

বুকুৰ অস্পষ্ট ভাষাবোৰ
নিগৰিছে কাব্যিক শব্দৰে
স্নিগ্ধ জেউতিৰ বাগিচাত নৃত্য,
হৰ্ষিত জোনাকীবোৰৰ।
দুচকুত সফলতাৰ গভীৰ
অবাস্তৱ আঁকিঞ্চন,
আশাবোৰ পূৰণ হোৱাৰ দিশে
সীমাহীন যাত্ৰা অবিৰত।
আবেগিক চঞ্চলতাই সন্ধিয়াৰ মৌনতাত
সহস্ৰ ডাৱৰ টৌ খেলাই,
নীৰৱে হৃদয়ত সাৱতে
যাৰ যোৰা সুৰুযৰ প্ৰতিস্ফুট ৰূপ
মধুৰ সুবাস সিঁচি ৰূপালী জোনাকে
সপোন আঁকি যায়
আকাশে বতাহে। ■■

# এখনি ভগ্ন হৃদয়

**শিখৰজ্যোতি বৰুৱা**
তৃতীয় ষান্মাসিক

মোৰ হেৰাই গ'ল সেই ওঁঠৰ হাঁহি।
দুচকুৰে নিগৰি আহে অশ্ৰু যেতিয়া
তোমাৰ সেই মুখনি ভাঁহি আহে তেতিয়া।
নাজানো, নাজানো তুমি ক'ত আছা এতিয়া?
কিন্তু মোৰ মনে কয় তুমি সুখত আছা
নাজানো, নাজানো কিয় তুমি
মোক অকলশৰীয়া কৰি থৈ গ'লা?
কিন্তু মোৰ দুৰ্ভগীয়া মনে কয়
নিশ্চয় এদিন তুমি উভতি আহিবা।
মই ৰৈ থাকিম তোমালৈ
জনম জনমলৈ। ■■

# প্ৰকৃতি

**নিহাৰিকা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

নাজানো ফুলবোৰ কিয় ইমান ধুনীয়া
সেইবোৰক দেখিলে মই হৈ পৰো চঞ্চলা।
পখিলাৰ পাখিবোৰ জানো কিয় ইমান লাহি
ফুটুকা ফুটুকি ৰং-বিৰঙৰ উটি আছে নাচি-বাগি।
কৃষ্ণচূড়া জুপি ফুলি চৌপাশ কৰিছে ৰাঙলী
ৰাধাচূড়া জুৰি কলি মেলিছে শুৱনি গোলাপী।
হালধীয়া সোণাৰু জুপি বতাহত হৈছে আউলি বাউলি
এই গছবোৰৰ তলতে বহি আমিও কৰো ধেমালি। ■■

# অপ্ৰাপ্ত

**কাকলি ডেকা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

ভাৱনাবোৰো যে ইমান গধুৰ
ভবা নাছিলো
সংগ্ৰামময় জীৱনৰ অক্লান্ত পথিক মই
অ' নাৰী যে মই।
জীৱনৰ আউল লগাবোৰ ফঁহিয়াই লৈছো
তোমাৰ এপলক মায়াৱী চাৱনীৰ পৰা যে
হিয়া দহিছিল মোৰ
তোমাৰো হৈছিল কিজানি
শুনিলে জানো কোনোবাই
দুয়োৰে হৃদয়ৰ ক্ৰন্দনধ্বনি
নিবিচাৰো আৰু তোমাক,
শান্ত হোৱা তুমি।
ৰ'বলৈ দিয়া অপ্ৰাপ্তিৰ দিশত
স্বাৰ্থহীন ভালপোৱাৰ চিন হৈ
অপ্ৰাপ্তিৰ মৰমবোৰ আলসুৱা হৈ। ■■

# ফাগুন অহাৰ বতৰ

**নিজৰা শইকীয়া**
অসমীয়া বিভাগ
দ্বিতীয় ষান্মাসিক

চঞ্চলা পছোৱা জাক
ধূলিয়ৰি বাটেৰে
নামি আহিছিল।
লঠঙা শিমলু জুপিৰ আঁৰেৰে
ৰিণিৰিণি বাজি আহিছিল
সৌ দূৰৰ পৰা
অচিনাকি কনেংহঁতৰ ঐনিতমৰ
গুমৰাগৰ সুৰ।
ধূসৰ উদং
পথাৰখনত উৰি ফুৰিছিল
কেইখনমান চিলা।
অনুভৱৰ নঙলা মেলি
লাহে লাহে নামি আহিছিল
দুষ্ট ফাগুন
পলাশৰ ৰঙত কজলা সপোন
ৰাঙলী হ'ল।। ■■

# সময়

**মাজনি বেগম**
অসমীয়া বিভাগ
দ্বিতীয় ষান্মাসিক

উদং হৈ থকা ফাগুনৰ বুকুত
তুমি বৰষুণ হৈ গুণ্‌গুণাবা
মোৰ হৃদয়ত
মই গছ হৈ গজি উঠিম
তোমাৰ গুণ্‌গুণনিত
ৰঙীণ হৈ থকা ব'হাগৰ আঁচলত
তাপ হৈ পুৰি নিবা মোৰ অনুভৱ
মই শুকান নৈ হৈ উচুপিম
তোমাৰ দহনত। ■■



# বিষাদ

**হিয়া মণি ডেকা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

মই সঁচাকৈয়ে অকলশৰীয়া
নাই একো জীৱনৰ
সুখ বিনন্দীয়া
এনে এটি দিনত মোক
এনে এটি দিব পাৰে আশ্বাস
যি দিব পাৰে প্ৰকৃত
মৰম আৰু বিশ্বাস
নাই মোৰ এনেকুৱা
জীৱনৰ সহযাত্ৰী
বিপদৰ বেলাত দিবলৈ
সান্ত্বনা এধানি,
যাকে ভাবো মই
প্ৰকৃত লগৰী বুলি
দুদিনৰ পিছত সিও
যায় যে আঁতৰি
ধন-সোণে সকলো সুখ
নোৱাৰে আনিব।
যিজনক দহিছে অন্তৰত জুইয়ে
তেওঁহে জানিব ...। ■■

# অন্য কিবা

**ৰিম্‌লী ডেকা**
অসমীয়া বিভাগ
ষষ্ঠ ষান্মাসিক

নীৰৱতাৰ পোতাশালত বন্দী আজি
সেই বেদনাক্লিষ্ট চিঞৰবোৰ,
মৌনতাৰ বন্দীশালত আৱদ্ধ আজি,
সেই নিষিদ্ধ কাহিনীবোৰ লগতে অঁকা কবিতাবোৰ।
কেতিয়াবা কেতিয়াবা ভাবো ...!
যি হৃদয়ে বিচাৰে ...
সময়ৰ মেৰপাকত পৰি
ব্যস্ততাই কিয় তাত বাট আগছি ধৰে...?
দুখৰ হুমুনিয়াহবোৰেও আজিকালি চিন্তা কৰে
সমাপ্তিবিহীন সুখৰ বাবে!
আনফালে...
ব্যৰ্থতাক আকোঁৱালি সপোনবোৰ
হ'ব ধৰিছে আপোনঘাতী।
এইয়া অন্য মনস্কতা নে অন্য কিবা?
নে জীৱনৰ প্ৰতি উপজিছে বিতৃষ্ণা?
কিমান আৰু?
কিমান দূৰ? ■■

# বিভীষিকা

**বিস্মিতা ভাগৱতী**
অসমীয়া বিভাগ
স্নাতকোত্তৰ প্ৰথম যান্মাসিক

হেৰাওঁ বুলিয়েই হঠাৎ হেৰাই গ'ল
আইতাই চোতালত সাধু কোৱা দিনৰ
পাতল নীলা আকাশ এখন।
এতিয়া চাদৰ ওপৰে ওপৰে মাঁথো
কেইবা চপৰাও ওন্দোলা কলীয়া ডাৱৰ।
বাৰিষাবোৰত বৰষুণ অহাৰ কথা আছিল।
দুপৰীয়াৰ সুৰুযটো সৌ তাত জিৰোৱাৰ কথা আছিল
নৈৰ বুকুত, পাহাৰৰ কোলাত কিম্বা গছৰ ডালত।
মানুহে বিলাসিকতাৰ ধামখুমীয়াত পাহৰি পেলালে সেই কথা।
মানুহ আৰু প্ৰকৃতিৰ মাজৰ এই অপ্ৰেমত
বিৰহৰ দাৱানলত জ্বলি উঠিব এদিন পৃথিৱী
ধোঁৱাই ছানি ধৰিব চকু, তাপত উতলিব বুকু!
খোজ পাতি পৰি ৰ'ব আপোনাৰ অৰ্ধগলিত দেহা!
পিঠিত অক্সিজেনৰ বোজা বান্ধি
বৃক্ষৰোপণ কাৰ্যসূচীৰে সেইদিনা আমি
বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰিম।
থাকা, থাকা সকলো সাজু থাকা!! ■■

# প্ৰেমৰ অনুভূতি

**হেলীনা ৰাভা**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

মোৰ বুকুত আকাশত
ওলমি ৰোৱা তুমি যেন
এটি সেন্দুৰীয়া ছবি
তুমি আহিবা এদিন
হেঙুল বোলোৱা বাটেৰে ...
থৰ লাগি চাই ৰ'ম তোমালৈ
এটি নিজান কোণত
কাহানিও নিচিঙা
তোমাৰ আৰু মোৰ মাজত থকা
সম্পৰ্কৰ এই এনাজৰী...
মোৰ মনৰ উকা কাগজত
আঁকিলা তোমাৰে এটি ধুনীয়া ছবি
যি ছবিয়ে পালেহি মোৰ হিয়াৰ দলি
তুমি বিনে মই যে আধৰুৱা
সপোন এটি।। ■■

# স্মৃতি

**চিমি বেগম**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

এপাত এপাতকৈ
ফটা কাগজবোৰ উলিয়াই ল'লো,
দেখিলো,
সেউজীয়া সপোনবোৰ
বিষাদেৰে ভাঙি পেলোৱা
এপাহি গোলাপ ফুল,
জীৱনৰ ৰঙা দলিছাখনিত
মোৰ সেই মৰমৰ
ফুলনিৰ পখিলাজনীয়ে
দিছিল,
মোক এপাহি
বিষাদেৰে ভাঙি পেলোৱা
মৰহা গোলাপ ফুল।
মায়াময় ৰূপালী জোনৰ পোহৰত
ভাঁহি উঠে,
জীৱনৰ পাৰ হৈ যোৱা
ৰঙীণ স্মৃতিবোৰ ...
পাৰ কৰিছিলো
মোৰ বাগিছাৰ
শেৱালি জুপিৰ মালা গাঁথি।। ■■



# নিঃসংগতা

**প্ৰণিতা বৰুৱা**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

তাই মনে মনে
সংগোপনে
মোৰ মন মগজুৰে সোমাই
আহিল
চকুলোৰ লুণীয়া হ্ৰদত গা ধুলে
বুকু খান্দি মোৰ কলিজাত
সোমাল
এটি কোমল কেঁচুৱাৰ দৰে
লেতু-সেতু হৈ
আৰু মই তাইক নিচুকালো
আলফুলে
মোৰ হিয়াৰ কোলাত
তাই ভোক লাগিলে খায় কবিতা
পিয়াহত পাণ কৰে কবিতা
যন্ত্ৰণাত বমি কৰে কবিতা
প্ৰতিবাদত চিঞৰি গাই কবিতা
নাম তাইৰ
নিঃসংগতা। ■■

# ফাগুন

**ৰিপামণি চৌধাৰী**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

ফাগুনৰ পছোৱাই ৰিঙিয়াই মাতিছে
সৰাপাতত আবিৰৰ গোন্ধ বিলাবলৈ,
লঠঙা ডালত জ্বলি উঠা পুষ্প
মদাৰৰ ৰঙে বিলাইছে হেঁপাহৰ গোন্ধ।
কবিৰ কবিতাৰ ছন্দত পলাশৰ ৰংবোৰে হাঁহিছে
শিমলু তুলাৰ দৰে মনবোৰো উৰিছে,
ধূলি বালিয়ে হেঁপাহেৰে লগ দিছে
ফাগুনৰ নিৰস বাটক।
ফাগুনে এতিয়া কান্দে,
কোনে কয় ফাগুন বলিয়া,
কোনে কয় ফাগুন চঞ্চল,
ফাগুন মাথো আহে
পুৰণিক ত্যাগ কৰাৰ
সাহসৰ বন্যা বিলাবলৈ।। ■■



# ফাগুনৰ প্ৰেম

**নন্দিতা ডেকা**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

বৰ্ণিল ব্যস্ত চহৰৰ সুখত
পাহৰিব নোৱাৰো তোমাৰ বুকুৰ দুখক?
তুমি বিহীনতাত
সময়বোৰক শূন্যতাৰে মেৰিয়াই জানো
উদ্‌যাপন কৰিব পাৰো এইবেলিৰ ফাগুনক!
তোমাৰ বাবে এটি সৰু অভিযোগ,
ফাগুনত অঘৰী হোৱা
কেতিয়াবা মোৰ ওঁঠ দুটি চুলে
সম্প্ৰতি মোৰ হৃদয়ত অসুখ।
অভিমানৰ সাজযোৰ খুলি
নীৰৱ বহ ৰোৱাহি সন্মুখত
ভালপোৱাৰে বুকুখন শিপাই
দুবাহুৰ সমস্ত তীব্ৰতাৰে
সাৱটি ধৰো তোমাক।। ■■

# কবিতা

**হিয়া শৰ্মা**
অসমীয়া বিভাগ
দ্বিতীয় ষান্মাসিক

‘একুকি জোনাক’
হৃদয়ৰ কুঠৰীত জোনাক নামিছে
পোৱা নোপোৱাৰ শলঠেকত পৰি
খিলখিলাই হাঁহি ফুৰিছে অলিয়ে-গলিয়ে।।
এজাক পখীৰ গুণ্‌গুণনিয়ে অনুৰণ তুলিছে,
সেই মৰুৱা সন্ধ্যাটি যে বৰ প্ৰিয়
পলে পলে আৱেগৰ বৰষুণ হ’ব খোজে।।
সোণত সুৱগা চৰা এক পূৰ্ণিমাৰ ৰাতি,
অযুত শিহৰণ বুকুত বাজি উঠে...।
আলিংগন কৰিবলৈ অভীপ্সা জাপি উঠে
ন-সাজে সাজোন কাচোন কৰা জোনবাইজনীক।।
আকাশৰ সমস্ত নীলাবোৰ নিজৰ কৰি লোৱাৰ
এগালমান হাবিয়াসে টুকুৰিয়াই অনবৰতে
এখন দুখন ঠুনুক ঠানাককৈ হিয়াত
আজি হেঁপাহো জাগিছে
হয়তো আজি আকৌ নামিব পাৰে জোনাক
শীতল জোনাক।। ■■



# বন্ধুত্বৰ এনাজৰী

**বন্দনা বৰুৱা**
অসমীয়া বিভাগ
চতুৰ্থ ষান্মাসিক

মই বিচাৰো এজনী প্ৰকৃত বান্ধৱী
যিয়ে দিব পাৰে বান্ধৱীৰ,
প্ৰকৃত মৰম আৰু বিশ্বাস
মোৰ প্ৰতিটো সময়ত
সুখ-দুখৰ সমভাগী হৈ
যিয়ে দিব পাৰে মোক উৎসাহ
যিয়ে দিব পাৰে বান্ধৱীৰ সঁহাৰি
দুখৰ সময়ত মৰমৰ মাত এযাৰি
হ’বানে তুমি মোৰ
তেনে বান্ধৱী এগৰাকী
বহুত বান্ধৱী লগ পালো জীৱন বাটত
প্ৰকৃত বান্ধৱী নাপালো মই জীৱনত
যাক ভাবো প্ৰকৃত বান্ধৱী বুলি
দুদিন পিছত সিহঁতো যায় আঁতৰি
এৰি থৈ বান্ধৱীৰ এনাজৰী। ■■

# হেৰা জোনবাই

**ৰুবী চহৰীয়া**
......... বিভাগ

ৰূপহী ৰাংঢালী জোনবাইজনী,
আকাশী পথত ৰূপৰ কুঁৱৰী তুমি
তোমাৰ মুখখনি আজি মলিন কিয়?
শৈশৱত আইতাই কোৱা সাধুকথাবোৰ
আজি সঁচাকৈয়ে মূল্যহীন হ'ল।
একবিংশ শতিকাৰ বিজ্ঞানৰ হাতত
পৰাভূত হ'লা তুমি।
মায়াবিনী আঁউসীৰ কুঁহক জালত বন্দীৰ দৰে,
তুমিও বন্দী হ'লা বিজ্ঞানৰ হাতত,
জোনবাই, অ' জোনবাই।
কিমান কবিতা লিখিলে কবিয়ে
অন্তহীন তোমাৰ ৰূপত,
কতজনে তোমাৰ ৰূপত আপ্লুত হৈ
তুলিলে গীতৰ লহৰ,
সৌ সিদিনা সগৌৰৱে মানুহে
খোজ দিলে তোমাৰ বুকুত,
এক ইতিহাস ৰচিলে
অ' জোনবাইজনী।
তোমাৰ ৰূপে আৰু কবিকুল নকৰে উতলা
হাই জোনবাইজনী!
তুমি হৈ পৰিলা বিজ্ঞানৰ খেলৰ পুতলা।
অন্তহীন জয়যাত্ৰা, তোমাৰ বুকুতে হ'ব
মানুহৰ বাসস্থান।
বায়ুহীন, প্ৰাণহীন, বালিময়
উদং বুকু তোমাৰ,
হেঁপাহেৰে আদৰি ল'বানে জোনবাই
মানুহক তোমাৰ কোলাত।
মই মাথোঁ গীত গাম,
সুৰৰ ঝংকাৰ তুলি।
অকলে লিখিম কবিতা,
মোৰ কবিতাত নাথাকিব
মানুহৰ জয়যাত্ৰা।
থাকিব মাথোঁ তোমাৰ
এই ৰূপৰ কাহিনী,
জোনবাইজনী
মোৰ হৃদয়ৰ কেঁচা সোণজনী। ■■



# শৰৎ

**লৰ বৈশ্য**
বুৰঞ্জী বিভাগ

শৰতৰ পুৱতিত কুঁৱলী হৈ আহিছে
শেৱালিৰ সুবাস হৈ সুগন্ধি বিলাইছে
দুবৰিত নিয়ৰ হৈ তেওঁ পাৰিছে দলিচা।
নৈ পাৰৰ কঁহুৱা হৈ ফুলি নাচিছে
বাসনা হৈ তেওঁ যৌৱন জগাইছে,
বিলাই ফুৰিছে কবিৰ কবিতা।
আহিনৰ আবেলিত সেউজী ৰং হৈ
কাতি কৃষকৰ পথাৰৰ শস্য হৈ
আকুল সন্ধিয়াৰ নিবিড় জোনাক হৈ
পূজাৰ প্ৰতিমা, শৰতৰ ৰাণী হৈ
আহিছে তেওঁ নামি
শাৰদী নাম লৈ
শাৰদী নাম লৈ। ■■



# বিৰহত নিগৰে চকুলো

**পপী ডেকা**
বিজ্ঞান বিভাগ
পঞ্চম যান্মাসিক

দিশহাৰা পথিক আজি
আন্ধাৰতে জুমি চায়,
তচনচ সপোনবোৰ
বুকুৰ বেথা দুগুণে চৰি যায়।

নিঠৰ দেহৰ স্পন্দন
বিৰহত নিগৰে চকুলো,
বুজিবলৈ অবুজ মনৰ বেথা
নাই আহৰি কাৰো।

দুখৰ বেলিকা
সপোনে লুটি বাগৰ মাৰে,
অবুজন হয় যেতিয়া প্ৰিয়জন
মনে নিঃশব্দে তেতিয়াই ফেঁকুৰে। ■■

# কলম

**সাগৰিকা বৰুৱা**
অসমীয়া বিভাগ
চতুৰ্থ যান্মাসিক

নহয় মাঁথো এটি যন্ত্ৰ,
মানৰ জীৱনৰ আহিলা মাত্ৰ।
য'ত নিগৰিত হয় কাৰোবাৰ
জীৱন করুণা;
আন কাৰোবাৰ বাবে ই জীয়াই
থকাৰ প্ৰেৰণা।
কাৰাৰুদ্ধ হৃদয়ৰ যন্ত্ৰণা;
অথবা উন্মুক্ত হৃদয়ৰ বেদনা
সকলো সজীৱ হৈ উঠে কলমৰ ভাঁজত।। ■■

# ৰঞ্জিতক জগাই দিয়া আই

**প্ৰফুল্ল কুমাৰ দেৱ শৰ্মা**
সহযোগী অধ্যাপক
মাজবাট মহাবিদ্যালয়

আই
সুৰদী ভাষা
আঢ়ৈ কুৰি বছৰে বুকুত দুখৰ ভূঁইকপ
খেপেখেপে উঠা কপনিত
তেজডোঙা মেৰিয়াই এখন ৰঙীন গামোছা

খুলিপৰে দেখোন বুকুভেদি জাতিৰ ইতিহাস
কলিজা কাটি কংক্ৰিতত অংকিত
সেই তেজাল ছবি
সুৰদী গীত জোৰা এজাক বোবা মানুহে
ভগ্ন আকাশৰ শুকুলামেঘৰ ছাঁত লৈছে
অনুমেয় পৰাণৰ জুইপোৰা শান্তিৰ জিৰণি

শাৰী শাৰী মানুহে বতাহত নাচিছে
উৰুৱাই তেজ-মঙহৰ চিলা
আমোদৰ মেলাত বহি বেচিছে মুখৰ শব্দ

আই
তোমাৰ সুখৰ বু লবলৈ বেলি কমলা সাজত বহিল
তথাপিতো আছানে কুশলে তুমি
ৰঞ্জিতৰ ৰক্তাক্ত দেহৰ উম বুকুত আছেনে
বৈ আছেনে অগ্নি বৰষা তপোৱনী জাতিৰ  নদী

বাহিৰত শীতল বতাহে ঠৰঙা দিছেহি
ৰঞ্জিতৰ যুজৰ  ভাষা বুলিচে চাপৰিৰ আলিয়েদি
আমাৰ বুকুত পশ্চিমৰ উফইদাং বতাহ
আচল খামুচি লজ্জানত ৰঙীন দাপোন

মা
এতিয়া মাজ ৰাতি হ'ল
কাইলৈ পূৱাতে মানুহৰ মাত হেৰাৰ
বজাৰৰ ললিপক্সপৰ দাম বাঢ়িছে
বাৰীৰ সীমাত ধোৱাই চানিচে
শুই পৰিছে
শুই পৰিছে এই জাতি
ৰঞ্জিতক জগাই  দে আই
সাৰ পাওক সি
জাগি উঠিম আমি।। ■■

# স্বপ্নৰ মায়াজাল ভেদি

**কাকলি ডেকা**
অৰ্থনীতি বিভাগ
তৃতীয় ষান্মাসিক

দিঠকত ভৰি দি দেখিলো মোৰ লক্ষ্য ৰাণীক
লাৱণ্যময়ী ৰূপ, মুখত হাঁহি,
উজ্বলি থকা তেজ
যেন এগৰাকী স্বৰ্গৰ পৰা মৰ্ত্যলৈ
নামি অহা অপেশ্বৰী
তেওঁৰ ৰূপত মোহ গৈ
তেওঁৰ পিছে পিছে গৈ থাকিলো
লাহে লাহে ভাগৰি গ'লো ...
গৈ গৈ এঠাইত বাগৰি পৰিলোঁ
তেতিয়া কাণৰ কাষত কোনোবাই ক'লে
কি হ'ল নোৱাৰা নেকি,
হাৰ মানি ল'লা
এইবুলি কৈ মোক যেন তিৰস্কাৰ কৰিব ধৰিলে
মই বুকু দাঠি লৈ উঠি আকৌ আগুৱাই গ'লো
দীঘলীয়া আৰু অজস্ৰ কাঁইটেৰে ভৰা
সেই কঠিন পথেৰে
নগ্ন ভৰিৰে মই মাথোঁ আগুৱাই গ'লো ...
গৈ গৈ হঠাতে সেই কঠিন পথবোৰ
নোহোৱা হ'ব ধৰিলে
মোৰ সন্মুখত ধুনীয়া ৰঙা দলিছা পৰা পথ
মোৰ সকলো আঘাত নিমিষতে নোহোৱা হ'ল
কেউফালে পোহৰ আৰু মোৰ নামৰ বিজয় ধ্বনি
লক্ষ্য ৰাণী আকৌ
আগৰ লাৱণ্যময়ী ৰূপত দেখিলো
তেওঁ মোক ক'লে চোৱা
তোমাৰ কষ্টৰ ফল
আৰু অৱশেষত তেওঁ মোৰ ভিতৰতে
মোৰ আত্মাৰ লগত মিলি গ'ল ...
পথ যিমানেই কঠিন নহওক কিয়
আগুৱাই গৈ থাকিলেহে লক্ষ্য পোৱা যাব। ■■



## जोंनो नांगौ खौसेथि

**भनिता बर'**
3थि फरायसम

फैदो फै बर'फोर ...
खौसे जानानै
जोंनि हादरखौ रैखा खालामनि
मानोथो गावजों वाव एना-एनि
जालायबाय थाखो जोंनि गेजेराव
मानो गाव हानजानि फारागथि लाबोखो ?
सम आरो थासारिया सोलायबाय
जोंबो साननाय-हनाय मावनाय दांनाय
सोलायनो रोंनांसिगोन
मुगाजों खारफानो हानांसिगोन
नडाब्ला जोंनि बिमा हादर आ
गुबुनजों बेंथेनानै लाजानायनि लामाया
फैलायगौ
जोंनि राव, हारिमु, थुनलाइ, सोदोमस्रि ... गोमालांगोन !
गंगार हाजो सेरनि
सिखनाझार नं नोगोरखौबो
बरनिबो खुगा खुगाल' खोनागोन
इयुन जोलैफोरा सं दाननो
हाफा मुवा जाहैनांगोन
हारि नाडैनो होखार जानाय मुं होजागोन
अब्ला दायखौ सोर रुजुनगोन ?
एना-एनिखौ फोजोबस्रांनो
हारिनि अल'खद आव गसंथानो
जुगे-जुगे हारिखौ फोथांना लाखिनो
खौसे ... खौसे ... खौसे ...
जोंनो नांगौ खौसे ...। ■■

## हारसिं जिउ

**सिबानि बर'**
3थि फरायसम

हारसिं जिउ !
गैया आंहा आंगो होननाय रावबो
जायखौ आं आंगो सानो
बिसोरनो आंखौ सैया।

गैया आंहा आंगो लोगो
दंब्ला साननैसोनिल'
साननैसोल' आंनि जिउआव
फैनानै होलांडो माखासे दुखु।

बुहुमाव रावखौबो फोथायनो
आंहा जेबो गोहो गैलिया
आंगो होननायखौनो आं
नागिरनानै मोनला।
बुंस'हायि गोसोनि दुखु
थाद'नाय गोयै मेगननि मोदै
जिउनि लामाखौ
हारसिंडैनो हानथि बोदों।

गैला आंहा गैला
आंगो होननाय रावबो,
हारसिंडैनो फैदों
हारसिंडैनो थां फिननांगोन
गोसोनि दुखु सोरनो फोरमायनो।
मा खालामनो जिउनि लामाखौ
हारसिंडैनो थूंगे होनांगोन ■■



# नों दा जेन

**राजिब बर'**
3थि फरायसम

नों दा जेन, जाथों नोंखौ
जिउवा जेनहोयो, नों दा जेन।
जानो हागौ
समा गोबां खम,
नोंनि थांना थानायनि मिजिं गोमालांबाय,
नोंनि मेगनाव गिनाय जाखांबाय,
नोंनि गोसोआव दुखु जाखांबाय,
नाथाय नों गावखौ दा फावसाय,
नों दा जेन, जाथों नोंखौ
जिउवा जेनहोयो, नों दा जेन।

नों गोग्लै, गोग्लैदों फिन सिखार,
नों बिब्दियैनो आवगाय,
जाथों जिउवा साननैसो लनि
नों मोनफ्रोम समखौ रंजानायजों थिनहर,
फैगोन रोजा हेंथा बे हान्थिनायाव,
फैगोन बुंथेग्रा, जागोन नोंनि गोजान लामा,
गाबगोन बिखा फोरदानना, गोसो बायफ्लेगोन,
नोंनि मोनसे सल सोमजिगोन
बे सलखौ नों,
ससेयावनो गारनानै दागालां,
नों दा जेन, जाथों नोंखौ
जिउवा जेनहोयो, नों दा जेन।

सोरनिबा गोजोन होग्रा जानों,
सोरनिबा सायखं जा नों,
दासान्दि नों
संसारा माखौबा बुंगोन,
दासान्दि नों
फैबाय थानाय जिउवा मा जागोन ?
नों खोमसियाव आनदायना दा थालां,
लामाया जाथों जोबोंरैनो खाथि,
थांखिया जाथों जोबोंरैनो खाथि,
नों फोथायनाय दा सिफाय
नों बोलो दा सिफाय
नों दा जेन, जाथों नोंखौ
जिउवा जेनहोयो, नों दा जेन। ■■




# बिहोमा

**तिब्र दैमारि**
3थि फरायसम

सानफ्रोमबो खालाम गोख्रों गोसोखौ
समखौ ओंरैनो दा हगार,
थांखिखौ लाखि नों सिगाङाव
जुजिनायजों नों गावखौ सुंथा।

आखाइ आव आखाइ होना जना थायोब्ला
जेबो गोलैनाय नंङा बाहागो आव,
जुजिनो नों हायाब्ला गुबुनजों
गफब लांगोन बे गुबुंलै मुलुगाव।

खोथा दा बुं नों गेदेर-गेदेर
सान्नाय हनाय, थांखिखौ खालाम नों गेदेर,
थांखियाव सहैगोन नों समाव
नाजादोल' नों गावखौ गायसंनो। ■■

## आइ

**रैसुमै बर'**
5th Semester

आनुलि आइ –
नोंनि अननायाव
जोनोम मोनबाय आं
बे बुहुमाव आइ
नोंनि गोरबोनिफ्राय।
मिजिंआ आंनि –
जिउआव नोंनि
लुबैनायखौ जाफुंहोनाय
आइ नोंनि मेगननि मोदैखौ,
नोंनि दुखु–दाहाखौ फोजोबसांनाय,
मुंस'हायै मिजिंखौ जाफुं होनाय।
नाथाय –
दुखु मोनो आइ
हाग'हायाखै
नोंनि बे मिजिंखौ
अरायनि थाखाय जाफुंहोनो।
सहायनांबाय नों आइ
जिउआव गोबां दुखु – फैफोद।
जासि हरबार –
गोसो गोरबोनिफ्राय साबायखर
आइ नोंनिसिम
बिखानि थैखौ दै खालामनानैब्लाबो
मदद होबाय नों आइ
दिन्थिबाय आइ नों
इयुनाव दावगानायनि लामाखौ।
आरज आंनि –
दाजा नों आइ
गुबुनफोर बायदि
अरायबो अनबाय था जोंखौ
नोंनि गोदै रावजों
दाजाथोंसै नों जोंनि थाखाय
बांद्राय दुखु। ■■



## थांखि बि ति आर नि

**कुसुम प्रभा बर'**
3थि फरायसम

सानदोंमोन जों सोद्रोमा बि ति आर नि
गोमाबाय जायगा गामि फिसानि
जों नङा नामा बर'नि फिसा
खालामबाय जोंखौ मानो गुबुननि,
हारि बेरेखा, जों जोंनि।

थांदोंमोन जोंबो हान्जा सुरनो,
थांदोंमोन जोंबो सोमावसारनो,
ग्रिद–ग्रिद लैहोर–लैहोर
नायफिनासै मानो जोलैआनो,
फोथायखेबस' खालामबाय साद्रोम सुबुंफोरानो।

जाबाय जों हालाय हाफाय
साननोबो रोंला जों जालाय – जाखाय,
आसा थाबाय बि ति आर नि सोद्रोमा जानो
थांफागोन नोंसोरनि थांखिखौ जाफुं होनो
लांफादो दे जोंखौबो बे बि ति आर आव। ■■



# फेलें

**निरमालि बर'**
5th Semester

सानजा अख्रांजों साना नुजाबोगौ
आंनि गोसोआबो सिरि बोगौ,
हाजासे दुखु हाजासे मोदै
सानब्लाबो सानस'नो हाला।
लायो आं गोसोआव
माबा मोनसे सिमां
नाथाय गासैहबो फेलें
मा होन्नानै नुजाबावगोन
मा होन्नानै दिन्थि बावगोन
जेरावबो जेरैबो फेलें
गोसोखौ लाना
थायो आं जेब्लाबो
गाहायसिन मासि लाना।
सुनिया साग्लोबफैबाय
दुखुआ मन'गालाबबाय
गोसोनि रावा उन्दुलांबाय
गैला आंहा जेबो राहा।
सानदोंमोन आंबो गिदिरमानसिजानो
नाथाय जिउनि मोनफ्रोमआगानाव
थाखोमाबाय गोंबां जेंना
जेनिबो गेजेर गोसोनि गेजेरजों
जानांबाय आंनि
नाजानायाबो फेलें। ■■

# आंनि जिउनि खोमसि

**अनिसा बर'**
3थि फरायसम

बुथुमदोंमोन आं जिउनि थांखिखौ
मुलुगनि बयनिख्रुइबो साबसिन,
नाथाय खोन्दो-खोन्दो बायलाडो आंनि सिमाङा,
बिबारफोरा दिनै बारदों,
मोनाबिलियाव सिरिलांदों।
गेवलांनाय बिबारा ञ्रय सिरियो ...
सिरि सिरि आंनि सिमाङा बायलाडो।
फुंबिलिनि जारौ साना खालामो मुलुगखौ स्रां ...
लुफावो हायनानि सोरां।
सान्जौफु बारलांब्ला फैयो मोनाबिलि,
सोनाबथिंजायनिफ्राय जाबोयो खोमसि।
बायलाडो बिब्दिनो आंनि सिमाङा,
खोमसि आंनि जिउआ अरयबो ...!!! ■■

## G 20 Bharat 2023 India

**Nishad Nadia Hasan**
3rd Semester
Economics Dept.

The G20, a group so grand.
Brings nations together, hand in hand.
They talk and discuss, economic affairs,
To bring benefits to countries, with their cares.

First, economic growth is their aim.
To make our country strong. without any blame.
With policies and measures, they stimulate,
More jobs and higher incomes, we appreciate.

Trade facilitation is another goal.
Reducing barriers, to make trade whole.
Our businesses can export, with ease.
Expanding markets, and attracting overseas.

Investment opportunities, they showcase,
Attracting foreign funds, to our place.
New businesses are born, creating jobs.
Technology and knowledge, they lob.

Financial stability is a must
Preventing crises, with their trust.
Protecting our institutions, with care.
Investors have confidence, everywhere.

Global challenges they face.
Climate change, proverty's disgrace.
Working together, with shared knowledge.
Improving our world, like a college.

In summary, the G20's impact is grand.
Promoting growth, across the land.
Trade, investment, stability too.
Collaboration on challenges, they pursue.
For our country's well-being, they strive.
Bringing prospertity, for us to thrive. ■■

## Race in Ethnicity

**Karan Sarkar**
3rd Semester

Born from a woman
she grows –
So, women
Mother; –
And, that's how it is
She is
mother of the nation,
On its purity
The purity of the nation depends on; –
From the female character
The failed nation
Borns –
Understand –
The purity of women
what is the need ! ■■

## And switch towards togetherness

**Chiranjeeb Deka**
3rd Semester

I have seen lot of ants
and learnt their entity;
and have heard their believeness.
Their silent pace inspire me
to fuel the chain of helpness;
let's be epistemological
towards the way of togetherness.
Our enthusiasm germinate
through strong cooperation,
the unity we compensate
will lead to our destination.
Let's be camouflaged through unity
with the hope of prosperity;
Earning sake of fate
will contribute harmony.
Let our culture be shine
amidst of diversity;
The unity we compile
will compel us into humanity.
with the strong determination
through raised cooperation;
Let us fullfill the dream
towards a united one nation.
Let our bonding be preserved
through the chain of patriotism
the unity we deserved
with the cooperative mechanism.
In Gandhiji's word –
"Truth alone Triumph"
by not being gumph,
or chase victory of bonding
And switch towards togetherness. ■■

## Hammered Emotion

**Early Sarma**
5th Semester
English Dept.

I know you are lying
And my heart is pumping hard
I can feel the wind of fear.
My eyes covered with a blue
Mind is sad
I can read the wind of fear
That somethig has already
faded away.
My mind is full of curiousity
Though I'm not afraid
But I admit it will leave into pieces.
I am holding the wind this time.
And whispered ready to taste rest. ■■

**নীলা খামৰ চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত**

# নীলা খামৰ চিঠি

**দেৱাশীষ ৰাজকুমাৰ**
ভূগোল বিভাগ, ষষ্ঠ ষান্মাসিক

**মৰমৰ নীলাঞ্জনা,**

নীলা চিয়াহীৰে লিখি পঠিয়াবলৈ লৈছো হৃদয়ৰ নিভৃত কোণৰ পৰা ওলাই অহা ভালপোৱাৰ বতৰা। আশাকৰো তুমি কুশলে আছা! আৰু মা-দেউতাও কুশলে আছে। মই ভালেই আছো। এই যে সময়ছোৱা, মনত আছেনে তোমাৰ? ফাগুন মাহ। তোমাৰ মোৰ প্ৰথম চিনাকি। ফাগুন মানেই যে ৰঙা। কি শিমলু, কি কৃষ্ণচূড়া। ৰঙাবোৰ মোৰ প্ৰিয় আৰু নীলাবোৰ তোমাৰ। বিশাল নীলিম আকাশখনিৰ দৰেই তোমাৰ বিশাল মনটি। এই নীলিম আকাশৰ বিশালতাৰ দৰেই ময়ো তোমাৰ প্ৰেমত পৰাৰ দিনাই মুকলি হৈ পৰিছিলো তোমাৰ ভাৱনাৰ সাগৰত। মনত ভাঁহি আহিছে সেই দিনটি, নৈনে নদীৰ ঘাটত যিদিনা তোমাক মোৰ মনৰ বতৰা দিছিলো। কল্পনাৰ সাগৰত উটি গৈছে মোৰ মন সেই দিনটিলৈ—তিনিমাহৰ পিছত যে প্ৰেক্টিকেলৰ বাহানা লৈ কলেজৰ কৃষ্ণচূড়াজোপাৰ তলত হাতত হাত ধৰি কৈছিলো—ফাগুনৰ বতাহজাকৰ দৰেই মোৰো মন তোমাৰ প্ৰেমত বাউলি। তাৰ পিছৰে পৰা যে কিমান দিন বাগৰিল। সেই সময়বোৰ। কৃষ্ণচূড়াজোপাৰ তলত বহি মোৰ কান্ধত মূৰ থৈ নীলিম আকাশখনলৈ চাই বিভোৰ হৈ পঢ়া-শুনাৰ পৰা জীৱন যুঁজলৈকে, কবিতা শুনোৱাৰ পৰা গীত গাই শুনোৱালৈকে সুখ-দুখৰ সমস্ত বতৰা মোক ভগাই দিছিলা।

আজি প্ৰায় চাৰিটা বসন্ত উকলিল তোমাৰ মোৰ মাজৰ নীলৰঙী সম্পৰ্কৰ। যান্ত্ৰিকতা আৰু কৰ্ম ব্যস্ততাৰ মাজতো তুমি আৰু মই চাৰিটা বসন্ত ফাগুনৰ লঠঙা গছৰ ডালত ৰৈ যোৱা দুটি সেউজীয়া পাতৰ দৰেই হৈ থাকিলো। তুমি এতিয়া গুৱাহাটীত আৰু মই দিল্লীত। কংক্ৰিটৰ মহানগৰীত সজাৰ ভিতৰত বন্দী চৰাইৰ দৰে থাকিলেও দুয়োৰে মন আৰু হৃদয় একেই থাকিল। চকুৰ আঁতৰ হ'লে মনৰ আঁতৰ হোৱা কথাষাৰিক যেন আমি অসত্য প্ৰমাণিত কৰিছো। বহুদিন হ'ল মোৰ নীলাজনিক নেদেখা। নীলা, তোমাৰ ভালপোৱা আৰু মৰমবোৰ সাগৰৰ দৰেই পাৰাপাৰহীন গভীৰ। যি ভালপোৱাৰ নীলিম সাগৰৰ গভীৰতাত মই ডুবি যাওঁ তোমাৰ ছবিখন মোৰ মনত ভাঁহি আহিলে। এইবাৰ বন্ধ পালেই ঘৰলৈ যাম।

তুমি এইবাৰ ঘৰলৈ গ'লে, সময় পালে যাবাচোন তোমাৰ প্ৰিয় মঙলদৈ কলেজলৈ। সেই কৃষ্ণচূড়াজোপা, ভূগোল বিভাগটি, দেবদাৰু আৰু নাহৰ, বাস্কেটবল ফিল্ড, নিৰণ দাৰ কেণ্টিনৰ চাহ আৰু কফি, সেই যে লাইব্ৰেৰীৰ ৰুমটো কেনে আছে, সুধিবা। কলেজীয়া তিনিটা জীৱন পাৰ কৰা সেই বন্ধুবোৰ, জুনিয়ৰ, চিনিয়ৰ, কোনোবাই জোকালেই যে পকা পনিয়লটিৰ দৰে তুমি লাজত ৰঙা-চিঙা পৰি মোৰ বুকুত মূৰ গুজি দিয়াহি।

আৰু নিলিখো, আগন্তুক লোকসেৱা পৰীক্ষাৰ বাবে আগতীয়াকৈ শুভেচ্ছা। অধ্যয়নত ভালকৈ মনপুতি বৰ্তি হ'বা। বিশ্বাস আছে ভাল কৰিবা। নীলা চিয়াহীৰে লিখা হৃদয়ৰ মৰমবোৰ ভৰাই নীলা খামৰ চিঠিত লিখি পঠিয়াবলৈ শব্দ শেষেই নহ'ব।

মৰমৰ নীলা, ভালে থাকা, কুশলে থাকা। মৰম, ভালপোৱা, আদৰবোৰ নীলা খামত ভৰাই পঠিয়াইছো অনাগত দিনৰ বাবে। আদৰি ল'বা।

শেষত —

সৰাপাতে পাতে
ফাগুন নামে
ফাগুন আহিলেই যে মোৰ
নীলাজনীলৈ বৰকৈ মনত পৰে।

ইতি —
তোমাৰ মৰমৰ
নীলিম

**নীলা খামৰ চিঠি প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত**

# নীলা খামৰ চিঠি

**জিণ্টুমণি নাথ**
উদ্ভিদ বিজ্ঞান বিভাগ, দ্বিতীয় ষান্মাসিক

**মৰমৰ প্ৰিয়তমা,**

চিচিৰ ভাঁজে ভাঁজে শব্দৰ ভাষাৰে মৰমখিনি যাঁচিলো। তোমাৰ মৰমে মোক ভালে ৰাখিছে। চিঠিখন লিখাৰ হেঁপাহ নাছিল। কিয়নো এতিয়ালৈ চাগে তোমাৰ মৰমৰ ডায়েৰীখনত মোৰ ঠিকনাই ঠাই হেৰুৱাই পেলাইছে। কিন্তু হ'লেও আহি এবাৰ চাবাচোন, মোৰ নিৰস পৃথিৱীৰ সেমেকা হৃদয়খনত তোমাৰ ঠিকনা তেজেৰে লিখা আছে, কোনেও নেদেখাকৈ, নজনাকৈ।

এতিয়া আকৌ ফাগুন আহিছে। ফাগুনৰ লঠঙা বুকুত এতিয়াও সপোনবোৰ আছে। নিৰস ফাগুন...। আগৰ কথাবোৰলৈ বৰকৈ মনত পৰিছে। লঠঙা ফাগুনৰ বেদনা সামৰি সেউজীয়া বসন্তৰহে পাহবোৰৰ স'তে খেলিবলৈ বৰ আশাৰে বাট চাই আছিলো, বসন্তৰ বোৱাৰী পুৱালৈ। কিন্তু সপোনবোৰ পছোৱাৰ স'তে গুচি গ'ল দূৰ-দূৰণিলৈ। এতিয়া নিৰ্জীৱ ফাগুনে সপোন নিবিচাৰে। সেই আগৰ দিনকেইটাই ভাল আছিল...। তোমাৰ লগ নোপোৱাৰ আগলৈকে। তেতিয়ালৈ হৃদয়ে কষ্ট পাবলৈ শিকা নাছিল। এতিয়া যে হৃদয়ে অইন কথা ভাবিব সময়ে নোপোৱা হ'ল। ৰিক্ত এই হৃদয়। মনত পৰে, তোমাক দেখা সেই প্ৰথম দিনটো...। হালধীয়া মৰমবোৰে তোমাৰ ওচৰলৈ মোক হাত বাউলি মাতিছিল। মই আমন্ত্ৰণ শুনিছিলো, বুজিছিলো মৰমৰ প্ৰস্তাৱ।

এতিয়া সেই সময়বোৰ অতীত। তাহানিৰ সময়ৰ চাঙত সেইবোৰ হেৰাই গ'ল। হয়তো ময়ো হেৰাই পৰিলো তোমাৰ প্ৰেম বুৰঞ্জীৰ পৰা। মই কৃষ্ণৰ ৰূপ ধৰি নাভাবো কিন্তু ৰাধা আৰু কৃষ্ণৰ মাজতো প্ৰেম আছিল, স্বৰ্গীয় প্ৰেম। ৰাধাও কিয় তেনেহ'লে হেৰাই গ'ল কৃষ্ণৰ বুকুৰ পৰা। এতিয়া আৰু মই তোমাৰ হৈ থকা নাই অ'। মোৰ আবেগবোৰে তোমাৰ কথা ভাবি কান্দিব নিদিয়ে। সিহঁতেও কষ্ট পায়, বহুত। মনত পৰেন? সেই কৃষ্ণচূড়াৰ তলত কটোৱা সময়বোৰ। তোমাৰ স'তে কটোৱা সময় কেতিয়া পাৰ হৈছিল গমকে পোৱা নাছিলো। এতিয়া যে সেই কথাবোৰ ভাবিবলে মোৰ হাতত বহুত সময়। গোলাপ তোমাৰ প্ৰিয় আছিল, মই নহয়। সেয়ে চাগে গোলাপেও ঈৰ্ষাত মোক এতিয়া বুকুত বিন্ধে। তুমি মোৰ বাবে সদায় সপোন আছিলা, সপোন হৈ ৰ'বা। এতিয়া যে তুমি বহুতো আকাশ পাৰ হৈ অহা এটি ধুমুহা পখী, লহমাৰ নীড়। এতিয়া কৃষ্ণচূড়াৰ তলত সপোন দেখিব ভাল নাপালে। ভাবিছো, তুমি বিহীন ৰাতিবোৰ কবিতা লিখিয়েই তৰিম। এতিয়াও মোৰ বুকুত তোমাৰেই মৰমৰ বীজ, সেউজীয়া। সময় পালে মোৰ হৃদয়ত টোকৰ মাৰি চাবা, দেখিবা একেই হৃদয়, একেই প্ৰেমিক, নীল আকাশৰ স্বপ্ন।

মোৰ ব্যৰ্থ ভৰা জীৱনৰ কাহিনী কিমান শুনিবা? আজিলৈ ইমানতে সামৰিছো। এইখনে হ'ব চাগে তোমালৈ বুলি শেষ চিঠি। এৰিছো, নহ'লে ৰাতি বহুত কষ্ট হ'ব। এতিয়া যে ৰাতিবোৰ বহুত দীঘল। ভালদৰে থাকিবা, সপোন দেখিবা।

ইতি —
তোমাৰ অতীত
জিণ্টু

নীলা খামৰ চিঠি প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত

# নীলা খামৰ চিঠি

**কমলজ্যোতি নাথ**
শিক্ষা বিভাগ, দ্বিতীয় ষান্মাসিক

**মৰমৰ পাহি,**

কোনে আছা তুমি? মোৰ ৰিক্ত হৃদয়ৰ অভিমানী মৰমবোৰ গ্ৰহণ কৰিবা। বহুদিন হাতত কলম তুলি লোৱা নাই। মনৰ মাজৰ পৰা শব্দ আৰু কাব্যৰ গাঁঠনিবোৰ প্ৰায় নোহোৱা হৈ আহিছে। সেইবাবে অলপ নিজৰ মাজতে অস্বস্তি অনুভৱ কৰিছো। এদিন এটি অচিনাকি পৰিচয়ৰ পৰা দুয়ো দুয়োৰে চিনাকি হৈ এটি চিনাকি পৰিচয়ৰ মাত্ৰা পাইছিলো, দুয়োয়ে বহুতো সপোন দেখিছিলো...। তোমাক যে প্ৰথম দেখিছিলো সেই কলেজৰ পৰা উভতাৰ পথত...। ইস্ বাদ দিয়া সেইবোৰ, ভাবিলে চোন বুকুখন বৰকৈ বিষায়। দুয়োয়ে যে কিমান সপোন দেখিছিলো ন'....। জোনাক ৰাতি আকাশলৈ চাই কিমান যে কল্পনাৰ সাগৰত উটি-ভাঁহি ফুৰিছিলো...! সেইবোৰ ভাবিলে চোন বুকুৰ মাজত এটি ধুমুহাৰ সৃষ্টি হয়। অকলে অকলে ৰাতিৰ তৰা ভৰা আকাশখনলৈ চাই কিমান যে লুকাই লুকাই কান্দো। এতিয়াচোন ৰাতিৰ তৰা ভৰা আকাশখন দেখিলে মোৰ মনটো উৰুঙা হৈ পৰে অ', কিয় বা নাজানো হয়তো এয়া তোমাৰ অনুপস্থিতিৰ বাবেও হ'ব পাৰে। তথাপিও তোমাকে দোষ নিদিও দিয়াচোন, ইয়াৰ বাবে জগৰীয়াময়ো, সেই কাল সংহাৰী দুৰ্ঘটনা। জানা, তোমাৰ বাবে যে মনৰ মাজত সেই পঁজাটো সাজিছিলো, তাৰ স্থান মই কাকোকে দিব পৰা নাই অ' ...। সি এতিয়াও মনে মনে আহি মোক কয় এদিন তোৰ সেই প্ৰেয়সী পুনৰ আহিব আৰু এই স্থান গ্ৰহণ কৰিব। মনৰ মাজত বহু কথাই আমনি কৰি থাকে, কিন্তু সেইবোৰ প্ৰকাশ কৰাটো অসম্ভৱ জানানে? এতিয়াও সেউজীয়া পৰিৱেশ দেখিলে, তোমালৈ মনত পৰে জানানে। অ' এটা কথা ক'বলৈ পাহৰিছিলোৱেই। তুমি যে মোক মোৰ জন্মদিনত উপহাৰ দিছিলা সেই মইনা চৰাইটি, সি বৰ দুষ্ট হৈছে জানা, তাক দেখিলে তোমালৈ মন পৰি বুকুখন কঠিন হৈ পৰে। তুমিতো মোক কৈছিলা মোক এৰি ক'লৈকো নোযোৱা, মোৰ বুকুৰ মাজতে শুই থাকিবা সদায়, বুকুৰ মাজত দুয়োৰে সপোনবোৰ দিঠক কৰিবা, কিন্তু ... মোক মিছা কৈ গুছি গ'লা ন'...। নিলিখো বুলি বহু কথাই লিখিলো, বেয়া নাপাবা দেই। অ' পাহৰিছিলোৱেই, বেয়া পাবলৈ যে তুমি মোৰ ওচৰত নায়েই। তথাপি কিন্তু তোমাক লৈয়েই মই জীয়াই থাকিম। তুমি কোৱাৰ দৰে জনম জনমলৈ।

শেষত এটা কথা কওঁ — প্ৰেম যদি পবিত্ৰ আৰু নিঃস্বাৰ্থ হয় সেই প্ৰেম চিৰযুগমীয়া হয়। আজিলৈ ইমানেই। তুমি য'তে আছা ভালে থাকা, সুখী হোৱা।

ইতি —
প্ৰান্তত তোমাৰ
'জোনাক'

# নীলা খামৰ চিঠি

**বনশ্ৰী নাথ**
ভূগোল বিভাগ, তৃতীয় ষান্মাসিক

**মৰমৰ নিয়ৰ,**

আশা কৰো ভালে আছা। জিলমিল নিয়ৰে ৰূপালী মুকুতা দুৰৰিক পিন্ধাবলৈ লওঁতেই তোমাৰ মনৰ খবৰ লোৱাৰ এয়া মোৰ ঐকান্তিক প্ৰচেষ্টা। ভগবানৰ কৃপাত হয়তো তোমাৰ পৰিয়ালৰ সকলোৰে ভাল। মৰম লবা বুলি নকওঁ, মৰম, অভিমান আৰু আক্ষেপৰ জীয়া দলিল, এখনি নীলা খামৰ চিঠি। আজিকালি তুমি বহুত ব্যস্ত যেন লাগিছে। এখনি নীলা আখৰৰ চিঠি পঠিওৱাৰ সময় নিশ্চয় তাকৰ। তোমাৰ মনত পৰে নে নিয়ৰ আমি যে শ্ৰেণীৰ মাজতো যে অকণমান বিৰতি পালেই তোমাক লগ পাবলৈ বিয়াকুল হৈ থাকিছিলো। এবাৰ যদি সময় পোৱা স্মৃতিৰ বোকোছাত অতীতৰ পৃষ্ঠাবোৰ লুটিয়াই চাবা।

মন যায় তোমালৈ বহুত কিবা-কিবি মনৰ মধুৰ অনুভৱ চিঠিত লিখি ব্যক্ত কৰিবলৈ। মন যায় জানা নে আকৌ এবাৰ তোমাৰ প্ৰেমত পৰিব। তুমি জানানে নিয়ৰ আশাৰ চিনাকি হোৱাৰ পাঁচটা বসন্ত অতিক্ৰম কৰিলে।

এনেকুৱাই হওক ক'ৰবাত তোমাৰ নামটো শুনিলেই ভগৱানৰ দৰে অনুভৱ হওঁক তোমাৰ সত্ত্বাক, এনেকুৱাই হওক সন্ধিয়াৰ প্ৰাৰ্থনাত মোৰ অলক্ষিতে ভাহি আহা তুমি। ঠিক তেনেকুৱাই হওঁক। ঠিক তেনেকুৱাই হ'ব নোৱাৰে নে? কোনোৱাই ভালপোৱাৰ কথা কৈ যাওঁক আৰু দুচকুত ভাহি থাকা তুমি কেৱল তুমি। তুমি জানানে নিয়ৰ প্ৰেমৰ মাদকতা কি মই তোমাৰ পৰাই জানিছো। তোমাৰ প্ৰেমৰ অনুভৱে মোৰ হৃদয়ত খোপনি পোতাৰ পাছৰে পৰা মই অনুভৱ কৰিবলৈ লৈছিলো সাতোৰঙী ৰামধেনুৰ সাতোৰঙী স্বপ্ন। মই তোমাক নিঃস্বাৰ্থভাৱে ভাল পাওঁ। এবুকু সঁচা মৰমেৰে আৰু ভালপোৱাৰে, যিদৰে নিশাটিয়ে ভাল পায় নিৰৱতাক, আকাশে ভাল পায় বিশালতাক আৰু নদীয়ে ভাল পায় গভীৰতাক। নাজনো চিঠিখন তুমি কেতিয়া পাবা। ডাকোৱালে তোমালৈ গৈ পোৱা নাই নাই?

জানো তুমি NIT হোষ্টেলত লগৰীয়াৰ সৈতে সুখী। কিমাননো অভিমান কৰি চিঠি নিদিয়া। অভিমান নকৰিবা অ'। হ'ব দিয়া আকৌ মৰমেৰে অভিমানী হৈ কৈছো, শেষত মৰম ল'বা। কুশলে থাকিবা দেই। ইতি —

তোমাৰ সাৰথি
দুৰৱি

# নৱজাগৰণৰ প্ৰাণকেন্দ্ৰ ইটালীত চাৰিদিন

**ড° ৰুণজুন দেৱী**
সহযোগী অধ্যাপিকা, ইংৰাজী বিভাগ

২০২৩ ইং বৰ্ষৰ জুলাই মাহত ইউৰোপ মহাদেশৰ সাতখন দেশৰ কিছুমান ঠাই ভ্ৰমণ কৰাৰ সৌভাগ্য হৈছিল। সেই সাতখন দেশ আছিল ফ্ৰান্স, বেলজিয়াম, নেদাৰলেণ্ডছ, জাৰ্মানী, ছুইজাৰলেণ্ড, অষ্ট্ৰিয়া, ইটালী। চৰকাৰী কৰ্মচাৰীসকলে বিদেশ ভ্ৰমণৰ কাৰণে চৰকাৰৰ আগতীয়া অনুমোদন লাভ কৰিব লাগে আৰু এই নিয়ম মানি মযো সন্মানীয় ড° কমলা কান্ত বড়া, অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়ৰ জৰিয়তে অসম চৰকাৰৰ উচ্চ শিক্ষাধিকৰ্তালৈ আবেদন জনালো ফেব্ৰুৱাৰী মাহৰ ২৭ তাৰিখে। মাননীয় ধৰ্মকান্ত মিলি তদানীন্তন উচ্চ শিক্ষাধিকৰ্তা আৰু তেখেত মোৰ কটন মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীৰ সহপাঠী হোৱা হেতুকে আবেদন লগে লগেই এখোপ আগবাঢ়ি গ'ল। এই লিখনিৰ জৰিয়তে মাননীয় ড° বড়া ছাৰ আৰু শ্ৰীযুত মিলিদেৱলৈ সস্নেহ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ পাছত মে' মাহৰ ২২ তাৰিখে কলিকতাৰ বৈদেশিক মন্ত্ৰণালয়ৰ কাৰ্যালয়ত ভিছা (VISA)ৰ বাবে উপস্থিত হ'লো। এইবোৰ নিয়ম মাফিক কাম। আমি Thomas Cook নামৰ বিখ্যাত Travel Agency ৰ জৰিয়তে যোৱাৰ দিহা কৰিছিলো আৰু মই গৃহস্থ শ্ৰীকেশৱ শৰ্মা, (তেওঁ অসম চৰকাৰৰ বিক্ৰী কৰ বিভাগৰ অধীক্ষক হিচাপে অৱসৰ প্ৰাপ্ত), IIT, Guwahati ৰ Computer Science ৰ Professor ড° দিগন্ত গোস্বামী আৰু তেওঁৰ সহধৰ্মিণী ড° দিপালী দেৱী যাৰ লগত মোৰ ১৯৮২ চনৰ পৰাই বন্ধুত্ব, আমি একেলগে বিদেশ ভ্ৰমণৰ সহযাত্ৰী, সহমৰ্মী হোৱাৰ আশাৰে agency ক NEFT ৰ জৰিয়তে ধন আদায় দিছিলো।

কৰ্মস্থলীৰ ব্যস্ততা জুন মাহৰ শেহলৈকে। গৰমৰ বন্ধতেই যাম— চাকৰিৰ দায়িত্ব নাথাকিব। কিন্তু এইবেলি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ লাগু কৰাৰ কাৰণে সমৰ্থ প'ৰ্টেলৰ দ্বাৰা আবেদন কৰা ছাত্ৰ-ছাত্ৰীৰ কেন্দ্ৰীয় চৰকাৰে



ঘোষণা কৰা দিনত জুলাই মাহত নামভৰ্তি হ'ল। গতিকে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, অধ্যক্ষ কোনেও গ্ৰীষ্ম বন্ধৰ সোৱাদ নাপালে। জুন মাহৰ শেহত আমি অসম চৰকাৰৰ বিদেশ ভ্ৰমণৰ অনুমোদন পত্ৰ লাভ কৰো আৰু ইতিমধ্যে প্ৰায় একে সময়তে Schengen VISA ও লাভ কৰো। এই দুয়োখন অনুমোদন পত্ৰ পোৱাৰ পিছতেই আমি দৰকাৰী নথি-পত্ৰ, ভাৰতীয় টকা ইউৰ'লৈ পৰিৱৰ্তন কৰা ইত্যাদি যাৱতীয় কাম কৰো। Schengen VISA হ'ল ইউৰোপ মহাদেশৰ ২৬ খন দেশলৈ যোৱাৰ অনুমতি। আমাৰ Travel agency য়ে দিল্লীৰ পৰা অহা-যোৱাৰ উৰা জাহাজৰ টিকট, হোটেলত থকা-খোৱাৰ খৰচ, ভ্ৰমণত ব্যৱহাৰ কৰা Mercedez Benz বাছৰ খৰচ, দৰ্শনীয় ঠাই আৰু স্মৃতিস্তম্ভ চোৱাৰ বাবদ খৰচ আৰু খোৱাৰ খৰচ সকলো বহন কৰিছিল আৰু আমাৰ ১৪ ৰাতি ১৫ দিনৰ বিদেশ ভ্ৰমণত সৰ্বমুঠ ৪৫ জন ভ্ৰমণকাৰী আছিলো। অসমীয়া ১৪ জন, বাকী সকলো ভাৰতৰ বিভিন্ন ৰাজ্যৰ। টু'ৰ মেনেজাৰ ৰাকেশ দেৱে (Rajesh Dave) মহাৰাষ্ট্ৰৰ আৰু ড্ৰাইভাৰ শ্লাই (Sly) প'লেণ্ডৰ। এনেদৰে ভাৰতৰ

ক্ষুদ্ৰ তাণ্ডৱণ এটি কঢ়িয়াই প্ৰত্যেক দিনেই শ্বাইয়ে আল্পচ্ পৰ্বতৰ গিৰিয়ে, কন্দৰে গঢ়ে প্ৰায় ৩৭০ কিলোমিটাকৈ গাড়ী চলাই আমাক অচিন দেশৰ অজান মুলুকলৈ লৈ গৈছিল। পশ্চিমীয়া দেশৰ ৰীতি-নীতি কঠোৰ। ড্ৰাইভাৰ এজনে দুই ঘণ্টাতকৈ বেছি সময় একেলেথাৰি গাড়ী চলাব অনুমতি নাপায়। সেয়ে দীঘলীয়া যাত্ৰাত বাছত গেছ ভৰোৱাৰ অছিলাত ড্ৰাইভাৰক জিৰণি দিয়া হয়। Gas Depot বা oil station অত Department mall আৰু তাৰেই ভিতৰেদি WC বুলি লিখা Toilet লানিকৈ থাকে। Toilet যাবলৈ হ'লে এটা যন্ত্ৰত ১ ইউৰ' বা ১ ইউৰ' ৫০ চেণ্ট ভৰালে এখন সৰু টিকট ওলাই আহে আৰু সেইখন scan কৰিলেহে toilet অত সোমাব পাৰি। এই সকলো কাৰ্য প্ৰত্যেকজন দেশী, বিদেশী নাগৰিকে মানি চলে। Toilet বোৰ পৰিষ্কাৰ, Flush ৰ পানী উভৈনদী, কিন্তু toilet ৰ ভিতৰত tape নাই, tissue paper আছে। প্ৰয়োজন অনুসাৰে tissue paper ব্যৱহাৰ কৰা হয়।

আমি ৭ জুলাইত গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ যাওঁ আৰু কেৰ'ল বাগত থকা Hotel Oprah Delux অত জিৰণি লওঁ। ৰাতি ১ বজাত গা ধুই সাজু হৈ electric kettle ত Green tea বনাই খাই (চাহৰ বিকল্প নাই) আমি গধূলিতে ঠিক কৰি থোৱা টেক্সিৰে ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ ৩ নং টাৰ্মিনেল লৈ আহো আৰু বিমানকোঠাৰ ভিতৰত দীপালীহঁতক লগ পাওঁ। Immigration counterৰ Check up, security checkৰ মাজেদি পাৰ হৈ ১ নং প্ৰস্থান গেটত উপস্থিত হওঁ আৰু INDIGO airlines ৰ BOEING 777-300 ER, 6E11 ৰে ৰাতিপুৱা ৬-৫৫ বজাত ইষ্টানবুল অভিমুখী যাত্ৰাৰম্ভ কৰো। বিদেশ ভ্ৰমণৰ সপোন দিঠকত পৰিণত হোৱাৰ মুহূৰ্তত পিতৃ-মাতৃ, পৰিয়াল আৰু পৰমপিতা ভগৱানক সেৱা জনাই কৃতজ্ঞতা জ্ঞাপন কৰোঁ,

'চন্দ্ৰশেখৰ, চন্দ্ৰশেখৰ
চন্দ্ৰশেখৰ পাহি মাম,
চন্দ্ৰশেখৰ, চন্দ্ৰশেখৰ
চন্দ্ৰশেখৰ ৰক্ষ মাম' অৰ্থাৎ
'হে শিৱ, মোক চোৱা আৰু ৰক্ষা কৰা।'

আন্তঃৰ্জাতিক বিমানবোৰ বহুত ডাঙৰ আৰু আমি ভ্ৰমণ কৰা বিমানখনত ৫০ টা শাৰী আৰু ১ টা শাৰীত ১০ খনকৈ আসন আছিল। ৫০×১০=৫০০ জন যাত্ৰী, বিমান পৰিচালক/পৰিচালিকা প্ৰায় ১১ জন, বৈমানিক দুজন, টয়লেট ৬টা আৰু মুঠতে মোৰ কাৰণে এইখনৰ বিশালতা চমৎকাৰ আছিল। মনত ভাব হ'ল —

'এক্কা গাড়ীত উঠি সত্যই দিল্লী চহৰ চালে,
উচ্চ উচ্চ অট্টালিকা দেখি চমক খালে।'

'ক' শ্ৰেণীৰ কুঁহিপাঠ নামৰ পাঠ্যপুথিখনৰ মাজলৈ শিশু হিচাপে সোমাই গ'লো আৰু গগনচুম্বী যাত্ৰাৰে প্ৰায় ৭ ঘণ্টা পাছত আমি ইষ্টানবুলৰ আতাতুৰ্ক আন্তঃৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰিলোঁগৈ। মাজতে কবিতা এটি লিখিলো।

মুঠতে ইষ্টানবুলৰ বিমান কোঠৰ আওভাও দেখি আমাৰ চকু কপালত উঠিল। কেনেবাকৈ যদি হেৰাই যাওঁ। আমি চাৰিও প্ৰায় পিঠিয়া পিঠিকৈয়ে transit loungeৰ মাজেৰে গ'লো। Elevator, autowalk, moving pavement, travelator কিনো বিচিত্ৰ, খোজ নকঢ়াকৈ আগবাঢ়ি যোৱাৰ পদ্ধতি! বিমান কোঠৰ ভিতৰত চাগে আমি ৫ কিলোমিটাৰ মানতকৈ বেছিহে খোজ কাঢ়িলো মানে autowalk কৰিলো।

আমাৰ পুনৰ উঠিবলগীয়া বিমানখন Turkish Airlines ৰ AIRBUS A 321 (SHARK LETS) TK 1833 যিখনেৰে আমি ৰাতি প্ৰায় ৮ বজাত ফ্ৰান্সৰ পেৰিছত উপস্থিত হ'লো। Turkish airlinesৰ বিমানত আতিথ্য উল্লেখনীয় আছিল। আমি Form fill up কৰোতে Vegetarian Hindu Meal বুলি ফেব্ৰুৱাৰী মাহতেই লিখি দিছিলো আৰু আমাক Vegetarian Hindu Meal দিলে। খাবলৈ পানী খোজোতে চাৰিকোণীয়া প্লাষ্টিকৰ এবাৰ ব্যৱহাৰ কৰিব পৰা ঢাকোন থকা গ্লাছত দিলে। ঢাকনিখন টানি এৰাই পানী পি খাব লাগে। ইতিমধ্যেই আমি ইষ্টানবুল বিমানকোঠত Falafal বুলি Veg. food কিনি খাইছিলো। অত্যন্ত দাম। পানীৰ আধা লিটাৰ বটল এটাৰ দাম ২ ইউৰো। আমি ৯৮ টকা = ১ ইউৰো বিনিময় কৰি লৈ গৈছিলো। গতিকে ২ ইউৰো মানে ৯৮×২=১৯৬ টকা। গা ফৰফৰাই যায়।

এই লেখাটোত মই ইটালীৰ তিনিখন ঠাইৰ দৰ্শনীয় স্থানবোৰৰ অভিজ্ঞতা আৰু তাৰে হোটেলৰ বৰ্ণনা দিম। আমি পেৰিছৰ (দুই ৰাতি) পৰা গৈ বেলজিয়ামৰ ব্ৰুছেলচ্ মহানগৰ চাই একেদিনাই নেদাৰলেণ্ডছৰ Eindhoven (এইণ্ডহ'ৱেন) নামৰ ঠাই ৰাতি ৮ বজাত পাইছিলো।

Alpine countries দৰ্শন কৰি উঠি আমি অষ্ট্ৰিয়াৰ টিৰল (Tirol)ৰ Seefeld বোলা ঠাইখনৰ পৰা ইটালী অভিমুখে ১৮ তাৰিখে পুৱা ৮ বজাত যাত্ৰা কৰিলো। আমি থকা Alpenkonig Hotel খন পৰ্বতৰ শিখৰত আছিল আৰু

5 Star facility থকা হোটেলখন বিৰাটকায় আৰু আধুনিক সুবিধাযুক্ত আছিল। ইউৰোপৰ এইবোৰ দেশত ৰাতি ১০-১১ বজালৈকে মুনিচুনি বেলিৰ পোহৰ হোৱাৰ দৰে হৈ থাকে। ডাঠ পৰ্দা টানি শুলেহে বাহিৰৰ পোহৰে চকুত নধৰে।

পিছদিনা পুৱা ৮ বজাত Seefeld ৰ পৰ্বতৰ শিখৰৰ পৰা বাছখনেৰে নামি আহোতে কি যে নৈসৰ্গিক শোভা দেখিছিলো ! অষ্ট্ৰিয়াৰ পৰা ইটালী অভিমুখী যাত্ৰাত পৰ্বতৰ গাঁথনি, ঘৰবিলাকৰ গাঁথনি অলপ সলনি হোৱা চকুত পৰিল। ইটালীত সোমোৱাৰ লগে লগে অন্য দেশ কিখনৰ উজ্বল মসৃণ সেউজীয়াখিনি যেন পাতলীয়া হৈ গ'ল তেনে লাগিল। কিন্তু বাছৰ পৰা চকুৰে নমনা দূৰলৈকে আপেল আৰু আঙুৰৰ পদ্ধতিগত খেতি আৰু মাজে মাজে ডাঙৰ brewery (য'ত wine তৈয়াৰ কৰে) বোৰ দেখিলো। ইটালীৰ সুৰ (orchestra), সুৰা (wine) আৰু সুন্দৰী (women) জগত বিখ্যাত বুলি মানুহে ৰসিকতা কৰে।

William Shakespeare ৰ Merchant of Venice ইটালীৰ প্ৰখ্যাত ভেনিচ মহানগৰী, North Adriatic sea ৰ মাজত অৱস্থিত এখন পঞ্চম শতিকাত নিৰ্মিত স্থান। আমি ৬ ঘণ্টাৰ মূৰত আদ্ৰিয়াটিক সাগৰত পৰা পো (Po) নৈৰ মোহনামুখত (river mouth) বাছৰ পৰা নামিলো। Seefeld ৰ পৰা সেইছোৱালৈ ৪২০ কিলোমিটাৰ আৰু ইউৰোপত শ্ৰম আৰু শ্ৰমিকৰ মৰ্যাদা আৰু মজুৰি (dignity of labour and wage) যথেষ্ট হেতুকে ড্ৰাইভাৰ এজনে ২ ঘণ্টা গাড়ী চলোৱাৰ পিছত তেওঁক ২০ মিনিট বা ৩০ মিনিটৰ জিৰণি দিবই লাগিব। এই জিৰণি oil pump বোৰত গাড়ী ৰখাই উপলব্ধ কৰোৱা হয়। আনহাতে এজন পেছাদাৰী ড্ৰাইভাৰে একেৰাহে ১৪ দিনহে গাড়ী চলাব পাৰে। ১৫ দিনৰ পৰা তেওঁ ছুটী প্ৰাপ্ত হয়। এনেকুৱা ধৰণৰ law of labour থকাৰ কাৰণে ইউৰোপ মহাদেশ বা পশ্চিমীয়া দেশবোৰত গণ্ডগোল নহয়। আমাৰ বাছৰখনৰ ড্ৰাইভাৰ Sly য়ে ১৫ জুলাইৰ পৰা ১৯ জুলাইলৈকে গাড়ী চলাই ৰাতিৰ পৰা বিৰতি লৈছিল আৰু তেওঁৰ সলনি আন ড্ৰাইভাৰ এজনে ২০ জুলাইত আৰু ২১ জুলাইত গাড়ী চলাইছিল। এইবোৰ চৰকাৰী নীতিয়ে সৰ্বসাধাৰণৰ জীৱনলৈ অমিয়া সুখৰ বোঁৱতী জুৰি নমাই আনে বুলি অনুভৱ হয়। আমাৰ ইয়াতো কেতিয়াবাৰ্লৈ নিশ্চয় সকলো কাৰ্যশৈলীৰ বাবে মৰ্যাদাসূচক বিধেয়ক প্ৰযোজ্য হ'ব।

ভেনিচলৈ যাবলৈ আমাৰ বাবে এখন দুমহলীয়া জাহাজৰ তলৰ মহলা বুক কৰিছিল আৰু ওপৰ মহলাটো Thomas cookৰ অন্য এটা দলৰ কাৰণে বুক কৰিছিল। আমাৰ টেবিলবোৰত থাল আৰু পানীৰ বটল সজাই ৰাখিছিল আৰু বহাৰ লগে লগেই গৰম চামোচা (শিংৰা), ঘুগুনি আৰু চাটনি পৰিৱেশন কৰিছিল। তাৰ পাছত বিৰিয়ানী, French fry আৰু Ice cream খুৱাইছিল। জাহাজে তীব্ৰ গতিৰে আদ্ৰিয়াটিক সাগৰৰ জলাধাৰ বিদীৰ্ণ কৰি ১৬০০ বছৰ পুৰণি ভেনিচলৈ ৰাওনা হৈছিল। খোৱা হোৱাৰ পিছত উৎসাহী পৰ্যটকে সাগৰৰ দুপাৰত থকা দুই উপকূলৰ গীৰ্জা, বন্দৰ, বাসস্থান আদি নিৰীক্ষণ কৰি আলোকচিত্ৰ লৈছিল। বগা বগা কল্লোলৰ ওপৰেদি উটি ফুৰা গঙাচিলনী/seagull বোৰে মনলৈ Samuel Taylor Coleridge ৰ The Rime of the Ancient Mariner (1834) কবিতাৰ পংক্তিবোৰ মনলৈ আনি দিছিল —

'I fear thee, ancient Mariner!
I fear thy skinny hand!
And thou art long, and lank, and brown,
As is the ribbed sea-sand.'

আমি অৱশ্যে ribbed sea sand নেদেখিলো, ২০ কিলোমিটাৰ মান ribbed water আৰু জাহাজেৰে গৈ গৈ Merchant of Venice নাটকৰ Venice অত জাহাজাৰ পৰা নামিলো। Venice বুলি ক'লেই canal, gondola আৰু পানীৰ ওপৰত সজা এখন পৌৰাণিক মহানগৰ, য'ত নৱজাগৰণৰ ঢৌৱে নতুনত্ব সানিছিল ১৪ শতিকাৰ পৰা ১৫ শতিকাৰ মানুহৰ মনত, দৃষ্টিত, চিন্তাত, কলা আৰু স্থাপত্যত, লগতে সকলো সামৰি লোৱা সমাজৰ দাপোন সমসাময়িক সাহিত্যত যাক Renaissance literature বুলি কোৱা হয়। ১১৮ টা দ্বীপক canal বা দীঘলীয়া খালেৰে সংযোগ কৰি ভেনিচ মহানগৰ স্থাপন কৰা হৈছে। ভেনিচ পোৱাৰ লগে লগে আমি জাহাজৰ পৰা নামি উপঙি থকা এক ভূমিখণ্ডত খোজ কাঢ়িবলৈ লোৱা যেন অনুভৱ হ'ল। তাতে প্ৰশাসনিক ভৱন, Doge's Palace, Saint Mark's Basilica, Ponte di Rialto নামৰ ১৬ শতিকাত সজা এখন প্ৰাচীন ধেনুভিৰীয়া দলং, Piazza San Marco নামৰ square আৰু বজাৰ থলী চালো। অলেখ সপোন কঢ়িয়াই যেন এক দিঠকত উপস্থিত হৈছো, পৰ্যটক হিচাপে তেনেকুৱা লাগিল। তাৰ পিছতেই গণ্ডʼলা নামৰ পানী টেক্সিৰে প্ৰখ্যাত Grand Canal ত ৪৫ মিনিটৰ জল বিহাৰ কৰিলোঁ। Marco নামৰ গণ্ড'লা চলোৱা লোকজনে আমাক পানীৰ ওপৰতে সজা স্কুল, কলেজ, হস্পিতাল আদি canal বোৰৰ মাজেদি লৈ গৈ দেখুৱালে। বিচিত্ৰ আৰু অতি চিত্তাকৰ্ষক

ভেনিচৰ মানুহৰ জীৱনশৈলী। আমাৰ ইয়াত গাড়ী থকাৰ দৰে তাতে সকলোৰে গণ্ডʼলা (এক বিশেষ ধৰণৰ নাও) থাকে আৰু সকলোৰে ঘৰবোৰ পানীৰ ওপৰত কাৰণে এইবোৰ ঘৰৰ দৰ্জাৰ সন্মুখতে ৰখাই দিয়ে। Ambulance, School ৰ কাৰণে গণ্ডʼলা চাৰ্ভিছ ভেনিচত দেখা যায়। ভেনিচত থকা লোকসকলক ভেনেচিয়ান বুলি কোৱা হয়।

আকৌ ভেনিচৰ পৰা আড্ৰিয়াটিক সাগৰেৰে আহি পো নদীৰ মোহনাত জাহাজৰ পৰা নামি আমি বাছত উঠিলো। ৰাতি ৮ মান আমাৰ বাছখনে Ferrara (ফেৰাৰা) নামৰ ঠাই পালে আৰু আমাৰ কাৰণে ঠিক কৰা Hotel Asta Ferrara হোটেলৰ ৰুমলৈ সোমাই গʼলো। ঘাইপথৰ দাঁতিত থকা 4 star categoryৰ সুন্দৰ আতিথ্য আগবঢ়োৱা এখন আটক ধুনীয়া হোটেল। ৰাতি দহ বজালৈকে ৰাস্তাত টহল দি শুবলৈ গʼলো। Dinner চাৰ্ভ কৰোতে লʼৰা এজনক সুধিলো যে খাদ্য আমাক ইটালীয়ান নিদি Indian দিছে, বৰ ভাল পাইছো। Home away from home যেন লাগিছে। সি কʼলে যে সিহঁতৰ পৰিয়াল হাৰিয়ানাৰ পৰা প্ৰায় ৫০ বছৰ আগতেই ইটালীত আহি ব্যৱসায় কৰিছে। Catering serviceৰ কাৰণে tender call কৰিলে সিহঁতে Indian foods category ত apply কৰে আৰু এনেকৈ বিভিন্ন হোটেলে সিহঁতক tourist অহা সময়ত employ কৰে। তাৰ নাম বিষ্ণু। অন্য ব্যৱসায়ো আছে। সি মামাকৰ সতে catering কৰে। ঘৰ ইটালীত সিহঁতৰ নিজা আৰু লʼৰা-ছোৱালীয়ে ইটালীতেই পঢ়ে। যি নহওক ৰাতি দহ বজাত এখন অচিনাকি ঠাইত (ফেৰাৰা) ভাৰতীয় মূলৰ লʼৰাজনৰ লগত কথা পাতি ভাল লাগিল। অনুভৱ হʼল যে পৃথিৱীখন বৰ ডাঙৰ, কিন্তু এতিয়া এখন global village অলৈ ৰূপান্তৰকৰণ কৰা হৈছে। দেশে-বিদেশে আমাৰ আপোন মানুহ অথবা বসুধৈৱঃ কুটুম্বকম্। পিছদিনা ৰাতিপুৱাৰ নিত্য কাৰ্য, প্ৰাতঃৰাশ আদি সমাপনৰ পাছত আমাৰ বাছে গতি কৰিলে Florence অলৈ। ফ্ল'ৰেন্স-আস্, নামটোতেই যেন সোমাই আছে সমস্ত উত্তেজনা! নজনাক জনাৰ, নুবুজাক বুজাৰ, অগতিক প্ৰগতি দিয়াৰ, মধ্যযুগীয় এলান্ধুকলীয়া চিন্তা আঁতৰাই নৱ চিন্তাৰ উন্মেষৰ, শিল্প, কলা, বাণিজ্যৰ অগ্ৰগতিৰ। মাইকেলএঞ্জেল' (Michelangelo)ৰ অনন্য সৃষ্টি ডেভিড আৰু মাৰ্বলৰ পৰা সৃষ্ট অন্যান্য মূৰ্তিবোৰৰ অনন্ত নান্দনিক সৌন্দৰ্য। জ্ঞান সন্ধানী জনতাৰ সৃষ্টি কৰা নৱজাগৰণৰ জন্মস্থান ফ্লʼৰেন্স। ইটালীৰ বিখ্যাত ঠাই। আমি ৩-৩০ ঘণ্টা পাছত ফেৰাৰাৰ পৰা ফ্লৰেন্স পালোগৈ। বাছৰ পৰা নামি মধ্যযুগত নিৰ্মিত বিখ্যাত ঠাইখনৰ ৰাস্তাৰে খোজ কাঢ়োতে বাৰে বাৰে মনলৈ আহিল যে এই পথেৰে বাট বুলিছিল সেইসকল ভাস্কৰ বা শিলাকুটিয়ে (SCULPTOR) যাৰ অমৰ ভাস্কৰ্য চাবলৈ দেশ-বিদেশৰ মানুহে এতিয়াও ভিৰ কৰে ইটালীৰ মাটিত। ফ্লʼৰেন্স নামটো এপাহি ফুলৰ পৰা লোৱা হৈছে বুলি আমাক গাইডজনে কʼলে। অৱশ্যে আমাৰ স্থায়ী tour guide ৰাজেশ ডাভেৰ লগতে এই মহানগৰীখনৰ কথা বুজাবলৈ আৰু এজন গাইড Thomas Cook য়ে দিছিল আৰু আৰু তেখেতে প্ৰায় ২০০০ বছৰীয়া ঐতিহ্যৰ কথা আমাক সৰলভাৱে এনেদৰে বুজাই দিছিল ঃ

১। আগতে ইটালীৰ ৰাজধানী Florence বৰ্তমান Tuscany ৰাজ্যৰ ৰাজধানী।

২। ফ্লʼৰেন্সৰ বিশেষ অংশ এতিয়া UNESCO Heritage site.

৩। ইউৰোপ মহাদেশৰ ভিতৰত প্ৰথমতে ফ্লʼৰেন্সতহে ৰাস্তাবোৰ ইটা জাতীয় বস্তুৰে ভালদৰে বনোৱা হৈছিল। ১৩৩৯ চনত এই কামটো কৰিছিল।

৪। পিয়ান' নামৰ বাদ্যবিধৰ জন্ম এই ঠাইত।

৫। GUCCI নামৰ Hot Couture ৰ আন্তৰ্জাতিক ব্ৰাণ্ডটোৰ জন্ম ফ্লʼৰেন্সত।

১৪ শতিকাতেই বনোৱা গীৰ্জা Cathedral of Santa Maria del Fiore, The Church of Santa Croce আজিও সগৌৰৱে মূৰ দাঙি নৱজাগৰণৰ প্ৰাণকেন্দ্ৰ ইটালীৰ ফ্লʼৰেন্সৰ কীৰ্তি বিস্তাৰ কৰি আছে। কি যে এক প্ৰাণময় চহৰ যʼত খ্ৰীষ্টান ধৰ্ম, কলা, সংস্কৃতি, কলা-কৌশলীৰ নিপুন হাতৰ নিৰুপম ভাস্কৰ্য আৰু প্ৰাচীন ঐতিহ্যৰ সানমিহলি ৰূপ দৃশ্যমান। ১৪ শতিকাতেই ৰজা বা গৱৰ্ণৰ আদি থকা ঘৰবোৰো অক্ষত অৱস্থাত আছে। এতিয়াও হেনো বংশধৰসকল তাত থাকে। বহুতো তেনে ঘৰ চৰকাৰে সংৰক্ষণ কৰিছে। Cathedral Santa Maria del Fiore ৰ নিৰ্মাণ কাৰ্য ১২৯৬ চনত আৰম্ভ কৰা হৈছিল আৰু ১৩৮৬ চনত সম্পূৰ্ণ কৰা হৈছিল। ৰঙা টাইলচ্ লগোৱা ইয়াৰ Dome টো দৃষ্টিনন্দন আৰু পৃথিৱীৰ ভিতৰত তৃতীয় বৃহৎ dome. বিখ্যাত শিল্পী Giotto, Brunelleschi, Botticelli আৰু Michelangelo ৰ দ্বাৰা সৃষ্ট মাৰ্বলৰ মূৰ্তিবোৰ জীৱন্ত মানুহ যেন লাগে। ইতিহাস, নৱজাগৰণ গাঁথা এই অমৰ শিল্পবোৰে কৈ আছে, কৈ থকা যেন ভাৱ হয়। সাহিত্যৰ ছাত্ৰী হিচাপে পঢ়া, শিক্ষক হিচাপে পঢ়ুওৱা 'নৱজাগৰণ' চাক্ষুস দৃষ্টিৰে যেন হৃদয়ৰ নিৰ্মল কোণত

স্থাপন কৰিলো তেনে লাগিল। প্ৰখ্যাত Florentine বিজ্ঞানী, শিল্পী গেলিলিও গেলিলি আৰু Michelangelo দুয়োৰে মূৰ্তি Santa Croce গীৰ্জাত দেখিলো। এই গীৰ্জাৰ ভিতৰত দুয়োৰে সমাধি আছে। নিজৰ সন্তানক ফ্ল'ৰেণ্টাইনসকলে উপযুক্ত সন্মান দিছে। মধ্যযুগীয় এলান্ধুকলীয়া কথাবোৰ আঁতৰোৱা নৱজাগৰণৰ সাধকসকলৰ প্ৰতি বিনম্ৰ প্ৰণতিৰে ফ্ল'ৰেন্সৰ পৰা পিছা (Pisa) অভিমুখী হ'লো RAF Travels ৰ Mercedez Benz বাছখনেৰে। পিছাত খোৱা Lunch অত Pasta/pizza ৰ কথা কিম্‌অধিকম্ ইতি।

ইটালী দেশখন Fashion, Wine আদিৰ বাবেও প্ৰখ্যাত। ইটালীৰ সুৰ আৰু সুৰা অপূৰ্ব বুলি জনাজাত। দেশখনৰ কেন্দ্ৰত অৱস্থিত পিছা মহানগৰখন পলসুৱা মাটি কঢ়িয়াই নিয়া আৰণ'/আৰ্ণ নদীৰ পাৰত। ফ্ল'ৰেন্সৰ পৰা ৮০ কিলোমিটাৰ পশ্চিমত অৱস্থিত এই মহানগৰখন লিগুৰাইৰান সাগৰৰ পৰা দহ কিলোমিটাৰ দূৰত্বত। গতিকে ইয়াৰ নাগৰিকসকলে স্পেঘেটি (Spaghetti) নামৰ খাদ্য সাগৰীয় মাছৰ সতে bake (সেকি) কৰি খাই ভাল পায়। আমাক লৈ যোৱা হৈছিল পিছাৰ হেলনীয়া স্তম্ভ দেখুৱাবলৈ যিটো পৃথিৱীৰ সপ্তাশ্চৰ্যৰ অন্যতম। Piazza Del Miracoli ৰ বাকৰিত ১৩৭২ চনত সম্পূৰ্ণ কৰা বগা মাৰ্বলৰ ৫ মিটাৰ বহলৰ cylinder ৰ আকৃতি সদৃশ এই স্তম্ভটো নিৰ্মিত অৱস্থাতেই হালি গৈছিল। বিশেষজ্ঞসকলে অধ্যয়ন কৰি গম পাইছিল যে মহানগৰখনৰ মাজেৰে বৈ যোৱা আৰণ' নৈখনৰ পলসুৱা মাটিৰ কাৰণে স্তম্ভটো হেলনীয়া হৈছে। ১৯৮৭ চনত পিছাৰ Piazza Del Miracoli নামৰ গীৰ্জাটো UNESCO World Heritage site হিচাপে ঘোষণা কৰে। আৰেগিক আৰু আশ্চৰ্যচকিত হৈ পিছাৰ হেলনীয়া স্তম্ভৰ সৌন্দৰ্য দৰ্শন কৰিলো। এইটো এটা Bell tower যি গীৰ্জাৰ প্ৰাৰ্থনাৰ সময়ে সময়ে ঘণ্টাধ্বনি কৰে। Pisa ৰ হেলনীয়া স্তম্ভও এনে ঘণ্টাধ্বনি দিয়া এটি সুউচ্চ স্তম্ভ। কাষে-পাজৰে পৰ্যটকৰ বাবে সৰু সুৰা বিপনী আছে। তাৰ পৰা সৰু সুৰা এটা দুটা স্মাৰক ল'লো। বহুতো বিপনীত বিক্ৰেতা হিচাপে 3rd World countries ৰ মানুহ আছে। বাংলাদেশৰ বহু বিক্ৰেতা পালো। পিছাৰ পৰা আমি ইটালীৰ Arezzo নামৰ ঠাইখনত ৰাতিটোৰ বাবে উঠিলোগৈ। Hotel Planet এখন ডাঙৰ 4 star category ৰ যিখন ২০২০ চনৰ প্ৰাৰম্ভলৈকে এখন বিশাল Mall আছিল। Covid-19 য়ে ব্যৱসায় ধ্বংস কৰাৰ পাছত ১৯২২ চনৰ পৰা এইখন হোটেললৈ ৰূপান্তৰ কৰিছে। Arezzo নামৰ ঠাইখন হেনো 311 BC ত ৰোমানসকলে যুদ্ধ জয় কৰি নিজৰ অধীনস্থ কৰি সেনা বাহিনীৰ বাসস্থান কৰিছিল। এই ঠাইখনত আমি নিশাৰ অতিথিহে আছিলো গতিকে বাছেৰে অহা-যোৱা কৰা পথ, ঠাইবোৰৰ বাহিৰে বিশেষ জ্ঞান লাভ কৰা নাছিলো। কিন্তু 4th আৰু 5th century ৰ পৰাই খ্ৰীষ্টান ধৰ্মৰ বিশ্চপসকলৰ উত্থানত এতিয়ালৈকে এই ঠাইখনৰ গীৰ্জা আৰু মানুহে এক উল্লেখনীয় ভূমিকা লৈ আছে। নেপোলিয়ন ব'নাপাৰ্টৰ সৈন্যয়ো ১৮ শতিকাৰ শেষত Arezzo অধিকাৰ কৰিছিল। যুদ্ধ বিধ্বস্ত এই ঠাইখনত দ্বিতীয় মহাযুদ্ধত ১২৬৬ জন যুদ্ধৰত সেনাই প্ৰাণ দান দিছিল।

পিছদিনা পুৱাই আমি ৰোম অভিমুখী যাত্ৰাৰম্ভ কৰিলো। ৰোম নামটোৰেই এক ৰোমাঞ্চকৰ অনুভূতি মনত সানি দিয়ে। খ্ৰীষ্টান ধৰ্মীয় গুৰু Pope ৰ বাসস্থান Vatican City, বিশ্বৰ যিখন আটাইতকৈ সৰু ৰাষ্ট্ৰ, যিখনৰ নাম বুৰঞ্জীয়ে ৰিঙিয়াই যায় সেই ঠাই ইটালীৰ ৰাজধানী ৰোম। আমাৰ গাড়ীয়ে আৰেজ্জ'ৰ পৰা বৃহৎ আৰু মসৃণ ৰাষ্ট্ৰীয় পথেৰে গতি কৰিলে ঘণ্টাত প্ৰায় ৯০ কিলোমিটাৰ বেগত। মাজত gas filling আৰু WC ব্যৱহাৰ, ড্ৰাইভাৰৰ নিয়ম মাফিক বিৰতি মিলাই ২২০ কিলোমিটাৰ অতিক্ৰমোতে প্ৰায় তিনি ঘণ্টা সময় লাগিলে। ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা চকুৰে মনিব পৰালৈকে আপেলৰ বাগিচা আৰু আঙুৰৰ বাগিছা ভৰি আছিল। লগতে মাজে মাজে Brewery বোৰৰ chimney ৰে ওলোৱা ছাইৰঙী ধোঁৱা। ২২০ কিলোমিটাৰ অতিক্ৰমা ৰাস্তাৰ দুয়োকাষৰ দৃশ্য চিত্তাকৰ্ষক হোৱাৰ লগতে ওখ ওখ পৰ্বতবোৰে কিবা যেন Ethereal জগত এখনৰ সৃষ্টি কৰিছিল। মোহময়, মায়াময় সপোনৰ ৰোমৰ পদূলিত আমি পৰ্যটক। সুখ আৰু প্ৰাপ্তিৰ যোগাত্মক আৰু চিৰন্তন অনুভূতিত ডুবি থাকোতেই ৰোম মহানগৰীত সোমালো।

৪০৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ টাইবাৰ নৈখনে অকোৰা পকোৰাকৈ ৰোম মহানগৰীৰ মাজেৰে ভূমধ্য সাগৰৰ এক অংশ টিৰহেনিয়ান সাগৰৰ পানীত একাকাৰ হৈছে। বাছখনৰ পৰা নামি টাইবাৰ নৈৰ দলঙৰ ওপৰেদি খোজ কাঢ়ি acropolis পালো। গ্লেডিয়েটৰ বিলাকে যুদ্ধ কৰা ঠাইখনৰ বিশাল অৱয়ব (যদিওবা মাজে মাজে চূণচুৰুকি খহি পৰিছে)ৰ ওচৰত মূৰ দোৱালো। শাসক শ্ৰেণীৰ মনোৰঞ্জনৰ কাৰণে হাত-ভৰি বান্ধি থোৱা কৃতদাস বা যুদ্ধজয় কৰি অনা বলৱান বন্দীৰ সতে মুকলি কৰি থোৱা সিংহৰ যুঁজ। গ্লেডিয়েটৰ চিনেমাখন চাই চাই ভয়ত শিঁহৰিত হোৱা মোৰ



অন্তৰাত্মা আকৌ এবাৰ কঁপি উঠিল। যুদ্ধভূমিৰ সমুখত প্ৰাণ হেৰুৱা অলেখ গ্লেডিয়েটৰৰ সাহসৰ কথা মনত পেলালো। Maximus ৰ ৰূপত Russell Crowe ৰ বলিষ্ঠ অভিনয়, Lucia ৰ ৰূপত Connie Nielsen ৰ প্ৰাণময়ী বিষণ্ণতা, Commodus নামৰ হিংসুক, স্বাৰ্থপৰ ৰজাৰ চৰিত্ৰত Joaquin Phoenix ৰ অভিনয়ে ৰোমৰ 150 AD মানে দ্বিতীয় শতিকাৰ ৰাজতন্ত্ৰৰ ইতিহাস প্ৰত্যক্ষভাৱে বুজাত সহায় কৰে। Kingship, wealth, marriage, loyalty, bravery, Treaty আদি সকলো বিষয় সামৰা Gladiator নামৰ চিনেমাখনে পাঁচটাকৈ অস্কাৰ লাভ কৰিছে। অনবদ্য ৰোমৰ ইতিহাস আৰু প্ৰবচন ঃ Act as a Roman while in Rome, Rome was not built in a day আদি আমি কথা-বতৰাৰ মাজত প্ৰায়ে ব্যৱহাৰ কৰো।

আমি ৰোমৰ ৰাস্তাৰে খোজ কাঢ়ি প্ৰচণ্ড ৰ'দকো নেওচি গৈ ভেটিকান চিটি পালোগৈ। Anne নামৰ অন্য এগৰাকী Tourist guide য়ে আমাক audio phone বা head phone অৰ জৰিয়তে Vatican City ৰ ইতিহাস, কলা, শিল্প, বাণিজ্যৰ কথা হাঁহি মুখেৰে বৰ্ণনা কৰি গ'ল। St. Peters Basilica, Chistine Chapel ৰ ভিতৰত Michelangelo য়ে সুদীৰ্ঘ ৮ বছৰ কাল জুৰি অঁকা ছবিবোৰ বাইবেলৰ কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত আছিল। এনেকুৱা লাগিছিল যেন Adam, Eve আদি চৰিত্ৰবোৰ জীৱন্ত। বিশেষতঃ যীশুখ্ৰীষ্টৰ ক্ৰুছবিদ্ধ ছবি, কুমাৰী মাতৃ মেৰীৰ কোলাত শায়িত যীশু আৰু অন্যান্য চৰিত্ৰবোৰ যেন 3D ছবিহে আছিল তেনে ভাব হৈছিল। Dan Brownৰ উপন্যাস Angel and Demon অত বৰ্ণিত ভেটিকানৰ বৰ্ণনা চাক্ষুস প্ৰত্যক্ষৰ সৌভাগ্যই মোক পুলকিত কৰিছে। খ্ৰীষ্টান ধৰ্মগুৰু পোপে যিখন বেলকনিত থিয় হৈ শ্ৰদ্ধালু ভক্তগণক উদ্দেশ্যি হাত জোকাৰে সেইখনো বাৰে বাৰে চালো।

পৃথিৱীৰ আটাইতকৈ সৰু ৰাষ্ট্ৰ ভেটিকান চিটিৰ আয়তন ১ কিলোমিটাৰতকৈ কম। তেওঁলোকৰ নিজস্ব ৩০০ মিটাৰ ৰেলসেৱা, helipad, ডাকসেৱা, বেঙ্ক সেৱা, Library আছে। বেঙ্কৰ ATM ৰ ভাষা Latin. খ্ৰীষ্টান ধৰ্মৰ প্ৰাণকেন্দ্ৰ ভেটিকান চিটি ৰোমান কেথ'লিক গীৰ্জাৰ হেড কোৱাৰ্টাৰ। ইয়াৰ Currency, Euro, অন্য ইউৰোপীয়ান Nations ৰ Currency য়েই এই ক্ষুদ্ৰতম ৰাষ্ট্ৰখনতো চলে। অসংখ্য মাৰ্বলৰ মূৰ্তিৰে শোভিত ভেটিকান চিটি অনন্য ৰূপৰ, অনন্য মাত্ৰাৰ এক যাদুকৰী ৰাষ্ট্ৰহে যেন। এই সকলোবোৰৰ মুৰব্বী খ্ৰীষ্টান ধৰ্মৰ পোপ যিজনাক তেওঁলোকে Holy See বুলি সম্বোধন কৰে। বৰ্তমান Pope Francis ভেটিকানচিটিৰ মুৰব্বী। এইবিলাক কথা ভাবি ভাব চিন্তা হ'ল যে — দ্বিতীয়বাৰ আহিব পাৰিমনে এই পুণ্যভূমিলৈ ?

ৰাতিটোৰ বাবে ৰোম মহানগৰীৰ Hotel $H_2$ত স্থান আৰু পিছদিনা পুৱাই ৰোমৰ আন্তৰ্জাতিক বিমান বন্দৰলৈ RAF Travels ৰ বাছখনেৰে যাত্ৰা। খিৰিকীমুখৰ আসনত বহি পথৰ দাঁতিৰ বগা, হালধীয়া, গুলপীয়া, ৰঙা, বেঙুনীয়া অলিয়েণ্ডাৰ ফুলৰ জোপোহাৰ মাজেৰে ওলোৱা ইটালীৰ চৰাই, আকাশ চাই আগবাঢ়িলো। দিনৰ ১২ বজাৰ উৰণ পথেৰে ইষ্টানবুলৰ আতাতুৰ্ক কামাল আন্তৰ্জাতিক বিমান বন্দৰলৈ আৰু ৰাতি ১০ বজাত তাৰ পৰা মোৰে ভাৰতলৈ। ■■

# Gathsamane Man-made Forest ত কটোৱা দিনটো

**জুবিলীনা বৰুৱা**
ভূগোল বিজ্ঞান বিভাগ, তৃতীয় যান্মাসিক

দ্বিতীয় যান্মাসিকত থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰিৱেশ অধ্যয়ন বিষয়টো সকলোৰে বাবে বাধ্যতামূলক। পৰিৱেশ অধ্যয়নৰ বিষয়টোত ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৱাটো আমাৰ বাবে আনন্দ-উছাহৰ দিন। মেজৰৰ ক্লাছত হৰিমন ডেকা ছাৰে আমি ক'ত যাব বিচাৰো সোধাত বিভিন্নজনে বিভিন্ন ঠাইৰ নাম উল্লেখ কৰিলে যদিও বহু আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্কৰ অন্তত আমি সকলোবোৰ Gathsemane man-made forest ত যাম বুলি থিৰাং কৰা হ'ল।

২০ এপ্ৰিল, ২০২৩। ৰাতিপুৱা ৭ বজাতেই আমি উলাহে নধৰা মন এটি লৈ কলেজৰ গেটত উপস্থিত হ'লোগৈ। সকলোৱে কাগজ, কলম, পৰ্যাপ্ত পৰিমাণৰ পানীৰ বটল, ছাতি আৰু কৃপণালী নকৰাকৈ লঘু আহাৰৰ টেপোলাবোৰ লৈ ৮ বজাত আমি ৰাওনা হ'লো। লগত আমাৰ গাইড হৰিমন ডেকা ছাৰ। কিছুসংখ্যক বন্ধু-বান্ধৱীক আমি আদবাটত উঠাই লৈছিলো। খাৰুপেটীয়া পোৱালৈ আমি বাছত যাত্ৰী উঠায়ে থাকিলো।

আগদিনাৰ প্ৰচণ্ড শিল-বৰষুণৰ তাণ্ডৱৰ পিছত পৰিষ্কাৰ ৰাস্তা, ফৰকাল বতৰ আৰু দুয়োফালৰ সেউজীয়া পৰিৱেশবোৰৰ মাজেৰে আমি গতি কৰি আছিলো। গীত-নৃত্য আৰু কোলাহলৰ মাজত বাছখন গৈ আছিল। আমি প্ৰায় ১১-৩০ মানত আমাৰ গন্তব্য স্থান পালোগৈ। আমাক আগবঢ়াই নিবলৈ ফৰেষ্ট কমিটিখনৰ লোকসকল ৰৈ আছিল। অৰণ্যখনৰ মাজতো যে ঘৰ থাকিব মোৰ কল্পনাৰ অগোচৰ আছিল। তাত থকা, খোৱা-মেলা কৰা আৰু তাত কটাই অৰণ্যখনৰ নীৰৱতা, প্ৰকৃতিৰ সৈতে ওমলাৰ সুবিধা আছিল। বহিবলৈ দিয়া বাৰাণ্ডাখনৰ পৰাই ওচৰতে থখা পুখুৰীটোৰ সৌন্দৰ্য আৰু আগফালে থকা ফুলকেইজোপাৰ সৌন্দৰ্য উপভোগ কৰিব পাৰি। নাতিদূৰৈত টঙীঘৰটো আৰু মৌ উৎপাদনৰ বাবে মৌচাকসমূহ আছিল।

শীতকালত বনভোজস্থলী বুলি ক'লে আমি ভৈৰৱকুণ্ডলৈ যাওঁ যদিও তাৰ ওচৰতে থকা Gathsamane man-made forest খন আমাৰ বহুতৰে অজ্ঞাত। দুই এজন বন্ধু-বান্ধৱীৰ বাহিৰে গৈ নোপোৱাসকলৰ ভিতৰত ময়ো আছিলো। Joint Forest Managing Committee য়ে চোৱাচিতা কৰা ওদালগুৰি জিলাত অৱস্থিত ধনশিৰি অৰণ্য শাখাৰ অন্তৰ্গত এই মানৱসৃষ্ট অৰণ্যখনৰ বিষয়ে আমাৰ বহুতো জানিবলগীয়া আছে।

আমি আমাৰ লঘু আহাৰ গ্ৰহণ কৰি তাত আঁৰি থোৱা ফটোসমূহ এটা এটাকৈ সকলোৱে চাই গৈছিলো। মাজৰ মুকলি ঠাইখিনিত আমি সকলোৱে বহিছিলো। তাত আমাক ছাৰে ক্ষেত্ৰ অধ্যয়ন, তাৰ প্ৰয়োজনীয়তা আৰু আনুষংগিক বিভিন্ন কথা আলোচনা কৰা হ'ল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাবৰ অঞ্চলৰ ওপৰত তাত এটা বিস্তৃত আলোচনাও হৈছিল। আমি সকলোৱে কলম আৰু কাগজ লৈ ছাৰৰ প্ৰত্যেকটো শব্দই অতি মনোযোগেৰে শুনিছিলো। চৰাইৰ চি-চিয়নি আৰু সেউজীয়াবোৰৰ মাজত বহি আমি এক বিৰল প্ৰশান্তি অনুভৱ কৰিছিলো। প্ৰজেক্ট ৰিপৰ্টৰ লাগতীয়াল কামখিনি কৰি, চৌহদটোৰ ফটো লৈ অৰণ্যখনৰ ভিতৰলৈ ফুৰাৰ উদ্দেশ্যে স্থানীয় ব্যক্তি বিলোপ দৈমাৰীদেৱৰ সৈতে আমাৰ দলটো অৰণ্যখনৰ ভিতৰভাগলৈ বুলি ৰাওনা হ'লো।

তেওঁ আমাক গোটেই অৰণ্যখনৰ ওপৰত খুউব ধুনীয়াকৈ বৰ্ণনা কৰিছিল। অসম, ভূটান আৰু অৰুণাচল

প্ৰদেশৰ সংগমস্থলীত অবৈধ কাঠ কটা আৰু আকস্মিক বানপানীৰ ফলত অনুৰ্বৰ ভূমিখণ্ডলৈ পৰিণত হৈ পৰা এখন সংৰক্ষিত বনাঞ্চল নতুনকৈ সৃষ্টি কৰাৰ সপোন দেখিছিল আৰু কঠোৰ শ্ৰমেৰে তাক বাস্তৱলৈ পৰিণত কৰিছিল। সেই সময়ত ভৈৰৱকুণ্ড সংৰক্ষিত বনাঞ্চলৰ ২৪.২৪ বৰ্গ কিলোমিটাৰ জোৰা এই ভূ-খণ্ডৰ ভিতৰুৱা ৫,৬২৫ বিঘা মাটি জোৰা বিস্তৃত এলেকাত ৩৫ জনীয়া যুৱকৰ দল এটিয়ে এখন অৰণ্য গঢ়ি তোলাৰ সপোনটো দুঃসাধ্যৰ দৰেই আছিল, কিন্তু তেওঁলোকে সেই অসাধ্য সাধন কৰি তুলিলে। এটি যুটীয়া বন-ব্যৱস্থাপনাৰ প্ৰকল্পৰ অধীন সেই অনুৰ্বৰ ভূ-খণ্ডক গভীৰ হাবিলৈ পৰিণত কৰিবলৈ তেওঁলোকে ২০০৭ চনৰ পৰা ২০১২ চনলৈকে পাঁচ বছৰৰ ভিতৰ একেৰাহে ১২ লাখ গছপুলি ৰোপণ কৰিছিল। বৰ্তমান সময়তো খালী ভূমিসমূহত গছপুলি ৰোপণ কাৰ্য হৈয়ে আছে। প্ৰচুৰ পানীৰ অবিহনে তেওঁলোকে ৰোপণ কৰা গছপুলিবোৰ প্ৰতিপালন কৰাটো আছিল কঠিন কাম। সেয়েহে তেওঁলোকে অৰুণাচল প্ৰদেশৰ পৰা তললৈ নামি অহা ধনশিৰি নদীৰ পৰা চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ জলসিঞ্চনৰ ধাৰ বোৱাই আনিছিল। পৰ্যাপ্ত পৰিমাণৰ ভূ-গৰ্ভস্থ পানীৰ অভাৱত যাতে গছপুলিবোৰ মৰি নাযায়, সেইবাবেই ধনশিৰিৰ পৰা দুটাকৈ জলসিঞ্চনৰ ধাৰ বোৱাই অনা হৈছিল। তাত এলিফেন্ট কাণ্ট্ৰী কেম্প (Elephant Country Camp) নামৰ পৰিৱেশ পৰ্যটন কেন্দ্ৰও তাত আছে। আৰু বৰ্তমান এই সমগ্ৰ পৰিৱেশটোৱেই পৰিৱৰ্তিত হৈছে এক অনন্য সেউজীয়া অভয়াৰণ্যলৈ, যাক আমি এতিয়া Gathsemane Man-Made Forest (GMMF) বুলি জানো।

তাত পানীৰ ধাৰ প্ৰখৰ আছিল। আৰু আমি সকলোৱে হাতে হাতে জোতা-চেণ্ডেল লৈ পানীৰ প্ৰখৰ ধাৰৰ মাজেৰে হাতে হাত ধৰি আমি আগবাঢ়িলো। ফটো তোলা, ভিডিঅ' লোৱা আদি সকলো যাত্ৰা পথত চলি আছিল। অৰণ্যখনৰ এটা ফালৰ পৰা অৰুণাচল পাহাৰৰ মনোৰম দৃশ্য আৰু আনটো ফালে ভূটান পাহাৰৰ দৃশ্য দেখা যায়। তাত আমি বহুতো মহামূল্যৱান উদ্ভিদ যেনে-খয়েৰ, শিশু, তিতাচপা, শিমলু, চেগুন আদি দেখিছিলো। অৰণ্যৰ সেউজীয়া আভৰণ বৃদ্ধি পোৱাৰ লগে লগে তাত হৰিণা, বনৰীয়া গাহৰি, বিভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপ আদিয়ে ইয়ালৈ ভুমুকি মাৰিবলৈ লৈছে। মাজে মাজে বিচৰণ কৰিবলৈ অহা বনৰীয়া হাতীৰ জাকবোৰো দৰ্শকৰ বাবে এক সাধাৰণ দৃশ্য হৈ পৰিছে বুলি তেওঁ জানিব দিয়ে।

বতৰ লাহে লাহে গোমা কৰি আহিছিল। আৰু আমি ৰ'দৰ বাবে নিয়া ছাতিবিলাক বৰষুণৰ বাবে মেলি লৈছিলো। ফটো উঠা, পানী ইজনে আনজনৰ গাত ছটিওৱা কৰি সকলোৱে সৰু সৰু দলত ভাগ হৈ আহি আছো।

প্ৰায় গোটেই অৰণ্যখনত এবিধ উমৈহতীয়া উদ্ভিদৰ প্ৰজাতিৰ গছ দেখা পোৱা গৈছিল। তাৰ ফুলকেইপাহ বহুত সুন্দৰ আছিল, তাত তেওঁলোকে 'কাটা জাৰ্মেনী লতা' বুলি কয়। সেইবিধ 'Lantana camara' প্ৰজাতিৰ উদ্ভিদ। অহা-যোৱা কৰা ৰাস্তাত সেইসমূহ কাটি জ্বলাই দিয়া হৈছিল। তাৰ গোটেই অঞ্চলবোৰত বানপানীয়ে পেলাই থৈ যোৱা প্ৰকাণ্ড প্ৰকাণ্ড শিলসমূহ আছিল। আমি স্থানীয় মানুহ বহুকেইজনক লগ পাইছিলো আৰু তেওঁলোকৰ বসতি অঞ্চলৰ মাজেৰেও আমি পাৰ হৈ আহিছিলো। আমাৰ স্থানীয় গাইডজনে আমি ইচ্ছুক কেইজনক ডাঙৰ ডাঙৰ শিলবোৰ দেখুৱাই ৰাস্তা নোহোৱা হাবি এখনৰ মাজে মাজে লৈ গৈছিল।

লাহে লাহে আন্ধাৰ হ'বলৈ আৰম্ভ কৰিছিল। তাত আমি ভাত-পানী খাই আহিবলৈ ওলোৱাত আমাৰ মনত পৰিল যে আধা ৰাস্তাত কিনা তৰমুজ খাবলৈ পাহৰিলো। গাড়ীৰ পৰা তৰমুজবিলাক উলিয়াই দিয়াত তেওঁলোকে লগে লগে কাটি দিলে। আমি সকলোৱে তৰমুজৰ টুকুৰাবিলাক কঢ়া আজোৰা কৰিবলৈ লাগিলো।

তেওঁলোকৰ আপ্যায়ন খুব ভাল লাগিছিল। তৰমুজ খাই উঠি প্ৰত্যেকেই তেওঁকেৰ পৰা বিদায় লৈ গাড়ীত উঠিলো। বৰষুণ দিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ সহজ-সৰল আপ্যায়ন, প্ৰকৃতিৰ প্ৰতি থকা অপৰিসীম প্ৰেম আৰু আমি তাত কটোৱা এটা সুন্দৰ দিনৰ অন্ত পৰিল।

বাছত আকৌ আমাৰ গীত গোৱা, নচা, হাই-উৰুমি আৰম্ভ হ'ল। দিনটোত বহুত ভাগৰ লাগিলেও আনন্দ-উল্লাস তেতিয়াও কমা নাছিল। ৰাস্তাত বাছ ৰখাই আকৌ আমি আইচক্ৰীম, চিপছ্ খোৱাত লাগিছিলো। ৭-২০ মানত বাছ আকৌ কলেজ আহি পোৱাত আমি নিজ নিজ ঘৰলৈ বুলি ঘৰমুৱা হ'লো। ■■

# বিভাগীয় শৈক্ষিক ভ্ৰমণ আৰু স্মৃতিৰ কোঠালীৰ সজীৱ তৃপ্তি

**ৰাহুল আজিজ**
কম্পিউটাৰ বিভাগ আৰু তথ্য প্ৰযুক্তি বিভাগ, পঞ্চম ষান্মাসিক

সৌ-সেইদিনাখন তাৰিখ আছিল ২/৩/২০২৩। সেইদিনাখন হঠাৎ সিদ্ধান্ত লোৱা হ'ল যে আমি ফুৰিবলৈ যাওঁ। তেতিয়া আমি ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ। ৰ'ব, আমি আমাৰ পৰিচয়টো দি লওঁ। আমি হৈছো মঙলদৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান আৰু তথ্য-প্ৰযুক্তি বিভাগৰ ছাত্ৰ। আমাৰ বিভাগটো বিজ্ঞানৰ লগত জড়িত। সেয়েহে লগৰ সকলো মিলি কলিকতাৰ বিজ্ঞান চহৰ (Science City)ত যাওঁ বুলি ভাবিলো। সকলো মান্তি হ'ল। বিভাগীয় মুৰব্বী ছাৰৰ লগত কথাযাৰ আলোচনা কৰিলো। ক'লে— Application দিয়া মই প্ৰিন্সিপাল ছাৰলৈ forward কৰি দিম। কথা মতেই কাম। মুৰব্বী ছাৰক দিয়া Application খন লৈ ছাৰৰ ওচৰত গ'লো। ছাৰে ক'লে হ'ব তোমালোক যোৱা কিন্তু সকলো ভালে ভালে ঘূৰি আহিলে হ'ল। মই ক'লো— ছাৰ হ'ব, আমি সকলো ভালে ভালে ঘূৰি আহিম। ছাৰে সুধিলে কিহত যাবা, কেনেকৈ যাবা? মই ক'লো— ছাৰ ৰেলেৰে যাব বুলি ভাবিছো। ছাৰে ক'লে— থকা-খোৱা কেনেকৈ? মই ক'লো—ছাৰ, হোটেলতে থকা-খোৱা হ'ব। ছাৰে ক'লে— অসম ভৱনৰ কথা এবাৰ শুধি চাবাচোন? আমি সকলোৱে হ'ব বুলি কৈ ছাৰৰ ৰুমৰ পৰা ওলাই আহিলো।

পিছদিনা কলিকতালৈ যোৱাৰ প্ৰস্তুত আৰম্ভ কৰিলো। মই গুৱাহাটীৰ পল্টনবজাৰ ৰেল ষ্টেচনৰ ওচৰত থকা অসম পৰ্যটন বিভাগৰ অফিচ এটালৈ কলিকতাত থকা 'অসম ভৱন'ৰ কথা সুধিলো। তাত সুধি গম পালো যে অসম ভৱনটি পুনঃ নিৰ্মাণৰ কাম কৰি আছে। মই আহি পিছদিনাখন ছাৰহঁতৰ লগত আলোচনা কৰিলো যে অসম ভৱন আমি নাপাম, তাত গৈ মুৰব্বী ছাৰে ক'লে তোমালোক আলোচনা কৰা। পইচাৰে মিলিনে কমিলে চোৱা। আমাৰ বিভাগৰ ছাৰ এজনৰ লগত মিলি আলোচনা কৰিলো। শেষত কাৰোবাৰ পইচাৰেৰে মিলিলে কাৰোবাৰ নিমিলে। ছাৰে ক'লে— ঠাইটো সলনি কৰিব নোৱাৰিনে? মই ক'লো পাৰি ছাৰে, যদি সকলোৱে মিলে। সকলোৱে নিজৰ নিজৰ পছন্দৰ ঠাই ক'লে— কোনোবাই ডিব্ৰুগড়, কোনোবাই শিৱসাগৰ, কোনোবাই মাজুলী, কাজিৰঙা আৰু বহুত। সেইদিনাখন তেনেকৈ গ'ল। তাৰ কেইদিনমান পিছত ছাৰে মাতি ক'লে— যোৱাটো কি কৰিবা তোমালোকে, পিছত sessional পৰীক্ষা হ'ব আৰু Final পৰীক্ষা আহিব, ভালকৈ সিদ্ধান্ত কৰি জনোৱা। আমি হ'ব বুলি কৈ ৰুমৰ পৰা ওলাই আহিলো। ৰ'ব ৰ'ব। আৰু কেইটামান পৰিচয় দি লওঁ। মুৰব্বী ছাৰজন হৈছে দিপজ্যোতি কলিতা ছাৰ, ছাৰ যে কৈ আছো সেইকেইজন হৈছে, অভিজিৎ ছাৰ আৰু হিৰেন ছাৰ আৰু মই আমি বুলি কৈ আছো সেইকেইজন হৈছে ৰাহুল, ধীৰাজ, অংশুমান, ৰণজিৎ আছে আৰু বহুতো একেলগৰ সহপাঠী।

পিছত তাৰিখ আছিল মাৰ্চৰ ১১ আৰু দিনৰ ১১ বজাত পোৱাকে সকলো কলেজত আহিব দিলো। কথা মতেই কাম, সকলো আহিল ছাৰহঁতো আছিলে। প্ৰায় এঘণ্টামান আলোচনা কৰি শেষত সিদ্ধান্ত হ'ল যে বিশজনীয়া দলটো শিৱসাগৰ আৰু কাজিৰঙালৈ বুলি প্ৰায় তিনিদিনীয়া বিভাগী ভ্ৰমণৰ তাৰিখ ক্ৰমে ২০, ২১, ২২ মাৰ্চ ধাৰ্য কৰা হ'ল।

এতিয়া আলোচনা হ'ল যদিও বহুতো কথা আলোচনা কৰিবলৈ ৰৈ গ'ল। সেইবিলাক আৰম্ভণি হ'ল লাহে লাহে। কেনেকৈ যাম, ক'ত থাকিম, খোৱাটো কেনেকৈ হ'ব? তাতকৈ ডাঙৰ কথাটো হ'ল প্ৰিন্সিপাল ছাৰক আকৌ কথাটো কেনেকৈ জনাওঁ হঠাৎ যে আমাৰ সিদ্ধান্ত সলনি হ'ল। বাৰু কথাযাৰটো জনাব লাগিবই। আমি ধীৰাজ, অংশুমান আৰু ৰণজিৎক লগত লৈ মই মুৰব্বী ছাৰৰ পৰা আৰু এখন forwarding application লগত লৈ প্ৰিন্সিপাল ছাৰৰ কাষত গ'লো। ছাৰক আমি আমাৰ সুবিধা-অসুবিধাবিলাক অৱগত কৰিলো। ছাৰে ক'লে টেক্‌নিকেল বিভাগৰ মানুহ বুৰঞ্জীমূলক ঠাইত গৈ কি কৰিবা? আমি ক'লো যে ছাৰ আমাৰ সুবিধা-অসুবিধাবিলাক আপোনাক জনাইছো। আমাৰো মন ছাৰ ফুৰিব যোৱা কলেজৰ পৰা। প্ৰিন্সিপাল ছাৰে শুনি হাঁহি হাঁহি ক'লে হ'ব যাবা বাৰু। তোমালোক কিন্তু ক'ত যাবা, কেনেকৈ যাবা মোক জনাবা, বাকী মই তোমালোকৰ মুৰব্বী ছাৰৰ লগত কথা পাতিম। আমি হ'ব বুলি কৈ ছাৰৰ ৰুমৰ পৰা ওলাই আহিলো। সেইদিনাখন তাৰ পিছত সকলো ঘৰঘৰি গ'লো।

তাৰ পিছদিনা ৰবিবাৰে সকলো ঘৰত থাকি সোমবাৰে আমি কেইজন কলেজ আহি বিভাগীয় ছাৰৰ লগত আলোচনা কৰিলো যে ছাৰ বাছেৰে যাওঁ নেকি? লগত এজনে ক'লে নাইট চুপাৰ বাছ ভাড়া কৰি যাওঁ নেকি? আকৌ লগত এজনে মাত দিলে নাই নাই, নাইট চুপাৰ বাছেৰে যাব নোৱাৰা। সেইজনে মাত দিলে কিয়? সি ভবাই নাই যে তিনিদিনৰ নাটই চুপাৰ বাছৰ ভাড়া কিমান লাগিব? ছাৰে হাঁহি হাঁহি ক'লে — চিৰিয়াছলি লোৱা বাবাহঁত, সময় নাই হাতত। মই ক'লো লগৰ কেইজনক ব'লা ব'লা আমি প্ৰিন্সিপাল ছাৰৰ ওচৰৰ পৰা বাছখনৰ কথা পাতি আহো। ছাৰে কিবা সহায় কৰে নেকি? কথা মতেই কাম। ছাৰৰ ওচৰত গৈ বাছখনৰ কথা পাতিলো। ছাৰে ক'লে— কলেজৰ ফালৰ পৰা তেনেকৈ সহায় কৰা নাযায়, হ'লেও মই এ.এছ.টিছি.ৰ বাছ এখনৰ কথা কৈ দিম, তেতিয়া তোমালোকৰ পইচা কমিব আৰু দৰ্খাস্ত এখন দিয়া তোমালোকে এ.এছ.টি.চি. অফিচত গৈ, মই কোৱা বুলি ক'বা। আমি হ'ব বুলি কৈ ছাৰৰ ৰুমৰ পৰা ওলাই আহিলো। সেইদিনাখনেই এ.এছ.টি.চি কাৰ্যালয়লৈ গ'লো দৰ্খাস্তখন লৈ। ছাৰে কোৱাৰ নিচিনাকৈ ক'লো অফিচাৰজনক। ছাৰে ক'লে— বাছ তেনেকৈ মঙলদৈৰ পৰা দিব পৰাকৈ নাই, হ'লেও তোমালোকে এইটো ফোন নম্বৰ লোৱা, মই কোৱা বুলি ক'বা, তেজপুৰৰ অফিচত Bharat Beng ৰ বাছ পাব লাগে, কথা পাতি ল'বা। আমি হ'ব বুলি কৈ তাৰ পৰা ওলাই আহিলো। ওলাই আহি ফোন কৰিলো। কিন্তু মানুহজনে ফোনটো ৰিচিভ নকৰিলে। পিছদিনৰখন আকৌ ফোন কৰিলো মানুহজনক মই, তেতিয়াও ৰিচিভ নকৰিলে। প্ৰায় তিনি ঘণ্টামান পিছত মানুহজনে নিজে ফোন কৰিলে। মানুহজনে বেছি সময় কথা নাপাতিলে যদিও মই কম সময়ৰ ভিতৰত কথাখিনি ক'লো। শেষত বাছখন তেজপুৰতো নাপালো।

বাছ নোপোৱাৰ খবৰ বল মই কলেজলৈ আহিলো। ছাৰ, মই আৰু লগত কেইজনে কলেজ কেন্টিনত গৈ কথাখিনি ভাবিলো কি কৰা যাব? এজনে ক'লে— বাদে দিও নেকি। মই ক'লো নহয় যাব লাগিব, ছাৰ কিবা এটা কৰক। ছাৰে ক'লে— কিবা কৰি যাবটো লাগিবই। ভাবাচোন তোমালোকে, ময়ো ভাবিম, মোৰ এতিয়া ক্লাছ আছে, মই যাওঁ বুলি কৈ ছাৰ ওলাই আহিল। মই লগৰ কেইজনক ক'লো মাজত মাত্ৰ চাৰি-পাঁচটা দিন, অলপমান ভাবিবিচোন বুলি কৈ কেন্টিনৰ পৰা ওলাই আহিলো। সিহঁতে ক'লে— আজি যাওঁ ভাত খোৱাৰ সময় হ'ল, ৰাতি গ'গল মিট দিম।

ৰাতি বাছ ৰখোৱা টান। তেনেকৈ কোৱাৰ ঠিক অধাঘণ্টামান পিছত নিশাৰ আহাৰ গ্ৰহণ কৰি সকলো লৰা ছোৱালী বাছত উঠিল আৰু আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল মাজুলী অভিমুখে। পিছত সময় হল ৰাতি ৩ টা। বাছখন গহপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত ৰখালে আৰু ড্ৰাইভাৰজনে কলে যদি কোনোবাই চাহ খোৱা খাই লোৱা, কাৰণ আমি ইয়াত বেছি সময় নৰখো। প্ৰায় সকলোৱে চাহ খাই ২০ মিনিট মান পিছত আমাৰ যাত্ৰা পুনৰ আৰম্ভ হল। কিন্তু ঠিক কিছুদূৰ যোৱাৰ পিছত লক্ষীমপুৰ জিলা সোমোৱাৰ আগে আগে ড্ৰাইভাৰজনে আমাক জনালে যে তেখেতৰ টোপনি ধৰিছে, সেয়েহে তেখেতে প্ৰায় এঘণ্টা সময় শুব আৰু সেই এঘণ্টাৰ বাবে আমাৰো বাছখন ৰখিলে আৰু আমি বছৰ ভিতৰতে জিৰণি ললোঁ। ঠিক ৰাতিপুৱা ৫ বজাৰ লগে লগে আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল আৰু অবিৰতভাৱে প্ৰায় ২ ঘণ্টা যাত্ৰাৰ অন্তত আমি দৰিয়াঘাট আমাৰ প্ৰথম গন্তব্য স্থল মাজুলীত ২০ মাৰ্চ তাৰিখে উপস্থিত হওঁ। তাৰপিছত আমি শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰলৈ যাও আৰু সত্ৰৰ অতিথি গৃহত দিনৰ প্ৰায় দিনৰ চ বজালৈ জিৰণি লওঁ। আমি তাৰপিছত মাজুলী মেইন টাউনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি পুনৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰলৈ ঘূৰি আহি সত্ৰ দৰ্শন কৰিলোঁ। শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰ হৈছে কমলাবাৰী আৰু গাৰামুৰৰ মাজুলীৰ মুখ্য নগৰ কেন্দ্ৰবোৰৰ মাজত মধ্যপথত অৱস্থিত। শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰ মাজুলী দ্বীপৰ সত্ৰ হিচাপে প্ৰসিদ্ধ যি সত্ৰীয়া নৃত্যৰ ঐতিহ্যকলা ৰচনা কৰে — ভাৰতৰ ৮ টা শাস্ত্ৰীয় নৃত্য প্ৰকাৰৰ ভিতৰত এটা আৰু সত্ৰলৈ অহা দৰ্শনাৰ্থীসকলে এই সাক্ষীসকলৰ আগতীয়া আৰ্হি আৰু নৃত্যৰ পৰিশোধৰ ওপৰত আধাৰিত কৰি সত্ৰীয়া নাটৰ মাটি আখোৰা আৰু গায়ন-বায়ন প্ৰকাৰৰ সাক্ষী হ'ব পাৰে। সত্ৰীয়া নৃত্য হৈছে এক নৃত্যৰূপ যাক অসম শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ সন্ত সংস্কাৰে তেওঁৰ শিষ্য আৰু অনুগামীসকলক বিভিন্ন হিন্দু মহাকাব্য আৰু পৌৰাণিক কাহিনীৰ বিষয়ে শিক্ষিত কৰিবলৈ প্ৰৱৰ্তন কৰিছিল আৰু তেওঁ অনুভৱ কৰিছিল যে যেতিয়া অনুগামীসকলে পৰম্পৰাগত মুখাত সজ্জিত শিল্পীসকলৰ সৈতে ভাওনা প্ৰদৰ্শন আৰু মহাকাব্যবোৰ বৰ্ণনা কৰাৰ নৃত্য প্ৰকাৰে নাচআৰু নাচনা নাচ ভাঙিব। ৰূপটো ভাওনাৰ এটা অংশ কৰা হৈছিল।

শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰত প্ৰায় এঘণ্টামান অতিবাহিত কৰি উঠাৰ পিছত আমি শ্ৰীশ্ৰী আউনিআটী সত্ৰলৈ গলো। তাত আমি সত্ৰৰ লগতে সত্ৰৰ সংগ্ৰাহলয় দৰ্শন কৰিলোঁ। শ্ৰীশ্ৰী আউনীআটী সত্ৰ অসমৰ প্ৰথম শ্ৰেণীৰ ৰাজসত্ৰ। আহোম ৰজা জয়ধ্বজ সিংহই মাজুলীত ইং ১৬৫৩ চনত এইখন সত্ৰ নিৰ্মাণ কৰায়। সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জনদেৱ। বৰ্তমানলৈকে মুঠ ১৬জন ব্যক্তিয়ে সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈছে। বৰ্তমানৰ সত্ৰাধিকাৰজন

হৈছে শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী। ১৬ শ শতিকাত আহোমৰ শাসনত ক্ৰমে হিন্দু ধৰ্মতকৈ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বাঢ়ি আহে। আহোম স্বৰ্গদেউ চুটাম্লাই ইং ১৬৫৩ চনত আউনীআটী সত্ৰ নিৰ্মাণ কৰোৱায়। সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰী নিৰঞ্জনদেৱৰ দ্বাৰা বৈষ্ণৱ ধৰ্মত দিক্ষিত হোৱাৰ পিছত তেওঁ জয়ধ্বজ সিংহ নাম লয়। মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰা তেওঁ আছিল প্ৰথম স্বৰ্গদেৱ। আউনী বীনৰ বাণ্ডিল এটা কাটি ৰখাৰ বাবে সত্ৰখনক আউনীআটী বুলি কোৱা হয়। সত্ৰৰ চোৰা-চিতা কৰিববলৈ ৰজাই ‘দেৱত্ৰ’ আৰু ‘ব্ৰহ্মত্ৰ’ নামেৰে দুটা ভাগত মুঠ ৮১,৬৫০ বিঘা মাটি প্ৰদান কৰিছিল। আহোম ৰজাৰ দৃষ্টিত অসমৰ সকলো সত্ৰৰ মাজৰ আউনীআটী সত্ৰৰ স্থান আছিল সৰ্বোচ্চ।

প্ৰায় এঘণ্টামান তাতে অতিবাহিত কৰাৰ পিছত চালকজনে আমাক সুধিলে আমাৰ পৰবৰ্তী গন্তব্যস্থলৰ বিষয়ে, তেতিয়া মই জনালোঁ দাদা চামগুৰি সত্ৰলৈ যাম আৰু তাৰপৰা আকৌ অহা বাটেৰে ঘূৰি কলিয়াবৰহৈ আমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অভিমুখে যাত্ৰা কৰিম। মোৰ কথা শুনি দাদাজনে ক’লে যে আমি দেখোন কলিয়াবৰৰ সলনি বগীবিল হৈ ডিব্ৰুগড় হৈ তেনেকৈ কাজিৰঙালৈ যাব পাৰো। খৰচ একেই প্ৰায়, তোমালোকৰো অকণমান চোৰা হ’ব ঠাইসমূহ। তেলৰ পইচাটো কিবা এটা মিলাই দিবা দিয়া। আমি সকলোৰে আলোচনা কৰি হব বুলি ক’লো। আমাৰ পৰিকল্পনা অনুসৰিয়েই আমি পৰৱৰ্তী সময়ত শ্ৰীশ্ৰী চামগুৰি সত্ৰ দৰ্শন কৰিলোঁ আৰু সেই সত্ৰত মাজুলীৰ প্ৰসিদ্ধ মুখা শিল্পৰ বিষয়ে কিছু কথা স্থানীয় লোকৰ পৰা অৱগত হওঁ যি আমাৰ মাজুলীৰ বিষয়ে ঐতিহাসিক জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। শ্ৰীশ্ৰী চামগুৰি সত্ৰ অসমৰ মাজুলী জিলাত অৱস্থিত এখন সত্ৰ। ১৫৮৫ শকৰ অৰ্থাৎ ১৬৬৩ চনৰ ফাগুন মাহৰ শুক্লা চতুৰ্দশী তিথিত আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ পৃষ্ঠপোষকতাত শ্ৰীমন্ত শঙ্কৰদেৱৰ নাতি শ্ৰীশ্ৰী চক্ৰপাণিয়ে এই সত্ৰখন স্থাপন কৰিছিল। এজোপা চাম গছৰ তলত স্থাপন কৰা বাবে এই সত্ৰখনৰ নাম চামগুৰি হয়। চামগুৰি সত্ৰ মুখা শিল্পৰ বাবে বিখ্যাত আৰু দেশ-বিদেশৰ পৰ্যটক এই শিল্প দৰ্শনৰ বাবে ইয়ালৈ আহে। চামগুৰি সত্ৰ অসমৰ মুখা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। ইয়াৰ মুখা শিল্পীৰ প্ৰতি আকৃষ্ট হৈ দেশ বিদেশৰ বহু পৰ্যটক আহে। নিয়মীয়া ধৰ্মীয় কাম-কাজৰ উপৰিও উল্লেখযোগ্য দিন যেনে মহাপুৰুষ দুজনাৰ তিথি, ৰাসোৎসৱ, জন্মাষ্টমী, ফাকুৱা আদিতো নানা ভক্তৰ সমাগম হয়। ইয়াত শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱতৰ এখিলা পাত, খৰম আৰু ঘটি আছে। দেশ বিদেশৰ যাদুঘৰত ইয়াৰ মুখা প্ৰদৰ্শিত হোৱাৰ লগতে নতুন দিল্লীত ভাৰতৰ গণতন্ত্ৰ দিৱসৰ পেৰেডটো প্ৰদৰ্শিত হৈছে। আছে আৰু বহুতো জানিবলগীয়া মাজুলীৰ বিষয়ে। আমি সময়ৰ অভাৱত আৰু বেলেগ সত্ৰত যাব নোৱাৰিলো। প্ৰায় ৭ মান বজাত মাজুলীৰ সত্ৰ দৰ্শন সমাপ্ত কৰি মাজুলী এৰি আমি বগীবিল দলং হৈ আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় ৰাতি ১০-৩০ মান বজাত আমি বগীবিল নাপাওঁতে এখন হোটেলত নৈশ আহাৰ গ্ৰহণ কৰিলো। তাৰপিছত পুনৰ যাত্ৰা কৰি ঠিক ৰচ মান বজাত নিশা হ’লেও বগীবিল দলং চোৱাৰ খুব লোভ সামৰিব নোৱাৰি দলংখন চাওঁ। দলঙতে আমাৰ ২১ তাৰিখৰ যাত্ৰা আৰম্ভ হ’ল। তেনেকৈয়ে মৰাণ হৈ আমি কাজিৰঙা অভিমুখে যাত্ৰা কৰোঁ। তেতিয়া মৰাণ পোৱাৰ সময়ছোৱাত আমাক চালক দাদাজনে পুনৰ সুধিলে, আহিছাই যিহেতু, শিৱসাগৰখনো একেলগে চাই যাবা নেকি? আমিও লোভ সামৰিব নোৱাৰি দাদাক কলো নিশ্চয় পাৰি, যিহেতু আমি শিৱসাগৰ পোৱালৈ ঢলপুৱায়ে থাকিব, গতিকে শিৱসাগৰখনো একেলগেই চাই যাব পাৰি। তেখেতে পুনৰ আমাক কিবা অকণমান চাহৰ পইচা মিলাই দিবলৈ অনুৰোধ কৰিলে। আমিও তেওঁৰ অনুৰোধ ৰক্ষা কৰি শিৱসাগৰখন ৰাতিপুৱাৰ নৈসৰ্গিক দৃশ্যসমূহ উপভোগ কৰিলোঁ। প্ৰধানতঃ আমি জয়দৌল, জয়সাগৰ, শিৱসাগৰ পুখুৰী, শিৱদৌল, ৰংঘৰ ইত্যাদি দৰ্শন কৰিলো।

শিৱসাগৰখন যদিও আমাৰ ভ্ৰমণ কাৰ্যসূচীৰ অন্তৰ্গত নাছিল তথাপিও আমি উপভোগ কৰিবলৈ পাই ভালেই পালোঁ। পৰৱৰ্তী সময়ত শিৱসাগৰৰ পৰা পুনৰ যাত্ৰা আৰম্ভ কৰি আমি যোৰহাটস্থিত স্বৰ্গদেউ চুকাফা সমন্বয় ক্ষেত্ৰও চোৱাৰ এবাৰ মন মেলিলো। কিন্তু ৰাতিপুৱা ঠিক ৭-৩০ বাজিছিল মাত্ৰ, আৰু তেতিয়া সেই ক্ষেত্ৰ পৰ্যটকৰ বাবে মুকলি হোৱাৰ সময় নাছিল। সেয়েহে আমি পোনে পোনে বোকাখাটত ৰ’লো আৰু ৰাতিপুৱাৰ চাহ খালোঁ।

বোকাখাটৰ পৰা আমি পোনে পোনে গৈ কাজিৰঙাত উপস্থিত হওঁ আৰু তাতেই কাজিৰঙা ৰিজৰ্টত আমি সকলোখিনি একেলগ হৈ জিৰণি ললোঁ। তাত আমি প্ৰায় দিনটো জিৰণি লৈ, দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি সন্ধিয়া কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ্য উদ্যানলৈ বুলি ওলাই গ’লো যদিও আমাক তাৰে স্থানীয় লোকে জনালে ৰাতি উদ্যানৰ প্ৰৱেশ মাচুল অলপ বেছি হয় আৰু ছাত্ৰ-ছাত্ৰী যিহেতু দিনৰ ভাগত প্ৰৱেশ মাচুল যথেষ্টখিনি কম হয়। তেতিয়া আমি লগৰ আটাইবোৰে সিদ্ধান্ত ল’লো পিছদিনা ৰাতিপুৱা ভাগত উদ্যানত যোৱাৰ। তাৰ পিছত ৰাতিৰ আহাৰ গ্ৰহণ কৰিলো আৰু সকলোৱে শুই গ’ল যিহেতু আমি অহাৰ দিনৰে পৰাই বেছিভাগ সময় বাছতে অতিবাহিত কৰিছো।

এতিয়া ৰাতিপুৱা শুই উঠিলো। তাৰিখ মাৰ্চৰ ২৩, আমাৰ যাত্ৰাৰ শেষৰটো দিন। দিনৰ ৯-৩০ মান বজাত ৰিজৰ্ট এৰি আমি কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ্য উদ্যানলৈ বুলি ওলালো। অৰ্কিড উদ্যানত সেই লোকসকলে কোৱা মতে আমাৰ প্ৰৱেশ মাচুলত ৫০% ৰেহাই দিলে। অৰ্কিড উদ্যানত প্ৰায় দিনটো সময় অতিবাহিত কৰি বিভিন্ন ন-ন তথ্যৰে সমৃদ্ধ হ'লো ।কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ্য উদ্যান কাজিৰঙাৰ কেন্দ্ৰীয় ৰেঞ্জ, কোহোৰা চাৰিআলিৰ পৰা ২ কিলোমিটাৰ দূৰত্বত অৱস্থিত। উদ্যানখন দুৰ্গাপুৰ গাওঁৰ প্ৰায় ৬ একৰ এলেকাত বিস্তৃত হৈ আছে আৰু ইয়াক ভাৰতৰ উত্তৰ-পূব বেল্টৰ সৰ্ববৃহৎ অৰ্কিড উদ্যান হিচাপে গণ্য কৰা হয়। উদ্যানখনে কাজিৰঙাৰ গৌৰৱ বহুগুণে বৃদ্ধি কৰিছে। অৰ্কিড উদ্যানখনত ৬০০ তকৈও অধিক প্ৰকাৰৰ বনৰীয়া অৰ্কিড, ১৩২ প্ৰজাতিৰ টেঙা ফল আৰু শাক-পাচলি, ৪৬ প্ৰজাতিৰ বাঁহ, ৰচপ্ৰজাতিৰ বেত আৰু আন বহুতো উদ্ভিদ থকাৰ লগতে বিভিন্ন প্ৰজাতিৰ স্থানীয় মাছ আছে। অৰ্কিড উদ্যানখন লগতে থকা অসমীয়া থলুৱা সংস্কৃতি সংগ্ৰাহলয়ো আমি দৰ্শন কৰিলোঁ লগতে অৰ্কিড উদ্যানত জনগোষ্ঠীয় নৃত্য ও চালো। প্ৰায় ৩ ঘন্টামান সময় অৰ্কিড উদ্যানত অতিবাহিত কৰাৰ পিছত আমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ বুলি যাত্ৰা আৰম্ভ আৰু দিনৰ ১-০০ বজাত ৰাষ্ট্ৰীয় উদ্যান পালোগৈ। সময় হৈছিল প্ৰায় ভাত খোৱাৰ। ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰত থকা কেইখনমান দোকানৰ পৰা সৰুকৈ কিবা কিবি সকলোৱে খালে। এতিয়া সুধিলো কোনে কোনে জীপ চাফাৰি কৰিবা ? ২০ জনৰ ঠাইত মোৰ লগত আৰু ৯ জনে জীপ চাফাৰি কৰিম ক'লে। বেছি দেৰি নকৰি জীপ দুখন ল'লো। আমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত সোমালো আৰু ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰাকৃতিক সৌন্দৰ্যৰ লগত বিখ্যাত 'এশিঙীয়া গঁড়', হাতি আৰু বহুতো চৰাই-চিৰিকটি দেখিলো। কিন্তু বাঘ দেখাৰ সৌভাগ্য নাছিল আমাৰ। উদ্যানৰ ভিতৰত আৰু কাষৰীয়া ঠাইত ঘাইকৈ বন্যপ্ৰাণী দৰ্শন আৰু পক্ষী দৰ্শন পৰ্যটকৰ বাবে আকৰ্ষণীয়। হাতী আৰু জীপ গাড়ীৰে অৰণ্য দৰ্শনলৈ লৈ যোৱা হয়। মানুহ আৰু জন্তুৰ সংঘাত নহ'বলৈ উদ্যানৰ ভিতৰত হাইকিং নিষিদ্ধ। বন্যপ্ৰাণী দৰ্শনৰ বাবে ছহলা, মিহিমুখ, কাঠপৰা, ফলিয়ামাৰী, আৰু হৰমতীত 'দৰ্শন স্তম্ভ' আছে। পৰ্যটকক উদ্যানৰ বিষয়ে অধিক জনাবলৈ বাগৰিত এটা 'বিশ্লেষণ কেন্দ্ৰ' অৱস্থিত।এপ্ৰিল মাহৰ মাজভাগৰপৰা অক্টোবৰৰ মাজভাগলৈ হোৱা তীব্ৰ বৰষুণৰ বাবে উদ্যান দৰ্শনাৰ্থীৰ বাবে বন্ধ ৰখা হয়। অসম চৰকাৰৰ বন আৰু পৰিবেশ বিভাগৰ দ্বাৰা পৰিচালিত পৰ্যটক আৱাস গৃহৰ চাৰিটা কঁহৰাত আৰু তিনিটা অৰণ্যৰ ভিতৰত অৱস্থিত। ব্যক্তিগত খণ্ডৰ কেবাটাও ৰিজৰ্ট উদ্যান পৰিসীমাৰ বাহিৰত আছে। পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে কাষৰীয়া অঞ্চলত পৰ্যটনৰ লগত জড়িত কাৰ্যৰ জৰিয়তে অৰ্থালাভৰ বাট মোকলাই দিছে। ইয়াৰ জৰিয়তে উদ্যান সংৰক্ষণৰ প্ৰয়োজনীয়তা কাষৰীয়া মানুহৰ মাজত অনুভূত হৈছে। বিশেষ দিঘলীয়া নকৰো আমনি পাইছে চাগে আপোনালোকে । প্ৰায় দিনৰ ৪ টা মান বজাত জীপ চাফাৰি শেষ হ'ল।

এই সমগ্ৰ যাত্ৰা পৰিকল্পনাৰ পৰা আৰম্ভ কৰি শেষ হোৱালৈ গোটেই পৰিক্ৰমা টো যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল যদিও এই যাত্ৰা সফল হোৱাত আমি আটায়ে বহুত সুখী। ন-ন তথ্যৰ ভঁৰাল এটা সামৰি শেষ কৰা এই যাত্ৰাৰ বাবে কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ লগতে সমূহ শিক্ষকক ধন্যবাদ জনাইছোঁ আৰু লগতে এই চেগতে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰকো আমি ধন্যবাদ জনাইছোঁ।

তাত আৰু বেছি দেৰি নকৰি আমি ঘৰ তথা মঙলদৈলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। নিশাৰ আহাৰ আমি জখলাবন্ধাত খালো আৰু উভতনি যাত্ৰাত বাছত সকলোৱে শুই পৰিল। ৰাতি ৯ মান বজাত আমি মঙ্গলদৈ মহাবিদ্যালয় সন্মুখ পালো। আমি আহি পাই HoD ছাৰক জনালো। অলপ সময়ৰ পিছত সকলোৱে নিজৰ নিজৰ অভিভাৱকৰ লগত ঘৰলৈ গ'ল। ছাৰ আৰু মই বাছৰ পাব লগীয়া ধন বাছৰ ড্ৰাইভাজনক দিলো আৰু ছাৰৰ ঘৰ মহাবিদ্যালয়ৰ ওচৰত যিহেতু ছাৰক তাতে এৰি বাছখনৰ লগেত মই মোৰ ঘৰলৈ আহিলো। এনেদৰেই আমাৰ তিনিদিনীয়া যাত্ৰাৰ অন্ত পৰে। ■■

# নাগপুৰলৈ যাত্ৰা

**ৰূপৰেখা দেৱী**
ৰাজনীতি বিজ্ঞান বিভাগ, তৃতীয় ষান্মাসিক

২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ মহাৰাষ্ট্ৰৰ এখন বিখ্যাত চহৰ নাগপুৰলৈ মোৰ জীৱনৰ এক অভিজ্ঞতাপূৰ্ণ যাত্ৰা। ২০২৩ চনৰ ২২ ফেব্ৰুৱাৰী ৰাতিপুৱাই কৃষ্ণচূড়াৰ দেশলৈ অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাত্ৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ 'AT-7' হোষ্টেল পালোগৈ। বা জনীয়ে মোৰ বেগটো লৈ আৰু মই বাজনীৰ পিছে পিছে তাইৰ কোঠালৈ গ'লো, এক বিশেষ অনুভৱ। তাইৰ কোঠাত অলপ সময় থাকি আমি বিশ্ববিদ্যালয়ৰ 'N.S.S.' অফিচলৈ গ'লো। ইয়াতে এটা কথা কওঁ যে, মই/আমি নাগপুৰলৈ কিয় যাম? গুৱাহাটী বিশ্ববিদ্যালয় আৰু আভ্যন্তৰীণ মহাবিদ্যালয়বোৰৰ N.S.S. অৰ্থাৎ 'ৰাষ্ট্ৰীয় সেৱা যোজনাৰ' অধীনত 'National Integration Camp' কৰিবলৈ অসমৰ পৰা দহজনীয়া গোট এটা নাগপুৰলৈ যাব। তাৰে ভিতৰত ময়ো এজনী।

আকৌ আগৰ কথালৈ আহিছো। গুৱাহাটী বিশ্ববিদ্যালয়ত সেইদিনা সকলো ল'ৰা-ছোৱালী (পাঁচগৰাকী-পাঁচগৰাকী) লগ হৈ সেই নিশাটো হোষ্টেলতে কটালো। সেই নিশাটোৰ কথা মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। এদিন ৰাতি হোষ্টেলত কটোৱা যি আমেজ মোৰ আগন্তুক স্নাতকোত্তৰ পঢ়াৰ হেঁপাহ দুগুণে বৃদ্ধি কৰিছিল।

২৩ তাৰিখে ৰাতিপুৱা ৬-৪৫ মানত উঠি গা ধুই, বা জনীয়ে বনোৱা খিচিৰি খাই সাজু হ'লো ট্ৰেইন ষ্টেচন যাবলৈ। বিশ্ববিদ্যালয়ৰ বাছেৰে আমি ষ্টেচনলৈ গ'লো। ট্ৰেইনত উঠিলো আমি সকলো, ট্ৰেইনৰ যাত্ৰাই সুকীয়া। কিন্তু এই দহজনীয়া দলটোত আমি সকলো অচিনাকি, এজনহে মাত্ৰ চিনাকি, সি (পল্লৱ কুমাৰ শৰ্মা) আৰু মই একেখন মহাবিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰী। বাকী সকলো আমি ২২ তাৰিখেহে চিনাকি হৈছো। লগত গৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰগ্ৰেম অফিচাৰ। চিনাকি এদিনৰ হ'লেও যেন তেওঁলোকক বহুত আপোন যেন লাগিছিল। ২৪ তাৰিখে ৰাতিপুৱা আমি কলিকতা পালোগৈ। কলিকতাত সেইদিনা অলপ ফুৰি ৰাতি ১০ বজাৰ ট্ৰেইনত উঠিলো নাগপুৰ অভিমুখে। পিছদিনা ৰাতি ৮ মান বজাত আমি নাগপুৰ পালোগৈ। মা-দেউতা লগত নোযোৱাকৈ এয়ে প্ৰথম ইমান দূৰ যাত্ৰা। মনত ভয়, সাহসলৈ নাগপুৰৰ ট্ৰেইনৰ পৰা MLA হোষ্টেল পালোগৈ।

২৬ তাৰিখ ৰাতিপুৱা উঠি RTM; Nagpur University লৈ গ'লো। তাত ভাৰতৰ আৰু দহখন ৰাজ্যৰ ল'ৰা-ছোৱালী আছিল। ২৬ তাৰিখৰ পৰা ৪ তাৰিখলৈ হোৱা এই কেম্পটোত বহুত কথা শিকিলো, অন্য ৰাজ্যবোৰৰ সংস্কৃতি, সাজ-সজ্জাবোৰৰ বিষয়ে জানিলো, কেনেকৈ মানুহৰ লগত মিলিব পাৰি, কেনেকৈ মানুহৰ লগত বিভিন্ন ভাষাত কথা ক'ব পাৰি, একতাযে পৰম শক্তি ইয়াৰ পৰাই শিকিলো।

আমি তাতে ৰাভা, বড়ো, মুকাভিনয়, আধুনিক নৃত্য, বিহু গীত, সত্ৰীয়া নৃত্য, বিহু নৃত্যৰ লগেত অসম সংগীত পৰিৱেশন কৰিলো। ভাৰতত বেলেগ বেলেগ ৰাজ্যৰ ল'ৰা-ছোৱালীবোৰৰ লগত সেই সাতদিনত যি বন্ধুত্বৰ সম্পৰ্ক হয় সেই অভিজ্ঞতাবোৰ সদাই মনত ৰৈ যাব।

খোৱাটোত অসুবিধা হোৱাৰ বাবে বহুতো ল'ৰা-ছোৱালী গা বেয়া হৈছিল। এনেকৈ সাতদিন পাৰ হ'ল। শেষৰ দিনা আমাক সকলোকে নাগপুৰ ফুৰালে। এখন মেট্ৰ' তেওঁলোকে আমাৰ কাৰণে লৈছিল সেইদিনা। এনেকৈ ফুৰি আহি ৰাতি কাপোৰ-কানি বেগত ভৰাই ৪ তাৰিখে ট্ৰেইনত উঠিলো। পিছদিনা গধূলি কলিকতা পাওঁ পাওঁ অৱস্থাতেই কলিকতাৰ পৰা অসম আহিবলগীয়া ট্ৰেইনখন গুচি আহিল। যাৰবাবে আমি পিছদিনালৈ ৰ'ব লগা হ'ল। কিন্তু আমি পিছদিনালৈ ৰৈ নাথাকি সেইদিনা ৰাতিয়েই তাৎক্ষণিক প্লেইনৰ টিকট কাটি আহিলো। ৫ তাৰিখে ৰাতি ১০-৩০ মানত আমি গুৱাহাটী বিমান বন্দৰ পালো। ■■

# In the Embrace of Rajasthan : A Journey Beyond Time

**AnubhabBharadwaj**
5th Semester, Zoology Department

It was a journey that promised to be more than just a trip—a deep dive into a world where history, legend, and landscape fused to create something beyond the ordinary. Rajasthan was calling, with its fabled past, royal palaces, vibrant cities, and untamed deserts. Little did I know that this trip would not just be an exploration of a place, but a journey into another time.

October 10, 2023: As my plane touched down in Jaipur, the air was thick with anticipation. The Pink City greeted me with its rose-hued buildings, a soft glow of history draped over every façade. My first stop was the Amber Fort, where centuries-old walls rose like golden giants from the hills, overlooking Maota Lake. I chose to ascend on foot, the ancient stones beneath me whispering stories of warriors and maharanis. The Sheesh Mahal awaited me at the top, a hall where tiny mirrors sparkled like the night sky. Here, light danced with shadows, creating an illusion of stars suspended in mid-air—each step felt like stepping into a dream.

October 11, 2023: The next day, I wandered through the intricate latticework of the Hawa Mahal. Its honeycomb structure wasn't just an architectural marvel, but a symbol of the veiled life of royal women, who once peeked through these windows at the bustling streets below. Jaipur's bazaars were a sensory overload—vivid fabrics, sparkling jewels, and the scent of spices hanging heavy in the air. But it wasn't just the sights and sounds that captured me; it was the pulse of life here, where the modern and the ancient lived in a delicate dance.

October 13, 2023: From Jaipur, I ventured deeper into Rajasthan, arriving in Jodhpur, the Blue City. The view from Mehrangarh Fort was like a scene from a painting—a sea of indigo houses spread across the arid landscape, stretching as far as the eye could see. But the fort itself was more than just a vantage point; it was a living monument to Rajasthan's fierce spirit. Massive, imposing, and intricately carved, it was a fortress that had stood strong against time, battles, and weather. As I wandered through its vast courtyards and museums, I could almost hear the echoes of royal processions and the clashing of swords.

October 14, 2023: The journey grew wilder as I traveled to Jaisalmer, a city that rose like a golden mirage in the heart of the Thar Desert. Jaisalmer Fort was unlike any other—it wasn't just a monument but a living city, with winding alleys, bustling markets, and ancient temples within its walls. I lost myself in its labyrinthine streets, where every corner seemed to reveal a piece of history preserved in amber sandstone. But the real magic of Jaisalmer began as I left the city behind and entered the desert. The golden dunes stretched endlessly, their curves shaped by the wind. As night fell, I found myself sitting by a campfire under a blanket of stars, the silence of

the desert broken only by the haunting melody of a folk song played on the sarangi. It was a moment of pure enchantment, where time seemed to stand still.

October 16, 2023: My journey ended in Udaipur, a city that felt like a breath of fresh air after the desert. Often called the Venice of the East, Udaipur was a serene escape, with its shimmering lakes and grand palaces. The City Palace, perched on the edge of Lake Pichola, was a sight to behold. Its marble walls reflected in the still waters, creating a vision of ethereal beauty. As I sailed across the lake at sunset, the sky ablaze with colors, I couldn't help but feel that I had stepped into a painting. Udaipur was a place where reality and fantasy blurred, where the past was never far from the present.

Rajasthan had been more than just a destination—it was a journey through layers of history, culture, and legend. As I boarded my flight back home, I realized that this was a place that had seeped into my soul. The memories of its forts, deserts, and palaces would stay with me, a constant reminder of a land where time stood still and where every stone had a story to tell. ■■

গল্প প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত

# এটা মেছেজৰ সন্ধানত

**বিভূতি শৰ্মা**
অসমীয়া বিভাগ, দ্বিতীয় ষান্মাসিক

তেতিয়া মই মঙলদৈ কলেজৰ পৰা অসমীয়া বিভাগত স্নাতক ডিগ্ৰী লৈ ঘৰতে আছো। ঘৰতে আছো মানে এনেয়ে থকা নাই। দেউতাৰ মূৰৰ পৰা সংসাৰ নামৰ বোজাটো লৈ জীৱন যাত্ৰা অব্যাহত ৰাখিছো। যি কাম পাওঁ কৰি যাওঁ। ড্ৰাইভিং লাইচেন্সখন বনাই লৈছো। গাড়ী চলাবওঁ পাৰো। মুঠতে চলি যাওঁ।

অবিনাশ, মোৰ কলেজীয়া বন্ধু। এইছ এছ পাছ কৰি এতিয়া গাড়ী চলায়। অৱস্থা মোতকৈ মোটামুটি ভালেই। যোৱাৰাতি সি মোক ফোন কৰিলে।

ঃ শৰ্মা, কি কৰি আছা?

ঃ 'এ আছো আৰু ভাই টুক্‌টুাক, জীৱনত জীয়াই থকাৰ সংগ্ৰাম কৰি।' অভিৰ অপছন্দৰ উত্তৰ।

ঃ হেল্প এটা কৰ না।

ঃ কি?

ঃ এ কালি ভাড়া এটা মাৰি দিব লাগে।

ঃ ক'ৰ পৰা ক'লৈ?

ঃ মানে তই ৰাতিপুৱা ৮ টাত ভেবাৰঘাট পালে মানুহ এজনে তোক ফোন কৰিব। তাৰ লাইনৰে মানুহ। তাৰ গাড়ী বেয়া। মোৰখন লাগে।

ঃ পাৰিম।

ঃ অ'কে ভাই, মই কালি ৰাতিপুৱা তোক ঘৰতে গাড়ী দি থৈ আহিব।

ঃ হ'ব।

ঃ থেংকচ্‌ ভাই, ৰাখিলো ...। অভিৰ উত্তৰ নিদি মই ফোন ৰাখিলো। ভাবিলো, যদি ভেবাৰঘাটতে যাম তেওঁ ঘৰলে আহিছে এবাৰ গেটৰ মুখৰ পৰাই লগ ধৰি আহিম। অকল সেয়ে নহয়। কামটো কৰি পইচা অলপো পাম। 'দেউতাৰ ঔষধ, ঘৰৰ বজাৰ, বাইদেউৰ খৰচ, গেছ চিলিণ্ডাৰ, কাৰেণ্ট বিল' আদিৰে সমৃদ্ধ মধ্যবিত্ত জীৱনৰ কীৰ্তিস্তম্ভ 'অভাৱ পুৰাণ'খনো দুদিন আধ্যা পৰিব। চিন্তাৰে ভেঁকুৰ উঠি থকা মনটোৱে অবিনাশৰ ফোনত যেন ৰ'দৰ জিলিঙনিহে পালে, অনুভৱ কৰিলো।

পিছদিনা যথা সময়ত ভেবাৰঘাটত উপস্থিত হ'লো। মানুহজনে আমাৰ কলেজ পাৰ হৈ আহিব দিলে। মোবাইল ডাটা অন কৰি থ'লো। লোকেশ্বন পঠিয়াব। ভাবিলো ২০০ মিটাৰ আঁতৰৰ দ্বিতীয় কলনিত থকা সপোনৰ মানুহগৰাকীক এবাৰ লগ ধৰি আহো। দোকানখন পাই তেওঁক ফোন কৰিব লওঁতেই মেছেজ আহিল, মানে লোকেশ্বন পঠিয়ালে, ২ নং ৱাৰ্ডৰ ৫ নং ঘৰটো। তেজপুৰ মেডিকেল কলেজত নমাই থৈ আহিব দিলে।

মই চুলিৰ আগত জীৱটোৱে নাচি থকা যেন অনুভৱ কৰিলো। আৰু একো বুজি পাবলৈ বাকী নাথাকিল। অথনি যাক গেটৰ সন্মুখত লগ ধৰিম বুলি ভাবিছিলো তেওঁৰেই ঘৰত আজি ভাড়া আৰু মই সেই গাড়ীৰ ড্ৰাইভাৰ, এক্সেলেটৰত খোজ নপৰা হ'ল। ছয় বছৰে সম্পৰ্ক কৰি থকা ছোৱালীজনীৰ ঘৰত মই আজি ড্ৰাইভাৰ। তেওঁ গম পালে মোৰ বেয়া নালাগিব কিন্তু মোৰ এই অৱস্থা দেখি তেওঁ বহুত বেছি কষ্ট পাব। গাড়ীখন ঘূৰাই গেটৰ সন্মুখত লগাই দি চেপা মাতেৰে হৰ্ণ দিলো। আমাৰ সপোনবোৰৰ কথা মনত পৰিল। পাঁচ মিনিট মানৰ পাছত দেউতাকৰ সৈতে তেওঁ ওলাই আহিল। কিছু খৰখেদাকৈ দেউতাকে ক'লে—'ব'লা দেৰি হৈছে।' গাড়ী লাহেকৈ এৰি দিলো। দেউতাকে মাজতে আকৌ ক'লে—'কি যে হ'ব! ইমান খৰখেদাকৈ প্ৰেক্টিকেলৰ পৰীক্ষা পাতে নেকি?' এয়া দেউতাকৰ অভিমান।

এটা কথা ভাবি ভাল লাগিল যে, দুয়ো মোৰ ফালে লক্ষ্য কৰা নাই। চাৰ্টটো দীঘল কৰি কামবাংখন ডিঙিয়ে-মুখে ভালকৈ মেৰিয়াই ল'লো। গাড়ী উৰাই দিছো। মাজে মাজে আইনাত তেওঁক খৰখেদাকৈ চাই লওঁ। ঢেকীয়াজুলি পাৰ হৈ আইনাত এবাৰ চাওঁতে চাৰি চকুৰ মিলন হ'ল। গাড়ীৰ স্পিড ১০০ ৰ পৰা ৫০ পালে। তেওঁৰ মূৰত যেন বজ্ৰপাত পৰিল। মোৰ এনে ভাৱ হ'ল ছবছৰ ধৰি দেখি থকা সপোনবোৰৰ মই যেন মুখাগ্নিহে কৰিছো। তেওঁৰ বুকুৰ বেদনা মই বৰ অসহ্যকৰ অনুভৱ কৰিলো। আত্মচেতনা বৃদ্ধি কৰি আকৌ গাড়ীত মন আত্মনিয়োগ কৰিলো। ১০০ স্পিডত গাড়ী চলিছে।

মই লক্ষ্য কৰিলো প্ৰায় ৫-১০ মিনিটৰ মূৰে মূৰে তেওঁ মোলৈ চায়। কিন্তু মোৰ সাহস হোৱা নাই। অনুভৱ কৰিলো... আমি সপোন দেখি থকা 'লংজাৰ্ণি' মোটামুটি সম্ভৱ হৈছে। নিজকে সতৰ্ক কৰি এবাৰ আইনাত পৰি থকা তেওঁৰ চকু যুৰিলৈ চালো, চকুৰ এটা কোণত এক বুজাব নোৱাৰা বিষাদৰ চাপ দেখা গ'ল। মেডিকেল কলেজৰ পাৰ্কিঙত গাড়ী লগাই দিলো। মন কৰিলো, তেওঁ গাড়ীৰ পৰা নামিব বিচৰা নাই। কিন্তু সময়ে তেওঁক ক্ৰমান্বয়ে বাধ্য কৰি আনিছে মোক এৰি যাবলৈ। এক অনাদি অসন্তুষ্টিৰে তেওঁ গাড়ীৰ পৰা নামি গ'ল। পৰিস্থিতিয়ে তেওঁক বাধ্য কৰালে ছবছৰে নিজতকৈয়ো বেছি ভাল পোৱা ড্ৰাইভাৰৰূপী মানুহজনক এবাৰ ঘূৰি চাবলৈ। আকৌ এবাৰ চকুত চকু পৰিল। নিজকে পুতৌ কৰিলো। কামবাংখনৰ তলেৰে গম নোপোৱাকৈ চকুপানী বৈ আহিল।

একেবাৰে অপ্ৰস্তুত হৈ পৰিলো। ঘটনাটো লগত নিজকে মিলাব পৰা নাই। দেউতাক আহি কেতিয়া গাড়ীত উঠিল গমেই নাপালো। গাড়ী নচলা দেখি অলপ জোৰকৈ 'ব'লা' বুলি কোৱাতহে মোৰ সংজ্ঞা আহিল। লাজ, ভয়, হতাশা আৰু কষ্টবোৰ লাহে লাহে এক্সেলেটৰত এৰি দিলো। এজাক কাল ধুমুহাই যেন মনটো বিধ্বস্ত কৰিলে, অনুভৱ কৰিলো।

দ্বিতীয় কলনিত দেউতাকক নমাই থৈ কলাইগাঁৱত অভিক গাড়ী দিলো। আঠশ টকা পালো। শাৰীৰিকভাৱে ক্লান্ত নহয় যদিও পৰিস্থিতিয়ে মনটোক বহু ক্লান্ত কৰিলে।

হয়, ক্ৰমান্বয়ে যান্ত্ৰিক হৈ অহা সময়বোৰে কেতিয়াবা বৰ কষ্ট দিয়ে। নিজৰ বিবেকক প্ৰশ্ন কৰিলো— 'মই আমাৰ সপোনবোৰক জানো বাস্তৱ ৰূপ দিব পাৰিম? মই তেওঁৰ যোগ্য হ'ব পাৰিম জানো? নে মই শেষত নিঃস্বাৰ্থ প্ৰেমৰ লগত খেল খেলা মহা স্বাৰ্থপৰ মানুহ এজন হ'ম? গাড়ীৰ ড্ৰাইভাৰ হিচাপে দেখা পাই তেওঁ বহুত কষ্ট পাইছে নেকি?'

চিগাৰেটৰ ধোঁৱাৰে পৰিৱৰ্তন কৰা উত্তৰবিহীন প্ৰশ্নবোৰে তেতিয়া এটা শব্দ শুনিবলৈ পায়— 'চব ঠিকেই যাব, ভাল হ'ব, বহুত বেছি ভাল হ'ব, এনেয়ো বহুত কষ্ট পোৱা মানুহৰ পিছলৈ বহুত বেছি ভাল হয়।' এয়া তেওঁৰ মাত। অকল সান্ত্বনা নহয়, এয়া সাহস, সহানুভূতি, নিঃস্বাৰ্থ মৰম। চকুপানীবোৰ বুকু ভেদি বাগৰি যাব ধৰিছিল। এনেতে মা সোমাই আহিল। ভয়, হতাশা, হুমুনিয়াহবোৰ হৃদয়ৰ কোনোবা এটা পাত্ৰত টানকৈ সাঁফৰ মাৰি থৈ লগে লগে মোৰ ২নং ৰূপটো ল'লো। এটি কৃত্ৰিম আৰু মিছা হাঁহিৰে মাৰ হাতত পাঁচশ টকা গুজি দিলো। মধ্যবিত্ত জীৱনৰ কীৰ্তিস্তম্ভ 'অভাৱ পুৰাণ'খন এতিয়া অভাৱ পূৰণৰ দুই-এটা নতুন শব্দ সংযোজিত হ'ব। মায়ে ভাত খাবলৈ মাতি গ'ল। গধূৰ হুমুনিয়াহ এটাৰে মোবাইল ডাটা অন কৰিলো। দেখিলো ৮-১৫ ত তেওঁ দিয়া মেছেজ — 'এই মই ইমাৰজেন্সী কলেজত আহিলো। গাড়ী ভাড়া কৰি আহিছো। প্ৰেক্টিকেলৰ পৰীক্ষা হ'ব। চিন্তা নকৰিবি, দেউতা লগত আছে। দিনটো ভালে ভালে থাকিবি।' বুকুখনে সংকুচিত ৰূপ ল'লে। ধাৰাষাৰে চকুপানী বৈ আহিল। জীৱন দাপোনত নিজৰে পুতৌ লগা প্ৰতিচ্ছবি দেখি এক সন্তুষ্টিৰ হাঁহিহে ওলাই আহিল। এটা মুহূৰ্ত অপেক্ষা কৰি ৰ'লো,

এক কম্পনৰ সন্ধানত,

এটা মেছেজৰ ■■

# সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ অৱদান

**বৰষা মণি দেৱী**
প্ৰাণীবিজ্ঞান বিভাগ, পঞ্চম যান্মাসিক

অসমী সন্তান সংগীতৰ যাদুকৰী
বিশ্বসভাত পদার্পিলা,
মানৱৰ মমতাৰ প্ৰকৃত সুৰেৰে
গীতৰস জগত চিনিলা।
অসমী কথাৰে অসমী ভাষাৰে
আমাৰে গীত গালা,
মানৱৰ মনলোক দুগুণ কৰি
জ্ঞানৰ তম্বু তৰিলা।

—সংগ্ৰাহিত

**আৰম্ভণি ঃ** দূৰদৰ্শনত প্ৰথম শ্ব' (Show) প্ৰদৰ্শন কৰা অসমৰ প্ৰথম ব্যক্তি, গণসংযোগত প্ৰথম ডক্টৰেট, আকাশবাণী গুৱাহাটীৰ কেন্দ্ৰযোগে সম্প্ৰচাৰ কৰা প্ৰথম অসমীয়া গীত 'অসমীয়া মাত'ৰ ৰচক, কোনো জীৱিত ব্যক্তিক সন্মান জনাই কোনো আলোচনীৰ বিশেষ সংখ্যা প্ৰকাশ কৰা প্ৰথম সম্পাদক, ফুটবল খেল উপভোগ কৰি সমন্বয়ৰ গীত ৰচোঁতা অসমীয়া তথা ভাৰতীয় প্ৰথম গীতিকাৰ, প্ৰথম অসমীয়া ব্যংগ চলচ্চিত্ৰ নিৰ্মাতা, প্ৰথম অসমীয়া অনুঃ আলোচনীৰ সম্পাদক, অৰুণাচল প্ৰদেশৰ প্ৰদেশৰ প্ৰথম হিন্দী চলচিত্ৰৰ সংগীত পৰিচালক, দাদাচাহেব ফাল্কে বঁটা বিজয়ী প্ৰথম অসমীয়া, জীৱনযোৰা সাধনাৰ বাবে প্ৰথম প্ৰাগ চিনে বঁটা বিজেতা, অসম চৰকাৰ প্ৰদত্ত প্ৰথম 'অসম ৰত্ন' ৰে সন্মানিত, প্ৰথম হাউলী বঁটা বিজেতা, নিউজ লাইভে প্ৰদান কৰা প্ৰথম জীৱনজোৰা সাধনা বঁটা, সংগীত নাটক অকাডেমীৰ প্ৰথম অসমীয়া অধ্যক্ষ, জীৱিত কালত অকাডেমী ৰত্নৰে সন্মানিত প্ৰথম অসমীয়া শিল্পী, বাংলাদেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'মুক্তিযোদ্ধা পদক' প্ৰাপ্ত অসমৰ প্ৰথম ব্যক্তি, মৰণোত্তৰভাৱে 'পদ্মবিভূষণ'ৰে বিভূষিত হোৱা অসমৰ প্ৰথম ব্যক্তি ড° ভূপেন হাজৰিকা।

**জন্ম/শিক্ষা ঃ** ড° ভূপেন হাজৰিকা (সম্পূৰ্ণ নাম ভূপেন্দ্ৰ কুমাৰ হাজৰিকা) ৰ ৮ ছেপ্তেম্বৰত শদিয়া (বৰ্তমান অৰুণাচল প্ৰদেশৰ অন্তৰ্গত) ত জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম শান্তিপ্ৰিয়া হাজৰিকা। তেওঁৰ পিতৃ-মাতৃৰ দহজন সন্তান আছিল আৰু তেওঁ আছিল প্ৰথম সন্তান। পিতৃ-মাতৃয়ে তেওঁক মৰমেৰে 'বৰমইনা' বুলিছিল।

ভূপেন হাজৰিকাই গুৱাহাটীৰ ভৰলুমুখৰ সোণাৰাম প্ৰাথমিক বিদ্যালয় আৰু ধুবুৰীৰ প্ৰাথমিক বিদ্যালয়ত পঢ়া-শুনা কৰে। ১৯৪০ চনত তেজপুৰৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা হাজৰিকাদেৱে কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা এম এ পৰীক্ষাত উত্তীৰ্ণ হয়।

গৱেষণাৰ কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়লৈ যায় ১৯৪৯ চনৰ ছেপ্তেম্বৰত। তাত গৱেষণা কৰি 'Proposal for preparing India's Basic Education to use Audio-Visual Techniques in Adult Education' শীৰ্ষক গৱেষণা পত্ৰ (Thesis) প্ৰস্তুত কৰি ১৯৫২ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। গৱেষণা পত্ৰখনক চমুকৈ 'Role of Mass Communication in India's Adults Education' বুলি কোৱা হয়। গণসংযোগত ডক্টৰেট ডিগ্ৰী লাভ কৰা ভূপেন হাজৰিকা হৈছে অসমৰ প্ৰথম গৱেষক তথা ডক্টৰেট ডিগ্ৰী লাভ কৰোঁতা।

**সাহিত্যিক দিশত অসমী আইলৈ অৱদান ঃ**

সাহিত্যৰ পুঞ্জিত সুকীয়া আমেজেৰে
পূৰলা অসমীৰ ধাৰ,
বহ্নিমান ব্ৰহ্মপুত্ৰ দিহিঙে-দিপাঙে
জিলিকাব লুইতৰে পাৰ।

— সংগ্ৰহিত

ভূপেন হাজৰিকাই মাত্ৰ পাঁচ বছৰ বয়সত ১৯৩০ চনৰ ৩০ অক্টোবৰত কটন মহাবিদ্যালয়ত অনুষ্ঠিত এখন সভাত গীত পৰিৱেশন কৰিছিল। গীতটি শুনি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ গালত এটি চুমা খাই আৰ্শীবাদ দিছিল— "বৰ ডাঙৰ শিল্পী হ'ব এওঁ।"

ভূপেন হাজৰিকাই মাত্ৰ এঘাৰ বছৰ বয়সত ১৯৩৭ চনত প্ৰথম গীত লিখি সুৰদি গাইছিল। তেওঁ ৰচিত প্ৰথম গীতটি হ'ল—

কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে
ধৰিছিল নামৰে তান
নামৰে সুৰতে আনন্দত নাচিছিল
পৱিত্ৰ বৰদোৱা থান।
মোৰ গুৰু ঐ পৱিত্ৰ বৰদোৱা থান......

গীতটি তেজপুৰ উচ্চ বিদ্যালয়ৰ আলোচনী 'প্ৰতিভা'ত প্ৰথম প্ৰকাশিত হয়।

১৯৬৫ চনৰ ১৬ নৱেম্বৰত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত অসম ফুটবল দল আৰু ৰাছিয়াৰ দলৰ মাজত হোৱা ফুটবল খেল উপভোগ কৰি তেওঁ এটি সমন্বয়ৰ গীত ৰচিছিল। গীতটি হ'ল —

অতিকৈ চেনেহৰ বহলকৈ পৃথিৱী
তাতোকৈ চেনেহৰ ভাই
তাতোকৈ চেনেহৰ ভগ্নাৰ বান্ধৈ
আনন্দৰে সীমা নাই.......

এখন ফুটবল মেচ চাই অনুপ্ৰাণিত গৈ গীত ৰচনা কৰা সম্ভৱত ঃ ড০ ভূপেন হাজৰিকা প্ৰথম ভাৰতীয় গীতিকাৰ।

প্ৰতিযশা সুৰৰ সাধক ড° ভূপেন হাজৰিকা শৈশৱৰে পৰা সংগীতৰ চৰ্চা অব্যাহত ৰাখি অসংখ্য গীত ৰচনা কৰাৰ লগতে সুৰ দি কণ্ঠদান কৰিছিল। গীত গোৱাৰ উপৰিও তেওঁ দক্ষতাৰে পৰিচালনা আৰু সংগীত পৰিচালনা কৰে। সেয়ে কোৱা হয়—

চলচ্চিত্ৰ জগতত সংগীত পৰিচালনাৰে
ভিন্ন ভাষাৰে জুৰিলা,
মুক্তিযোদ্ধা, অসমৰত্ন সন্মানেৰে
নিজকে পৰিচয় দিলা।

অসমীয়া চলচ্চিত্ৰৰ জনক জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মান কৰা দ্বিতীয়খন চলচ্চিত্ৰ 'ইন্দ্ৰমালতী' ১৯৩৯ ত ড° ভূপেন হাজৰিকাই শিশুশিল্পী ৰূপে প্ৰথম অভিনয় কৰে আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা 'বিশ্ববিজয়ী নৱজোৱান'... গীতটি গাইছিল।

ড° ভূপেন হাজৰিকাই বিভিন্ন ভাষাৰ ৭০ খন চলচ্চিত্ৰ সংগীত পৰিচালনা কৰিছিল। তাৰ ভিতৰত অসমীয়া চলচ্চিত্ৰ ৩৫ খন, বাংলা ১৫ খন, হিন্দী ১৬ খন, মালায়ালম ১ খন, ভোজপুৰী ১ খন (সত্‌মাইয়া কা মহিমা), কাৰ্বি ১ খন (ৰিং আং তং, ১৯৮৭) আৰু বড়ো ১ খন (জিউনি চিমাং, ১৯৮৯)। তেওঁ অৰুণাচল প্ৰদশেৰ প্ৰথম হিন্দী চলচ্চিত্ৰ 'মেৰা-ধৰম মেৰী মা' ৰ সংগীত পৰিচালনা কৰিছিল, ১৯৭৭ চনত।

ড° ভূপেন হাজৰিকাই সংগীত পৰিচালক হিচাপে কৰা প্ৰথম অসমীয়া চলচিত্ৰ 'চিৰাজ' (১৯৪৮), প্ৰথম বাংলা চলচ্চিত্ৰ 'অসমাপ্ত' (১৯৫৬), প্ৰথম হিন্দী চলচ্চিত্ৰ 'আৰোপ' (১৯৭৩) আৰু বাংলাদেশৰ প্ৰথম চলচ্চিত্ৰ 'সীমনা পেৰিয়ে' (১৯৭৬)।

ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা অসমীয়া চলচ্চিত্ৰবোৰ হ'ল—

'এৰাবাটৰ সুৰ' (১৯৫৬), 'মাহুত বন্ধুৰে' (১৯৫৮), 'শকুন্তলা' (১৯৬১), 'প্ৰতিধ্বনি' (১৯৬৪), 'লটিঘটি' (১৯৬৬), 'চিক্‌মিক্ বিজুলি' (১৯৬৯) ইত্যাদি।

কণ্ঠশিল্পী হিচাপে হাজৰিকাদেৱৰ প্ৰথম চলচ্চিত্ৰ 'ইন্দ্ৰমালতী' (১৯৩৯), গীতিকাৰ হিচাপে প্ৰথম চলচ্চিত্ৰ 'চিৰাজ'(১৯৪৮), স্বাধীনভাৱে সংগীত ৰচনা কৰা প্ৰথম ছবি 'সতী বেউলা' (১৯৫৪ চনৰ ৮ জানুৱাৰীত মুক্তি) বাণীবদ্ধ কৰা প্ৰথম গীত 'সুৰৰে দেউলৰে ৰূপৰে শিকলি....' (ৰচনা-সুৰ ঃ বিষ্ণুৰাভা)।

ড° ভূপেন হাজৰিকা বিভিন্ন ক্ষেত্ৰত প্ৰথম আছিল— প্ৰথম অসমীয়া আংশিক ৰঙীণ কথাছবি 'শকুন্তলা' (১৯৬৯) ৰ পৰিচালক, প্ৰথম অসমীয়া ব্যংগ কথাছবি 'লটিঘটি' (১৯৬৯) ৰ নিৰ্মাতা, মুম্বাইৰ লোকেচনত চিত্ৰগ্ৰহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰথম অসমীয়া কথাছবি 'চিক্‌মিক্ বিজুলী' (১৯৬৯) ৰ পৰিচালক।

ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা তথ্যচিত্ৰবোৰ হ'ল— From home the sun shines (১৯৭৪), এমুঠি চাউলৰ কাহিনী (১৯৭৪), ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু জয়মতী (১৯৭৬), Through M ebdy and Rhythm (১৯৭৭), A long the River Brahmaputra (১৯৮১), Satras and Nam ghar of Assam, Glimpser of the Misty East (১৯৯৬), The Brahma Patra : An Endless Journey (২০০৬)।

তেওঁ কেইবাখনো আলোচনী সম্পাদনা কৰিছে। সেইবোৰ হ'ল— আমেৰিকা প্ৰবাসী ভাৰতীয় ছাত্ৰ সংস্থাৰ মুখপত্ৰ New India ১৯৪৯-১৯৫০, গতি (১৯৫৭), বিন্দু (১৯৭০), আমাৰ প্ৰতিনিধি (১৯৬৫-১৯৮০) আৰু

প্ৰতিধ্বনি (১৯৮৩-১৯৯০)। 'গতি' হৈছে প্ৰথম অসমীয়া অনু আলোচনী।

ড° ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী 'মই এটি যাযাবৰ' (মুঠ পৃষ্ঠা ২৮০) ১৯৯২ চনত প্ৰকাশিত হয়। ২০১৩ চনত ৬৬৮ পৃষ্ঠাৰ 'মই এটি যাযাবৰ' প্ৰকাশিত হয়।

ড° ভূপেন হাজৰিকাৰ ৰচিত গ্ৰন্থসমূহ হ'ল— বহ্নিনাম ব্ৰহ্মপুত্ৰ, আগলি বাঁহৰে লাহৰি গগনা, জ্যোতি ককাইদেউ, বিষ্ণু ককাইদেউ, ব'হাগ মাথোঁ এটি ঋতু নহয়, কৃষ্টিৰ পথাৰে পথাৰে, দিহিঙে দিপাঙে (ভ্ৰমণ কাহিনী), বহ্নিমান লুইতৰ পাৰে পাৰে, নন্দন তত্ত্বৰ কৰ্মীসকল, চিত্ৰনাট্য, সুন্দৰৰ পূজাৰী, দেশ-বিদেশৰ সাময়িক প্ৰসংগ সাহিত্যৰ নানা কথা, সুন্দৰৰ সৰু-বৰ আলিয়েদি, সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ ফটোগ্ৰাফ সংকলন, ড° ভূপেন মামাৰ গীতে মাতে অ-আ ক-খ (শিশুগ্ৰন্থ), সময়ৰ পক্ষী ঘোঁৰাত উঠি ইত্যাদি।

'সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ ফটোগ্ৰাফ সংকলন' হৈছে এজন ব্যক্তিৰ জীৱনৰ প্ৰায় সকলো কালৰ আলোকচিত্ৰ সন্নিলিত অসমীয়া ভাষাৰ প্ৰথম এলবাম।

ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰথম কিতাপ 'জিলিকাব লুইতৰে পাৰ' ১৯৫৫ চনৰ ফেব্ৰুৱাৰীত প্ৰকাশিত হয়। কিতাপখনৰ প্ৰকাশক ভাৰতীয় গণনাট্য সংঘ।

ভাৰতীয় সংগীত জগতৰ মহীৰূহ ডক্টৰ ভূপেন হাজৰিকাই যাৰ গানে আমাক শিকাইছিল মানৱ প্ৰেম, সম্পীতিৰ বাৰ্তাৰ কথা। এই মহানশিল্পী গৰাকী যে সংগীতৰ ক্ষেত্ৰখনতে সীমাবদ্ধ আছিল তেনে নহয়, তেখেত আছিল একেধাৰে অভিনেতা, ৰাজনীতিবিদ, সাংবাদিক, চিনেমা পৰিচালক, কবি, চিত্ৰকৰৰ উপৰিও বহুকেইখন অসমীয়া, বঙালী, বড়ো, হিন্দী কথাছবিৰ সংগীত পৰিচালক। এই কথা নক'লেও হ'ব যে এই মহান শিল্পীজনে অসমী আইৰ সাহিত্যক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ কথা। তেওঁ ৰচনা কৰা গীত, সুৰ, লিখনি আৰু মৰ্মস্পৰ্শী কণ্ঠস্বৰে অসমীয়া জাতীয় জীৱন এনেভাৱে চহকী কৰিলে, সেয়া হয়তো তেখেতৰ মৃত্যুৰ পাছত আজিও অনুভৱ কৰে তেওঁৰ অনুৰাগী সকলে।

**ড° ভূপেন হাজৰিকাদেৱে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে লাভ কৰা বঁটা আৰু সন্মান আৰু পুৰস্কাৰ সমূহ ঃ**

- ১৯৭৭ চনত ভাৰত চৰকাৰ পদত্ত পদ্মশ্ৰী,
- ১৯৮৭ চনত অসমৰ 'Man of the year' সন্মান, নতুন দিল্লীত 'National Citizen Awards (India)'
- ১৯৮৭ চনত অসম চৰকাৰৰ সৰ্বোচ্চ বঁটা 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' (১৯৮৮ চনৰ ১ ফেব্ৰুৱাৰীত গ্ৰহণ)
- ১৯৮৮ চনৰ 'ভাৰতীয় সংগীত অকাডেমী বঁটা'
- ১৯৮৯ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'Assam Society of America' ৰ পৰা সম্বৰ্ধনা।
- ১৯৯৩ চনৰ ১৫ ফেব্ৰুৱাৰীত বেনাৰস হিন্দু বিশ্ববিদ্যালয় ছাত্ৰমঞ্চৰ পৰা 'পণ্ডিত মদন মোহন মালব্য বঁটা গ্ৰহণ'
- ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ বঁটা 'দাদা চাহেব ফাল্কে বঁটা'।
- ১৯৯২ (গ্ৰহণ ১৯৯৯ চনৰ ৫ মে'ত) লাভ কৰে। এই বঁটা লাভ কৰা তেওঁ অসমৰ একমাত্ৰ ব্যক্তি।
- ১৯৯৩ চনত ভাৰতৰ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে 'বলৰাজ সাহানী' বঁটা লাভ
- ১৯৯৭ চনত ভাৰত চৰকাৰ প্ৰদত্ত 'Golden Citizen-India' 1947-1997 Award লাভ
- ২০০০ চনৰ ১৮ ফেব্ৰুৱাৰীত মধ্যপ্ৰদেশ চৰকাৰে প্ৰদান কৰা 'ৰাষ্ট্ৰীয় লতা মংগেশকাৰ বঁটা' লাভ
- ২০০১ চনত ভাৰত চৰকাৰ প্ৰদত্ত 'পদ্মভূষণ' সন্মানেৰে সন্মানিত
- ২০০৪ চনত 'প্ৰসাৰ ভাৰতী'ৰ পৰা 'National Artist Award' লাভ
- ২০০৭ চনৰ ২২ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰদান কৰা ডি নিট লাভ, লগতে তেওঁ ২০০০ আৰু ২০০২ চনত ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ে সন্মনীয়া ডি লিট সন্মান কৰে।
- ২০০৭ চনত All India Minority and Weaker Section Council ৰ পৰা Mother Teresa International & Milenium Award লাভ।
- ২০১২ চনত মৰণোত্তৰভাৱে পদ্মবিভূষণ আৰু
- ২০১৯ চনত মৰণোত্তৰভাৱে 'ভাৰতৰত্ন'ৰে বিভূষিত।

**ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ আগবঢ়োৱা অৱদানবোৰ ঃ**

দুৰ্বাৰ সাহৰ মূত প্ৰতীক তুমি
মানৱ প্ৰেৰণাৰ উৎস,
বিশ্ব কাননত পুলি জ্যোতিৰূপে
তুমি সংগীত সূৰ্য।

ড° ভূপেন হাজৰিকা সম্ভ্ৰান্ত ঘৰত জন্ম হোৱা বাবে তেখেতে সৰুৰে পৰা বহুতো মহান ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিল। তেখেতে প্ৰথমৰে পৰা জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে মহান শিল্পীৰ সান্নিধ্য লাভ কৰিছিল। এই সকলব্যক্তিয়ে তেওঁক অনুপ্ৰেৰণা যোগাইছিল আৰু অসমৰ বিভিন্ন পৰিস্থিতি তথা সেই সময়ছোৱাৰ সমাজ জীৱনৰ লগত তেওঁক পৰিচিত কৰাই

দিছিল। দেশ আৰু জাতিৰ প্ৰতি থকা গভীৰ ভালপোৱা তথা আপোন ভাবটোৰ বাবে তেওঁ যিবোৰ গীত ৰচনা কৰিছিল, সেই গীতবোৰত দেশপ্ৰেমৰ ভাৱ স্পষ্টকৈ ফুটি উঠিছিল। তেওঁ জীৱনত বাণীবদ্ধ কৰা প্ৰথম গীতটি আছিল— 'সুৰৰে দেউলৰে।' এই গীতটি ৰচনা আৰু সুৰ দিছিল বিষ্ণুপ্ৰসাদ ৰাভাই।

ড° ভূপেন হাজৰিকাৰ গীতসমূহত দেশপ্ৰেম, জাতীয়প্ৰেম স্পষ্ট ৰূপত প্ৰকাশ পাইছিল। তেখেতে সদায় কেঁচা মাটিৰ গোন্ধ থকা গীতক আগস্থান দিছিল। তেওঁ জন্মভূমি অসমক মাতৃজ্ঞান কৰিছিল। ৰূপহী বিনন্দীয়া অসমী আইৰ প্ৰতি তেওঁৰ গভীৰ চেনেহ তেওঁৰ গীতসমূহত ফুটি উঠিছিল, ইয়াৰ উপৰিও বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিবাদ কৰি বহুতো গীতৰ বাণী আছিল ভাতৃত্ববোধ, একতাৰ। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুৰ পাছত পাহাৰ-ভৈয়াম সম্পীতিৰ বাবে কেইবাটাও গীত গাইছিল। তেনে এটা গীত ১৯৬৯ চনত ৰচনা কৰিছিল। গীতটি আছিল ঃ- 'অসম আমাৰ ৰূপহী'—

"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ"
ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ.....
চিৰবিনন্দীয়া তোমাৰ সেউজ পৰিৱেশ
ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ....।"

গীতটিৰ জৰিয়তে উত্তৰ-পূৰ্বক এটা বেলেগ ৰূপত পৰিচয় কৰাই দিছিল।

১৯৬২ চনত চীন- ভাৰতৰ যুদ্ধ হৈছিল সেই যুদ্ধত চীনে চতুৰভাৱে ভাৰতৰ ভিতৰত বিভিন্ন অঞ্চল আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। চীনৰ সেই আক্ৰমণত চীনা সৈন্য কামেং সীমান্তৰ ব'মডিলা লৈকে সোমাই আহিল। এফালৰ পৰা ধ্বংস কৰি অহা ৰণ-বলিয়া চীনা দস্যুহঁতৰ পৰা উত্তৰ-পূৰ ভাৰতক ৰক্ষা কৰাৰ আশা নেদেখি তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে বিদায়-বাণী শুনাইছিল। সেই সময়ত ভাৰতত বিশৃংখলতাই দেখা দিছিল। যেনি তেনি মানুহবোৰ পলাইছিল। তেখেতে সেই ছবিখন দেখি দুখত ম্ৰিয়মান হৈ এটা গীত লিখিছিল। সেই গীতটো আছিল— "বুকু হম হম কৰে।"

"বুকু হম হম কৰে মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই
পুত্ৰ হৈ মই কিমতে তঁৰো ?
আই, তোৰে হৈ মই মৰোঁ।"

এই গীতসমূহ এতিয়াও মানুহৰ সিৰে সিৰে প্ৰবাহমান। দেশ, মাটিৰ গোন্ধ থকা গান মানুহে এতিয়াও আঁকোৱালি লয়। তাহানিতে ডক্টৰ ভূপেন হাজৰিকাদেৱে লিখিছিল—

"মোৰ গান হওক
বহু আস্থাহীনতাৰ বিপৰীত
এক গভীৰ আস্থাৰ গান।"

সঁচাকে তেখেতে গানৰ জৰিয়তে কৈ যোৱা প্ৰতিটো কথাই সত্য প্ৰতিফলিত হৈছে।

তেখেতে সৃষ্টি কৰা 'কত জোৱানৰ মৃত্যু হ'ল', 'বুকু হম হম কৰে', 'আহ আহ ওলাই আহ', 'আগ বাঢ়া বাঢ়াই আগ', 'আমি অসমীয়া নহওঁ দুখীয়া', 'অগ্নিৰ যুগৰ ফিৰিঙতি', ইত্যাদি গানত স্বদেশৰ প্ৰতি থকা গভীৰ ভালপোৱা প্ৰকাশ পাইছিল।

যেতিয়া তেওঁ তেৰ বছৰীয়া আছিল, তেতিয়া দ্বিতীয় মহাসমৰৰ হত্যালীলাই ছানি ধৰিছিল সমগ্ৰ বিশ্ব আৰু আনফালে গান্ধীজীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা সংগ্ৰাম চলি আছিল প্ৰবল গতিত। মৰা-কটা, নানা সংঘাতে বিয়পি পৰিছিল ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত। সেই সময়ত ডক্টৰ ভূপেন হাজৰিকাই জাতি-ধৰ্ম-ভাষাৰ বিভেদক পাহৰি ভাতৃত্ববোধ জগাই তুলিবলৈ এটা গীত ৰচনা কৰিছিল। সেই গীতটো আছিল—

"অগ্নিৰ ফিৰিঙতি।"
"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।...."।

বিভিন্ন সময়ত ৰাজনীতিত জড়িত হ'লেও প্ৰচলিত ৰাজনীতিৰ প্ৰতি ডক্টৰ ভূপেন হাজৰিকাৰ আছিল চৰম ঘৃণা। তেওঁ ৰাজনীতিৰ আঁৰত থকা জাতপাতৰ বিষয়টোক চৰম ঘৃণা কৰিছিল। ৰাজ্যৰ ৰচনা কৰিছিল অৰ্থাৎ অসমৰ গ্ৰাম্য ছবিবিলাক, অসমৰ সমস্যাবিলাক, অসমৰ স্মৃতিবিলাক তেওঁৰ মানসপত ভুমুকি মৰাৰ দৰে তেওঁৰ গীততো সঘনাই ভুমুকি মাৰিছিল। সেয়ে হয়তো তেখেতৰ গীতেই আছিল অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ একমাত্ৰ সেতু।

তেখেতে সৃষ্টি কৰা 'কত জোৱানৰ মৃত্যু হ'ল', 'বুকু হম হম কৰে', 'আহ আহ ওলাই আহ', 'আহ', 'আগ বাঢ়া বাঢ়াই আগ', 'আমি অসমীয়া নহওঁ দুখীয়া', 'অগ্নি যুগৰ ফিৰিঙতি' ইত্যাদি গানত স্বদেশৰ প্ৰতি থকা গভীৰ ভালপোৱা প্ৰকাশ পাইছিল।

১৯৬০ চনত অসমৰ বহুকেইজন মহান ব্যক্তিৰ তত্ত্বাৱধানত অসমত ভাষা আন্দোলন আৰম্ভ হ'ল। ভাষা আন্দোলনৰো এটা সুকীয়া ইতিহাস আছে। ভূপেন

হাজৰিকাই হেমাঙ্গ বিশ্বাসক লগত লৈ 'Let us meet' বুলি অনুষ্ঠানৰ যোগেদি সমগ্ৰ অসমখনত ঘূৰি, অসমীয়া-বঙালীৰ মাজত সম্প্ৰীতিৰ হকে গান গাইছিল। মানুহৰ ভুলৰ বাবেই হোৱা ভুল বুজা- বুজি আৰু হত্যা-হিংসাৰ বিভীষিকা আঁতৰ কৰিবৰ বাবে বহুতো গানৰ সৃষ্টি কৰিছিল। তাৰে ভিভবত অন্যতম বিখ্যাত গীত আছিল—

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাৱে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া?"

এক কথাত ক'বলে গ'লে ডক্টৰ ভূপেন হাজৰিকাই অসম আৰু অসমীয়াৰ বাবে সংগীতৰ জৰিয়তে সম্প্ৰীতিৰ বাণী বিয়পাইছিল। ৰাজনীতিত এবাৰ বিধায়ক নিৰ্বাচিত হোৱা, দুবাৰ লোকসভাৰ নিৰ্বাচনত পৰাজিত হোৱা, ভাৰতীয় জনতা দলত যোগদান কৰি ৰাইজৰ দ্বাৰা প্ৰত্যাখ্যান হোৱা আদি অভিজ্ঞতাক সাৰথি কৰি ডক্টৰ হাজৰিকাই তেওঁৰ আত্মজীৱনী 'মই এটি যাযাবৰ'ত ৰাজনীতিৰ জাত-পাত সম্পৰ্কে বহু কথাই লিখি থৈ গৈছে।

**ভাৰতীয় জন নাট্য সংস্থা (আই পি চি এ) আৰু ভূপেন হাজৰিকা ঃ**

ভূপেন হাজৰিকাই আই পি টি এ আৰু আই পি টি এ আন্দোলনৰ সৈতে ঘনিষ্ঠভাৱে সংযোগ স্থাপন কৰিছিল। ইয়াৰ জৰিয়তে তেওঁ দুয়োটাতে অপৰিসীম অৱদান আগবঢ়াইছিল প্ৰত্যক্ষ আৰু পৰোক্ষ্যভাৱে সমাজলৈ। ১৯৪৩ চনত বম্বেত আই পি চি এ ৰ জন্মৰ লগে লগে এক নতুন চিন্তাই শিপাবলৈ ধৰে অসমৰ শিল্পী আৰু সাহিত্যৰ মন। স্নাতকোত্তৰ শিক্ষা সম্পূৰ্ণ কৰাৰে পিছত তেখেতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অতি সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। সমসাময়িক অসমীয়া সমাজখনক সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সজীৱ কৰি তোলাত আই পি টি আন্দোলনে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৫০ চনত দুজন অসাধাৰণ ব্যক্তিত্বই আই পি টিত আন্দোলনৰ মাজত সোমাই পৰিছিল; হেসাংগ বিশ্বাস আৰু ডক্টৰ ভূপেন হাজৰিকাৰ ক্ৰমে সাংগাঠনিক বুদ্ধিমত্তা আৰু আকৰ্ষণিক ব্যক্তিত্বই বহু ব্যক্তিক আন্দোলনৰ প্ৰতি আকৰ্ষিত কৰিছিল। কিন্তু মানৱতাবাদ আৰু সুস্থ জাতীয়তাবাদৰ ধাৰণা আৰু শিল্পী ব্যক্তিত্বই সকলোকে ইয়াৰ অতি আকৰ্ষণ কৰিলে। এইদৰে ভূপেন হাজৰিকাই আই পি টি এ আৰু জননাট আন্দোলনলৈ নিজৰ সুকীয়া আৰু স্বকীয় অৱদান আগবঢ়ায় আৰু এই প্ৰক্ৰিয়াত সাধাৰণভাৱে সমাজলৈ অতুলনীয় অবদান আগবঢ়ায়।

ওপৰত আলোচনা কৰা জাতীয় তথা দেশপ্ৰেমৰ উপৰিও মানৰ প্ৰেম, নিজৰ মনৰ কথাক লৈ গীত, শিশুসকলক লৈ গীত, সম-সাময়িক প্ৰসঙ্গৰ ওপৰত পৰ্যায়ক্ৰমে গীত গাইছিল। ডক্টৰ ভূপেন হাজৰিকা মানৱতাবাদী ব্যক্তি আছিল। খাটী খোৱা দুখীয়া, দাৰিদ্ৰ ছবিখনৰ ওপৰতো তেখেতে গুৰুত্ব দি বহুতো গীত ৰচনা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে, ইজনে যদি সিজনক সহায় নকৰে বা ইজনে সিজনৰ বাবে নহ'লে সমাজ জীৱন কেতিয়াও আগবাঢ়িব নোৱাৰে। এই চিন্তাৰ বাবে হয়তু আজি তেখেতৰ অভাৱ অনুভৱ কৰোঁ।

**মৃত্যু ঃ**

তোমাৰ মৃত্যুত শত-শহস্ৰই লোকে
ম্ৰিয়মাণ হৈ পৰে,
মহাজীৱনৰ মহাপ্ৰয়াণ হ'লেও তোমাক
উত্তৰ পুৰুষে সদায় মনত ৰাখে।

২০১১ চনৰ ৫ নৱেম্বৰ দিনটো সকলোৰে বাবে চৰম দুৰ্ভাগ্য- এক স্বগৰ্ভা অধ্যায়ৰ সামৰণি পৰিল। বিশ্ববন্দিত শিল্পীজনে সকলোকে কন্দুৱাই এই পৃথিৱীৰ মায়া এৰি গুছি গ'ল অজান দেশলৈ। এই মহীয়ান শিল্পীগৰাকীয়ে নিজৰ জাতিটোক প্ৰেম, আস্থা, বিশ্বাস, সৰলতা আৰু সুখৰ সামগ্ৰিকভাৱে জীৱনবোধৰ সাৱলীল পাঠ দি আমাক মৃত্যুৰেও বহু নতুন কথা শিকাই গ'ল আৰু ওৰেটি জীৱন যাযাবৰ, ঠিকনাবিহীন, উৰণীয়া মৌ হৈও এটুকুৰা নিৰ্দিষ্ট স্থানত শেষ জিৰণ লৈ আমাক স্থায়ী ঠিকনা এটিও দি গ'ল।

**সামৰণি ঃ** পৃথিৱীৰ বহুতো গায়কৰ জন্ম হৈছে কিন্তু নিজেই এটি অনুষ্ঠানলৈ ৰূপান্তৰিত হোৱা গায়কৰ সংখ্যা বৰ তাকৰ। অনুষ্ঠানৰ কথা ওলালেই মনত পৰে পল ৰবচনৰ কথা — যি নিজেই এটি অনুষ্ঠান। ৰবচনৰ কথা ক'লেই মনলৈ আহে এযাৰ উক্তি Here I stand. এই সুৰতে সুৰ মিলাই ৰবচনৰ কথাৰেই ক'ব পাৰি—

A long way from home
But I keep langhting
Instead of crying
I must keep fighting
Until I am dying.

এই কবিতা ফাঁকি ড° ভূপেন হাজৰিকাৰ ক্ষেত্ৰত প্ৰযোজ্য। তেখেত নিজেই এক অনুষ্ঠান-যি নিজৰ বাবে একো নেৰাখি সকলোখিনি জনগনকে বিলাই দিলে আৰু শান্তি সম্প্ৰীতি তথা ঐক্যৰ বান্ধোনেৰে সকলোকে বান্ধি থৈ গ'ল আৰু এখন মানৱ প্ৰেমৰ মহাসমুদ্ৰ ৰচি গ'ল। ■■

# Contribution of Sudhakantha Dr. Bhupen Hazarika towards Assam in the field of literature and politics.

**Suyeata Mazumdar**
Political Science

**Intoduction :**

Dr. Bhupen Hazarika, affectionatel known as sudhakantha was a towering figure in Assam, making indelible marks in the fields of literature and politics. His life's Journey was marked by an unwavering commitment to the cultural and social fabric of Assam. In this comprehensive essay, we will explore his multifaceted contributions to Assam, deling into his literary prowers and his impact on the political landscape of the state.

**Early life and Education :**

Dr. Bhupen Hazarika was born on September, 8, 1926 in Sadia, Assam. His early education took place in Assam, where he displayed a remarkable optitude for literature and music from a young age. After completing his intial education, he pursued higher studies in Banaras Hindu University and later, columbia University in the lenited states. These formative years abroad exposed him to diverse cultures and ideologies that would greatly influence his future work.

**Literary Contributions :**

Dr. Bhupen Hazarika's poetic Prowers is evident in his numerous poems and song lyrics. His compositions were deeply roted in the culture and traditions of Assam, celebrating its nature beauty and the struggles of its people. Songs like 'Bistirno Poarore' and 'Manuhe Manuhor Babe' are fimeless classics that continue to resonate with Assamese people.

**Music Composition :**

He was not only a lyricist but also a music composer, blending traditional Assamese folk music with modern tunes. His fesion of Bihu, Goalparia and other regional music styles helped bring Assamese music to a global audience.

**Cinematic work :**

Dr. Bhupen Hazarika was a prolific comoser for Assamese and Indian cinema. His compositions for Assamese films like 'Shakuntala' and 'Pratidhwani' earned critical aulaim and contributed to the regional film industry's growth.

**Literary works :**

Apart from music, he authored several books and essays, exploring themes ranging from culture and society to politics and philosophy. His writings reflected his deep intellectual engagement with the issues foeing Assam and India.

**Political Engagement :**

Dr. Bhupen Hazarika's Political Journey was intertwined with his love for Assam and its people. He used his influence and popularity to advocate for social justice and cultural preservation.

**Voice for the Marginalized :**

he was a vocal advocate for the rights of marginalized communities in Assam, particularly the tea garden workers and the indigenous tribes. His songs and speeches resonated with their struggles, bringing their issues to the porefront of the political agenda.

**Region Identity :**

Bhupen Hazarika was a stauneh promoter of Assamese identity. His music and writings played a pivotal role in fostering a sense of pride and unity among the Assamese people, especially during periods of political turmoil.

**Language and Culture :**

He championed the preservation and promotion of the Assamese language and culture. His efforts were instrumental in reviving interest in traditional cultural practices and indigenous art forms.

**Political Roles :**

While not a career politician, Dr. Bhupen Hazarika did serve as a Member of the Legislative Assembly (MLa) in Assam. His political career was marked by a commitment to addressing issues related to education, culture and social welfare.

**Legacy :**

Dr. Bhupen Hazarika's legacy continues to thrive in Assam and beyond. His music, poetry and political activism have left an indelible mark on the cultural and political landscape of the state.

Musical legacy :

His songs continue to be an integral part of Assamese culture, celebrated during festivals, cultural events and everyday life. They have fronscended generations, remaining as relevant today as they were when first composed.

**Cutural Preservation :**

Bhupen Hazarika's efforts to preserve and promate Assamese culture have had a losting impact. Institutions like the Srimanta Sankardev Kalakshetra and cultural festivals stand as testaments to his vision.

**Inspiration :**

He continues to inspire artists, musicians and activists not only in Assam but across India. His life story, dedication and creative genius serve as a sounce of inspiration for those seeking to make a positive impact on society.

**Conclusion :**

Dr. Bhupen Hazarika, Sudhakantha, was a true son of Assam, whose contributions in literature and politics have left an indelible mark on the state's cultural and social fabric. His music still resonates in the hearts of the people, his works continue to inspire, and his commitment to the welfare of Assam's people remains a guiding light. The legacy of Dr. Bhupen Hazarika serves as a reminder of the transformative power of Art and the ending impact one individual can have on a region's. Dr. Bhupen Hazarika, Sudhakantha, was a true son of Assam, whose contributions in literature and politics have left an indelible mark on the state's cultural and social fabric. His music still resonates in the hearts of the people, his words continue to inspire, and his commitment to the walfare of Assam's people remains a guiding light. The legacy of Dr. Bhupen Hazarika serves as a reminder of the transformative power of Art and the ending impact one individual can have on a region's identity and politics. ■■

# 'সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অৱদান'

**যুগল ডেকা**
অসমীয়া বিভাগ, পঞ্চম ষান্মাসিক

অসম তথা ভাৰতৰ এগৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ আক সংগীত পৰিচালক আছিল ভূপেন হাজৰিকা। তদুপৰি তেখেত আছিল এগৰাকী চিত্ৰকৰ, লেখক, বিশ্ববিদ্যালয়ৰ শিক্ষক চলচ্চিত্ৰ পৰিচালক আৰু আলোচনীৰ সম্পাদক। ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰ তাৰিখে শদিয়াত ড০ ভূপেন হাজৰিকাৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম শান্তিপ্ৰিয়া হাজৰিকা। পত্নীৰ নাম আছিল প্ৰীয়ম্বদা পেটেল। তেখেতৰ পুত্ৰৰ নাম তেজ ভূপেন হাজৰিকা। ড০ ভূপেন হাজৰিকাই গুৱাহাটী আৰু তেজপুৰত স্কুলীয়া শিক্ষা লাভ কৰে। তেখেতে গুৱাহাটী কটন কলেজৰ পৰা আই. এ পৰীক্ষাত উত্তীৰ্ণ হৈ বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ উপাধি লাভ কৰে। ইয়াৰ পাছতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে। ইয়াৰ পৰাও শিক্ষা বিজ্ঞানত স্নাতকোত্তৰ উপাধি লাভ কৰাৰ লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰা মাচ.পি.এইচ. ডি. উপাধি লাভ কৰে। তেখেতে গুৱাহাটী বি বৰুৱা মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰটো কাৰ্যনিৰ্বাহ কৰিছিল।

সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ যথেষ্ট অৱদান আছে। গীতিকাৰ সুৰকাৰ হিচাবে খ্যাতি অৰ্জন কৰা ভূপেন হাজৰিকা এগৰাকী উচ্চপৰ্যায়ৰ সাহিত্যিক। ভূপেন হাজৰিকাৰ কাব্যিক সৌন্দৰ্যেৰে পৰিপূৰ্ণ গীতি- কবিতাৰ ধাৰাটো অনন্য শৈলীৰে সমগ্ৰ বিশ্বৰ মাজত স্বীকৃত হৈ পৰিছিল যদিও সীমিত পাঠকৰ জৰিয়তে হ'লেও তেওঁৰ নিজস্ব গদ্য শৈলীয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। আজন্ম যাযাবৰ ভূপেন হাজৰিকাই য'তেই ৰঙৰ খনি দেখিছিল, তাকেই ভগাই দিয়াৰ মানসেৰে ধৰাৰ দিহিঙে দিবাঙে লৰৰি, এক দৃঢ় সংকল্পৰে, সুন্দৰৰ সাধনাৰে সৃষ্টিৰ সৌধ নিৰ্মাণ কৰি উলিয়াইছিল।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰত ভূপেন হাজৰিকাই গীতিকাৰ, কবি, গদ্যলেখক আৰু সাংবাদিক হিচাবে পৰিচয় ৰাখি থৈ গৈছে। ভূপেন হাজৰিকাৰ জীৱিত কালত সম্ভৱতঃ অসমত এনে এখন আলোচনী নাই য'ত ভূপেন হাজৰিকাৰ লিখা প্ৰকাশ পোৱা নাছিল। তেখেতৰ গীতসমূহ যেনেদৰে হৃদয়স্পৰ্শী, কবিতাসমূহ প্ৰাণোচ্ছল, গদ্যৰাজি বিশ্লেষণাত্মক আৰু সাংবাদিকতা নিৰ্ভীক আক বাস্তৱভিত্তিক। তেখেতৰ সকলো ৰচনাতে উচ্চ আদৰ্শ, সৌন্দৰ্যবোধ আৰু জীৱন-দৰ্শন অপৰিহাৰ্য উপাদান হিচাবে ব্যৱহৃত হৈ আহিছে। এসময়ৰ গনসংযোগৰ ছাত্ৰ ভূপেন হাজৰিকাই তেখেতৰ সাহিত্যক গনসংযোগৰ মূল মাধ্যমৰূপে ব্যৱহাৰ কৰি জনগণৰ হৃদয়স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। ভূপেন হাজৰিকাৰ সাহিত্যকৰ্মৰ সৰ্বাধিক জনপ্ৰিয় বিষয়টো হ'ল গীত-সাহিত্য। আন্তৰ্জাতিক খ্যাতি সম্পন্ন এই গণশিল্পীজনৰ গীতৰ বিষয়-বস্তুও হ'ল বহুধা প্ৰসাৰিত। বিষয়বস্তুৰ বৈচিত্ৰ অনুযায়ী তেঁওৰ গীতৰাজিত সমাজৰ বিভিন্ন দিশত প্ৰতিচ্ছবি জিলিকি থকা দেখা যায়। প্ৰায় চাৰিশ গীতৰ ৰচক ভূপেন হাজৰিকাৰ সাংগীতিক লয়মুক্ত কাব্যিক সৌন্দৰ্যৰে ভৰা গীতসমূহ একো একোটি অনুপম কবিতা স্বৰূপ। ভূপেন হাজৰিকাই মাথো সংগীতৰ মায়াজাল সৃষ্টি কৰোতে ক্ষান্ত নাথাকি বিভিন্ন সময়ত বিভিন্ন বিষয়ৰ ওপৰত স্বকীয় ৰূপ শৈলীৰে চিন্তাশীল আৰু বিশ্লেষণাত্মক গদ্যও ৰচনা কৰি অসমীয়া গদ্য সাহিত্যৰ ভঁৰালটোকো চহকী কৰিছে। সেয়েহে মনোৰম গদ্য সাহিত্যৰো এক কৃতবিদ্য সাহিত্যিক ৰূপে তেঁওৰ এক সুকীয়া পৰিচয় আছে। ভূপেন হাজৰিকাৰ প্ৰতিতো ৰচনাতে পোৱা যায় এক বলিষ্ঠ প্ৰকাশভংগী, প্ৰগতিশীল চিন্তাধাৰা গীতিময়তা আৰু সুখ পাঠ্যতা। ভূপেন হাজৰিকাই ৰচনা কৰা গীত, প্ৰবন্ধ আদি সময়ে সময়ে সম্পাদিত ৰূপত গ্ৰন্থৰ আকাৰত একাশিত হৈ আহিছে। ভূপেন হাজৰিকাৰ ৰচিত গ্ৰন্থসমূহ হল- জিলিকা লুইতৰে পাৰ (১৯৫৫), সংগ্ৰাম লগ্নে আজি (১৯৬২) আগলি বাঁহৰে লাহৰি গগনা (১৯৬৪), সুন্দৰৰ নতুন দিগন্ত (১৯৬৭), সুন্দৰৰ সৰু বৰ আলিয়েদি (১৯৮০), বহ্নিমান ব্ৰহ্মপুত্ৰ (১৯৮০), সময়ৰ পখীঘোঁৰাত উঠি (১৯৮১), সহস্ৰজনে

মোক প্ৰশ্ন কৰে (১৯৮৩) এই গীতৰ সংকলন। 'আমাৰ প্ৰতিনিধি', 'বিন্দু', 'প্ৰতিধ্বনি' আদি। তেখেতে ৫০ খনতকৈও অধিক গ্ৰন্থ ৰচনা কৰিছিল । ১৯৯৩ চনত ভূপেন হাজৰিকা অসম সাহিত্য সভাৰ সভাপতি হিচাবে নিৰ্বাচিত হৈছিল। স্বকীয় ভাষাশৈলী আৰু বৈচিত্ৰপূৰ্ণ বিষয়বস্তুৰ চমকপদ সৃষ্টিয়ে ভূপেন হাজাৰিকাক কৃতবিদ্য সাহিত্যিক হিচাবে পৰিচিত কৰি তুলিছিল। ভূপেন হাজৰিকাই প্ৰায় দুকুৰিৰ ওপৰ কবিতা ৰচনা কৰিছে। কুৰিতকৈও অধিক কবিতা অনুবাদো কৰিছে। ৰচনা আৰু অনুবাদ উভয়তে তেওঁৰ স্বকীয় সৌন্দৰ্য আৰু বুদ্ধিমত্তাৱ প্ৰকাশ ঘটা দেখা যায়। সমসাময়িক বিষয়, সাম্প্ৰতিক যুগৱ সমস্যা, ভ্ৰমণৰ অভিজ্ঞতা আদি বিভিন্ন বিষয় লৈ তেওঁ কবিতাসমূহ ৰচনা কৰিছিল। ভূপেন হাজৰিকাৰ কবিতাত কেতিয়াবা ৰমন্যাস আৰু কেতিয়াবা কঠোৰ বাস্তৱ কবিতা চিত্ৰিত হৈছে। কোৰ্নাকৰ স্থাপত্যৰ সংগমৰত যুগল মূৰ্তিৰ মাজতো হজৰিকাই দৰ্শন কৰা আধ্যাত্মিকতাৰ সুবাসে তেওঁৰ কবিতাক সুন্দৰ কৰি তুলিছে। ৰোমান্টিক আৰু যুদ্ধোত্তৰ যুগৰ কবি হিচাপে ভূপেন হাজৰিকাৰ কবিতাত ৰমন্যাস আৰু কঠোৰ বাস্তৱৰ জলন্ত সমস্যা একেলগে চিত্ৰিত হৈছে। ভূপেন হাজৰিকাৰ এটি উল্লেখযোগ্য কবিতা 'পাছপেকটিভ' এখন বিশ্বব্যাপী গাঁও আৰু এখন গঠনমুখী সমাজৰ সপোনৰ চিন্তাৰ উমান পোৱা যায়। ১৯৫৭ চনত ভূপেন হাজৰিকাই প্ৰথম অসমীয়া আৰ্ট জাৰ্নেল গতি নামৰ আলোচনী খনৰ দ্বায়িত্ব গ্ৰহণ কৰিছিল। ১৯৬৫ চনৰ পৰা ১৯৮১ চনলৈকে ভূপেন হাজৰিকাই একেবাৰে ১৬ বছৰ কাল আলোচনীৰ সম্পাদকৰ গুৰুদ্বায়িত্ব লৈছিল। ভূপেন হজৰিকাৰ গৱেষণা গ্ৰন্থ খনৰ নাম "India's Basic Educatars to use audio-visual Techniques in Adult Education." ১৯৪৬ চনত ভূপেন হাজৰিকাই সুকুমাৰ কলা ঃ মন আৰু সমাজ' নামৰ এটি দুটি প্ৰবন্ধ লিখিছিল। ভূপেন হাজৰিকাই প্ৰতিধ্বনি নামক আলোচনী এখনৰো সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ভূপেন হাজৰিকাৰ লিখনিৰে সমৃদ্ধ হোৱা মাহেকীয়া আলোচনী আমাৰ প্ৰতিনিধিয়ে সেই সময়ত সাহিত্যৰ জগতত এটি নতুন যুগৰ সূচনা কৰিবলৈ সমৰ্থ হৈছিল। সহিত্যৰ ক্ষেত্ৰত তেখেতৰ বহুমূলীয়া অৱদানৰ বাবে ১৯৬৩ চনত ভূপেন হাজৰিকা অসম সাহিত্য সভাৰ নাজিৰাত বহা ত্ৰিংশত্ৰি তম অধিৰেশনৰ সাংস্কৃতিক সন্মিলনৰ সভাপতি আৰু তাৰ পিছত ১৯৯৩ চনত অসম সাহিত্য সভাৰ ৫৯ তম শিৱসাগৰ অধিৰেশনৰ সভাপতি নিৰ্বাচিত হয়। ভূপেন হাজৰিকাক তেওঁৰ ৰসাল, ব্যক্তিত্ব পূৰ্ণ, বলিষ্ঠ লিখনিৰ বাবে অসম সাহিত্য সভাই ২০০৮ চনত সাহিত্যাচাৰ্য উপাধিৰে সন্মানিত কৰে। গীতেৰে, গদ্যৰে, কণ্ঠৰে আগবঢ়োৱা সাহিত্যৰ বৰঙনিসমূহ নতুন প্ৰজন্মৰ বাবে চিৰ অনুকৰনীয়। সাহিত্যৰ জগতলৈ অতুলনীয় অৱদান আগবঢ়োৱা ভূপেন হাজৰিকাৰ অনবদ্য লিখনিয়ে অসমৰ কলা-সংস্কৃতি সাহিত্যৰ জগতখনৰ অসমীয়া পাঠকসকলৰ বাবে এক যুগান্তকাৰী অভিলেখৰ সৃষ্টি কৰি থৈ গ'ল।

ৰাজনৈতিক ক্ষেত্ৰলৈও সুধাকণ্ঠ ভূপেন হাজৰিকাৰ অৱদান উল্লেখনীয় বাৰাণসীত ছাত্ৰ হৈ থাকোতেই ভূপেন হাজৰিকা ছাত্ৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈছিল। সু নেতৃত্বৰে ছাত্ৰসকলক পৰিচালনা কৰাৰ বাসনা এটা তেওঁৰ মনত জাগ্ৰত হৈছিল। সেয়েহে ছত্ৰসকলৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কবি বিপক্ষৰ প্ৰতিদ্বন্দিক বৰ শোচনীয়ভাৱে পৰাস্ত কৰি তেঁও ছাত্ৰৰ কমন ৰুমৰ সম্পাদক ৰূপে নিৰ্বাচিত হৈছিল। এই নিৰ্বাচনত ভূপেন হাজৰিকাই মাত্ৰ খৰছ কৰিছিল কুৰিটা টকা। ভূপেন হাজাৰিকাই কিশোৰ অৱস্থাতেই দৰিদ্ৰ নিপীড়ীত সকলৰ উদ্দেশ্যে 'অগ্নিযোগৰ ফিৰিঙতি মই' শীৰ্ষক এটি গীত লিখিছিল। এই গীতটি বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ মুক্তিদেউল নামৰ কিতাপ এখনত সন্নিবিষ্ট কৰিছিল। মুক্তিদেউলৰ পাতনিত বিষ্ণুৰাভাই নিজেই লিখি থৈ গৈছিল — 'কিছুমান গান ভূপেন হাজৰিকাৰ মৌ কোঁহৰ পৰা আনি জুৰিলো'। সেই সময়ত বিষ্ণুপ্ৰসাদ ৰাভা R.C.P. ৰ সক্ৰিয় সদস্য আছিল। আমেৰিকাৰ প্ৰশাসনেও ভূপেন হাজৰিকাক R.C.P. ৰ সদস্য বুলি ভুল কৰিহে বন্দী কৰি থৈছিল, কিন্তু পিছত কথাটো বুজি পোৱাত সসন্মানেৰে এৰি দিয়ে। ১৯৬৭ চনত ৰাইজৰ বিপুল দাবীত ভূপেন হাজৰিকাই নাওবৈচা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্বিতা কৰি অসম বিধান সভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰে। অবশ্যে ১৯৭১ চনত অসমৰ এটি আঞ্চলিক দল 'জনগন তান্ত্ৰিক অসম দল'ৰ হৈ মঙলদৈ লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰাৰ্থীত্ব গ্ৰহণ কৰি পৰাজিত হৈছিল । ২০০৪ চনত ভূপেন হাজৰিকাই, বি জে পি ত যোগদান কৰি ২০০৪ চনৰ লোকসভা নিৰ্বাচনত গুৱাহাটী সমষ্টিৰ পৰা বি জে পি ৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্বিতা কৰিছিল যদিও পৰাজিত হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত ড০ ভূপেন হাজৰিকাৰ অসমী আইলৈ এনেধৰণৰ অৱদান দেখিবলৈ পোৱা যায়।

গীত, সুৰ, সাহিত্য, ৰাজনীতি আৰু কথাৰ মায়াজালেৰে বিশ্ববাসীৰ হৃদয়স্পৰ্শ কৰিবলৈ লৈ সক্ষম হোৱা এই গৰাকী লুইত পৰীয়া শিল্পী ভূপেন হাজৰিকাই ২০১১ চনৰ ৫ নৱেম্বৰত কোকিলাবেন ধীৰুভাই আম্বানী হস্পিটালত হস্পিতালত জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। ■■

# ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়া সকলৰ প্ৰতিবেদন

## সভাপতিৰ প্ৰতিবেদন



সৰ্বপ্ৰথমে সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। দৰং জিলাৰ মঙলদৈ অঞ্চলত অৱস্থিত জ্ঞানৰ আভা প্ৰদান কৰা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ সভাপতিৰ প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ কাৰণে আত্ম বলিদান দিয়া বীৰ শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছো। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়ালৈ সুবিধা প্ৰদান কৰাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শপত গ্ৰহণ অনুষ্ঠানৰ সমান্তৰালভাৱে ২১/১১/২০২২ তাৰিখে মঙলদৈ মহাবিদ্যালয়ৰ নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাই বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি এটি ৰক্তদান শিবিৰৰ আয়োজন কৰো।

মঙলদৈ মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া সমস্যা এটা আছিল যে মহাবিদ্যালয়ৰ সন্মুখৰ পথটিৰ যান-জটৰ সমস্যা। বিগত ছাত্ৰ একতা সভাৰ দিনত বেৰিকেটৰ ব্যৱস্থা হৈছিল যদিও ছাত্ৰ-ছাত্ৰীসকলে পথটিৰ সন্মুখেৰে ইপাৰ-সিপাৰ হোৱাৰ ক্ষেত্ৰত বাহনসমূহৰ তীব্ৰগতিৰ ফলত সমস্যাৰ সৃষ্টি হৈছিল তাৰ কাৰণে ছাত্ৰ একতা সভাই প্ৰশাসনক অৱগত কৰিছিলোঁ আৰু এই বিষয়ে পদক্ষেপ ল'বলৈ অনুৰোধ জনাইছিলো। জিলা প্ৰশাসনে ক্ষিপ্ৰতাৰে আমাৰ অনুৰোধক সন্মান জনাই মহাবিদ্যালয়ৰ সন্মুখত স্পীড বেকাৰ স্থাপিত কৰা বাবে ধন্যবাদ জনাইছোঁ।

আপোনালোকক জনাবলৈ পাই সুখ অনুভৱ কৰিছো যে, মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সাজু কৰা এটি বিহুদল গঠন কৰা হৈছিল। এই 'দৈয়ান' নামৰ বিহুদলটিয়ে অসমৰ বিভিন্ন প্ৰান্তৰ বিহুতলীত বিহুনৃত্য পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ লাভ কৰে।

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে মহাবিদ্যালয় সপ্তাহ যোৱা ইং ৩ ফেব্ৰুৱাৰী, ২০২৩ ৰ পৰা অনুষ্ঠিত কৰা হয়।

০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডিম্বেশ্বৰ বৰুৱা ছাৰে। ২০২৩-২৪ শিক্ষাবৰ্ষৰ নৱাগত আদৰণ সভা দিনজোৱা কাৰ্যসূচীৰে যোৱা ইং ০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে উলহ-মালহেৰে পালন কৰা হয়। অনুষ্ঠানত আমন্ত্ৰণ কৰি অনা হয় জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীক।

১১ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে জিলা পৰ্যায়ৰ তৰ্কৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। ২০ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৩৩ সংখ্যক সদৌ অসম ভিত্তিত শ্বহীদ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন সুকলমে অনুষ্ঠিত হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত ভিন্ন শিতানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে সুনাম কঢ়িয়াবলৈ সক্ষম হয়। আপোনালোকৰ জ্ঞাতাৰ্থে জনাও যে এইবেলি আন্তঃ

মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ খিতাপ দখল কৰে। প্ৰতিগৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ লগতে দলটোৰ তত্বাৱধানত থকা চিত্তৰঞ্জন নাথ মহোদয় আৰু ড° কুন্তলা শৰ্মা বৰদলৈ মহোদয়া, সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়িকা ড° ৰূপজ্যোতি বৰুৱা মহোদয়া, বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা দ্বীপজ্যোতি কলিতা মহোদয়, দীপাংকৰ কলিতা মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত কাৰ্যকালৰ সময়ত প্ৰতিটো দিশত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয়, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু তত্ত্বাৱধায়ক মণ্ডলীৰ ওচৰত চিৰকৃতজ্ঞ, লগতে আন আন বিভিন্ন ক্ষেত্ৰত মোক সহায় আগবঢ়োৱা সকলোলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম
ভাৰত মাতা কী জয়।

— সেৱাৰে —

**দিগন্ত কুমাৰ দলৈ**
সভাপতি

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰিয় মঙলদৈয়ান সতীৰ্থ,

পোনপ্ৰথমে জীৱনযোৰা সাধনাৰে যিসকল মহান ব্যক্তিয়ে নিজস্ব মানবীয় চিন্তাধাৰা, কৰ্মপ্ৰেৰণা, সাহসৰ উৎসৰে স্বদেশ আৰু স্ব-জাতিক উন্নতিৰ শিখৰত আৰোহণ কৰাৰ প্ৰচেষ্টা চলাই নিজৰ জীৱন-প্ৰাণ আহুতি দি ত্যাগৰ আদৰ্শৰে মহীয়ান হ'ল, সেইসকল সংগ্ৰামী শ্বহীদলৈ প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। চাওঁতে চাওঁতে এটি বছৰ কিদৰে পাৰ হৈ গ'ল ধৰিবই নোৱাৰিলোঁ। মঙলদৈ মহাবিদ্যালয় মোৰ বাবে মাথো এটি নাম নাছিল, এই নামটোৰেই আছিল মোৰ বাবে এক সত্তা আৰু এক অনুষ্ঠান। যোৱা বছৰৰ ২২/১০/২০২২ তাৰিখে অনুষ্ঠিত হৈছিল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন আৰু এই নিৰ্বাচনত মঙলদৈয়ান সতীৰ্থৰ মন জয় কৰি দাদা-বাইদেউ, বন্ধু-বান্ধৱী, আৰু ভাইটি-ভন্টিসকলৰ সহায়- সহযোগিতাত আৰু মূল্যৱান ভোটৰ বাবে মই ছাত্ৰ একতা সভাৰ এটি গুৰুত্বপূৰ্ণ পদ সাধাৰণ সম্পাদকৰূপে জয়লাভ কৰিবলৈ সক্ষম হওঁ। যোৱা এই এবছৰীয়া অতি কম সময়ৰ যাত্ৰাত মই মহাবিদ্যালয়ক একো দিব নোৱাৰিলোঁ কিন্তু মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ চেষ্টা কৰিছিলোঁ। কি কৰিলোঁ সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয় কিন্তু মই জানো মোৰ কৰিবলৈ আৰু বহুতো বাকী থাকিল আৰু এবছৰৰ ভিতৰত সকলো কাম বিভিন্ন অসুবিধাৰ হেতুকে কৰাটো সম্ভৱ নাছিল। যি কৰিলোঁ তাৰ মাজত ভুল হোৱাটো স্বাভাৱিক। নিজৰ বুলি ভুলটো ইতিবাচকভাৱে আঙুলিয়াই দি ক্ষমা কৰি অনাগত দিনৰ বাবে যেন আগুৱাই যাবলৈ উৎসাহ আৰু প্ৰেৰণা যোগাই সমূহ মঙলদৈয়ানৰ ওচৰত মোৰ এয়েই কামনা।

যোৱা ২২/১০/২০২২ তাৰিখে হৈ যোৱা মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰা মোৰ লগতে মোৰ সতীৰ্থ ছাত্ৰ একতা সভাৰ আন বিষয়ববীয়াসকলে ২১/১১/২০২২ তাৰিখে আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সন্মুখত শপত বাক্য পাঠ কৰি ছাত্ৰ একতা সভাৰ দৰে বৃহৎ দায়িত্ব ভাৰ হাতত লৈছিলোঁ। শপতগ্ৰহণ অনুষ্ঠান শেষ হোৱাৰ লগে লগে মঙলদৈ মহাবিদ্যালয়ৰ নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাই বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি এটি ৰক্তদান শিবিৰৰ আয়োজন কৰো।

সৰস্বতী পূজাৰ আগেয়ে মহাবিদ্যালয়ৰ মূল দ্বাৰখন পুনৰ ৰঙীণ কৰাৰ পদক্ষেপ হাতত লৈছিলোঁ যিয়ে দ্বাৰখনৰ শোভা বৃদ্ধি কৰিছিল। সৰস্বতী পূজাৰ অনুষ্ঠানটিও সুকলমে অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ মূল দ্বাৰখনৰ সন্মুখভাগত খেৰেৰে নিৰ্মিত প্ৰতিকী চ'ৰাঘৰে এক বিশেষ সৌন্দৰ্য্য বহন কৰিছিল।

মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ৩ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আয়োজন কৰা হয়। য'ত মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মহাবিদ্যালয় সপ্তাহত যিসকলে বিভিন্ন প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিলে তেওঁলোকলৈ মই কৃতজ্ঞতা জনালো।

কাৰ্যকালৰ মাজভাগতে ৰাজ্যিক ভিত্তিত বিহু গীত, বিহুনৃত্য, ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত কৰোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণৰ ব্যাপক হাৰে আমাক অনুপ্ৰাণিত কৰিছিল। সমান্তৰালভাৱে প্ৰতিভাৰ গুণগত মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি যোগ্যতাৰ ভিত্তিত বাছনি কৰা শিল্পীসকল (মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল)ৰ দ্বাৰা 'দৈয়ান' নামৰ বিহুদল এটি গঠন কৰা হয়। আপোনালোকক জনাবলৈ পাই সুখ অনুভৱ কৰিছো যে, মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সাজু কৰি 'দৈয়ান' নামৰ এটি বিহু দল গঠন কৰা হৈছিল। এই দলটিয়ে অসমৰ ভিন্ন প্ৰান্তৰ বিহুতলীত বিহুনৃত্য পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ লাভ কৰে।

মঙলদৈ মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া সমস্যা এটা আছিল যে মহাবিদ্যালয়ৰ সন্মুখৰ পথটিৰ যান-জটৰ সমস্যা। বিগত ছাত্ৰ একতা সভাৰ দিনত বেৰিকেটৰ ব্যৱস্থা হৈছিল যদিও ছাত্ৰ-ছাত্ৰী সকলে পথটিৰ সন্মুখেৰে ইপাৰ-সিপাৰ হোৱাৰ ক্ষেত্ৰত বাহনসমূহৰ তীব্ৰগতিৰ ফলত সমস্যাৰ সৃষ্টি হৈছিল, তাৰ কাৰণে আমাৰ ছাত্ৰ একতা সভাই প্ৰশাসনক

অৱগত কৰিছিলোঁ আৰু এই বিষয়ে পদক্ষেপ লবলৈ অনুৰোধ জনাইছিলো। জিলা প্ৰশাসনে ক্ষিপ্ৰতাৰে আমাৰ অনুৰোধক সন্মান জনাই মহাবিদ্যালয়ৰ সন্মুখত স্পীড বেকাৰ স্থাপিত কৰা বাবে ধন্যবাদ জনাইছোঁ।

কাৰ্যকালৰ আৰম্ভণিৰ পৰাই এটি আশা মনত বন্দী কৰি ৰাখিছিলোঁ, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ পৰিবহণৰ আহিলাস্বৰূপ পথটোৰ মেৰামতি কৰে। সেইমৰ্মে মঙলদৈ বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক বসন্ত দাসদেৱৰ ওচৰত আমি বিষয়টো অৱগত কৰিছিলোঁ। তেখেতে বিষয়টোৰ গুৰুত্ব বুজি জিলা প্ৰশাসনৰ জৰিয়তে পথটোৰ মেৰামতি কৰণৰ ব্যৱস্থা কৰি দিয়ে। লগতে মঙলদৈ লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ দিলীপ শইকীয়াদেৱৰ ওচৰত আমি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটোত স্থায়ী আসনৰ বাবে আবেদন জনাইছিলোঁ। তেখেতে বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰি স্থায়ী আসনৰ নিৰ্মাণৰ ব্যৱস্থা কৰি দিয়াৰ সেউজ সংকেত প্ৰদান কৰে তথা ১৫ লাখ টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰাৰ আশ্বাস দিয়ে।

০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডিম্বেশ্বৰ বৰুৱা ছাৰে। ২০২৩-২৪ শিক্ষাবৰ্ষৰ নৱাগত আদৰণি সভা দিনজোৰা কাৰ্যসূচীৰে যোৱা ইং ০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে উলহ- মালহেৰে পালন কৰা হয়। নৱাগত আদৰণি সভাৰ অনুষ্ঠানত নৱাগতসকলে তেওঁলোকৰ ব্যক্তিগত প্ৰতিভাৰ চিনাকিৰে অনুষ্ঠান সাফল্যমণ্ডিত কৰো লগতে ছাত্ৰ একতা সভা তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত আমন্ত্ৰণ কৰি অনা হয় জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীক।

১১ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে জিলা পৰ্যায়ৰ তৰ্কৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। ২০ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৩৩ সংখ্যক সদৌ অসম ভিত্তিত শ্বহীদ সোৰৱণি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন নিয়াৰিকৈ অনুষ্ঠিত হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুস্থিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত বিভিন্ন শিতানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে স্থান দখল কৰি সুনাম কঢ়িয়াবলৈ সক্ষম হয়। আপোনালোকক জনাবলৈ পাই গৌৰৱান্বিত যে এইবেলি আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ খিতাপ দখল কৰে। প্ৰতিগৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ লগতে দলটোৰ তত্বাৱধানত থকা চিত্তৰঞ্জন নাথ মহোদয় আৰু ড° কুন্তলা শৰ্মা বৰদলৈ মহোদয়া, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা ড° ৰূপজ্যোতি বৰুৱা মহোদয়া, বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা দ্বীপজ্যোতি কলিতা মহোদয়, দীপাংকৰ কলিতা মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই এবছৰীয়া যাত্ৰাত মহাবিদ্যালয়ত বহুতো চিনাকি-অচিনাকিৰ সতে লগ হ'লো। বহুতো নতুন মুখ দেখিলো, মানুহ চিনিলো, বুজিলো তাৰ মাজতেই প্ৰায়খিনি কাম নিয়াৰিকৈ কৰাৰ চেষ্টা চলাইছিলো আৰু মহাবিদ্যালয়ৰ হকে দায়িত্বত নাথাকিলেও সদায় মহাবিদ্যালয়ৰ হকে কাম কৰি যাবলৈ মই দায়বদ্ধ।

সাধাৰণ সম্পাদক হিচাপে এই চমু কাৰ্যকালত মোক সহায়, সহযোগ, দিহা-পৰামৰ্শ, উপদেশ দি বিভিন্ন ধৰণে মোক আগবঢ়াই নিয়া মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ শিক্ষাগুৰুমণ্ডলী, সমূহ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু মোৰ শুভাকাংক্ষীৰ লগতে মোৰ পৰিয়ালৰ সকলোকে জনাইছো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা। তাৰ বাহিৰে আপোনালোকক দিবলৈ মোৰ আন একো নাই।

মঙলদৈ মহাবিদ্যালয়ৰ নতুন ছাত্ৰ একতা সভাৰ সমূহ সদস্যই যেন নিষ্ঠা সহকাৰে নিয়াৰিকৈ মহাবিদ্যালয়ৰ হকে কামবোৰ কৰি মহাবিদ্যালয়খনক অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰূপে গতি কৰাত সহযোগ কৰে তাৰেই আশাৰে মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰি ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে এবছৰীয়া যাত্ৰাৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম
ভাৰত মাতা কী জয়।

— শ্ৰদ্ধাৰে —

**মৃগাংক কুমাৰ**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা (২০২২-২৩)

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



আৰম্ভণিতে দেশমাতৃৰ হকে আত্ম বলিদান দিয়া বীৰ শহীদসকলক সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। যিসকল ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয়ৰ জন্ম হ'ল সেইসকল মহান ব্যক্তিলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্যকালৰ খতিয়ান চমুকৈ উক্ত প্ৰতিবেদনৰ দ্বাৰা ব্যক্ত কৰিব বিচাৰিছো।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ প্ৰদান কৰিছোঁ।

শপতগ্ৰহণ অনুষ্ঠানৰ দিনটোতেই (২১/১১/২০২২ তাৰিখে) মঙলদৈ মহাবিদ্যালয়ৰ নতুনকৈ নিৰ্বাচিত ছাত্ৰ একতা সভাই বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি এটি ৰক্তদান শিবিৰৰ আয়োজন কৰিছিলোঁ। মঙলদৈ মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া সমস্যা এটা আছিল যে মহাবিদ্যালয়ৰ সন্মুখৰ পথটিৰ যান-জটৰ সমস্যা। ছাত্ৰ-ছাত্ৰী সকলে পথটিৰ সন্মুখেৰে ইপাৰ-সিপাৰ হোৱাৰ ক্ষেত্ৰত যি সমস্যাৰ সৃষ্টি হৈছিল তাৰ বিষয়ে ছাত্ৰ একতা সভাই প্ৰশাসনক অৱগত কৰিছিলোঁ আৰু এই বিষয়ে পদক্ষেপ ল'বলৈ অনুৰোধ জনাইছিলো। জিলা প্ৰশাসনে ক্ষিপ্ৰতাৰে আমাৰ অনুৰোধক সন্মান জনাই মহাবিদ্যালয়ৰ সন্মুখত স্পীড বেকাৰ স্থাপিত কৰা বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সাজু কৰা এটি বিহু দল গঠন কৰা হৈছিল। এই 'দৈয়ান' নামৰ বিহুদলটিয়ে অসমৰ বিভিন্ন প্ৰান্তৰ বিহুতলীত বিহুনৃত্য পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ লাভ কৰিছিল।

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে মহাবিদ্যালয় সপ্তাহ যোৱা ইং ৩ ফেব্ৰুৱাৰী, ২০২৩ ৰ পৰা অনুষ্ঠিত কৰা হৈছিল।

০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰববী অধ্যাপক ডিম্বেশ্বৰ বৰুৱা ছাৰে। ২০২৩-২৪ শিক্ষাবৰ্ষৰ নৱাগত আদৰণি সভা দিনজোৰা কাৰ্যসূচীৰে যোৱা ইং ০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে উলহ- মালহেৰে পালন কৰা হয়। অনুষ্ঠানত আমন্ত্ৰণ কৰি অনা হৈছিল জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীক। ১১ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে জিলা পৰ্যায়ৰ তৰ্কৰ কৰ্মশালা অনুষ্ঠিত কৰিছিলোঁ। ২০ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৩৩ সংখ্যক সদৌ অসম ভিত্তিত শ্বহীদ সোঁৱৰণি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন সুকলমে অনুষ্ঠিত হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুস্থিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত ভিন্ন শিতানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে সুনাম কঢ়িয়াবলৈ সক্ষম হয়। এইবেলি আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ খিতাপ দখল কৰে।

মোৰ কাৰ্যকালত প্ৰতিটো দিশতে দিহা-পৰামৰ্শ দিয়া মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° কমলা কান্ত বঞা মহোদয়, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয় আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু তত্বাৱধায়ক মণ্ডলীলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালৰ সময়ছোৱাত যদি অজানিতে কিবা ভুল কৰিছো, সেই ভুলসমূহৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

— শ্ৰদ্ধাৰে —

**প্ৰাণজিৎ ভৰদ্বাজ**
সহঃ সাধাৰণ সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি...

অনাগত দিনত এই আশাৰ গজালিটোৱে প্ৰাপ্তিৰ গুটিধানৰ লেখীয়াৰে পৈণত ৰূপত সোনগুটিৰ দৰে ভাস্বত হওক তাকেই কামনা কৰিছোঁ। পোনপ্ৰথমে যি সকল মহান ব্যক্তিৰ ত্যাগৰ ফলশ্ৰুতিত ৭২ টি বসন্ত গৰকা মঙলদৈ মহাবিদ্যালয়ে জন্মলাভ কৰিলে, তেওলোকৰ ত্যাগ তথা বলিদানক শ্ৰদ্ধাৰে সুঁৱৰিছো। গদ্য, পদ্য আৰু নাটক-এই তিনিটি ধাৰাত প্ৰাথমিকভাৱে সাহিত্যক শ্ৰেণীবিভাজন কৰা হয়। গদ্যৰ কিছুমান ভাগ হৈছে প্ৰবন্ধ, নিবন্ধ, গল্প ইত্যাদি। অনুভৱৰ শিকলিৰ উন্মুক্ত ভাৱধাৰাক বহিপ্ৰকাশ কৰাৰ নিমিত্তে উপস্থাপন কৰা প্ৰকৃত ছবি যি মাধ্যমৰ জৰিয়তে লিখিতভাৱে প্ৰকাশ কৰা হয় সেয়ে সাহিত্য। সাহিত্য হৈছে 'সম' আৰু 'হিত' নামৰ দুটা শব্দৰ সমষ্টি। সাহিত্য হ'ল সমাজ জীৱনৰ দাপোন স্বৰূপ। সমাজত বৰ্তি থকা বিভিন্ন ঘটনাৰাজিক সাহিত্যৰ যোগেদি প্ৰতিফলিত কৰা হয়। সাহিত্য চৰ্চাই ভাষা বা জাতিক উন্নতিৰ পথত আগুৱাই নিয়াত প্ৰত্যক্ষভাৱে সহায় কৰে।

যোৱা ২০২২ চনৰ অক্টোবৰ মাহৰ ২২ তাৰিখে পীতাভ বাকৰিৰ শিক্ষাৰ্থী সমাজৰ মৰম-স্নেহ, সহায়-সহযোগিতা তথা সমৰ্থন আৰু আশীষৰ সুবাদতে এই অভাজনে ৭২ টি বসন্ত গৰকা মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ দৰে এটি পদত বিজয়ী হ'বলৈ সক্ষম হৈছিলোঁ। এবছৰীয়া এই পৰিক্ৰমাত বিভিন্ন ধৰণৰ প্ৰত্যাহ্বান, ভুল-ত্ৰুটিৰ মাজেৰে অতিক্ৰম কৰিবলগীয়া হৈছিল, সেইসমূহৰ সমাধান সাফল্যমণ্ডিত হৈ উঠিছিল কেৱল মাথোঁ প্ৰতিজন মঙলদৈয়ানৰ সান্নিধ্যত। ভিন্ন দিশত নতুন অভিজ্ঞতাৰ সন্মুখীন হৈছিলোঁ। এই অভিজ্ঞতাবোৰে অনাগত দিনত এই অভাজনক ব্যক্তিগত তথা সামাজিকভাৱে আগৰণুৱা হ'বলৈ অৰিহণা যোগাব বুলি আমি ঈঙ্গিত। আপোনাসৱৰ বাবে কি কৰিব পাৰিলোঁ/ নোৱাৰিলোঁ সেইয়া আপোনালোকৰ বিচাৰ্য বিষয়। আলোচনীখনৰ সম্পাদনাৰ সময়তো আপোনালোকৰ সহাৰিয়ে আমাক এক বিশেষ সত্তা তথা প্ৰেৰণা প্ৰদান কৰিছিল। লক্ষ্য এটাই আছিল মাথোঁ, ২০২২-২৩ শিক্ষাবৰ্ষত অধ্যয়নৰত প্ৰতিগৰাকী মঙলদৈয়ানৰ হাতত আলোচনীখন তুলি দিয়াৰ। এই দৰিকণাৰ জীৱনযাত্ৰাৰ আংশিক পথত ক্ষিপ্ৰ সোঁতৰ সাক্ষী হ'বলৈ সুবিধাকণ প্ৰদান কৰাৰ বাবে প্ৰতিগৰাকী মঙলদৈয়ানৰ ওচৰত আমি চিৰঋণী তথা চিৰকৃতজ্ঞ। সকলো ছাত্ৰ-ছাত্ৰীৰ স্বকীয় অনুভূতিৰ বৰ্হিপ্ৰকাশ আৰু আগ্ৰহে আমাক অনুপ্ৰেৰণা যোগাইছিল। ছাত্ৰ-ছাত্ৰীসকলৰ সাধনা তথা নিষ্ঠা অবিহনে আলোচনীখন আধৰুৱা হৈ ৰ'লহেঁতেন। যিসকল লেখক-লেখিকাই নিজৰ লেখনিৰে মহাবিদ্যালয় আলোচনীখন পৰিপূৰ্ণ কৰি তুলিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ মুঠ ৰচটা শিতানত প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা গল্প, নিৰ্বাচিত আৰু স্বৰচিত ইংৰাজী আৰু অসমীয়া কবিতা আবৃত্তি, থিতাতে লিখা কবিতা আৰু নীলা খামৰ চিঠি ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। এইবাৰ মহাবিদ্যালয় সপ্তাহৰ কুইজ প্ৰতিযোগিতাখন বিজ্ঞান ভৱন (Science gallery) ত প্ৰজেক্টৰৰ জৰিয়তে অনুষ্ঠিত কৰিছিলোঁ। কুইজ মাষ্টাৰ হিচাপে আমন্ত্ৰণ জনাইছিলো অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ-সমন্বয়ক হৃদয়জ্যোতি ডেকাক। অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আৰু উপস্থিতিয়ে প্ৰতিযোগিতাখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছিল। ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত 'মহাবিদ্যালয় সপ্তাহ'ৰ এক

ব্যস্ততাপূৰ্ণ কাৰ্যক্ৰমণিকাৰ অংশীদাৰ হোৱাৰ সৌভাগ্য হৈছিল। ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া তথা অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ভিন্ন ব্যক্তিত্বৰ সহযোগিতাত অনুষ্ঠানসমূহৰ বিশেষ অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। অনুষ্ঠানসমূহ কিমান সফল বা বিফল আমি জ্ঞাত নহয়; সেইয়া মাথোঁ ছাত্ৰ সমাজৰ হাতত। মহাবিদ্যালয় পৰিয়ালৰ সহায় সহযোগিতাই ক্লান্তিবিহীন সত্তাৰে আগুৱাই যোৱাত অনুপ্ৰেৰণা প্ৰদান কৰিছিল। সচাঁকৈয়ে, ব্যস্ততাই তিক্ত অভিজ্ঞতাবোৰক পাহৰিবলৈ ইন্ধন যোগায়।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল 'জাতীয় সাহিত্য জাতীয় জীৱনৰ ধৰণী মাথোন। যি জাতীয় জীৱন মুক্ত আৰু স্বাধীন সেই জাতিৰ সাহিত্যও মুক্ত আৰু স্বাধীন'। সাহিত্য চৰ্চাৰ জৰিয়তে লিখকে স্বকীয় ভাৱনাৰে পৰিপুষ্ট শৈলীক উন্মুক্তভাৱে প্ৰকাশ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ প্ৰসাৰৰ অৰ্থে 'সাহিত্য আৰু আলোচনী বিভাগ' নামৰ এটি হোৱাটচএপ গ্ৰুপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ ধাৰা অব্যাহত ৰখাৰ প্ৰচেষ্টা অৱলম্বন কৰিছিলোঁ। অসমৰ বিভিন্ন প্ৰান্তত অনুস্থিত হোৱা প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সফলতা লাভ কৰিবলৈ সক্ষম হয়। কাৰ্যকালৰ আৰম্ভনিৰ পৰাই মহাবিদ্যালয়খনৰ এটি অভাৱ দৃষ্টিগোচৰ হৈছিল। দুই-এটি বিভাগে এই কাৰ্যটি নিয়াৰিকৈ সম্পাদন কৰিছিল যদিও জানিব পৰা মতে বিভাগ ভিত্তিত তেনেকুৱা কোনো ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হোৱা নাছিল। কাৰ্যকালৰ মাজভাগতে আন্তঃবিভাগ ভিত্তিত হাতে লিখা আলোচনী প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। অৱশ্যে বিভাগসমূহৰ সঁহাৰি আছিল নিচেই তাকৰ। আশাকৰোঁ উক্ত পদক্ষেপটিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক বিশেষ বাৰ্তা বহন কৰিছে। উক্ত প্ৰতিযোগিতাখনত অসমীয়া বিভাগে 'গজালি' নামৰ আলোচনীখনৰ বাবে প্ৰথম স্থান লাভ কৰে, উদ্ভিদ বিজ্ঞান বিভাগে 'কিশলয়' নামৰ আলোচনীখনৰ বাবে দ্বিতীয় স্থান লাভ কৰে। দৰ্শন বিভাগে 'জিজ্ঞাসা' নামৰ আলোচনীখনৰ বাবে উদগনিমূলক বটাঁ লাভ কৰে। ২২ মে, ২০২৩ তাৰিখে 'বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱসৰ লগত সংগতি ৰাখি পৰিস্থিতি তন্ত্ৰ, জৈৱ বৈচিত্ৰ্য আৰু ইয়াৰ প্ৰয়োজনীয়তা' শীৰ্ষক বিষয়ত ৰচনা প্ৰতিযোগিতা অনুস্থিত কৰোঁ। ৮ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৰৰ জন্মদিৱসৰ লগত সংগতি ৰাখি 'সাহিত্যিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত অসমী আইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ অৱদান' শীৰ্ষক বিষয়ত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। ৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডিম্বেশ্বৰ বৰুৱা ছাৰে। 'সাঁচিপাত' প্ৰকাশ কৰোঁতে বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা আৰ্চিক আলম আহমেদ, পাৰ্থ সাৰথি ভট্টাচাৰ্য, কৈলাশ ৰঞ্জন ডেকাৰ নিদ্ৰাবিহীন ৰজনীকো প্ৰতিহত কৰি কাম কৰাৰ ঈপ্সাৰ শলাগ লৈছোঁ। লগতে হোষ্টেলৰ আৱাসিনীসকলৰ সহায়ৰ বাবে প্ৰতিগৰাকী শুভাকাংক্ষীলৈ এই ছেগতে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই দিনবোৰৰ স্মৃতিবোৰো এই অভাজনৰ জীৱন যাত্ৰাৰ সোণালী পৃষ্ঠাত চিৰস্মৰণীয় হৈ ৰ'ব।

কাৰ্যকালৰ শেষৰফালে অন্য এক বিশেষ অভিজ্ঞতা বুটলিবলৈ সক্ষম হৈছিলোঁ। তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকাগৰাকীৰ বিশেষ অসুবিধাবশতঃ বিভাগটিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ সৌভাগ্য হয়। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ১১ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে জিলা পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰোঁ। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে সদৌ অসম তাৰ্কিক সন্থাৰ সাংবাদিক প্ৰাঞ্জল প্ৰতিম ডেকা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অসমক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা যুৱ বক্তা দীপাংকৰ ওজা। গৌৰৱৰ বিষয় এই যে দুয়োগৰাকী মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। ২০ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৩৩ সংখ্যক সদৌ অসম ভিত্তিত শ্বহীদ সোৰৱণি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনক সন্মুখৰ পৰা পৰিচালনা কৰাৰ সৌভাগ্য হয়। তৰ্ক প্ৰতিযোগিতাখনৰ বিষয় আছিল সদনৰ মতে 'ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০এ ভাৰতবৰ্ষৰ উচ্চ শিক্ষা ব্যৱস্থাত এক নতুন যুগৰ সূচনা কৰিব'। এই কালছোৱাত প্ৰত্যেকটি কাৰ্যসূচী নিয়াৰিকৈ পালন কৰাত সহায়ৰ হাত আগবঢ়োৱা তত্বাৱধায়ক ড° পৱিত্ৰ কুমাৰ নাথ ছাৰ, কুঞ্জলতা বৰুৱা বাইদেউ (প্ৰাক্তন তত্ত্বাৱধায়িকা)ক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন কাৰণবশতঃ মহাবিদ্যালয় আলোচনীখন কোনো বিশেষ নামেৰে প্ৰকাশ কৰা হোৱা নাছিল। এই ৫৩ সংখ্যক সংস্কৰণটিৰ পৰাই আলোচনীখন পূৰ্বৰ 'মঙলদৈ মহাবিদ্যালয় আলোচনী' নামটিৰ সলনি 'ভাখেৰী' নামটি গৃহীত কৰা হৈছে। এই দৰঙী শব্দ 'ভাখেৰী'ৰ আভিধানিক অৰ্থ হৈছে 'ভঁৰাল'। আশাকৰোঁ, উক্ত সংস্কৰণটিৰ লগতে অনাগত দিনৰ ধাৰাবাহিক সংস্কৰণৰ সৈতে আলোচনীখনে পাঠক সমাজৰ বাবে ভিন্ন দিশৰ 'ভঁৰাল' হিচাপে স্বকীয়তা বহন কৰিব।

সময়ৰ ক্ষিপ্ৰতাৰ সোঁতত আমিবোৰ বন্দী। ছাত্ৰ একতা সভাঃ ২০২২-২৩ শিক্ষাবৰ্ষৰ প্ৰত্যেক গৰাকী সতীৰ্থলৈ এই একেখন নাওঁৰ যাত্ৰাত উদগনি প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সহাৰি অবিহনে এই সুযোগকণ লাভ কৰাৰ সৌভাগ্য ন'হলহেঁতেন। এই সুযোগতে সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয়, তত্বাৱধায়িকা ড° মঞ্জু কলিতা বাইদেউ, শিক্ষক-শিক্ষয়ত্ৰীসকল আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীসকল সহিতে মহাবিদ্যালয় পৰিয়ালবৰ্গৰ প্ৰতিজন সদস্য/সদস্যাক অনুষ্ঠানসমূহ সুকলমে পৰিচালনা কৰাৰ লগতে আলোচনীখনৰ সম্পাদনাৰ সময়তো সহায়ৰ হাত আগবঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ প্ৰতিটো বিভাগৰে বিষয়ববীয়া আৰু তত্বাৱধায়ক মণ্ডলীৰ গঠনমূলক দিহা-পৰামৰ্শৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে এই অভাজনৰ অজ্ঞাতে হোৱা ত্ৰুটিৰ বাবে আপোনাসবৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। স্ৰোতস্বিনীৰ ক্ষিপ্ৰতাৰে অনাদিকাললৈ আপোন মহাবিদ্যালয়খনে তথা 'ভাখেৰী' (আলোচনীখন) য়ে সৰ্বাঙ্গীণ বিকাশৰ শিখৰত ভাস্বত হওক, তাৰেই উত্তৰোত্তৰ কামনা কৰিলোঁ। ধন্যবাদ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম
ভাৰত মাতা কী জয়।
— শ্ৰদ্ধাৰে —

**চিৰঞ্জীৱ ডেকা**
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ

# সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছো। দৰং জিলাৰ ইতিহাস প্ৰসিদ্ধ মঙলদৈ অঞ্চলত অৱস্থিত প্ৰজ্ঞাৰ জেউতি বিলোৱা মঙলদৈ মহাবিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ সাংস্কৃতিক বিভাগৰ সম্পাদীয় প্ৰতিবেদনৰ আৰম্ভণিতে দেশ তথা মাতৃভূমিৰ কাৰণে আত্ম উৎসৰ্গা কৰা মহান বীৰ শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছো। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ কৰি দিয়া বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সংস্কৃতি হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সংস্কৃতিৰ অৱদান অপৰিসীম। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে মহাবিদ্যালয় সপ্তাহ যোৱা ইং ৩ ফেব্ৰুৱাৰী, ২০২৩ ৰ পৰা অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক বিভাগৰ সংগীতৰ বিভিন্ন প্ৰতিযোগিতাসমূহ ক্ৰমে ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, আধুনিক গীত, বৰগীত, লোকগীত আৰু বিহু গীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আধুনিক নৃত্য, বিহুনৃত্যৰ লগতে অন্যান্য বহুতো নৃত্য প্ৰতিযোগিতাসমূহ কৰ্তৃপক্ষৰ সহায়ত সুচাৰুৰূপে পালন কৰিবলৈ সক্ষম হওঁ। লগতে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ৩ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আয়োজন কৰা হয়। য'ত মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মহাবিদ্যালয় সপ্তাহত যিসকলে বিভিন্ন প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিলে তেওঁলোকলৈ মই কৃতজ্ঞতা জনালো। লগতে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহত যিসকল সন্মানীয় ব্যক্তিয়ে তেওঁলোকৰ বহুমূলীয়া সময় প্ৰদান কৰি প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত সহায় কৰিলে তেওঁলোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্যকালৰ মাজভাগতে ৰাজ্যিক ভিত্তিত বিহু গীত, বিহুনৃত্য, ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত কৰোঁ। সমান্তৰালভাৱে প্ৰতিভাৰ গুণগত মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি যোগ্যতাৰ ভিত্তিত বাছনি কৰা শিল্পীসকল (মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল)ৰ দ্বাৰা 'দৈয়ান' নামৰ বিহুদল এটি গঠন কৰা হয়। এই দলটিয়ে অসমৰ ভিন্ন প্ৰান্তৰ বিহুতলীত বিহুনৃত্য পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ লাভ কৰে।

কাৰ্যকালৰ মাজভাগতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ দেৱালত অসমৰ প্ৰথিতযশা শিল্পীসকলৰ চিত্ৰ অংকন কৰা হয়। এই কাৰ্যৰ লগত জড়িত সকলো ছাত্ৰ-ছাত্ৰীকে আমাৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৩-২৪ শিক্ষাবৰ্ষৰ নৱাগত আদৰণ সভা দিনজোৰা কাৰ্যসূচীৰে যোৱা ইং ০৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে উলহ-মালহেৰে পালন কৰা হয়। নৱাগত আদৰণি সভাৰ অনুষ্ঠানত নৱাগতসকলে তেওঁলোকৰ ব্যক্তিগত প্ৰতিভাৰ চিনাকিৰে অনুষ্ঠান সাফল্যমণ্ডিত কৰো লগতে ছাত্ৰ একতা সভা তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত আমন্ত্ৰণ কৰি অনা হয় জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীক।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত বিভিন্ন শিতানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে স্থান দখল কৰি সুনাম কঢ়িয়াবলৈ সক্ষম হয়। আপোনালোকক জনাবলৈ পাই গৌৰৱান্বিত যে এইবেলি আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ খিতাপ দখল কৰে। প্ৰতিগৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ লগতে দলটোৰ তত্বাৱধানত থকা চিত্তৰঞ্জন নাথ মহোদয় আৰু ড° কুন্তলা শৰ্মা বৰদলৈ মহোদয়া, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা ড° ৰূপজ্যোতি বৰুৱা মহোদয়া, বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা দ্বীপজ্যোতি কলিতা মহোদয়, দীপাংকৰ কলিতা মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সংস্কৃতিৰ দৰে গুৰুত্বপূৰ্ণ দিশৰ ওপৰত গুৰুত্ব দি মহাবিদ্যালয়ত এটি লোকবাদ্যৰ দল তথা সাজ-সজ্জাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ সামগ্ৰী সমূহৰ লগতে অতিৰিক্ত প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ব্যৱস্থা কৰি দিবৰ বাবে মই এই প্ৰতিৱেদনৰ দ্বাৰাই মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ। প্ৰতিৱেদনৰ জৰিয়তে কাৰ্যকালৰ সময়ত প্ৰতিটো দিশত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়া মহোদয়, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয়, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা ৰূপজ্যোতি বৰুৱা মহোদয়া আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু তত্বাৱধায়ক মণ্ডলীৰ ওচৰত চিৰকৃতজ্ঞ, লগতে আন আন বিভিন্ন ক্ষেত্ৰত মোক সহায় আগবঢ়োৱা সকলোলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম

ভাৰত মাতা কী জয়।

— শ্ৰদ্ধাৰে —

**মানস প্ৰতিম চহৰীয়া**

সম্পাদক

সাংস্কৃতিক আৰু চাৰুকলা বিভাগ

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃ আৰু জন্মভূমিৰ হকে জীৱন দিয়া শহীদসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। যিসকল ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয়ে জন্ম লাভ কৰিলে সেইসকল মহান ব্যক্তিলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ খেল বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্যকালৰ খতিয়ান চমুকৈ উক্ত প্ৰতিবেদনৰ দ্বাৰা ব্যক্ত কৰিব বিচাৰিছো।

আজিৰ এই আধুনিক সমাজ ব্যৱস্থাত খেল-ধেমালি প্ৰতিভাৰ বিকাশে বাৰুকৈয়ে অগ্ৰগতি লাভ কৰি আহিছে। বৰ্তমান সময়ত দেখা পোৱা যায় যে, শিক্ষা যিমানে উন্নত হৈ গৈ আছে, ঠিক তেনেদৰে শিক্ষাৰ লগে লগে খেল-ধেমালিৰ ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যোৱা দেখা গৈছে। খেল-ধেমালিৰ জৰিয়তে খেলুৱৈসকলে নিজৰ নাম তথা দেশৰ নাম উজ্বলাবলৈ সক্ষম হৈছে। আজিৰ সমাজত এনে খেলুৱৈৰ বহুতো উদাহৰণ পোৱা যায়। আশা কৰো আহি থকা দিনবোৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে খেলৰ দ্বাৰাও মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব।

সমগ্ৰ পৃথিৱীৰ সকলো জাতিৰ মানুহৰ মাজত থকা আমোদ-প্ৰমোদেই হ'ল নানা ধৰণৰ খেল- ধেমালি। নিৰৱচ্ছিন্ন কঠোৰ পৰিশ্ৰম, পৰিকল্পনা আৰু লক্ষ্য নিৰ্ধাৰণৰ দ্বাৰাহে ক্ৰীড়াত পাৰদৰ্শিতা লাভ কৰিব পাৰি। ক্ৰীড়াই আমাৰ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই আমাৰ শাৰীৰিক সামৰ্থ উন্নত কৰে, দলীয় কাম-কাজত আমাৰ সামৰ্থ বৃদ্ধি কৰে, আমাৰ সামাজিক দক্ষতা বৃদ্ধি কৰে। ক্ৰীড়াই সমতাৰ মনোভাব গঢ়ি তোলে আৰু বিফলতা আৰু পৰাজয়ক কোনো ধৰণৰ তিক্ততাবোধ, দুৰাকাংক্ষা বা প্ৰতিশোধ পৰায়ণতা নোহোৱাকৈ গ্ৰহণ কৰাত ই সহায় কৰে। মহাবিদ্যালয় সপ্তাহৰ সকলো খেল আনন্দ-উল্লাসৰ মাজেৰে পাৰ কৰা হয়। প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ ব্যাপক অংশগ্ৰহণে আমাক অনুষ্ঠানসমূহ সুকলমে পৰিচালনা কৰিবলৈ অনুপ্ৰাণিত কৰে। প্ৰতিযোগিতাত বিজয়ীসকলক লগে লগে প্ৰমাণপত্ৰ আৰু মেডেল অৰ্পণ কৰা হয়।

মোৰ কাৰ্যকালত প্ৰতিটো দিশতে দিহা-পৰামৰ্শ দিয়া মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° কমলা কান্ত বড়া মহোদয়, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ইচ্ছাৰাম নাথ মহোদয়, খেল বিভাগৰ তত্বাৱধায়ক জিন্টুমণি নাথ ছাৰ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু তত্বাৱধায়ক মণ্ডলীলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালৰ সময়ছোৱাত যদি অজানিতে কিবা ভুল কৰিছো, সেই ভুলসমূহৰ বাবে মই সকলোৰে ওচৰত ক্ষমা-ভিক্ষা মাগিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম
ভাৰত মাতা কী জয়।

— শ্ৰদ্ধাৰে —

**জাকিৰ হুছেইন**
সম্পাদক
খেল বিভাগ

# সমাজসেৱা বিভাগ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে পৰম পিতা পৰমেশ্বৰৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ। প্ৰতিবেদনৰ আৰম্ভণিতে বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত গঠিত চিৰ সেউজ মনোৰম অসমৰ, দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল বীৰ-বীৰাঙ্গণাই নিজ কলিজাৰ কেঁচা তেজেৰে ইতিহাস গঢ়ি গ'ল, যিসকলে দেশ মাতৃৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দি অমৰত্ব লাভ কৰিলে সেইসকল, শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে যিসকল মহান, বীৰজ্ঞান পিপাসু, পুণ্যাত্মা, জ্ঞান সন্ধানীসকলৰ ত্যাগ, কষ্ট আৰু অশেষ পৰিশ্ৰমৰ মাজেৰে তাহানিৰ ১৯৫১ চনতে দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ "মঙলদৈ মহাবিদ্যালয়" গঢ়ি দৰং জিলাত শিক্ষাৰ ৰামধেনু যুগৰ সূচনা কৰিলে, তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ।

এই ছেগতে মঙলদৈ মহাবিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ বাবে সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত বন্ধু বৰ্গক ধন্যবাদ জ্ঞাপন কৰিলো।

সাধাৰণতে সমাজসেৱা বুলিলে ইয়াৰ প্ৰকৃত সংজ্ঞা দিবলৈ কঠিন যদিও সমাজ সেৱা এক মহৎ কৰ্ম। আনহাতে সমাজসেৱা হ'ল নিঃস্বাৰ্থভাৱে সমাজৰ হৈ কাম কৰি যোৱা। কিন্তু আজিৰ সমাজত নিঃস্বাৰ্থভাৱে সমাজসেৱা আগবঢ়োৱা ব্যক্তিৰ সংখ্যা এপাচি শাকত এটা জালুকৰ দৰে। বৰ্তমান সময়ত পাঠ্যপুথি শিক্ষাই যথেষ্ট শিক্ষা নহয়। ইয়াৰ লগতে লাগিব আমাক কৰ্ম সংস্কৃতি। সেইদৰেই সমাজসেৱা বিষয়টোৰ লগত জড়িত হৈ আছে কৰ্মসংস্কৃতিৰ লগত। আমি স্কুল- কলেজৰ পৰ্যায়ৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে নিজকে সমাজসেৱাৰ লগত জড়িত বুলিব পাৰো। স্বামী বিবেকানন্দ, মাডাৰ টেৰেচা, নবীন চন্দ্ৰ বৰদলৈ, আদিৰ দৰে মনীষীসকলৰ আদৰ্শ শিৰোগত কৰি আমি সমাজসেৱা সৰ্বাংগ সুন্দৰ কৰি তুলিবলৈ ছাত্ৰকালৰ পৰাই প্ৰয়াস কৰা উচিত।

যোৱা ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সভাৰ অন্য সম্পাদক-সম্পাদিকাৰসকলৰ লগতে ময়ো সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই স্বচ্ছতাক লক্ষ্য বান্ধি মহাবিদ্যালয়ৰ চৌহদটো পৰিষ্কাৰ কৰো। কাৰ্যকালৰ আৰম্ভণিৰ পৰাই মহাবিদ্যালয়ৰ দুৱাৰ ডলিত প্ৰতিষ্ঠিত সৰস্বতীৰ প্ৰতিমূৰ্তিটিৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা অটুট ৰখাৰ চেষ্টা চলাই আহিছো। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি মঙলদৈ মহাবিদ্যালয়ত এটা সমূহীয়া চাফাই অভিযানৰ আয়োজন কৰো। তাৰোপৰিও কিছু সংখ্যক ঝাডু আৰু মহাবিদ্যালয়ৰ চৌহদত ডাষ্টবিনৰ দিয়াৰ লগতে ছোৱালী আৱাসটো ইয়াৰ ব্যৱস্থা কৰি দিওঁ। তাৰ লগতে 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভিন্ন কাৰ্যসূচীৰ লগত সংগতি ৰাখি এখনি বিভাগীয় চাফাই প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ চেষ্টা কৰো। এই অনুষ্ঠানবোৰত মোক সহায় কৰা শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলৰ লগতে মোৰ মৰমৰ বন্ধু-বান্ধৱী তথা ভাইটি-ভন্টিসকললৈ এই ছেগতে মোৰ ফালৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত প্ৰতিটো দিশতে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমাজসেৱা বিভাগৰ তত্ত্বাৱধায়নত মাননীয় নৰ দলে ছাৰ আৰু মোৰ পূজনীয় শিক্ষাগুৰুবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্যবৃন্দ আদি আটাইলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালৰ অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাৰ্জনা মাগিলো আৰু মঙলদৈ মহাবিদ্যালয়ৰ জ্যোতিৰে সমগ্ৰ পৃথিৱী জ্যোতিষ্মান হওক তাৰেই কামনা কৰিলোঁ।

বিজয়ৰ লক্ষ্যৰে আমি যুব শক্তি জ্ঞান, চৰিত্ৰ, একতা স্বামীজীৰ মন্ত্ৰত আমি দীক্ষিত নৱ ভাৰতৰ নিৰ্মাতা।

জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মঙলদৈ ছাত্ৰ একতা সভা।
জয় আই অসম।।

— শ্ৰদ্ধাৰে —

**মৃন্ময়ী ডেকা**
সম্পাদিকা, সমাজসেৱা বিভাগ

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



শ্ৰদ্ধা গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থক শ্ৰদ্ধাৰ সুঁৱৰি শলাগ লৈছো, যিসকলৰ প্ৰচেষ্টা, ত্যাগ আৰু কষ্টৰ বিনিময়ত ১৯৫১ চনত ঐতিহ্যমণ্ডিত দৰং জিলাৰ স্নাতক শিক্ষাৰ উচ্চ মানদণ্ডৰ শিক্ষানুষ্ঠান 'মঙলদৈ মহাবিদ্যালয়' গঢ়ি লৈ উঠে। তেওঁলোকৰ সু-স্বাস্থ্য কামনা কৰিলো।

মঙলদৈ মহাবিদ্যালয় কেৱল শিক্ষা গ্ৰহণৰ সমন্বয় থলীয়ে নহয়, ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ বাবে এয়া এক মুক্ত মঞ্চ। তাৰোপৰি সামাজিক দায়বদ্ধতা আৰু কৰ্তব্যৰ বিকাশ এই মহাবিদ্যালয়ৰ পৰাই কৰিব পৰা যায়। ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাই জয়ী হওঁ একমাত্ৰ মঙলদৈয়ানৰ আশীৰ্বাদ আৰু সহায়-সহযোগত। তৰ্ক বিষয়ত থকা মোৰ আগ্ৰহ আৰু প্ৰতিভাক সাকাৰ ৰূপ দিয়াৰ বাবে সকলোকে ধন্যবাদ জনাইছো।

এবছৰৰ এই কাৰ্যকালত মঙলদৈয়ানৰ বাবে কিমান সেৱা আগবঢ়াব পাৰিলো নাজানো। কিন্তু মঙলদৈ মহাবিদ্যালয় আৰু তৰ্ক আৰু বক্তৃতা বিভাগটো আগুৱাই নিবলৈ যথেষ্ট চেষ্টা কৰিছিলো। বিভাগীয় তত্বাৱধায়ক হিচাপে মোক যথেষ্ট সহায় আৰু পৰামৰ্শ প্ৰদান কৰা ড° পবিত্ৰ কুমাৰ নাথ ছাৰক এই ছেগতে কৃতজ্ঞতা জনাইছো।

শপত গ্ৰহণ কৰাৰ কেইদিনমান পিছতে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। তৰ্ক, ঘোষক, বক্তৃতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাক ছাত্ৰীসকলৰ পাৰদৰ্শিতা প্ৰদৰ্শনে আমাক অনুপ্ৰাণিত কৰিছিল।

২০২৩ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে মঙলদৈ মহাবিদ্যালয়ৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত মোৰ অসুস্থতাৰ বাবে অংশগ্ৰহণ কৰিব নোৱাৰিলো। অনুষ্ঠানখনি সুচাৰুৰূপে চলাই নিয়াৰ বাবে সাহিত্য বিভাগৰ সম্পাদক চিৰঞ্জীৱ ডেকা আৰু তত্বাৱধায়ক ড° পবিত্ৰ কুমাৰ নাথ ছাকৰ ধন্যবাদ জ্ঞাপন কৰিছো। উক্ত তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক হিচাপে ..... অনুষ্ঠানখন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত তৰ্ক আৰু বক্তৃতা বিভাগৰ দৰে গুৰু দায়িত্ব অৰ্পণ কৰাৰ বাবে মই সকলোৰে চিৰকৃতজ্ঞ। অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। মঙলদৈ মহাবিদ্যালয় তৰ্ক আৰু বক্তৃতা বিভাগে এক স্বকীয় ৰূপ লাভ কৰক, অসমৰ তৰ্কৰ প্ৰেক্ষাপটত মঙলদৈ মহাবিদ্যালয় জিলিকি উঠক। জ্ঞানৰ শিখাৰে জ্যোতিষ্মান হওক আমাৰ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

— শ্ৰদ্ধাৰে —

**ভাগ্যস্মিতা চৌধুৰী**
সম্পাদিকা
তৰ্ক আৰু বক্তৃতা বিভাগ

# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব,

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ বলিদান দিয়া বীৰ শ্বহীদ সকলক মই সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। ১৯৫১ চনতে স্থাপিত হোৱা দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা নিবেদিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বাৰ্ষিক এই অনুষ্ঠানত ছাত্ৰ জিৰণি কোঠা বিভাগৰ দ্বাৰা আন্তঃদ্বাৰ খেল সমূহ (কেৰম খেল, দবা খেল, বেডমিন্টন খেল, টেবুল টেনিছ খেল, পাঞ্জা খেল আদি)ৰ প্ৰতিযোগিতা সমূহ পতা হয়। এই খেল সমূহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ যথেষ্ট উৎসাহজনক আছিল।

মহাবিদ্যালয়ত অন্য বিভাগৰ দৰেই ছাত্ৰ জিৰণি কোঠা বিভাগটো অতি প্ৰয়োজনীয়। সুস্থ মানৱ আৰু সুস্থ সমাজ এখন গঢ়ি তুলিবলৈ হক্সলে আৰু ক্লান্ত শৰীৰ আৰু মন-মগজুক জিৰণি দিবৰ বাবে ই এক প্ৰয়োজনীয় উপাদান। ঠিক তেনেদৰে মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ শাৰীৰিক আৰু মানসিক ক্লান্তি আদি দূৰ কৰি পুনৰ নিজৰ কৰ্মত মনোনিৱেশ কৰিবলৈ এটা সম্পূৰ্ণ সা-সুবিধা থকা জিৰণি কোঠাৰ নিতান্তই প্ৰয়োজনীয়। সেয়েহে এই ছেগতে অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাও যে প্ৰয়োজনীয় সা-সুবিধাখিনি প্ৰদান কৰি তথা নিতৌ ছাত্ৰ জিৰণি কোঠাটি খোলাৰ ব্যৱস্থা কৰি ছাত্ৰসকলৰ মাজত একতাৰ এনাজৰীডাল সাৱলীল কৰাৰ সুযোগ প্ৰদান কৰে যেন।

মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোৰ দায়িত্ব পালনত কেইবাজনো অভিজ্ঞ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকলৰ সহায় সহযোগিতা লাভ কৰি মই নিজকে ধন্য মানিছো। এই ক্ষেত্ৰত মোৰ কাৰ্যকালত সকলো সময়তে দিহা-পৰামৰ্শ আৰু বিভিন্ন খেলা-ধূলাত দৃষ্টি নিক্ষেপ কৰি সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক ছাৰলৈ তথা ছাত্ৰ একতা সভাৰ সকলো বিভাগৰ তত্বাৱধায়কৰ দায়িত্বত থকা শিক্ষাগুৰুসকললৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সুদীৰ্ঘ কালছোৱাত অজ্ঞাতে যদি কিবা ভুল কৰিছিলো তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

জয় আই অসম

ভাৰত মাতা কী জয়।

— শ্ৰদ্ধাৰে —

**স্বপন ডেকা**

সম্পাদক

ছাত্ৰ জিৰণি কোঠা বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে পৰমপিতাৰ শ্ৰীচৰণত শতকোটি প্ৰণিপাত জনাইছো। লগতে অসম মাতৃৰ হকে প্ৰাণ আহুতি দিয়া অসমৰ শ্বহীদ সকললৈও মোৰ অশ্ৰু-অঞ্জলি যাঁচিলো।

ছাত্ৰী জিৰণি কোঠাৰ চমু প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য হৈ মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে অসমৰ এখনি লব্ধপ্ৰতিষ্ঠ আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে গুৰু দায়িত্ব বহন কৰাটো মোৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান আছিল। কিন্তু ঈশ্বৰৰ কৃপা, শ্ৰদ্ধেয় শিক্ষাগুৰুসকলৰ অনুপ্ৰেৰণা, সাহস, আশীৰ্বাদ তথা সমনীয়া শিক্ষাৰ্থীসকলৰ সহযোগিতা অবিহনে মোৰ বাবে হয়তো সফলকাম হোৱাটো সম্ভৱ নহ'লেহেঁতেন। মোৰ সফলতা-বিফলতাৰ সকলো বিচাৰ মহাবিদ্যালয় পৰিয়ালৰ ওপৰত এৰি দিছো। ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক দায়িত্বভাৰ গতাই দিয়াৰ বাবে মই নথৈ আনন্দিত।

আন আন বছৰৰ দৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বাৰ্ষিক এই অনুষ্ঠানটিত কেৰম বোৰ্ড, বেডমিণ্টন, আল্পনা, পুষ্প সাজ-সজ্জা প্ৰতিযোগিতা, মেহেন্দী, ৰন্ধন, চিত্ৰাংকন, ডবা খেল ইত্যাদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়।

আটাইবোৰ প্ৰতিযোগিতাতে ছাত্ৰীসকলৰ যোগদান আছিল উৎসাহজনক। মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি কোঠাটি নিৰ্মাণ সম্ভৱ স্বচ্ছ আৰু নিকা কৰি ৰাখি সুন্দৰ পৰিৱেশ এটি সৃষ্টি কৰাৰ চেষ্টা কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰীসকলে নিজৰ নিজৰ কৰ্তব্য পালন কৰি ছাত্ৰী জিৰণি কোঠাটি স্বচ্ছ কৰি ৰখাৰ ক্ষেত্ৰত সহযোগিতা প্ৰদান কৰিব লাগিব।

ছাত্ৰী জিৰণি কোঠাৰ 'চেনিটাৰী ভেণ্ডিং মেচিনটো বেয়া হোৱাত পুনৰ মেৰামতি কৰা হয়। লুডু, ডবা, কেৰম বোৰ্ড, বেডমিণ্টন ইত্যাদি খেলৰ সামগ্ৰী ছাত্ৰীসকলৰ বাবে যোগান ধৰা হৈছিল। 'একুৱা গাৰ্ড' ফিল্টাৰ এটা ছাত্ৰী জিৰণি কোঠাত লগোৱা হয়। লগতে ডাচ্‌বিনৰ ব্যৱস্থা কৰা হয়।

শেষত মোৰ কাৰ্যকালত সকলো দিশতে দিহা-পৰামৰ্শ তথা সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু মণ্ডলী আৰু মোৰ বন্ধু-বান্ধৱীসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো আৰু মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, তত্ত্বাৱধায়ক তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো।

মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনাৰে —

— শ্ৰদ্ধাৰে —

**জাগৃতি কাশ্যপ**
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন



নমস্কাৰ

প্ৰতিবেদনৰ আৰম্ভণিতে মই মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক হিচাপে স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা সকলৰ হৈ সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যি সকল ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল আৰু এই মহান অনুষ্ঠানটো গঢ় লৈ উঠিছিল লগতে এই সুযোগতে সেইসকল জাতীয় বীৰ শ্বহীদলৈ মোৰ অশ্ৰু-অঞ্জলি যাচিলো যি সকলে দেশৰ হকে জীৱন দান দি থৈ গ'ল।

মানুহ সামাজিক প্ৰাণী। সমাজক বাদ দি যিকোনো মানুহেই সজ আৰু সুস্থ জীৱন যাপন কৰিব নোৱাৰে। সেয়ে সামাজিক প্ৰাণী হিচাপে সকলো ব্যক্তিৰ সমাজৰ প্ৰতি কৰ্তব্য আছে। অধ্যয়নেই ছাত্ৰ ছাত্ৰীৰ প্ৰধান কৰ্তব্য যদিও তেওঁলোক সামাজিক প্ৰাণী। সমাজৰ পৰাই তেওঁলোকে শিক্ষা দীক্ষা লাভ কৰে বা শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰে। সেয়ে সমাজৰ প্ৰতি ছাত্ৰ ছাত্ৰীসকলৰো কৰ্তব্য আৰু দায়িত্ব আছে। বিদ্যালয় মহাবিদ্যালয়ত থকা বিভিন্ন সমাজ সেৱা বিভাগ যেনে এ চি চি,এন চি চি,এন এছ এছ, স্কাউট আৰু গাইড আদিত ছাত্ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰি সমাজ সেৱাত যোগদান কৰিব পাৰে।

সমাজ সেৱা কৰিবলৈ প্ৰথমে কোনোবা মনীষিৰ আদৰ্শত উদ্বুদ্ধ হ'ব লাগিব। দেশ তথা সমাজৰ বাবে ত্যাগ স্বীকাৰ কৰা মহান ব্যক্তিৰ আদৰ্শত অনুপ্ৰাণিত হৈ বহুতে সমাজ সেৱাত ব্ৰতী হয়। ঠিক তেনেদৰে মইও এই সেৱাত আগৰ প্ৰবীণ সমাজ সেৱক সকলৰ পৰা অনুপ্ৰাণিত হৈ জড়িত হৈ পৰিলোঁ।

বৰ্তমান পৰিস্থিতিত ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠানৰ গুৰুত্ব কিমান তাক পুনৰবাৰ দোহাৰাৰ প্ৰয়োজন নাই। মঙলদৈ মহাবিদ্যালয়ত ১৯৭১ চনতে এই সেৱা বিভাগতো আৰম্ভ হৈছিল। নক'লেও আধৰুৱা হৈ ৰ'ব যে এই অনুষ্ঠানটিৰ বাবে মঙলদৈ মহাবিদ্যালয় আজি নদীৰ গৰাহৰ পৰা ৰক্ষা পৰিছে। যাৰ বাবে আজি আমি শংকাবিহীনভাৱে শিক্ষাগ্ৰহণ কৰিব পাৰিছো আৰু ছাত্ৰী নিবাসটোও নদীৰ কবলৰ পৰা ৰক্ষা পৰিছে।

মই অধিনায়ক হোৱা কাৰ্যকালত ৰাষ্ট্ৰীয় সেৱা আচঁনিয়ে কৰা কামৰ বিৱৰণ দাঙি ধৰিব বিচাৰিছো। প্ৰথমে আমি সকলোৱে মহাবিদ্যালয় চৌহদৰ পৰা ভেবাৰঘাট বাছ আস্থানলৈ এটি শ্ৰমদান কাৰ্য আগবঢ়াও লগতে এনেদৰে আৰু বহুকেইটা শ্ৰমদান কাৰ্য কৰে। ইয়াৰ পাছতে আমি কলেজৰ পৰা ৫ কিঃমিঃ দূৰত অৱস্থিত আউলাচৌকাৰ কুইয়াপানী গাঁওখন পুষ্য গাঁও হিচাপে গ্ৰহণ কৰোঁ। গাঁওখন গ্ৰহণকৰাৰ লগতে তাত বহুকেইজন সজাগতা সভা অনুষ্ঠিত কৰো যেনে — এনেদৰে চলি গৈ থকাত যোৱা বছৰৰ জানুৱাৰী মাহৰ ৪ তাৰিখে গাঁওখনত ৭ দিনীয়া শিবিৰ অনুষ্ঠিত কৰো য'ত আমি ৩০ জন স্বেচ্ছাসেৱীয়ে তাত গৈ সেই সাতদিন দিনে-ৰাতিয়েই সজাগতা সভা, ফুলনি-বাগিছা, অনুসন্ধান কাৰ্য লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি শেষৰ দিনাখন গাঁৱৰ ৰাইজৰ লগত বিদায়ী সভা এখন অনুষ্ঠিত কৰি  ৰাইজৰ পৰা কিছু মত লৈ সেই শিবিৰ শেষ কৰা হয়।

যোৱা বছৰৰ ২২ ফেব্ৰুৱাৰী তাৰিখৰ পৰা ২৮ ফেব্ৰুৱাৰী তাৰিখলৈ নাছিকত অনুষ্ঠিত হোৱা এন. আই . চি অনুষ্ঠান আমাৰ গোটৰ পৰা স্বেচ্ছাসেৱক শ্ৰীপল্লৱ কুমাৰ শৰ্মা আৰু স্বেচ্ছাসেৱিকা শ্ৰীৰূপৰেখা দেৱীয়ে তাত অংশগ্ৰহণ কৰে। আমাৰ মহাবিদ্যালয়ৰ বড়ো বিভাগৰ পিছৰ পথাৰখনিত আমি সেৱা গোটে এখন জৈৱিক পাম কৰো আৰু তাত যোৱা বছৰ আলু খেতি কৰো প্ৰথমবাৰৰ বাবে।

ৰক্ত দান, মহান দান এই বাক্যশাৰীয়ে আমাৰ সমাজসেৱকসকলক বৰকৈ অনুপ্ৰাণিত কৰে সেয়ে ১৩ আগষ্ট তাৰিখে স্বেচ্ছাসেৱক শ্ৰীচিৰঞ্জীৱ ডেকা, শ্ৰীপল্লৱ কুমাৰ শৰ্মা, শ্ৰীদেৱৰাজ চৌহান লগতে মইও মহাবিদ্যালয়ৰ (IQAC) দ্বাৰা আয়োজিত ৰক্ত দান শিবিৰত ৰক্ত দান কৰো।

মহাবিদ্যালয়ৰ এই গোটতো উন্নত যদিও কিছুমান অভাৱ আজিও আছে যেনে- কোঠাৰ ভিতৰত পানী যোগান ব্যৱস্থাটো আৰু কিছু কিছু সামগ্ৰীৰ প্ৰয়োজন আছে বুলি ভাবো।

মঙলদৈ মহাবিদ্যালয় সেৱা আঁচনি গোটৰ কিছু কাম তলত আগবঢ়োৱা হল - মঙলদৈ মহাবিদ্যালয়ৰ এন এছ এছ ইউনিটৰ উদ্যোগত যোৱা ০১/১২/২০২২ তাৰিখে পুৱা ১১.৩০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ কুইয়াপানী গাঁৱত এইচ আই ভি/এইডছ সম্পৰ্কে এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

ৰাষ্ট্ৰীয় যুৱ দিৱস, যাক স্বামী বিবেকানন্দ জয়ন্তী বুলিও জনা যায়, প্ৰতি বছৰে ১২ জানুৱাৰীত পালন কৰা হয়। স্বামী বিবেকানন্দৰ জন্ম বাৰ্ষিকী উদযাপনৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ এন.এছ.এছ. ইউনিটে মঙলদৈ শাখাৰ বিবেকানন্দ কেন্দ্ৰৰ সহযোগত অহা ১২/০১/২০২৩ তাৰিখে পুৱা ১১.৩০ বজাৰ পৰা দুপৰীয়া ২ বজালৈ মঙলদৈ মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ অনুষ্ঠানৰ আয়োজন কৰে।

২০২২ চনৰ ২৪ ছেপ্টেম্বৰ তাৰিখে মঙলদৈৰ বৃদ্ধাশ্ৰমত এন.এছ.এছ. দিৱস পালন কৰা হয়। সাধাৰণতে এন.এছ.এছ. বুলি কোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিখন মহাত্মা গান্ধীৰ শতবাৰ্ষিকী ১৯৬৯ চনত ২৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছিল। সেয়েহে প্ৰতি বছৰে এই দিৱসটো এন.এছ.এছ. দিৱস হিচাপে পালন কৰা হয়। এন.এছ.এছ. ইউনিটৰ ৫০ জন স্বেচ্ছাসেৱকে মঙলদৈ মহাবিদ্যালয় চৌহদৰ পৰা খোজকাঢ়ি ভেবৰঘাটলৈ গৈ চাৰিওফালৰ অঞ্চল চাফা কৰে। ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত স্বচ্ছ ভাৰত অভিযানৰ পদক্ষেপৰ মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় চৌহদৰ ভিতৰত এক "মহাবিদ্যালয় চাফাই কাৰ্যসূচী" অনুষ্ঠিত হয়। ৰাতিপুৱা ৰ৮ বজাৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচী দুপৰীয়া ২-৩০ বজাত। প্ৰায় ৬৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ চুক-কোণ চাফা কৰে। এন.এছ.এছ. ইউনিটে "শিকণৰ দ্বাৰা উপাৰ্জন"নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে কাৰ্যকলাপৰ প্ৰত্যক্ষভাৱে হাতৰ অভিজ্ঞতা লাভ কৰিব পাৰে আৰু ইয়াৰ পৰা কিছু জীৱন অভিজ্ঞতা লাভৱান হ'ব পাৰে। এই কাৰ্যসূচীৰ অধীনত ইউনিটে "জৈৱিক কৃষি" আৰম্ভ কৰিছে য'ত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ ফল-মূলৰ খেতি কৰি আছে।

মঙলদৈ মহাবিদ্যালয়ৰ এন.এছ.এছ. ইউনিটৰ উদ্যোগত কুইয়াপানী গাঁওত ০৩/০১/২০২৩১ পৰা ১০/০১/২০২৩ লৈ বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ উদ্দেশ্যসমূহ হৈছে কুইয়াপানী গাঁৱৰ লোকসকলৰ সৈতে যুৱ স্বেচ্ছাসেৱকসকলৰ মাজত নিজৰ বুলি ভাব সৃষ্টি কৰা, গাঁওবাসীৰ মাজত জীৱনৰ বিভিন্ন দিশৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু স্বেচ্ছাসেৱকসকলৰ দ্বাৰা গাঁৱৰ বাস্তৱ পৰিস্থিতিৰ অভিজ্ঞতা লাভ কৰা।

লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীত প্ৰতি বছৰে ৩১ অক্টোবৰৰ দিনটি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় ঐক্য দিৱস হিচাপে পালন কৰা হয়। চৰ্দাৰ পেটেলৰ জন্মদিন উপলক্ষে তেওঁৰ অৱদান উদ্‌যাপনৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ উদ্যোগত এক ঐক্য দৌৰৰ আয়োজন কৰা হৈছে।

মই কৃতজ্ঞতা জ্ঞাপন কৰিলো মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰা চাৰ, কাৰ্যসূচী বিষয়া শ্ৰীযুত নৱজ্যোতি দলে ছাৰ, সমূহ কৰ্তৃপক্ষ আৰু সেৱা আঁচনি গোটৰ সমূহ শুভাকাংক্ষীলৈ।

শেষত অজানিতে ভুল বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি"

— শ্ৰদ্ধাৰে —
**গৌতম ডেকা**
অধিনায়ক
ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট
মঙলদৈ মহাবিদ্যালয়

# জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা সুধা সঞ্জীৱনী ...

**প্ৰাচীৰ পত্ৰিকা ঃ**

মহাবিদ্যালয়ৰ প্ৰাচীৰত উপলব্ধ ভিন্ন বিভাগৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাসমূহে ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চা তথা জ্ঞানৰ জ্যোতিৰে জিলিকাই আহিছে মহাবিদ্যালয় সংগীতৰ এই বিশেষ অংশৰ দৰে —

"জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা সুধা সঞ্জীৱনী।" তলত ভিন্ন বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক প্ৰাচীৰ পত্ৰিকাসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে —

**সাঁচিপাত ঃ** 'সাঁচিপাত' হৈছে মঙলদৈ মহাবিদ্যালয়ৰ মুখ্য প্ৰাচীৰ পত্ৰিকা। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগে ধাৰাবাহিকভাৱে প্ৰকাশ কৰা এই পত্ৰিকাখন ২০২৩ চনত বিভাগীয় সম্পাদক চিৰঞ্জীৱ ডেকাই সম্পাদনা কৰিছিল। পত্ৰিকাখনত সাঁচিপাতৰ দৰে অংকিত ভিন্ন শিতানৰ লিখনিসমূহে সকলোৰে দৃষ্টি নিৱদ্ধ কৰিবলৈ সক্ষম হৈছিল। এই পত্ৰিকাখন নৱাগত আদৰণি সভাৰ দিনটিত অৰ্থাৎ ৯ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডিম্বেশ্বৰ বৰুৱা মহোদয়ে উন্মোচন কৰে।

**কুঁহিপাত ঃ** 'কুঁহিপাত' হৈছে অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা। প্ৰতিবছৰে ধাৰাবাহিকভাৱে প্ৰকাশ কৰি অহা এই পত্ৰিকাখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ সৃজনীশীলতাক প্ৰতিফলিত কৰে। ২০২২-২৩ বৰ্ষত এই পত্ৰিকাখনৰ বিষয়বস্তু আছিল অসমীয়া সমাজ জীৱন আৰু সংস্কৃতি এই পত্ৰিকাখনৰ সম্পাদনা কৰিছিল যুগল ডেকাই।

**Al-Risalah (The Message) :** আৰবী বিভাগৰ দ্বাৰা প্ৰকাশ কৰা 'আল-ৰিছালাহ' নামৰ শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ জৰিয়তে আৰবী ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ওপৰত বিভিন্ন শিতানৰ লিখনিয়ে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ প্ৰতি থকা ধাউতিক প্ৰতিফলিত কৰিছে।

**The Dawn :** The Dawn হৈছে ইংৰাজী বিভাগৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা। দোকমোকালিৰ হেঙুলী আভাৰ দৰে ছাত্ৰ-ছাত্ৰীসকলে পত্ৰিকাখনক আশাৰ থলস্বৰূপে প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। ২০২২-২৩ শিক্ষাবৰ্ষৰ পত্ৰিকাখনৰ বিষয়বস্তু আছিল 'চন্দ্ৰযান-৩'।



**দাপোন ঃ** প্ৰতি বছৰে ধাৰাবাহিকভাৱে ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'দাপোন' হৈছে বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা স্বকীয় সৃজনীৰে সমাজৰ ৰাজনৈতিক, সামাজিক আদি দৃষ্টিকোণৰ প্ৰতিফলন ঘটোৱা সাহিত্য চৰ্চাৰ এক মঞ্চ। ২০২২-২৩ শিক্ষাবৰ্ষৰ পত্ৰিকাখনৰ যুটীয়াভাৱে সম্পাদনা কৰিছিল মনালিছা ডেকা আৰু অনিন্দিতা ডেকাই। বিভিন্ন আনুসংগিক বিষয়ক সাহিত্যৰ মাধ্যমেৰে প্ৰকাশ কৰা সৃজনীশীলতাক এই পত্ৰিকাখনে প্ৰতিফলিত কৰিছে।




**Daokhri jeng :** বড়ো বিভাগৰ দ্বাৰা প্ৰকাশিত 'Daokhri jeng' নামৰ প্ৰাচীৰ পত্ৰিকাখনে বড়ো সমাজৰ সমাজ, সাহিত্য, ৰীতি-নীতি কিম্বা পৰম্পৰাগত আদি ভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে। পত্ৰিকাখনত ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতা শলাগিবলগীয়া।

**Dolphin :** ২০২২-২৩ শিক্ষাবৰ্ষত প্ৰাণীবিজ্ঞান

বিভাগৰ দ্বাৰা 'Dolphin' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা হৈছে। এই পত্ৰিকাখনৰ বিষয়বস্তু আছিল 'Marine Life'। বিভিন্ন সামুদ্ৰিক প্ৰাণীক বিষয়বস্তু হিচাপে বাছনি কৰি লৈ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ উৎকৃষ্ট নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে।

**Educare :** শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা Educareত শিক্ষা জগতৰ বিভিন্ন বিষয়বস্তু সংকলিত থাকে। ২০২২-২৩ শিক্ষাবৰ্ষত 'ভাৰতীয় শিক্ষাৰ বিকাশৰ ধাৰা' শীৰ্ষক বিষয়ৰ ওপৰত এই পত্ৰিকাখন প্ৰকাশ কৰা হৈছে। পত্ৰিকাখন সম্পাদনা কৰিছিল কমলজ্যোতি নাথে।




**জ্ঞানম ঃ** সংস্কৃত বিভাগৰ পৰা প্ৰকাশিত 'জ্ঞানম' প্ৰাচীৰ পত্ৰিকাখনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে সংস্কৃত সাহিত্য চৰ্চাৰ মাধ্যমেৰে স্বকীয় শৈলীক প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে।ভাষা,বেদ কিম্বা দৰ্শন আদিৰ দৰে ভিন্ন শিতানৰ সমাহাৰে পত্ৰিকাখনক এক নৱৰূপ প্ৰদান কৰিছে।

**জিজ্ঞাসা ঃ** দৰ্শন বিভাগৰ পৰা প্ৰকাশিত 'জিজ্ঞাসা' পত্ৰিকাখনে ছাত্ৰ-ছাত্ৰীসকলৰ দাৰ্শনিক মনোভাৱ তথা অনিসন্ধিৎসু ঈপ্সাক প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। কৌতূহল আৰু জ্ঞানোপাৰ্জনৰ মানসিকতাক এই পত্ৰিকাখনে প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে।

**মৌচুমী ঃ** 'মৌচুমী' হৈছে ভূগোল বিভাগৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা। ২০২২-২৩ বৰ্ষত পত্ৰিকাখনৰ বিষয়বস্তু হৈছে G-20। পত্ৰিকাখনৰ সম্পাদনা কৰিছে শ্বাহ আলমে। ভাৰতবৰ্ষৰ অধ্যক্ষতাত অনুষ্ঠিত G-20 ৰ সন্মিলনক কেন্দ্ৰবিন্দু হিচাপে বাছনি কৰি ছাত্ৰ ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ এই ধাৰাবাহিকতাক জীয়াই ৰখাৰ প্ৰয়াস কৰিছিল তথা এক সুকীয়া মঞ্চ হিচাপে চিহ্নিত হৈছে।




**Magnolia :** উদ্ভিদ বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত 'Magnolia' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ বিষয়বস্তু আছিল Endemic species of orchid in Assam। বিভিন্ন স্থানীয় অৰ্কিডৰ প্ৰজাতিক বিষয়বস্তুক সাহিত্য চৰ্চাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকাখনৰ শোভা বৰ্ধন কৰিবলৈ সক্ষম হৈছে।




**Mindroid :** পদাৰ্থ বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত 'Mindroid' নামৰ পত্ৰিকাখনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে যান্ত্ৰিকতা,আধুনিক প্ৰযুক্তি,মহাকাশ অভিযান আদি ভিন্ন দিশক সামৰি সাহিত্য চৰ্চাৰ ধাৰাবাহিকতাক অক্ষুণ্ণ

ৰাখিবলৈ সক্ষম হৈছে। বৰ্তমান প্ৰেক্ষাপটৰ প্ৰযুক্তিৰ উত্তৰণক এই পত্ৰিকাখনে দাঙি ধৰিবলৈ সক্ষম হৈছে।

**Molecule :** বিজ্ঞানৰ ভিন্ন মেটমৰা সম্ভাৰেৰে সংকলিত 'Molecule' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন হৈছে ৰসায়ন বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত। প্ৰতিবছৰে বিভাগটোৱে এই পত্ৰিকাখন ধাৰাবাহিকভাৱে প্ৰকাশ কৰি আহিছে।

**ৰেঙনি ঃ** ইতিহাস বিভাগৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'ৰেঙনি'ৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ বিষয়বস্তু আছিল 'চন্দ্ৰযান'। বিভাগটোৱে প্ৰতিবছৰে এই প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছে। চন্দ্ৰযানৰ দৰে এটি বিশেষ বিষয়ক বাছনি কৰি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ মাধ্যমেৰে নিজস্ব সৃষ্টিক প্ৰদৰ্শন কৰিছে।




**Sutras :** গণিত বিভাগৰ দ্বাৰা প্ৰকাশিত 'Sutras' নামৰ প্ৰাচীৰ পত্ৰিকাখনৰ জৰিয়তে গণিতৰ বিভিন্ন বিষয়বস্তু আৰু তথ্য সংকলিত কৰিছিল। পূৰ্বৰ ধাৰাবাহিকতা এই ৰক্ষা কৰি এইবেলিও ৰাষ্ট্ৰীয় গণিত দিৱসৰ লগত সংগতি ৰাখি এই পত্ৰিকাখন প্ৰকাশিত কৰা হৈছে।

**সম্ভাৱিতা ঃ** পৰিসংখ্যা বিভাগৰ দ্বাৰা প্ৰকাশিত 'সম্ভাৱিতা' নামৰ পত্ৰিকাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ মাধ্যমেৰে পৰিসংখ্যাৰ এটি বিশেষ বিষয় সম্ভাৱিতাক প্ৰতিফলিত কৰিছে। পৰিসংখ্যাৰ ওপৰত সংকলন কৰা পত্ৰিকাখন প্ৰতিবছৰে প্ৰকাশ কৰা হয়।

**Techno Greek :** কম্পিউটাৰ বিজ্ঞান আৰু তথ্য প্ৰযুক্তি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে 'Techno Greek' নামেৰে প্ৰকাশ কৰা পত্ৰিকাখন প্ৰযুক্তিবিদ্যাৰ ওপৰত বিভিন্ন বিষয় সংকলিত কৰিছে। উক্ত পত্ৰিকাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সমসাময়িক প্ৰযুক্তি উত্তৰণক প্ৰতিফলিত কৰিবলৈ প্ৰয়াস কৰিছে।

**Focus :** Focus নামৰ পত্ৰিকাখন হৈছে বি.ভক. বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা। এই পত্ৰিকাখনত ছাত্ৰ-ছাত্ৰীসকলে ভিন্ন শিতানৰ জৰিয়তে স্বকীয় সাহিত্য চৰ্চাৰ সৃজনীশীলতাক প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে।

**Tagra Raho :** Ragra Raho হৈছে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন.চি.চি.ৰ ছোৱালী শাখাৰ জৰিয়তে প্ৰকাশিত বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা। দেশ সেৱাৰ মানসিকতাৰে যিদৰে এন. চি. চি. ৰ শিক্ষাৰ্থীসকলে ভিন্ন সময়ত সমাজৰ হিতৰ হকে নিয়োগ কৰি অহা পৰিলক্ষিত হয়, তেনেদৰে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত তেওঁলোকৰ এই প্ৰয়াস শলাগিবলগীয়া।

# বিভাগীয় হাতে লিখা আলোচনী




**গজালি ঃ**

গজালি হৈছে অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক হাতে লিখা আলোচনী। সাহিত্যৰ ভিন্ন শিতানৰ মেটমৰা সম্ভাৰেৰে এই আলোচনীখনে জ্ঞান অন্বেষণৰ এক উৎকৃষ্ট মাধ্যম হিচাপে পৰিগণিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই আলোচনীখনে সাহিত্য চৰ্চাৰ এক বিশেষ মঞ্চ হিচাপে চিহ্নিত হৈ আহিছে। ২০২২-২৩ শিক্ষাবৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ দ্বাৰা আয়োজিত হাতে লিখা আলোচনী প্ৰতিযোগিতাখনত এই আলোচনীখনে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি যুগল ডেকাই আৰু নিজৰা ডেকাই যুটীয়াভাৱে শ্ৰেষ্ঠ সম্পাদকৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।




**কিশলয় ঃ** কিশলয় হৈছে উদ্ভিদ বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত হাতে লিখা আলোচনী। ২০২২-২৩ বৰ্ষৰ সংখ্যাটিৰ সম্পাদনা কৰিছিল জিৎ বৰুৱাই। ২০২২-২৩ শিক্ষাবৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ দ্বাৰা আয়োজিত হাতে লিখা আলোচনী প্ৰতিযোগিতাখনত এই আলোচনীখনে দ্বিতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিভাগৰ দ্বাৰা প্ৰকাশিত এই হাতে লিখা আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ প্ৰতিভা বিকাশৰ এক মঞ্চ।



**জিজ্ঞাসা ঃ** জিজ্ঞাসা হৈছে দৰ্শন বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক হাতে লিখা আলোচনী। উক্ত আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ অনিসন্ধিৎসু ঈপ্সা তথা কৌতূহল আৰু জ্ঞানোপাৰ্জনৰ মানসিকতাক এই আলোচনীখনে প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। ২০২২-২৩ শিক্ষাবৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ দ্বাৰা আয়োজিত হাতে লিখা আলোচনী প্ৰতিযোগিতাখনত এই আলোচনীখনে উদ্‌গনিমূলক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।

# Principals of Mangaldai College

**Estd. 1951**

| Sl. No. | Name | From | To |
|---|---|---|---|
| 1. | Sri Purandar Sarma, M.A., Bl, | 20.09.1951 | 11.09.1966 |
| 2. | Sri Prabodh Ch. Goswami, M.A., BT. | 12.09.1966 | 30.06.1977 |
| 3. | MD. Abdul Mazid, M.A., LLB | 01.07.1977 | 17.08.1983 |
| 4. | Dr. Purna Ch. Bora, M.A., Ph.D. (in Charge) | 18.08.1983 | 18.03.1988 |
| 5. | MD. Abdul Mazid, M.A., LLB | 19.03.1988 | 28.02. 1990 |
| 6. | Dr. Purna Ch. Bora, M.A., Ph.D. (in Charge) | 01.03.1990 | 31.03.1992 |
| 7. | Sri Gopi Nath Sarma, M.A. (in Charge) | 01.04.1992 | 30.06.1992 |
| 8. | Sri Siba Kanta Sarma, M.A., LLB | 01.07.1992 | 31.05.1996 |
| 9. | Dr. L Nath, M.Sc, BT, M. Phil, Ph.D. | 01.06.1996 | 31.03.1999 |
| 10. | Dr. (Mrs.) Amiya Devi, M.A., Ph.D. (in Charge) | 01.04.1999 | 31.07.2000 |
| 11. | Dr. G.C. Goswami, M.Sc., BT, M. Phil, Ph.D. | 01.08.2000 | 31.04.2001 |
| 12. | Dr. H.K. Goswami, M.A., Ph.D. (in Charge) | 01.05.2001 | 31.05.2004 |
| 13. | Dr. R.K. Roy, M.A., Ph.D. (in Charge) | 01.06.2004 | 30.11.2004 |
| 14. | Dr. J.C. Nath, M.A., Ph.D. | 01.12.2004 | 31.08.2007 |
| 15. | Mr. S. Rahman, M.Sc., LLB (in Charge) | 01.09.2007 | 16.01.2009 |
| 16. | Mr. B.K. Medhi, M.Sc. (in Charge) | 17.01.2009 | 31.10.2010 |
| 17. | Mr. N. Mudai, M.Sc. LLB (in Charge) | 01.11.2010 | 06.06.2011 |
| 18. | Mrs. B. Goswami, M.Sc. (in Charge) | 07.06.2011 | 20.01.2012 |
| 19. | Dr. K.K. Nath, M.Sc., Ph.D. | 20.01.2012 | 31.01.2022 |
| 20. | Dr. Kamala Kanta Bora, M.Sc., Ph.D. (in charge) | 01.02.2022 | 11.02.2022 |
| 21. | Mr. Manimugdha Barthakur, M.A. (in charge) | 22.02.2022 | 30.03.2022 |
| 22. | Dr. Kamala Kanta Bora, M.Sc., Ph.D. | 31.03.2022 | onwards |

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে
# সম্পাদক আৰু তত্ত্বাৱধায়কসকল

(১৯৫৮-১৯৫৯ বৰ্ষৰ পৰা ২০১৬-২০১৭ বৰ্ষলৈকে)

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-১৯৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-১৯৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-১৯৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-১৯৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-১৯৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-১৯৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-১৯৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-১৯৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-১৯৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-১৯৬৯ | শ্ৰীনৰেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-১৯৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-১৯৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-১৯৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন নাথ কাকতি |
| ১৪শ | ১৯৭২-১৯৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভূপেন নাথ কাকতি |
| ১৫শ | ১৯৭৩-১৯৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভূপেন নাথ কাকতি |
| ১৬শ | ১৯৭৪-১৯৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন নাথ কাকতি |
| ১৭শ | ১৯৭৫-১৯৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন নাথ কাকতি |
| ১৮শ | ১৯৭৬-১৯৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | শ্ৰীভূপেন নাথ কাকতি |
| ১৯শ | ১৯৭৭-১৯৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-১৯৭৯ | শ্ৰীশৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-১৯৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-১৯৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-১৯৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-১৯৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-১৯৮৬ | শ্ৰীশিৱ প্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-১৯৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-১৯৮৮ | শ্ৰীভবেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-১৯৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ আলি |
| ২৯ম | ১৯৮৯-১৯৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-১৯৯২ | শ্ৰীববিতা কুমাৰ মাজুডেকা | ইদ্ৰিছ আলি |
| ৩১ম | ১৯৯১-১৯৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ আলি |
| ৩২ম | ১৯৯৩-১৯৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-১৯৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |

| | | | |
|---|---|---|---|
| ৩৪ম | ১৯৯৫-১৯৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |
| ৩৫ম | ১৯৯৬-১৯৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-১৯৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-১৯৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০১-২০০১ | শ্ৰীপ্ৰবীন বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-২০০২ | শ্ৰীসম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-২০০৫ | শ্ৰীচিন্ময় বৰুৱা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | | শ্ৰীদেৱৰ্ষি ডেকা | |
| ৪২ম | ২০০৬-২০০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-২০০৮ | শ্ৰীজয়ন্ত ডেকা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-২০০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-২০১০ | শ্ৰীমানৱজ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-২০১১ | মঃ হামিদুৰ ৰহমান | ড° সৰযুপ্ৰিয়া দেৱী |
| ৪৭ম | ২০১১-২০১২ | শ্ৰীঅবিনাশ বৰুৱা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | ২০১২-২০১৩ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড° সৰযুপ্ৰিয়া দেৱী |
| | ২০১৩-২০১৪ | শ্ৰীভাস্কৰজ্যোতি ডেকা | |
| ৪৮ম | ২০১৪-২০১৫ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড° আঙ্গিৰস |
| | ২০১৫-২০১৬ | শ্ৰীলক্ষ্যজ্যোতি দাস | ড° আঙ্গিৰস |
| ৪৯ম | ২০১৬-২০১৭ | শ্ৰীজ্ঞানদ্বীপ বৰুৱা | ড° আঙ্গিৰস |
| ৫০ম | ২০১৭-২০১৭ | ছালমান হুছেইন | ড° আঙ্গিৰস |
| ৫১ম | ২০১৮-২০১৯ | প্ৰাঞ্জল প্ৰতিম ডেকা | ড° আঙ্গিৰস |
| | ২০১৯-২০২১ | বিমান কলিতা | ড° আঙ্গিৰস |
| ৫২ম | ২০২১-২০২২ | দেৱাশীষ ৰাজকুমাৰ | সম্পাদনা সমিতি |
| ৫৩ম | ২০২২-২০২৩ | চিৰঞ্জীৱ ডেকা | ড° মঞ্জু কলিতা |

# Teacher's Achievement

**FDPs done under**
**SWAYAM-NPTEL LOCAL CHAPTER (LCID-5819)**

| S. No. | Name of the Faculty | Designation |
|---|---|---|
| 1. | Dr. Seema Jyoti | Associate Professor, Department of Zoology |
| 2. | Dr. Kunjalata Baruah | Assistant Professor, Department of Education |
| 3. | Dr. Barnali Deka | Assistant Professor, Department of Political Science |
| 4. | Bijoy Krishna Talukdar | Guest Faculty, Bachelor of Vocation |
| 5. | TunujaBoro | Assistant Professor, Department of Zoology |
| 6. | Krishna Das | Assistant Professor, Department of Zoology |



Congratulations to Ma'am Dr Debashree Kakati for being one of the 194 National Level Master Trainers in Indian Knowledge System (IKS) selected by the UGC, Govt. of India.

# Students Achievement






Baby Nasmin Begum
Subject :
Stress Management

# মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ কৰণীয় ...

আমাৰ আবেগ মঙলদৈ মহাবিদ্যালয়। আহক মহাবিদ্যালয়খনে প্ৰদান কৰা সকলো সা-সুবিধাৰে আমি নিজক গঢ়ি মহাবিদ্যালয়খনিৰ বাবেও সুনাম কঢ়িয়াই আনো। আহক ইয়াৰ বাবে আমি —

- মহাবিদ্যালয় সংগীতটো মহাবিদ্যালয়ৰ স্বাভিমান কিম্বা আদৰ্শৰ প্ৰতীক, মহাবিদ্যালয় সংগীতটি শুনিলে নিজে উপস্থিত থকা ঠাইখিনিত শেষৰলৈকে থিয় হৈ সন্মান প্ৰদৰ্শন কৰাটো আমাৰ সকলোৰে কৰ্তব্য। আহক, আশাৰ গজালিটিক এনেদৰেই সন্মান প্ৰদৰ্শন কৰোঁ।
- শৃংখলাবদ্ধতা, নিয়মানুবৰ্তিতাৰে আন্তৰিকভাৱে পাঠ গ্ৰহণ কৰি নিজক গঢ়াৰ মানসিকতাৰে আমাৰ কৰ্তব্যসমূহ নিষ্ঠাৰে পালন কৰোঁ।
- আহক আমি সকলোৱে মহাবিদ্যালয়ৰ ঐক্যপোছাক (Uniform) পৰিধান কৰি প্ৰকৃত ছাত্ৰ-ছাত্ৰী হিচাপে পৰিচয় দিওঁ।
- আহক নিয়মিত ৭৫% উপস্থিতিৰে আমি সকলোৱে নিজকে প্ৰকৃত ছাত্ৰ-ছাত্ৰী হিচাপে পৰিচয় দিওঁ।
- আহক আমি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দৰে মহান গুণক আয়ত্ত কৰি নিজৰ মন, শৰীৰৰ লগতে মহাবিদ্যালয়খনিৰ ভৱন আৰু চৌহদ স্বচ্ছ আৰু সুন্দৰ কৰি ৰাখো। মহাবিদ্যালয় চৌহদত ধঁপাত সেৱন বৰ্জন কৰি আপোন মহাবিদ্যালয়খনক জিলিকাই তুলি ঈপ্সাৰ মানসপটত স্থিত কৰোঁ।
- আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়। আহক আমি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়সহ কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু মহাবিদ্যালয় পৰিয়ালবৰ্গই সকলোৰে সৈতে যথাযথ সহযোগ কৰি মহাবিদ্যালয়খনি সৰ্বাংগসুন্দৰ কৰি তোলো।
- 'মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা' মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মুক্তকণ্ঠ। আহক আমি সকলোৱে সক্ৰিয় সহযোগিতাৰে মহাবিদ্যালয়খনৰ বিকাশৰ বাবে কাম কৰি যাওঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয়।।

।। জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

# কেনভাচৰ তুলিকাৰে ...



অংকন ঃ গৌতম ডেকা



অংকন ঃ লৱ বৈশ্য




অংকন ঃ অনুভৱ ভৰদ্বাজ



অংকন ঃ
সৌৰভ কুমাৰ ডেকা



অংকন ঃ দিব্যজ্যোতি চহৰীয়া



অংকন ঃ অনিন্দিতা ডেকা



অংকন ঃ অংকুৰ চহৰীয়া

## ২০২২-২৩ শিক্ষাবৰ্ষৰ কালছোৱাত মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ পৰা সদ্যবিদায়ী প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ড° লীনা শইকীয়া বাইদেউলৈ

# বিদায় সম্ভাষণ ...



হে জ্ঞানৰ পূজাৰী,

জীৱন নাটৰ এটি বিশেষ অংশ আপোন মঙলদৈ মহাবিদ্যালয়খনৰ লগত জড়িত ৰাখি আপুনি যি মানৱ সম্পদ গঢ়াৰ দৰে এক মহৎ কাৰ্যৰ গুৰি ধৰিলে, সেই বিশেষ অবদানৰ বাবে আপোনালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। বৰ্তমান সময়ছোৱাতো সাহিত্য-সংস্কৃতিৰ দৰে সমাজৰ ভিন্ন ক্ষেত্ৰত আপুনি যি বৰঙণি আগবঢ়াই আহিছে, এই মহৎ কাৰ্যত আমি গৌৰৱ অনুভৱ কৰিছো। আপুনি মঙলদৈ মহাবিদ্যালৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (ছোৱালী)ৰ সহযোগী এন. চি চি বিষয়া (ANO, Associate NCC Officer) হিচাপে বিশ বছৰ দ্বায়িত্ব পালন কৰে। ২০২১ চনত এন চি চিৰ সন্মানীয় মহানিৰ্দেশকৰ পৰা ফলক (Plaque) আৰু ২০২২ চনত প্ৰশংসা পত্ৰ (DG Commendation Card) লাভ কৰি মহাবিদ্যালয়ৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়ায়। আপুনি সাতখন প্ৰাণী বিজ্ঞানৰ পুথি আৰু পোন্ধৰখন শিশু উপযোগী আৰু এখন স্মৃতিলেখা লিখি সাহিত্য জগততো অৰিহণা যোগাইছে। সমাজৰ অন্তিম বিন্দুলৈকে প্ৰসাৰিত হওক আপোনাৰ সৃষ্টিৰাজি তথা কাৰ্যক্ষম মনটিৰ সূক্ষ্ম চিন্তাধাৰাবোৰ। ভাল বাৰ্তাবোৰ লাভ কৰাৰ ঈপ্সাৰে অদৃশ্যজনৰ ওচৰত আপোনাৰ দীৰ্ঘায়ু কামনা কৰিলো

— ধন্যবাদেৰে —
আপোনাৰ শুভাকাংক্ষী
সম্পাদনা সমিতি আৰু
মঙলদৈ মহাবিদ্যালয় পৰিয়ালবৰ্গ

---

# লেন্সৰ সীমনাত .....




আশাৰ গজালি তুমি ...
কমল প্ৰসাদ শৰ্মা



ৰাঙলী বেলিৰ আভা ...
দ্ৰুপদ মেধি



শুকুলা ডাৱৰৰ হেন্দোলনিত বন্দী পৰিভ্ৰমী
কমল প্ৰসাদ শৰ্মা



অস্ত আকাশৰ হেঙুলী আভা
শশাংকমণি কাশ্যপ




**ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল**

বাওঁফালৰ পৰা ক্ৰমে — দিগন্ত কুমাৰ দলৈ (সভাপতি), মৃগাংক কুমাৰ (সাধাৰণ সম্পাদক)
প্ৰাণজিৎ ভৰদ্বাজ (সহঃ সাধাৰণ সম্পাদক), চিৰঞ্জীৱ ডেকা (সম্পাদক, সাহিত্য আৰু আলোচনী),
মানস প্ৰতিম চহৰীয়া (সম্পাদক, সাংস্কৃতিক আৰু চাৰুকলা), জাকিৰ হুছেইন (খেল সম্পাদক)
চপন ডেকা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), জাগৃতি কাশ্যপ (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা)
মৃন্ময়ী ডেকা (সম্পাদিকা, সমাজসেৱা), ভাগ্যস্মিতা চৌধুৰী (সম্পাদিকা, তৰ্ক আৰু বক্তৃতা)




**ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ সৈতে বিভাগীয় তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকা সকল**

বাওঁফালৰ পৰা ক্ৰমে — ড° জয়ন্ত কুমাৰ বৰুৱা, জিন্টুমণি নাথ, নৰজ্যোতি দলে, ইচ্ছাৰাম নাথ,
ড° মঞ্জু কলিতা, ড° ৰূপজ্যোতি বৰুৱা, ড° কুন্তলা শৰ্মা বৰদলৈ, ড° পবিত্ৰ কুমাৰ নাথ

# মহাবিদ্যালয়ৰ গৌৰৱ



চাৰ্জিদা আখতাৰা খানম
২০২২-২৩ শিক্ষা বৰ্ষৰ
শ্ৰেষ্ঠ গায়িকা



দেৱাশীষ ৰাজকুমাৰ
২০২২-২৩ শিক্ষা বৰ্ষৰ
শ্ৰেষ্ঠ সাহিত্যিক,
তাৰ্কিক, বক্তা আৰু ঘোষক



নিৰ্মালী বড়ো
২০২২-২৩ শিক্ষা বৰ্ষৰ
শ্ৰেষ্ঠ খেলুৱৈ



আৰ্চিক আলম আহমেদ
গুৱাহাটী বিশ্ববিদ্যালয়ৰ চিত্ৰাঙ্কণ
প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত




বিশ্বনাথ মহাবিদ্যালয়ত অনুষ্ঠিত ২০ সংখ্যক নাজিবুৰ
ৰহমান সোঁৱৰণী সদৌ অসম ভিত্তিত আন্তঃ
মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ তৃতীয় শ্ৰেষ্ঠ দলৰ
সন্মান লাভ কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ
চুমন ডেকা আৰু শ্যামলাল সৰকাৰ



ৰঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূব মাণ্ডলিক
আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ
সন্মান লাভ কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ
জ্যোতিস্মিতা পাঠক, চুমন ডেকা আৰু
দেৱাশীষ ৰাজকুমাৰ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত আন্তঃ মহাবিদ্যালয়
যুৱ মহোৎসৱত স্ব-ৰচিত আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয় স্থান
লাভ কৰা মঙলদৈ মহাবিদ্যালয় দেৱাশীষ ৰাজকুমাৰ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত আন্তঃ মহাবিদ্যালয়
যুৱ মহোৎসৱত ব্যঙ্গ নাটত দ্বিতীয় স্থান প্ৰাপ্ত মঙলদৈ
মহাবিদ্যালয়ৰ দলটি




নেহৰু যুৱ কেন্দ্ৰৰ দ্বাৰা অনুষ্ঠিত
স্ব-ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাত
শ্ৰেষ্ঠত্ব অৰ্জন কৰা
মঙলদৈ মহাবিদ্যালয়ৰ চিৰঞ্জীৱ ডেকা

# মহাবিদ্যালয়ৰ ৰেঙণি




মহাবিদ্যালয়ৰ 'দৈয়ান' বিহু দলটি



এন.চি.চি.ৰ দলটিৰ অংশ বিশেষ




বিহু কৰ্মশালাৰ এটি মুহূৰ্ত



ছাত্ৰ একতা সভাৰ আবেদন মৰ্মে মহাবিদ্যালয়ৰ সন্মুখত স্পীড বেকাৰ নিৰ্মাণৰ মুহূৰ্ত





যুৱ মহোৎসৱত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা দলটি




৩৩ তম্ শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলৰ সৈতে মহাবিদ্যালয় পৰিয়ালৰ অংশ বিশেষ

# মহাবিদ্যালয় সপ্তাহৰ কেইটিমান মুহূৰ্ত














প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচনৰ মুহূৰ্ত



মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৌজন্যত আয়োজিত শোভাযাত্ৰাৰ এটি মুহূৰ্ত

# মহাবিদ্যালয়ৰ ৰেঙণি












ইউনিৰ্ভাচিটি অৱ চায়ন্স এণ্ড টেক্‌ন'ল'জিৰ দ্বাৰা অনুষ্ঠিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কেইটিমান বিশেষ মুহূৰ্ত




মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী বৃন্দ আৰু
পৰিচালনা সমিতিৰ একাংশ




মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কৰ্মচাৰী বৃন্দ



গ্ৰন্থাগাৰিকাৰ সৈতে কৰ্মীবৃন্দ



যুৱ মহোৎসৱৰ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ
বঁটা লাভ কৰা মহাবিদ্যালয়ৰ দলটি

## যুৱ মহোৎসৱৰ শোভাযাত্ৰাত দৰঙী সংস্কৃতিক প্ৰতিনিধিত্ব কৰা মহাবিদ্যালয়ৰ দলটি






# ভাখেৰী

## বেটুপাতৰ সুবাসেৰে ...

এন্ধাৰৰ ভেঁটা ভাঙি জ্ঞানৰ জেউতিৰে শত-সহস্ৰ বন্তি স্বৰূপ মানৱৰ সৃষ্টিৰাজিয়ে অসমীয়া সভ্যতাক জিলিকাই তোলাৰ উদ্যমক এই সংখ্যাৰ বেটুপাতত প্ৰতিফলিত কৰিব বিচৰা হৈছে।

বেটুপাতত পৰিলক্ষিত হোৱা অসমীয়া গঞা সমাজৰ চোতালৰ এক অবিচ্ছেদ্য অংগ ভাখেৰী (ভঁৰাল) টিয়ে কঠোৰ অধ্যৱসায় কিম্বা অনিসন্ধিৎসু ঈপ্সাৰে সংগ্ৰহ কৰা প্ৰাপ্তিৰ পথাৰৰ গুটিধান আৰু জ্ঞানোপাৰ্জনৰ ভঁৰালক সূচাইছে। ভাখেৰীটোৰ সন্মুখৰ অংশত শৰাইৰে সৈতে অসমীয়া গামোচাৰ ওপৰত থকা পুথিসমূহে আৰু আগলতি কলপাতৰ ওপৰত স্থিত বন্তিয়ে অসমীয়া সমাজ জীৱনৰ চহকী কৃষ্টিৰাজিৰ উৎকৃষ্ট নিদৰ্শন বহন কৰিছে। গামোচাখনৰ ওপৰত থকা পুথিবোৰে জ্ঞানৰ ভঁৰাল স্বৰূপ বিশ্বজনীন সাহিত্য, প্ৰাচীন ভাৰতীয় সাহিত্যৰাজি,অসম মাতৃৰ সু-সন্তান মহাপুৰুষ গুৰু দুজনাৰ সৃষ্টিৰাজিক দেখুৱাইছে; পুথি পঢ়াৰ মাদকতাৰে প্ৰাপ্তিৰ বন্যা বোৱাই 'ভাখেৰী'ক উছৰ্গা কৰাৰ কথা সূচাইছে। 'ভাখেৰী'টোৰ ওপৰত থকা অক্ষৰ বিহীন পুথিখনৰ জৰিয়তে জ্ঞানৰ মন্দিৰৰ সৰ্বোচ্চ পদত স্থিত পুথিখনক দেখুৱাব বিচৰা হৈছে য'ত সকলো মহানুভৱ মানৱে কিম্বা গুৰুসকলে নিজস্ব শৈলীৰে জ্ঞানৰ আকৰ গঢ়ি তোলাৰ খনিকৰ হিচাপে নিজা পৰিচয় বহন কৰে।

'ভাখেৰী'টোৰ কাষতে থকা মানৱ সদৃশ প্ৰতিমূৰ্ত্তিবোৰেৰে মানৱ সভ্যতাৰ উদ্যমক দেখুৱাব বিচৰা হৈছে। নীলা আৰু ৰঙা ৰঙৰ প্ৰতিমূৰ্ত্তিবোৰে জ্ঞান প্ৰাপ্তিৰ মানসেৰে 'ভাখেৰী' সদৃশ জ্ঞানৰ ভঁৰাললৈ গমন কৰাৰ কথাক প্ৰতিপন্ন কৰিছে। আনহাতে সেউজীয়া ৰঙৰ প্ৰতিমূৰ্ত্তিবোৰে জ্ঞানৰ ভঁৰাল কিম্বা স্বকীয় শৈলীৰে স্ব-জাতি, মাটি, ভেঁটিক প্ৰতিনিধিত্ব কৰি সমাজ জীৱনৰ ভেটি স্বৰূপ বিশ্বজনীন সাহিত্য-সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি, দৰ্শন আদি ভিন্ন ক্ষেত্ৰলৈ নিয়োগ তথা সেৱা কৰাৰ মানসিকতাৰে গতি কৰাৰ কথা সূচাইছে।

পৃষ্ঠভূমিত পৰিলক্ষিত হোৱা হালধীয়াৰ পৰা ৰঙালৈ ক্ৰমান্বয়ে সলনি হোৱাটোৱে ৰাঙলী সূৰুযৰ আভাৰ জৰিয়তে অসমীয়া সমাজ জীৱনৰ সভ্যতাই আদি অনাদিলৈ জিলিকি থকাৰ প্ৰচেষ্টাক দাঙি ধৰিব বিচৰা হৈছে। ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ ভাষাৰে —

এন্ধাৰৰ ভেঁটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতী নিজৰাৰে ধাৰ,
শত শত বন্তিৰে
জ্ঞানৰে দিপালীয়ে,
জিলিকাব লুইতৰে পাৰ ...

# ভাখেৰী

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী



978-0-7336-2669-4

Printed at Mayuree Offset, Mangaldai